বসন্ত শইকীয়া ।। নাট্যসংগ্ৰহ

মৃত্যুদণ্ড	১
অন্য এক পৰশুৰাম	৭৩
হেমাঙ্গিনী চেতিয়াৰ জীৱনৰ গুপুত কাহিনী	১৪৯
মেৰ	২২৩

নাট্যসংগ্ৰহ
বসন্ত শইকীয়া
প্ৰথম প্ৰকাশ ঃ
এপ্ৰিল, ২০০৯
প্ৰকাশক ঃ
নন্দনা গ্ৰন্থমৰ হৈ
নন্দনা শইকীয়া
অঙ্গনা শইকীয়া
সুন্দৰ পুৰ,
গুৱাহাটী - ৭৮১০০৫
পৰিবেশক ঃ
সূৰ্য্য হাজৰিকা
বাণী মন্দিৰ, হেদায়ৎপুৰ
গুৱাহাটী -৭৮১০০৩

প্ৰচ্ছদ পৰিকল্পনা ঃ
প্ৰদীপ বৰদলৈ
প্ৰচ্ছদ অংকন ঃ
উৎপল বৰা
মূল্য ঃ ২০০.০০ টকা
মুদ্ৰক ঃ
ইষ্টাৰ্ণ অফছেট প্ৰিণ্টাৰ্ছ
আৰ জি বৰুৱা ৰ'ড,
গুৱাহাটী - ৭৮১০২৪

পিছলৈ উভতি চাওঁ

স্কুলত পঢ়ি থকা কালতে (১৯৪৯-৫১ চনৰ ভিতৰত) ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা দেৱৰ 'কাৰেঙৰ লিগিৰী' নামৰ নাটক খন নগাঁও জিলাৰ ধিং প্ৰগতি নাট্য মন্দিৰত প্ৰয়াত নাট্য শিল্পী উপেন্দ্ৰ নাথ শইকীয়াৰ পৰিচালনাত একাধিকবাৰ মঞ্চস্থ কৰা হৈছিল আৰু সেই নাটকত মই শেৱালি আৰু ৰেৱতী এই দুই নাৰী চৰিত্ৰত অভিনয় কৰি দৰ্শকৰ পৰা প্ৰশংসা বুটলিবলৈ সক্ষম হোৱাত তেতিয়াৰ পৰাই নাটকৰ প্ৰতি মোৰ ধমনিত অজ্ঞাতেই এক সোঁত প্ৰবাহিত হোৱা যেন অনুভৱ হৈছিল। সেইহে কটন কলেজত ১৯৫৩ -৫৪ চনত বি. এ. পঢ়ি থকাৰ সময়তেই মই লুকাই চুৰকৈ নাটক লিখাৰ অভ্যাস কৰিছিলো। ফলশ্ৰুতি স্বৰূপে উক্ত সময়ৰ আগে পিছে মোৰ কেইবাখনো সফল অনাঁতাৰ নাট নাট্য প্ৰভাকৰ সত্যপ্ৰসাদ বৰুৱাৰ প্ৰযোজনা আৰু পৰিচালনাত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ জৰিয়তে সম্প্ৰচাৰিত হৈছিল। সেই নাট সমূহৰ ভিত ৰত 'দৃষ্টি পথ', 'ৰক্ত মালা', 'প্ৰত্যাবৰ্ত্তন', 'জেঠেৰি বৈনাই' আৰু 'চক্ৰ বেহু'ৰ নামেই বিশেষ ভাৱে উল্লেখ যোগ্য। এই কথা মই অস্বীকাৰ নকৰো যে অনাতাঁৰ সম্প্ৰচাৰণেও নাটক লিখিবলৈ মোক অনু প্ৰাণিত কৰিছিল। সেই সময়ছোৱাৰ ভিতৰতেই মই 'চিতাৰ জুই' নামৰ এখন পূৰ্ণাঙ্গ নাটক লিখি উলিয়াইছিলো।

নাটকখন ১৯৫৫ চনৰ আগষ্ট মাহত শ্বিলঙৰ পেৰিছ হলত সুখ্যাতিৰে 'ইয়ং আৰ্টিষ্ট এচোচিয়েছন'ৰ সৌজন্যত মঞ্চস্থ হৈছিল। নাট খন মঞ্চস্থ কৰাত আগ ভাগ লৈছিল অসমৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী প্ৰয়াত দুলাল চন্দ্ৰ বৰুৱা, মোৰ ককাইদেউ শ্ৰীশৰৎ শইকীয়া আৰু অভিনেতা প্ৰয়াত টংক শইকীয়াই। নাটকৰ নায়িকাৰ চৰিত্ৰত অভিনয় কৰিছিল নগাঁও ৰহাৰ সুদৰ্শনা অভিনেত্ৰী হেম লতা ভূঞাঁই। সেই নাট্যানুষ্ঠানৰ শুভাৰম্ভ কৰিছিল তেতিয়াৰ অসমৰ বিত্তমন্ত্ৰী প্ৰয়াত মতিৰাম বৰা ডাঙৰীয়াই। তাৰ পিছতেই মই 'মকৰাজাল' আৰু 'চোৰ' নামৰ দুখন পূৰ্ণাঙ্গ নাটক লিখিছিলো। সেই নাটক দুখন যথাক্ৰমে ১৯৫৭ আৰু ১৯৫৮ চনত গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত অসমৰ প্ৰখ্যাত অভিনেতা প্ৰয়াত শৈল বৰুৱা আৰু প্ৰয়াত দুৰ্গেশ্বৰ বৰঠাকুৰৰ পৰিচালনাত 'চতুৰঙ্গ' নাট্য গোষ্ঠীৰ

সৌজন্যত মঞ্চস্থ কৰা হৈছিল। নাটকৰ প্ৰথম সন্ধিয়াৰ দৰ্শনীত দৰ্শকৰ আসন শুৱনী কৰা প্ৰয়াত মহান ব্যক্তি সকল আছিল প্ৰাক্তন সাংসদ আৰু অধ্যক্ষ হেম বৰুৱা, লক্ষ্যধৰ চৌধুৰী, কমল নাৰায়ণ চৌধুৰী, যুগল দাস, গিৰীশ চৌধুৰী, ঈশ্বৰ প্ৰসাদ চৌধুৰী, চন্দ্ৰ প্ৰসাদ শইকীয়া, ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, অধ্যাপক যোগেশ দাস, সত্যপ্ৰসাদ বৰুৱা আৰু ফণী তালুকদাৰে। নাটকৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছিল প্ৰয়াত শৈল বৰুৱা, অভিনেতা দিলীপ হাজৰিকা (অধিবক্তা), ব্যঙ্গ লিখক ভদ্ৰ বৰা আদিয়ে। নাৰী চৰিত্ৰ ৰূপায়ণত আছিল শ্ৰীমতী হেমলতা ভূঞা আৰু বীণা দাসে (মান্না)। 'মকৰাজাল' সম্পৰ্কে আসাম ট্ৰিবিউন কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰথিতযশা সাহিত্যিক প্ৰয়াত চন্দ্ৰ প্ৰসাদ শইকীয়াই দীঘলীয়া সমালোচনা লিখিছিল। সেইদৰে নতুন অসমীয়া কাকতত অসমৰ প্ৰখ্যাত গল্পকাৰ আৰু সুসাহিত্যিক প্ৰয়াত যোগেশ দাসে এক সুন্দৰ সমালোচনা লিখি নাটকখনৰ ভূয়সী প্ৰশংসা কৰিছিল। এই কথা উল্লেখ কৰিলে নিশ্চয় অতিৰঞ্জিত কৰা নহ'ব যে 'মকৰাজাল' নামৰ নাটকখনে সেই সময়ত অসমৰ নাট্য জগতত এক নতুনত্বৰ সূচনা কৰি মৃদু শিহঁৰণৰ সৃষ্টি কৰিছিল। নাটকখন ইমানেই জনপ্ৰিয় হৈ উঠিছিল যে সেইখন অসমৰ বিভিন্ন চহৰত যেনে শ্বিলং, নগাঁও, তেজপুৰ, বৰপেটা আদিত একাধিক বাৰ মঞ্চস্থ কৰা হৈছিল। নাটকখন অসমৰ নাট্য জগতৰ দুজন পুৰোধা ব্যক্তি প্ৰয়াত চন্দ্ৰ ফুকন আৰু প্ৰয়াত সাৰদা কান্ত বৰদলৈ দেৱে ইমানেই ভাল পাইছিল যে নগাঁও আমোলাপট্টি নাট্য মন্দিৰত নিজেই উপস্থিত থাকি যাৱতীয় দিহা পৰামৰ্শ আৰু নিৰ্দ্দেশনা আদি দিয়াৰ উপৰিও নাট্য প্ৰবৰ বৰদলৈয়ে 'মকৰাজাল' নাটকৰ এটা ব্যঙ্গ চৰিত্ৰতো অভিনয় কৰিছিল। সেইদৰে 'চোৰ' নাটকৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছিল প্ৰয়াত ড০ ভবেন্দ্ৰ নাথ শইকীয়া, প্ৰয়াত শৈল বৰুৱা, প্ৰয়াত জীৱেশ্বৰ চক্ৰৱৰ্ত্তী আদিয়ে। নায়িকাৰ চৰিত্ৰত অভিনয় কৰিবলৈ নগাঁও চহৰৰ পৰা আহিছিল একালৰ মোহময়ী অভিনেত্ৰী বকুল শইকীয়া (পিছলৈ দাস)। 'মকৰাজাল' নামৰ নাটকখন নগাঁৱত একাধিকবাৰ মঞ্চস্থ হোৱাৰ গুৰিতে আছিল সেই সময়ৰ অসমীয়া চলচ্চিত্ৰ জগতৰ সুদৰ্শন নায়ক মোৰ বন্ধু প্ৰয়াত পবিত্ৰ কুমাৰ বৰকাকতী আৰু 'ওপৰ মহলা' নামৰ ছবিখনৰ পৰিচালক সু-মঞ্চ অভিনেতা প্ৰয়াত জিতেন শৰ্মাৰ যৌথ প্ৰয়াস। এই দুখন নাটকৰ পিছত মই

১৯৫৮-৫৯ চনৰ ভিতৰত ‘মেটেকা’ (বৰ্ত্তমান নামাকৰণ‘উতলা ঢৌ’ আৰু ‘শত্ৰু’ নামৰ এই দুখন নাটক লিখিছিলো। ‘শত্ৰু’ নামৰ নাটকখন শ্ৰীভদ্ৰ বৰাৰ দ্বাৰা সম্পাদিত “মৌচুমী” নামৰ আলোচনীত ১৯৬০ চনত প্ৰকাশিত হৈছিল। “মেটেকা” খন ১৯৭১ চনত নতুন দিল্লীত মঞ্চস্থ কৰা হৈছিল। নাটকৰ দুটা বিশিষ্ট চৰিত্ৰত অৱতীৰ্ণ হৈছিল প্ৰয়াত দীনেশ চন্দ্ৰ গোস্বামী (প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী) আৰু তেওঁৰ পত্নী প্ৰয়াত বিভা গোস্বামী। অন্যান্য চৰিত্ৰত আছিল অৰুন বৰপূজাৰী, প্ৰয়াত প্ৰফুল্ল শইকীয়া, প্ৰয়াত নেচিউৰ ৰহমান আদি। উক্ত দুখন নাটক আৰু দুই তিনিখন মান শেহতীয়া নাটক অৰ্ন্তভুক্ত কৰি আন এটা নাট্য সংকলন অচিৰেই আপোনালোকৰ হাতত তুলি দিয়াৰ আশা ৰাখিছো। আপোনালোকৰ পৰা আশীৰ্ব্বাদ আৰু সহযোগ লাভ কৰিলে মই নিশ্চয় সেই কাম শীঘ্ৰে সম্পূৰ্ণ কৰিব পাৰিম - যাতে দৰ্শক তথা পঢ়ুৱৈ সমাজৰ সন্মুখত মোৰ নাট্য সাধনাৰ (তেতিয়া আৰু এতিয়াৰ) কিছু আভাস দাঙি ধৰিবলৈ সক্ষম হব পাৰো।

১৯৬১ চনত মই নৱনাট্য আন্দোলনৰ ঋত্বিক জোহান আগষ্ট ষ্ট্ৰিণ্ডবাৰ্গৰ “মিছ জুলী” নামৰ নাটকখনৰ দ্বাৰা অনুপ্ৰাণিত হৈ “জৰাসন্ধ” নামেৰে এখন নাটক লিখো। নাটকখন ১৯৬৪ চনত সাফল্যৰে তেজপুৰৰ নৱনিৰ্ম্মিত বাণ ৰঙ্গ মঞ্চত মঞ্চস্থ কৰা হয়। নাটকখন পৰিচালনা কৰিছিল নটসূৰ্য্য বটাপ্ৰাপ্ত অসমৰ এজন প্ৰবীণ অভিনেতা প্ৰয়াত তুলসী দাসে। নাটকৰ এটা মুখ্য চৰিত্ৰত তেওঁ অভিনয়ো কৰিছিল। নাটকখনৰ নায়কৰ ভূমিকাত অৱতীৰ্ণ হৈছিল প্ৰয়াত কামিনী বৰুৱা আৰু নায়িকাৰ চৰিত্ৰত তেতিয়াৰ অসমীয়া চলচ্চিত্ৰৰ জনপ্ৰিয় অভিনেত্ৰী ডিব্ৰুগড়ৰ ৰেখা বৰাই। ১৯৬৬ চনত মই যোৰহাটত লিখি উলিয়াও মোৰ আন এখন পূৰ্ণাঙ্গ নাটক “বকুলী পেহী”। নাটকখন যোৰহাটত ১৯৬৭ চনত মঞ্চস্থ কৰা হয়। নাটকৰ পৰিচালনাৰ দিশত চকু দিয়াৰ উপৰিও এটা বিশিষ্ট চৰিত্ৰত অভিনয় কৰি অভিনেতা শ্ৰীস্ববিন অধ্যাপকে দৰ্শকৰ পৰা প্ৰশংসা আদায় কৰিবলৈ সক্ষম হৈছিল।

ষাঠিৰ দশকৰ শেষ আৰু সত্তৰৰ দৰ্শকৰ আৰম্ভণিৰ পৰাই মই চিৰাচৰিত নাট্য ৰীতি পৰিহাৰ কৰি বিশ্বনাট্য আন্দোলনৰ মহান নাট্যকাৰ সকলৰ নাট্য ৰীতিৰ

দ্বাৰা অনুপ্ৰাণিত হৈ আমাৰ ভাষাত তেনে নাট্যৰীতি প্ৰয়োগেৰে নাট্যবস্তু সৃষ্টি কৰিবলৈ নানা পৰীক্ষা নিৰীক্ষাৰ মাজত নিজকে নিমগ্ন কৰিলো। সেই সাধনাত মই কিমান দূৰ ফলৱতী হৈছো তাৰ মূল্যায়ন নাট্যামোদী ৰাইজেহে কৰিব। নতুন নাট্য ভাৱনাৰে উদ্বুদ্ধ হৈ মই ১৯৭১ চনত "মৃগতৃষ্ণা" নামৰ নাটকখন লিখি উলিয়াও। ১৯৭২ চনত এই নাটকখন অসম প্ৰকাশন পৰিষদৰ অৰ্থ সাহায্যত প্ৰকাশ কৰা হয়। এশৰো অধিক পাণ্ডুলিপিৰ ভিতৰত অকল মোৰ "মৃগতৃষ্ণা' নাটকৰ পাণ্ডুলিপি প্ৰকাশন পৰিষদৰ অৰ্থ সাহায্যৰ বাবে নিৰ্ব্বাচিত হোৱাত মই নিজেই ধন্য মানিলো। সঁচা কথা কবলৈ হলে প্ৰকাশন পৰিষদৰ অৰ্থ সাহায্যই নাট্য কৰ্ম্ম সৃষ্টিৰ প্ৰতি অধিক দৃঢ়তাৰে অগ্ৰসৰ হবলৈ মোক প্ৰেৰণা যোগালে। ১৯৭৩ চনত ৰচনা কৰিলো "নায়ক" নামৰ এখন এৱছাৰ্ড ধৰ্ম্মী নাটক। এই নাটকখন ১৯৭৪ চনত "সীমান্তিকা" নামৰ নাট্যগোষ্ঠীয়ে গুৱাহাটীৰ ৰাজ্যিক কেন্দ্ৰীয় পুথিভঁৰাল প্ৰেক্ষাগৃহত একে লেঠাৰিয়ে চাৰিটা সন্ধিয়া মঞ্চস্থ কৰে। নাটকখন পৰিচালনা কৰিছিল তেতিয়াৰ চলচ্চিত্ৰ পৰিচালক আৰু অসমৰ এজন আগশাৰীৰ কেমেৰামেন প্ৰয়াত ইন্দুকল্প হাজৰিকাই। নাটকৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছিল জনপ্ৰিয় অভিনেতা প্ৰয়াত দিলীপ শৰ্মা, বিশিষ্ট খলনায়ক দীনেশ দাস, অভিনেতা ৰঞ্জিত দাস, কৌতুক অভিনেতা প্ৰয়াত কানাই বেজবৰুৱা আৰু বিৰিঞ্চি ভট্টাচাৰ্য্যই। অসম লেখক সমবায় সমিতি লিমিটেডৰ দ্বাৰা প্ৰকাশিত নাট সংকলনত "নায়ক" নামৰ নাটকখন "এজন নায়কৰ মৃত্যু" নামাকৰণেৰে ১৯৮৮ চনত ছপা হয়। সংকলনটি সম্পাদনা কৰিছিল বিশিষ্ট নাট্যকাৰ আৰু সমালোচক প্ৰয়াত ৰাম গোস্বামীয়ে।

১৯৭৫ চনৰ শেষৰ ফালে আৰু ১৯৭৬ চনৰ আৰম্ভণিতে মই 'মানুহ' আৰু 'অসুৰ' নামেৰে দুখন প্ৰতিনিধিত্ব মূলক নাটক লিখো। 'মানুহ' খন নাট্য প্ৰভাকৰ প্ৰয়াত সত্য প্ৰসাদ বৰুৱাৰ মতে সম্পূৰ্ণ এবছাৰ্ড নাটক। উক্ত নাটক দুখনৰ সংকলনটো প্ৰকাশ হয় ১৯৭৭ চনত নতুন দিল্লীত। সেই সময়ত মই নতুন দিল্লীত কৰ্ম্মৰত অৱস্থাত আছিলো। 'মানুহ' আৰু 'অসুৰৰ' সংকলনটো উন্মোচন কৰে ১৯৭৭ চনৰ আগষ্ট মাহত নতুন দিল্লীস্থ অসম ভৱনত অসমৰ প্ৰথিতযশা সাহিত্যিক আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰয়াত চন্দ্ৰ

প্ৰসাদ শইকীয়াদেৱে। সেই চনতেই 'মানুহ' নামৰ নাটকখন নতুন দিল্লীৰ 'আইফেক্স' হলত অসম এছোচিয়েছনৰ সৌজন্যত অভূতপূৰ্ব্ব সফলতাৰে মঞ্চস্থ কৰা হয়। নাটকখন মঞ্চস্থ কৰাত প্ৰয়াত চৈয়দ আব্দুল মালিক চাহাব (এম পি) আৰু প্ৰয়াত পুলিন বিহাৰী বৰঠাকুৰ দেৱে বিশেষ ভাবে সহায়ৰ হাত আগ বঢ়াইছিল। নাটকৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছিল বসন্ত শইকীয়া, দ্বীপেন বৰুৱা, ডাঃ বিকাশ বৰুৱা (যোৰহাট) আদিয়ে। নাটকৰ নায়িকা আছিল শিখা চক্ৰবৰ্ত্তী (গুৱাহাটী) আৰু মাকৰ চৰিত্ৰত অৱত্তীৰ্ণ হৈছিল শ্ৰীমতী লিলি বৰুৱা। ১৯৮০ চনত "মানুহ" নামৰ নাটকখনলৈ অসম সাহিত্য সভাই শ্ৰেষ্ঠ নাটকৰ বঁটা আগবঢ়ায়। ১৯৮৮ চনত ৰচিত মোৰ "নৰ্তকী" নামৰ নাটকখনে ১৯৮৯ চনৰ সৰ্ব্বভাৰতীয় অনাতাঁৰ নাট প্ৰতিযোগিতাত অসমীয়া ভাষাৰ শ্ৰেষ্ঠ নাটক হিচাপে নিৰ্ব্বাচিত হোৱাত নাট্যকাৰে দহ হাজাৰ টকীয়া পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। ১৯৯১ চনত মোৰ "ভঙুৱা ৰজা" নামৰ নাটকখন সত্ৰীয়া অঙ্কীয়া ভাওনাৰ নাট্য শৈলীৰ ওপৰত ভিত্তি কৰি ৰচিত হয়। "ভঙুৱা ৰজা" আৰু "নৰ্তকী" দুয়োখন নাটকৰ সংকলনটো গুৱাহাটীৰ এটা আগশাৰীৰ গ্ৰন্থ প্ৰকাশন প্ৰতিষ্ঠানে ১৯৯২ চনত ছপা কৰি উলিয়ায়। ১৯৯৪ চনত ৰচিত মোৰ নাটক "উগ্ৰপন্থীত" অসমৰ সন্ত্ৰাসবাদী সমস্যা প্ৰতিফলিত হৈছে। ১৯৯৬ চনত ৰচিত "মৃত্যুদণ্ড" নামৰ আন এখন নাটকতো একে সমস্যাৰেই পুনৰাবৃত্তি ঘটিছে। অৱশ্যে দুয়োখনৰ নাট্যবস্তু আৰু ৰচনাশৈলী বেলেগ ধৰণৰ। "উগ্ৰপন্থী" নামৰ নাটকখন ২০০২ চনৰ মাৰ্চ মাহত গুৱাহাটীৰ "আৰ্ট থিয়েটাৰ"ৰ সৌজন্যত আৰু উদীয়মান নাট পৰিচলাক শ্ৰীশান্তনু হাজৰিকাৰ পৰিচালনাত ৰবীন্দ্ৰ ভৱনত বেছ ধুমধামেৰে মঞ্চস্থ কৰা হয়। এই নাটকৰ দুটা মুখ্য চৰিত্ৰত অভিনয় কৰিছিল অভিনেতা ৰাজ শৰ্মা আৰু ভাস্কৰ বৰাই। দুয়োজন অভিনেতাই নাটকত অঙ্কিত চৰিত্ৰ দুটিৰ চাৰিত্ৰিক দ্বণ্ড-বিৰোধ নিখুঁত ভাবে ফুটাই তোলাত কৃতকাৰ্য্য হৈছিল। এই নাটকত তিনিটা মানসিক ভাৰসাম্য হেৰুওৱা চৰিত্ৰৰ হুবহু ৰূপদানত ভাগ লৈছিল জনপ্ৰিয় কৌতুক অভিনেতা ৰাজীৱ ক্ৰ, মন্মথ বৰুৱা আৰু বিজিৎ দেব চৌধুৰীয়ে। সেই দিনাই গ্ৰন্থাকাৰে ছপা কৰি উলিওৱা "উগ্ৰপন্থী" নামৰ নাটকখন প্ৰথিতযশা সাহিত্যিক আৰু প্ৰখ্যাত চলচ্চিত্ৰ নিৰ্ম্মাতা আৰু পৰিচালক প্ৰয়াত ডঃ ভবেন্দ্ৰ নাথ শইকীয়াই উন্মোচন কৰে। অধ্যাপক উপেন্দ্ৰ

নাথ শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত সুপ্ৰসিদ্ধ নাট সমালোচক ড০ শৈলেন ভৰালী আৰু ড০ দয়ানন্দ পাঠকে মুখ্য অতিথি হিচাপে যোগদান কৰে। নাটকখনৰ প্ৰকাশক আছিল বিশিষ্ট সমাজকৰ্মী আৰু ৰাজনীতিক মোৰ পৰম বন্ধু শ্ৰীপ্ৰবীণ শইকীয়াদেৱ। ১৯৯৭ চনৰ পৰা ১৯৯৯ চনৰ ভিতৰত মই 'আধুনিক নাট্য সাহিত্যৰ সুবাস' নামৰ নাট্য গ্ৰন্থখন লিখি সম্পূৰ্ণ কৰো আৰু ২০০০ চনত সেইখন গ্ৰন্থ আকাৰে ছপা কৰো। ১৯৭৪ চনৰ পৰা আৰম্ভ কৰি বৰ্ত্তমান তাৰিখলৈকে মই নাটক আৰু অন্যান্য বিষয়বস্তুৰ ওপৰত লিখা শতাধিক প্ৰবন্ধপাতি ইতিমধ্যে অসমৰ বিভিন্ন বাতৰি কাকত আৰু আলোচনীত প্ৰকাশ পাইছে। ২০০৫-২০০৬ চনৰ ভিতৰত নাটকৰ তাত্ত্বিক আৰু ব্যৱহাৰিক দিশৰ ওপৰত ধাৰাবাহিক ভাবে এলানী প্ৰবন্ধ লিখো। "নাটকথা ঃ পৰিচালনা ইত্যাদি" নামাকৰণেৰে সেই লেখাবোৰ একত্ৰিত কৰি অসমৰ নাট্য কৰ্মী সকলৰ উপকাৰত অহাকৈ এখন নাট্যগ্ৰন্থ সদ্যহতে প্ৰকাশ কৰা হৈছে। তাৰোপৰি নাটকৰ ওপৰত লিখা প্ৰবন্ধ পাতিবোৰ গোটাই "আধুনিক নাট্য প্ৰবাহ" নামাকৰণেৰে আন এখন নাট্য গ্ৰন্থও প্ৰকাশ কৰা হৈছে। ২০০৫ চনত লিখা মোৰ 'অন্য এক পৰশুৰাম' নামৰ নাটখন ২০০৬ চনৰ শাৰদীয় সংখ্যাৰ দৈনিক অসম (বিশেষ সংখ্যা) কাকতত প্ৰকাশিত হৈছে। সদ্যহতে "নাট্যসংগ্ৰহ" নামৰ এখন নাট্য সংকলনো প্ৰকাশ কৰি উলিওৱা হৈছে। এই সংকলনটিত মোৰ "মৃত্যুদণ্ড" আৰু "অন্য এক পৰশুৰাম" নামৰ নাটক দুখনৰ উপৰিও বাৰটোল্ট ব্ৰেখটৰ মহাকাব্যিক নাটক "ককেছিয়ান চক চাৰ্কোল"ৰ অসমীয়া ৰূপান্তৰ (মেৰ) আৰু জৰ্জ্জ বাৰ্ণাৰ্ড শ্বৰ 'মিছেছ ওৱাৰেনচ প্ৰফেছন'ৰ অসমীয়া ৰূপান্তৰ "হেমাঙ্গিনী চেতিয়াৰ জীৱনৰ গুপুত কাহিনী" নামাকৰণেৰে চাৰিখন নাটক সন্নিবিষ্ট কৰি "নাটসংগ্ৰহ"টো প্ৰকাশ কৰি পঢ়ুৱৈ সমাজৰ হাতত তুলি দিয়াৰ প্ৰয়াস কৰা হৈছে। নাট্য ৰসিক ৰাইজ আৰু নতুন প্ৰজন্মক সুস্থ নাট্যসৃষ্টিৰ প্ৰতি আগ্ৰহী কৰাৰ উদ্দেশ্যৰেই এই গ্ৰন্থ কেইখন প্ৰকাশ কৰাৰ আৱশ্যকতা অনুভব কৰিলো। ইয়াৰ উপৰিও ২০০৭ আৰু ২০০৮ চনৰ ভিতৰত মই "মাজ নিশাৰ জুই" আৰু "জাল নোট" নামৰ দুখন নাটক লিখো। অসমৰ নাট্য জগতলৈ আগ বঢ়োৱা অবদানৰ বাবে দৰং জিলা সাহিত্য সভাই ১৯৯৬ মোলৈ "গজেন্দ্ৰ নাথ চহৰীয়া" বঁটা আগবঢ়ায় আৰু সেই চনতেই অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনো লাভ কৰো।

বসন্ত শইকীয়া

নাটক চাৰিখন

এই সংকলনত অন্তৰ্ভুক্ত হোৱা "মৃত্যুদণ্ড" নামৰ নাটকখন ১৯৯৬ চনতেই লিখা। ইতিমধ্যে আমাৰ ওপৰেদি কেইবাটাও ত্ৰাস আৰু সন্ত্ৰাস জৰ্জৰিত বছৰ পাৰ হৈ গৈছে। এটা নিম্ন মধ্যবিত্ত পৰিয়ালৰ এজন যুৱকে সন্ত্ৰাসবাদী সংগঠনত যোগদান কৰাৰ ফলত পৰিয়ালটোৰ অন্যান্য সদস্যৰ মাজত সৃষ্টি হোৱা সংঘাত আৰু তেওঁলোকৰ বিচ্ছিন্ন মানসিকতাই সৃষ্টি কৰা পৰিস্থিতিৰ সম্পূৰ্ণ ঘৰুৱা পটভূমিৰ মাজেদি নাটকীয়তাৰ ৰহন সানি স্বাভাৱিক ধৰণে দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে। আজিৰ পৰা প্ৰায় তেৰ চৈধ্য বছৰৰ আগেয়ে ৰচিত হলেও নাটকখনত গোবিন্দ আতৈয়ে ম'বাইল ফোণ ব্যৱহাৰ কৰা দেখুওৱা হৈছে। এই ফোণ ব্যৱহাৰৰ জৰিয়তে নাটকখনক সময়োপযোগী আৰু গোবিন্দ আতৈৰ চৰিত্ৰটোক আজিৰ জন মানসত অধিক গ্ৰহণযোগ্য কৰি তুলিবলৈ বিচৰা হৈছে।

"অন্য এক পৰশুৰাম" মোৰ শেহতীয়া নাটক নহয়। নাটকখন ২০05 চনৰ জুলাই মাহৰ ভিতৰত লিখি সম্পূৰ্ণ কৰো। অসমৰ অগ্নিগৰ্ভ নিবনুৱা সমস্যাই এই নাটকৰ মূল উপজীৱ্য। আজিৰ হতাশ গ্ৰস্ততাই পঙ্গু কৰি পেলোৱা আমাৰ নৱ প্ৰজন্মক কেনেকৈ তিলে তিলে অপৰাধ প্ৰ ৱণতাৰ মুখলৈ ঠেলি লৈ গৈছে তাৰেই প্ৰতিফলন ঘটিছে নাট খনত। এই নাটকখন 'দৈনিক অসম' কাকতৰ শাৰদীয় পূজা সংখ্যাত (২০০৬ চন) প্ৰকাশিত হৈছিল। তাৰ বাবে মই "দৈনিক অসম" কাকতত প্ৰাক্তন সম্পাদক শ্ৰীযুত ধীৰেন্দ্ৰ নাথ চক্ৰবৰ্ত্তী দেৱলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

নাটকখন এতিয়ালৈকে ক'তো অভিনীত হোৱা নাই। সি যিকি নহওক আজিৰ আধুনিক নাট্যকাৰ এজনে নিজ ইচ্ছা অনুসৰি যি কোনো অভিজ্ঞতা বা ঘটনাকেই নাটকত কাহিনী হিচাপে গ্ৰহণ কৰিব পাৰে। উপস্থাপনৰ ক্ষেত্ৰতো নাট্যকাৰ গৰাকী স্বাধীন। সেই সূত্ৰে "অন্য এক পৰশুৰাম"ৰ কাহিনী, ঘটনা আৰু চৰিত্ৰ কেইটা মই সম্পূৰ্ণ স্বাধীন ভাবেই নিৰ্বাচন তথা চিত্ৰণ কৰিছো, অৱশ্যে নাটকখনৰ ক্ষেত্ৰত সদায়েই মই গঠনমূলক সমালোচনা গ্ৰহণ কৰিবলৈ প্ৰস্তুত

আছো।

আধুনিক ইংৰাজী নাট্য সাহিত্যৰ বাস্তৱধৰ্মী শ্ৰেষ্ঠ নাট্যকাৰ সকলৰ ভিতৰত জৰ্জ বাৰ্ণাৰ্ড শ্বৰ নাম বিশেষভাৱে উল্লেখযোগ্য। সঁচা কথা কবলৈ গলে নাট্য সাহিত্যৰ ক্ষেত্ৰত তেওঁ এক নৱযুগৰ সূচনা কৰি থৈ গৈছে। বাৰ্ণাৰ্ড শ্বৰ নাটক সমূহৰ নিজস্ব দৃষ্টি ভঙ্গীৰ ছাপ সকলোতে বিদ্যমান। শ্বই সামাজিক বা পাৰিবাৰিক জীৱনৰ ভণ্ডামিৰ লুক ঢাক নকৰাকৈ তেওঁৰ নাটকবোৰত উদঙাই দেখুওৱাৰ প্ৰয়াস কৰা দেখা গৈছে। তেওঁ নিজৰ এক আদৰ্শ বা চিন্তা সেই নাটকবোৰৰ মাধ্যমেৰে প্ৰচাৰ বা জনপ্ৰিয় কৰিবলৈ বিচৰাতো পৰিলক্ষিত হৈছে।

শ্বৰ "মিছেছ ওৱাৰেনচ প্ৰফেছন" (Mrs. Warren's Profession) সমাজ তাত্বিক (Sociological) নাটক সমূহৰ ভিতৰত এখন অন্যতম নাট। উক্ত নাটকখন বেশ্যা বৃত্তিৰ ওপৰত লেখা এখন সুন্দৰ নাটক। নাট্যকাৰৰ বাবে বেশ্যাবৃত্তি কোনো ঘৃণ্ণনীয় বৃত্তি হব নোৱাৰে। বৰং অন্যান্য বৃত্তিবোৰৰ সততাৰ লগত তুলনা কৰিলে এই বৃত্তি আপেক্ষিক ভাবে বহুত ওপৰত। অৱশ্যে বহুতো দুৰ্বলতাই শ্বৰ বহুতো নাটকৰ ৰস বিচাৰত বাধাৰ সৃষ্টি কৰিছে। প্ৰেমৰ দৃশ্যবোৰে বহু সময়তে বিব্ৰত কৰে - embarrassing। যেনে "মিছেছ ওৱাৰেনচ' প্ৰফেছন"ত ভি ভি আৰু ফ্ৰেঙ্কৰ প্ৰেমাৰ্ত মুহূৰ্ত্তবোৰ।

বাৰ্ণাৰ্ড শ্বৰ "মিছেছ ওৱাৰেনচ প্ৰফেছন"ৰ অৱলম্বনত এই নাটক ৰচিত হৈছে। অৱশ্যে স্থান আৰু কালৰ পৰিবৰ্ত্তনৰ ফলত নতুন বিন্যাসৰো সংযোজন ঘটিছে। তথাপি পৃথিবীৰ আদিমতম বৃত্তিৰ পুৰ্নবিচাৰ স্বাভাৱিকতেই বাৰ্ণাৰ্ড শ্বৰ। অসমীয়া ৰূপান্তৰত সেই মহৎ নাট্যকাৰ জনৰ প্ৰতি কিমান ন্যায় কৰিছো সেইটো নাট্যৰসিক সকলেই বিচাৰ কৰিব।

জাৰ্মান নাট্যকাৰ বাৰটোল্ট ব্ৰেখ্‌টৰ "ককেচিয়ান চক চাৰ্কোল"খন তেওঁৰ মহাকাব্যিক নাটক সমূহৰ ভিতৰত এখন অন্যতম নাটক। এতিয়া অসমীয়া ৰূপান্তৰৰ মূল বিষয়বস্তু ঃ জৰ্জ্জিয়াৰ সামন্তবাদী শাসনত বিদ্ৰোহ আৰম্ভ হোৱাৰ ফলত ইয়াৰ গবৰ্ণৰ জনক বিদ্ৰোহী সকলে হত্যা কৰিলে। স্বামীৰ হত্যাৰ পিছত তেওঁৰ স্ত্ৰী পলাই গল। লগত এজনী লিগিৰীও গৈছিল। তাই গবৰ্ণৰৰ স্ত্ৰীৰ আ-অলঙ্কাৰ, কাপোৰ কানি আদি সামৰি লগত লৈ গৈছিল। খৰখেদাকৈ ওলাই

যাবলগীয়া হোৱাত গবৰ্ণৰৰ স্ত্ৰীয়ে তেওঁৰ পানী কেঁচুৱা সন্তানটো শোৱা পাটিতে পেলাই নিজৰ প্ৰাণ বচাই পলাই গৈছিল। পিছত দেশলৈ শান্তি ঘূৰি অহাত তেওঁ উভতি আহি এৰি থৈ যোৱা নিজ সন্তানৰ খবৰ খাতি লৈ বিচাৰ খোচাৰ কৰাত এইটো গম পোৱা গ'ল যে তেওঁৰ গ্ৰুছা নামৰ পুৰণি ধাই এজনীয়ে সন্তানটো লৈ গৈছে। চিপাহী চন্তৰী লগাই চাৰিওফালে বিচাৰ খোচাৰ কৰি অৱশেষত সন্তানটোৰ সৈতে ধাইজনীক ধৰি অনা হ'ল। কেঁচুৱা লৰাটোৰ প্ৰকৃত অধিকাৰী কোন? ইয়াৰ মীমাংসা কোনে কৰিব বা কেনেকৈ কৰিব? সকলোৱে ন্যায়বিচাৰ বিচাৰিলে। হাকিমে বহুতো সোধা পোছা কৰিও এই ক্ষেত্ৰত কোনো ৰায় দিবলৈ সক্ষম নহ'ল। অৱশেষত বিদ্ৰোহী চিপাহী দুজনমানে আজদাৰ নামৰ পিয়লদাৰী মানুহ এজন ধৰি আনিলে। সেই মানুহজনকে জোৰ কৰি বিচাৰক পতা হ'ল। আজদাৰ গাওঁখনৰ এটা পৰিচিত মদপী। ঘোচ খাই তেওঁ নিৰ্দোষী মানুহকো শাস্তি বিহে। আজদাৰে বিচাৰ কৰিব কেঁচুৱা সন্তানটোৰ প্ৰকৃত মাক কোনজনী। জন্ম দি বিপদৰ সময়ত পেলাই থৈ যোৱা জনী নে পৰিত্যক্ত লৰাটোক আথে-বেথে বুটলি লৈ অসীম কষ্টৰে তুলি তালি ডাঙৰ কৰা জনী? চক মাটিৰে এটা বৃত্ত আঁকি বৃত্তটোৰ সোঁ-মাজত সৰু লৰাটোক থিয় কৰাই মাক বুলি দাবী কৰা মহিলা দুগৰাকীক বৃত্তটোৰ বাহিৰত বিপৰীত মুখী হৈ ৰৈ থাকিবলৈ কোৱা হ'ল। তাৰ পিছত নিৰ্দ্দেশ পোৱা মাত্ৰেই হাতত ধৰি লৰাটোক নিজৰ গাৰ ফাললৈ টানিব। আজদাৰে ঘোষণা কৰিলে যে যিজনী আচল মাক তেওঁ লৰাটোক মাতিব আৰু বৃত্তটোৰ মাজৰ পৰা তাক টানি নিব। আনজনী দাবীদাৰ মাকেও একে ধৰণেৰে লৰাটোক মাতিব আৰু বল প্ৰয়োগ কৰি হলেও লৰাটোক গাৰ কাষলৈ টানি নিব। আচল মাকে ল'ৰাটোক বৃত্তৰ মাজৰ পৰা মাতিও নিব নোৱাৰিলে। পিছত টানি নি নিজৰ বুলি দাবী উত্থাপন কৰিলে। ধাই মাকে লৰাটোক মৰম সনা মাতেৰে মতাৰ লগে লগে সি গৈ তাইৰ কাষ পালেগৈ, টানি তাক গাৰ কাষলৈ নিব লগীয়া নহল। তেতিয়া বিচাৰকে ৰায় দিলে ঃ সন্তানটো ধাই মাকৰে হব, কাৰণ তেওঁ মাতিলতেই লৰাটো তেওঁৰ ফালে দৌৰি গ'ল।

এই নাটকত নিস্বাৰ্থ পৰায়ণ ধাই গ্ৰুছাই আমাৰ মনত চিৰকালৰ বাবে দাগ বহুৱাই যায়। নাটক খনত সন্তানৰ প্ৰতি এগৰাকী নাৰীৰ চিৰন্তন স্নেহ গ্ৰুছাৰ

চৰিত্ৰৰ মাজেদি ফুটাই তোলা হৈছে - যাৰ মাজত বিশ্বজনীন আবেদন আৰু যথেষ্ট নাটকীয়তাও আছে।

কিন্তু বিষয়বস্তুৰ প্ৰকৃত মা-মছলা থাকিলেও এনে ধৰণৰ নাটকত বিচ্ছিন্ন সমাজৰ বিচ্ছিন্ন ব্যক্তিৰ প্ৰতীকী সংগ্ৰামকেই প্ৰাধান্য দিয়া হৈছে। এই ব্যক্তিয়ে কেতিয়াবা কৰিছে প্ৰতিবাদ, বিক্ষোভ আৰু কেতিয়াবা তেওঁ সকলোবোৰ মানি লৈছে। কিন্তু নাটকীয়তাত কোনো সময়তেই তেওঁলোক উদ্দেশ্যহীন নহয়। চিৰ্ত্তাকৰ্ষক বৈশিষ্ট্য থকা সত্বেও নাটকৰ উদ্দেশ্যধৰ্ম্মিতা চিন্তাশীল দৰ্শকৰ বাবে অস্পষ্ট নহয়।

এই নাটকখন পঢ়ি ভাল লাগিছিল কাৰণেই ইয়াক অসমীয়ালৈ ৰূপান্তৰ কৰিলো। ব্ৰেখ্‌টৰ কথা মনলৈ নানি এখন অসমীয়া নাটক হিচাপে গ্ৰহণ (বা বৰ্জ্জন) কৰিলে ভাল হয়। এই নাটকৰ ওজা- পালি সকল নাটকৰ অঙ্গীভূত, বিচ্ছিন্ন ঘোষকৰ ভূমিকা পালন কৰিবলৈ নহয়। ওজা- পালি সকলৰ প্ৰতিটো কথাৰ অৰ্থ দৰ্শকে উপলব্ধি কৰাৰ সুবিধা নাপালে নাটকখন অসম্পূৰ্ণ হৈ ৰব। কোনো মঞ্চ সজ্জা বা সাজ পোছাকৰ ইঙ্গিত মই ইয়াত উল্লেখ কৰা নাই।

বসন্ত শইকীয়া

মোৰ স্ত্ৰী শ্ৰীমতী পুণ্য শইকীয়াৰ হাতত

--- যি নাটক ৰচনাৰ ক্ষেত্ৰত
সততে মোক অনুপ্ৰেৰণা যোগাই আহিছে

মৃত্যুদণ্ড

॥ চৰিত্ৰ ॥

গোবিন্দ বৰ মেধি (আতৈ)
মৃণাল
মাজু
ৰাণা
হিমাদ্ৰী
মিঃ সোণোৱাল
বৰ বাবু
আসাম সৰকাৰ .
মাক
ৰূপালী

(গোবিন্দ বৰমেধি খেলৰ নামলগোৱা। সকলোৱে আতৈ বুলিয়েই মাতে। আতৈৰ ঘৰ। সময় ৰাতিপুৱা। আতৈ প্ৰাতঃকৰ্ম্ম সম্পূৰ্ণ কৰাত ব্যস্ত থাকে। মানুহ বহা কোঠাটোৰ পৰা ভিতৰৰ কোঠালৈ যোৱাৰ এখন দুৱাৰ আছে। গোবিন্দ আতৈয়ে প্ৰাতঃকৰ্ম্ম সমাপ্ত কৰি কোঠাটোৰ চুকৰ পৰা কাঠৰ এখন হেন্দোল থকা চকী টান মাৰি বহি কিবা এটা মনত পেলোৱাৰ চেষ্টা কৰে। তাৰ পিছত কিবা এটা ভাবি কোমল মাতেৰে পত্নীক মাতে)

গোবিন্দ ঃ ৰূপাৰ মাক - বোলো শুনিছানে - অ' ৰূপাৰ মাক। (বৈ) কি হ'লনো - মাত বোলেই নাই দেখোন - (ক্ৰমান্বয়ে মাত ডাঙৰ হৈ যায়) কাণত তলা লগাই নিশ্চিন্ত মনে বহি আছা নেকি - ৰূপাৰ মাক - (ব্যস্ত ভাৱে ৰূপালী ভিতৰৰ পৰা ওলাই আহে)

ৰূপালী ঃ মাক মাতিছিলা নেকি দেউতা?

গোবিন্দ ঃ অ' - মাৰক মাতিছো - তোক নহয়। কাণত ডাঙৰ ঠিলা লগাই ৰাখিছে হবলা। কি যে কাণ্ডবোৰ হবলৈ ধৰিছে - মাকক মাতিলে জীয়েক আহে - জীয়েকক মাতিলে মাক আহে।

ৰূপালী ঃ মা - গা ধোৱা ঘৰত আছে, সেই কাৰণে ময়েই আহিলো।

গোবিন্দ ঃ ঠিক আছে, তই এতিয়া গা ধোৱা ঘৰলৈ যা - মাৰক পঠাই দেগৈ। (ৰূপালী ভিতৰলৈ গ'ল। গোবিন্দ আতৈয়ে নিজৰ কামত মনোযোগ দিয়ে। এখন পঞ্জিকাৰ পাত লুটিয়াই যেন কিবা এটা বিচৰাত ব্যস্ত। তাৰ পিছত পঞ্জিকাৰ এটা বিশেষ পৃষ্ঠাত চকু নিবিষ্ট কৰি পৃষ্ঠাটোৰ কিছু অংশ পঢ়িবলৈ ধৰে) ২১ বহাগৰ পৰা সপ্তমস্থ কেতু অশান্তি, অত্যাচাৰ, গোপন শত্ৰুতা, অগ্নি অস্ত্ৰাদি বিস্ফোৰক সামগ্ৰীৰ সৰবৰাহ, ভ্ৰাতৃঘাটী সংঘৰ্ষ, গুপ্তহত্যা আদিৰ কাৰক। ৰাজ্যত আলফা, এন ডি এফ বি, এন এচ চি এনকে ধৰি মৌলবাদী দলসমূহৰ আধিপত্য বিস্তাৰত জনজীৱন স্তব্ধ হব। কাৰক ৰাশিত মঙ্গল ৰাহুৰ অৱস্থানৰ লগতে সপ্তমস্থ কেতুৰ অশুভ কাৰকতাত ২৪ জেঠৰ পৰা ৮ শাওণ পৰ্য্যন্ত অসম ৰাজ্যত ভয়াবহ প্ৰাকৃতিক দুৰ্যোগৰ আশঙ্কা দেখা যায়। ভূমিকম্প, বানপানী, ঘূৰ্ণী বতাহ, ভূমিস্খলন

আদিত অসংখ্য ধনজন হানিৰ যোগ। মানুহৰ মাজত সাধাৰণ কাৰণত কাজিয়া পেচাল, মাৰপিট, সন্ত্ৰাসবাদী কাৰ্য্যকলাপ, হত্যা লুণ্ঠন, গুপ্তঘাতী কাৰ্য্য বৃদ্ধি পোৱাৰ লগতে -

(ৰূপালীৰ মাক চুলি আচুৰি আচুৰি ভিতৰৰ পৰা আহে)

মাক : ইমানকৈ টেটু ফালি গুৰু গোসাই নমনাকৈ চিঞৰিছিল কিয়? পুৱাই পুৱাই আকৌ কি অথন্তৰখন হ'ল?

গোবিন্দ : অথন্তৰ! গুৰুতৰ অথন্তৰ। তোমাৰ মাজু পুতেৰাৰ কাণ্ড কাৰখানা খন দেখিছানে বাৰু?

মাক : নকলে কেনেকৈ জানিম? সি আকৌ কি জগৰ লগালে?

গোবিন্দ : জগৰ সাংঘাতিক ৰূপাৰ মাক। সি আজি মোৰ জেপত নিশ্চয় হাত ভৰাইছিল।

মাক : অ' - সেই কথা। মাজুয়ে কৈছিল - আজি হেনো সি অফিছৰ দুজনক খুৱাব। সেই কাৰণেও হব পাৰে।

গোবিন্দ : নাই- নাই, মোৰ পইচাৰে এইবোৰ হব নোৱাৰে। কোনোবা হোটেললৈ লৈ যাবলৈ কবা।

মাক : আ- হা। কথাটো শুনাৰ আগেয়েই মূৰটো গৰম কৰিছে কিয়? আজি মাজুৰ জন্মদিন।

গোবিন্দ : জন্মদিন? মই কি কৰিব লাগে? নামঘৰত ভৰপুৰ নৈৱেদ্যৰ শৰাই এখন দিলেই লেঠা চিগিল।

মাক : কিযে লাগ বান্ধ নোহোৱা কথাবোৰ কয়? মাহৰ শেষত তাৰ কমৰত হেনো বেছি জোৰ নাই।

গোবিন্দ : ৰূপাৰ মাক, কষ্ট কৰি নামঘৰটোকে বুকুত সাবতি লৈ আৰ ঘৰত নাম গায়, তাৰ ঘৰত নাম গায় - যি দুই এপইচা পাও তাকে গোটাই লৰাইঁতক মানুহ কৰিছো - ডাঙৰ কৰিছো, কড়িয়ে গণ্ডাই হিচাবত অলপ হেৰ ফেৰ হলে মেজাজ গৰম হৈ যায়।

মাক : মাজুয়ে কৈছিল মুঠ চাৰি পাঁচশ টকা খৰচ কৰিলে সি হেনো বহুত উপৰুৱা টকা উপাৰ্জ্জন কৰিব পাৰিব।

গোবিন্দ ঃ কি কলা ? উপৰুৱা আমদানি হ্ব ? গোবিন্দ আতৈক হিচাব শিকাবলৈ নাহিবা - আমদানি কৰ পৰা হ্ব কোৱাছোন ? জেপ লুৰুকি আনিলেহে হ্ব।

মাক ঃ নাই - নাই সেইবোৰ কৰিবলৈ যাব কিয় ? অফিছৰ মানুহক খুৱালে হেনো পৰমোছন নে কি - সেইটো জানো কি বুলি কয় - সেইটোৱেই হ্ব।

গোবিন্দ ঃ আঃ - তাকে তুমি খুলি নোকোৱা কিয় ? লৰাৰ দেখিছো অকণমান জ্ঞান বুদ্ধি হৈছে - আৰু নহবনো কিয়, কাৰ লৰা সেইটোও চাব লাগিব নহয় - সি এই গোবিন্দ নাম থগোৱাৰ লৰা বুইছা।

মাক ঃ সেইটো অৱশ্যে হয় - কিন্তু মই কব খুজিছিলো ডাঙৰ বাপুও যদি আজি আমাৰ মাজত থাকিলহেতেন!

গোবিন্দ ঃ (গৰ্জ্জি উঠি) কি ক'লা ? খবৰদাৰ, যাক মনৰ পৰাই আতৰাই দিছো - সেই পাষণ্ডৰ নাম মুখেৰে উচ্চাৰণ নকৰিবা।

মাক ঃ হাজাৰ হওক সি আমাৰ বৰপুত্ৰ - সি কিমান দিন এনেকৈ ঘৰৰ পৰা দূৰত থাকিব ?

গোবিন্দ ঃ ৰূপালীৰ মাক, এইবোৰ কথা কৈ ৰাতিপুৱাই মোৰ ব্লাড প্ৰেচাৰ বঢ়াই নলবা। মায়া-মমতাৰ এনাজৰী ডাল চিঙি পৰকালৰ কথা ভাবা। তুমি ভাবি নেচোৱা কিয় - তাক আমি ঘৰৰ পৰা খেদি পঠাইছো নেকি ? টকা পইচা উপাৰ্জ্জন কৰি - এই ভাটি বয়সত বাপেকক অকণমান সহায় কৰিব নোৱাৰে। বাপেকৰ মূৰৰ ওপৰত কঠাল ভাঙি মজা মাৰি খাই থাকিবলৈ পালেই হল। ঘৰখনৰ প্ৰতি থকা সকলো দায় দায়িত্ব জলাঞ্জলি দি নিষিদ্ধ সংগঠনটোৰ লগ লাগি স্বাধীন ৰাজ্য স্থাপনৰ বাবে মতমতাই ফুৰিলেই হল! এতিয়া আটাইতকৈ মাৰাত্মক কথা হৈছে তাৰ আদৰ্শকে অনুসৰণ কৰি সেই পথেৰেই বাট বুলিব খুজিছে সৰু ভায়েক ৰাণাই।

মাক ঃ ৰাতিপুৱাই সেই সোপা বলকিবলৈ কিহে পাইছে?

গোবিন্দ ঃ খোলা মুখ বন্ধ কৰি ৰাখো কেনেকৈ ? বৰপুত্ৰ ডাঙৰ বিপ্লবী হ'ল

- বিপ্লবীনে সন্ত্ৰাসবাদী - সেনাৰ গুলি খাই নমৰিলে - গোটেই জীৱন জেলৰ বগা ভাত খাই কটাব লাগিব - সৰু জনে আকৌ নাটক কৰে। ছিঃ! ভদ্ৰলোকৰ লৰাই নাটক কৰে। হেৰৌ নাটক যদি কৰই মহাপুৰুষ দুজনাৰ অংকীয়া নাটবোৰ নকৰ কিয়?

মাক ঃ আপুনি কিহৰ কথা কৈছে? শঙ্কৰ মাধৱ গুৰুক আজুৰিছে কিয়?

গোবিন্দ ঃ তুমিও একেবাৰে কিবা হৈ আছা - নাটক মানে অভিনয় - একটিং

মাক ঃ ময়ো শুনিছো - সেইটো হেনো খুব ভাল বিদ্যা। পিছে যেয়ে সেয়ে সেই বিদ্যা আয়ত্ব কৰিব নোৱাৰে। নাম কৰিব পাৰিলে বোলে বহুত টকাৰ আমদানি হয়।

গোবিন্দ ঃ তুমিও এজনী মুৰুখমতী তিৰি। তোমাৰ লৰাই অভিনয় কৰি আমাৰ চৈধ্য পুৰুষ উদ্ধাৰ নকৰিলেই ৰক্ষা।

মাক ঃ আৰু আপোনাৰ লৰাই?

গোবিন্দ ঃ আমাৰ লৰাই বিলাতী কোম্পানীত চাকৰিত সোমায়েই দস্তুৰমতে দৰমহাৰ ধনেৰে মাহেকৰ মূৰত জেপ গৰম কৰি ঘৰলৈ আহে। আজিৰ দিনত নগদ ১৫,০০০ হাজাৰ টকা তেনেই উলাই কৰিব লগীয়া নহয়।

মাক ঃ আৰু ৰাতিযে বেয়া বস্তুবোৰ খাই ঘৰলৈ আহে।

গোবিন্দ ঃ তাতনো কি জগৰ লাগিল? বিলাতী কোম্পানীৰ চাকৰি কৰা লৰাতো! দিনটো কোম্পানীৰ কাম-কাজ কৰি বেচেৰা ৰাতিলৈ ভাগৰি পৰে। বন্ধু-বান্ধৱৰ লগত পৰি দুই এঢোক হুইস্কি বেৰেণ্ডী খালেই যেনিবা - তাতনো কি মহাভাৰতখন অশুচি হ'ল?

মাক ঃ আপুনি যিমানেই নকওক এই বদ অভ্যাসটো মুঠেই ভাল নহয় দিয়ক। এই জিনিছটোৱে শৰীৰ - মন নষ্ট কৰাৰ উপৰিও বহুতৰ সংসাৰ ধ্বংস কৰিছে - সেইটো আপুনিও নজনা নহয়।

গোবিন্দ ঃ (পাতলাই) হব দিয়া। সেইবোৰ কথা এতিয়া বেছিকৈ চিন্তা নকৰাই ভাল। পাৰা যদি মোক একাপ চাহপানী দিয়া। মই এতিয়াই এজনক লগ পাবগৈ লাগে।

মাক ঃ সেয়া ৰূপাই চাহ আনিছেই। (ৰূপালীলৈ চাই) আন - খৰ ধৰকৈ আহ। (ৰূপালীয়ে চাহ লৈ আহে। তাইৰ হাতৰ পৰা চাহ কাপ লৈ) এয়া লওক। (ৰূপালীক) মিডচেফটোৰ ওপৰতে বিস্কুটৰ টেমাটো আছে। তাকে কেইটামান আনি দেহি। সুদা চাহ খাবনে? (ৰূপালী গুছি যায়। ক্ষন্তেক পিছত বিস্কুটৰ প্লেটখন আনি দি যায়) (গোবিন্দক) এয়া লওক, ইয়াৰ দুটামান চোবাওক। ৰাতিপুৱা খালী পেটত সুদা চাহ খালে বোলে গেষ্টিক হয়।

গোবিন্দ ঃ কথাটো তুমি ঠিকেই কৈছা। আনিছা যেতিয়া দিয়া বাৰু দুটামান চোবাও।

(এনেতে গোবিন্দৰ জেপৰ ম'বাইল ফোনটো বাজি উঠে। ম'বাইল উলিয়াই)

হেল্লো, অ' চাৰ কওক। সেইটো ১৮ তাৰিখেহে - মোৰ মনত আছে। কিয় পাহৰিম? আপুনি চিন্তাই নকৰিব। কৈছো, কৈছো। চাৰি পাঁচজন মানক কৈছো। যাব। কিয় নাযাব? আপুনি মাতিলে নোযোৱাকৈ থাকিব পাৰেনে? হয়, সন্ধিয়ালৈ তেখেতৰ ঘৰত ভাগৱত পাঠ আছে। যাবতো লাগিবই। ভাল চাৰ। থৈছো।

(নেপথ্যত কোৰিয়াৰ চাৰ্ভিছৰ পিয়ন ঃ চিঠি)

মাক ঃ হেৰি - শুনিছে - চিঠি আহিছে।

গোবিন্দ ঃ পুৱাই পুৱাই পিয়নৰ চিঠি - কথাটো কি? ইমান জৰুৰী চিঠি ক'ৰপৰা আহিল?

মাক ঃ আহা। কথাৰ মৰণা মাৰি থকাতকৈ আপুনি মানুহজন অকণমান ওলাই নাযায় কিয়?

গোবিন্দ ঃ নাই, নাই - ভিতৰলৈকে আহিবলৈ কোৱা - নেলাগে থাওক, ময়েই ওলাই গৈছো।

(দ্ৰুত গতিত বাহিৰলৈ গৈ উভতি আহে। হাতত চিঠি)

চিঠিৰ ঠিকনা ইংৰাজীতে লেখা।

মাক ঃ পিয়নে চিঠিখন কাৰ বুলি কৈছে?

গোবিন্দ ঃ সেই কথা মই সোধো কেনেকৈ ?

মাক ঃ সুধিলে কিবা জগৰ লাগিলহেতেননে কি ?

গোবিন্দ ঃ তোমাৰ কাৰণে দেখিছো ইজ্জত ৰাখি চলিব নোৱাৰা হৈছো।

মাক ঃ কিয় ?

গোবিন্দ ঃ সেই ডেৰ হাজাৰ টকীয়া দৰমহা পোৱা পিয়নটোৱে জানি নাযাব জানো যে ঘৰৰ মুৰব্বী মানুহজনে ইংৰাজী পঢ়িব নেজানে। যোৱা, ৰূপাক সাউত কৰি মাতি আনা।

মাক ঃ (চিঞৰি) ৰূপা - বেগাই এইফালে আহছোন।

ৰূপালী ঃ (নেপথ্যত) গৈছো মা - (প্ৰৱেশ) কি হ'ল মা ?

গোবিন্দ ঃ চিঠিখন কাৰ নামত আহিছে চাছোন।

ৰূপালী ঃ (চাই) এইখন মোৰ চিঠি। ডাঙৰ দাই দিছে। তোমালোকে ক'ত পালা ?

গোবিন্দ ঃ এই মাত্ৰ পিয়নে দি গৈছে। ক'ত পাম আকৌ ?

মাক ঃ কি লিখিছে পঢ়ছোন।

গোবিন্দ ঃ (সাৱধান কৰি দি) খবৰদাৰ নপঢ়িবি। তাৰ সেই আহ ফলা কথাবোৰ শুনাৰ মোৰ ধৈৰ্য্য নাই। সংসাৰত কৰিব লগীয়া বহুতো ভাল কাম আছে বুজিলি -

মাক ঃ আজি ইমান দিনৰ মূৰত তাৰ এখন চিঠি পাইছো। তাকো পঢ়াত বাধা।

গোবিন্দ ঃ সেইবোৰ পেনপেনীয়া কথা মোৰ আগত নকবা বুইছা। বৰ মাকজনী চেলাইছা। (পিছ মুহূৰ্ত্তে কিবা চিন্তা কৰি ৰূপালীক) মই যোৱাৰ পিছত চিঠিখন পঢ়ি মাৰক শুনাবি। দাদাৰৰ কুশল বাৰ্ত্তা পালে কিজানি মাৰৰ মনটো পাতলেই।

ৰূপালী ঃ ঠিক আছে। তাকে কৰিম -

(চিঠিখন লৈ প্ৰস্থান)

মাক ঃ অ' আপোনাক এটা কথা কবলৈ পাহৰিছিলোৱেই। কালিলৈ বিমল আহিব বোলে ?

গোবিন্দ ঃ কোনে কলে তোমাক?

মাক ঃ সি হেনো মাজুলৈ ফোণ কৰিছিল?

গোবিন্দ ঃ কিয় মাজুলৈ যে ফোণ কৰিবলগীয়া হ'ল - সি মোলৈ ফোণ কৰিব নোৱাৰে হবলা?

মাক ঃ ফোণ কৰিবলৈ সি আপোনাৰ নম্বৰটো জানে বা নেজানে?

গোবিন্দ ঃ নেজানিব কিয়? সি সৌ সিদিনাখন আহি গৈছেহে।

মাক ঃ সৌ সিদিনা মানে - যোৱা বহাগৰ বিহুৰ সময়তেই সি আহিছিল। বহাগে বহাগে এবছৰ হলেই দেখোন। আপুনি টেলিফোণ পোৱা ছমাহ মানহে হ'ল। তেনেস্থলত আপুনি নজনালে সি নম্বৰটো পাব ক'ৰ পৰা?

গোবিন্দ ঃ এতিয়া মোৰ গাতহে দোষটো হ'ল। তোমালোক মাইকী মানুহবোৰ এনেকুৱাই। মতাটোৰ ওপৰত দোষ জাপি দি ভাল পোৱা। তাক যে ম'বাইল নম্বৰটো দিব লাগে সেইটো মোৰ খিয়ালেই নহল। মই কিবা এটা চিন্তাতে থকা মানুহনে কি? নামঘৰৰ চিন্তা, ৰাইজৰ চিন্তা, নিজৰ ঘৰখনৰ চিন্তা - লৰা ছোৱালী পৰিবাৰৰ চিন্তা - কত এশ এবুৰি চিন্তাৰ মাজত ডুবি আছো - মই এই গোবিন্দ আতৈ। বাৰু বাদ দিয়া সেইবোৰ কথা। (কিছু ৰৈ) মই তোমাক কৈছিলোয়েই নহয় - সি মানে বিমল ইয়ালৈ আহিবই লাগিব। গোবিন্দ আতৈয়ে যি কোনো ঠাইত টোপ নেপেলায়।

মাক ঃ ইমান দিনৰ পিছতো বেচেৰাই ঘৰখনৰ কথা যে পাহৰা নাই।

গোবিন্দ ঃ এইবাৰতো দেখ দেখকৈ শাহু হোৱাৰ সুবিধা পাইছা।

মাক ঃ সেই সুবিধা জানো ভগবানে দিব?

গোবিন্দ ঃ দিব, দিব - তুমি কোনো চিন্তা নকৰিবা। এইবাৰ হেষ্ট নেষ্ট কিবা এটা কৰিবই লাগিব। (হাতৰ ঘড়ীটোলৈ চাই) সৰ্ব্বনাশ। কোন তলকত সময় পাখি লগা কাড়ৰ দৰে উৰি গ'ল তৰকিবই নোৱাৰিলো। আৰু পলম কৰিব নোৱাৰি। এতিয়াই ওলাই যাব লাগিব। (উঠে) ই কেনে কথা - ৰাণাৰ দেখোন এতিয়ালৈকে

দেখা দেখিয়েই নাই - এই ৰাতিপুৱাতে সি গ'ল কলৈ?

মাক ঃ **কাষৰ মঞ্জুহতঁৰ ঘৰলৈ গৈছে।**

গোবিন্দ ঃ (উত্তেজিত হৈ) কিয়, মঞ্জুহতঁৰ ঘৰলৈ কিয়? সিহঁতৰ ঘৰত এক গণ্ডা আবিয়ৈ ছোৱালী আছে - শেষ মুহূৰ্ত্তত কিবা এটা জেং লগালে বিপদ - নাই, নাই, তাক সাৱধান কৰি দিবা - কাম এটা যোগাৰ কৰি লবলৈ কবা - এনেকৈ খাই শুই আড্ডা মাৰি সময় কটালে নচলিব। তাক বুজাই দিবা। কিবা ওল্টা-পোল্টা কথা কলে মই কোৱা বুলি কবা।

মাক ঃ কম বাৰু। এতিয়া বলক।

গোবিন্দ ঃ মই আৰু দেৰী কৰিব নোৱাৰো। (গোবিন্দ ওলাই গল। ওলাই যাওতে কৈ গল) ৰূপা - মানুহ বহা ৰুমটোৰ ধুলি মাকতি জাৰি জোকাৰি ভালকৈ সজাই মেলি ৰাখিবি। (প্ৰস্থান)

মাক ঃ ৰূপা - দেউতাৰে কৈ যোৱা কথা কেইটা শুনিলিনে নাই?

ৰূপালী ঃ (নেপথ্যত) গৈছো মা -

(ৰূপালী আহি কোঠাটো চাফ চুফ কৰিবলৈ ধৰিলে। ইতিমধ্যে মাক ভিতৰ সোমাই গল। অলপ পিছতে সন্তৰ্পণে ৰাণাই প্ৰৱেশ কৰে)

ৰাণা ঃ দেউতা আছে নে গল?

ৰূপালী ঃ এই মাত্ৰ গৈছে।

ৰাণা ঃ ঠিক আছে। তই একাপ চাহ খুৱা। অলপ পাতলকৈ বনাবি - পাৰ যদি দুটোপাল নেমু ৰস চেপি দিবি।

ৰূপালী ঃ এতিয়া নহব।

ৰাণা ঃ কিয়?

ৰূপালী ঃ দেউতাৰ মানা।

ৰাণা ঃ ধেৎ পুৱাৰ পৰাই মূৰটো টিংটিঙাই আছে। ভাবিলো গৰম লাল চাহ একাপ খাই মেজাজটো ঠাণ্ডা কৰি লও।

ৰূপালী ঃ হব বাৰু অলপ ধৈৰ্য্য ধৰ। এটা কথা - প্ৰেম চেম বাদ দিব লাগিব, কামৰ চেষ্টা কৰ - অলপ আগেয়েই দেউতাই মাক এডভাইছ দিয়া মই নিজ কাণেৰে শুনিছো।

ৰাণা ঃ বাঃ গাজা ফুটাবলৈ সময় নেপালি।

ৰূপালী ঃ গাজা ফুটাম কেলে? মোক যদি বিশ্বাস নকৰ তেনেহলে তই মাক সুধিবি। মাক কৈ গৈছে নহয়।

ৰাণা ঃ কি কৈছে?

ৰূপালী ঃ কি কব তাকতো তই জানই। বেচেৰী বৰ্ণালীজনীলৈ বেয়া লাগে। তই সিহঁতৰ ঘৰলৈ যোৱাটো বন্ধ কৰি দিলে তাইৰ কি অৱস্থা হব বাৰু?

ৰাণা ঃ ৰাতি পুৱাই পেংলাই খন নকৰিবি। বৰ্ণালীহঁতৰ ঘৰলৈ মই যামেই। কোনে বন্ধ কৰে চাম নহয়।

ৰূপালী ঃ ঠিক আছে দেখিলেহে লিখিম।

ৰাণা ঃ এটা কথা, মইযে এই লাইনত খোজ পেলাইছো দেউতাই জানিলে কেনেকৈ? নিশ্চয় তই কৈছ?

ৰূপালী ঃ ইছ, এতিয়া মইহে কলো। মোৰ আৰু কাম নাই? দেউতাই জানে - সকলো জানে। দেউতাৰ চকুত ধুলি মাৰিব নোৱাৰিবি।

ৰাণা ঃ এইটো কোন দেশৰ কথা বাৰু তয়েই কছোন। বৰ্ণালীৰ সঙ্গ মোৰ ভাল লাগে - বেকাৰ জীৱনত সেই কণেই সান্ত্বনা। তাকো ত্যাগ কৰিব লাগিব?

ৰূপালী ঃ কাম এটাৰ যোগাৰ কৰি সোনকালেই সংসাৰী হ।

ৰাণা ঃ তই কি কলি? কাম এটাৰ যোগৰ কৰিব পৰাহেতেন মই বৰ্ণালীক লৈ কৰবালৈ ফুট - একোকে কৰিব নোৱাৰিহে পেটৰ দায়ত গোবিন্দ আতৈৰ সংসাৰত ওলমি আছো। দেউতাই মোক কি বুলি ভাবিছে? টকা পইচা খুৱাই হলেও কোনোবা চৰকাৰী অফিছত ল'ৱাৰ ডিভিজন ক্লাৰ্কৰ পোষ্ট এটা মেনেজ কৰিব পাৰিলেও এক প্ৰকাৰ বিপ্লৱৰ সূচনা কৰি দিলোহেতেন। পিছে সেই দিনটোলৈ আৰু বেছি দিন অপেক্ষা কৰিব লগীয়া নহব। চাই লবি। দুলালদা আৰু অবিনাশদাই আজি মোৰ অভিনয় চাব। এইবাৰ নিশ্চয় ভাগ্যৰ জঁট ধৰা কল কজ্জাবোৰ খোল খাই যাব - তেতিয়া চাবি মই কি

ধৰণৰ বিপ্লৱৰ সূচনা কৰো। (গৰ্ব্বত বুকু ফুলাই দিয়ে)

ৰূপালী : হব দে, বেছি ফুলজাৰি ফুটাব নেলাগে। যি আজি পাঁচ বছৰে এহাজাৰ টকীয়া দৰমহাৰ চাকৰি এটাকে যোগাৰ কৰিব নোৱাৰিলে - সি আকৌ বিপ্লৱৰ সূচনা কৰে। মোৰ আগত যি কলি কলি, কিন্তু আনৰ আগত এইবোৰ কথা নকবি। তোৰ কথাত মানুহে হাঁহিলে আমাৰেই লাজ লাগিব।

ৰাণা : তই মোৰ চেণ্টিমেণ্টত লগাকৈ কথা নকবি। বৰ্ণালীৰ বিচ্ছেদত মোৰ মন এতিয়া অশান্ত। তাৰোপৰি তই যদি মোৰ প্ৰেমৰ বিহ-ফোঁহোৰাটো নতুনকৈ আলপিনেৰে ফুটাই দিয়, তেনেহলে এতিয়া মই যাম ক'লৈ?

ৰূপালী : কিয় - থিয়েটাৰলৈ।

ৰাণা : ষ্টেজ ৰিহাৰ্চললৈ?

ৰূপালী : চাহ নেখাৱ?

ৰানা : দিলি জানো?

ৰূপালী : ৰ' (যাবলৈ উদ্যত হয়, ৰাণাই বাধা দিয়ে)

ৰাণা : ৰূপালী

ৰূপালী : কি?

ৰাণা : এটা প্ৰাইভেট কথা কম - কাকো নকবি। তই মেনেজ কৰিব লাগিব।

ৰূপালী : ময়ো এটা কন্‌ফিডেনচিয়েল কথা কম। কাকো নকবি।

ৰাণা : তাড়া তাড়ি ক।

ৰূপালী : আগেয়ে তোৰ প্ৰাইভেট কথাটো ক।

ৰাণা : শুন, দহ টকাৰ দৰকাৰ। ডাঙৰ পাৰ্ট লৈছো নহয়। দহ টকাৰ চাঁদা নিদিলে প্ৰেছটিজ লিক হৈ যাব।

ৰূপালী : মই ক'ত পাম?

ৰাণা : যি কোনো প্ৰকাৰে তই মেনেজ কৰিবই লাগিব। তাৰ সলনি তই যি কবি সেয়ে হব। অসাধ্য সাধন কৰিবলৈতো মই সাজু আছো।

ৰূপালী : তইতো জান সৰুদা - কলেজ বন্ধ হলে মোৰ হাত খৰছো বন্ধ হৈ

যায়।

ৰাণা : প্লিজ। তই যেনে তেনে মেনেজ কৰ। তোক মই এটা ফ্ৰী কম-প্লিমেণ্টৰী কাৰ্ড দিম - একেবাৰে আগৰ চিটত।

ৰূপালী : উপায় পোৱা নাই সৰুদা। ঘৰলৈ সন্ধিয়া গেষ্ট অহাৰ কথা আছে। তথাপি চাও তোৰ টকাৰ কথাটো কেনেকৈ মেনেজ কৰা যায়।

ৰাণা : ধন্যবাদ। তই চেষ্টা কৰিলেই হ'ব। জানো, তোৰ পৰা টকা বিচৰাটো উচিত নহয়। কিন্তু কি কৰিম ক - বজাৰ কৰাৰ দায়িত্বটোও মাজুদাই নিজৰ হাতত লৈ লৈছে। নহলে মই, - নাই যাওক দে মোৰেই কপাল বেয়া। অ' পাহৰিছিলোৱেই এতিয়া কছোন তোৰ কন্‌ফিডেনচিয়েল কথাটো।

ৰূপালী : কাকো নকবি। আজিৰ ডাঙৰ দাৰ পৰা চিঠি পাইছো। সি হেনো আজি দুদিনমানৰ পৰা এই চহৰতে আছে। দাদা আৰু তাৰ লগৰ দহজনে হেনো দলবদ্ধ ভাৱে কেইদিন মানৰ ভিতৰতে অস্ত্ৰ সম্বৰণ কৰিব। সেই সম্পৰ্কত সি জিলাৰ উপায়ুক্ত আৰু ফৰ্থ ক্ৰৰৰ ৮ নং বেটেলিয়নৰ বিগ্ৰেদিয়াৰৰ লগত যোগাযোগ স্থাপন কৰি আছে। তাৰিখ বাৰ ঠিক কৰি সিহঁতে ৰাইজৰ আগত ৰাজহুৱা ভাৱে আত্ম সমৰ্পণ কৰিব।

ৰাণা : বৰ ভাল খবৰ আৰু কি লিখিছে?

ৰূপালী : সকলো ঠিক্‌থাক হোৱাৰ পিছত সি মোক জনাব। সময় হলে আজি সন্ধিয়াৰ পিছত পাক এটা মাৰিব পাৰে।

ৰাণা : খুব ভাল কথা। মইহে কিজানি সেই সময়ত থিয়েটাৰত ব্যস্ত থাকিম। (কিছু চিন্তা কৰি) তই এটা কাম কৰিবি। সি নাটক চাই খুব ভাল পায়। মই তোৰ হাতত দুখন ফ্ৰী পাছ দি যাম। তই যেনে তেনে তাক ফুচুলাই নাটক চাবলৈ লৈ যাবি।

ৰূপালী : মই কব পাৰিম। কিন্তু সি যাব নুখুজিলে মই কেনেকৈ নিম?

ৰাণা : তই কলে সি যাবই।

ৰূপালী : মই কৈ চাম বাৰু।

মাক ঃ (নেপথ্যত) ৰূপালী, অলপ ভিতৰলৈ আহছোন।

ৰূপালী ঃ গৈছো মা। (ৰাণালৈ চাই) যাও - তই অকণমান ৰ।

ৰাণা ঃ অভাগাৰ ফালে অকণমান চকুমেলি চাবি আক'। (ৰূপালীৰ প্ৰস্থান। ৰাণাই আপোন পাহৰি নিজৰ পাৰ্ট আওৰোৱাৰ প্ৰয়াস কৰে। অলপ সময়ৰ পিছতে ৰূপালী আহে অতি সন্তৰ্পণে)

ৰূপালী ঃ মাক কিট্‌চেনত সুমুৱাই থৈ আহিছো। আলু মটৰৰ দম বনাবলৈ। এয়া ল। (ৰাণা নিজৰ খেয়ালত বিভূৰ)। এই সৰুদা, কি ভুল বকিছ। (ৰাণাই সেইফালে কৰ্ণপাত নকৰে) কি যে বিপদ। তই পাগল হৈ গলি নেকি? এইবোৰ কি ভোৰভোৰাই আছ?

ৰাণা ঃ দিষ্টৰ্ব নকৰিবি। পাৰ্ট মুখস্থ কৰিছো।

ৰূপালী ঃ শুন, এই ল টকা। পোন্ধৰ টকা আছে। চাহ বাহিৰতে খাই লবি।

ৰাণা ঃ ঠিক আছে। (পকেটত টকা ৰাখে। যাবলৈ উদ্যত হয়)

ৰূপালী ঃ এতিয়া কলৈ যাবি?

ৰাণা ঃ 'কলৈ' বুলি কৈ দিলি নহয়, মুডটো নষ্ট কৰি। তই যদি মোৰ প্ৰকৃত ভনী হৱ, তেনেহলে এই মুহূৰ্ত্তে তোক ডিঙি চেপি হত্যা কৰিলোহেতেন। ছিঃ ছিঃ এয়াই তোৰ ব্যৱহাৰ?

ৰূপালী ঃ (চকু ডাঙৰ কৰি) মই আকৌ কি কৰিলো?

ৰাণা ঃ একো কৰা নাই - আজিৰ নাটকৰ এটা একছন দিলো।

ৰূপালী ঃ তাকেই ক।

ৰানা ঃ মই যাও - অ' মোৰ টকাটো?

ৰূপালী ঃ পকেটত চাই ল।

ৰাণা ঃ (চাই) কিবা কবি?

ৰূপালী ঃ 'তই এটা ইতৰ ঠগ দগাবাজ। এজনী ছোৱালীৰ কি সৰ্বনাশ কৰিছ তাক তই নিজেই নাজান।'

ৰাণা ঃ মোক ক কি সৰ্বনাশ কৰিছে। মই কোন সি চিনি পোৱা নাই। মুখখন ঠেকেছি একেবাৰেই চিনিব নোৱাৰা কৰি পেলাম।

ৰূপালী ঃ এইটোও এটা একছন (চকু ঘূৰাই) সেই নাটকৰ, বুজিলি? (ৰাণাই

চকু মুদি ৰূপালীৰ ফালে চাই থাকে, হঠাৎ বুৰ্বকৰ নিচিনাকৈ চিঞৰি উঠে)

ৰাণা : সেই নাটকৰ?

ৰূপালী : অ।

ৰাণা : নাটকে নাটকে কি হয় জান?

ৰূপালী : নাজানো।

ৰাণা : একছনে একছনে?

ৰূপালী : নাজানো।

ৰাণা : আকৰি, তাকো নাজান' - মেলোড্ৰামা - তাৰ ৰিএকছন।
(হঠাৎ বাহিৰৰ দুৱাৰত শব্দ)
সঁচা সচিকৈ তেনে মেলোড্ৰামাৰেই ৰিহাৰ্চেল হৈছে।
(দুৱাৰ খুলি দিয়ে। বাহিৰৰ পৰা সুদৰ্শন চেহেৰাৰ হিমাদ্ৰী সোমাই আহে)
আহক-আহক দীৰ্ঘায়ু হওক। (জেপৰ পৰা চিঠি এখন উলিয়াই হিমাদ্ৰীক দিয়ে) এইখন লওক।

হিমাদ্ৰী : এইখন কি?

ৰাণা : ৰিয়েকছন - খুলি চাওক।

ৰূপালী : সৰুদা কি হৈছে - কি?

ৰাণা : মই যাও, বাই বাই। (ৰাণা গুছি যায়)

হিমাদ্ৰী : নাজানো অহাটো উচিত হলনে অনুচিতেই হল।

ৰূপালী : বৰ্ত্তমানে এই ঠাইখন নিৰাপদ নহয়।

হিমাদ্ৰী : মই তোমাৰ দাদাক বিচাৰি আহিছো।

ৰূপালী : ডাঙৰ দা নাই।

হিমাদ্ৰী : ক'লৈ গৈছে?

ৰূপালী : নেজানো।

হিমাদ্ৰী : কেতিয়া আহিব?

ৰূপালী : নেজানো।

হিমাদ্ৰী : আচৰিত!

ৰূপালী : আচৰিত হবলগীয়া একোৱেই নহয়, এইটোৱেই স্বাভাৱিক।

হিমাদ্ৰী : বাদ দিয়া। তোমাৰ খবৰ কি?

ৰূপালী : খবৰ চিঠিতেই আছে।

হিমাদ্ৰী : বহুত দিন কলেজলৈ যোৱা নাই ?

ৰূপালী : আৰু হয়তো যোৱাও নহব।

হিমাদ্ৰী : কিয়?

ৰূপালী : সেইবোৰ বহুত কথা।

হিমাদ্ৰী : মোক বহিবলৈ নোকোৱা?

ৰূপালী : কবলৈ পালে সুখী হম।

মাক : (নেপথ্যত) ৰূপালী।

ৰূপালী : গৈছো - মই আহো হিমাদ্ৰীদা। (যাবলৈ উদ্যত)

হিমাদ্ৰী : ৰবা।

ৰূপালী : দেউতা বাহিৰলৈ গৈছে। এতিয়াই আহিব। মা আছে।

হিমাদ্ৰী : তাতে কি হল - মইতো চুৰি কৰিবলৈ অহা নাই।

ৰূপালী : আমাৰ ঘৰখনৰ বিষয়ে সকলো জানাই দেখোন।

হিমাদ্ৰী : কেৱল নেজানো তোমাৰ মনৰ খবৰ।

ৰূপালী : মন নাই। খবৰৰ কি দৰকাৰ।

হিমাদ্ৰী : তুমি অকাৰণে মোৰ ওপৰত খং কৰিছা।

ৰূপালী : তুমি এতিয়া যোৱা।

হিমাদ্ৰী : খেদি দিছা?

ৰূপালী : কৈছোতো, এই ঠাই তোমাৰ পক্ষে নিৰাপদ নহয়।

হিমাদ্ৰী : পৃথিবীৰ সকলো ঠাইৰে একেই সমস্যা।

মাক : (নেপথ্যত) ৰূপালী, নাহ কিয়?

ৰূপালী : তুমি এতিয়া যোৱা।

হিমাদ্ৰী : তোমাৰ লগত মোৰ ব্যক্তিগত কথা আছে।

ৰূপালী : মোৰ পৰিবেশ ইমান সৰু য'ত ব্যক্তিগত কথা থকা অন্যায়।

হিমাদ্ৰী ঃ তেনেহলে আমাৰ কথা?

ৰূপালী ঃ শেষ হৈ গৈছে।

মাক ঃ (নেপথ্যত) তোৰ সাহসো কম নহয় - কেতিয়াৰ পৰা মাতি আছো।

ৰূপালী ঃ গৈছো মা। প্লিজ তুমি এতিয়া যোৱা।

হিমাদ্ৰী ঃ সঁচাকৈয়ে তেনেহলে তুমি মোক খেদি পঠাইছা?

ৰূপালী ঃ ইয়াৰ বাহিৰে মোৰ আৰু অন্য কোনো উপায় নাই।

হিমাদ্ৰী ঃ তুমি কলেজলৈ নাহিবা নেকি?

ৰূপালী ঃ নেযাও। দেউতাই কলেজলৈ যোৱাটো বন্ধ কৰিছে।
(বাহিৰৰ পৰা গোবিন্দ আতৈৰ প্ৰবেশ)

গোবিন্দ ঃ মানুহজনলৈ বাট চাই বহুত দেৰি কৰি পেলালো। ভদ্ৰলোকক লগো নেপালো। গোটেই বেলাটো পণ্ড হ'ল। (হিমাদ্ৰীৰ ফালে দৃষ্টি নিক্ষেপ কৰি) তুমি কোন হে ডেকা? এইখন ঘৰত কিয়? (ওচৰলৈ আগুৱাই যায়) কি হ'ল - কথা নোকোৱা দেখোন। কাণেৰে নুশুনানে কি? নাম কি?

হিমাদ্ৰী ঃ হিমাদ্ৰী।

গোবিন্দ ঃ ঘৰ ক'ত? কোন কোন আছে?

ৰূপালী ঃ শংকৰদেৱ কলাক্ষেত্ৰৰ ওচৰত - দাদাৰ বন্ধু।

গোবিন্দ ঃ কোন দাদা?

ৰূপালী ঃ ডাঙৰ দা।

গোবিন্দ ঃ ডাঙৰ দাৰ বন্ধু। কি কাম কৰা - লিখা পঢ়া কৰানে বিপ্লৱ - আৰু আমাৰ ঘৰলৈ অহাৰ উদ্দেশ্য?

হিমাদ্ৰী ঃ মই যাও।

গোবিন্দ ঃ সেইটো কেনেকৈ হব - ইমান প্ৰশ্ন কৰিলো অন্ততঃ এটাৰ উত্তৰ দিয়া।

ৰূপালী ঃ ডাঙৰদাৰ খবৰ লবলৈ আহিছে।

গোবিন্দ ঃ ডাঙৰদাৰ খবৰ লবলৈ, তেনেহলে ইয়াত কিয়? তুমি তাৰ পৰা টকা পোৱানে সি তোমাৰ পৰা টকা পায়?

হিমাদ্ৰী ঃ আপোনাৰ কথা মই ঠিক বুজি পোৱা নাই।

গোবিন্দ ঃ সঁচাকৈয়ে নে চালাকি?

হিমাদ্ৰী ঃ আপুনি কি কৰলৈ বিচাৰিছে?

গোবিন্দ ঃ ইয়ালৈ কিয় আহিছা, কি দৰকাৰ আছে?

হিমাদ্ৰী ঃ দৰকাৰটো মৃণালৰ সতে। সম্পূৰ্ণ ব্যক্তিগত।

গোবিন্দ ঃ মই তাৰ দেউতাক, মই জানিব খুজিছো তাৰ লগত তোমাৰ কি দৰকাৰ আছে?

হিমাদ্ৰী ঃ সকলো দৰকাৰ আপোনাক কব পৰা নাযায়।

গোবিন্দ ঃ কি ক'লা? বাপেকক সকলো কথা কব নোৱাৰি?

হিমাদ্ৰী ঃ নোৱাৰি। দেউতাকৰো লৰা ছোৱালীৰ সকলো কথাৰ শুনাৰ অধিকাৰ নাথাকে।

গোবিন্দ ঃ (প্ৰচণ্ড খঙত জ্বলি উঠি) কি। এয়ে লেখা পঢ়া শিকিছা। লৰাইঁতৰ এনে কি কথা থাকে যাক দেউতাকে শুনিব নোৱাৰে। পাহৰি গৈছা -পিতা ধৰ্ম, পিতা স্বৰ্গ।

হিমাদ্ৰী ঃ মনত আছে। আপুনি মোৰ দেউতাৰ তুল্য তথাপি যি কথা কব নোৱাৰি সেই কথা শুনিবলৈ আপুনি কিয় বিচাৰিছে?

গোবিন্দ ঃ শুনিম, এশবাৰ শুনিম।

ৰূপালী ঃ দেউতা।

গোবিন্দ ঃ তই মনে মনে থাক। তুমি কোৱা।

হিমাদ্ৰী ঃ মোক ক্ষমা কৰিব।

গোবিন্দ ঃ পেনপেনীয়া কথা নকবা। যি কোৱা স্পষ্টকৈ কোৱা।

হিমাদ্ৰী ঃ চিএঃৰ বাখৰ কৰি সন্মান আদায় কৰিব নোৱাৰি।

গোবিন্দ ঃ কি? কি ক'লা? মই চিএঃৰ বাখৰ কৰিছো? মোৰ ঘৰত মোৰ আগত থিয় হৈ ইমান বৰ কথা মতাৰ সাহস কোনে দিলে? উদণ্ড লৰা - তুৰন্তে মোৰ চকুৰ আগৰ পৰা আতৰি নগলিনে?

ৰূপালী ঃ হিমাদ্ৰীদা, তুমি ইয়াৰ পৰা যোৱা।

হিমাদ্ৰী ঃ যাও - আপুনি যদি মৃণালৰ দেউতাক নহলহেতেন তেনেহলে -

গোবিন্দ ঃ কি ক'লি - তেনেহলে কি কৰিলিহেতেন - গুণ্ডামি-গুণ্ডাগিৰি

কৰিবৰ জেগা নেপালি। হেৰা শুনিছানে (ভিতৰৰ পৰিবাৰক মাতে) বেগাই ওলাই আহা। তোমাৰ গুণধৰ লৰাৰ বন্ধুয়ে মোক কেনেকৈ অপমান কৰিছে চোৱাহি। ইয়াৰ পৰা ওলাই যাবলৈ কৈছো নহয়। (হিমাদ্রী গৈ থমকি ৰয়)

হিমাদ্রী ঃ নিশ্চয় যাম - এটা কথা জানি থব আৰু এদিন আহিম - তেতিয়া কিন্তু হাজাৰ চেষ্টা কৰিলেও খেদি পঠাব নোৱাৰিব। আহিলো। (হিমাদ্রী ওলাই গ'ল। গোবিন্দ ভীষণ ভাবে উত্তেজিত। চাদৰৰ আগেৰে হাত মছি ভিতৰৰ পৰা মাকৰ প্ৰবেশ)

মাক ঃ কি হ'ল? ইমান গৰম হৈছে যে? কাৰ লগত ইমান ডাঙৰ ডাঙৰকৈ কথা পাতিছিল?

গোবিন্দ ঃ ঘৰত এই মাত্ৰ এখন কুৰুক্ষেত্ৰ হৈ গ'ল। তোমাৰ কোনো সাৰসিক-তিয়েই নাই। তুমি কি কৰিছিলা?

মাক ঃ কি কলে? কি হ'ল?

গোবিন্দ ঃ হবলৈ আৰু কিটো আছে। বেটাই ঘৰতে অপমান কৰি গ'ল।

মাক ঃ কোনে অপমান কৰিলে?

গোবিন্দ ঃ তোমাৰ ডাঙৰ পুত্ৰৰ বন্ধু - গুৰু গোসাই নমনা এটা মস্ত উদণ্ড, বেটা পাক্কা উগ্ৰপন্থী। চাই থাকা মই তাৰ কি অৱস্থা কৰো।

মাক ঃ মইতো হলে একোৱেই বুজি পোৱা নাই।

গোবিন্দ ঃ এইযে তোমাৰ বেণ্ডী ছোৱালী, ঘৰৰ ভিতৰত বাহিৰৰ এটা লৰাৰ লগত ফুচ্‌ফুচাই কিবা গোপন মেলত মছগুল - বুলডজাৰ চলাই সকলো সমান কৰি পেলাম নহয় বাপেকে।

মাক ঃ ঠিক আছে। এতিয়া মুখ-হাত ধুই কিবা এটা মুখত দি আমাৰ ফালৰ পৰা আগবঢ়াবলৈ কিবা দুই এপদ বস্তু বজাৰৰ পৰা কিনি আনক। মাজুয়ে মোৰ হাতত অলপ পইচা দি গৈছে।

গোবিন্দ ঃ সেইবোৰ হৈ থাকিব বাৰু। তুমি হয়তো অনুভৱেই কৰিব পৰা নাই তাৰ সেই উদণ্ড ব্যৱহাৰৰ পৰা মই অন্তৰত কিমান সন্তাপ পাইছো। তোমালোক কাৰো কথা মই নুশুনো। ইয়াৰ কিবা এটা

বিহিত ব্যৱস্থা কৰিবই লাগিব।

মাক : আপুনি পলম নকৰিব। ততাতৈয়াকৈ ভিতৰলৈ বলকচোন। মোৰ গোটেইসোপা কামেই পৰি আছে। আপুনি আজৰি কৰি নিদিলে-

গোবিন্দ : হয নেকি? তেন্তে ব'লা।

মাক : আপুনি আগবাঢ়ক। মুখহাত ধুই খাবলৈ বহক। খোৱা টেবুলত সজাই থৈছো।

(গোবিন্দৰ প্ৰস্থান। ঘৈণীয়েক অলপ আগুৱাই গৈ উভতি আহি দেখে ৰূপালীয়ে ড্ৰয়িং ৰুমৰ চোফাৰ কোণত বহি কান্দি আছে)

মাক : আকৰী ছোৱালী। তোৰ আকৌ কান্দিবৰ কিটো হ'ল। আগগুৰি চাইহে লৰাৰ লগত কথা-বতৰা পাতিব লাগে। বুঢ়া বাপেৰ - যি কোনো মানুহৰ লগত মিলামিছা কৰি ঠাণ্ডা মুৰটো একেবাৰে গৰম কৰি দিলি।

ৰূপালী : দেউতাৰ মুৰ ঠাণ্ডা, এনে কথা নকবা।

মাক : মোৰ মুখৰ ওপৰত কথা চলাৱ। এনে লৰা ছোৱালী জীয়াই থকাত কৈ মৰাই ভাল।

ৰূপালী : মা অকণমান মুখখন বন্ধ কৰি থোৱাছোন।

মাক : কিয় মুখ বন্ধ কৰি ৰাখিম। মোক তই খুৱাইছ নে পিন্ধাইছ?

ৰূপালী : (চিঞৰি) মা।

মাক : কি। মোৰ চকুলৈ চাই কথা কৱ। তই মোৰ পেটত জন্ম লৈছ নে মই তোৰ পেটত জন্ম লৈছো। মই তেতিয়াই কৈছিলো লেখাপঢ়া শিকাই লাভ নাই।

ৰূপালী : মা, তোমালোকে নিজৰ হিচাবত কিয় জগতখন বিচাৰ কৰিছা? আচল, কথাটো অলপ বুজিবলৈ চেষ্টা কৰাছোন।

মাক : কি মই ভুল বুজিছো। লেখাপঢ়া শিকা নাই বুলিয়েই মই একো বুজি নাপাও বুলি ভাবিছ নেকি?

ৰূপালী : সঁচা মা। তুমি একোৱেই বুজি নোপোৱা।

মাক ঃ ঠিক আছে। তোৰ বাপেৰ জলপান খাই ওলাই আহক - তাৰ পিছত চাই লম - তোৰ কথাই ৰজেনে - মোৰ কথাই ৰজে।

ৰূপালী ঃ (কান্দোনত ভাগি পৰে) তাতকৈ মোক অলপমান বিহ আনি দিয়া। তাকেই খাই মৰি যাও।

মাক ঃ পুলিচ থানালৈ যাব লগীয়া নহলে তোৰ বাপেৰক বিহকেই আনি দিবলৈ ক'লো হয়।

(গেছত গাখীৰ পোৰাৰ গোন্ধ পাই) ইছ্, সৰ্বনাশ হ'ল। গাখীৰখিনি পোৰাৰ গোন্ধ পাইছো। চচ্‌পেন তচ্‌পেন পুৰিলে যেন পাইছো।

(দ্ৰুত গতিৰে প্ৰস্থান। ৰূপালীয়ে কান্দি থাকে। অলপ সময়ৰ পিছত বাহিৰৰ পৰা মৃণাল আহে। ৰূপালীক মাতোতেই তাই উচ্‌প খাই উঠে)

মৃণাল ঃ ৰূপালী।

ৰূপালী ঃ কোন? (আচৰিত হৈ) ডাঙৰদা - তই।

মৃণাল ঃ এৰা অ' নহাকৈ থাকিব নোৱাৰিলো। তহঁত সকলো ভালে আছতো?

ৰূপালী ঃ আছো। এই কেইদিন ক'ত আছিলি?

মৃণাল ঃ কিমান ঠাই ঘুৰিলো। কিন্তু কোনো ঠাইতেই মন নবহিল। সেয়ে তহঁতক চাবৰ কাৰণে ইয়ালৈ আহিলো। মোৰ চিঠিখন পালিনে?

ৰূপালী ঃ পাইছো। দুই এদিন থাকিবি নহয়?

মৃণাল ঃ নহয় অ' অলপ ঘুৰা-ঘুৰি কাম আছে। চিঠিততো সকলো লিখিছোৱেই। আজি এবাৰ ডি, চি আৰু ফৰ্থ ক্ৰৰৰ ৮ নং বেটেলিয়নৰ বিগ্ৰেদিয়াৰক লগ ধৰিব লাগে।

ৰূপালী ঃ তেনেহলে চাৰেণ্ডাৰ কৰিবিয়েই।

মৃণাল ঃ এইয়া তাৰেই প্ৰস্তুতি। যি মোহত পৰি আজি সাতবছৰৰ আগেয়ে বিপ্লবী সংগঠনটোত যোগ দিছিলো, সেই মোহ আজি মোৰ ভঙ্গ হৈছে। ধাৰণা হৈছে আমি যেন পথচ্যুত হৈছো। পথভ্ৰষ্ট মানুহে লক্ষ স্থানত কেতিয়াও উপনীত হব নোৱাৰে। বাৰু বাদ দে -

সেইবোৰ শুনি তোৰ একো লাভ নহব।

ৰূপালী : ইয়ালৈ কেলৈ আহিলি? বাহিৰা কামত আহিছ যদি সেইবোৰ কামবন কৰি বাহিৰা মানুহৰ দৰেই বাহিৰে বাহিৰে যাব লাগিছিল!

মৃণাল : তোক কৈছোৱেই তইঁত কেনে আছ', বিশেষকৈ তই আৰু - তোৰ কি হৈছে?

ৰূপালী : (নিজকে চম্ভালিবলৈ চেষ্টা কৰি) একো হোৱা নাই।

মৃণাল : চকুৰ পানী কিয়?

ৰূপালী : এনেয়ে।

মৃণাল : (ওচৰলৈ আহি) মোৰ ওচৰত লুকুৱাব নোৱাৰিবি। ক কি হৈছে।

ৰূপালী : তইতো সকলো জান।

মৃণাল : অ' - সেই পুৰণা ট্ৰেডিছন।

ৰূপালী : আচ্ছা দাদা - তই এইখন ঘৰলৈ কিয় আহ' কব পাৰ?

মৃণাল : নাহিলেই হয়তো ভাল হয় - নহয়নে বাৰু?

ৰূপালী : অ' - এই ঘৰৰ সেয়ে মত।

মৃণাল : তোৰ?

ৰূপালী : দাদা।

মৃণাল : যা - একাপ চাহ কৰি আন। হেৰি নহয় মাজু আৰু ৰাণাক দেখোন দেখা নাই ?

ৰূপালী : সৰুদা ষ্টেজ্ ৰিহাৰ্চেললৈ গৈছে।

মৃণাল : ৰিহাৰ্চেল কিয় - নাটক আছে নিশ্চয়?

ৰূপালী : আছে, আজিয়েই।

মৃণাল : জান ৰূপালী, সৰু এদিন ডাঙৰ মানুৰ হবই হব। মাজু ক'ত ? অফিছলৈ গ'ল নেকি?

ৰূপালী : নাই - মাজুদাই আজি ছুটী লৈছে।

মৃণাল : ছুটী কিয়?

ৰূপালী : আজি মাজুদাৰ জন্মদিন।

মৃণাল : অ' হয়তো। একেবাৰেই মনত পৰা নাছিল। তেনেহলে ঠিক দিনতে

আহি পৰিছো - কি কৰ। যা চাহ লৈ আহ। পিছত এটা বস্তু দেখুৱাম।

ৰূপালী ঃ কি আগেয়ে চাও।

মৃণাল ঃ আগেয়ে ভালকৈ চাহ একাপ কৰি আন। চেনি অকণমান কম দিবি।

ৰূপালী ঃ (সংকোচেৰে) দাদা, তইতো সংসাৰৰ সকলো নিয়ম-কানুন নেজান।

মৃণাল ঃ হঠাৎ তোৰ মুখত এনে কথা কিয়?

ৰূপালী ঃ তইতো সংগ্রামী মানুহ। সেই কাৰণে মোৰ ধাৰণা হয় তইঁতে মানুহৰ ভাবৰ লগত জগতখনৰ বিষয়ে কমেই জান। কঠিন বাস্তৱ সম্পৰ্কে তইঁতে বহুত বেছি জান বুলি মই ভাবো।

মৃণাল ঃ কথাটো তই ঠিকেই কৈছ। আটাইখিনি হৃদয়েৰে উপলব্ধি কৰো সঁচা। তথাপি সকলোবোৰ কাটি কৰি থৈ আমাৰ যাত্ৰা নিৰ্দ্দিষ্ট লক্ষ্যত উপনীত নোহোৱালৈকে অন্ত নহয়। আমাৰ অনুভূতি উপলব্ধি যিমানেই কোমল, যিমানেই গাঢ় নহওক সেইবোৰে আমাক ইপ্সিত লক্ষ্যত উপনীত হোৱাত বাধাৰ সৃষ্টি নকৰে - বৰং প্ৰেৰণা যোগায় যি প্ৰেৰণাৰে অনুপ্ৰাণিত হৈ লক্ষ লক্ষ যুৱক মুক্তি সংগ্রামত জপিয়াই পৰে। লেক্‌চাৰ দিয়াৰ প্ৰবণতা মোৰ বাঢ়িছে। এইটো ভাল লক্ষণ নহয়। এতিয়া সেইবোৰ বাদ - যা চাহ লৈ আহ।

ৰূপালী ঃ তই বাহিৰত চাহ খোৱাই নাই নেকি?

মৃণাল ঃ কিয় - খাইছো তথাপি তোৰ হাতৰ চাহ কাপ নেখালে মনটো ভাল নালাগে। অ' দেউতা ক'ত?

ৰূপালী ঃ ভিতৰতে থাকিব লাগে। কিবা খাইছে।

মৃণাল ঃ তোৰ কলেজ কেইটাত?

ৰূপালী ঃ তই বহ, চাহ আনো।

মৃণাল ঃ ৰূপালী, কি হৈছে ক।

ৰূপালী ঃ দেউতাই কলেজলৈ যোৱাটো বন্ধ কৰিছে।

মৃণাল ঃ কিয়?

ৰূপালী ঃ এনেয়ে।

মৃণাল : নাই নাই। তই লেখা পঢ়া বাদ দিলে নচলিব। তই কলেজলৈ যাবই লাগিব।

ৰূপালী : ঘৰৰ মূৰব্বীজনে যিটো কথা নিবিচাৰে তাক তই জোৰেৰে কেনেকৈ কৰিবি?

মৃণাল : বাজে কথা নকবি। সকলো ফালৰ পৰাই ৰক্ষণশীলতা ভাল নহয়। সমাজ আজি কিমান আগুৱাই গৈছে, কেৱল নাই যোৱা আমাৰ এই সংসাৰখন।

ৰূপালী : দাদা, মাতটো অকণমান সৰু কৰছোন।

মৃণাল : কিয় সৰুকৈ কথা কম - এইটো দেউতাৰ অন্যায়।

ৰূপালী : নিজৰ সন্তানে বাপেকৰ ন্যায় অন্যায় বিচাৰ কৰা উচিত নহয় দাদা।

মৃণাল : দেউতা হলে যে অন্যায় নকৰে এই শিক্ষা তই ক'ৰ পৰা পালি? তাৰ বাহিৰেও তই নাজান ৰূপালী - মই মোৰ ভাই ভনীক লৈ কিমান ডাঙৰ বিপ্লৱ কৰিবলৈ বিচাৰো। আমাৰ এই সৰু সংসাৰখনৰ ৰুগ্ন আৱৰণটো শিক্ষা-সংস্কৃতিৰ নতুন পোছাকেৰে ঢাকি পেলাবলৈ বিচাৰো।

ৰূপালী : কিন্তু দাদা, তই জানো নেজান - মই মোৰ অধিকাৰৰ বহু বাহিৰত।

মৃণাল : অধিকাৰ ঠিকমতে নাপালে তাক বলপূৰ্বক ভাৱে আদায় কৰি লব লাগিব।

ৰূপালী : মইতো ছোৱালী মানুহ।

মৃণাল : ছোৱালী মানুহ কাৰণেইতো আৰু বেছিকৈ আগুৱাই যাব লাগিব।

ৰূপালী : কিন্তু দাদা - মোৰ ক্ষমতা কিমান কণ? কোনে মোক পথ দেখুৱাব? কোনে মোৰ দায়িত্ব লব?

মৃণাল : কিয়? হিমাদ্ৰীয়ে।

ৰূপালী : হিমাদ্ৰী! হিমাদ্ৰী কোন? হিমাদ্ৰীয়ে দায়িত্ব লব কিয়? তইতো মোৰ দাদা। মোক লৈ বিপ্লব কৰিব নোৱাৰ কিয়? মোক এই অন্ধ গহ্বৰৰ পৰা তুলি নিজৰ কাষত ৰাখিব নোৱাৰনে?

মৃণাল : ৰূপালী।

ৰূপালী ঃ সংসাৰৰ পৰা পলাই গৈ আৰু কিছু তত্ত্ব জ্ঞানৰ কথা কলে বিপ্লৱ নহয়। যি ঠাইত দুটা পইচাৰ বাবে মা-দেউতাৰ গলগ্ৰহ হৈ থাকিব লাগে - লৰালুৰি যি ঘৰলৈ আহি অপমানিত হৈ উভতি যাবলগীয়া হয় - যোগ্যতা থকা সত্বেও নিজক গঢ়ি তোলাৰ ক্ষমতা য'ত আনৰ হাতত - তাত খুব বেছি এখন খাৰখোৱা অসমীয়া সংসাৰ হয় - অন্য একোৱেই নহয় - তাত বিপ্লৱ নহয় দাদা।

মৃণাল ঃ ৰূপালী।

ৰূপালী ঃ মোক তই ক্ষমা কৰি দিবি দাদা।

মৃণাল ঃ নহয় অ' - তই খুব ধুনীয়া কথা কৈছ - মই পুনৰ নতুনকৈ ভাবিব লাগিব।

ৰূপালী ঃ তোৰ পৰা শিকা কথা তোকেই শুনালো। তই বহ, মই চাহ লৈ আহিছো।

(ৰূপালী গুছি যায়। মৃনালে আপোন মনে চিন্তা কৰে। অলপ পিছত ভিতৰৰ পৰা মাজু আহে)

মাজু ঃ আৰে - ডাঙৰ দা- তই কেতিয়া আহিছ?

মৃণাল ঃ অলপ আগেয়ে। তই ক'ত আছিলি?

মাজু ঃ ছুটী লৈ অলপ পলমকৈ নিদ্ৰাদেৱীৰ আৰাধনাত ব্যস্ত আছিলো। ইমান দিন ক'ত আছিলি? যি কি নহওক ভালেই হৈছে, হঠাৎ যেন উধাও হৈ নাযাবা। মনত আছেতো আজি মোৰ -

মৃণাল ঃ তোৰ জন্মদিন। ভাল দিনতেই তেনেহলে আহি পাইছো। কি কৰ'?

মাজু ঃ তাকেই কৈছো। আজি ৰাতি আমি তিনিও ভাই ককায়ে একেলগে খাম।

মৃণাল ঃ সেইটোতো খুব ভাল কথা। অফিছৰ কাম কাজ খুব মন লগাই কৰিছতো? চাবি, পুনৰ মোৰ বদ্‌নাম নকৰ যেন।

মাজু ঃ সেইটো তই মুঠেই ভাবিব নালাগে। ওল্টাই অতি সোনকালে মোৰ এটা প্ৰমোছন হ্‌ব আৰু তাৰ আনন্দতে আজি বৰ বাবু আৰু মোৰ বছ পুলকেশ সোণোৱালক আমাৰ ঘৰলৈ ডিনাৰৰ কাৰণে

নিমন্ত্ৰণ কৰিছো।

মৃণাল ঃ হয় নেকি?

মাজু ঃ হয় আকৌ। দাদা, এটা সত্য কি জান, তই এই চাকৰিটো জুটি নিদিয়া হলে কি সাংঘাতিক অৱস্থাত পৰিলোহেতেন।

মৃণাল ঃ তই যোগ্যতা অনুসাৰে কাম পাইছ। যোগাযোগটো কেৱল মই কৰি দিছো। মাত্ৰ এইকণেই।

মাজু ঃ মাৰ লগত দেখা হৈছে?

মৃণাল ঃ নাই, এইমাত্ৰ আহিলোহে।

মাজু ঃ ভিতৰত আছে। যা না।

মৃণাল ঃ তই কলৈ যাব?

মাজু ঃ ৰজতৰ লগত অকণমান কাম আছে। তাৰ পিছত পিছবেলা অলপ বজাৰলৈ যাম।

মৃণাল ঃ ৰজত। মানে দেৱদাৰু পথৰ ৰজত।

মাজু ঃ অ' সিয়েই। কিয় কছোন?

মৃণাল ঃ নাই, শুনিছো লৰাটো হেনো ভাল নহয়।

মাজু ঃ আনৰ পৰা শুনা কথাত বিশ্বাস নকৰিবি দাদা। আচলতে লৰাটো জিনিয়াছ - আমাৰ পচা সমাজত তাৰ কোনো মূল্য নাই।

মৃণাল ঃ তথাপিও - তোৰ বয়স হৈছে। কোনো কথাতে বাধা দিয়া উচিত নহয়। যা - যি ভাল বুলি ভাবিছ তাকে কৰ।

মাজু ঃ তই কি কবলৈ বিচাৰিছ, খোলাখুলিকৈ কছোন?

মৃণাল ঃ কাঁচৰ গ্লাচ হাতৰ পৰা পৰি গলে ভাঙি যায়। আজিৰ প্ৰগতিৰ যুগত সেই ভগা গ্লাচৰ টুকুৰাবোৰ হয়তো জোৰা লগাব পৰা যায়। কিন্তু ভগা জেগাৰ দাগ কেতিয়াও মচা নাযায়।

মাজু ঃ তাৰ মানে তই কবলৈ বিচাৰিছ - সমাজত যি বেয়া হৈ গৈছে তেওঁলোকক ভাল কৰাৰ চেষ্টা নকৰিম?

মৃণাল ঃ নিশ্চয়। কিন্তু ভাল কৰা সূত্ৰটো তেওঁলোকৰ হাততেই থাকে- যি সকলো ভাল বেয়া বিচাৰ কৰিব পাৰে।

মাজু ঃ তই কবলৈ বিচাৰিছ যে ভাল বেয়া বুজি পোৱাৰ ক্ষমতা মোৰ নাই?

মৃণাল ঃ সেইটো নাজানো। কিন্তু এইটো জানো - এপাচি ভাল আমৰ লগত এটা পচা আম থাকিলে আমটো ভাল নহয় বৰং ভাল আমবোৰহে পচি যায়।

মাজু ঃ তই কি কবলৈ বিচাৰিছ, মই ঠিক বুজি পোৱা নাই।

মৃণাল ঃ নিজৰ কনচাইয়েনচক সুধিলেই উত্তৰ পাবি।

মাজু ঃ কি কবলৈ বিচাৰিছ - অলপ স্পষ্টকৈ ক?

মৃণাল ঃ মোৰ কোনো আপত্তি নাই। সেইবোৰ শুনি তই ভাল নাপাবি।

মাজু ঃ পাম।

মৃণাল ঃ সদায় ৰাতি মদ খাই কেলৈ ঘৰলৈ আহ?

মাজু ঃ তইতো আজি কেইবছৰমান ঘৰত নাই। তই এই খবৰ পালি কেনেকৈ?

মৃণাল ঃ তৰ্কৰে সত্যক ঢাকিবলৈ চেষ্টা নকৰিবি। মই ঘৰৰ বাহিৰত থাকিলেও ঘৰৰ সকলো খবৰ পাই থাকো।

মাজু ঃ তই একো নেজান।

মৃণাল ঃ মই তোৰ দাদা।

মাজু ঃ ডাঙৰ মাতেৰে কথা কলেই ডাঙৰ হোৱা নাযায়।

মৃণাল ঃ কি? তাৰ মানে?

মাজু ঃ সংসাৰ সম্পৰ্কে তই উদাসীন। কোনো কৰ্ত্তব্য-দায়িত্ব নাই যাৰ, সেই ব্যক্তিয়ে ঘৰুৱা বিষয়ত জোৰকৈ মতামত দাঙি ধৰাৰ কোনো যুক্তি নাই।

মৃণাল ঃ কি? তই কি কলি? সংসাৰ সম্পৰ্কে মোৰ কোনো দায়িত্ববোধ নাই? সংসাৰ চলাবলৈ টকা দিব পৰা নাই বাবেই মই দায়িত্বহীন?

মাজু ঃ দেউতাক সহায় কৰিবলৈ ইচ্ছা কৰাহেতেন সহজেই তই এটা কৰ্মসংস্থান যোগাৰ কৰি লব পাৰিলিহেতেন।

মৃণাল ঃ হয়তো পাৰিলোহেতেন। কিন্তু সেইটো কৰাৰ আগেয়ে মোৰ কৰ্মৰ গতি অন্য ধাৰে প্ৰবাহিত হ'ল।

মাজু : তেনেহলে আৰু কি - 'স্বাধীনতাৰ' নামত বিপ্লৱ কৰি দেশ উদ্ধাৰিব খুজিছ - তাত গোবিন্দ আতৈৰ সংসাৰৰ কি উপকাৰ হ'ব?

মৃণাল : মাজু - এই সংসাৰত তয়ো সলনি হ'লি।

মাজু : মই সলনি হোৱা নাই। চিটুৱেচনে মোক সলনি কৰাইছে। কিন্তু কিয়? এই সংসাৰৰ মাজলৈ কেৱল খাবলৈ আৰু শুবলৈ আহিছো? অফিছৰ বাহিৰে বাকী সময় কেনেকৈ কাটে কব পাৰ? এক ঘেঁৰামিয়ে ঘেৰা এই সংসাৰখনে যেন দুৰন্ত এই সমাজখনক সকলো সময়তে ব্যঙ্গ কৰিছে। কোনো এটা সময়ত ময়ো অসহ্য হৈ পৰো। কিয় মই যন্ত্ৰৰ দৰে জীয়াই থাকিম কব পাৰ?

মৃণাল : (নীৰৱতা) শেষত তয়ো মোক ভুল বুজিলি মাজু?

মাজু : হঠাতেই মই যে কিহত পৰিছিলো দাদা। তই মোক ক্ষমা কৰ। (আগুৱাই গৈ উভতি আহে) মই আহো। (গাৰ কাষলৈ আহি) সৰু ভাই হিচাবে এই কথা কও দাদা। মোক ভুল নুবুজিবি। তোৰ যি চিন্তাধাৰা সি তোৰ আইডিয়াৰ জগতত সঁচা হলেও আমাৰ এই সংসাৰ গণ্ডিৰ ভিতৰত তাৰ কোনো দাম নাই। মই আহো। আজি ৰাতি আহিলে বৰ ভাল লাগিব।

(এফালেদি মাজু গুচি যায়। অন্য ফালেদি ৰূপালী চাহ লৈ সোমাই আহে।)

ৰূপালী : এই ল চাহ।

মৃণাল : (চাহ খাই) মায়ে কি কৰিছে অ'?

ৰূপালী : ৰান্ধনি ঘৰত। দেউতাৰ লগত কিবা কথা পাতি আছে।

মৃণাল : মই অহা বুলি জানেনে?

ৰূপালী : তই আহিছ বুলি মই কৈছো নহয়।

মৃণাল : মনৰ ভাৱ কেনে দেখিলি?

ৰূপালী : কেনে হব আৰু? আগৰ দৰেই।

মৃণাল : অকনো সলনি হোৱা নাই?

ৰূপালী : নাই। দাদা, তই মোক কিবা এটা দেখুৱাম বুলি কৈছিলি নহয়?

মৃণাল ঃ অ' হয়। (হাতৰ বেগটোৰ পৰা পাণ্ডুলিপি বাহিৰ কৰি) এইখন চা।
ৰূপালী ঃ কি?
মৃণাল ঃ এখন নাটক।
ৰূপালী ঃ তই আকৌ কেতিয়াৰ পৰা নাটক লিখিবলৈ লৈছ?
মৃণাল ঃ এইখনেই মোৰ প্ৰথম নাটক।
ৰূপালী ঃ ক'ত - চাও? (পাণ্ডুলিপিটো চাই) ই কি? ইয়াত মোৰ নাম কিয়?
মৃণাল ঃ ইয়াত অকল তোৰ নামেই নাই। ইয়াত ঘৰৰ সকলোৰে নাম আছে। এইখন আমাৰ ঘৰুৱা জীৱনৰ নাটক। এতিয়াও শেষ হোৱা নাই।
ৰূপালী ঃ মঞ্চস্থ কেতিয়া হব?
মৃণাল ঃ আগেয়ে শেষ কৰি লওঁ। তাৰ পিছত ৰাণাক কৈ মঞ্চস্থ কৰাম।
ৰূপালী ঃ এই নাটকৰ নায়ক কোন?
মৃণাল ঃ কছোন কোন?
ৰূপালী ঃ তই -
মৃণাল ঃ ঠিক ধৰিছ।
ৰূপালী ঃ আৰু নায়িকা?
মৃণাল ঃ কছোন।
ৰূপালী ঃ মই কেনেকৈ জানিম?
মৃণাল ঃ নায়িকা হৈছে এজনী দুষ্ট ছোৱালী নায়কৰ সংগ্ৰামী জীৱনৰ ....
ৰূপালী ঃ তাইৰ নাম কি দিছ?
মৃণাল ঃ পৰিণীতা অৰ্থাৎ ৰূপালী।
ৰূপালী ঃ কি - মই নায়িকা - চাওঁ তোৰ কলমটো দেছোন। (বলপূৰ্বক কলম কাঢ়ি লয়)
মৃণাল ঃ কলমটোৰে কি কৰিবি?
ৰূপালী ঃ চাই থাক (কলমেৰে নিজৰ অংশ কাটি দিয়ে) কেনে লাগিছে? সজাই মেলি মিছা কথাবোৰ লিখাৰ প্ৰতিফল পালি - কাটি দিছো নহয় আটাইবোৰ।
মৃণাল ঃ (গম্ভীৰ হৈ) মোৰ জীৱনৰ পৰা তোৰ কেৰেক্টাৰটো বাদ দি দিলি

ভনী?

ৰূপালী : (পৰিবৰ্ত্তন) দাদা।

মৃণাল : ভালেই হ'ল দে - মোৰ জীৱনৰ পৰা তইঁত সকলো আঁতৰি যা।

ৰূপালী : দাদা - মই ঠিক বুজি পোৱা নাই। বিশ্বাস কৰ, মই ঠিক- ঠিক কি যে কৰো।

মাক : (নেপথ্যত) ৰূপালী।

মৃণাল : মায়ে মাতিছে - যা কিয় মাতিছে গৈ আহ।

ৰূপালী : তই গুচি নাযাবি কিন্তু।

মৃণাল : নেযাও দে, পাগলী।

ৰূপালী : (চাহৰ কাপপ্লেট নিয়ে) চাহ খাই ভাল পালি?

মৃণাল : পালোতো - খুব ভাল হৈছে।

(ৰূপালী গুচি গল। অলপ সময় নীৰৱতা। পিছত বাহিৰৰ পৰা ৰাণাৰ হঠাৎ প্ৰৱেশ)

ৰাণা : (আপোনা আপুনি পাৰ্ট মুখস্থ কৰে) 'তই দাদা হলি বুলি যি খুচি তাকে কৰিবি? মই এইবোৰ মুঠেই সহ্য নকৰো। দৰকাৰ হলে মই খুনো কৰিব পাৰো - এটা, দহটা, আনকি বিশটা পৰ্য্যন্ত আৰু মোক কোনেও এই ক্ষেত্ৰত বাধা দিব নোৱাৰিব।'

(দাদাকৰ ফালে লক্ষ্য কৰে)

আৰে দাদা, ঘৰৰ কোণত আমন জিমনকৈ বহি আছ কিয়? মোক ক, কি ভাবি আছ? কিবা নতুন ফন্দি পাঙিছনে - নে কিবা হৈছে দুৰ্মতি।

মৃণাল : মূৰত কি সোমাল? এনেকৈ কি বকি আছ?

ৰাণা : পাৰ্টটো আওৰাই লৈছো। হাত চাপৰি যে যি কোনো প্ৰকাৰে পাবই লাগিব। যাওক সেইবোৰ- আহিবি বুলি জানো - কিন্তু কেতিয়া আহিবি নাজানো। খবৰ খাতি কেনে?

মৃণাল : অহাটো বহুত সময় হ'ল। মাথোন তই আহিবি বুলি বাট চাই আছো।

ৰাণা : কিয় শুবই পাৰিলিহেতেন - মই এতিয়াও মুডতেই আছো।

মৃণাল ঃ তই যে মুডত আছ, সেইটো দেখিয়েই গম পাইছো।

ৰাণা ঃ ঠাট্টা কৰিছ? শুনিবি মোৰ ডায়েলগবোৰ- "মই সংসাৰ নামানো, সমাজ নোমানো, মই চিটিকি পৰিবলৈ বিচাৰো - গোটেই সমাজখন মই জ্বলাই দিবলৈ বিচাৰো - হা-হা-হা।"

মৃণাল ঃ ৰাণা, অকণমান ক্ষান্ত হ। দেউতা, মা ভিতৰত এক চিৰিয়াচ্ আলোচনাত ব্যস্ত। ডিচৰ্ট াব হব।

ৰাণা ঃ মই নেমানো। কাকোকে নেমানো। 'দেউতা, দাদা, ভন্টি - কাকোকে' এইটোও এটা ডায়েলগ্।

মৃণাল ঃ তোক কোমল মাতেৰে কৈছো - মা দেউতাৰ সন্মুখত এনে ধৰণৰ সংলাপ নাওৰাবি। অন্যথা নিৰ্ঘাত এই কুঞ্জবনৰ পৰা তই এদিন বিতাৰিত হব লাগিব।

ৰাণা ঃ কিবোৰ যে কৱ - মোৰ এক্শ্বনত হাত চাপৰি এটা নেমাৰিলি। ইমান মুডেৰে সংলাপ গাই শুনালো - শেষ-মেছ্ ফীলিংচটোৱেই নষ্ট কৰি দিলি।

মৃণাল ঃ এতিয়া হাত চাপৰি মাৰিলে মুড্টো ঘূৰাই পাবিনে?

ৰাণা ঃ That's good. তই একেবাৰেই ফাইনেল টাচ্ছ দিব খুজিছ'।

মৃণাল ঃ সেইবোৰ বাদ। শুন-তোৰ লগত মোৰ এটা জৰুৰী কথা আছে।

ৰাণা ঃ সোনকালে ক। ভোকত পেটটো জ্বলিছে পুৰিছে। (চিঞৰি) ৰূপালী, ভাত দে। দাদা, তই খালিনে?

মৃণাল ঃ পিছত খাম।

ৰাণা ঃ নাই নাই, একে লগেই খাম।

(ৰূপালীৰ প্ৰৱেশ)

ৰূপালী ঃ সৰু দা, গা নোধোৱাকৈয়ে ভাত খাবিনে?

ৰাণা ঃ গা অলপ পিছত ধুম -মুৰত চেম্পু কৰিব লাগিব নহয়।

মৃণাল ঃ (মুখ ভেঙুচালি কৰি) এয়া দেখিলি।

ৰাণা ঃ (অনুৰূপ ভেঙুচালিৰে) এইয়া দেখিলি - এই লেড়কী। ভাত ইয়াতেই দে। আমাৰ দুজনক একে লগে দিবি।

মৃণাল ঃ নহয় অ' মই এতিয়া নাখাও।

ৰাণা ঃ কিয়?

মৃণাল ঃ মোৰ এজন বন্ধুৰ ঘৰত নিমন্ত্ৰণ আছে।

ৰাণা ঃ ইয়াত অন্ততঃ তাকৰকৈ খা। (ৰূপালীক) কি অ'এইজনী আঁকৰীৰ দৰে বৈ আছ কিয়? যা।

(ৰূপালী যাব খোজে)

মৃণাল ঃ ৰূপা শুন। এখন থালতে লৈ আহ। মই তাৰ থালৰ পৰাই এগৰা খাই লম।

ৰূপালী ঃ ঠিক আছে। (ৰূপালীৰ - প্ৰস্থান)

মৃণাল ঃ ৰাণা, মই তোক যিমান ভাল পাৰ, তোৰ পৰা ঠিক দুগুণ ৰিটাৰ্ণ পোৱাটো মই বিচাৰো।

ৰাণা ঃ তোৰ আদৰ্শত ময়ো উদ্বুদ্ধ। বেকাৰৰ জ্বালাতনে অকণমান শিক্ষা দিছে। আঘাত আহিলেও মই ভাঙি নপৰো। সকলোবোৰ লক্ষ্যস্থল নোপোৱালৈকে নীৰৱে সহ্য কৰি যাম।

মৃণাল ঃ নোৱাৰ ৰাণা। হাৰ তই স্বীকাৰ কৰিবই লাগিব।

ৰাণা ঃ পৰাজয় কেতিয়াও স্বীকাৰ নকৰো। চেলেঞ্জ।

মৃণাল ঃ চেলেঞ্জ accepted.

(মাজু আহে বাহিৰৰ পৰা)

মাজু ঃ কিহৰ চেলেঞ্জ অ'।

ৰাণা ঃ এইবোৰ ডাঙৰদা আৰু মোৰ মাজৰ কথা। তই মাজত নোসোমোৱাই ভাল।

মাজু ঃ ঠিক আছে। নোসোমাও দে। পিছে তহঁতে খোৱাবোৱা কৰিলিনে নাই?

ৰাণা ঃ ভাতৰ অৰ্ডাৰ দিছো। পিছে আমি ইয়াতে খাম।

মাজু ঃ তহঁতে যদি ইয়াত খাব, মই অকলে ভিতৰত খাম কিয়? (ৰূপালীক চিঞৰি) ৰূপালী, মোলৈকো ভাত আনিবি। ময়ো ইহঁতৰ লগতে একেলগে খাম। (কথাখিনি শেষ হোৱাৰ আগেয়েই গোবিন্দ

আতৈয়ে ভিতৰৰ পৰা প্ৰৱেশ কৰে)

গোবিন্দ ঃ তহঁত চাৰিওটাৰ মাজত কিহৰ আড্ডা চলিছে। মই একো শুনা নাই বুলি ভাবিছ নেকি? এইটো ধৰমশালা বুলি ভাবিছনে - থিয়েটাৰ হল বুলি ভাবিছ? এইয়া কিহৰ ফুৰ্ত্তি - কিহৰ হৈ-হাল্লা? মই নিঃসঙ্গ হৈ অনাই বনাই ঘূৰি ফুৰিছো - তালৈ তহঁতৰ খেয়াল নাই। (ৰূপালী ইতিমধ্যে হাতত ভাতৰ থাল লৈ ওলাই আহি চেণ্টাৰ টেবুলৰ ওপৰত থৈ গোবিন্দ আতৈৰ ফালে আগবাঢ়ি যায়)

ৰূপালী ঃ দেউতা।

গোবিন্দ ঃ (ডাবি দি) চুপ, চব্ কথাতে কিয় মাত মাতিবলৈ আহ।

ৰূপালী ঃ দেউতা।

গোবিন্দ ঃ চুপ থাক্ ষ্টুপিড্। এই খন হোটেল ঘৰ নহয়। এইটো গোবিন্দ আতৈৰ ঘৰ। ইয়াত নিয়ম-কানুন ৰীতি-নিয়ম মানি চলা হয়। (ৰূপালীক) ভাতৰ কাঁহী ভিতৰলৈ লৈ যা। কাৰবাৰ ভোক লাগিলে তাত খাবগৈ।

মৃণাল ঃ ৰূপালী - ভাতৰ থালিখন ভিতৰলৈ লৈ যা। মোৰ অন্যায় হৈছে। মই আৰু এইখন ঘৰলৈ কেতিয়াও নাহো। এতিয়া যাও দে।

ৰূপালী ঃ দাদা, তোৰ ভৰিত ধৰিছো। বঢ়া ভাত কেইটা খাই যা।

গোবিন্দ ঃ আকৌ পেন্‌পেননি আৰম্ভ কৰিছ। হেৰা শুনিছানে? বেগাই আহাছোন। (মাকৰ প্ৰৱেশ)

মাক ঃ মানুহটো ভিতৰৰ পৰা ওলায়েই চিঞৰ-বাখৰ খন আৰম্ভ কৰি দিছে। কিনো হ'ল আকৌ?

গোবিন্দ ঃ দেখিছানে নাই - এইবোৰ কি? এইটো কিবা হোটেল ঘৰ নেকি?

মাক ঃ মই এইবোৰ দেখিয়েইতো ভিতৰত নিজৰ কাম কৰি আছিলো।

মৃণাল ঃ মই যাও। (যাব খোজে)

ৰাণা ঃ (গম্ভীৰ হৈ) তই নাযাবি ডাঙৰদা।

গোবিন্দ ঃ কিয় নাযাব?

ৰাণা : দেউতা, তুমি কি কৈছা তাক তুমি নিজেই নাজানা। তোমাৰ মগজে আজি কাম কৰা নাই।

গোবিন্দ : কি মোৰ মগজ বেয়া হৈ গৈছে? যা- বাহিৰ হৈ যা। কোনো থাকিব নালাগে। মই ধৰ্ম-কৰ্ম কৰা মানুহ। এনে মেলেছৰ মাজত মই থাকিব নোৱাৰো।

(মৃণাল যাবলৈ উদ্যত হয়)

ৰাণা : নাযাবি ডাঙৰদা।

গোবিন্দ : দুইটাকে বাহিৰ কৰি দিম।

ৰাণা : বাহিৰ হৈ যাম দেউতা। কিন্তু তাৰ আগেয়ে এটা হেস্ত-নেস্ত কৰিহে এৰিম।

ৰূপালী : সৰু দা। অকণমান মনে মনে থাক। দেউতা, তুমি ভিতৰলৈ যোৱা। মা, দেউতাক লৈ যোৱা।

মাক : আপুনি ভিতৰলৈ বলক। কিয় মূৰটো গৰম কৰিছে? বলক। (গাত হাত দিয়ে)

গোবিন্দ : কৈছো নহয়, খং উঠিলে গাত হাত নিদিবা।

মাক : আঃ। বলকছোন ভিতৰলৈ (জোৰেৰে টানে)

গোবিন্দ : মোক কিবা চেঙেলীয়া লৰা বুলি ভাবিছা নেকি - গাৰ পৰা হাত এৰি দিয়া। (হাত এৰি দিয়ে) মই অকলৈয়ে যাব পাৰিম।

(গোবিন্দ আতৈ গজগজীয়া খোজেৰে ভিতৰলৈ গুছি গ'ল)

মাক : (ৰূপালীক) বাকী কেইখন ভাতৰ কাঁহী লৈ আহগৈ। ইহঁত কেইটাই একেলগে খাই লওক।

ৰাণা : আমি এটায়ো এইখন ঘৰত ভাত নেখাও।

মাক : মই কোৱা মানুহ কলো। যি ভাল দেখ তাকেই কৰিবি। (ভিতৰলৈ চায়)

ৰাণা : ৰবি মা। ডাঙৰদাক তইঁতে কিয় ভাল নাপাৱ কব পাৰ?

মাক : মই কি কৰিম - তোৰ দেউতাৰে যি কয়।

ৰাণা : তই আমাৰ মা। তোৰ মতামত আমি জানিব খোজো।

মাক ঃ মই যাৰ ওপৰত ভাৰসা কৰো তেওঁৰ বাহিৰে মই একোৱেই নেজানো।

ৰাণা ঃ কোন তেওঁ? আমি ডাঙৰ হৈছো। আমাৰ ওপৰত ভাৰসা কৰিব নোৱাৰ?

মাক ঃ কেনেকৈ কৰো ক? মৃণালে বাপেৰক সহায় নকৰে। মাজু অত্যন্ত খেয়ালী। আনৰ কথা চিন্তা কৰিবৰ তাৰ সময় নাই। তই নাটক লৈয়ে ব্যস্ত থাক। মই কাৰ ওপৰত ভাৰসা কৰো ক - মোৰ আৰু কাম আছে।

গোবিন্দ ঃ (নেপথ্যত চিঞৰ) কি কৰি আছাহে - বোলো ভিতৰলৈ নাহা কিয়?

মাক ঃ গৈছো। (গুছি গল)

ৰাণা ঃ (মাজুক) মাজুদা তই কিবা ক।

মাজু ঃ মই মোৰ সীমাৰ বাহিৰলৈ যাবলৈ বিচৰা নাই।

ৰাণা ঃ ৰূপালী?

ৰূপালী ঃ তহঁত সকলো নিজৰ স্থিতিত অটল।

ৰাণা ঃ ডাঙৰদা?

মৃণাল ঃ তহঁতৰ মঙ্গল হওক।

ৰাণা ঃ বছ এয়ে, আৰু কবলগীয়া একো নাই?

মৃণাল ঃ নাই, ব্ৰাদাৰ, চেলেঞ্জত তই হাৰি গলি।

ৰাণা ঃ নাই, হৰা নাই, মই উদ্ভাসিত হৈ উঠিছো।

মৃণাল ঃ মা-দেউতাৰ ওচৰত ব্যক্তিত্বৰ অহংকাৰ?

ৰাণা ঃ কিন্তু এটা বিৰাট অন্যায় হৈছে।

মৃণাল ঃ দেউতাৰ নিয়মত হয়তো এইটোৱেই ঠিক। যাও।

ৰাণা ঃ আজি ৰাতিলৈ - মাজুদা নকৰ কিয়?

মাজু ঃ মাতিবৰ কাৰণে সৎ সাহস গোটাব পৰা নাই।

মৃণাল ঃ মই আহিম। তহঁতে চিন্তা নকৰিবি।

ৰূপালী ঃ ইমানখিনি হৈ যোৱাৰ পিছতো আহিবি?

মৃণাল ঃ ও-মই আহিবই লাগিব।

(মৃণাল গুচি যায়)

ৰাণা : মোৰ সকলোবোৰ খেলিমেলি হৈ গৈছে।

মাজু : আমাৰ সংসাৰখন যে এইদৰে ওলোটা হৈ গল তাকতো ভাবিবই পৰা নাছিলো।

ৰূপালী : তইঁত সকলো এটা এটা মত্‌লবী - স্বাৰ্থপৰ। (ৰূপালী কান্দোনত ভাগি পৰে)

(লাহে লাহে পোহৰ সলনি হয়। সময় সন্ধ্যা শেষ হওঁ হওঁ। কোঠাটো আগতকৈ পৰিছন্ন। মঞ্চ শূন্য। কিছু সময়ৰ পিছত ভিতৰৰ পৰা ৰূপালী সোমাই আহে। তাইক অনুসৰণ কৰে মাজুয়ে। ৰূপালী অভিমানত ক্ষুব্ধ। মাজুয়ে ৰূপালীক বুজাবৰ চেষ্টা কৰা দেখা যায়)

মাজু : ৰূপালী মোৰ আদৰৰ ভণ্টীজনী। শুন, মোৰ কথাটো। শুনি ল।

ৰূপালী : কিয় শুনিম? তইঁতে মোক যেতিয়াই তেতিয়াই যা-তা কথা কবি, তাক মই সহ্য কৰো কেনেকৈ?

মাজু : আজিৰ দিনত তই যদি মোৰ ওপৰত বিৰূপ মনোভাৱ লৱ - তেনেহলে কলৈ যাও ক? আজি মোৰ বছ্‌ আহিব। ইয়াৰ ওপৰতেই মোৰ ভবিষ্যৎ নিৰ্ভৰ কৰিছে। ৰাণা গ'ল অভিনয়লৈ। তেওঁলোকৰ লগত দুআষাৰ মিঠা কথা কোনে কব ক? ইয়াৰ উপৰিও তেওঁলোক এদিনেই আহিব। এনে স্থলত নিজৰ ঘৰৰ অশান্তিৰ কথা তেওঁলোকৰ কাণত পেলাও কিয়? ইয়াৰ বাহিৰেও সেইটো জানো ভাল দেখাব?

ৰূপালী : মই কি কৰিব লাগিব?

মাজু : খাবলৈ দিবি - আপ্যায়িত কৰিবি - দুটা মিঠা কথা - মানে অকণমান স্বাভাৱিক হবি, বছ্‌ তিমানেই।

ৰূপালী : এটা চৰ্ত্ত আছে।

মাজু : ক?

ৰূপালী : তোৰ বচ্‌ক কৈ মোক এটা চাকৰি দিয়াব লাগিব।

মাজু : (হাঁহি) অ - এই কথা। হঠাতে চাকৰিৰ বাবে ইমান হেপাহ কিয়?

ৰূপালী : মোক মোৰ স্বাধীনতা লাগে।

মাজু : কিন্তু এইটো জানো ঠিক হব?

ৰূপালী : বিয়া দিব নোৱাৰিব, খাবলৈ দিব নোৱাৰিব, লেখা পঢ়াত আপত্তি। তাতকৈ চাকৰি কৰি সময় কটাব পৰা যাব। তাৰ উপৰি, আজি কালি বহুতো ছোৱালীয়ে চাকৰি কৰে বা চাকৰি কৰাটো প্ৰি'ফাৰ কৰে।

মাজু : দেউতাৰ সম্পৰ্কে এনে বেয়া ধাৰণা ভাল নহয় জান?

ৰূপালী : মা-দেউতা সম্পৰ্কে মোৰ কোনো বেয়া ধাৰণা নাই। মই তেওঁলোকৰ মানসিক অৱস্থাৰ কথা কৈছো। সেইটো নহলে - তইঁততো পুৰুষ মানুহ - সকলো সময়তে তইঁতক বাহিৰ কৰি দিয়াৰ এই প্ৰৱণতা কিয়? ডাঙৰদা ইমান ভাল মানুহ, দেউতাৰ যে টকাৰ অভাৱ এই কথা কব নোৱাৰি। তই মোটামুটি ভাল চাকৰি কৰিছ বুলিয়েই কব লাগিব। ডাঙৰ দা আৰু সৰুদাই এইখন ঘৰত উপযুক্ত মৰ্যাদা নাপায়। টকা পইচা উপাৰ্জ্জন কৰিলেই এই সংসাৰত মৰ্যাদা পোৱা যায়। কি ধৰণৰ এটা অদ্ভুত ধাৰণা।

মাজু : দেউতাই খুব কষ্ট কৰি এই অৱস্থা পাইছে কাৰণেই তেওঁ অতিৰিক্ত পইচা খৰচ কৰিবলৈ দ্বিধাবোধ কৰে। আৰু তোক যে বাহিৰ কৰি দিয়াৰ কথা কৈছে সেইটো খঙত কোৱা কথা। আচলতে আমাৰ পঢ়া শুনাত বহুখিনি টকা পইচা খৰচ কৰিলেতো সেয়ে। সেইমতে উপাৰ্জ্জনৰ বাট মুকলি নহল। তাতে মগজটো অনবৰত গৰম হৈ থাকে।

ৰূপালী : দেউতাই প্ৰায়েই সেই কথা কয়। ইয়াৰ বাহিৰেও মোৰ মনৰ অৱস্থা আজি কালি ভাল নহয়।

মাজু : অকল তোৰেই নহয়, সকলোৰে। মোলৈকে নাচাব কিয়? চাকৰিৰ প্ৰ'মোছনৰ কথা বিবেচনা কৰিয়েই মা-দেউতাই কেনেকৈ নিজকে সজাবলৈ লাগি গৈছে। ইপিনে কুৰুক্ষেত্ৰ যুদ্ধ হৈ গ'ল - যা, হাতমুখ ধুই অলপ ফ্ৰে'ছ হৈ ল গৈ।

ৰূপালী : তেখেতসকল কেতিয়া আহিব?

মাজু ঃ সময়তো হৈ গৈছে - তই যা প্লিজ্।

ৰূপালী ঃ মোৰ চৰ্ত্তটো মনত থাকে যেন।

মাজু ঃ (হাঁহি) অৱস্থা বুজি ব্যৱস্থা লোৱা হব। মই অকণমান সেই ৰাস্তাৰ চুকটোত অপেক্ষা কৰিছো। (মাজু গুছি যায়। ৰূপালীৰো প্ৰস্থান। গোবিন্দ আৰু মাকৰ প্ৰবেশ)

গোবিন্দ ঃ আজি আমাৰ কম সৌভাগ্যৰ কথা নে! ভাবী জোৱাই আহিছে। মাজুৰ অফিছৰ বৰ চাহাব আহিছে। (খিড়িকিৰ ফালে লক্ষ্য কৰি) বোলো হেৰা। খিড়িকিৰ পৰ্দাবিলাক অলপ দামী হোৱাহেতেন ভাল নহলহেতেন নে?

মাক ঃ নতুন পৰ্দানো কিনিলে কেতিয়া?

গোবিন্দ ঃ আ - হা চৌব্বিশ ঘণ্টা পইচা খৰচ কৰোৱাৰ চিন্তা কৰিয়েই থাকা। মই কব খুজিছো - কাৰোবাৰ ঘৰৰ পৰা অলপ সময়ৰ কাৰণে আনিব পৰা নগলহেতেন নে?

মাক ঃ সেইবিলাক আলসত চাংপতা কথা বাদ দিয়ক। দুখীয়াৰ ঘৰ এনেকুৱাই হয়। দুখীয়া দেখিলেইতো দৰমহা বাঢ়িব - নহয় জানো?

গোবিন্দ ঃ (আনন্দত) হয়তো। তোমাৰ আজি কালি চিন্তা শক্তি আৰু লগে লগে বুদ্ধিও বাঢ়িছে।

মাক ঃ আপোনাৰ পালাত যি পৰিব তাৰ মূৰত নতুন বুদ্ধি নোসোমাবইবা কেনেকৈ?

গোবিন্দ ঃ (মুখৰ ফালে চাই) ইছ্ মুখখন কিবা তেলীয়া তেলীয়া যেন লাগিছে আৰু অলপ হিমানী পাওদাৰ ডাঠকৈ ঘঁহিব নোৱাৰিলা?

মাক ঃ নেসানিলেহে পাৰিছো। আপোনাৰ দেখিছো বুঢ়া বসয়ত পৰকিতি লৰিছে। বেছিকৈ হিমানী পাওদাৰ ঘঁহিলে লৰা ছোৱালীহঁতে কি বুলিব?

গোবিন্দ ঃ সিহঁতৰ দাঁত গজা নাই। তোমাক দেখি হঁহা-হহি কৰিববলৈ।

মাক ঃ আ - হা আপোনাৰ হৈছে কি? (লাজত আগুৱাই গৈ) মই যাও।

গোবিন্দ ঃ আহা - ৰোৱা না।

মাক ঃ কিয় ?

গোবিন্দ ঃ তোমাক অকণমান চাওঁ।

মাক ঃ হু-ৰস একেবাৰে উতলি পৰিছে। এতিয়া মাজু আহি ওলাওকহি ?

গোবিন্দ ঃ মাজু ৰাস্তাৰ মূৰত। বোধকৰো চাহাবৰ কাৰণে অপেক্ষা কৰিছে।

মাক ঃ কেতিয়া আহিব ?

গোবিন্দ ঃ গাড়ীৰ হৰ্ণ বাজিব আগেয়ে।

মাক ঃ মটৰ গাড়ীত আহিবনে কি ?

গোবিন্দ ঃ মটৰ গাড়ীত নহয়। কাৰত। এম্বচেদৰ কাৰত। কিন্তু ৰাণা ক'ত ? সি থিয়েটাৰলৈ গ'ল হবলা।

মাক ঃ আজি তাক আৰু একো নকব। ঘৰলৈ অতিথি আহিব।

গোবিন্দ ঃ সেইবোৰ মোক বুজাব নেলাগে। মই সকলো বুজি পাও। আচলতে পইচাটো সকলোৰে মূল হলেও - বাহিৰা মানুহৰ আগত কালচাৰৰ ছবিখন দাঙি ধৰিব লাগে। মই - মানে হলো কি - নামঘৰত আতৈ - মুখ্য নামলগোৱা - কিন্তু হাজাৰ হলেও মোৰ লৰা বিলাতী কোম্পানীৰ উচ্চ খাপৰ কেৰাণী। সেয়ে এই ঘৰৰ কালচাৰক চাহাবসকলৰ চকুত ভালকৈ দেখুৱাটোৱেই আচল কথা। আৰু সেইটো আচলেই হওক বা নকলেই হওক তাত কোনো কথা নাই।

মাক ঃ (আহ্লাদত) আপোনাৰ মগজে ইমানবোৰ কথা ঢুকি পায়।

গোবিন্দ ঃ ঢুকি নেপালে নামঘৰৰ এজন নামলগোৱা হৈ দুটা পইচাৰ মুখ দেখিছো কেনেকৈ ? এশ টকাত প্ৰথমে মই নামঘৰৰ কামত সোমাইছিলো। সেই কামতেই দোপদ দোপে উন্নতি কৰি আজি মই নামঘৰৰ পৰাই দৰমহা হিচাবে পাঁচ হাজাৰ টকা পাও। দৰমহাৰ উপৰিও ডাঙৰ মানুহৰ ঘৰত নাম গাই, ভাগৱত পাঠ কৰি মাহিলী গড়ে আৰু পাঁচ হাজাৰ টকা উপাৰ্জ্জন কৰো। মোৰ গলৰ আৱাজ বোলে বৰ মিঠা। মই গোৱা নামৰ সুৰত ভক্তবৃন্দই আপ্লুত হৈ তেৰাসবে স্বয়ং ভগৱান শ্ৰীকৃষ্ণক সোঁশৰীৰে থাপনাত থিতাপী লোৱা প্ৰত্যক্ষ কৰে বুলি দাবী কৰে।

(অলপ ৰৈ) এইবোৰ কথাৰ অন্ত নাই। কিমান শুনিবা। কিমান দেখিবা। সকলো (ওপৰলৈ দেখুৱাই) তেৰাৰ মহিমা। আমি নিমিত্তহে মাত্ৰ।

মাক : এতিয়া এনেকৈ ইয়াত কথা চোবাই থাকিলে নহব। অকণমান ৰান্ধনি ঘৰলৈকে বলকছোন। খোৱা বস্তুবোৰৰ পাক-পানীবোৰকে চাই দিব।

গোবিন্দ : কথাটো ঠিকেই কৈছা - বলা।
(ক্ষিপ্ৰ গতিৰে নিজ ভাবাবেগত বিভোৰ হৈ ৰাণা বাহিৰৰ পৰা আহে। হাতত পুৰস্কাৰ। বাপেকক দেখি ৰৈ যায়। দ্ৰুত গতিত অৰ্ন্তদ্ধান হয়)

গোবিন্দ : লৰাটো থিতাতে কত পলাল?

মাক : আপোনাক দেখি ভয় খাই পলাইছে ছাগৈ - আপুনি গুছি নাহে কিয়?

গোবিন্দ : তুমি যোৱাছোন, মই গৈ আছো।

মাক : আপোনাক হাত যোৰ কৰিছো, আজিৰ দিনটো -

গোবিন্দ : ৰূপাৰ মাক, মোক ইমান কেঁচা বুলি নেভাবিবা। এক্‌টিং ময়ো একালত কৰিছিলো। মনত নাই - সেই শিশুপাল বধ নাট - মই দূতৰ ভাও লৈছিলো। আৰু তাকে দেখিয়েইতো তোমাৰ লগত মোৰ মানে হেৰিটো বেছি হ'ল।

মাক : সেইবোৰ আৰু পেৰিব নালাগে। খৰধৰকৈ ভিতৰলৈ আহিব কিন্তু।
(মাক ভিতৰলৈ গুছি গ'ল। গোবিন্দ থিয় হৈ থাকিল। পিছত ৰাণা সন্তৰ্পণে প্ৰৱেশ কৰে)

গোবিন্দ : ইমান সময় ক'ত আছিলি?

ৰাণা : (স্বগত) মিছা কমনে, সঁচা কম। (প্ৰকাশ্যে) নাই, ইয়াতে আছিলো - মানে সেই তাত।

গোবিন্দ : তাত মানে ক'ত?

ৰাণা : তাত মানে ইয়াত নহয়- মানে সেই তাত - সেই তাত।

গোবিন্দ ঃ (ধম্‌কি দি) মনে মনে থাক।
ৰাণা ঃ ঠিক আছে।
গোবিন্দ ঃ ক'ত আছিলি সঁচা কথা ক।
ৰাণা ঃ থিয়েটাৰত।
গোবিন্দ ঃ চাবলৈ নে কৰিবলৈ?
ৰাণা ঃ (তপ্‌কৰে) চাবলৈ।
গোবিন্দ ঃ চাবলৈ?
ৰাণা ঃ আৰু কি কৰিবলৈ।
গোবিন্দ ঃ মই জানো থিয়েটাৰ কৰিবলৈ গৈছিলি।
ৰাণা ঃ জানেই যদি প্ৰশ্ন কৰিছে কিয়?
গোবিন্দ ঃ প্ৰমান চালো। থিয়েটাৰ কৰিবলৈ গৈ তোৰ মূৰটো আছেনে গৈছে?
ৰাণা ঃ অঃ।
গোবিন্দ ঃ অঃ - সেইটো মানে কি?
ৰাণা ঃ একো নহয় - এনেয়ে।
গোবিন্দ ঃ থিয়েটাৰ এটা শিল্প - মানে আৰ্ট, বুজিছ?
ৰাণা ঃ (স্বগত) কি বিপদ।
গোবিন্দ ঃ থিয়েটাৰ ডাঙৰ ডাঙৰ শিল্পীয়ে কৰে - ইয়াৰ কাৰণে সাধনাৰ প্ৰয়োজন।
ৰাণা ঃ কিহত আহি পতিত হলো ভগৱান।
গোবিন্দ ঃ মোৰ ধাৰণা মতে অভিনয় কৰিবলৈ গলে যি যি বস্তুৰ দৰকাৰ - সেইবোৰ সকলোৰে মাজত নাথাকে।
ৰাণা ঃ ঠিকেই কৈছে।
গোবিন্দ ঃ তেনেহলে তই থিয়েটাৰ কৰ কিয়?
ৰাণা ঃ কিয় কৰো মানে? মোৰতো সকলো আছে।
গোবিন্দ ঃ নাই, একো নাই। হাতত সেইটো কি?
ৰাণা ঃ পুৰস্কাৰ।
গোবিন্দ ঃ পুৰস্কাৰ। ছিঃ সেইটো পেলাই দে।

ৰাণা : কি কথা কৈছে?

গোবিন্দ : কিহ্‌ৰ পুৰস্কাৰ?

ৰাণা : অভিনয়ৰ - মানে শ্ৰেষ্ঠ অভিনেতা।

গোবিন্দ : তই শ্ৰেষ্ঠ অভিনেতা। নাই - সকলো খাই পেলাইছে।

ৰাণা : কি খাইছে? কোনে খাইছে?

গোবিন্দ : সিহঁতবোৰে - তোৰ মূৰটো খাইছে।

মাক : (ভিতৰৰ পৰা) মুৰিঘণ্টাখন পাগত উঠিছেনে নাই - অলপ চেলেকি চাওকহিছোন।

গোবিন্দ : গৈছো। আগেয়ে মাছৰ মূৰ চাই আহো - তাৰ পিছত তোৰ মূৰ ঠিক কৰিম। (প্ৰস্থান। ৰাণাই দীৰ্ঘশ্বাস পেলায়)

ৰাণা : এইটো গৰমকালনে শীতকাল? শীতকাল বুলিয়েইতো ধাৰণা হৈছে - তেনেহলে গাত ইমান ঘাম কিয়? (চিঞৰি) ৰূপা।

ৰূপালী : (নেপথ্যত) গৈছো।

ৰাণা : তুৰন্তে আহ। (ঘনাই ঘনাই উশাহ লয়। ৰূপালীৰ প্ৰবেশ)

ৰূপালী : (উধাতু খাই আহে) কি হ'ল সৰুদা?

ৰাণা : এগিলাচ ঠাণ্ডা পানী।

ৰূপালী : কিয়, কি হৈছে?

ৰাণা : মৰি গৈছো।

ৰূপালী : নিজে পানী লৈ খাব নোৱাৰ?

ৰাণা : পাৰিলেনো তোক মাতোনে? দেখা নাই নাৰ্ভ চিষ্টেমে কি দ্ৰুত গতিত কাম কৰিছে।

ৰূপালী : (পানী দিয়ে) এই ল।

ৰাণা : (পানী খায়) থেংক ইউ। এই ঘৰখনত দেখিছো সকলোবোৰ সলনি হৈ গৈছে - তয়োতো ৰাণী হোৱাৰ পথত ভৰি দিছ।

ৰূপালী : দিয়া নাই। দিম। ফাইনেল touch দি লও। (ওঁঠত লিপ্‌ষ্টিক লগাবলৈ ধৰে)

ৰাণা : তয়ো পাগল হৈ গলিনে কি?

ৰূপালী : (খুবকৈ হাঁহে) তই ঠিকেই ধৰিছ সৰুদা। এইখন ঘৰত সকলো পাগল হৈ গৈছে। ভিতৰলৈ গৈ চাই আহ বুঢ়া-বুঢ়ীয়ে কেনেকৈ নিজকে সজাইছে - হি-হি-হি।

ৰাণা : হয় দে। মই হে কিবা বুদ্ধুৰ দৰে মাজতে ওলমি আছো। মইতো এইবোৰ একোৱেই বুজি পোৱা নাই।

ৰূপালী : দেউতা আজি বৰ চচিয়েল হৈ পৰিছে।

ৰাণা : সেই কাৰণেই বুঢ়াৰ আজি এনে নিষ্ঠুৰ আচৰণ।

ৰূপালী : নহব কিয়? (ক্ষোভেৰে) মাজুদাৰ যে প্ৰমোছন হব।

ৰাণা : অ' - সেই কাৰণেই দেউতাই ওল্টা-পোল্টা বকিছিল?

ৰূপালী : তোৰ হাতত সেইটো কি অ' সৰুদা?

ৰাণা : পুৰস্কাৰ।

ৰূপালী : ক'ত - চাও- মোক চাবলৈ দেছোন (চায়) বাঃ চমৎকাৰ। (চিঞৰি) মা-দেউতা, দৌৰি আহা- চোৱাহিছোন সৰুদাই কেনেকৈ পুৰস্কাৰ এটা -

ৰাণা : ৰূপা! কি হৈছে তোৰ? মনে মনে থাক।

ৰূপালী : কিয় - তোৰ কথা মই নুশুনো - মই আৰু চিঞৰিম - আনন্দত উদ্বাউল হৈ নাচিবৰ মন গৈছে সৰুদা।

ৰাণা : (ধম্‌কি দি) ৰূপা।

ৰূপালী : (ভয় খাই) সৰুদা।

ৰাণা : চিঞৰ বাখৰ কৰিছ কিয়?

ৰূপালী : (কোমল মাতেৰে) মোৰ ভুল হৈছে সৰুদা। তোৰ সাফল্যত মোৰ মনটো কেনেকুৱা যে লাগিছিল - সেয়ে নিজকে চম্ভালিব পৰা নাছিলো।

ৰাণা : তইতো জান' মোৰ সাফল্যত এইখন ঘৰত কোনো সুখী হব নোৱাৰে।

ৰূপালী : কিন্তু মই হও, ডাঙৰ দাও।

ৰাণা : মই জানো।

ৰূপালী : তেনেহলে?

ৰাণা : আমাৰ সংসাৰত সাফল্যৰ কোনো মূল্য নাই। অৰ্থনৈতিক বৈভৱে ইয়াত সকলো সময়তে আনন্দক ব্যঙ্গ কৰে।

ৰূপালী : ঠিক কৈছ সৰুদা। ইয়াৰ আনন্দ প্ৰকাশ কৰাৰ এটা সূক্ষ্ম দগাপাল্লা আছে। সেই দগাপাল্লাৰ এফালে টকাৰ ওজন, আন ফালে আনন্দ। ওজনত আনন্দ বেছি হলে স্বাভাৱিক জীৱন স্তব্ধ আৰু টকা বেছি হলে এক অস্বাভাৱিক উচ্ছাস প্ৰকাশ। হিচাপ ইয়াত ঠিক থাকে। এটা তিলৰো ইফাল সিফাল হবৰ উপায় নাই।

ৰাণা : ইমান জানিও আজি এইদৰে নিজকে সজাইছ কিয়?

ৰূপালী : দগাপাল্লাৰ ওজন ঠিক ৰখাৰ বাবে। (প্ৰসঙ্গ সলাই) তই বহ, মই এইমাত্ৰ আহিছো।

ৰাণা : ডাঙৰদা অহা নাই?

ৰূপালী : নাই।

ৰাণা : এইটো থ'। মই অলপমান হিমাদ্ৰীৰ ঘৰৰ পৰা ঘূৰি আহো। ভাব হৈছে ডাঙৰদা তাতেই আছে। যাও, পাও যদি ধৰি লৈ আহো।

ৰূপালী : সি আহিলে যদি কিবা গণ্ডগোল হয়?

ৰাণা : পাগল হৈছ নেকি? এই ঘৰখন আজি এনেভাৱে সজোৱা হৈছে যে ৰাতিটোৰ ভিতৰতে কইনাহে উলিয়াই দিয়া হব। সেয়ে ৰাতিপুৱাৰ আগেয়েই আজি আমি তিনিজন ককাই-ভাই এখন ঠাইতেই লগালগি হম।

ৰূপালী : (হাঁহে। প্ৰসঙ্গ সলনি কৰি) এই সৰুদা, শুন।

ৰাণা : কি ক?

ৰূপালী : পুৰস্কাৰ এবাৰ বৰ্ণালীক দেখুৱাই আন।

ৰাণা : (গম্ভীৰ হৈ) বৰ্ণালী নাই।

ৰূপালী : মানে।

ৰাণা : আজি ৰাতি ৮ টা ৩০ মিনিটৰ গাড়ীত দিল্লীৰ অসম ভৱনত চাকৰি কৰা বাপেকৰ ওচৰলৈ গুচি গৈছে।

ৰূপালী ঃ সেইটো কেনেকৈ হ'ব পাৰে? তোৰ নাটক চোৱা নাই?

ৰাণা ঃ চাইছে অলপমান। খবৰ পাইছিলো - মোৰ মৃত্যুৰ আগেয়েই তাই পলাইছে। মৃত্যুৰ পিছত নিজে গৈ বিচাৰিলো, কিন্তু চিটত বৰ্ণালী নাই।

ৰূপালী ঃ ভেৰী চেদ।

ৰাণা ঃ একেবাৰে মৰ্মান্তিক চেদ্।

ৰূপালী ঃ দুখ নকৰিবি - যি যাবলগীয়া আছে সি যাবই।

ৰাণা ঃ তই মোক এইদৰেই সান্ত্বনা নিদিবি?

ৰূপালী ঃ আৰু কেনেকৈ দিব লাগে?

ৰাণা ঃ ঠিক আছে - তেনেকৈয়ে হ'ব বাৰু। মই অলপ আহো।

ৰূপালী ঃ সোনকালেই উভতিবি।

ৰাণা ঃ আহিম দে।

(ৰাণা গুছি যায়। ৰূপালী ভিতৰলৈ সোমাই গ'ল। মাক-দেউতাকে ভিতৰৰ পৰা প্ৰবেশ কৰে)

গোবিন্দ ঃ মুৰিঘণ্ট খন বৰ বেয়া হোৱা নাই দিয়া।

মাক ঃ আপুনি বাৰে বাৰে বাহিৰ ভিতৰ কৰি ফুৰিছে কিয়?

গোবিন্দ ঃ চাহাব মানুহ আহিছে - অলপ বাহিৰতে থাকো। তেওঁলোক অহাৰ পিছত ঘৰৰ ভিতৰত তুমি লুকাই নাথাকা যেন।

মাক ঃ চাহাব সকলৰ আগত ওলাই মই কি কৰিম? ইংৰাজীত কথা নকব জানো?

গোবিন্দ ঃ ধেৎ আকৰিজনী - ইংৰাজীত কব কিয়? এওঁলোকতো দেশী - খাৰখোৱা অসমীয়া চাহাব।

মাক ঃ তাকে নকয় কিয়?

(বাহিৰত গাড়ীৰ হৰ্ণ শুনা যায়। গোবিন্দ আৰু মাক বিচলিত হৈ পৰে। গোবিন্দই বাহিৰৰ ফালে লক্ষ্য কৰে)

গোবিন্দ ঃ মই যি ভাবিছো সেয়ে - মাজু আহিছে লগত দুজন মানুহ। (মাকে দীঘলকৈ মূৰৰ ওৰণিখন টানি লয়)

মাজু ঃ (নেপথ্যত) দেউতা তেখেতসকল আহিছে।

গোবিন্দ ঃ (হাঁহি) আহক, চাহাব সকলক ভিতৰলৈ লৈ আহ।

(মঞ্চত সকলো উঠে)

আহক-আহক, আজি আমাৰ কি সৌভাগ্য।

বৰ বাবু ঃ হেঁ হেঁ, সেইবোৰ কৈ লাজ নিদিব।

মাজু ঃ মোৰ দেউতা - (নমস্কাৰ) এখেত মিঃ সোনোৱাল, আমাৰ বচ্ আৰু তেখেত আমাৰ অফিছৰ বৰবাবু।

(প্ৰতি নমস্কাৰ)

গোবিন্দ ঃ বহক - (বহে) নগন্য মানুহৰ ঘৰত আপোনালোকৰ নিচিনা মহান ব্যক্তিৰ যে ভৰিৰ ধূলী পৰিব তাক ভাবিবই নোৱাৰো। কি কোৱা ৰূপাৰ মাক। সেয়া কি, আতৰত কিয় - আগুৱাই আহা। এখেত সকল আমাৰ -

মাজু ঃ মা।

মিঃসোনোৱাল ঃ ও আই চি। গুড ইভিনিং।

মাক ঃ আপোনালোক বহক - মই ভিতৰলৈ যাও।

(সংকুচিত হৈ ভিতৰলৈ গ'ল)

মিঃসোনোৱাল ঃ চাওক মেধি, প্ৰথমৰ পৰা আপুনি আমাক ইমান ওপৰলৈ তুলিছে যে পিছলৈ তললৈ নমাৰ সময় নাপাম।

বৰ বাবু ঃ হেঁ-হেঁ-হেঁ, আমাৰ চাহাব খুব ৰসিকলোক

গোবিন্দ ঃ (বিনয় ভাবে) সেইটো মানুহজন দেখিলেই বুজি পায়।

বৰ বাবু ঃ সেইটোতো হয়েই। হাজাৰ হওক আপোনালোক হৈছে আগৰ কালৰ মানুহ। আপুনি হয়তো নেজানে আমাৰ চাহাব যিকোনো মানুহৰ ঘৰলৈ নাযায়।

গোবিন্দ ঃ সেইটো বুজিয়েই পাইছো। তেখেত হৈছে অফিছৰ ডাঙৰ চাহাব। তেখেতৰ ওপৰতেই গোটেই অফিছৰ কাম-কাজ, নানান সমস্যাৰ সমাধান আদি এশ এবুৰি কথা নিৰ্ভৰ কৰিছে। আগেয়ে অকণমান চাহ খাই লওক।

মিঃসোণোৱাল ঃ চাহ্ কিয় ? এইটোতো কথা নাছিল মিষ্টাৰ মেধি।

মাজু ঃ নাই মানে, সকলোধৰণৰ আয়োজনেই আছে।

মিঃসোণোৱাল ঃ That's good.

মাজু ঃ (দেউতাকক) তই অলপ খোৱাৰ ব্যৱস্থা কৰাই ভাল হব। চাহাবৰ জৰুৰী কাম আছে। লগত ময়ো অকণমান ওলাই যাব লাগিব।

গোবিন্দ ঃ ঠিক আছে। মই আহিছো। (গুচি যায়)

মাজু ঃ চাৰ। অকণো চিন্তা নকৰিব। আপুনি ইয়ালৈ আহিছে সেইটোৱেই আমাৰ পৰম সৌভাগ্য। হাজাৰ হওক এটা মধ্যবিত্ত অসমীয়া পৰিয়ালৰ ঘৰততো অকণমান অসুবিধা থাকিবই।

মিঃসোণোৱাল ঃ এই কাৰণেই কৈছিলো বৰ বাবু। চাইনাবাৰলৈ গৈ আৰু দুই চাৰিটা পেগ মাৰি আহিব লাগিছিল।

মাজু ঃ অকণো চিন্তা নকৰিব চাৰ। মই নিজে গৈ ব্যৱস্থা কৰিম।

মিঃসোণোৱাল ঃ গোটেই ব্যৱস্থাতো তাতেই কৰিব পাৰিলেহেতেন। মিছা-মিছি দুয়ো পক্ষৰ টনা টনি।

মাজু ঃ মায়ে নিজ হাতেৰে আপোনালোকৰ বাবে ৰন্ধা-বঢ়া কৰিছে।

বৰ বাবু ঃ কথাটো চাৰ বেয়া নহয়। আপুনিতো সদায়েই চাহাবী খানা খায়। এদিন অসমীয়া খানা খাই চাওক। বেয়া নিশ্চয় নালাগিব।

মিঃসোণোৱাল ঃ মই যিমানদূৰ জানো আজি কালি অসমীয়া পৰিয়ালতো Tonic Wine বেছ্ চালু হৈছে।

বৰ বাবু ঃ এইটোতো একেবাৰে খাৰ খোৱা পৰিয়াল। এইবাৰলৈ কন্‌চিদাৰ কৰক। তাৰ বাহিৰেও মিঃ মেধিয়ে যেতিয়া আৰু এটা টিপৰ প্ৰতিশ্ৰুতি দিছে - তেতিয়া-

মিঃসোণোৱাল ঃ অল্ ৰাইট। যি কৰিবলৈ বিচাৰছে সোনকালে কৰক।

মাজু ঃ ৰূপা, ৰূপা। (ৰূপালী সোমাই আহে)

ৰূপালী ঃ মাতিছ দাদা ?

মাজু ঃ অ - খোৱা-বোৱা কিমান দূৰ ?

ৰূপালী ঃ মায়ে লুচি ভজাত লাগিছে। বেছি দেৰি নাই।

মাজু : মোৰ ভনী ৰূপালী।

(উভয় পক্ষৰ নমস্কাৰ আৰু প্ৰতি নমস্কাৰ)

ৰূপালী : অকণমান বহক - মায়ে খোৰা ৰেডী কৰিছে।

মিঃসোণোৱাল : নাই-নাই ব্যস্ত হবলৈ একো নাই।

বৰ বাবু : চাহাবে যেতিয়া কৈছে ব্যস্ত হোৱাৰ দৰকাৰ নাই।

মিঃসোণোৱাল : বাঃ। বেছ চাৰমিং ছোৱালীজনী। মেধি, এই এজনীয়েই আপোনাৰ ভনীনে?

মাজু : হয় চাৰ।

মিঃসোণোৱাল : বহা, থিয় হৈ আছা কিয়?

ৰূপালী : নাই-নাই-ঠিক আছে।

বৰ বাবু : হেঁ-হেঁ-হেঁ লাজ পাইছে।

মিঃসোণোৱাল : লাজ পোৱাৰ কি আছে - বহা।

(ৰূপালী বহে) তুমি কি কৰা? তোমাক তুমি বোলাৰ কাৰণে আকৌ বেয়া নাপাবা।

ৰূপালী : নিশ্চয় নাপাও। আপুনি আমাৰ দাদাতকৈও ডাঙৰ। আপুনি বোলাহেতেনহে লাজ পালোহেতেন।

বৰ বাবু : শুনিলে কথাটো। আমাৰ অসমীয়া ঘৰৰ ছোৱালী।

মিঃসোণোৱাল : কিয় নকলা দেখোন, কি কৰা?

মাজু : একো নকৰে। বহি আছে।

মিঃসোণোৱাল : পঢ়াশুনা কৰা নাই?

মাজু : কৰিছে।

মিঃসোণোৱাল : কৰিছে মানে?

মাজু : অভাৱৰ সংসাৰ - তাৰ উপৰিও -

ৰূপালী : দেউতাৰ আপত্তি আছে।

মিঃসোণোৱাল : অ' - তেনেহলেতো ব্যক্তিগত কথা - দেন আই চুড নট প'ক মাই ন'জ। বাই দি বাই - তুমি কিমানলৈ পঢ়িছিলা?

মাজু : আপোনালোকে কথা পাতক - মই ভিতৰত কি হৈছে চাই আহো।

(গুচি যায়)

ৰূপালী ঃ ইকনমিকচত অর্নাচ লৈ ফাইনেল ইয়েৰত পঢ়ি আছিলো।

মিঃসোণোৱাল ঃ ফাইনেল পৰীক্ষা দিব পাৰিলাহেতেন।

বৰ বাবু ঃ মোৰ ছোৱালীয়েও এইবাৰ ফাইনেল দিছে। কিন্তু তোমাৰ দৰে ধুনীয়া নহয়। সেই কাৰণেই কোনো উন্নতি হোৱা নাই।

মিঃসোণোৱাল ঃ আঃ বৰ বাবু, কথা কোৱাৰ অভ্যাস অকণমান কম কৰক।

বৰ বাবু ঃ চিৰ কালৰ অভ্যাসতো। মোৰ পৰিবাৰে মুঠেই কথা নকয়।

মিঃসোণোৱাল ঃ Shut up. দেউতাৰা-মা বোধকৰো খুব ব্যস্ত হৈ পৰিছে।

ৰূপালী ঃ Excuse me Sir. (ভাবি) আপোনাক এটা অনুৰোধ কৰিম।

মিঃসোণোৱাল ঃ নিশ্চয় - এটা কিয়?

বৰ বাবু ঃ হাজাৰটা কৰিব পাৰা। চাহাবৰ পৰা ভাল সঁহাৰি পাবা। কি কবলগীয়া আছে সোনকালে কোৱা।

ৰূপালী ঃ কব খুজিছিলো, আপোনালোকৰ অফিছত মোৰ কোনো ব্যৱস্থা হব নোৱাৰেনে?

মিঃসোণোৱাল ঃ চাকৰিৰ কথা কব খুজিছা?

ৰূপালী ঃ ঘৰত থাকি থাকি মই ব'ৰ হৈ গৈছো। সোনকালেই মোক এটা চাকৰি লাগে।

মিঃসোণোৱাল ঃ হঠাৎ এই ইচ্ছা জাগিল যে?

ৰূপালী ঃ হয়, হঠাতেই বুলি ধৰক। মই চেল্‌ফ ডিপেন্‌ডেণ্ট হব খুজিছো।

মিঃসোণোৱাল ঃ সেইটো বেয়া নহয়। ইয়াৰ উপৰিও তোমাক এজনী Smart ছোৱালী বুলিয়েই ধাৰণা কৰিছো। কিন্তু কমাৰ্চিয়েল ফাৰ্মৰ চাকৰিৰ ৰীতি-নীতি জানাতো?

বৰ বাবু ঃ কি যে কয় - কেনেকৈ জানিব। এই লাইনততো নতুনকৈ মূৰ সুমুৱাব খুজিছে। আপুনিয়েই সকলো শিকাই বুজাই লব লাগিব।

মিঃসোণোৱাল ঃ ঘৰৰ পৰা আপত্তি নহব?

ৰূপালী ঃ হয়তো অলপ হব। কিন্তু মেনেজ কৰি লব পৰা যাব।

মিঃসোণোৱাল ঃ তুমি দাদাৰৰ লগত অফিছত মোক দেখা কৰিবা।

ৰূপালী ঃ ধন্যবাদ। মই অকণমান ভিতৰলৈ যাও। আপোনালোক এখন্তেক বহক। (ৰূপালী ভিতৰলৈ যায়)

বৰ বাবু ঃ আপুনিও যে কামবোৰ কৰে?

মিঃসোণোৱাল ঃ কিয়? কি হ'ল?

বৰ বাবু ঃ মিছামিছি দাদাটোক যুতি ললে কিয়? প্ৰাইভেটলি আপোনাৰ ফ্লেটলৈ লৈ গৈ অকণমান বুজাই মেলি দিলেই হ'লহেতেন।

মিঃসোণোৱাল ঃ বৰ বাবু। পোনকোবেই ভিতৰ সোমোৱাৰ চেষ্টা নকৰিব। ফেমিলীৰ কথা। এতিয়াৰ পৰাই অলপ অলপকৈ লাইনলৈ আনিব লাগিব, বুজিলে? অলপ দি তাৰ পিছত অলপ ললে তাত আনন্দ বেছি, বুজিলে?

বৰ বাবু ঃ বুজিছো, খুব বুজিছো। কিন্তু এইটো কোন চেনেল হ'ল সেইটোহে ভালকৈ বুজি নেপালো।

মিঃসোণোৱাল ঃ বুজাই দিছো, শুনক - এইটো হৈছে ইংলিছ চেনেল। পাৰ হোৱা খুব টান।

(ৰূপালী আহে)

ৰূপালী ঃ আহক চাৰ - বহুত সময় বহুৱাই ৰাখিছো।

বৰ বাবু ঃ তাতে কি হৈছে - ব'লক চাৰ।

(তিনিওৰে প্ৰস্থান)

(অলপ পিছত পোনতে গোবিন্দ পিছত মাকৰ প্ৰৱেশ)

গোবিন্দ ঃ তুমি আকৌ তেখেতসকলক এৰি আহিলা কিয়?

মাক ঃ আপুনি নেথাকিলে মই অকলে থাকিবলৈ ভাল নেলাগে পায়। ৰূপা আছে - তায়েই চোৱা চিতা কৰিব। মই আপোনাৰ ওচৰতেই থাকো।

গোবিন্দ ঃ কি যে কোৱা। মোৰ লগততো তুমি সদায়েই আছা। তেখেতসকলহে ক্ষন্তেকৰ অতিথি। তুমি তেখেতসকলৰ সঙ্গ এৰি আহিব নেলাগিছিল।

মাক ঃ চিনি নেপাও, জানি নেপাও। নহব দেই। মোৰ দ্বাৰা হলে নহব। (ক্ষন্তেক পিছতে ৰূপালীৰ প্ৰৱেশ। লগে লগে মিঃ সোনোৱাল

আৰু বৰ বাবুও আহে)

ৰূপালী ঃ মা, তেখেতসকল আহিছে। (মাকে ওৰণি টানে)

গোবিন্দ ঃ আপোনালোকৰ কোনো অসুবিধা -

বৰ বাবু ঃ নাই নাই। আপোনাৰ ছোৱালীয়ে আমাক ভালদৰে সোধ-পোছ কৰিছে। বৰ ভাল আৰু গুণী ছোৱালী।

মিঃসোনোৱাল ঃ আই এম্ ৰিয়েলী হেপী। O.K.- আজিলৈ তেনেহলে আহো। (মাজুক) তুমি ৰূপালীক লৈ এদিন আহিবা। মই চিন্তা কৰি চাম।

গোবিন্দ ঃ মোৰ ল'ৰাটোৰ ফালে অলপমান চকু দিব চাৰ।

মিঃসোনোৱাল ঃ মই চেষ্টা কৰিম।

বৰ বাবু ঃ অকল লৰাকে কিয়? ছোৱালীজনীৰ দায়িত্বও চাৰে লব।

গোবিন্দ ঃ সেইটো আমাৰ পৰম সৌভাগ্যৰ কথা।

মিঃসোনোৱাল ঃ তেনেহলে এতিয়া উঠো। We will meet again. Good Night - Good Night.

গোবিন্দ ঃ (মাজুক) তই চাহাবৰ লগতেই যাবি নহয়?

মাজু ঃ যাম। Next এটা Party attend কৰিব লাগিব।

গোবিন্দ ঃ অলপ সোনকালে আহিবি। দেশ কালৰ পৰিস্থিতি ভাল নহয়।

বৰ বাবু ঃ সেইটো আপুনি চিন্তা নকৰিব। আমি ঠিকমতে ঘৰত পৌছায় যাম। আহো - হেঁ হেঁ-হেঁ। (ৰূপালীক) তুমি তেনেহলে চাহাবৰ পিছত লাগি থাকিবা। দেখিবা ভবিষ্যতে খুব উন্নতি হব। (ৰূপালীয়ে হাঁহি থাকে। মাজুক লগত লৈ মিঃ সোনোৱাল আৰু বৰবাবুৰ প্ৰস্থান। গোবিন্দ আৰু মাক কিছুদূৰ আগুৱাই গৈ উভতি আহে)

মাক ঃ আলহীক বিদায় দি এতিয়া নিজে খালি পেটে থাকিবনে? খাবলৈ নাযায় জানো?

গোবিন্দ ঃ হুঁ, ব'লা - খাই লও। ৰাতি বহুত হ'ল।

ৰূপালী ঃ তোমালোকে খাই লোৱা,মই মাজুদা আহিলে একেলগে খাম।

মাক ঃ সি বা কেতিয়া আহে? তেতিয়ালৈকে বাট চালে তহঁতৰ ভোক

লাগি পাৰ হে নাযাবনে?

ৰূপালী ঃ নাযায় দিয়া। আমি পাৰিম।

গোবিন্দ ঃ আহিব লগীয়া মানুহটো নাই। পঁচিশ পাৱাৰৰ বাল্ব জ্বলাই এশ পাবাৰটো নুমাই দিয়া। (মাকে এটা নুমাই আন এটা জ্বলাই দিয়ে। পোহৰ নিষ্প্ৰভ হয়। পিছত দুয়ো ভিতৰলৈ সোমায় যায়।) (ৰাণাৰ প্ৰবেশ)

ৰূপালী ঃ দাদাৰ কিবা খবৰ পালি?

ৰাণা ঃ নেপালো অ'। হিমাদ্ৰীদাৰ ঘৰলৈ গলো। তাতো নাই। যিখন হোটেললৈ মাজে সময়ে যায় তাতো খবৰ কৰিলো। নাই।

ৰূপালী ঃ বাৰু সৰুদা, তই কি ভাবিছ - ডাঙৰ দাদা আজি আহিব জানো?

ৰাণা ঃ সন্দেহ আছে। তথাপি ৰাতিপুৱা যি ঘটিল, মই হলে এই ঘৰৰ চাৰিবেৰৰ ভিতৰত ভৰি নিদিলোহেতেন।

ৰূপালী ঃ ব'ল। আমি দুয়ো অলপ বিচাৰি আহো।

ৰাণা ঃ কি অদ্ভুত কথা কৈছ। ইমান ডাঙৰ চহৰখনত দাদাক ক'ত বিচাৰি উলিয়াবি? (ঠিক্ সেই মুহূৰ্ত্তত মৃণালৰ প্ৰবেশ)

মৃণাল ঃ আৰু বিচাৰিবলগীয়া নহব।

ৰূপালী ঃ দাদা, তই আহিছ।

মৃণাল ঃ নাহি পাৰোনে, তই কৈছ কি। আটাইতকৈ ডাঙৰ কথা হৈছে - মাজু ভাইৰ জন্মদিন। অভিমান কৰি নহাকৈ থাকিব পাৰিম জানো?

ৰূপালী ঃ তোৰ হাতত সেইবোৰ কি?

মৃণাল ঃ এইখন ল'। তোৰ কাৰণে মোৰ পছন্দৰ শাৰী আনিছো।

ৰূপালী ঃ (পেকেট খোলে) ইমান দামী শাড়ী আনিলি কিয়?

মৃণাল ঃ এজনৰ পৰা টকা অলপ পাবলগীয়া আছিল। আজি তেওঁক অকস্মাতে পাই গলো।

ৰূপালী ঃ শাড়ীখন বৰ সুন্দৰ লাগিছে - নহয়নে সৰুদা?

ৰাণা ঃ সঁচাই ভাল।

মৃণাল ঃ তোৰ পছন্দ হৈছে?

ৰূপালী : খু-উ-ব।
মৃণাল : এই কিতাপখন মাজুৰ বাবে। সি গ'ল কলৈ? মাত।
ৰূপালী : চাহাব সকলৰ লগত এটা পাৰ্টিলৈ গৈছে। এতিয়াই আহিব।
মৃণাল : কিয় ইয়াত চিলেব্ৰেছন হোৱা নাই?
ৰূপালী : হৈছে - তথাপি অন্য এটা এৰিব নোৱাৰা পাৰ্টি আছে।
ৰাণা : মোৰ কাৰণে একো অনা নাই?
মৃণাল : হয়তো তোৰ লগতেইতো আজি মোৰ আটাইতকৈ বেছি দৰকাৰ।
ৰাণা : (অবাক হৈ) কি হ'ল কছোন?
মৃণাল : মোৰ কথা শুনাৰ মুড আছে জানো?
ৰাণা : কিয় নাথাকিব? ক।
ৰূপালী : সৰুদাই আজি শ্ৰেষ্ঠ অভিনেতাৰ পুৰস্কাৰ পাইছে।
মৃণাল : মই জানো।
ৰাণা : কেনেকৈ জানিলি?
মৃণাল : মই হলত আছিলো।
ৰাণা : তই মোৰ অভিনয় দেখিছ?
মৃণাল : দেখিছো গোটেইখিনি। মই মুগ্ধ হৈ পৰিছিলো। সঁচাকৈয়ে তোৰ মাজত এনে প্ৰতিভা আছে।
ৰাণা : সকলো তোৰ আশীৰ্বাদ দাদা।
মৃণাল : ভাল লাগিছে বাবেই আজি এটা গুৰুত্বপূৰ্ণ কামৰ দায়িত্ব দিবৰ কাৰণে তোৰ ওচৰলৈ আহিছো আৰু এইটোকেই মোৰ উপহাৰ হিচাপে ধৰি লবি।
ৰাণা : কি ক?
মৃণাল : এই পাণ্ডুলিপিটো ৰাখ। নাটকখন শেষ হোৱা নাই। মই গুচি যোৱাৰ পিছত দ্বিতীয় অংক শেষ হব। তাৰ পিছত বাকী থাকিব শেষ অংক। মোৰ অনুৰোধ ৰাণা শেষ অংকটো তই লিখিবি। যি ঘটনা ঘটিব হুবহু অংকন কৰিবি। তাৰ পিছত তোৰ ডিৰেক্‌ছনেৰে অভিনয় কৰাবি। সৰু ভায়েকৰ চৰিত্ৰটো তই নিজে কৰিবি। এইটোৱেই তোৰ

ওচৰত মোৰ শেষ আশা।

ৰাণা : মই কিন্তু কথাটো একোৱেই বুজিব পৰা নাই।

মৃণাল : মই তইঁতক এৰি বহুত দূৰলৈ যোৱাৰ কথা চিন্তা কৰিছিলো।

ৰূপালী : সঁচাকৈয়ে তই আমাক এৰি যোৱাৰ কথা চিন্তা কৰিব পাৰিলিনে?

মৃণাল : হয়তো এটা মুহূৰ্ত্তত কৰিছিলো। কিন্তু পিছত মোৰ সিদ্ধান্ত সলনি কৰিলো। দহ বছৰকাল নিষিদ্ধ সংগঠনটোৰ লগত থকা সকলো সম্পৰ্ক ছেদ কৰি অৱশেষত আত্ম সমৰ্পণ কৰি মূল সুঁতিলৈ উভতি অহাৰ সিদ্ধান্ত গ্ৰহণ কৰিলো।

ৰাণা : তই ঘূৰি আহিবি বুলি জানি আমাৰ যে কিমান ভাল লাগিছে -তাক তোক বুজাব নোৱাৰো। তোৰ উপস্থিতিয়ে এই দিশহাৰা ঘৰখনৰ বিসংগতিবোৰ দূৰ কৰি ঘৰখনক এক সুদৃঢ় ভেটিৰ ওপৰত থিয় কৰাব পাৰিব।

মৃণাল : তইঁতে মোক ভুল নুবুজিবি। আত্মসমৰ্পণ কৰিলেও মই আৰু এইখন ঘৰলৈ উভতি নাহো। আত্মসমৰ্পণৰ পিছত সংশ্লিষ্ট মহলৰ পৰা ভালদৰে সংস্থাপিত কৰাৰ প্ৰতিশ্ৰুতি পাইছো। ভালদৰে সংস্থাপিত হলে তই আৰু ৰূপালী এই ঘৰ এৰি মোৰ লগতেই থাকিব পাৰিবি। সেই ঘৰত কোনো বাধ্য বাধকতা নাথাকিব। কেৱল থাকিব ভাল পোৱা, স্নেহ আৰু প্ৰীতি।

ৰূপালী : তেনে এটা পৰিবেশৰ মাজত থাকিবলৈ পালে আমি আমাৰ নিজস্ব স্বাধীনতা বজাই চলিব পাৰিম। আমাৰ এতিয়া বয়স হৈছে। আমি জীয়াই থাকিবলৈ তেনে এটা অনুকূল পৰিবেশৰ অত্যন্ত দৰকাৰ।

মৃণাল : ক ৰাণা। মোৰ কথাটো তই ৰাখিবি?

ৰাণা : কি কথা?

মৃণাল : পাহৰিয়েই গলিনে? সেই যে নাটক কৰাৰ কথা-

ৰাণা : দায়িত্বটো বৰ ডাঙৰ। তথাপি ডাঙৰদা মই চেষ্টা কৰিম।

মৃণাল : মই জানো তই পাৰিবি। মোৰ জীৱনৰ প্ৰথম নাটক অভিনীত হোৱাটো বিচাৰো।

ৰাণা ঃ মোক তই আশীৰ্বাদ কৰ। (প্ৰণাম কৰে। কথাৰ সুৰ পৰিবৰ্ত্তন কৰি অলপ সংকোচেৰে) দাদা, কথা এটা সোধো। বেয়া নেপাবি।

মৃণাল ঃ কি কথা?

ৰাণা ঃ তই যে এনেকৈ ফ্ৰীলি ঘূৰা পকা কৰি আছ ভয় লগা নাইনে? পুলিচে গম পালে হেৰাচ নকৰিবনে?

মৃণাল ঃ মোৰ ঘূৰা পকাৰ বিষয়ে পুলিচে জানে। এই ক্ষেত্ৰত জিলাৰ উপাযুক্ত, সেনা আৰু আৰক্ষীৰ উৰ্দ্ধতম মহলৰ পৰা মুক্ত বিচৰণৰ অনুমতি পাইছো। তেনেস্থলত ভয় কিহৰ?

ৰাণা ঃ মই কব খুজিছিলো এই চহৰখনৰ আইন-শৃঙ্খলা পৰিস্থিতি বৰ সন্তোষজনক নহয়। কট্‌কটীয়া নিৰাপত্তামূলক ব্যৱস্থাৰ মাজতো হত্যা, লুণ্ঠন, ধৰ্ষণ আদি ঘৃণনীয় অপৰাধমূলক কামবোৰ হৈ আছে।

মৃণাল ঃ সেই কথা চিন্তা কৰি মূৰ গৰম কৰাৰ কোনো অৰ্থ নাই। মোৰ কথা হ'ল যি উদ্দেশ্য লৈ এই চহৰত ঘূৰাপকা কৰি আছো, সেই উদ্দেশ্য সফল হব লাগে। তাতেই আমাৰ মংগল।

সেইবোৰ বাদ দে। বহুত ৰাতি হ'ল - মই এতিয়া যাও। অ' মোৰ এটা কথা, ৰূপালীৰ প্ৰতি অলপ চকু দিবি। ভনী বুলি কোৱা নাই। তাইৰ নিচিনা ছোৱালী পাবলৈ টান।

ৰূপালী ঃ ডাঙৰ দা, তোৰ চকুত পানী কিয়?

মৃণাল ঃ (নিজকে চম্ভালি) ক'তা নাইতো। আচলতে তইঁতক এৰি যাব লগাত পৰিছো, আকৌ বা কেতিয়াকৈ দেখা হয়। এইবোৰ কথা ভাবি চকু কেইটা কেতিয়া সেমেকি উঠিল গমেই নেপালো।

ৰূপালী ঃ মাজুদাক লগ পাই নেযাব?

মৃণাল ঃ ইচ্ছাতো আছিলেই।

ৰূপালী ঃ নাখাব?

মৃণাল ঃ খাবতো পাৰোবেই, পিছত যদি কিবা অঘটন ঘটে?

ৰাণা ঃ অলপ বহছোন, মাজুদা এতিয়াই আহিব।

মৃণাল ঃ কিন্তু মোৰ হাতত সময় বৰ কম অ'।

ৰূপালী : তেনেহলে অলপ খাই যা তেনেই তাকৰ কৈ।

মৃণাল : এক পিছ কেক্ আৰু এটা মিঠাই লৈ আহ।

ৰূপালী : অকণমান ৰ, মই এতিয়াই লৈ আহিছো।
(ভিতৰলৈ গ'ল)

মাক : (নেপথ্যত) প্লেটত কেক মিঠাই কাৰ কাৰণে লৈ যোৱা হৈছে?

ৰূপালী : (নেপথ্যত) ডাঙৰদাই খাব। (প্ৰৱেশ কৰে) এই ল ডাঙৰদা।

মাক : (নেপথ্যত) এইবোৰ নোলোৱাহেতেনো হ'লহেতেন।
(মাক, দেউতাক উভয়ৰে প্ৰৱেশ)

গোবিন্দ : ইমান ৰাতি তয়ো -

ৰূপালী : দেউতা ডাঙৰদা এইখন ঘৰলৈ আৰু কোনো দিনেই নাহে।

মাক : সদায়তো কয়। আৰু সি আহিলেই এইখন ঘৰত অশান্তি হয়।

ৰাণা : দেউতা, ইমান ৰাতিলৈকে তোমালোকৰ চকুত টোপনি নাই - কিয় কব পাৰা?

গোবিন্দ : আমি শুম আৰু তইঁতে ইয়াত কাৰ ঘৰ বনাবি, কি কৰিবি, সেই বোৰ আলোচনা কৰি থাকিবি সেইটো নচলিব।

ৰূপালী : (কান্দি) মা দেউতা, তোমালোকৰ ভৰিত পৰি মিনতি কৰিছো অলপ মনে মনে থাকা।

মৃণাল : (থিয় হয়) আৰু যাতে কোনো দিন অশান্তি নহয়। তাৰ কাৰণে চেষ্টা কৰিম। মা, মই ভীষণ স্নেহ আৰু ভালপোৱাৰ কঙাল। মোক তোমালোকে লেশমাত্ৰও বুজি নাপালা।
(আগুৱাই যায়)

ৰূপালী : (বাধা দি) দাদা, আমাৰ মুখলৈ চাই কিবা এটা মুখত দে।

মৃণাল : মোক ক্ষমা কৰিবা মা। (মৃণাল গুছি গ'ল)

ৰূপালী : সৰুদা। তয়ো দাদাক খুৱাব নোৱাৰিলি?

গোবিন্দ : এই ৰুমৰ লাইট বন্ধ কৰ। ভিতৰত গৈ খাই বই শুই পৰ।

ৰাণা : মই নাযাও।

ৰূপালী : ময়ো নাযাও।

গোবিন্দ ঃ অ। বিৰহ বেদনা বাঢ়িছে। অৰ্থাৎ ইহঁতৰ অতপালি বাঢ়ি গৈছে। (মাক) শুনিছা, লাইট নুমাই দিয়া। বিনা কাৰণত মিটাৰ পুৰি লাভ নাই। (মাকে লাইট নুমাই দিয়ে। মঞ্চ অন্ধকাৰে আবৰি ধৰে)

ৰূপালী ঃ (অন্ধকাৰ ভেদ কৰি আৰ্ত্তকণ্ঠৰে) সৰু দা, মোৰ বাবে আটাইবোৰেই অসহ্য হৈ উঠিছে। আমিবোৰ কিমান অসহায়।

ৰাণা ঃ আমিবোৰ নিৰ্বোধ।

(মঞ্চত অন্ধকাৰ গাঢ় হয়। ক্ৰমে ক্ষীণ পোহৰত মঞ্চ আলোকিত হৈ উঠে। সময় ৰাতিপুৱা। মঞ্চত ৰূপালী অকলে বহি আছে। বিষন্ন। মাজুৰ প্ৰবেশ ভিতৰৰ পৰা)

মাজু ঃ পুৱাই পুৱাই গালে মুখে হাত দি বহি আছ যে?

ৰূপালী ঃ এনেয়ে। বেড টি দি আহিছো।

মাজু ঃ বেড টি খাইছো দে। পেপাৰখন দেছোন।

ৰূপালী ঃ পেপাৰ এতিয়ালৈকে দিয়া নাই। আজি কেইদিন মানৰ পৰা হ'কাটোৱে দেৰি কৰিবলৈ ধৰিছে। (পৰিবৰ্ত্তন) মাজু দা।

মাজু ঃ কি হ'ল ক।

ৰূপালী ঃ যোৱা ৰাতিৰ খবৰটো তই নাজান।

মাজু ঃ কি হ'ল কছোন। চাহাবক জোৰ কৰি ধৰে কিবা খুৱাই দিলি হ'বলা?

ৰূপালী ঃ ডাঙৰ দা আহিছিল।

মাজু ঃ হয়নে কি?

ৰূপালী ঃ হয় আকৌ। এয়া ল তোৰ উপহাৰ। (কিতাপ উপহাৰ দিয়ে)

মাজু ঃ তাতে থ। পিছত চাম। (ৰূপালীয়ে কিতাপ থলে) ৰাণা ক'ত?

ৰূপালী ঃ যোৱা ৰাতি সি ঘৰৰ পৰা গুছি গৈছে।

মাজু ঃ কি কলি? ঘৰৰ পৰা গুচি গৈছে।

ৰূপালী ঃ ডাঙৰদাই একো নেখোৱাকৈ গুচি যোৱাৰ পিছতেই সৰুদায়ো বাহিৰ ওলাই গৈছে।

মাজু ঃ ডাঙৰদাই নেখোৱাকৈ গ'ল কিয়?

ৰূপালী ঃ এইবোৰ জানি তোৰ কি হব ক?

মাজু : (কিতাপ লিৰিকি বিদাৰি) খাই যাব পাৰিলেহেতেন।

ৰূপালী : ৰাতিৰ নিচাই এৰা দিয়া নাই হবলা?

মাজু : তই ইয়াত কি চাই আছিলি?

ৰূপালী : মই চেষ্টা কৰিও নোৱাৰিলো। মই কব খুজিছিলো সৰুদা কলৈ গল অকণমান বিচাৰ কৰি চোৱাতো ভাল হব।

মাজু : যাব কলৈ - পেটত ভোক লাগিলে চিধা-চিধি ঘৰলৈ ঢাপলি মেলিব। (বাহিৰত জোৰেৰে দুৱাৰ টনাৰ শব্দ)

ৰূপালী : চাছোন কোন আহিছে। বোধহয় সৰুদাই হব লাগে।
(দুৱাৰ খুলি দিয়ে। বাহিৰৰ পৰা জনৈক ৰিপৰ্টাৰৰ মাত। ডিঙিত কেমেৰা)

আসাম : May I come in?

মাজু : আহক। (ৰিপৰ্টাৰৰ প্ৰবেশ) কাক বিচাৰিছে?

আসাম : এইটো জানো নিষিদ্ধ সংগঠনটোৰ প্ৰখ্যাত নেতা তথা সংগঠনটোৰ মুখপাত্ৰ "জন জাগৰণৰ" সম্পাদক শ্ৰীমৃণাল বৰমেধিৰ ঘৰ নহয়?

মাজু : কিয় কওকছোন?

আসাম : মানে কথা হ'ল মই তেনেহলে ঠিক ঠাইলৈকে আহিছো। মই হৈছো এখন জনপ্ৰিয় দৈনিকৰ Reporter.

মাজু : বহক।

আসাম : মানে কথা হ'ল - মই বহিবলৈ অহা নাই। মই আহিছো কাম কৰিবলৈ।

মাজু : কওক, মই কি জানিব পাৰো?

আসাম : মানে কথা হ'ল - বাতৰিটো আপোনালোকে পোৱা নাই হবলা।

মাজু : কি বাতৰি কওকছোন?

আসাম : আপুনি মৃণাল মেধিৰ কি হয়?

মাজু : মই তাৰ মাজু ভায়েক।

আসাম : মানে কথা হ'ল - মই আগেয়ে এটা ৰিপৰ্ট লিখিম। তাৰ পিছতহে বাকী কথা।

মাজু : আপোনাৰ নামটো জানিব পাৰোনে ?

আসাম : নিঃসন্দেহে - এতিয়া মানে কথা হ'ল কামটো কোৱাৰ আগেয়ে অকণমান ঐতিহাসিক পৰ্য্যালোচনা কৰা দৰকাৰ। মানে কথা হ'ল মোৰ আজো ককাৰ নাম আছিল - ভুবনেশ্বৰ সৰকাৰ, ককাৰ নাম আছিল গুপ্তেশ্বৰ আৰু দেউতাৰ নাম তাৰকেশ্বৰ সৰকাৰ।

মাজু : কিন্তু আপোনাৰ নামটি বা কি ?

আসাম : মোৰ গুপ্ত নাম জীৱেশ্বৰ কিন্তু পোছাকী নাম শ্ৰীআসাম সৰকাৰ অৰ্থাৎ -

মাজু : হা-হা-হা- নাইচ।

আসাম : (কথাৰ সুৰ বদলি কৰি) এতিয়া কওক। ডিটেলচত কওক (লিখি থাকে) কওক দেউতাৰ নাম, বয়স, ব্যৱসায় -

মাজু : ৰব। ইমান ইন্‌ফৰমেছ্যন একেলগে দিয়াটো মস্কিল। এটা এটাকৈ কওক।

আসাম : দেউতাৰ নাম, আই মিন্ Father's Name?

মাজু : গোবিন্দ বৰমেধি।

আসাম : জীৱিত নে মৃত ?

মাজু : জীৱিত।

আসাম : কি কৰে, আই মিন দেউতাই ?

মাজু : কাম - কাম হিচাপে একো নকৰে। নামঘৰ চোৱাচিতা কৰে, নামলগোৱা, আনৰ ঘৰত ধাৰ্মিক বা মাংগলিক কাৰ্য সম্পন্ন কৰে।

আসাম : সংবাদপত্ৰৰ কাৰণে দেউতাকৰ Profession বৰ attractive নহব। বৰঞ্চ, এইদৰে লিখিলে হয়তো চলি যাব পাৰে। নিৰ্ভীক, নিজৰ ভৰিৰ ওপৰত থিয় দি স্বাধীন চিতিয়া ভাবে চলি থকা এজন আদৰ্শমান religious ব্যক্তি। এইবোৰৰ মাজত মই কিন্তু কোনো বিশেষ আৱাজ শুনিবলৈ পোৱা নাই।

মাজু : আৱাজ ?

আসাম : হয় আৱাজ। I mean এটা শব্দ, এটা ঝংকাৰ - মানে কথা হ'ল

গৈ এটা 'ৰিদিম'।

মাজু : অৱশ্যে আপুনি কোৱাটো মিছা নহয়।

আসাম : মানে কথা হ'ল - দেউতাকে কি ভাল পায়?

মাজু : টকা উপাৰ্জ্জন কৰি। তেখেতৰ মতে কোনো বহি থাকিব নেলাগে। নিজৰ সাধ্য অনুযায়ী টকা ৰোজগাৰ কৰিব লাগে।

আসাম : দাদা, মৃণাল মেধিয়ে সংগঠনটোত কেতিয়া যোগদান কৰিছিল?

মাজু : তাৰিখ, বাৰ মোৰ সঠিক মনত নাই। আনুমানিক দহ বাৰ বছৰ হব।

আসাম : বাৰু কওকছোন আপোনাৰ দাদাকে কিয় এই পথ বাছি ললে?

মাজু : মই নাজানো।

আসাম : সংগঠনটোত জইন কৰাৰ আগেয়ে দাদাই কি কাম কৰিছিল?

মাজু : আপুনি কোন দাদাৰ কথা কৈছে?

আসাম : মই আপোনাৰ দাদাৰ কথা জানিব খুজিছো।

মাজু : দাদাই একো কামেই কৰা নাছিল।

আসাম : চাকৰিৰ কাৰণে হাবাথুৰি খাই হয়তো দাদাক হতাশগ্ৰস্ত হৈ পৰি অৱশেষত নিষিদ্ধ সংগঠনটোত যোগ দিয়াৰ সিদ্ধান্ত লৈছিল।

মাজু : দাদাই চাকৰিৰ কাৰণে হাবাথুৰি খোৱা নাছিল। মই জনাত দুই এটা অফাৰো পাইছিল। সি চাকৰিৰ ঘোৰ বিৰোধী আছিল। চাকৰিত সোমাই তাৰ নিজস্ব স্বাধীনতা আনৰ ওচৰত বন্ধকী দিয়াৰ পক্ষপাতী নাছিল। আনকি সি দেশৰ প্ৰশাসনিক যন্ত্ৰৰ ওপৰত মুঠেই আস্থাশীল নাছিল। সকলোতে উপনিবেশিকতাৰ গোন্ধ পাইছিল। লুণ্ঠন আৰু শোষণৰ অৱসান বিচাৰিছিল।

আসাম : (চিঞৰি) দেয়াৰ ইউ আৰ। আই গট্ দি পইণ্ট। এটা উগ্ৰপন্থী সংগঠনকত যোগদান কৰিবলৈ এইবোৰ কণ্ডিছনেই যথেষ্ট। (সুৰ পৰিবৰ্ত্তন কৰি) আপুনি কিবা চাকৰি কৰে।

মাজু : হয়, মই এটা বিদেশী কোম্পানীৰ কণিষ্ঠ কৰ্মচাৰী।

আসাম : বিবাহিত নে অবিবাহিত?

মাজু : অবিবাহিত।

আসাম : প্ৰেম কৰিছে?

মাজু : পাগল বুলি ভাবিছেনে কি? সেইবিলাক কৰাৰ সময় ক'ত?

আসাম : আপুনি কাৰ কথা কৈছে?

মাজু : কাৰ কথা কম আৰু। নিজৰ কথা।

আসাম : মই জানিব খুজিছো আপোনাৰ দাদাৰ কথা। আপোনাৰ কথা জানি মোৰ লাভ নাই।

মাজু : (থৎমৎ খাই) আই এম্ চৰি।

আসাম : বয়স কিমান?

মাজু : কাৰ?

আসাম : আপোনাৰ।

মাজু : মোৰ ৩০, ডাঙৰদাৰ চাৰে বত্ৰিশ।

আসাম : আপোনাৰ দাদাই হঠাতে চাৰেন্দাৰ কৰাৰ সিদ্ধান্ত কিয় ললে- এই বিষয়ে জনাওকচোন।

মাজু : আই এম্ চৰি। সেই বিষয়ে মই একো নাজানো।

আসাম : Strange, আপুনি immediate ভায়েক হৈ সেই বিষয়ে একো নেজানে? আপোনাৰ তেখেতক মাতক?

মাজু : তেখেত মানে? দেউতাক?

আসাম : হয়।

মাজু : দেউতায়ো নেজানে?

আসাম : আপুনি কি কয়হে? বাপেক হৈ নিজৰ লৰাৰ বিষয়ে নেজানে। এইখিনিতে এটা প্ৰশ্ন জাগে। প্ৰশ্নটো হৈছে- ৰৰপুত্ৰ আৰু দেউতাকৰ সমন্ধ নিশ্চয় মধুৰ নাছিল।

মাজু : (নিৰুত্তৰ)

আসাম : মনে মনে থাকিল যে? উত্তৰ নিদিয়ে কিয় মিঃ মেধি?

মাজু : হয়তো আপুনি ভবাটোৱেই।

আসাম : তেনেহলে মোৰ প্ৰশ্নৰ উত্তৰ দিব কোনে? কোনে দিব?

ৰূপালী ঃ (হঠাতে উত্তেজিত হৈ প্ৰৱেশ) সেই প্ৰশ্নৰ উত্তৰ মই দিম। মোৰ নাম ৰূপালী। মই মৃণাল মেধিৰ ভনী।

আসাম ঃ আই চি - তেনেহলে নিদিয়ে কিয়? দিয়ক।

ৰূপালী ঃ যোৱাকালি ৰাতিপুৱা দাদাৰ পৰা মই এখন চিঠি পাইছিলো। তাত সি অৱশেষত আত্মসমৰ্পণ কৰা সিদ্ধান্তৰ বিষয়ে কিছু কথা লিখিছিল।

আসাম ঃ কি লিখিছিল কওক।

ৰূপালী ঃ ক্ষমা কৰিব। চিঠিৰ কথা সদৰি কৰিবলৈ সি মোক মানা কৰিছে।

আসাম ঃ আপুনি সেই বিষয়ে চিন্তা নকৰিব। চিঠিৰ Source মই গোপনে ৰাখিম। চিঠিখন মই অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিম। গোটেই media fraternity ৰ জৰিয়তে ভাল publicity দিম।

ৰূপালী ঃ মই একো বুজা নাই। কি publicity ৰ কথা কৈছে?

আসাম ঃ মই কবলৈ বিচাৰিছিলো - আপোনালোকৰ দাদা জীয়াই থকাহেতেন সেইখন দেখুৱাবলৈ মই জোৰ নকৰিলোহেতেন। মৃত্যুৰ পিছত দাদাৰ সেই চিঠিখনে এক মহৎ উদ্দেশ্য পূৰণ কৰিব।

ৰূপালী আৰু মাজু ঃ (উৎকণ্ঠৰে) কাৰ মৃত্যুৰ কথা কৈছে আপুনি?

আসাম ঃ আপোনালোকে সৰ্বনাশ কৰিলে। ইমান সময় তেনেহলে মই কাৰ লগত কাৰ কথা পাতি আছিলো।

মাজু ঃ (কথাত জোৰ) আপুনি কথাবোৰ স্পষ্টৰূপত পোনপটীয়াকৈ কওক।

আসাম ঃ কিয়? আপোনালোকে আজি কাকত পোৱা নাই?

ৰূপালী ঃ এতিয়ালৈকে হ'কাৰে আমাক কাকত দিয়াই নাই।

আসাম ঃ (নিজৰ মোনাৰ পৰা এখন কাকত উলিয়াই)

তেনেহলে এইখনেই চাওক। ডাঙৰ ডাঙৰ আখৰেৰে ছপোৱা আছে। কোনোবা অচিনাক্ত বন্দুকধাৰী দুবৃৰ্ত্তৰ গুলীত নিষিদ্ধ সংগঠনৰ এজন শীৰ্ষ স্থানীয় নেতা শ্ৰীমৃণাল মেধিক কালি নিশা

অটোত গৈ থকা অৱস্থাত অ'টোৰ ভিতৰতে গুলীয়াই হত্যা কৰি আন্ধাৰৰ আঁৰ লৈ হত্যাকাৰীৰ পলায়ন শীৰ্ষক শিৰোনামাৰ খবৰ।

(মাজু আৰু ৰূপালীয়ে থপিয়া থপি কৰি পেপাৰখন পঢ়িবলৈ ধৰে। আতংকত ৰূপালীয়ে জোৰে কান্দিবলৈ ধৰে। মাজুৱে কোনোমতে ধৈৰ্য্য ধৰি থাকে। মাকৰ প্ৰবেশ। কান্দে। মাকে ৰূপালীক সান্ত্বনা দিয়াৰ প্ৰয়াস কৰে। ইতিমধ্যে দৌৰাদৌৰি কৰি ভিতৰৰ পৰা গোবিন্দই কিবা এটা বিপদৰ আশংকা কৰি ক্ষিপ্ৰ বেগেৰে প্ৰবেশ কৰে)

গোবিন্দ : কি হ'ল নকৱ কিয়? কি অঘটন ঘটিল। আটাইযে কান্দোনত গগন ফালিব লগীয়া কৰিছ।

ৰূপালী : (কান্দি কান্দি) ডাঙৰ দা আৰু নাই। যোৱা নিশা তাক কোনোবাই তাক গুলীয়াই মাৰিলে। সি আৰু তোমালোকক আমনি কৰিবলৈ এইখন ঘৰলৈ কেতিয়াও নাহে।

গোবিন্দ : কি কলি গুলীয়াই মাৰিলে? সি কাৰ কি এনে অঘটন ঘটালে যে গুলীয়াই মাৰিব লগীয়া হ'ল? হে ঈশ্বৰ। তুমি কি শুনাইছা?

মাক : আপুনিতো সদাই কাজিয়া কৰি লৰাক ঘৰৰ পৰা বাহিৰ কৰি পঠায়।

গোবিন্দ : মই কিবা নিচাৰ বশবৰ্ত্তী হৈহে তেনে কৰিছিলো ৰূপাৰ মাক।

মাক : কিহৰ নিচা?

গোবিন্দ : (চকু ডাঙৰ কৰি) টকাৰ নিচা। কিন্তু লৰাই তাৰ মৰণৰ মাজেৰে আজি মোক ভাল শিক্ষা দি গ'ল। টকাৰ প্ৰতি থকা সেই মোহ মোৰ আৰু নাইকিয়া হ'ল ছোৱালীৰ মাক।

মাক : সেইবোৰ বকি থাকি লাভ নাই। এতিয়া বলক লৰাৰ শ দেহটোকে বিচাৰি যাও।

গোবিন্দ : এৰা তুমি ঠিকেই কৈছা। মৰণৰ পিছতো তাক অৱজ্ঞা কৰিলে তাৰ আত্মাই আমাক শাও দিব যাৰ ফলত এই গোবিন্দ আতৈৰ আত্মাই মৃত্যুৰ পিছত ৰৌ ৰৌ নৰকত পৰি কক্‌বকাই থাকিব লাগিব।

(বাহিৰলৈ যাবলৈ উদ্যত হয়। এনেতে ক্ষিপ্ৰ বেগেৰে বাহিৰৰ পৰা ৰাণাৰ প্ৰবেশ)

ৰাণা ঃ ৰ'বা মা। (বৈ যায়) কলৈ যাবলৈ ওলাইছা?

মাক ঃ ডাঙৰ দাদাৰৰ ওচৰলৈ।

ৰানা ঃ দাদাৰ dead body পোষ্টমৰ্টেমৰ কাৰণে মেডিকেললৈ নিয়া হৈছে। তাৰ পৰা থানালৈ নিব। তাতহে আমি dead body চম্‌জি লব পাৰিম।

গোবিন্দ ঃ তেনেহলে আমি পুলিচ থানালৈকে যাও।

ৰাণা ঃ এতিয়া গৈ লাভ নাই। মেডিকেলৰ পৰা থানা পাবলৈ আৰু দুই তিনি ঘণ্টা লাগিব।

মাক ঃ ইমান পৰ আমি বাট চাই থাকিম কেনেকৈ? সৰু, (ব্যাকুল হৈ) তই আমাক এতিয়াই তাৰ ওচৰলৈ লৈ বল।

ৰাণা ঃ অধৈৰ্য্য নহবা মা। এতিয়া কিয় অধৈৰ্য হৈছা? দাদা, ঘৰলৈ আহোতে তোমালোকে দেখোন ওলাই আহি তাক একেষাৰ মাতো নিদিলা? এতিয়া কিয়? কিহৰ তাড়নাত তোমালোক ইমান অধৈৰ্য্য হৈছা।

গোবিন্দ ঃ একোৰে তাড়নাত নহয় অ' বোপাই। সি জানো আমাৰ বৰপুত্ৰ নহয়? জীৱিত কালত নোৱাৰিলো নাই। কিন্তু মৰণৰ পিছত তাৰ নশ্বৰ দেহাটো আলৈ এথানি হবলৈ এৰি দিব নোৱাৰো। (ৰাণাক) তই তি বুজিবি? তই অবোধ বালক। পিতৃ-মাতৃৰ শোকৰ উমান তই কেনেকৈ পাবি? সকলো তেৰাৰ কাম। (সুৰ লগাই মাতে)

"কলিৰ পৰম ধৰ্ম কৃষ্ণ গুৰু নাম।
যিজনে জপয় তাৰ পুৰে মনস্কাম।।
উৰ্দ্ধবাহু কৰি হেৰা কহো বাৰম্বাৰ।
কলিযুগ নাম বিনে গতি নাই আৰ।।"

সকলো মিছা। পুত্ৰ পৰিবাৰ, ধনজন ঐশ্বৰ্য্য বৈভৱ - সকলো মিছা। আজি আছে, কাইলৈ নাই। (সুৰ লগাই গায়) "জাতস্য হিধ্ৰুবো মৃত্যু ধ্ৰুবং জন্ম মৃত্যুস্য চ" ভগৱান শ্ৰীকৃষ্ণই অৰ্জ্জুনক কোৱা

সেই অমোঘ বাণী আৰু চিৰন্তন সত্যকো আজি মই কোনো পধ্যেই মানি লবলৈ টান পাই ছো। (ভাব পৰিবৰ্ত্তন) মিছা, সকলো মিছা। পুত্ৰ পৰিবাৰ, ধন-জন, ঐশ্বৰ্য-বিভূতি - সকলো মিছা। কচুপাতৰ পানী। এই আছে - এই নাই।

মাজু ঃ (আসাম সৰকাৰক) মিঃ সৰকাৰ। আপোনাৰ কাম বোধকৰো হৈ গৈছে। এতিয়া আপোনাক বিদায় দিব পৰা যায়।

আসাম ঃ নাই, আপুনি কি কৈছে? এতিয়াও মোৰ কাম সম্পূৰ্ণ হোৱা নাই। ক'তা আপোনাৰ দেউতাকৰ দেখোন সোধাই নহল? ফটো এখনো তুলিব লাগিছিল।

মাজু ঃ (দেউতাকক মাতে) দেউতা, এখেতে তোৰ লগত দুই চাৰিটা কথা পাতিব খুজিছে। (দেউতাক ওচৰ চাপি আহে। মাজুয়ে দেউকাতত আসাম সৰকাৰৰ লগত পৰিচয় কৰাই দিয়ে) মোৰ দেউতা।

আসাম ঃ Thank you মানে কথা হ'ল আপোনাৰ ছবিখন আগেয়ে তুলি লও।

গোবিন্দ ঃ কথাটো কি?

আসাম ঃ আপোনাৰ মৃত পুত্ৰৰ খাতিৰত কাইলৈ বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত আপোনাৰ ফটো ছপা হব।

গোবিন্দ ঃ নাই - নাই - এইবোৰ কি?

আসাম ঃ থিয় হৈ থাকক। কাষত আপোনাৰ পৰিবাৰক লৈ লওক। (মাজুৱে মাকক ধৰি আনি গোবিন্দৰ কাষত থিয় কৰাই দিয়ে। মাকে ওৰণি খন টানি লয়) ওৰণিখন গুচাই থিয় হওক প্লিজ। নহলে সকলো পণ্ড লৈ যাব। (মাজুয়ে মাকৰ ওৰণিখন কোঁচাই মুখখন উলিয়াই দিয়ে) থিয় হৈ থাওক - এইদৰে অলপ স্লাইট হাঁহক। নাই-নাই নহাঁহিব। মুখত শোকৰ expression দিয়ক। পুত্ৰ শোক। একদম লৰচৰ নকৰিব, মানে কথা হ'ল - লৰচৰ কৰিলে ছবি নষ্ট হৈ যায়। (ছবি তোলে) ধন্যবাদ।

এইবাৰ আপোনালোকৰ।

মাজু : মা দেউতাৰ তোলা হ'ল। আকৌ আমাৰ কিয়?

আসাম : মানে কথা হ'ল - আপোনালোকৰ এটা ৰেকৰ্ড থাকিব। ইপিনে ৰূপাৰ ছবিতো লাগিবই। দাদাকৰ চিঠিৰ লগত ছপাবলৈ। (মাজু আৰু ৰূপালীৰ ফটো তোলে) ধন্যবাদ।

মাজু : কথাটো অন্য হিচাপে নলব। এইবোৰ চিঠি, ফটো ছপাই কি লাভ হব কওকছোন।

আসাম : আঃ আপুনি ভুল বুজিছে। আপুনিতো এই লাইনত নাই। অনুমান কৰিব কেনেকৈ? জানে - এইবোৰ মছলা ব্যৱহাৰ কৰিয়েই আমাৰ কাকতে এক লাখৰ অধিক চাৰ্কুলেছন কৰিছে। ভাল খবৰ পায় ক'ত? মানে কথা হ'ল, আজি কালি সংবাদ পৰিবেশিত হব চেক্স বা ভায়লেঞ্চৰ ওপৰত ভিত্তি কৰি - মানে কথা হ'ল - সন্ত্ৰাস, হিংসা আৰু sensitive খবৰ লাগে। আজিৰ পেপাৰত অকল ঘটনাৰ কথা প্ৰকাশ হৈছে। কালিলৈ হব সকলোবোৰ ইনক্লুডিং লাইফ এণ্ড ফেমিলী হিষ্ট্ৰী আৰু বেছি পলম নকৰো। (ৰূপালীক) ৰূপালী দেৱী। এতিয়া আপুনি দাদাকৰ চিঠিখন দিয়ক। মই ফটো কপি কৰি original খন আপোনাক দি যাম। চিন্তা কৰিছে কিয়? যাওক। নিঃ সন্দেহে লৈ আহক। সেই চিঠিৰ basis তে দাদাকৰ লগেত আপুনিও wide publicity পাব।

মাজু : ইমান চিন্তা কৰিব নালাগে। সাধাৰণ কথা। চিঠিখন দি দে। (ৰূপালী ভিতৰলৈ যায়। কিছু পিছত চিঠিখন আনি আসামক দিয়ে)

ৰূপালী : আপুনি কিন্তু এতিয়াই অৰিজিনেলখন দি যাব লাগিব।

আসাম : ধন্যবাদ। তেনেহলে মই এতিয়া উঠো চাৰ। অলপ পিছত আহি আপোনাৰ দাদাকৰ original চিঠিখন ৰূপালী দেৱীৰ হাতত দি যামহি।

(ক্ষিপ্ৰ গতিৰে ৰিপৰ্টাৰৰ প্ৰস্থান)

গোবিন্দ : ঘটনাটো কেনেকৈ ঘটিল তই তাৰ কিবা উমান পালিনে? তাৰনো

ইমান দুৰ্ঘোৰ শত্ৰু আছিলনে যি এনে নিৰ্ম্মম হত্যা কাণ্ড সংঘঠিত কৰিবলৈ কুণ্ঠাবোধ নকৰিলে।

ৰাণা ঃ সকলো কাম বন শেষ কৰি ৰাতিটো কটাবৰ বাবে ইতিমধ্যে আত্মসমৰ্পণ কৰা সংগঠনটোৰ পুৰণা সদস্য এজনৰ বাসস্থানলৈ অ'টো ৰিক্সাত গৈ আছিল। লক্ষ্যস্থান পাবলৈ প্ৰায় আধা ফাৰ্লং বাট থাকোতেই সিহঁতক অনুসৰণ কৰি গৈ থকা দুজন বন্ধুকধাৰী মটৰ চাইকেল আৰোহী!য়ে অ'টোখন আগছি ৰখালে। তাৰ পিছত সিহঁতৰ এটাই তাক অ'টোৰ পৰা নমাই ৰাস্তাৰ একাষলৈ লৈ গৈ অতি ওচৰৰ পৰা পিষ্টলেৰে গুলীয়াই হত্যা কৰি হত্যাকাৰী দুজন ৰাতিৰ অন্ধকাৰৰ সুযোগ লৈ মটৰ চাইকেলেৰে থিতাতে অৰ্ন্তধান হ'ল। অ'টো চালকে থানাত খবৰ দিয়াত তৎক্ষনাত পুলিচ ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ প্ৰাথমিক তদন্ত আৰম্ভ কৰি অপৰাধীক কৰায়ত্ব কৰিবৰ বাবে জোৰদাৰ অনুসন্ধান চলায়। আৰক্ষী সূত্ৰৰ মতে নিষিদ্ধ সংগঠনটোৰ শান্তি নিবিচৰা তথা হত্যাৰ অধ্যায়ৰ অন্ত নিবিচৰা সদস্যসকলেই এই হত্যাকাণ্ড সংঘটিত কৰিছে। ইতিমধ্যে ৰাজ্যখনৰ আত্মসমৰ্পণকাৰী নিষিদ্ধ সংগঠনটোৰ শীৰ্ষ নেতাসকলে সংগঠনটোক ভ্ৰাতৃঘাতী সংঘাতৰ সূচনা নকৰিবলৈ আহ্বান জনাইছে। ৰাতিপুৱাৰ বাতৰিত ৰাজ্য চৰকাৰেও দাদাৰ হত্যাক সংগঠনটোৰ লগত ৰাজ্য চৰকাৰৰ শান্তিৰ প্ৰয়াসত এক ডাঙৰ উজুটি বুলি অভিহিত কৰিছে। ইয়াৰ উপৰি চৰকাৰে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনোৱাৰ লগতে ৭ লাখ টকাৰ এক কালিন সাহায্য আগবঢ়াইছে।

গোবিন্দ ঃ (উচ্প খাই উঠি) কি? সাত লাখ টকা!

ৰাণা ঃ নগদ সাত লাখ টকা।

গোবিন্দ ঃ ক'ত শুনিলি তই? আমিতো শুনা নাই।

ৰাণা ঃ ৰেডিঅ'ৰ ন বজাৰ আঞ্চলিক বাতৰিত। তোমালোকৰতো ৰেডিঅ'ৰ বাতৰি শুনাৰ অভ্যাস নাই।

গোবিন্দ ঃ ক'তা? পেপাৰততো দিয়া নাই।

ৰাণা ঃ আহা - আজি দিয়া নাই। কালিলৈ দিব।

গোবিন্দ ঃ কন্‌ফাৰমেছন চিঠি নাপালে, তোৰ মুখৰ কথা বিশ্বাস কৰিব নোৱাৰি।

ৰাণা ঃ পাবা। যথা সময়ত কন্‌ফাৰমেছন লেটাৰো পাবা।

গোবিন্দ ঃ যদি তোৰ মুখৰ কথা সঁচা হয়, তেনেহলেতো খুব ভাল কথা। তাৰ মানে সি ৰাজ্যখনৰ য'তে ততে বোমা-বাৰুদ ফুটাই হাজাৰ বিজাৰ নিৰপৰাধী লোকৰ প্ৰাণ-লোৱা দ'লটোৰ এটা ডাঙৰ নেতা আছিল। নহলে চৰকাৰে তাৰ মৃত্যুত ইমান সোপা টকা খৰচ নকৰে।

মাক ঃ আপুনি এইবোৰ কি আজে-বাজে বকি আছে? মনে মনে নাথাকে কিয়?

গোবিন্দ ঃ আজে-বাজে নহয় ছোৱালীৰ মাক। লৰাই সাত লাখ টকা দিহে মৰিছে। অকল জানো সেয়েই, মৃত্যুৰ লগে লগে ৰাজ্যত কেনেকৈ তাৰ নাম ফাটি-ফুটি গৈছে - এইয়া নেচোৱা কিয় কাগজত কি লিখা আছে। কাগজৰ ৰিপোৰ্টাৰে আমাৰ ফটো তুলি লৈ থৈছে। কালিলৈ ৰাতিপুৱাতে খবৰ কাগজত আমাৰ ছবি ওলাব। (কিছু সান্ত্বনা লাভ কৰি) মৰাটোতো মৰিয়েই গ'ল, থকাবিলাকৰ কাৰণে ই জানো কম সান্ত্বনাৰ কথা নহয়?

মাক ঃ আপুনি কোৱা কথাবোৰ সঁচানে?

গোবিন্দ ঃ সঁচা নহলে কৈছো কি? হুঁ হুঁ মোৰ লৰাক জীৱিত কালত ভালকৈ চিনি নেপালো। মৃত্যুৰ মাজেদি সি মোক ভাল শিক্ষা দি থৈ গ'ল। গোটেই জীৱনতে মোৰ কথাতো বাদেই মোৰ চৈধ্য পুৰুষেও একে লগে সাত লাখ টকা উপাৰ্জ্জন কৰিব পৰা নাছিল। (পৰিবাৰক) কি হ'ল - কথা নোকোৱা হ'লা যে - মোৰ লৰা -

মাক ঃ কি কলে, আপোনাৰ লৰা?

গোবিন্দ ঃ তেনেহলে কাৰ লৰা?

মাক ঃ কেনৈ হব - মোৰহে লৰা।

গোবিন্দ : আজে-বাজে কথা নকবা।

মাক : এতিয়া আজে-বাজে কথাহে কলো। মই কিমান কষ্ট কৰি দহ মাহ দহ দিন গৰ্ভত ধাৰণ কৰিছিলো। আজি এখেতে ওফাইদাং মাৰি কৈ দিলে "তেখেতৰ লৰা" বুলি।

গোবিন্দ : মনে মনে থাকিলানে নাই। মোৰ খং উঠিলে কথা বেয়া হৈ যাব। আন এখন কুৰুক্ষেত্ৰৰ সৃষ্টি হব।

মাক : হব দিয়ক। আপুনি কোৱাতোৱেই হয়, অযথা খং-ৰাগ কৰিব নেলাগে।

(এক মুহুৰ্ত্ত স্থিৰ চৰিত্ৰৰ নিচিনাকৈ দুয়ো ৰৈ থাকিল। পিছত গোবিন্দই কোমল মাতেৰে কলে)

গোবিন্দ : বোলো শুনিছানে?

মাক : কি হ'ল।

গোবিন্দ : হঠাৎ কি যে হৈ গলো। আজি এই শোকৰ দিনত খং-ৰাগ পৰিত্যাগ কৰা উচিত।

মাক : এইবোৰ পৰিত্যাগ কৰিব পৰাহেতেন মই স্বৰ্গ ঢুকি পালোহেতেন।

গোবিন্দ : মই নিচা খোৱা মানুহৰ নিচিনা ব্যৱহাৰ কৰিছো নহয়?

মাক : কিহৰ নিচাৰ কথা কৈছে?

গোবিন্দ : (চকু ডাঙৰ কৰি) টকাৰ নিচা। ইমান সময় আমি যাক কেন্দ্ৰ কৰি কাজিয়া কৰিছো, তাৰ কথাই পাহৰি গৈছো।

মাক : আমাৰ পাপ হোৱা নাইনে?

গোবিন্দ : পাপ হোৱা বুলি যদি ভাবিছা, সেই পাপ খণ্ডনৰ বাবে মই ভগৱান শ্ৰীকৃষ্ণৰ চৰণত সাষ্টাঙে প্ৰণিপাত জনাই সকলো পাপ বিনাশ কৰিবলৈ এখন শৰাই আগবঢ়োৱাৰ মনস্থ কৰিছো। তুমি চিন্তা নকৰিবা। তেৰাই আমাক শুদ্ধ পথলৈ আনিবই।

ৰাণা : (হঠাতে চিঞৰি) কিন্তু কি আচৰিত কথা মা। দাদাৰ মৃত্যুত তোমালোকৰ চকুত পানীৰ এটা টোপালো বিৰিঙা নাই। মা, এবাৰ তুমি কান্দা। দেউতা, মৌন হৈ নাথাকিবা। তুমিও এবাৰ কান্দা।

মাক : আমিযে কান্দিব নোৱাৰা হৈছো বাছা। আমাৰ চকুৰ পানী শুকাই গৈছে। শিলৰ পৰা পানী নোলায়।

ৰাণা : কিন্তু মা, তোমালোকে যে কান্দিবই লাগিব।

মাক : মই যে পৰা নাই।

ৰাণা : তেনেকৈ ক'লে নহব। তোমালোকে কান্দিবই লাগিব। আজি আমাক সহানুভূতি দেখুৱাবলৈ অসংখ্য মানুহৰ সমাগম হব। তেওঁলোকৰ আগত কান্দি জনাব লাগিব। তোমালোক হৈছা মৃণাল মেধিৰ নিচিনা এজন প্ৰখ্যাত সংগ্ৰামী নেতাৰ মাক-দেউতাক।

মাক : নাই - নাই।

ৰাণা : (উত্তেজিত হৈ) কিন্তু তোমালোকৰ বৰপুত্ৰ মৃণাল মেধিক অচিনাক্ত দুবৃৰ্ত্তই নিৰ্ম্মম ভাবে হত্যা কৰিছে। বেদনাত তোমালোকৰ আত্মাই আৰ্ত্তনাদ কৰি উঠা নাই।

মাক : (চিঞৰি) নাই নাই। মই পাষানী। মোৰ হিয়া শিলেৰে বন্ধা। বৰপুত্ৰৰ বিয়োগত মই কান্দিব নোৱাৰো।

ৰাণা : কান্দা - তোমালোকে যে কান্দিবই লাগিব। (মাকে হিয়া ভুকুৱাই চিঞৰি চিঞৰি কান্দে। দেউতাকে মূৰ গুজি হুকহুকাই কান্দে। ৰাণাই ক্ষোভ আৰু দুখত মৰ্ম্মাহত হৈ বিকট ভাবে হাঁহি উঠে আৰু পিছত শব্দ কৰি কান্দে। অকস্মাতে প্ৰকৃতিস্থ হৈ দৰ্শকক সম্বোধি কৈ উঠে) চাওক - আপোনালোকে আমাৰ ফালে এবাৰ চাওক। মায়ে কান্দিছে। দেউতাই কান্দিছে। মই কান্দিছো। মাজুদাই কান্দিছে। ভনীজনীয়ে কান্দিছে। (তাৰ পিছত down stage লৈ নামি আহি ৰাণাই স্বাভাৱিক ভাবে হাতযোৰ কৰি দৰ্শকক সম্বোধন কৰে) ঘৰখনৰ সকলোৱে কান্দিছে। কান্দোনৰ বন্যা বৈ গৈছে। (ক্ষন্তেক বৈ) ক্ষমা কৰিব। শোক বিহ্বল অন্তৰেৰে মই আজি এই মুহূৰ্ত্তত আপোনালোকৰ সমুখত গোবিন্দ আতৈৰ ঘৰৰ সকলো সদস্যৰ হৈ কেইটামান প্ৰশ্নৰ অৱতাৰণা কৰিব খুজিছো - সেই প্ৰশ্ন কেইটাৰ উত্তৰ কোনোবাই দিবনে - সেইবোৰৰ উত্তৰ আমি

পামনে ? শুনক - নিষিদ্ধ সংগঠনটোৰ সংবিধান মতে সংগঠনটোৰ কোনো সদস্যই মত বিৰোধত সংগঠনটোৰ সৈতে সম্পৰ্ক ছেদ কৰিবলৈ বিচৰাৰ পৰিণাম একমাত্ৰ মৃত্যুদণ্ড নেকি ? নিষিদ্ধ সংগঠনটোৰ সংবিধানত মৃত্যুদণ্ডৰ বাহিৰে বিকল্প শাস্তিমূলক ব্যৱস্থা নাই নেকি ? জন্মভূমিৰ স্বাধীনতা তথা সাৰ্ব্বভৌমত্ব বিচৰা এটা বিদ্ৰোহী সংগঠনত ইমান দিনলৈকে একান্ত নিষ্ঠাৰে সেৱা আগবঢ়োৱাৰ প্ৰতিদান হিচাপে মৃত্যু দণ্ডৰে দণ্ডিত কৰাই বৈপ্লৱিক নীতি নেকি ? যদি তেওঁলোকৰ সংবিধানত এনে নীতি বিৰাজমান তেন্তে মৃণাল মেধিক সেই সংবিধানৰ কোন ধাৰাত পেলাই মৃত্যুদণ্ড দিয়া হ'ল ? দৰ্শকবৃন্দ, মৃণাল মেধিৰ মৃত্যুত সৃষ্টি হোৱা উক্ত প্ৰশ্নবোৰৰ উত্তৰ যুগুতোৱাৰ দায়িত্ব আপোনালোকৰ ওপৰত ন্যস্ত কৰি মোৰ দায়িত্বৰ পৰা অব্যাহতি ললো। গতিকে নাটকখন এখন অসমাপ্ত নাটকৰ পাণ্ডুলিপি পৰ্য্যায়তে সমাপ্ত হ'ল। বিদায়।

অন্য এক পৰশুৰাম

।।।। চৰিত্ৰ।।চৰিত্ৰ।।

ভৱদেৱ কাকতি — দেৱযানী কাকতি

নাট্যকাৰ — অঞ্জলি

অশোক — জুমি

ৰবী

(ইয়াৰ উপৰিও দুই এজন চাকৰি প্ৰাৰ্থী আৰু আৰম্ভণি দৃশ্যৰ বাবে কাৰ্ত্তিক হাজৰিকা সমন্বিতে ন জনমান স্ত্ৰী পুৰুষ।)

(এক অন্ধকাৰ মঞ্চ। মঞ্চৰ ঠিক মাজভাগত এখন সাধাৰণ লিখাৰ টেবুল আৰু টেবুলৰ চাৰিওফালে কেইখনমান হাত নথকা ঠৰঙা চকী প্ৰস্তৰ মূৰ্ত্তিৰ দৰে থিয় হৈ আছে। ধুলি মাকতি পৰি যেন সেইবোৰ বহুদিন অব্যৱহৃত হৈ আছে।

অবিৰত ভাৱে কলিং বেল বাজে। বাহিৰত একাধিত মানুহৰ মাত। মঞ্চ এটা লাইটৰ পোহৰত আলোকিত হৈ উঠিল। খৰধৰকৈ নাট্যকাৰ ভৱদেৱ কাকতি বাহিৰৰ দৰজা খুলিবলৈ অগ্ৰসৰ হ'ল। তেওঁক ঠেলি কেইটামান চৰিত্ৰ হুৰমুৰকৈ সোমাই আহিল। কাকতিক ঘেৰি চৰিত্ৰ কেইটাই প্ৰায় সমস্বৰে কথা কব।)

সকলো ঃ ক'ত? তেখেত ক'ত? তেখেত?

ভৱদেৱ ঃ ৰব, ৰব, আপোনালোকে কাৰ কথা কৈছে? ভুলতে মোৰ ঘৰত পদাৰ্পণ কৰা নাইতো?

সকলো ঃ (একে লগে) নাই, নাই। আমি ভুল কৰিম কিয়? এইটো নাট্যকাৰ ভৱদেৱ কাকতিৰ ঘৰ নহয় জানো?

ভৱদেৱ ঃ হয়।

সকলো ঃ তেনেহলে তেখেতক নেমাতে কিয়? মাতক আকৌ।

ভৱদেৱ ঃ (সংযত কৰি) ৰব, ৰব। আপোনালোকে সমস্বৰে কথা কলে বুজি পোৱাত অসুবিধা হয়।

সকলো ঃ হয় নেকি? তেনেহলে আমাৰ হৈ এই কাৰ্ত্তিক হাজৰিকাই (কাৰ্ত্তিকক দেখুৱাই) কথা কব। এতিয়া নাট্যকাৰ ভৱদেৱ কাকতিক মাতক। (ভৱদেৱ ৰৈ থকা দেখি) ৰৈ আছে কিয়? ভিতৰলৈ যাওক।

ভৱদেৱ ঃ মানে?

সকলো ঃ মানে চানে আমি একো বুজি নাপাও। যাওক তুৰন্তে নাট্যকাৰক মাতি আনক -

ভৱদেৱ ঃ মানে - ময়েই নাট্যকাৰ ভৱদেৱ কাকতি। কওক, মই আপোনালোকক কেনেকৈ সহায় কৰিব পাৰো?

সকলো ঃ ধেৎতেৰি। তাকে নকয় কিয়? নমস্কাৰ। ক্ষমা কৰিব - আপোনাক আমি চিনি পোৱা নাছিলো।

ভৱদেৱ ঃ হব, হব। সেইটো একো ডাঙৰ কথা নহয়। সকলো মানুহকে

সমানে চিনি পোৱাটোও সম্ভৱ নহয়। পিছে মোৰ বহাৰ সজুলি তেনেই সীমিত। সকলোকে বহিবলৈ আসন দিব নোৱাৰি লাজেই পাইছো।

সকলো : কোনো কথা নাই। আমি আপোনাৰ অসুবিধাৰ কথা বুজি পাইছো। চিন্তা নকৰিব - আমি থিয় হৈ থাকিলেও বেয়া নাপাও। অকল কাৰ্ত্তিকদা অৰ্থাৎ কাৰ্ত্তিক হাজৰিকা বহিলেই হব।

ভৱদেৱ : ঠিক আছে, তেনেহলে হাজৰিকা বহক। (কাৰ্ত্তিক হাজৰিকা বহে) এতিয়া কওকছোন, আপোনালোক সদল বলে অহাৰ উদ্দেশ্য?

কাৰ্ত্তিক : উদ্দেশ্য মহৎ।

ভৱদেৱ : তেনেহলে কওক।

কাৰ্ত্তিক : কম। কবৰ বাবেইতো আমিবোৰ সদল বলে আপোনাৰ ওচৰলৈ ঢপলিয়াই আহিছো।

ভৱদেৱ : মই অনুমান কৰিব পাৰিছো। উদ্দেশ্য মহৎ নহলে মোৰ ঘৰলৈ ইমানবোৰ মানুহ হিল দল ভাঙি এনেকৈ অসময়ত -

কাৰ্ত্তিক : আপুনি হয়তো ঠিকেই বুজিছে। শুনক, আমাক এখন নাটক লাগে।

ভৱদেৱ : নাটক? কোনে কৰিব?

সকলো : আমি।

ভৱদেৱ : আপোনালোকে?

সকলো : হয়। আপুনি শুনি হয়তো ভাল পাব যে - আমিবোৰ নাটক বলিয়া মানুহ।

ভৱদেৱ : বুজিলো। আপোনালোকক বা কেনেকুৱা ধৰণৰ নাটক লাগে?

কাৰ্ত্তিক : আপোনাৰ পৰা আমি নতুন প্ৰজন্মৰ কাৰণে এখন আধুনিক শৈলীৰ নাটক বিচাৰিছো। আৰু সেই নাটকৰ চৰিত্ৰ সমূহ ৰূপায়িত কৰিব এওলোকে - (কাৰ্ত্তিক হাজৰিকাই অন্যান্যৰ লগতে দেৱযানী কাকতি, অশোক, অঞ্জলি, ববী আৰু জুমিক ভৱদেৱ কাকতিৰ লগত পৰিচয় কৰাই দিয়ে।)

ভৱদেৱ : বেছ ভাল কথা। (কিছু চিন্তা কৰি) পিছে মই ভবা চৰিত্ৰটোত

অভিনয় কৰিব কোনে? (কাৰ্ত্তিকলৈ চাই) আপুনি?

কাৰ্ত্তিক : (অলপ ইতঃস্ত কৰি) মই - মই পৰিচালনাহে কৰো, পিছে মই অভিনয় কৰিব নোৱাৰো বুলি নাভাবিব। আছে - আমাৰ মাজত ভাল অভিনয় কৰিব পৰা বহুতো যোগ্য ব্যক্তি আছে। তেওঁলোকৰ ভিতৰত এজনক চাই বুজি দিব লাগিব।

ভৱদেৱ : (দৃঢ়তাৰে) নোৱাৰে। তেনে মানুহৰ হতুৱাই মই ভবা চৰিত্ৰটোৰ অভিনয় কৰাব নোৱাৰে।

কাৰ্ত্তিক : তেনেহলে নাটক কেনেকৈ হব?

ভৱদেৱ : হব। খুব হব। সেই চৰিত্ৰটোত মই নিজেই অভিনয় কৰিম।

সকলো : আপুনি?

ভৱদেৱ : আচৰিত নহব। মই অকল নাট্যকাৰেই নহও - এজন ভাল অভিনেতাও।

কাৰ্ত্তিক : খুউব ভাল কথা। আমাৰ ফালৰ পৰা কোনো আপত্তি নাই -

ভৱদেৱ : (খাৰাংখাচ) আপত্তি থাকিলেও নৰজিব। কাৰণ ভুল আপোনালোকৰেই। আপোনালোক সকলো আহিল, নাটক লিখিবলৈ মোক খাটনি ধৰিলে - অথচ নাটকৰ মূল চৰিত্ৰত অভিনয় কৰিব লগা অভিনেতাজনক আপোনালোকৰ লগত নানিলে। সেই অভিনেতাজনৰ ছবি মোৰ চকুৰ আগত ভাহি নেথাকিলে মই আপোনালোকে বিচৰা নাটকখন লিখিম কেনেকৈ?

কাৰ্ত্তিক : আপুনি ঠিক কথা কৈছে। আমিহে কথাটো 'চিৰিয়াচলি' চিন্তা নকৰিলো। আমাৰ ভুল হৈ গ'ল, ক্ষমা কৰিব।

ভৱদেৱ : ঠিক আছে, ঠিক আছে। ক্ষমা নকৰা হলে মই আপোনালোকৰ তাগিদাত নাটক লিখিবলৈ আগ নেবাঢ়িলোহেতেন।

কাৰ্ত্তিক : আপুনিযে ইমান উদাৰ ! আপোনাক আমি কি বুলি ধন্যবাদ জনাও?

ভৱদেৱ : হব, হব। ইমান আগতীয়াকৈ ধন্যবাদ জনাব নালাগে। কামটো মনঃপুত হোৱাৰ পিছত ফুলৰ মালা পিন্ধালেও প্ৰত্যাখান নকৰো। এতিয়া মোক ভাবিবলৈ সুবিধা দিয়ক। আপোনালোকক বিদায়

দিয়াৰ পিছতহে মই সেই কাম কৰিব পাৰিম।
(কাৰ্ত্তিক হাজৰিকা বহাৰ পৰা উঠে)

সকলো ঃ তেনেহলে আপুনি চিন্তা ভাবনা কৰক। আমি পলম নকৰো। এতিয়া বিদায় ললো। পাণ্ডুলিপি নিবলৈ পুনৰ আহিম।

ভবদেৱ ঃ সকলো আহিব নালাগে। অকল হাজৰিকা আহিলেই হব।

সকলো ঃ হব। আপুনি বিচৰা মতেই হাজৰিকা আহি নাটকৰ পাণ্ডুলিপি লৈ যাব। এতিয়া বিদায়। (সকলোৱে ভৱদেৱ কাকতিক নমস্কাৰ জনাই বিশিষ্ট ভঙ্গীৰে এজন এজনকৈ প্ৰস্থান। ভৱদেৱ বহিল। ভাবিলে। লিখিবলৈ কাজত কলম উলিয়াই ললে। লিখা আৰম্ভ কৰিলে। মঞ্চ লাহে লাহে অন্ধকাৰ হৈ গ'ল। যেতিয়া পোহৰ হ'ল, তেতিয়া ভৱদেৱ কাকতি নাই। মঞ্চ শূন্য। অন্ধকাৰৰ মাজত নাট্যকাৰৰ কণ্ঠস্বৰ। মঞ্চৰ কেন্দ্ৰবিন্দুত থিয় হৈ থকা ভৱদেৱ কাকতিৰ ছাঁয়া মূৰ্ত্তিহে দৰ্শকৰ চকুত পৰিব।)

নাট্যকাৰ ঃ আপুনি কোন?

ভৱদেৱ ঃ (নিৰুত্তৰ)

নাট্যকাৰ ঃ (আক্ৰমনাত্মক সুৰেৰে) উত্তৰ নিদিয়ে কিয়? আপোনাৰ নাম কি?

ভৱদেৱ ঃ ভৱদেৱ কাকতি।

নাট্যকাৰ ঃ ভৱদেৱ কাকতি। নাট্যকাৰ?

ভৱদেৱ ঃ হয়।

নাট্যকাৰ ঃ আপুনি তাত কি কৰিছে?

ভৱদেৱ ঃ থিয় হৈ আছো।

নাট্যকাৰ ঃ কিয়? কিহৰ অপেক্ষাত?

ভৱদেৱ ঃ আপোনাৰ কিয়ৰ উত্তৰ দিয়াটো একে উশাহতে সম্ভৱ নহয়। অন্ততঃ 'গডো'ৰ অপেক্ষাত নহয়।

নাট্যকাৰ ঃ আপোনাৰ পৰিয়ালবৰ্গ?

ভৱদেৱ ঃ আছে। সকলো আছে। কিন্তু এই মুহূৰ্ত্তত মই অকলে। লগত মোৰ কোনো নাই।

নাট্যকাৰ ঃ কিয়?

ভৱদেৱ ঃ অসম্ভৱ। অন্ধকাৰৰ মাজত অকলে থিয় হৈ থকাৰ কৈফিৎ আপুনি দৰ্শকক দিব লাগিব। অন্যথা -

ভৱদেৱ ঃ অন্যথা কি?

নাট্যকাৰ ঃ মোৰ লগত শত্ৰুতা আচৰণ নকৰিব। সেই উদ্দেশ্যৰে মই আপোনাক মঞ্চৰ মধ্যস্থানত এইদৰে উপস্থাপন কৰা নাই। নাটকৰ চৰিত্ৰৰ দৰে আপুনি আচৰণ কৰিলৈ শিকক।

ভৱদেৱ ঃ ক্ষমা কৰিব, মই লক্ষণ ৰেখা অতিক্ৰম কৰি গৈছো নে কি বাৰু?

নাট্যকাৰ ঃ নাই। কিন্তু আপুনি সেই ৰেখা অতিক্ৰম কৰাৰ উপক্ৰম কৰিছে -

ভৱদেৱ ঃ তাৰ মানে মই আপোনাৰ নিৰ্দ্দেশত পুতলাৰ দৰে নাচিব লাগিব?

নাট্যকাৰ ঃ ননচেঞ্চ। কোনে কলে আপোনাক পুতলাৰ দৰে নাচিবলৈ? নালাগে। সেইবোৰৰ ওচৰ সীমালৈ আপুনি যাব নেলাগে। (সৈমান কৰাবলৈ চেষ্টা কৰি) আপুনি মাথোন সঁচা কথা কব - সত্যক প্ৰতিনিধিত্ব কৰিব। বাস্তৱ সত্য।

ভৱদেৱ ঃ কেনেকৈ?

নাট্যকাৰ ঃ এই নাটকৰ দেউতাকৰ মুখ্য চৰিত্ৰত অভিনয় কৰি। আপোনাৰ সংসাৰখনৰ সঁচা ছবিখন দৰ্শকৰ আগত দাঙি ধৰি।

(অলপ সময় নীৰৱতা। তাৰ পিছত অন্ধকাৰত নাট্যকাৰৰ কণ্ঠস্বৰ ভাঁহি আহিল।)

নাট্যকাৰ ঃ আপুনি মনে মনে থাকিল যে ভৱদেৱ কাকতি? মোৰ প্ৰস্তাব অনুসৰি কাম কৰিবলৈ আপুনি নিজকে প্ৰস্তুত কৰিব পৰা নাই নেকি?

ভৱদেৱ ঃ মোৰ সততাৰ ওপৰত সন্দেহ নকৰিব। আন্তৰিকতাৰে সেই চৰিত্ৰ ৰূপায়নৰ বাবে মই সাজু আছো। বাস্তৱ সত্যক দাঙি ধৰিবলৈ মই অকণো কুণ্ঠাবোধ নকৰো।

নাট্যকাৰ ঃ ধন্যবাদ। সেই প্ৰতিশ্ৰুতিকেই মই আপোনাৰ পৰা আশা কৰিছিলো। তেনেহলে সাজু হওক - 'গেট ৰেডি'।

(লাহে লাহে মঞ্চ আলোকিত হ'ল, কিন্তু সম্পূৰ্ণৰূপে নহয়। ভৱদেৱ কাকতি আৰু তেওঁৰ কাষত শাৰীপাতি পত্নী দেৱযানী, বৰপুত্ৰ অশোক, বোৱাৰীয়েক অঞ্জলি, কনিষ্ঠ পুত্ৰ ববী আৰু জীয়েক জুমি। চৰিত্ৰ কেইটা প্ৰস্তৰ মূৰ্ত্তিৰ দৰে থিয় হৈ থাকিব। তেওঁলোকৰ শূন্য দৃষ্টি চিধা চিধিভাৱে দৰ্শকৰ মূৰৰ ওপৰেদি পাৰ হৈ গৈ (প্ৰেক্ষাগৃহৰ বিপৰীত ফালৰ দেৱালত বিচ্ছুৰিত হৈ পৰিছে। নাট্যকাৰে দৰ্শকৰ ফালে দৃষ্টি নিক্ষেপ কৰিলে। এবাৰ সকলোলৈকে চাই ক্লান্ত অধ্যাপকৰ দৰে এক ঘেঁয়ামি সুৰত কৈ যাবলৈ ধৰিলে।)

নাট্যকাৰ ঃ এয়া ভৱদেৱ কাকতিৰ সংসাৰ। পত্নী দেৱযানী, বৰপুত্ৰ অশোক, বোৱাৰী অঞ্জলি, কনিষ্ঠ পুত্ৰ ববী আৰু একমাত্ৰ জীয়ৰী জুমি। এওলোক আটায়েই মধ্যবিত্ত পৰিয়ালৰ সদস্য। এওলোক শিক্ষিত যদিহে ডিগ্ৰীক শিক্ষা বুলি ধৰি লোৱা হয়। এওলোক ভদ্ৰ পৰিয়ালৰ সন্তান। কাৰণ ভৱদেৱ কাকতি সৎ ব্যক্তি বুলি সমাজত এটা নাম আছে। বিএ পাচ কৰাৰ পিছতেই কাকতি PWD অফিছত হেড্‌ক্লাৰ্ক হিচাপে চাকৰিত সোমাইছিল। বাহিৰা ধনৰ অবাধ আমদানি ঘটা সেই চাকৰিৰ মোহে তেওঁক বান্ধি ৰাখিব নোৱাৰিলে। নৈতিক প্ৰমূল্যবোধৰ স্খলন ঘটিব বুলি আশঙ্কা কৰি দেৰ বছৰ পূৰ্ণ নৌহওতেই তেওঁ সেই চাকৰিৰ পৰা ইস্তফা দি স্থানীয় চৰকাৰী হাইস্কুলৰ সহকাৰী শিক্ষক হিচাপে নিয়োজিত হ'ল। নিষ্ঠা আৰু আন্তৰিকতাৰে শিক্ষকতা কৰি শেষত সেই স্কুলৰে অধ্যক্ষ পদলৈ কাকতিৰ পদোন্নতি হ'ল। সুখ্যাতিৰে সুদীৰ্ঘ চাৰিটা বছৰ সেই কাম চম্ভলাৰ পিছত সেই পদৰ পৰাই তেওঁ অৱসৰ গ্ৰহণ কৰিলে। চাকৰিৰ পৰা বিদায় লোৱাও আজি দহবছৰ পাৰ হৈ গল। চাকৰি কালত কাকতিয়ে ঘৰখনৰ বাবে কোনো কামেই নকৰিলে বুলি পৰিয়ালৰ সদস্য সকলৰ এটা অভিযোগ সততে শুনিবলৈ পোৱা যায়। সি যি কি নহওক সেইবোৰ কথাত বিচলিত হোৱা ব্যক্তি ভৱদেৱ কাকতি নহয়।

(দেৱযানী, অশোক, অঞ্জলি আতৰি গ'ল। লগে লগে ববী আৰু জুমিও। কিন্তু সিহঁতৰ চকুত যন্ত্ৰণা, পদক্ষেপত ক্লান্তি।)

নাট্যকাৰ ঃ এওলোকৰ জীৱনত হয়তো নাটক আছে। সেই নাটক হয়তো ৰচনা কৰিব কোনোবা শক্তিশালী নাট্যকাৰে অনাগত ভবিষ্যতত। সদ্যহতে মই এখন নাটক লিখিছো। সাধাৰণ নাটক। মই নাজানো নিষ্পীড়িত জনসাধাৰণৰ কথা। আৰু নেজানো খাতি খোৱা মানুহ - যি ৰিক্তহস্ত সৰ্ব্বস্ব - দৈনন্দিন জীৱনত অভাৱ, অভিযোগ, হতাশা আৰু বেদনাৰ মাজত ককবকাই থকা হতভগীয়াৰ মনৰ কথা। কল-কাৰখানা, চাহবাগিচা, কয়লাখনিৰ কোনো বনুৱা মজদুৰকো চিনি নাপাও। কপালৰ ঘাম মাটিত পেলাই খেতিবাতিত জীৱন উছৰ্গা কৰা খেতিয়কৰো মই নিচিনো। মোৰ চাৰিওফালে যিবোৰ মানুহ মই দেখিছো, তেওঁলোক সকলোৱেই অনাটকীয়।
তেওঁলোক ভৱদেৱ কাকতি, দেৱযানী, অশোক, অঞ্জলি, ববী আৰু জুমি।

(পোহৰ নুমাই গ'ল। সম্পূৰ্ণ অন্ধকাৰ।)

মিলিত কণ্ঠস্বৰঃ আমিবোৰ ভৱদেব কাকতি, দেৱযানী, অশোক, অঞ্জলি, ববী আৰু জুমি। (অন্ধকাৰ মঞ্চত চেপা খাই নিৰ্গত হোৱা ফুচফুচনিৰ মিলিত কণ্ঠস্বৰ। প্ৰতিধ্বনিৰ নিচিনা।)

মিলিত কণ্ঠস্বৰঃ ভৱদেব কাকতি, দেৱযানী, অশোক, অঞ্জলি, ববী আৰু জুমি।
ভৱদেব দেৱযানী
অশোক অঞ্জলি
ববী আৰু জুমি
জুমি।
ববী।
জুমি।
ববী।

(আৱহ সঙ্গীতৰ প্ৰচণ্ড আঘাতত কণ্ঠস্বৰ তল পৰি গল। জ্বলি

উঠিল সাধাৰণ পোহৰ। শূন্য মঞ্চ। আবহ সঙ্গীত যেনেকৈ হঠাতে আৰম্ভ হৈছিল, ঠিক তেনেকৈ হঠাতে বন্ধ হৈ গ'ল। সাধাৰণ পোহৰৰ মাজেৰে যেন দেৱযানী কাকতিয়ে ভিতৰৰ পৰা গৈ সন্মুখৰ দৰজাৰ হুক খুলি দিয়ে। লগে লগে ববীৰ প্ৰৱেশ। তাৰ পচিশ বছৰীয়া চেহেৰাৰ কোনো বিশেষত্ব হয়তো দৰ্শকৰ চকুত ধৰা নকৰিব। কিন্তু ববীৰ ভাব ভঙ্গী আৰু কথা বতৰাত কম বয়সৰ চপলতা পৰিস্ফুট হৈ উঠে। ববী সোমোৱাৰ লগে লগে দেৱযানী কাকতিয়ে আক্ৰমণ কৰাৰ নিচিনাকৈ ববীক কয়।)

দেৱযানী ঃ ঘৰত কেইজনী চাকৰণী আছে তোৰ আলপৈচান ধৰিবলৈ? কিমান কৈছো সোনকালে ঘৰলৈ আহিবলৈ। কিন্তু মাৰৰ কথা শুন জানো? সোনকালে অহাটো দূৰৰ কথা - আগতকৈয়ো পলমহে হৈছে দেখোন। কি কামত ব্যস্ত থাক ৰাতি দুপৰলৈকে? যি কামতেই ব্যস্ত নাথাক কিয় - মই আৰু নোৱাৰো। মাজ নিশা তোক দুৱাৰ খুলি দিবলৈ এই বয়সত শৰীৰে আৰু নুকুলায় - শুনিছনে নাই?

ববী ঃ (মাকক ফুচুলাই) তোমাৰ এই পুৰণা ৰেকৰ্ডখন মই আৰু কিমান দিন শুনিম মা? (লেনিয়াই) তুমিতো নাজানা মা বৰ্ত্তমান প্ৰায় তিনি কোটিৰ ওচৰ চপা অসমৰ জন সংখ্যাৰ ১৪ নিযুতেই হ'ল ১৮ বছৰ আৰু ৩৫ বছৰৰ মাজৰ চফল ডেকা। এওলোকৰ ভিতৰত ৯ নিযুত হ'ল সাক্ষৰ। এই ৯ নিযুতৰ এক বুজন সংখ্যক যুৱকেই হ'ল মোৰ দৰে বেকাৰ, নিষ্কৰ্মা। (কথাৰ সুৰ বদলি কৰে) এই ঘৰখনত তোমাৰ বাহিৰে মোৰ দৰে এটা বেকাৰৰ কথা চিন্তা কৰা মানুহ কোনো নাই মা। মোৰ কথা চিন্তা কৰিবলৈ তুমি আছা কাৰণেই মই পলমকৈ আহো। খং নাখাবা আকৌ সেই বুলি মই ইচ্ছা কৰি পলমকৈ নাহো - পলম হৈ যায়। বন্ধ ঘৰত অকলশৰীয়াকৈ চিন্তা ভাৱনা কৰি থকাতকৈ মোৰ বেকাৰ বন্ধুকেইটাৰ লগত আড্ডা মাৰি সময় কটাই তৃপ্তি পাওঁ মা -

দেৱযানী ঃ হৈছে হৈছে মোৰ আগত লেকচাৰ মাৰিব নেলাগে। টেবুলত ভাত

ঢকা আছে। মুখ হাত ধুই চুপে চাপে ভাত কেইটা খাই শুই থাকগৈ। ৰাতি বহুত হ'ল। মই যাওঁ।

(দেৱযানী ভিতৰ সোমায়। লগে লগে ববীয়ো। অন্ধকাৰ। ক্ষীণ পোহৰৰ মাজত ভিতৰৰ পৰা ভবদেব কাকতিৰ প্ৰৱেশ। মুখত শিক্ষক সুলভ গাম্ভীৰ্য্য। পদুলিত এখন গাড়ী ৰোৱাৰ শব্দ। কাকতি সচকিত হৈ উঠে। সময় ৰাতি ন মান বাজি গৈছে। বাহিৰৰ পৰা জুমিৰ প্ৰৱেশ। তাইৰ প্ৰকাশ ভঙ্গীত দ্বিধা আৰু ভীতিগ্ৰস্ততা পৰিস্ফুট নহয়। তাই ভিতৰ সোমাবলৈ উদ্যত হয়।)

ভবদেব ঃ ৰ - জুমি। মোৰ কথাৰ উত্তৰ নিদিয়াকৈ তই আজি ভিতৰ সোমাব নোৱাৰ। (দেউতাকৰ বাধা নেওচি তাই ভিতৰ সোমাব খোজে।) (খঙেৰে) মই কি কৈছো - তই শুনা নাই নেকি?

জুমি (বৈ) শুনিছো, কোৱা কি কব লাগে?

ভবদেব কোনে তোক ড্ৰপ কৰি গ'ল? মানুহজনৰ নাম কি?

জুমি (আচৰিত হৈ) মানুহ?

ভবদেব মানুহ নহয় যদি কি?

জুমি ল'ৰা। মোৰ বন্ধু।

ভবদেব তোৰ বন্ধুৰ নাম নাই নেকি?

জুমি আছে, পিছে তোমাক কিয় লাগে?

ভবদেব মোৰ আজি প্ৰয়োজন হৈছে।

জুমি কি আচৰিত। ইমান দিনে তোমাৰ নামৰ প্ৰয়োজঁন নহল - আজি হঠাতে যে তোমাৰ নামটোৰ প্ৰয়োজন হ'ল।

ভবদেব ঃ (ধমকি দি) জুমি, আজে-বাজে কথা নকবি। মই যি সুধিছো তাৰ উত্তৰ দে।

জুমি ঃ তুমি গৰম হৈছা কিয় পাপা? .... তেওঁৰনাম হ'ল বিমল আগৰৱালা। মোৰ বি কমৰ ক্লাছ ফ্ৰেণ্ড। এতিয়া হ'লতো?

ভবদেব ঃ কিন্তু এটা মাৰোৱাৰী ল'ৰাৰ লগত তোৰ কি সম্পৰ্ক থাকিব পাৰে?

জুমি ঃ কিয় মাৰোৱাৰী মানুহ নহয় নেকি? আজি কালি বঙালী, অসমীয়া,

উৰিয়া, বিহাৰী, মাৰোৱাৰী, সিন্ধী, মাৰাঠী, হিন্দী, তামিল এইবোৰ বাচ বিচাৰ কৰিলে মানুহে দেখোন তোমাক গোড়া অসমীয়া বুলি হাঁহিব।

ভৱদেব ঃ (দৃঢ়তাৰে) মানুহে হাঁহালে মই ভয় নকৰো।

জুমি ঃ নকৰিলে কেনেকৈ হব? তুমিতো এইখন সমাজৰে মানুহ।

ভৱদেব ঃ মোৰ কথা তই চিন্তা কৰিব নেলাগে। মই যিটো সুধিছো তাৰ উত্তৰ দে।

জুমি ঃ উত্তৰ দিলোৱেই দেখোন। আৰু কি দিব লাগে?

ভৱদেব ঃ সেই ল'ৰাটোৰ লগত তোৰ কি সম্পৰ্ক থাকিব পাৰে?

জুমি ঃ সম্পৰ্ক? কিয় নোৱাৰে। পঢ়া শুনা, মিলা মিছা - সকলো ফালৰ পৰাই সম্পৰ্ক থাকিব পাৰে। কাৰণ বিমল মোৰ ক্লাছ ফ্ৰেণ্ড।

ভৱদেব ঃ সহপাঠি হ'ল বুলিয়েই তাৰ লগত ৰাতিলৈকে ঘূৰি ফুৰাৰ অনুমতি তোক কোনে দিলে?

জুমি ঃ কোনে দিব লাগে আকৌ? অনুমতি লব লাগে বুলিতো মই ভবা নাই।

ভৱদেব ঃ কিয়? কিয় ভবা নাই?

জুমি ঃ সঁচা কথা কবলৈ গলে - বিমলৰ লগত মোৰ এটা affair চলি আছে।

ভৱদেব ঃ (আচৰিত হৈ) affair? কিহৰ affair?

জুমি ঃ অৰ্থাৎ তুমি বুজাকৈ কবলৈ গলে বিমলে মোক ভাল পায়। ময়ো তেওঁক ভাল পাওঁ।

ভৱদেব ঃ Stop it ! নিলৰ্জ্জ কৰবাৰ। তেনেকৈ কবলৈ লাজ লগা নাই?

জুমি ঃ লাজ? কিহৰ লাজ? মইতো ঘোঁকট গাঁৱৰ ছোৱালী নহয় যে সঁচা কথা কবলৈ লাজ পাম।

ভৱদেব ঃ কিন্তু তই পাহৰি নাযাবি জুমি, তোৰ দেউতাৰৰ সংস্কাৰৰ শিপাদাল সেই গাঁৱৰ বোকা পানীতেই লুতুৰি পুতুৰি হৈ আছিল। মোৰ মগজে আজি ঢুকি পোৱা নাই, কেনেকৈ তই দেউতাৰৰ সেই

সংস্কাৰৰ কথা পাহৰি পেলাব পাৰিলি। তই নিজকে সেই সংস্কাৰ বহির্ভূত প্রাণী হিচাপে কেনেকৈ গণ্য কৰিব পাৰিলি?

জুমি : (কথাৰ সুৰ কোমল কৰি) পাপা, মোৰ কথাবোৰ শুনি যদি তোমাৰ ভাল লগা নাই, তেনেহলে মই আৰু কথা নকও। মুখ বন্ধ কৰিলো। শুভ নাইট - পাপা।

(তীব্র বেগেৰে জুমি ভিতৰলৈ সোমাই গল। ভৱদেবে তাই যোৱাৰ ফালে এক বুজিব নোৱাৰা চাৱনিৰে চাই থাকে। নাট্যকাৰৰ মাত।)

নাট্যকাৰ : চাইছে? কি চাইছে? লাভ নাই। এই বয়সত অনৰ্থক টেনচন লৈ লাভ নাই। জুমি আৰু বিমল। ঘূৰি ঘূৰি সিহঁত বহুদূৰ আগুৱাই গৈছে। বহুদূৰ। সিহঁতে বিয়াও কৰিব পাৰে। তাৰ পিছত? ঘূৰিব। সিহঁতৰ বিয়া নহবও পাৰে। তেনেহলে? ঘূৰিব। এক অন্তহীন ঘূৰণ। ই এটা অংক। আবৰ্ত্তনৰ অংক। পূৰা অংকটোৰ উত্তৰ শূন্য।

(সংলাপ কৈ থকাৰ লগে লগে মঞ্চৰ পোহৰ ক্রমে কমি আহে। ভৱদেৱ কাকতি সেই পোহৰত অদৃশ্য হৈ যায়। ইতিমধ্যে আৰু তিনি চাৰিজন মান প্রার্থী আহি দুৱাৰৰ বাহিৰত থকা চকী আৰু বেঞ্চত বহেহি। সিহঁতৰ সাজ-পোছাক পৰিপাতি। ঘণ্টা বাজিল। এজন উঠি কোঠাত সোমাল। বাহিৰত বহি থকা আন কেইজন প্রার্থীয়ে তেতিয়া কথা পাতিছে।)

প্রার্থী : সৌ সিদিনা কেবিনেটত পুনৰবাৰ ভৰ্ত্তি কৰোৱা তীখা মন্ত্রীজনৰ নামটো জানেনে?

ববী : সেইবোৰ জানি লাভ নাই।

প্রার্থী : কিয়?

ববী : এইবোৰ আনক দেখুৱাবৰ বাবে। বিৰূপ সমালোচনাৰ পৰা সাৰিবৰ বুদ্ধি। আচল প্রার্থী ঠিক হৈ আছে।

প্রার্থী : আপুনি ঠিকেই কৈছে। ইয়াৰ আগেয়ে আপুনি কেইবাৰ ইণ্টাৰভিউ দিলে?

ববী : এইবাৰ সৈতে পাচ বাৰ হব। আপুনি একা?

প্ৰাৰ্থী : এইবাৰৰ সতে তিনি বাৰ হ'ব।

ববী : কিবা খবৰ পাইছে?

প্ৰাৰ্থী : এঠাইৰ পৰা এখন ৰিগ্ৰেট লেটাৰ পাইছিলো।

ববী : আপুনি বৰ লাকী।

প্ৰাৰ্থী : কেনেকৈ?

ববী : অন্ততঃ আপুনি এখন ৰিগ্ৰেট লেটাৰেই পাইছিল। মোৰ ভাগ্যত কিন্তু তাকো নুজুতিল।

প্ৰাৰ্থী : চব ধাপ্পাবাজী বুজিলে?

ববী : আৰু কি? মোৰ কিন্তু এইটোৱেই লাষ্ট ইণ্টাৰভিউ। সঁচা কথা কবলৈ 'ফেডআপ' বুজিছে। আৰু ধৈৰ্য্য নাই। দেউতাই ৰিটায়াৰ কৰা কেইবা বছৰো হ'ল। চাকৰি এটাৰ অত্যন্ত দৰকাৰ আছিল।

প্ৰাৰ্থী : সকলোৰে একেই সমস্যা। পিছে ইণ্টাৰভিউ নিদিয়াকৈ চাকৰি পাব জানো?

ববী : চাকৰিৰ আশা চিৰদিনৰ কাৰণে বাদ দিম। পাৰিলে সৰু সুৰা কিবা এটা বিজনেচেই আৰম্ভ কৰিম।

প্ৰাৰ্থী : পিছে বিজনেছ কৰিবলৈ টকাৰ দৰকাৰ। টকা আছে জানো?

ববী : নাথাকিলেও কিবা এটা ব্যৱস্থা কৰিব লাগিব। মিছা আশা বুকুত বান্ধি জীয়াই থকাটো অসহ্য বুজিছে।

(এনেতে ঘণ্টা বাজে। পোহৰ নিষ্প্ৰভ হৈ অহাৰ লগে লগে নাট্যকাৰৰ মাত স্পষ্ট হৈ উঠে।)

নাট্যকাৰ : ঘণ্টা বাজিছে। আকৌ বাজিব। তথাপি পৃথিবীৰ মানুহবোৰ আছে। মানুহৰ সংসাৰবোৰ আছে। ভৱদেৱ কাকতিৰ নিচিনা মানুহবোৰৰ সংসাৰ। মধ্যবিত্তৰ সংসাৰ। ভৱদেৱ কাকতিয়ে ৰিটায়াৰ কৰা দহ বছৰ পাৰ হ'ল। তেওঁৰ বৰপুত্ৰ আশোকে চাকৰি কৰে। চৰকাৰী চাকৰি। ল'ৰা ডাঙৰ, কিন্তু চাকৰি ডাঙৰ নহয়। সৰুপুত্ৰ ববীয়ে চাকৰি বিচাৰি হাবাথুৰি খাই ফুৰিছে। পাঁচ বাৰকৈ ইণ্টাৰভিউ দিয়ো চাকৰি এটা যোগাৰ কৰিব পৰা নাই। বেচেৰা হতাশাত ভাগৰি

পৰিছে। দুচকুত গভীৰ স্বপ্ন লৈ কিবা এটা কৰাৰ বাসনা লৈ কলেজীয়া শিক্ষা সাং কৰি ওলাই অহা হাজাৰ-বিজাৰ যুৱক-যুৱতীৰ মাজৰে এজন ৰবী কাকতি। তথাপি ৰবী আছিল আনবোৰত কৈ ব্যতিক্রম ধর্মী ছাত্র। ডিষ্টিংছন লৈ সি বি এ পাছ কৰিছিল। জীৱনটো ৰঙীন ৰঙীন লগা হৈছিল ঠিক বহাগত ফুলি উঠা কৃষ্ণচূড়া গছজোপাৰ দৰে। প্ৰথম কিছু দিনলৈ সি পৰম উৎসাহেৰে চাকৰিৰ সন্ধান পালেই আবেদন কৰিছিল। চাকৰিৰ ক্ষেত্ৰত নিৰাশ হলেও তাৰ অন্তৰত হতাশাৰভাবে ঠাই নলৈছিল। পিছে লাহে লাহে তাৰ জীৱনলৈ নামি আহিল নিৰ্ম্মম বাস্তব - সপোন ভগাৰ সময় সমাগত। নিৰ্ম্মম বাস্তৱৰ কবলৰ পৰা সি মুক্ত হয় কেনেকৈ? তাৰ সন্মুখৰ পথ যে তেনেই অন্ধকাৰ। সেই অন্ধকাৰৰ মাজতো সি পোহৰৰ এক সন্ধান পায়। আকাশৰ এটা কোণত সোণালী ৰঙৰ আভা দেখিবলৈ পায়। তাৰ কোলাত মূৰ থৈ ধনীৰ দুলাৰী প্ৰিয়ংকাই জীৱনক ভাল পাবলৈ বিচাৰে।

(পোহৰ পৰিবৰ্ত্তন হয়। সেই পৰিবৰ্ত্তিত পোহৰৰ মাজত নাট্যকাৰৰ সংলাপ বন্ধ হয়। নিৰ্জ্জন পৰিবেশত মুখামুখি অৱস্থাত নাট্যকাৰ আৰু ৰবী উদ্ভাষিত হৈ উঠে।)

নাট্যকাৰ ঃ কিহে ৰবী, আজি বহুত দিনৰ মূৰত তোমাৰ লগত মোৰ ভেটাভেটি। আজি কালি ক'ত থাকা, কি কামত ব্যস্ত থাকা?

ৰবী ঃ ক'ত ব্যস্ত থাকিম আৰু। ক'তো নাই। এক ভৱঘূৰে জীৱন।

নাট্যকাৰ ঃ ইমান দিনে কাম এটাও যোগাৰ কৰিব নোৱাৰিলা নে কি?

ৰবী ঃ সেইটোতো আপুনি অনুমান কৰিব পাৰিছেই। পিছে হোৱাৰো আশা নাই।

নাট্যকাৰ ঃ তেনেকৈ হতাশ হৈ নপৰিবা। মনোবল ঠিক ৰাখিবা। শেষত দেখিবা জয় তোমাৰেই।

ৰবী ঃ আপুনি কিন্তু জেক মৰাত ওস্তাদ আছে। দেখিলেহে লিখিম - কপালত জয়েই আছেনে পৰাজয়েই আছে। সেইটো সময়েহে কব।

নাট্যকাৰ : ঠিক আছে। সময়ত মোলৈ মনত পেলাবা। পিছে সময়বোৰ কেনেকৈ পাৰ কৰিছা?

ববী : আজি কালি সময়বোৰ কেনেকৈ পাৰ হৈ যায় মই কবই নোৱাৰো।

নাট্যকাৰ : অৰ্থাৎ?

ববী : আপুনিও যে? সেইটোও বুজাই কব লাগিবনে?

নাট্যকাৰ : নকলে মই কেনেকৈ বুজিম? মইতো সৰবজান নহয়।

ববী : সৰবজান বুলি কোনে কৈছে? আপুনি অৰ্ন্তযামী - আপুনি অৰ্ন্তদৃষ্টি থকা লোক। অৰ্থাৎ আপুনি লিখক - আপুনি নাট্যকাৰ। আপুনি আনৰ অন্তৰৰ কথা বুজি পায় - দুখ বেদনা আনন্দ তৃপ্তি সকলো। অথচ আপুনি একো নজনাৰ ভাও ধৰিছে।

নাট্যকাৰ : মই নাজানো কাৰণেহে নাজানো বুলি কৈছো। বিশ্বাস কৰা- সঁচাই মই নাজানো।

ববী : মই কবলৈ বিচাৰিছো - পিংকীৰ কথা। তাইৰ সান্নিধ্যত আজি কালি দিনবোৰ কেনেকৈ পাৰ হৈ যায় মই নিজেই নাজানো।

নাট্যকাৰ : (আচৰিত হৈ) পিংকী? কোন পিংকী? আগে পিছে তোমাৰ মুখততো মই তেওঁৰ নাম লোৱা শুনা নাই।

ববী : পিংকী মানে প্ৰিয়ংকা। চহৰৰ নাম্বাৰ ওৱান বিজনেছ টাইকুন ইন্দ্ৰকমল হাজৰিকাৰ ছোৱালী।

নাট্যকাৰ : হয় নেকি? তুমি এইবাৰ ডাঙৰ বস্তুত হাত দিছাগৈ দেখোন। মই আকৌ মেঘালী বুলিহে ভাবিছিলো? তেওঁৰ কি হ'ল?

ববী : বেকাৰ এটাৰ লগত কোন ছোৱালীয়ে সময় নষ্ট কৰি ভাল পাব? মোৰ কম্পেনী ভাল নলগা হ'ল আকৌ। শুনিছো, এইবাৰ নিজৰ choice ৰ এটাক বাছি লৈছে।

নাট্যকাৰ : মেঘালী গ'ল - প্ৰিয়ংকা আহিল। বহুত কিবা কিবি ঘটি গ'ল। মইহে একো গম নেপালো।

ববী : কোন আহিল গ'ল - সেইবোৰ জানিনো আপুনি কি কৰিব? আপোনাৰ ইমান 'ইন্টাৰেষ্ট' কিয়?

নাট্যকাৰ : কাৰণ এই নাটকৰ তুমি ঘাই নায়ক। তোমাৰ জীৱনৰ ঘাত-প্ৰতিঘাত, গতি প্ৰকৃতিৰ বিষয়ে মই প্ৰতি পদে পদে জানিব লাগিব। তোমাৰ জীৱনৰ লগত মই যোগসূত্ৰ ৰক্ষা কৰিব নোৱাৰিলে তোমাৰ চৰিত্ৰ অংকনত মোৰ ক্ৰুটী ৰৈ যাব। পিছে প্ৰিয়ংকাৰ পৰা কিবা গেৰাণ্টী পাইছা নেকি?

ৰবী : কি গেৰাণ্টীৰ কথা কৈছে আপুনি?

নাট্যকাৰ : (ভ্ৰূকুটি কৰি) অৰ্থাৎ কিমান দিনলৈকে তোমাৰ লগত 'টাইমপাছ' কৰাৰ কথা ভাবিছে বা?

ৰবী : প্ৰিয়ংকাক আপুনি ইমান 'চিপ' বুলি নাভাবিব। হব পাৰে তাই ধনীৰ দুলাৰী, কিন্তু জীৱন সম্বন্ধে তাইৰ এক নিজস্ব দৃষ্টি ভঙ্গী আছে। জীৱন সম্পৰ্কীয় যিকোনো কথাৰ প্ৰতি তাই বৰ চিৰিয়াছ।

নাট্যকাৰ : বুজিলো। কিন্তু প্ৰিয়ংকাক আন ছোৱালীতকৈ ব্যতিক্ৰম বুলি কেনেকৈ ভাবিব পাৰিলা?

ৰবী : সেইটো মই তাইৰ সান্নিধ্যলৈ অহাৰ পিছৰে পৰাই ধৰিব পাৰিছো।

নাট্যকাৰ : সেইটো মই বুজি পাইছো। কিন্তু তোমালোকৰ এৰা এৰি ধৰা ধৰিৰ খেলা খন চাই পেটে পেটে মোৰ বৰ হাঁহি উঠে। ৰং পাও।

ৰবী : নাহাঁহিব নাট্যকাৰ। সঁচা কথা কবলৈ গলে পিংকীৰ ওচৰত মই ঋণী।

নাট্যকাৰ : ঋণী? কেনেকৈ?

ৰবী : (গহীন হৈ) নাট্যকাৰ, পিংকীয়ে মোৰ জীৱনৰ ওপৰত কি ভাৱে প্ৰভাৱ বিস্তাৰ কৰিছে তাকতো আপুনি নাজানে। তেন্তে শুনক। সঁচা কথা কবলৈ গলে পিংকীয়েই মোক প্ৰকৃত পথৰ সন্ধান দিছিল। মোৰ তেতিয়া আছিল কি? ডিচটিংছন লৈ বি এ পাছ কৰাৰ পিছতো মই বেকাৰ। মোৰ ঘৰখন, মা- দউতা,আত্মীয় স্বজন, ওচৰ চুবুৰীয়া - অসহ্য। সকলো অসহ্য। চেপি খুন্দি মাৰি পেলোৱাৰ ফন্দি কৰিছিল সকলোৱে। জীয়াই থাকিবলৈ দিয়া নাছিল। এনে এক শ্বাসৰুদ্ধ পৰিস্থিতিৰ মাজত মেঘালীৰ লগত মোৰ সম্পৰ্ক ছেদে যেন কটা ঘাঁতহে নিমখ ছটিয়াইছিল।

পুনৰ আৰম্ভ হ'ল সেই আড্ডা, সেই উচ্ছৃংখল জীৱন, সেই বেকাৰ বন্ধুৰ সঙ্গ - হঠাতে প্ৰিয়ংকাৰ লগত পৰিচয়। এক অপ্ৰত্যাশিত পৰিস্থিতিৰ মাজত। কি পৰিস্থিতিৰবশবৰ্ত্তী হৈ তাইৰ লগত মোৰ পৰিচয় হৈছিল সেই কথা আপোনাৰ আগত ব্যক্ত নকৰো।

নাট্যকাৰ : সেই কথা গোপনে ৰাখিবলৈ তুমি প্ৰতিশ্ৰুতিবদ্ধ নেকি?

ৰবী : প্ৰতিশ্ৰুতিবদ্ধ হয়তো মই নহয়। প্ৰতিশ্ৰুতিবদ্ধ নহলেও কিছুমান কথাৰ গোপনীয়তা ৰক্ষা কৰা উচিত। কোনো পৰিস্থিতিতেই তাক ভঙ্গ কৰিব নালাগে — তাতেই সকলোৰে মঙ্গল।

নাট্যকাৰ : তোমাৰ ইচ্ছা নাই যেতিয়া বাৰু জোৰ নকৰো। তাৰ পিছত?

ৰবী : মিছাৰ আশ্ৰয় নোলোৱাকৈ এই কথা মই উচ্চস্বৰে কব পাৰো যে প্ৰিয়ংকাই মোক বচালে - জীৱন দান দিলে। অকল তায়েই মোক বুজিছিল - অকল তায়েই মোক কৈছিল - মোৰ এই অৱস্থাৰ কাৰণে মই অকণো দায়ী নহয় - দায়ী গোটেই সমাজ ব্যৱস্থাই। পিংকীয়ে দৃঢ়তাৰে কৈছিল যে - এই সমাজখন পৰিবৰ্ত্তন কৰিব পাৰি। মোৰো যেন তাইৰ কথাত দ্বিধাহীন ভাবে পতিয়ন জন্মিছিল - পৰিবৰ্ত্তন কৰাটোৱেই একমাত্ৰ কাম - জীয়াই থকাৰ একমাত্ৰ পথ।

নাট্যকাৰ : (বাধা দি) নোৱাৰা - নোৱাৰা - তুমি অকলে এই সমাজখনৰ পৰিবৰ্ত্তন সাধিব। তোমাৰ লগত মানুহ ক'ত?

ৰবী : আছে। মোৰ লগত মানুহ আছে। বহুত মানুহ। এশ, হাজাৰ, লাখ কোটি। আপুনি মোক অকলশৰীয়া বুলি নাভাবিব।

নাট্যকাৰ : তুমি পাহৰি নাযাবা ৰবী, পৰিবৰ্ত্তনৰ কাৰণে যে এক জাগৰণৰ প্ৰয়োজন। প্ৰচণ্ড জাগৰণ।

ৰবী : সেই জাগৰণ সমাগত নাট্যকাৰ। জাগৰণৰ প্ৰচণ্ড শক্তিক বাধা দিব কোনে? নোৱাৰে। সেই শক্তিক ভেটা দিব কোনেও নোৱাৰে। বলীয়া লুইতক ভেটিব কোনে? নাট্যকাৰ। আমি জীয়াই থাকিম নাট্যকাৰ। আমি নমৰো। আমি মৃত্যুঞ্জয়।

(আন্ধাৰ নামি আহে। আন্ধাৰৰ মাজত ৰবী অদৃশ্য হয়। লগে লগে নাট্যকাৰৰ মাত স্পষ্টকৈ শুনা যায়।)

নাট্যকাৰ : সমাজৰ পৰিবৰ্ত্তন সাধিবলৈ নতুন প্ৰজন্ম অথবা উত্তৰ পুৰুষ সকল সক্ষম হবনে নহয় খাটাংকৈ কোৱা টান। ভৱদেব কাকতিৰ কনিষ্ঠ পুত্ৰ ৰবী আৰু একমাত্ৰ জীয়ৰী জুমিৰ কৃতকৰ্ম্মই আপোনালোকক কলৈ লৈ যায় - সেই কথা নিৰীক্ষণ কৰাৰ বাহিৰে অন্য উপায় নাই। কিন্তু বৰপুত্ৰ অশোক আৰু বোৱাৰীয়েক অঞ্জলিয়ে ভৱদেব কাকতিৰ সংসাৰখন কিমান জীপাল কৰি তুলিছে তাৰ ভূ ভা নিশ্চয় আপোনালোকে লব পাৰে।

(ক্ষীণ পোহৰৰ মাজত অশোক আৰু দেৱযানী উদ্ভাসিত হৈ উঠে।)

অশোক : (মাকৰ হাতত কেইখন মান এশ টকীয়া নোট গুজি দি) মা, এইটো মাহত এই খিনিয়েই দিব পাৰিলো।

দেৱযানী : হঠাতে কি হ'ল আকৌ?

অশোক : হঠাতে নহয় মা। তোমাক মই আগেয়ে জনাব লাগিছিল - কিন্তু কি কাৰণত জানো জনোৱা নহল। দোষ মোৰেই।

দেৱযানী : কি কথা নজনালি?

অশোক : এইবাৰ যে ঘৰখন চলাবৰ বাবে আগৰ সমানে টকা দিব নোৱাৰিম।

দেৱযানী : কিনো অসুবিধা হ'ল?

অশোক : হয়তো অসুবিধা নহলহেতেন। টিনাৰ এড্‌মিছনতো কিছু এক্সট্ৰা টকা খৰচ হ'ল। তাইৰ স্কুলৰ ইউনিফৰ্ম, কিতাপপত্ৰ এইবোৰততো খৰচ আছেই। বিয়াৰ পিছত অঞ্জুকো ভাল কাপোৰ এসাজ দিম দিম বুলি কৈ আজি পৰ্য্যন্তও দিব পৰা নাই। এইবাৰ তেওঁকো এসাজ কাপোৰ কিনি দিলো। তেওঁ অৱশ্যে নালাগে বুলিয়েই কৈছিল। তেওঁতো কবই। মইহে নুশুনিলো। দিম দিম বুলি কৈ তেওঁকনো আৰু কিমান দিন আভুৱা ভাৰি থাকিম?

দেৱযানী : টিনাৰ এড্‌মিছনৰ কথা বাৰু বুজিলো। অঞ্জুক তই অহা মাহতো কাপোৰ সাজ কিনি দিব পাৰিলিহেতেন।

(এনেতে ক্ষিপ্ৰতাৰে অঞ্জলিৰ প্ৰৱেশ)

অঞ্জলি ঃ মোক কিন্তু ভুল নুবুজিব মা। মই কাপোৰ সাজ কিনিবলৈ তেওঁক কিন্তু অকণো জোৰ কৰা নাছিলো। তেওঁ যি কৰিছে নিজ ইচ্ছাৰেই কৰিছে। (কিছু ৰৈ) মই কিবা নাজানোনে কি ঘৰখন চলাবলৈ প্ৰতি মাহে দিয়া টকাৰ পৰিমাণ হঠাতে কম হলে ঘৰখনৰ কেনে ধৰণৰ বেমেজালিৰ সৃষ্টি হব পাৰে। (বিদ্ৰূপাত্মক ভঙ্গীৰে) অহা মাহতনো মোক কিয় কাপোৰ কিনি দিব লাগিছে? সেই সাজ কাপোৰ নোহোৱাকৈ মই জানো চলি থকা নাই? মা-দেউতাৰ ঘৰৰ পৰা অনাবোৰকে পিন্ধি এতিয়াও অন্ত কৰিব পৰা নাই।

দেৱযানী ঃ দিব বোৱাৰী - দিব। তোমাক কাপোৰ নিদি কাক দিব? তুমিতো জানাই বোৱাৰী ঘৰখনৰ খৰচ দিনে দিনে কেনেকৈ বাঢ়ি গৈছে। দেউতাৰাৰ পেঞ্চনৰ টকা কেইটাৰে টানি টুনি আধা মাহেই পাৰ নহয়। ববীয়ে ভালদৰে বি এ পাচ কৰিও আজিলৈকে ফুটা কড়ি এটাও উপাৰ্জ্জন কৰিব পৰা নাই। জুমিৰ পঢ়া শুনাৰ বাবদো প্ৰতিমাহে কিছু পৰিমাণৰ ধন খৰচ কৰিব লগীয়া হয়। তেনেস্থলত মাহটোৰ বাকী কেইটা দিন চলাবৰ বাবে স্বাভাৱিকতেই অশোকৰ দৰমহাৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয়। মই জানো সি খুব বেছি দৰমহা পোৱা চাকৰি নকৰে। তাৰো এখন সংসাৰ আছে। এই বোৰ সত্বেও অশোকৰ মাহিলি দৰমহাৰ ওপৰত নিৰ্ভৰশীল হৈ ভৱদেব কাকতিৰ সংসাৰ চলাব লগীয়া হোৱা কথাটো বৰ দুখজনক হৈছে। সেই কথাটোৰ কাৰণেই আমি অন্তৰত কষ্ট পাই আছো। তাৰ প্ৰতি অন্যায় কৰা বুলি কেতিয়াবা আমাৰ ধাৰণা হয়। তথাপি কি কৰিবা? সি আমাৰ বৰপুত্ৰ। ঘৰখনৰ প্ৰতি তাৰো এটা দায়িত্ব আছে। সি দায়িত্ব পালন নকৰিলে যে ঘৰখনৰ আটাইকেইটা প্ৰাণীয়েই আধা মাহ লঘোণে ভোকে থাকিব লগীয়া হব। তেনে কাম কৰাটো আমি তাৰ পৰা নিবিচাৰো। কাৰণ পুত্ৰ হিচাপে তাৰ ওপৰত আমাৰ এক অধিকাৰ আছে।

উপাৰ্জ্জনৰ এক বিকল্প পথ নোলোৱালেকে সি যেন তাৰ কৰ্ত্তব্য কৰি যায় - সেইটোৱেই আমি তাৰ পৰা বিচাৰো।

অঞ্জলি ঃ আপোনালোকৰ আশা তেওঁ ভঙ্গ নকৰে মা। তাৰ কাৰণে চিন্তা নকৰিব। কিন্তু আপোনালোকৰ আশা পূৰণ কৰিবলৈ গৈ তেওঁ নিজৰ ভবিষ্যৎ জীৱন যাতে বিপদাপন্ন কৰি নেপেলাই তালৈ চকু দিয়াহে উচিত।

দেৱযানী ঃ (একো নুবুজি) জীৱন বিপন্ন। তাৰ মানে? তুমি যি কবলৈ বিচাৰিছা তাক পোনপটীয়াকৈ কৈ নিদিয়া কিয়?

অশোক ঃ (বিৰক্ত হৈ) আহ - অঞ্জু, তুমি এইবোৰ কি আজে বাজে কথা উলিয়াই লৈছা? কথা কবলৈ একো নাই যদি মনে মনে থাকা।

অঞ্জলি ঃ তুমি হকা-বধা নকৰিবাছোন। মই জানো নহয়, কি কব লাগে, কি কব নালাগে।

অশোক ঃ তথাপি তোমাক মনে মনে থাকিবলৈ কৈছো নহয়।

দেৱযানী ঃ তই তেওঁক অযথা আগ ভেটি ধৰিছ কিয়? তেওঁ কি কবলৈ বিচাৰিছে কবলৈ নিদিয় কিয়?

অঞ্জলি ঃ মইতো একো মিছা কথা কবলৈ ওলোৱা নাই। এটা নিৰ্ঘাত সঁচা কথাহে কবলৈ ওলাইছো।

(এনেতে ভিতৰৰ পৰা তৰা নৰা চিঙি ভৱদেৱ কাকতিৰ প্ৰৱেশ।)

ভৱদেব ঃ (আহোতে কৈ আহে) ৰবা বোৱাৰী, এখন্তক ৰোৱা। মোকো তোমাৰ সঁচা কথাখিনি শুনাৰ পৰা বঞ্চিত নকৰিবা।

অশোক ঃ এই সময়ত আকৌ আপুনি ইয়ালৈ কিয় আহিছে দেউতা?

ভৱদেৱ ঃ মই অহাত কিবা ভুল হ'ল নেকি? কলৈ আহিব লাগে কলৈ আহিব নেলাগে তাৰ এদাল লক্ষ্মণ ৰেখা টনা বুলিতো তইঁতে মোক কাহানিও জনোৱা নাই। তইঁতে ঘৰুৱা কিবা এটা কথা 'চিৰিয়াচলি' আলোচনা কৰি থকাটো অহৰহ মোৰ কাণত বাজি আছে। সেয়েহে ভাবিলো ময়ো সেই কথাৰ ভাগ নলও কিয়? মই অহাত যদি তইঁতৰ কিবা অসুবিধা হৈছে তেনেহলে ঠিক আছে মই যাওঁ।

(যাবলৈ উদ্যত হয়। তেনেতে অঞ্জলিয়ে বাধা দি কয়।)

অঞ্জলি : ৰব দেউতা, আমাৰ আলোচনাত ভাগ লবলৈ আপুনি আহিলেই যেতিয়া, অকণমান ৰৈ যাওক। কথাখিনি আপুনি নিজ কাণেৰে শুনি যোৱা ভাল।

অশোক : (প্ৰায়ে চিএঞৰি) অঞ্জু, মই যিমান তোমাক মানা কৰিছো তিমানেই তুমি বাঢ়ি গৈছা। মনে মনে থাকা বুলি কৈছো নহয়।

অঞ্জলি : মই যদি মনে মনে নাথাকো তুমি মোক শাস্তি দিবা? কি শাস্তি দিবা? শূলত দিবা? পোতাশালত ৰাখিবা। নাক কাটি নিমখ ছটিয়াই দিবা?

অশোক : উঃ অসহ্য। মুখ খন বন্ধ কৰি ৰাখিবলৈ কৈছো নহয় অঞ্জু। অসভ্যালি কৰিছা কিয়?

অঞ্জলি : মই কথা কলে অসভ্যালি কৰা হয়। সঁচা কথা কবলৈ বিচাৰিলে যি মুখত সোপা দিব খোজে মোৰ বিচাৰত তেওঁকহে অসভ্যালি কৰা বুলি কব পাৰি।

ভৱদেৱ : (অনুশাসনৰ সুৰেৰে) বন্ধ কৰা তোমালোকৰ এই যুঁজ বাগৰ। (অঞ্জলি আৰু অশোক মনে মনে থাকে।) এতিয়া কোৱা বোৱাৰী - তুমি কি কবলৈ বিচাৰিছিলা।

অঞ্জলি : মোক ভুল নুবুজিব দেউতা। সময় থাকোতেই কথাটো আপোনালোকক জনাই থোৱা ভাল বুলি ভাবিহে কবলৈ ওলাইছো। কবলৈ গলে কথাটো সঁচা, কিন্তু শুনিবলৈহে কিবা।

ভৱদেব : হওক কিবা, তাকেই কোৱাছোন।

অঞ্জলি : মোৰ শহুৰ দেউতা শ্ৰদ্ধেয় ভৱদেৱ কাকতিৰ বৰপুত্ৰ অৰ্থাৎ মোৰ স্বামী দেৱতা শ্ৰীঅশোক কুমাৰ কাকতিয়ে ঘৰখন চলোৱাত সহায়ৰ হাত আগবঢ়াবলৈ গৈ দৰমহাৰ ধনেৰে জোৰা মাৰিব নোৱাৰি ইতিমধ্যে প্ৰভিডেণ্ট ফাণ্ডৰ পৰা জুমিৰ বিয়াৰ মিছা কাৰণ দৰ্শাই আপোনালোকে গম নোপোৱাকৈ এটা loan ৰ গোটেই টকা হজম কৰিলে। ফলত তেওঁৰ দৰমহাৰ পৰা মাহে মাহে সেই loan ৰ

টকা কাটি আছে। তাৰোপৰি গাড়ী কিনিম বুলি বেঙ্কৰ পৰা আন এটা loan লৈ সেই loan ৰ Instalment তিনি মাহে মাহে দি থাকিব লগা হৈছে। মই এইটোৱেই কবলৈ বিচাৰিছো যে এনেকৈ চলি থাকিলে এদিন যে মোৰ স্বামী দেৱতা অশোক কাকতি ঋনৰ পিতনিত ডিঙিলৈকে ডুবি ককবকাই থাকিবলগীয়া নহব তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। সেই দিনা তেওঁক পিতনিৰ পৰা পাৰলৈ টানি আনিবলৈ ওচৰত কোনো মানুহেই নাপাব।

ভৱদেব ঃ (অশোকৰ ওচৰলৈ ক্ষিপ্রগতিৰে গৈ প্ৰায় আক্রমণ কৰাৰ নিচিনাকৈ) কথাটো সঁচানে ডাঙৰ বাপু।

অশোক ঃ (ইতঃস্তত কৰি) নহয় দেউতা - মানে অঞ্জুয়ে সঁচা কথা কোৱা নাই। সজাই মেলি, জোৰা টাপলি মাৰি সহানুভূতি আদায়ৰ বাবে আপোনালোকৰ আগত এখন মিছা ছবি দাঙি ধৰাৰ চেষ্টা কৰিছে। মঞ্জুৰ কথাত পতিয়ন নাযাব দেউতা।

ভৱদেব ঃ বোৱাৰীয়ে কোৱা কথা মিছা যদি, সঁচা কি?

অশোক ঃ ইয়াত সঁচা বুলিবলৈ একোৱেই নাই। আপুনি চিন্তা নকৰিব দেউতা। মই কৈছো নহয় সকলো ঠিক হৈ যাব। অনাহকত 'টেনচন' নলব। মোক বিশ্বাস কৰক।

অঞ্জলি ঃ সকলো মিছা। সকলো ফাকি। একো ঠিক হৈ নাযায় দেউতা। মই তেওঁৰ পত্নী। মই তেওঁৰ সকলো গোপন কথাৰ ভু নেপোৱাকৈ নাথাকো। সঁচা কথা কবলৈ গলে দেউতা তেওঁ যি পথেৰে অগ্রসৰ হৈছে - সি হৈছে - ধ্বংসৰ পথ - চকুৰ আগতে এদিন সকলো ভাগি চুৰমাৰ হৈ যাব। সেই দিনটোলৈ আৰু বেছি দিন অপেক্ষা কৰিব লগীয়া নহব। গতিকে সময় থাকোতেই এই অগ্রাসনত বাধা নিদিলে - অনতিপলমেই ভৱদেব কাকতিৰ সংসাৰ ধ্বংসস্তুপত পৰিণত হব। সেই ধ্বংসস্তুপৰ মাজৰ পৰা আমাক বিচাৰি উলিওৱাটো কঠিন হৈ পৰিব দেউতা।

ভৱদেব ঃ (প্ৰায় চিঞৰি) তুমি এনে ভয়ঙ্কৰ কথা উচ্চাৰণ নকৰিবা বোৱাৰী।

ভৱদেৱ কাকতি জীয়াই থকালৈকে মই এনে হ'বলৈ নিদিও - কাহানিও নিদিও। তুমি নির্ভয়ে থাকা বোৱাৰী, তোমাৰ অভিযোগ সম্পর্কত এতিয়াৰ পৰা মই চোকা নজৰ ৰাখিম। ডাঙৰ বোপাৰ লেকাম টানিম। তাক মই কেতিয়াও পৰিয়ালক বিপর্যস্ত কৰিব পৰা কাম কৰিবলৈ এৰি নিদিও। সি ঘৰখনৰ ডাঙৰ লৰা। পিতৃ হিচাপে সি মোৰ কথা শুনিবই লাগিব। অর্থাৎ শুনিবলৈ সি বাধ্য। কাৰণ তাক শাসন কৰাৰ অধিকাৰ মোৰ আছে। তুমি অকণো চিন্তা নকৰিবা বোৱাৰী। সকলো ঠিক হৈ যাব।

অঞ্জলি ঃ (কিছু নম্র হৈ) আপুনি কৈছে যেতিয়া মই বিশ্বাস কৰিছো বাৰু। ময়ো বিচাৰো সকলো ঠিক হৈ যাওক।

ভৱদেৱ ঃ হব বোৱাৰী। সকলো ঠিক হৈ যাব। মাথোন তুমি মোৰ ওপৰত ভাৰসা ৰাখা।

(পোহৰ ক্রমে নাইকিয়া হয়। অন্ধকাৰ। চৌদিশৰ অন্ধকাৰৰ মাজত নাট্যকাৰৰ মাত সুস্পষ্ট হৈ উঠে।)

নাট্যকাৰ ঃ অলৌ গুটি তলৌ গুটি কচু গুটিৰ ঘাই, এইখন হাতৰ গুটিটো সেইখন হাতত পায়। এই হাতৰ গুটি সেই হাতত পায়। সেই হাতৰ গুটি এই হাতত পায়।

নাপায়।

পায়।

নাপায়।

পায়।

মই জানো, (দর্শকক) আপোনালোকেও জানে এইটো খেল খেলাত সময় নহয়। আৰু মই এই বিষয়েও নিশ্চিত নহয় যে এইখন হাতৰ গুটিটো সিখন হাতত পাবই। অৱশ্যে আপোনালোকৰ কথা মই নাজানো। পুত্র কন্যাক সঠিক পথেৰে পৰিচালিত কৰিবলৈ ভৱদেৱ কাকতি ব্যর্থ হৈছেনে কি বাৰু? সিহঁতক নিজৰ পাপ্য কণ পোৱাৰ পৰা বঞ্চিত কৰিছেনে বাৰু ভৱদেৱ কাকতিয়ে? তেনেহলে চাৰিও-

ফালে হতাশাৰ ডাৱৰে আৱৰা কাকতিৰ পৰিয়ালটোৰ উত্তৰ পুৰুষ সকলে কিয় বাছি লৈছে জীয়াই থকাৰ নতুন পথ? এইবোৰ প্ৰশ্নৰ উত্তৰ দিব কোনে? উত্তৰ আপোনালোকেই দিব লাগিব।

(নাট্যকাৰৰ মাত ক্ৰমে অস্পষ্ট হৈ যায়। পোহৰ পৰে ভৱদেব কাকতি আৰু তেওঁৰ পত্নী দেৱযানীৰ ওপৰত। মঞ্চত কেৱল এই দুটি চৰিত্ৰ।)

ভৱদেব ঃ বোৱাৰীৰ মুখৰ কথাবোৰ শুনিলা?

দেৱযানী ঃ সেইবোৰ সঁচা জানো?

ভৱদেব ঃ সঁচা নহলেনো বোৱাৰীয়ে বুকু ডাঠ কৰি তাৰ সাক্ষাতত এনেবোৰ কথা কব পাৰেনে?

দেৱযানী ঃ সঁচাই হওক বা মিছাই হওক, মোৰ হলে ডাঙৰ বাপুৰ কথা ভাবি মনটো বেয়া লাগি আছে।

ভৱদেব ঃ বেয়া লগাৰ কথাই।

দেৱযানী ঃ সিনো আমাৰ কাৰণে এনেকৈ আত্মত্যাগ কৰিব লাগেনে? সি ঘৰখনৰ কাৰণে ইমান খিনি কৰিছে অথচ আমাক সেই বিষয়ে একো জানিবলৈ দিয়া নাই। আজিৰ দিনত এনে ধৰণৰ লৰা বাৰু ক'ৰবাত আছেনে?

ভৱদেব ঃ সি খুব অন্যায় কৰিছে। তাক মই বেয়া পাইছো। সংসাৰ চলোৱাৰ দায়িত্ব মোৰ, তেনেস্থলত নিজৰ ভবিষ্যৎ বিপদাপন্ন কৰি লুকাই চুৰকৈ ঋণ আদি লোৱা কাৰ্য্যত নিজকে লিপ্ত কৰিব নালাগিছিল। তিনি কুৰি দহৰ দেওনা পাৰ কৰা ভৱদেব কাকতিক সি ইমান অপদাৰ্থ বুলি ভাবিব নালাগিছিল।

দেৱযানী ঃ তেনেকৈ কিয় কৈছে? সেইদৰে ভবা বিধৰ লৰা সি নহয়। কাৰণ তাক মই ভালদৰে চিনি পাওঁ। ঘৰখনৰ চিন্তাই লৰাটোক জুৰুলা কৰিছে।

ভৱদেব ঃ তুমি তেনেকৈ কলে নহব নহয়। সি যে মিছাৰ আশ্ৰয় লৈ ঘৰৰ কামত খৰচ কৰিবৰ বাবে ধাৰ ধুপাল কৰিছে সেই কথা মোক

নজনালেও অন্ততঃ তোমাক জনাব লাগিছিল।

দেৱযানী ঃ তাৰ অন্তৰখন বৰ কোমল বুইছে। কিজানিবা মই তাক মানা কৰো - সেই ভয়তে সি মোক নজনোৱাকৈ আছে।

ভৱদেব ঃ ওকণিৰ ভয়ত কোনোবাই চুলি খুৰাইনে? কৰিলাই যেনিবা মানা, তথাপি সি তোমাক নজনাব কিয়?

দেৱযানী ঃ তেতিয়াযে আমিবোৰ মাহটোৰ পোন্ধৰ দিনেই লঘোনে ভোকে থাকিব লাগিব - সেই ভয়তে বুজিছে। সেই দৃশ্য সি কেনেকৈ চাই থাকিব পাৰিব বাৰু কওকছোন?

ভৱদেব ঃ তথাপি বিপদৰ গাঁতত এখন ভৰি থৈ আনক সহায় কৰিব নেলাগে বুইছা। ধাৰ ঋণবোৰ সময়মতে পৰিশোধ কৰিব নোৱাৰিলে তাৰ কি দুৰ্গতি হব সেইটো জানো অনুমান কৰিব পাৰিছা?

দেৱযানী ঃ আমিবোৰ তাৰ কেনেকৈ 'আন' হ্লো কওকছোন? নিজ পৰিয়ালটোক উদ্ধাৰৰ বাবেহে সি তেনে কাম কৰিবলৈ বাধ্য হ'ল। সিটো চুৰতাৰি কৰি ধৰা পৰা নাই।

ভৱদেব ঃ সি এতিয়া ইমান সোপা টকাৰ ধাৰ কেনেকৈ মাৰিব?

দেৱযানী ঃ সিতো আপোনাৰ লৰাহে। তাৰ বিচাৰ বুদ্ধি নাই বুলি ভাবিছেনে কি? পৰিশোধ কৰিব পাৰিম বুলি ভাবিহে সি টকা খিনি লৈছে। কিবা এটা কৰিব আৰু।

ভৱদেব ঃ কিবা এটা কিৰব বুলি তুমি কথাটো উৰুৱাই দিলেই নহব নহয়। কি কৰিব - সেইবোৰ কথা চিন্তা কৰিয়েই মই পাৰ পোৱা নাই।

দেৱযানী ঃ আপুনি মোক হাঁহে নহয়। এতিয়া দেখিছো আপুনিহে অনৰ্থক কথাবোৰ চিন্তা কৰি মূৰ খোলা কৰিছে। হব, সকলো ঠিক হৈ যাব।

ভৱদেব ঃ কেনেকৈ?

দেৱযানী ঃ সুস্থিৰ মগজেৰে চিন্তা কৰিলে সকলো সমস্যাৰে সমাধান ওলায়। (কিছু চিন্তা কৰি) এটা কাম নকৰে কিয়?

ভৱদেব ঃ কি কাম কৰাৰ কথা কৈছা?

দেৱযানী ঃ গাঁৱৰ মাটিবাৰী আৰু সা-সম্পত্তিৰ লেঠা লুঠলিবোৰ এতিয়ালৈকে নমৰিল। দদায়েকৰ লৰা কেইটাই সেইবোৰ ইমান দিনলৈকে নির্বিঘ্নে ভোগ কৰি আছে। তাৰ বিনিময়ত এমুঠি চাউলো সিহঁতে আমাক দিয়া নাই। এনে দাতাকর্ণ হলে নচলিব। ইমান দিনে আপুনি বিৰত আছিল। কিন্তু এতিয়া আপোনাৰ সংসাৰ ডাঙৰ হৈছে। লগে লগে অভাৱ অভিযোগে গা কৰি উঠিছে। আপুনি চকুমুদাৰ পিছত সেই মাটি বাৰী আৰু সা-সম্পত্তিৰ ভাগ লবলৈ বাৰু আমাৰ ফালৰ পৰা গাঁৱলৈ কোন যাব? গতিকে আপুনি চলাফিৰা কৰি থাকিব পৰা অৱস্থাত থাকোতেই সেইবোৰৰ কিবা এটা মীমাংসা কৰি থৈ যোৱাটো বিশেষ জৰুৰী কাম বুলি আপুনি চিন্তা কৰা উচিত। সিদিনা আপোনাৰ ভাগিন বলীন উকিলেও কৈ থৈ গৈছে - মোমাইদেৱে কথাবোৰ ঢিলাই দি ভাল কাম কৰা নাই। এইদৰে পৈতিক সম্পত্তি আনক খাবলৈ এৰি দিয়াটো উচিত হোৱা নাই। অকল বলীনেই কিয় - আপুনি গাঁৱৰ দহজন মুখীয়াল মানুহ মাতি এখন মেল পাতি সোধক কামটো উচিত কৰিছেনে নাই। বলীনে কৈছে নহয় আপুনি হেনো ইচ্ছা কৰিলে সহজেই সেইবোৰৰ ভাগ বতোৱাৰা হৈ যাব। মাটিবাৰী ভাগ বতৰা কৰি সেইবোৰ বুকুত বান্ধি লৈ ফুৰিব নালাগে নহয়। বলীনৰ হাততেই হেনো উচিত দাম দিব পৰা ভাল গ্ৰাহক আছে। উচিত দামত সেইবোৰ বিক্রী কৰি সেই ধনেৰে আমাৰ অভাৱ অনাতন জর্জ্জৰিত সংসাৰখনক অলপ সকাহ দিব পাৰে। কথাটো আপুনি গহীনাই চিন্তা কৰি সোনকালেই কিবা এটা সিদ্ধান্তলৈ আহিব বুলি ভাবিয়েই এই খিনি কথা নকম বুলি ভাবিও কব লগাত পৰিলো।

ভৱদেব ঃ তুমি ঠিক কথাই চিন্তা কৰিছা। সেই কথাটো ময়ো চিন্তা নকৰাকৈ থকা নাই। কিন্তু এটা কথা ভাবি মই নিজেই আচৰিত হও যে জীৱনৰ তিনিকুড়ি দহবছৰৰ দেওনা পাৰ কৰিও এই কথাটো কিয় গভীৰভাবে চিন্তা নকৰিলো। কি আকর্ষণত, কিহৰ মায়াৰ মোহত

পৰি মই এই ঘৰুৱা সমস্যাটো মীমাংসাৰ ক্ষেত্ৰত অকণো ধ্যান নিদিলো? ৰবীন আৰু যতীন মোৰ ভতিজা হোৱাৰ বাবে? উচ্ছৃংখল জীৱন যাপন কৰি আদ বয়সতে জীৱনে মৃত্যুক আকোৱালি লোৱাত সিহঁত মাউৰা হোৱাৰ বাবে? সিহঁতৰ প্ৰতি মোৰ নৈতিক দায়িত্ব আৰু কৰ্ত্তব্য থকাৰ বাবে? যদি এইবোৰ নহয় তেন্তে কিহৰ বাবে এই মূল সমস্যাটোৰ সমাধানৰ ক্ষেত্ৰত মই ইমান বছৰ নীৰৱ হৈ ৰলো?

দেৱযানী : সেইবোৰ কথা চিন্তা কৰি মনটো দুৰ্ব্বল নকৰিব। এতিয়াও সময় উকলি যোৱা নাই। সকলো ঠিক হৈ যাব। ৰবীয়ে সোনকালেই চাকৰি এটা পাম বুলি কৈছে। ইন্টাৰভিউত সি হেনো ভাল কৰিছে। জুমিয়েও বিকমৰ ফাইনেল পৰীক্ষা দিয়াৰ পিছতেই এখন প্ৰাইভেট ফাৰ্মত মাহিলি ৫০০০ টকীয়া দৰমহাৰ এটা চাকৰি পোৱাৰ কথা আছে। তেনেস্থলত আৰু দুই এটা মাহ কষ্ট মস্তৰে পাৰ কৰি দিব পাৰিলেই –

ভৱদেৱ : ঘৰখনৰ সকলোবোৰ সমস্যাৰ সমাধান হ'ব নহয়? তুমিওযে মানুহ। এনে এক মধুৰ কল্পনাত তেনেকৈ তুমি নিজকে নিমজ্জিত কৰি ৰাখিব পাৰিছা? মই কিন্তু দিবা স্বপ্নত তোমাৰ দৰে আত্ম সন্তুষ্টি লাভ কৰা মানুহ নহয়। ঘৰখনৰ আৰ্থিক দুৰাৱস্থাৰ কথা চিন্তা কৰি অৱশেষত মই তুমি দিয়া পৰামৰ্শ মতে গাঁৱৰ মাটিবাৰী খিনি ভাগ বতোৱাৰা কৰি মোৰ অংশটো বেচি দিয়াৰেই সিদ্ধান্ত ললো। সেই ধনেৰে আমাৰ অভাব অনাটনবোৰৰ জোৰা টাপলি মাৰিবলৈকে চেষ্টা কৰিম। তুমি কি কোৱা?

দেৱযানী : মোৰ কবলৈ একো নাই। পাৰিলে মাটি বেচি পোৱা ধনৰ এটা অংশ অফিছ আৰু বেঙ্কৰ পৰা লোৱা টকাৰ ধাৰ মাৰিবলৈ ডাঙৰ বাপুক দিলে কেনে হ'ব?

ভৱদেৱ : তুমি উচিত কথাই কৈছা। ময়ো মনে মনে সেইটো কথাই ভাবি আছো। তাক অনিৰ্দ্দিষ্ট কাললৈ এইদৰে ধাৰৰ মাজত শ্বাসৰুদ্ধ

হৈ জীয়াই থাকিবলৈ এৰি দিব নোৱাৰো।

দেৱযানী ঃ আপুনি সজ কথাই চিন্তা কৰিছে। তাক আমি যিকোনো প্ৰকাৰে ধাৰৰ পিতনিৰ পৰা টানি পাৰলৈ আনিবই লাগিব। ধাৰৰ বোজা লৈ সি পিতনিত কৰকৰাই থাকিব আৰু আমি পাৰত থিয় দি ৰং চাই থাকিম - ই কেতিয়াও হব নোৱাৰে। তেনে কৰিলে আমাক অপদাৰ্থ পিতৃ-মাতৃ বুলি সমাজে হাঁহিব।

ভৱদেব ঃ যি হবলগীয়া আছিল হৈ গ'ল। এতিয়া তুমি তাক ভালদৰে বুজাবা। ভবিষ্যতে আমাৰ কাৰণে সি যেন এনে ধৰণৰ কামত লিপ্ত নহয়। তাৰ নিজৰ সংসাৰখনৰ কথাকে চিন্তা কৰিবলৈ কবা।

(পোহৰ ক্ৰমান্বয়ে কমি যায়। মঞ্চত সম্পূৰ্ণ অন্ধকাৰ। অন্ধকাৰৰ মাজত নাট্যকাৰৰ গলগলীয়া মাত প্ৰকট হৈ উঠে।)

নাট্যকাৰ ঃ অশোকৰ কাৰ্য্যকলাপত দেউতাক ভৱদেব কাকতি আৰু মাক দেৱযানী কাকতি বিতুষ্ট। কিন্তু বিতুষ্ট হলে কি হব? অশোকে সহায় নকৰিলে তেওঁলোকৰ সংসাৰ চলে কেনেকৈ? কিন্তু ভৱদেব কাকতিৰ পত্নী দেৱযানী কাকতিয়ে কি সপোন দেখিছে। বোলো গছত কঠাল ওঠত তেল, নৌখাওতেই শেষ বেল। তেওঁ সপোন দেখিছে ৰবীয়ে চাকৰি পোৱাৰ। বি কমৰ চূড়ান্ত পৰীক্ষা দিয়াৰ পিছত জীয়েক জুমিয়ে ৫০০০ টকীয়া দৰমহাৰ চাকৰি কৰাৰ। আৰু ভৱদেব কাকতিয়ে? আত্মসন্মান আৰু আত্ম মৰ্যাদা ৰক্ষা কৰি চলাৰ পথ বিচাৰি হাবাথুৰি খাইছে। পেঞ্চনৰ বাবদ যি কেইটা টকা হাতলৈ আহে, সেই কেইটাৰে হয়তো ভৱদেব কাকতি আৰু দেৱযানী কাকতিৰ সংসাৰ সুন্দৰভাবেই চলি গলহেতেন। কিন্তু বৰপুত্ৰৰ সংসাৰ তথা চাকৰিৰ সীমিত দৰমহা, কনিষ্ঠ পুত্ৰৰ কৰ্মহীনতা, একমাত্ৰ কন্যাৰ অসমাপ্ত শিক্ষা জীৱন ইত্যাদিবোৰ কথাই ভৱদেব কাকতিৰ সাংসাৰিক জীৱন পৰিক্ৰমাত প্ৰচণ্ড ছাপৰ সৃষ্টি কৰিছে। ইয়াৰ ফলত তেওঁ উপলব্ধি কৰিছে - এই জীৱন যেন জীৱন নহয়, এই জীৱনৰ বোজা তেওঁৰ কাৰণে এক বলে নোৱাৰা শিল।

(এটা লাইটৰ পোহৰত ববী উদ্ভাসিত হয়।)

ববী : কি হ'ল নাট্যকাৰ, চিএ্ৰত টেটু ফালিছে দেখোন?

নাট্যকাৰ : কোৱা ববী।

ববী : কি ক'ম?

নাট্যকাৰ : তোমালোকৰ কাহিনী। যি কাহিনী চিৰ পুৰণি অথচ চিৰ নতুন, যি কাহিনী মহাভাৰতৰ যুগৰ পৰা আৰম্ভ কৰি –

ববী : আপুনি কাব্য এৰি সৰল ভাষাত কওক। কি শুনিবলৈ বিচাৰিছে? (নাট্যকাৰৰ উচ্ছ্বাস বহু পৰিমাণে কমি আহিছে।)

নাট্যকাৰ : তোমাৰ আৰু প্ৰিয়ংকাৰ কথা। যাৰ লগত তুমি শৰণীয়া পাহাৰৰ গান্ধী মণ্ডপৰ ঘাঁহনিত বহি ঘণ্টাৰ পিছত ঘণ্টা পাৰ কৰি দিছিলা।

ববী : অ' সেই কথা। সেইবোৰ বহুত কথা। আপুনি জানি কি লাভ হব?

নাট্যকাৰ : লাভ নহলেও মই জানিব লাগে।

ববী : সি বহুত কথা। আমাৰ কথা। আমাৰ চিনাকি মানুহৰ কথা। আমাৰ বন্ধুবৰ্গৰ কথা। তেওঁৰ ঘৰৰ কথা। ধনী দুখীয়াৰ কথা। মোৰ কৰ্ম্মহীন জীৱনৰ কথা - ইত্যাদি ইত্যাদি।

নাট্যকাৰ : আৰু কি কথা?

ববী : আৰু কি কথা থাকিব পাৰে? একো নাই।

নাট্যকাৰ : পাৰে - অনেক কথা। গান্ধী মণ্ডপলৈ নিশ্চয় প্ৰিয়ংকাৰ লগত কোনো গবেষণা বা গান্ধীবাদৰ চৰ্চ্চাৰ বাবে যোৱা নাছিলা? প্ৰিয়ংকাৰ লগত তালৈ যোৱাৰ নিশ্চয় এটা অভিপ্ৰায় আছিল?

ববী : অভিপ্ৰায়? অভিপ্ৰায় একো নাছিল।

নাট্যকাৰ : মিছা নামাতিবা। তোমালোক গৈছিলা গান্ধী মণ্ডপৰ নিৰ্জ্জনতাৰ আশ্ৰয় লৈ সেউজীয়া ঘাঁহনিৰ ওপৰত গাতে গা লগাই ঘণ্টাৰ পিছত ঘণ্টাকৈ প্ৰেমালাপত দুয়ো নিমগ্ন হৈ থাকিবলৈ।

ববী : মিছা কথা।

নাট্যকাৰ : সঁচা কথা কবা, নিৰ্জ্জনতাৰ সুযোগ লৈ কথা পতাৰ চলেৰে গান্ধী মণ্ডপৰ সেউজীয়া ঘাঁহনিত প্ৰিয়ংকাৰ লগত কি অসভ্যালি কৰিছিলা?

ববী : আপুনি এনে আপত্তিজনক মিছা অপবাদ প্ৰচাৰ কৰি সমাজত মোৰ ভাবমূৰ্ত্তি বিনষ্ট কৰিব খুজিছে।

নাট্যকাৰ : (জোৰেৰে হাঁহি) ভাবমূৰ্ত্তি। তাতে আকৌ তোমাৰ। বৰ্ত্তমান সমাজত তোমাৰ দৰে বেকাৰ যুৱকৰ কিবা ভাবমূৰ্ত্তি থকা বুলি মোৰ ধাৰণা নহয়। সঁচা কথা কোৱা, প্ৰেমৰ ৰাগিত মতলীয়া হৈ সেইদিনা ঘাঁহনিৰ ওপৰত ছোৱালীজনীৰ লগত তুমি গবা গবি কৰি থকা নাছিলা?

ববী : (বাধা দি) ৰব, ৰব। আপুনি মোক অন্যায় কৰিব পৰা যি কোনো কথা গাই বাই নাথাকিব।

নাট্যকাৰ : এয়া মোৰ কথা নহয়।

ববী : তেন্তে কাৰ?

নাট্যকাৰ : পুলিচৰ।

ববী : পুলিচৰ।

নাট্যকাৰ : কি হ'ল? কথা বন্ধ হৈ গ'ল দেখোন?

ববী : নাই - মানে -

নাট্যকাৰ : মানে চাব ইন্সপেক্টৰ মদন কলিতাই তোমালোকক আপত্তিজনক অৱস্থাত হাতে লোটে ধৰা পেলাই থানালৈ লৈ গ'ল -

ববী : কোনে ক'লে আপোনাক এইবোৰ কথা?

নাট্যকাৰ : স্বয়ং চাব ইন্সপেক্টৰ মদন কলিতাই -

ববী : সি দুশ টকা বিচাৰিছিল - টকা নিদিয়াত তাৰ আমাৰ ওপৰত খং -

নাট্যকাৰ : গান্ধী মণ্ডপৰ দুশ টকা দিবলৈ টান পালা। পিছে থানালৈ গৈ কেনেকৈ দুহাজাৰ টকা ঘোঁচ দি খালাচ ল'লা?

ববী : মানা কৰা সত্বেও সেই টকা প্ৰিয়ংকাই দি দিলে।

নাট্যকাৰ : আপচোচ নকৰিবা। টকাখিনি তেওঁক দি থানাৰ পৰা খালাচ হৈ নহাহেতেন মদন কলিতাই জানো তোমালোকৰ চালান নেকাটিলে-হেতেন? দণ্ডাধীশৰ সন্মুখত হাজিৰ কৰোৱাই তোমালোক দুয়োকে জানো জেল হাজোতলৈ নপঠালেহেতেন। তেতিয়া জানো

তোমালোকৰ ভাৱমূৰ্ত্তি সমাজত বিনেষ্ট নহ্'লহেতেন। মুঠৰ ওপৰত তোমালোকৰ গ্ৰহ গতি ভাল আছিল। নহ'লে দুয়ো এক মহা কেলেঙ্কাৰীত নিমজ্জিত হ'ব লাগিলেহেতেন।

ৰবী ঃ টকাৰ ধান্দাত আজিৰ এই সমাজখনেই কিবা হৈ গৈছে। মদন কলিতাহঁতৰ নিচিনা মানুহৰ কাৰণে এইবোৰ কোনো কথাই নহয়। সঁচাক মিছা, মিছাক সঁচা কৰাই তেওঁলোকৰ ধৰ্ম্ম। (কথাৰ সুৰ বদলি কৰি) সি যি হওক এইবোৰ কথা পিছত পাতিম আজিলৈ বিদায় ললো। এটা বিশেষ কাম আছে।

(ৰবীৰ প্ৰস্থান। পোহৰ নোহোৱা হয়। এটা লাইটৰ পোহৰত নাট্যকাৰ।)

নাট্যকাৰ ঃ ৰবী আৰু প্ৰিয়ংকা। প্ৰিয়ংকা আৰু ৰবী -

(দৰ্শকক উদ্দেশ্য কৰি বক্তৃতাৰ ভঙ্গীত)

মধ্যবিত্ত আৰু ধনী। দুয়ো দুটা শ্ৰেণীক প্ৰতিনিধিত্ব কৰিছে। যুগে যুগে বহু নাটক লিখা হৈছিল, বৰ্ত্তমানেও হৈছে আৰু ভবিষ্যতলৈও হৈ থাকিব। কিমান আনন্দ বেদনা, মিলন বিৰহ, ঈৰ্ষা-অভিমান, কিমান মনঃস্তাত্ত্বিক ঘাত প্ৰতিঘাতেৰে এওলোকৰ নাটক গঢ়ি উঠিছে। ৰবী আৰু প্ৰিয়ংকাৰ প্ৰেম। এক চিৰন্তন নাটকীয় উপাদান।

(নাট্যকাৰৰ মাত অস্পষ্ট হৈ যায়। ক্ষীণ পোহৰৰ মাজত অশোক আৰু অঞ্জলি উদ্ভাষিত হৈ উঠে।)

অঞ্জলি ঃ (অস্থিৰ হৈ) এনেকৈ আৰু নোৱাৰি বুজিছা। ইমান দিনলৈকে তুমি তোমাৰ দায়িত্ব আৰু কৰ্ত্তব্য পালন কৰিলা। এতিয়া নিজৰ সংসাৰৰ ফালে চকু দিবৰ সময় হ'ল।

অশোক ঃ ঘৰখনৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্ত্তব্যৰ প্ৰতি উদাসীন হোৱাটো উচিত হ'ব জানো? তেনে কৰিলে দুৰ্ঘোৰ অন্যায় কৰা হ'ব বুজিছা। অন্ততঃ মা-দেউতাৰ প্ৰতি তেনে শত্ৰুতা আচৰণ কৰিব নোৱাৰো। তেনে কৰিবলৈ মোৰ বিবেকে নকয় অঞ্জু।

অঞ্জলি : সেইবোৰ আদৰ্শবাদৰ লেকচাৰ মাৰি থাকোতে এদিন দেখোন তুমি মানুহটো ধাৰৰ মাজতে পোত খাবা। তোমাকতো উদ্ধাৰ কৰিবলৈ সেইদিনা কোনো আগবাঢ়ি নাহিব। মোৰ আৰু টিনাৰ অৱস্থা কি হব তুমি এবাৰ সুস্থিত মগজেৰে ভাবি চাইছানে? (কিছু ৰৈ) মোৰ কথা বাৰু নধৰোৱেই। টিনাকতো আমি দলনিত পোনা মেলিব নোৱাৰো।

অশোক : তেনেকৈ কিয় ভাবিছা অঞ্জু?

অঞ্জলি : তেনেকৈ ভাবিবলৈ অৱস্থাই বাধ্য কৰাইছে। তুমি মানুহটো অকণো প্ৰেকটিকেল নহলা। তুমি হয়তো এবাৰো ভাবি চোৱা নাই যে তোমাৰ এই প্ৰকৃতিয়েই এদিন আমাৰ সৰ্ব্বনাশৰ কাৰণ হব।

অশোক : সেই আপদীয়া কথাবোৰ শুনাই নেথাকিবাছোন। মই জীয়াই থাকোতে তোমালোকৰ তেনে অৱস্থা হবলৈ নিদিও। তুমি কিয় অনৰ্থক এইবোৰ কথা চিন্তা কৰিছা?

অঞ্জলি : চিন্তা কৰিবই লাগিব। এতিয়া মোৰ ধাৰণা হৈছে তোমাৰ নিচিনা এজন দুৰ্ব্বল মানুহৰ হাতত আমাৰ ভৱিষ্যৎ সুৰক্ষিত নহয়।

অশোক : কি পাগলামি খন বকিছা। কাৰ্য্য ক্ষেত্ৰতহে বুজিবা মই দুৰ্ব্বল নে সবল?

অঞ্জলি : হৈছে, হৈছে। বেছি কথা নকবা, সকলো বুজি পাইছো নহয়। (কিছু ৰৈ) তুমি কথা এটা চিন্তা কৰি চাইছানে নাই?

অশোক : কি কথা?

অঞ্জলি : দেউতাইতো সংসাৰখন চলাবৰ জোখাৰে দেখোন পেঞ্চন পায়েই। তেনেস্থলত প্ৰতিমাহে তুমি পোৱা সীমিত দৰমহাৰ ধনেৰে সহায় কৰিব লাগে কিয়? অ' - সহায় কৰা। মইতো সহায় নকৰিবলৈ মানা কৰা নাই। তুমি যদি খুব বেছি দৰমহা পোৱা চাকৰি কৰিলাহেতেন, তেতিয়া মোৰ কোনো আপত্তি নাছিল। মাহটো খাতি খাতি সেই কেইটা টকা হাতলৈ আহে তাৰে আকৌ গোটেই ঘৰখনো চলাব লাগে। এইটো কেনে ধৰণৰ কথা বাৰু? হাতত থকা কেইটা শেষ

হলেই ধাৰ ধুপাল প্ৰভিডেণ্ট ফাণ্ডৰ পৰা উইড্ৰয়েল, বেঙ্কৰ loan ইত্যাদি ইত্যাদি। ই এক অন্তহীন প্ৰক্ৰিয়া? এইদৰেই অনন্ত কাললৈ চলাই থাকিবা?

অশোক ঃ ববীয়ে চাকৰি কৰাহেতেন হয়তো মই নিদিয়াকৈয়ো হ'লহেতেন। সি ঘূৰি মেলিও এতিয়ালৈকে চাকৰি এটা যোগাৰ কৰি লব পৰা নাই। এনে পৰিস্থিত মই যদি হঠাতে টকা দিবলৈ বন্ধ কৰি দিও সেইটো জানো ভাল কাম হব? মা-দেউতাৰ প্ৰতি মই অন্যায় কৰা নহবনে?

অঞ্জলি ঃ এতিয়া দেখিছো তুমি মোক নীতি শাস্ত্ৰৰো জ্ঞান দিবলৈ আৰম্ভ কৰিলা। (কিছু ৰৈ) অন্যায় কিয় হব? তুমি বৰপুত্ৰ হ'লা বুলিয়েই পেঞ্চন ভোগী বৃদ্ধ পিতৃ-মাতৃক অনিৰ্দ্দিষ্ট কাললৈ সহায় কৰি থাকিব লাগিবনে? এইটো কোন দেশৰ নিয়ম? দেশৰ আইনত তেনে কিবা ব্যৱস্থা আছে যদি মই নাজানো।

অশোক ঃ (অলপ টানকৈ) অঞ্জু - দেখিছো তোমাৰ পাগলামি বাঢ়িহে গৈছে। মনে মনে থাকা। গুলি মাৰা তোমাৰ আইনৰ ব্যৱস্থা। বৃদ্ধ পিতৃ-মাতৃক চোৱা চিতা কৰাটো মোৰ যে নৈতিক দায়িত্ব। তোমাৰ মগজটোত কি পোক সোমাইছে জানো একেটা কথাকে চেপি খুন্দি মোৰ মগজটো ঘোলা কৰি পেলাইছা।

অঞ্জলি ঃ মই কিয় মনে মনে থাকিব লাগে - তাৰ যুক্তি দাঙি ধৰা। কিন্তু তাৰ পৰিবৰ্ত্তে মোক ভীতিগ্ৰস্ত কৰি তুমি মোৰ মুখ বন্ধ কৰিবলৈ চেষ্টা নকৰিবা। মই কিন্তু যুক্তিৰ আশ্ৰয় লৈ সকলো দিশ চালি জাৰি চাইহে কথাবোৰ কৈছো। তাতে তোমাৰ ইমান খং উঠিব লগীয়া কথা হলনে? তুমি মোক বেয়া নাপাবা। তুমিতো মোৰ নেচাৰ জানাই - মই বৰ out-spoken ছোৱালী। তোমাৰ দৰে অন্তৰত কথা পুহি ৰাখিব নোৱাৰো। মই খোলা অন্তৰৰ ছোৱালী বুলি সকলোয়ে জানে।

অশোক ঃ স্পষ্টবাদী হোৱা ভাল। কিন্তু এজনৰ স্পষ্টবাদিতাই আনজনৰ

চেণ্টিমেণ্টক হার্ট কৰাটো মই নিবিচাৰো। তুমি চিন্তা কৰিব নালাগে। সময়ত সকলো ঠিক হৈ যাব।

অঞ্জলি : কিন্তু সেই সময় কেতিয়া আহিব?

অশোক : ইমান অধৈর্য্য হৈছা কিয়?

অঞ্জলি : তোমাৰ কাণ্ড কাৰখানা দেখি আকৌ। অধৈর্য্য যদি হ'বই নালাগে তেনেহলে তুমি মোক কথা দিয়া।

অশোক : কি কথা দিব লাগে?

অঞ্জলি : নুবুজাৰ ভাও ধৰিছা কিয়?

অশোক : সঁচাই মই বুজা নাই।

অঞ্জলি : সঁচাই যদি বুজা নাই তেনেহলে শুনা, - আমাৰ পৰিয়ালটোৰ স্বাৰ্থৰ বিপৰীতে কোনো কাম নকৰো বুলি।

অশোক : আমাৰ পৰিয়াল মানে?

অঞ্জলি : তুমি মই আৰু টিনা।

অশোক : ঠিক আছে। কথা দিছো। নকৰো।

অঞ্জলি : সঁচানে?

অশোক : সঁচাতো। তাৰমানে স্বামী দেৱতাৰ ওপৰত তোমাৰ বিশ্বাস নাই।

অঞ্জলি : তেনেকৈ কিয় ভাবিছা? আছে দিয়া। (হঠাতে কথাৰ সুৰ পৰিবৰ্ত্তন কৰি) কথা এটা গম পাইছানে নাই?

অশোক : কি কথা?

অঞ্জলি : দেউতাৰ ভাগৰ গাঁৱৰ মাটিখিনি কিনা গ্ৰাহক ওলাইছে বোলে?

অশোক : তোমাক কোনে কলে?

অঞ্জলি : ৰিলায়েবোল চ'ৰচৰ পৰাই গম পাইছো। তোমাৰ জেঠায়েৰাৰ ল'ৰা বলীন উকিলে হেনো গ্ৰাহক ঠিক কৰি দিছে।

অশোক : বেছ ভাল কথা।

অঞ্জলি : নাই নাই বুলিও তিনি চাৰিলাখ মান টকা হাতলৈ আহিব। হক কথা কবলৈ গলে সেই টকাৰ এটা শকত অংশ তোমাকো দিব লাগে। কাৰণ ঘৰখনৰ বাবে ইতিমধ্যে তুমি বহুত টকা খৰচ কৰিলা।

অশোক ঃ অৱশ্যে। কিন্তু তুমি কেনেকৈ জানিলা মাটি বেচি পোৱা ধনৰ এটা শকত অংশ মোক নিদিয়ে বুলি?

অঞ্জলি ঃ দিম বুলি ভবাহেতেনতো সেই কথা যিকোনো প্ৰকাৰে মোৰ কাণত পেলালেহেতেন।

অশোক ঃ তোমাৰ কানত নেপেলালে বুলিয়েই তুমি ধৰি লব নোৱাৰা যে মা-দেউতাই সেই ধনৰ অংশৰ পৰা মোক বঞ্চিত কৰিব।

অঞ্জলি ঃ আজি কালি টকা পইচাৰ ক্ষেত্ৰত কাকো বিশ্বাস কৰিব নোৱাৰা - বুজিছা। ভাই-ককাইৰ মাজত টকা পইচা, সা-সম্পত্তি লৈতো টনা-আজোৰা আছেই - মাক-দেউতাকেও নিজৰ লৰা ছোৱালীক তেওঁলোকৰ পাপ্যকণৰ পৰা বঞ্চিত কৰাৰ খবৰ প্ৰায়েই বাতৰি কাকতত পঢ়িবলৈ পোৱা যায়। সৌ-সিদিনা তোমাকযে দেখুৱাইছিলো-পাহৰিলা হবলা?

অশোক ঃ কি দেখুৱাইছিলা - মোৰ হলে একো মনত নাই।

অঞ্জলি ঃ তোমাৰ জানো আজিকালি কি হৈছে - এটা সাধাৰণ কথাও দেখোন মনত নথকা হ'ল। পাহৰিলা যেতিয়া বাৰু মনত পেলাই দিছো। সেই হিন্দী চিনেমাৰ 'হিৰ'ইন' বনিতা ভাটনগৰ। কিয় - দেউতাকে ১৫ লাখ টকা আত্মসাৎ কৰা বুলি তেওঁৰ বিপক্ষে আদালতত গোচৰ তৰা নাছিল? (নিজে নিজে) কিযে দিন কাল পৰিল। ছিঃ কথাটো ভাবিলেই কেনেবা লাগে।

অশোক ঃ এই ঘটনাটোক জেনেৰেলাইম কৰিব নোৱাৰা। কাৰণ এনে ঘটনা কাৎসিত হাজাৰৰ ভিতৰত হাজাৰ কিয় - লাখৰ ভিতৰত এটা ঘটে।

অঞ্জলি ঃ থোৱা - থোৱা - বেছি কথা নকবা। এনে ঘটনা সদায় ঘটিবই লাগিছে। আমি তেনেকৈ মন নকৰো বুলিহে -

অশোক ঃ হব - হব - সেইবোৰ চৰ্চ্চা এতিয়া বাদ দিয়া। ভাল চিন্তা চৰ্চ্চা কৰা-মনটোও ভাল লাগিব।

অঞ্জলি ঃ ভাল চিন্তা কৰিব লাগে যদি মই বিচৰা মতে কাম কৰিবা আকৌ।

অশোক ঃ তুমি কি বিচাৰিছা - তোমাক লাগে কি?

অঞ্জলি : মোক একো নালাগে। মই বিচৰামতে তুমি সোনকালেই ভাড়া ঘৰ এটা বন্দবস্ত কৰা। তালৈ যোৱাৰ পিছত দেখিবা আমাৰ এই সৰু সংসাৰখনত সুখ আৰু শান্তি বিৰাজ কৰিছে।

অশোক : অঞ্জু, তুমি এনে চিন্তা কিয় কৰিছা?

অঞ্জলি : কৰিবলৈ বাধ্য হৈছো। কাৰণ জোঁৰ পুৰি হাত পালেহি। আৰু ৰৈ থাকিব নোৱাৰি। সোনকালেই কিবা এটা কৰা। তোমাক কৈ কৈ মোৰ মুখ বিষাল। আৰু নকও। এয়ে মোৰ শেষ কথা।

(মঞ্চ ক্ৰমে অন্ধকাৰ হৈ যায়। লগে লগে অন্ধকাৰৰ মাজত নাট্যকাৰৰ মাতি প্ৰকট হৈ উঠে।)

নাট্যকাৰ : অৱশেষত অশোকৰ পত্নী অঞ্জলিৰ কথাই ৰজিল। অঞ্জলি আকোৰগোজ। নিজৰ স্থিতিৰ অটল। তেওঁৰ ইচ্ছাশক্তিক অশোকৰ দায়িত্ব আৰু কৰ্ত্তব্যবোধে ৰোধিব নোৱাৰিল। উপায়ন্তৰ হৈ অৱশেষত অশোক পত্নী অঞ্জলি আৰু কণমানি টিনাক লৈ পিতৃগৃহ ত্যাগ কৰি ভাড়া ঘৰত থাকিবলৈ ওলাল। পিতৃ-মাতৃক অশোকে গৃহত্যাগৰ কোনো সন্তোষজনক কৈকিয়ৎ দিব নোৱাৰিলে। মাক দেৱযানী কাকতি ৰবপুত্ৰৰ আচৰণত ক্ষুন্ন তথা মৰ্ম্মাহত হ'ল। পিতৃ ভৱদেৱ কাকতিয়েও অন্তৰত মৰ্ম্মন্তুদ আঘাত পালে, কিন্তু সেই আঘাতৰ বেদনা কাকো উপলব্ধি কৰিবলৈ নিদি স্থিত প্ৰজ্ঞৰ দৰে স্থিৰ হৈ থাকিল। হাঁহি মুখেৰে নোৱাৰিলেও দেখুৱাই চকুপানী নোতোকাকৈ ভৱদেৱ কাকতিয়ে পুত্ৰ, পুত্ৰবধু আৰু মৰমৰ নাতিনীক বিদায় দিলে। কিন্তু যোৱাৰ আগমুহূৰ্ত্তত ভৱদেৱ কাকতিয়ে অশোকক গাঁৱৰ পৈতিক মাটি বাৰী বেচি পোৱা চাৰে তিনি লাখ টকাৰ দেৰ লাখ টকা দিবলৈ নাপাহৰিলে। এক বেদনাগ্ৰস্ত অন্তৰেৰে অশোকে সেই টকা খিনি হাতপাতি ললে যদিও আচলতে টকাখিনি পোৱাৰ আনন্দত পত্নী অঞ্জলিৰ হিয়াহে উৎফুল্লিত হৈ উঠা দেখা গ'ল। তেওঁ ভাবিলে - শহুৰ ভৱদেৱ কাকতি সাধাৰণ মানুহ নহয় - এজন ব্যতিক্ৰম ধৰ্ম্মী ব্যক্তি - নহলে মাটি বেচি পোৱা ধনৰ প্ৰায় আধা

অংশ উপজাচি তেওঁৰ স্বামী অশোক কাকতিক নিদিলেহেতেন। আজিৰ দিনত বাৰু ইমান হোজা মানুহ থাকিব লাগেনে?

(লাহে লাহে পোহৰ সম্পূৰ্ণ নিষ্প্ৰভ হৈ পৰে। তাৰ পিছত সাধাৰণ পোহৰত ভৱদেৱ, দেৱযানী আৰু জুমি জিলিকি উঠে। জুমি আজি কেইবাদিনৰ মূৰত ঘৰলৈ উভতি আহিছে। তাই কাৰ লগত কলৈ গৈছিল, সেই বিষয়ে ঘৰত কোনেও নাজানে। জুমিৰ পিন্ধনত জিন্ পেণ্ট আৰু টপ। হাতত এটা কেৰী বেগ বা চুটকেচ।)

জুমি : পাপা-মা। মোৰ ভুল হৈ গ'ল। এইবাৰলৈ তোমালোকে মোক ক্ষমা কৰি দিয়া।

ভৱদেৱ : তই আমাক পাপা-মা বুলি নেমাতিবি।

জুমি : মই জানো তোমালোকে মোক বেয়া পাই আছা -

দেৱযানী : তই জয়পুৰলৈ যাব, পাতাললৈ যাব - স্বৰ্গলৈ যাব - যলৈ যাব গৈ থাক, কিন্তু তইতো আমাৰ অনুমতি লৈহে যাব লাগিছিল। আমাৰ অনুমতি নোলোৱাকৈ এনেকৈ পৃথিৱী ভ্ৰমণ কৰাৰ অধিকাৰ তই ক'ত পালি?

জুমি : অধিকাৰ নহয় মা। যোৱাৰ প্ৰগাম নাছিলেই। হঠাতে ঠিক হ'ল। টিকটো এৰেঞ্জ হ'ল। তোমালোকৰ পাৰ্মিছন লবলৈ সময়েই নহল। তোমালোকে মোক বেয়া নাপাবা - মা -

ভৱদেৱ : তই আমাক বেয়া পোৱা নেপোৱাৰ শিক্ষা দিবলৈ নাহিবি। তোক আমাৰ ছোৱালী বুলি পৰিচয় দিবলৈকে লাজ লগা হৈছে।

জুমি : লাজ পোৱা যদি নিদিবা। মইতো কোনো এণ্টিচচিয়েল এক্টিভিটিজত লিপ্ত থকা নাই। একো এণ্টিচচিয়েল কামো কৰা নাই।

ভৱদেৱ : (গৰ্জ্জি উঠি) কৰিছ, কৰিছ। এশবাৰ কছি। হাজাৰ বাৰ কৰিছ।

জুমি : বিমলৰ লগত জয়পুৰলৈ যোৱাটোয়েই অপৰাধ হ'লনে?

ভৱদেৱ : হবতো। কিয় নহব? সি সাধাৰণ অপৰাধ নহয়, ই এক দুৰ্ঘোৰ নৈতিক অপৰাধ - যাৰ কোনো ক্ষমা নাই।

জুমি : বিমলতো তোমালোকৰ কাৰণে কোনো অচিনাকী লৰা নহয়।

ইপিনে সি মোৰ চিৰ চিনাকী - যাৰ অবিহনে মোৰ জীৱন বৃথা।

ভৱদেব : (ধমকি দি) বন্ধ কৰ - তোৰ এই বিমল বন্দনা।

জুমি : ঠিক আছে। তোমালোকে বেয়া পোৱা যদি মই বাৰু বিমলৰ কথা নকওঁ। কিন্তু এটা কথা মনত ৰাখিবা - আজি নহয় কালিলৈ - কালিলৈ নহয় পৰহিলৈ তোমালোকে তাৰ অস্তিত্ব স্বীকাৰ কৰিবই লাগিব।

দেৱযানী : জুমি - তই দেউতাৰ আগত এনে ডাঙৰ কথা কবলৈ অকণো সংকোচ নকৰিলি ?

জুমি : মইতো একো ডাঙৰ কথা কোৱা নাই মা। সত্য কথাহে কৈছো। সংকোচ কৰিম কিয় ?

ভৱদেব : কোনে কৈছে তই ডাঙৰ কথা কোৱা নাই বুলি ? সন্তানৰ যি কথাই মাক্-দেউতাকৰ অন্তৰত আঘাত হানে - সেই কথা সৰু হবই নোৱাৰে।

দেৱযানী : তই বিপথগামী ছোৱালীৰ দৰে কথা নকবি জুমি।

জুমি : মই নিজকে বিপথ গামী বুলি নেভাবো মা-।

ভৱদেব : তই নাভাবিলে কি হব ? কোনো সৎ পথত চলা ছোৱালীয়ে তোৰ দৰে এনে উচ্ছৃংখল আচৰণ নকৰে।

জুমি : মই কিবা উচ্ছৃংখল আচৰণ কৰিছো বুলি নাভাবো।

ভৱদেব : মাক-দেউতাকৰ অনুমতি ব্যতিৰেকে এজনী গাভৰু ছোৱালী ঘৰৰ পৰা উধাও হৈ দহদিন বাহিৰত কটোৱাটো জানো উচ্ছৃংখল আচৰণ নহয় ?

জুমি : মইতো পাৰ্মিচন লৈ যাবলৈকে বিচাৰিছিলো, কিন্তু কিবা কাৰণত সেইটো হৈ নুঠিল। সেইটোৱেই ইমান ডাঙৰ অপৰাধ হ'লনে যে তোমালোকে মোক ক্ষমা কৰিব নোৱাৰা।

ভৱদেব : যোৱাৰ আগেয়ে অনুমতি লব নোৱাৰাৰ কোনো কাৰণেই থাকিব নোৱাৰে। আচলতে অনুমতি লোৱাৰ আৱশ্যকতা বোধ নকৰিলি। ইয়াৰ দ্বাৰা এইটো প্ৰমাণিত হৈছে যে - আমাক মা-দেউতা বুলি

তই গণ্য কৰিব খোজা নাই।

জুমি : ইছ। - তুমি কি কথাবোৰ কৈছা পাপা? তোমালোকক মই বাৰু সেইদৰে কিয় ভাবিম?

দেৱযানী : সেইটো তই জান। কিন্তু দেউতাৰে ঠিক কথাই কৈছে। তোৰ আচৰণত অকল দেউতাৰেই নহয় ময়ো মৰ্মাহত হৈছো। অন্ততঃ তোৰ পৰা আমি এনে আচৰণ আশা কৰা নাছিলো।

জুমি : তোমালোক অযথা ইমান চেন্টিমেন্টেল হৈছা কিয় মা? মইতো কোনো অচিনাকী লৰাৰ লগত জয়পুৰলৈ যোৱা নাছিলো।

দেৱযানী : তেন্তে কাৰ লগত গৈছিলি?

জুমি : বিমলৰ লগত।

ভৱদেৱ : বিমল? বিমল কোন?

জুমি : বিমলক তোমালোকে ভালদৰে চিনি পোৱা।

ভৱদেৱ : (তীব্ৰ প্ৰতিবাদ কৰি) মিছা কথা। তাক মই চিনি নাপাও।

দেৱযানী : চিনি পালেও সি - আমাৰ অচিনাকী। তাৰ লগত বিনা কাৰণত অকলে জয়পুৰলৈ যোৱাটো আমি মানি লব নোৱাৰো।

জুমি : কিয় নোৱাৰা? মানি লোৱাত বাধা ক'ত?

ভৱদেৱ : সেই কথা তোক আমি বুজাব নোৱাৰো। কিন্তু কোনো পিতৃ-মাতৃয়েই তোৰ কথা মানি লব নোৱাৰে- অৰ্থাৎ মানি নলয়।

জুমি : সেই পুৰণা ৰেকৰ্ডখন নবজাবা পাপা। তোমালোকৰ সেই জামানা আৰু নাই। যুগৰ পৰিবৰ্ত্তন হৈছে। মানুহৰ মনো। তাতে আকৌ নতুন প্ৰজন্মৰ কথাই সুকীয়া। তুমি হয়তো পাহৰি গৈছা পাপা আমি নতুন প্ৰজন্মৰ ডেকা-গাভৰু।

ভৱদেৱ : (খঙত জ্বলি পকি) বন্ধ কৰ তোৰ সেই নতুন প্ৰজন্মৰ গুণানুকীৰ্ত্তন। পাহৰি নাযাবি জুমি, বিপদৰ কৰাল গ্ৰাসত আজি সমগ্ৰ বিশ্বৰ নব প্ৰজন্ম পতিত হৈছে, যাৰ ফলত অচিৰেই পঙ্গু হৈ পৰিব মানৱ জাতি।

জুমি : তোমাৰ সেইবোৰ তত্বগধুৰ কথাৰ অৰ্থ মই বুজি নাপাও পাপা।

মই বৰ প্ৰেক্‌টিকেল ছোৱালী। যি শুদ্ধ বুলি ভাবো তাকেই কৰো। তোমালোকে মোক বেয়া পোৱাৰ কোনো যুক্তি অথবা কাৰণ বিচাৰি পোৱা নাই।

ভৱদেব ঃ (ছোৱালীক ধিক্কাৰ দিয়াৰ নিচিনাকৈ) নতুন প্ৰজন্মৰ মোহৰ লগাই তহঁতবোৰ বতাহত বেলুন উৰাদি উৰি ফুৰিছ। তহঁতৰ সেই বেলুন ফুটিবলৈ আৰু বেছি দিন অপেক্ষা কৰিবলগীয়া নহব।

জুমি ঃ (হাঁহি) তুমি হুস্বালা পাপা।

ভৱদেব ঃ (ধমকি দি) হাঁহিবলৈ তোৰ লাজ লগা নাই।

জুমি ঃ হাঁহি উঠা কথা কলে হাঁহি উঠিবই।

ভৱদেব ঃ হাঁহি উঠা কথা কৈছো ?

জুমি ঃ হাঁহি উঠা নহয় কি ? তোমালোকেতো আমাৰ আমাক প্ৰকৃত পথৰ সন্ধান দিব নোৱাৰিলাই, আমি আকৌ নিজৰ পথ বাছি ললে - তাতো তোমালোকৰ আপত্তি। আমি এতিয়া ক'ত মৰো - কি কৰো ?

ভৱদেব ঃ একো কৰিব নালাগে। মাথোন তই বিমল আগৰৱালা নামৰ লৰাটোৰ সঙ্গ ত্যাগ কৰিব লাগে।

জুমি ঃ কিয় ?

ভৱদেব ঃ সি আমাৰ পছন্দৰ নহয়। তাক আমি তোৰ যোগ্য প্ৰাৰ্থী বুলি স্বীকাৰ নকৰো।

জুমি ঃ তোমালোকে নকৰিলে নাই - মইতো কৰিছো।

ভৱদেব ঃ তই কৰাটোৱেই শেষ কথা নহয়। তোৰ মা-দেউতাৰেও মানি লব লাগিব।

জুমি ঃ তোমালোকে যদি বিমলৰ লগত মোৰ সম্পৰ্ক স্বীকাৰ নকৰা - তেনেহলে মোৰ কবলগীয়া একো নাই। মই তোমালোকক বাধ্য কৰাব নোৱাৰো। কিন্তু মই সুস্থ মগজেৰে চিন্তা কৰি চাই পাইছো - মই ভালেই কৰিছো।

ভৱদেব ঃ (অনুশাসনৰ সুৰত) জুমি, তই সংযত হৈ কথা কোৱাটো আমি

বিচাৰো।

জুমি : মইতো অসংযতভাবে কথা কৈছো বুলি নাভাবো। তোমালোকেও এবাৰ সুস্থিৰ মগজেৰে চিন্তা কৰি নোচোৱা কিয়?

ভৱদেব : আমি কি চিন্তা কৰিব লাগে?

জুমি : তোমালোকে মোৰ ল'ৰা বিচাৰি হাবাথুৰি খাব নলগাকৈ যে এজন যোগ্য প্ৰাৰ্থী বিচাৰি লব পাৰিছো, বি কম পাছ কৰি চাকৰি নকৰাকৈও ৰাজ-ৰাণীৰ নিচিনাকৈ বিমলৰ লগত জীৱন কটাব পাৰিম। কিয় মই বিমলৰ সঙ্গ ত্যাগ কৰিব লাগে? এই বিষয়ে মই তোমালোকৰ আগত পুনৰ বাৰ কৰলৈ সংকোচ বোধ নকৰো যে মই ভালেই কৰিছো। আনে যিয়েই নকওক কিয়?

ভৱদেব : তই যদি বিমলৰ প্ৰেমত ইমানেই অন্ধ তেনেহলে তাৰ লগতেই থাকিব লাগিছিল। ঘৰলৈ উভতি অহাৰ কোনো প্ৰয়োজন নাছিল।

জুমি : (দেউতাকৰ কথাই তাইৰ অন্তৰত বেয়াকৈ আঘাত কৰে) তুমি ঠিকেই কৈছা পাপা। মই ঘৰলৈ উভতি আহিব নালাগিছিল। মোৰ ভুল হৈছে। ডাঙৰ ভুল। তুমি চিন্তা নকৰিবা পাপা। সেই ভুল মই সংশোধন কৰিম। মই কথা দিছো।

(ক্ষিপ্ৰ গতিৰে উচাট মাৰি তাই ভিতৰ সোমাই যায়। ভৱদেব কাকতি আৰু দেৱযানী কাকতিয়ে অবাক হৈ তাই যোৱাৰ ফালে চাই থাকে। তাৰ পিছত দৃষ্টি আঁতৰ কৰি দুয়ো দুয়োলৈকে কিছু সময় চাই থাকে।)

দেৱযানী : ছোৱালীৰ কথা শুনিলে?

ভৱদেব : শুনিবলৈ আৰু কিটো আছে। সকলো শুনিলো - সকলো বুজিলো। মাথোন নিজৰ মনতে প্ৰশ্নৰ উদয় হৈছে-ইমান দিনে নিজৰ সন্তানকে চিনি নাপালো।

দেৱযানী : (অসহায় হৈ) এতিয়া কি কৰিম বুলি ভাবিছে?

ভৱদেব : আমাৰ কৰিবলৈ কিটো আছে। সকলো যুক্তি তৰ্ক শেষ হ'ল। এতিয়া সকলো তাইৰ ওপৰতে নিৰ্ভৰ কৰিছে।

দেৱযানী ঃ তাইক ভগবানে সুমতি দিলেই হ'ল। আগতেতো তাই এনে মেজাজৰ ছোৱালী নাছিল।

ভৱদেব ঃ হয়তো নাছিল। এতিয়া হ'ল। কি কৰিবা?

দেৱযানী ঃ কি কৰিম বুলি ভাবিছে?

ভৱদেব ঃ একো ভবা নাই। নীৰৱ দৰ্শক হৈ বহি থকাৰ বাহিৰে উপায় নাই।

দেৱযানী ঃ দাৰোগা পুলিচৰ সহায় লবনে কি?

ভৱদেব ঃ লাভ নাই। কাৰণ বোকাত কোব মাৰিলে নিজৰ গাতেই চিতিকি পৰে।

দেৱযানী ঃ সেইটোও হয়। জুমিজনী আজি কিছুদিনৰ পৰা একেবাৰে উদণ্ড হৈ পৰিছে। তাই একো গুৰু গোসাই নমনা হৈছে।

ভৱদেব ঃ অকল উদণ্ডই নহয়। সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণৰ বাহিৰ হৈ গৈছে।

দেৱযানী ঃ তেনেহ্‌লে এতিয়া কি কৰিব?

(ভৱদেব কাকতিয়ে উত্তৰ নিদিলে। এক অজান আশংকাত তেওঁৰ হিয়া যেন দুৰু দুৰুকৈ কঁপিছে। চিন্তা ভাৱনা কৰি থাকোতে হাতত এটা চুটকেছ লৈ জুমি বাহিৰলৈ যাবলৈ উদ্যত হৈছে।)

ভৱদেব ঃ কলৈ যাব?

জুমি ঃ গুছি যাও।

ভৱদেব ঃ গুছি যাব? কলৈ?

জুমি ঃ সেইটো তোমালোকক কিয় লাগে? মোৰ ভাগ্যই যলৈ টানি লৈ যায় - তালৈকে মই যাম -

দেৱযানী ঃ জুমি, তোৰ কাৰণে বিমলেই সকলোতকৈ ডাঙৰ হ'লনে? মা-দেউতাৰ একোৱেই নহয়?

জুমি ঃ (অলপ থমকি) তুমি মা - তুমি - পাপা - তোমালোকেই মোৰ সকলো আছিলা। তোমালোকেই মোক সকলো দিছিলা। পুনৰ তোমালোকেই সকলো নষ্ট কৰি পেলালা।

দেৱযানী ঃ কিন্তু আমিতো এতিয়াও তোৰ কাষতেই আছো।

জুমি ঃ নাই। (নেজত আঘাতপ্ৰাপ্ত সৰ্পিনীৰ দৰে) তুমি মিছা কথা কৈছা।

তোমালোকে মোক কাষত ৰাখিব নোৱাৰিলা। ডাঙৰদা আৰু বৌকো কাষত ৰাখিব নোৱাৰিলা। সৰুদা ববীকো পৰা নাই। তুমিও আজি মোৰ কাষত নাই মা। মিছা কথা কৈ কৈ তুমিও হেৰাই গৈছা। দাদা, বৌ, ববী সকলো আতৰি গৈছে। চ-ব।

ভৱদেব : (বিচলিত নহৈ) তই যাবি কলৈ?

জুমি : মই যাম কলৈ? শুনিব খুজিছা? শুনিবলৈ জানো ভাল লাগিব?

দেৱযানী : বেয়া লাগিলেও ক - কলৈ যাবি?

জুমি : তোমালোকে হয়তো ঠিকেই ধৰিছা। বিমলৰ ওচৰলৈ।

ভৱদেব : (চিৎকাৰ কৰি) জুমি।

জুমি : সঁচা কথা কলো। তেওঁৰ ওচৰলৈ যোৱাই মোৰ একমাত্ৰ পথ। সেইটোৱেই সঁচা। তোমালোকবোৰ মিছা -

ভৱদেব : জুমি - তই -

জুমি : আৰু একো নকবা পাপা। আৰু একো কবলৈ নাই। তোমালোক তোমালোকৰ নিজৰ স্থিতিতেই থাকা। মোক নিজৰ পথেদি যাবলৈ দিয়া। আমাৰ পথ। মানে - মোৰ আৰু বিমলৰ -

ভৱদেব : কিন্তু বিমলৰ ঘৰত তই —

জুমি : বিমলৰ ঘৰত নহয়। বিমলৰ লগত বুলি কৈছো।

দেৱযানী : কি কবলৈ বিচাৰিছ তই?

জুমি : (অলপ সময় থৰ হৈ চাই থাকি) পিছত নিজেই জানিব পাৰিবা। তথাপি যদি শুনিবলৈ ইচ্ছা কৰা - তেনেহলে শুনা। মই বিমলৰ লগত এই চহৰৰে উপকণ্ঠৰ তিনিটা কোঠাৰ এটা চৌখিন ফ্লেটত থাকিম।

ভৱদেব : (একো বুজি নাপাই) বিমল? ফ্লেট? এইবোৰ কি?

জুমি : একো নহয়। অকল বিমল। তাকতো তোমালোকে চিনিয়েই পোৱা। চহৰৰ বিখ্যাত ব্যৱসায়ী মহাবীৰ প্ৰসাদ আগৰৱালাৰ কনিষ্ঠ পুত্ৰ। মোৰ ক্লাছ ফ্ৰেণ্ড। সদ্যহতে তাৰ লগত মই ফ্লেটতেই একে লগে থাকিম। বিয়া নকৰাও। সকলোবোৰ কথা ভালদৰে চিন্তা-ভাৱনা

কৰিহে এই সিদ্ধান্তত উপনীত হৈছো। ইয়াতকৈ বেছি বুজাব চেষ্টা নকৰিবা পাপা।

ভৱদেব : বিমল আগৰৱালা।

জুমি : বিমলে কৈছিল - যদি কেতিয়াবা সঁচাকৈয়ে প্ৰয়োজন হয়, অৰ্থাৎ পৰিস্থিতিয়ে যদি বাধ্য কৰে তেতিয়া তেওঁৰ কথা যেন স্মৰণ কৰো। (কিছু চিন্তিত হৈ) তেওঁক স্মৰণ কৰাৰ আজি মোৰ প্ৰয়োজন হৈছে।

(ভৱদেব কাকতি কিংকৰ্ত্তব্য বিমোৰ হৈ প্ৰস্তৰ মুৰ্ত্তিৰ দৰে থিয় হৈ থাকিল। মূৰত যেন একো সোমোৱা নাই।)

ভৱদেব : বিমল? সঁচাই সি তোক নিজৰ কৰি লবনে?

জুমি : মোৰ কোৱা খিনি কলো। তাৰ বাহিৰে তোমাৰ কোনো প্ৰশ্নৰে উত্তৰ মই নিদিও পাপা।

(জুমি দুৱাৰৰ ওচৰলৈ গ'ল। ভৱদেব আৰু দেৱযানীয়ে যেন গমেই নাপালে। জুমি হঠাতে থমকি ৰল। তাৰ পিছত মাক দেউতাকলৈ চাই কলে।)

হয়তো ইমান সোনকালেই এই - কঠোৰ সিদ্ধান্ত নললোহেতেন যদি তোমালোক মোৰ প্ৰতি ইমান কঠোৰ নহলাহেতেন।

তোমালোক কঠোৰ হ'লা, ময়ো কঠোৰ হবলৈ বাধ্য হলো। কাৰণ হুলেহে হুল কাঢ়ে। সেই কাৰণে তোমালোকৰ ওচৰত মোৰ কোনো লাজ নাই, ক্ষোভো নাই — মোক ক্ষমা কৰিবা পাপা-মা।

(জুমি গুছি গল। ভৱদেব আচ্ছন্ন হৈ - বহি পৰিল। উঠিল। উদ্দেশ্যহীন ভাবে ঘূৰা ঘুৰি কৰিলে। এবাৰ ওপৰৰ ফালে চালে। তাৰ পিছত লাহে লাহে দেৱযানীক উদ্দেশ্য কৰি কলে।)

ভৱদেব : ইমান দিনৰ মূৰত তাই ঘৰলৈ আহিছিল আৰু যাও বুলিয়েই গুছি গল। তাইক তুমি যাবলৈ মানা নকৰিলা কিয়?

দেৱযানী : মানা কৰা হেতেনো তাই গ'লহেতেন।

ভৱদেব : হয়তো গ'লহেতেন। তথাপি -

দেৱযানী : তথাপি কি?

ভৱদেৱ : কিজানিবা নগলেইহেতেন।

দেৱযানী : অযথা সেইবোৰ কথা চিন্তা কৰি মনৰ দুখ বঢ়াই নলব।

ভৱদেৱ : তুমিতো কৈছাই। কিন্তু দুখেযে মোৰ অন্তৰ থকা সৰকা কৰি পেলাইছে।

দেৱযানী : ধৈৰ্য্য ধৰক। ময়োতো আপোনাৰ দুখৰ সমভাগী।

ভৱদেৱ : মই যে নিজকে চম্ভালিব নোৱাৰা হৈছো দেৱযানী। তেজ মঙহৰ অতি মৰমৰ অতি চেনেহৰ ছোৱালী জনীয়ে সকলো সম্পৰ্ক ছেদ কৰি আজি যাও বুলিয়েই গুছি গ'ল। অথচ বৃদ্ধ পিতৃ-মাতৃৰ কথা অকণো চিন্তা নকৰিলে।

দেৱযানী : আপোনাৰ চকুতযে পানী। সেইবোৰ কথা চিন্তা কৰি দুখৰ মাত্ৰা বঢ়াই নলব।

ভৱদেৱ : মই কন্দা নাই - দেৱযানী। মই দুখ কৰা নাই। চাবা - তাই নিজৰ ভুল উপলব্ধি কৰি আমাৰ মাজলৈ পুনৰ উভতি আহিব!

দেৱযানী : বুজিছে - বেছি আশা নকৰিব, দুখো নকৰিব। যি ঘটিব লগীয়া আছে সি ঘটিবই - তাক কোনেও খণ্ডন কৰিব নোৱাৰে। তাই এনেকৈ যাবলগীয়া আছিল - গ'ল। মাথোন খেদ এইখিনিতেই যে সমাজৰ চকুত এই বৃদ্ধ বয়সত আমি হেয় প্ৰতিপন্ন হ'লো, তাইক আমি বিয়া দি উলিয়াই দিব নোৱাৰিলো।

ভৱদেৱ : হব দিয়া। আমি তাইক বিয়া দি উলিয়াই পঠাইছো বুলি ধৰি ললেই হ'ল - বুজিছা।

দেৱযানী : বুজিছো। সকলো বুজিছো। দুখ নকৰিব। মোকো দুখত ভাগি পৰিবলৈ নিদিব। আমাৰ নিচিনা হতভগীয়া পিতৃ-মাতৃৰ দুৰ্ভাগ্যই যেন আনক লগ নিদিয়ে তাকেই কামনা কৰক।

ভৱদেৱ : কৰিছো দেৱযানী, তাকেই কামনা কৰিছো।

(কিছু সময় মৌন হৈ থাকে দুয়োটা চৰিত্ৰ। তাৰ পিছত হঠাতে মৌনতা ভঙ্গ কৰি ভৱদেৱ কাকতিয়ে কৈ উঠে।)

ভৱদেৱ : মনে মনে থাকিলা দেখোন? কিবা কোৱা।

দেৱযানী ঃ কি ক'ম?

ভৱদেব ঃ কবলৈ একোৱেই নাইকিয়া হলনে?

দেৱযানী ঃ তাকেইতো ভাবিছো। কবলৈনো কি বাকী থাকিল?

ভৱদেব ঃ আছে। বহুত আছে। কিন্তু তুমি নোকোৱা। কিমান যে কবলগীয়া আছে।

দেৱযানী ঃ কাৰ কথা?

ভৱদেব ঃ তোমাৰ মোৰ। অশোক অঞ্জলিৰ। ববী আৰু জুমিৰ।

দেৱযানী ঃ আপুনিও যে কথাবোৰ কয়?

ভৱদেব ঃ মই জানো কিবা আচহুৱা কথা কৈছো?

দেৱযানী ঃ আচহুৱা নহয় কি?

ভৱদেব ঃ কেনেকৈ?

দেৱযানী ঃ আপুনি মই দেখোন আছোৱেই।

ভৱদেব ঃ তেন্তে নাই কোন?

দেৱযানী ঃ আপুনি জানিও নজনাৰ ভাও ধৰিছে কিয়?

ভৱদেব ঃ হয়নে কি? বয়স হৈছে নহয় - কথাবোৰ পাহৰি যাও।

দেৱযানী ঃ (প্ৰতিবাদ কৰি) মিছা কথা। বয়স হলেও আপুনি পাহৰিব নোৱাৰে অশোক আৰু অঞ্জলিৰ কথা। বয়স হলেও আপুনি পাহৰিব নোৱাৰে ববী আৰু জুমিৰ কথা।

ভৱদেব ঃ তুমি ঠিকেই কৈছা দেৱযানী। মই পাহৰা নাই অশোক আৰু অঞ্জলিৰ কথা। মই নেপাহৰো ববী আৰু জুমিৰ কথা।
(লগে লগে পোহৰ পৰিবৰ্ত্তন হয়। অন্ধকাৰ। অকল এটা লাইটৰ পোহৰত মঞ্চৰ মাজভাগত পাদ-প্ৰদীপৰ ওচৰত নাট্যকাৰ থিয় হৈ থাকে। তাৰ পিছত দৰ্শকলৈ চাই কথাবোৰ কয়।)

নাট্যকাৰ ঃ জুমি আৰু বিমল। বিমল আৰু জুমি। নৱ-প্ৰজন্মৰ ডেকা গাভৰু। নৈতিকতা আৰু যৌনতা সম্পৰ্কে মানুহৰ ধ্যান ধাৰণা ক্ৰমে সলনি হোৱাৰ লগে লগে সিহঁতৰ মাজতো গঢ়ি উঠিছে অবাধ মিলাপ্ৰীতি আৰু অন্তৰঙ্গতা। সিহঁতৰ মাজত গঢ়ি উঠা সম্পৰ্কক বাধা দিয়াত

ব্যৰ্থ হৈ ভাগৰি পৰিছে - ভৱদেৱ কাকতি আৰু তেওঁৰ পত্নী দেৱযানী কাকতি। আধুনিক জীৱন যাত্ৰাৰ নামতেই জুমি আৰু বিমলে যি ধৰণৰ সংস্কৃতিক আদৰি লব খুজিছে - তাৰ পৰিপ্ৰেক্ষিতত এই অপ্ৰিয় সত্যটো আকোৱালি লবলৈ ভৱদেৱ কাকতি আগ বাঢ়ি যাবলগীয়া হবনে কি? উত্তৰ কাকতিৰ হাতত নাই, তাৰ উত্তৰ দিব অনাগত ভবিষ্যতে। সি যি কি নহওক এতিয়া ভৱদেৱ কাকতি আৰু দেৱযানী কাকতিৰ কাষত জুমি গুছি যোৱাৰ পিছত সান্ত্বনা দিবলৈ কোনো নাই। মিছা কথা। তেওঁলোকৰ কাষত এতিয়া ববী আছে। কেৱল ববী। কিন্তু ববী থকা নথকা সমান।

(মঞ্চ ক্ষীণ পোহৰত আলোকিত হয়। সেই ক্ষীণ পোহৰৰ মাজত ববী উদ্ভাষিত হয়।)

ববী : আৰে নাট্যকাৰ দেখোন? কি খবৰ?

নাট্যকাৰ : ভাল।

ববী : আপুনি লিখি থকা নাটকখন শেষ কৰিলে জানো?

নাট্যকাৰ : লিখিয়েই আছো। বৰ্ত্তমান শেষ পৰ্য্যায়ত উপনীত হৈছো বুলিয়েই ধৰা। শেষ হবলৈ হয়তো আৰু বেছি দিন নালাগিব।

ববী : ঠিক আছে। সোনকালেই শেষ কৰক আকৌ।

নাট্যকাৰ : হব, সোনকালেই শেষ হব। নাটকৰ এই অন্তিম পৰ্ব্বত মই তোমাৰ পৰা পূৰ্ণ সহযোগিতা বিচাৰিছো।

ববী : (উচপ খাই উঠা মানুহৰ নিচিনাকৈ) মোৰ পৰা? আপুনি কি কথা কৈছে?

নাট্যকাৰ : মই সত্য কথাকে কৈছো ববী। তোমাৰ পৰা পূৰ্ণ মাত্ৰাই সহায় সহযোগ নেপালে মই এই নাটক কোনো পধ্যেই সম্পূৰ্ণ কৰিব নোৱাৰিম।

ববী : যদি কথাটো তাতেই বজি আছে - তেনেহলে আপোনাৰ লগত সহযোগ কৰাত মোৰ কোনো আপত্তি নাই। কিন্তু ক'ত কেনেকৈ সহযোগ কৰিব লাগে আপুনি মোক এডভাঞ্চ কব আকৌ।

নাট্যকাৰ : কম। সকলো বুজাই কম। তুমি মাথোন মোৰ লগত ক'পাৰেট কৰি যাবা।

ববী : হব বাৰু। আপোনাক মই এচুৰেঞ্চ দিলো।

নাট্যকাৰ : (কথাৰ সুৰ পৰিবৰ্ত্তন কৰি) পিছে তোমাৰ লেটেষ্ট খবৰ কোৱাছোন? ক'ৰবাত মূৰটো সুমোৱাৰ সুবিধা কৰিব পাৰিছানে?

ববী : চৰী - নাই পৰা। কিন্তু চেষ্টা চলায়েই আছো।

নাট্যকাৰ : এতিয়ালৈকে চেষ্টা চলাই আছা। মই ভাবিছিলো আকৌ এতিয়া মানে তুমি কৰবাত কি এটাত ভৰ্ত্তি নোহোৱাকৈ থকা নাই।

ববী : কি কৰিব। মোৰ লাকেই বেয়া। যতেই হাত দিও তাতেই নিগেটিভ।

নাট্যকাৰ : পজিটিভ কেতিয়া হব ববী?

ববী : হব বেছি দিন নাই। ঈশ্বৰে কৰিলে এইবাৰ হব লাগে?

নাট্যকাৰ : মই বুজি পোৱা নাই। অকাই পকাই আছা কিয়? পোনপটীয়া কৈ কোৱা।

ববী : বুজিব। সময়ত সকলো বুজিব।

নাট্যকাৰ : মানে?

ববী : মানে আৰু কি? ট্ৰেন্সপৰ্ট ডিপাৰ্টমেণ্টৰ ১৭ টা এনফৰ্চমেণ্ট ইন্সপেক্টৰ পোষ্টৰ বাবে সাত হাজাৰ এপ্লিকেণ্ট।

নাট্যকাৰ : সকলো ভাৰতীয় নাগৰিকৰে এপ্লাই কৰাৰ অধিকাৰ আছে। তাততো একো আপত্তি থাকিব নোৱাৰে।

ববী : নাই। একো আপত্তি নাই। তথাপি দুৰ্ঘোৰ আপত্তি আছে।

নাট্যকাৰ : হয়নে কি? কেনে?

ববী : আপোনাক কি ক'ম। চাকৰিৰ বজাৰখন এতিয়া দালালৰ কবলত। দালালে এতিয়া চাকৰিটোৰ দৰ উঠাইছে তিনি লাখ টকালৈ। লিষ্টত নাম থকা প্ৰাৰ্থীয়েহে বোলে চাকৰি পাব।

নাট্যকাৰ : তোমাৰ নামটো আছেনে নাই।

ববী : আছে। মোৰ নামটো ৫ নম্বৰতে আছে।

নাট্যকাৰ : এতিয়া কি কৰিবা?

ৰবী : কৰিবলৈ একো নাই। তিনি লাখ টকা দিব লাগিব। তেতিয়াহে চাকৰিটো পাম।

নাট্যকাৰ : (আচৰিত হৈ) তিনি লাখ টকা। কাক?

ৰবী : কনচাৰ্নড মন্ত্ৰীৰ পি এক বোলে।

নাট্যকাৰ : কথাটো সঁচা জানো?

ৰবী : হাণ্ড্ৰেড পাৰ্চেণ্টেই সঁচা। সেই টকাৰ সিংহ ভাগ কনচাৰ্নড মন্ত্ৰীক দিব লাগিব।

নাট্যকাৰ : সঁচা জানো?

ৰবী : কথাটো মিছা নহয়। মই সঠিক খা-খবৰ লৈহে আপোনাৰ কথাটো কৈছো।

নাট্যকাৰ : (মুৰ জোকাৰি) এইটো বৰ আপত্তিজনক কথা। বিশ্বাস কৰিবলৈকে টান লাগে।

ৰবী : যুগ পাল্টি গৈছে নাট্যকাৰ। আপোনাৰ মোৰ আপত্তি থাকিলে কি হ'ব?

নাট্যকাৰ : ইমান সোপা টকা জানো তুমি দিব পাৰিবা?

ৰবী : সেইটোৱেই কোটি টকীয়া প্ৰশ্ন।

নাট্যকাৰ : কিন্তু প্ৰশ্ন হৈ থাকিলেতো সমস্যাৰ সমাধান নহয়? সমাধান কৰিবা কেনেকৈ?

ৰবী : (দৃঢ়তাৰে) সমস্যাৰ সমাধান কৰিবই লাগিব। কাৰণ পোষ্টটো হাতচাৰা হবলৈ এৰি দিব নোৱাৰো। যি কোনো প্ৰকাৰে এই পোষ্টটো হস্তগত কৰিবই লাগিব। ই মোৰ কাৰণে 'লাইফ-এণ্ড-ডেথ' সমস্যা। মোৰ অন্তৰৰ বেদনা আপুনি কেনেকৈ উপলব্ধি কৰিব নাট্যকাৰ?

নাট্যকাৰ : কৰিছো। ভালদৰে কৰিছো ৰবী। উপলব্ধি নকৰাহেতেন তোমাৰ ব্যক্তিগত সমস্যাৰ ভিতৰ সোমাবলৈ মই চেষ্টা নকৰিলোহেতেন।

ৰবী : তাৰ বাবে আপোনাক ধন্যবাদ।

নাট্যকাৰ : তাৰ মানে তুমি ঘোঁচ দিবলৈ সাজু আছা?

ববী : আপুনি নাজানে নাট্যকাৰ সমগ্ৰ অসম জুৰি যুৱপ্ৰজন্মৰ মাজত চলোৱা এক সমীক্ষাৰ পৰা এইটো স্পষ্ট হৈ উঠিছে যে ৰাজ্যখনৰ ৫৯ শতাংশ যুৱকেই চাকৰি লাভৰ ক্ষেত্ৰত উৎকোচ দিয়াৰ পক্ষপাতী। তেনে ক্ষেত্ৰত সেই ৫৯ শতাংশ যুৱকৰ পৰা মোক পৃথক কৰিব খুজিছে কিয়?

নাট্যকাৰ : নাই নাই। তুমি মোক ভুল নুবুজিবা। তোমাক মই পৃথক কৰিব খোজা নাই নহয়। তোমাৰ কাণ্ড-কাৰখানাবোৰ দেখি মোৰ কিন্তু কাবাদি খেললৈহে মনত পৰিছে।

ববী : কাবাদি খেল?

নাট্যকাৰ : কি হ'ল? কাবাদি খেলৰ নাম শুনা নাইনে কি?

ববী : কিয় নুশুনিম? ময়ো স্কুল কলেজত ভাল ফুটবল খেলুৱৈ আছিলো - বুইছে। চেণ্টাৰ ফৰৱাৰ্ডত খেলিছিলো।

নাট্যকাৰ : বুজিলো। বাৰু কোৱাছোন কাবাদি খেলত জিকিবলৈ কি কৰিব লাগে?

ববী : নাজানো। মোৰ বৰ আইডিয়া নাই। বাৰু আপুনিয়েই কওকছোন কি কৰিব লাগে?

নাট্যকাৰ : খেলৰ শেষলৈকে খেলুৱৈয়ে মুখেৰে 'কাবাদি' 'কাবাদি' বুলি কৈ থাকিব লাগে।

ববী : কি এবৰ্ছাড কথা কৈ আছে? এফালে 'কাবাদি' আৰু আনফালে চাকৰি। ইটোৰ লগত সিটোৰ সম্পৰ্ক কি?

নাট্যকাৰ : কথাটো তাতেই আছে। সম্পৰ্ক মই বিচাৰি উলিয়াইছো।

ববী : কেনেকৈ?

নাট্যকাৰ : এনেকৈ। 'কাবাদি' খেলত জিকিবলৈ যেনেকৈ শেষলৈকে 'কাবাদি' 'কাবাদি' বুলি কৈ থাকিব লাগে ঠিক তেনেকৈ কৰ্ম্ম সংস্থাপনৰ ৰণখন জিকিবলৈ হ'লে শেষত গৈ কু-কাৰ্য্যত লিপ্ত হ'বলগীয়া হয়।

ববী : অৰ্থাৎ -

নাট্যকাৰ : অৰ্থাৎ যিটো অৱস্থা তোমাৰ হৈছে।

ববী : ঠাট্টা নকৰিব।

নাট্যকাৰ :- ঠাট্টা কৰা নাই ববী। সত্যৰ স্বৰূপটোহে দাঙি ধৰিছো। (কথাৰ সুৰ পৰিবৰ্ত্তন কৰি) বাৰু বাদ দিয়া সেইবোৰ কথা। ধৰি ললো সেই ৫৯ শতাংশ বেকাৰ যুৱকৰ মাজৰে তুমিও এজন। কিন্তু এতিয়াৰ প্ৰশ্ন হৈছে ইমান বিয়াগোম পৰিমাণৰ টকা তুমি কৰ পৰা সংগ্ৰহ কৰিবা? নোৱাৰা - ববী - নোৱাৰা। কি বিশ্বাসত মানুহে তোমাৰ নিচিনা এটা বেকাৰ লৰাক টকা ধাৰলৈ দিব?

ববী : তেনেকৈ আপুনি মোক নিৰুৎসাহ নকৰিব। মোৰ মনোবল অটুত আছে, বিশ্বাসো আছে। সেইখিনি টকা মই যোগাৰ কৰিব পাৰিম। পোষ্টটো যেনে তেনে হস্তগত কৰিব নোৱাৰিলে মোৰ জীয়াই থকাটোৱেই অৰ্থহীন হৈ পৰিব।

নাট্যকাৰ : তেনেকৈ ভবাটো অনুচিত। মোৰ কিন্তু মগজে একো ঢুকি পোৱা নাই।

ববী : সাক্ষাৎকাৰৰ জৰিয়তে পোনপটীয়া ৰাস্তাৰে গৈ চাকৰি পাম বুলি মিছা আশা কৰিব নোৱাৰো। চাকৰি পাবলৈ আজিকালি পিছ দুৱাৰেদি অনুপ্ৰৱেশ কৰিব লাগিব। আৰু টেবুলৰ তলেদি টকাৰ আদান-প্ৰদান কৰিবই লাগিব। সেই সুযোগ আজি মোৰ সন্মুখত উপস্থিত হৈছে। সেই সুবিধাৰ সৎ ব্যৱহাৰ কৰিবই লাগিব নহলে মানুহে মোক বুৰ্ব্বক অপদাৰ্থ বুলি হাঁহিব। (কিছু ৰৈ) পিছে মানুহৰ হাঁহিলৈ মই কেয়াৰ নকৰো।

নাট্যকাৰ : কি আচৰিত। মানুহক কেয়াৰ নকৰা, কিন্তু কাৰোবাকতো কৰা?

ববী : হয়তো কৰো।

নাট্যকাৰ : কাক?

ববী : (তৰ্জ্জনী আঙুলিৰে ওপৰলৈ দেখুৱাই) তেওঁলৈ। আৰু -

নাট্যকাৰ : তেওঁটো বাৰু বুজিলো। আৰু কোন?

ববী : পিংকীলৈ -

নাট্যকাৰ : পিংকী কোন?

ববী : কিয় প্ৰিয়ংকা।

নাট্যকাৰ : প্ৰিয়ংকাক আকৌ ইয়াৰ মাজলৈ টানিছা কিয়?

ববী : উদ্দেশ্য আছে।

নাট্যকাৰ : উদ্দেশ্য কি?

ববী : কাৰণ চাকৰিটোৰ সৈতে তাইৰে মোৰে বিয়াৰ প্ৰশ্ন সাঙোৰ খাই আছে।

নাট্যকাৰ : কেনেকৈ?

ববী : মোৰ বুদ্ধি আৰু মেধা শক্তিক তাই প্ৰশংসা কৰি আহিছে যদিও মোৰ সংস্থাপনহীন জীৱনটোৰ প্ৰতি সদায়েই তাই চিন্তিত। নিজৰ ভৰিৰ ওপৰত থিয় হব নোৱাৰা পৰ্য্যন্ত তাইক মই নিজৰ কৰি লব নোৱাৰিম। তাই মোক স্পষ্টকৈ কৈ দিছে যে এটা বেকাৰ লৰাৰ লগত তাই কেতিয়াও ঘৰ সংসাৰ নকৰে - যদিও ফ্ৰেণ্ডশ্বিপ আগৰ দৰেই থাকিব।

নাট্যকাৰ : পিছে এতিয়া কি কৰিম বুলি ভাবিছা?

ববী : কৰিবলৈ একো নাই। পদটো হস্তগত কৰাৰ ওপৰতেই মোৰ ভবিষ্যৎ জীৱনৰ সকলো কথা নিৰ্ভৰ কৰিছে।

নাট্যকাৰ : কিন্তু পদটো হস্তগত কৰিবা কেনেকৈ? তিনি লাখ টকা দিব পাৰিলেহে দালাৰৰ লিষ্টত নামটো থাকিব। নহলেতো কটাই যাব।

ববী : (গৰ্জ্জি উঠি) তেনে কথা চিন্তা নকৰিব নাট্যকাৰ। সিহঁতক মই নাম কটাৰ সুবিধা নিদিও।

নাট্যকাৰ : গৰম হৈছা কিয়? ধীৰে স্থিৰে। নিদিও বুলি মুখেৰে কৈ থাকিলেতো নহব। অংকটো কেনেকৈ মিলাবা কোৱা। মই নাট্যকাৰ। তুমি নাটকৰ শিল্পীহে। অংকটো তুমি মিলাব নোৱাৰিবা। মই মিলাব লাগিব। মই যেনেকৈ মিলাও সেই মতে কৰি যাবা। তোমাৰ নিচিনা এজন বেকাৰ যুৱকে তিনি লাখ টকাৰ ঘোচ দিম বুলি মতমতাই থাকিলেতো তুমি এই প্ৰেক্ষাগৃহত নাটকৰ অভিনয় চাবলৈ বহি থকা পাঁচশ জন সচেতন দৰ্শকক পতিয়ন নিয়াব লাগিব যে চাকৰিটোৰ

কাৰণে তোমাৰ তিনি লাখ টকা ঘোচ দিয়াৰ সামৰ্থ্য আছে। তোমাকতো নাটকত এজন কৌটিপতি ব্যৱসায়ী বা ঘোচখোৰ চৰকাৰী বিষয়া লৰা হিচাপে দেখুওৱা নাই। এতেকে দৰ্শক মণ্ডলীয়ে ভাবিবলৈ বাধ্য হব যে উগ্ৰপন্থীৰ দোহাই দি কোনো ডাঙৰ ব্যৱসায়ী বা অসৎ খোচখোৰ বিষয়াৰ পৰা ধন সংগ্ৰহ কৰা তুমি এক উচ্ছৃঙ্খল যুৱক।

ৰবী ঃ এইবোৰ চিন্তা কৰি মূৰটো গৰম নকৰিব নাট্যকাৰ। হব পাৰো মই বেকাৰ, নেথাকিব পাৰে মোৰ পকেটত এটা ফুটা কড়িও, তথাপি আপোনাক মই কথা দিছো, তিনি লাখ টকাৰ যোগাৰ হৈ যাব।

নাট্যকাৰ ঃ পুনৰ একেটা প্ৰশ্নই কৰিছো - কেনেকৈ ? অংকটো মোক এবাৰ কৰি দেখুওৱা।

ৰবী ঃ অতি চিম্পোল। এটা সহজ যোগ অংক। এক লাখ টকা পিংকী অৰ্থাৎ প্ৰিয়ংকাৰ পৰা ধাৰলৈ পাম। তাই মোক দিম বুলি এচুৰেঞ্চ দি থৈছে। ডেৰ লাখ টকা গাঁৱৰ মাটি বাৰী বেচি মাৰ হাতত জমা ৰখা টকাৰ পৰা লম। আৰু থাকিল ৫০,০০০ টকা। এইখিনি টকা দালালৰ ওচৰত বাকী ৰাখিম। চৰ্ত হ'ল - চাকৰিত জইন কৰাৰ এমাহৰ ভিতৰত সেই খিনি টকা ৰিটাৰ্ণ কৰিম। ইতিমধ্যে এই বিষয়ে মই দালালৰ লগত কথা পাতি থৈছো। তেওঁ গ্ৰীণ চিগনেলো দিছে।

নাট্যকাৰ ঃ কিন্তু ইমান সোনকালে টকা খিনি দালালক ঘূৰাই দিব পাৰিবা জানো ?

ৰবী ঃ কিয় নোৱাৰিম ? মোক ইমান কেঁচা বুলি ভাবিছেনে ? ৫০,০০০ হাজাৰ টকা গোট খুৱাবলৈ এমাহেই যথেষ্ট সময়। কাৰণ পোষ্টটোত ভাল আমদানি আছে বুলি সকলোয়ে জানে। সেয়ে আমদানিৰ কিটিপটো শিকি লব লাগিব। (কিছু চিন্তা কৰি) পিছে চিন্তা নাই, হৈ যাব। কিটিপটো শিকি লবলৈ মোৰ বেছি দিন নালাগিব।

নাট্যকাৰ ঃ ঠিক আছে। সেই মতেই আগ বাঢ়া। যেনে তেনে পোষ্টটো আদায়

কৰা। Good Luck মোৰ শুভেচ্ছা থাকিল।

ববী ঃ থেংক ইউ। আশীৰ্ব্বদ কৰক। চাকৰিটো নাপালে বাৰু মোৰ কি হ'ব নাট্যকাৰ? মই যে পাগল হৈ যাম।

নাট্যকাৰ ঃ ধেৎ - তুমি যে ইমান দুৰ্ব্বল। পাবা - পাবা। চাকৰি নাপালেই মানুহ পাগল হয়নে? Be Strong - টান হোৱা। জীয়াই থাকিবলৈ শিকা।

(নাট্যকাৰ লাহে লাহে পাদ প্ৰদীপৰ ওচৰলৈ আহিল। তাৰ পিছত দৰ্শকক সম্বোধি ক'লে।)

নাট্যকাৰ ঃ জীৱন। জীৱনটো লৈ আপোনালোকো ক্লান্ত হৈ পৰিছেনে কি? কেতিয়াবা - কেতিয়াবা কিছুমান সৰু সুৰা অৰ্থহীন সমস্যাই জীৱনটো অসহ্য কৰি তোলে। সেই সমস্যাবোৰ অতিক্ৰম কৰি জীৱনটো অৰ্থপূৰ্ণ কৰি তুলিব পৰাটোৱেই সাৰ্থক জীৱন। ববী যুৱ-প্ৰজন্মৰ এক প্ৰতিনিধি। কোটি কোটি যুৱ-প্ৰজন্মৰ এজন। তেওঁৰ জীৱনৰ অপূৰ্ণতা কোটি কোটি যুৱ-প্ৰজন্মৰ অপূৰ্ণতা।

আপোনালোকে নাহাঁহিব। আপোনালোকক কাবৌতি কৰিছো - তেওঁৰ প্ৰচণ্ড হাস্যকৰ জীৱনটো দেখি - আপোনালোকে নাহাঁহিব। কিছু সময়ৰ পূৰ্ব্বে মই ববীক কৈছিলো - নাটক খন লিখি মই সম্পূৰ্ণ কৰিব পৰা নাই। কিন্তু প্ৰয়াস অব্যাহত আছে। তথাপি পৰা নাই। এখন নাটক। সেইখন ভৱদেব, দেৱযানী, অশোক, ববী আৰু জুমিৰ নাটক।

(ববীৰ অকস্মাৎ অট্টহাস্যত নাট্যকাৰৰ চেতনা ঘূৰি আহে। প্ৰকৃতিস্থ হ'বলৈ চেষ্টা কৰি তেওঁ কয়।)

ববী, তুমি পাগলৰ দৰে হাঁহিছা কিয়? সঁচাই তুমি পগলা হৈ যোৱা নাইতো?

ববী ঃ আপোনাৰ কথা শুনি মোৰ হাঁহি উঠিছে।

নাট্যকাৰ ঃ মোৰ কথা?

ববী ঃ আপোনাৰ নাটকৰ কথা।

নাট্যকাৰ : নাটকৰ কি কথা?

ববী : নোৱাৰে। আপুনি নাটক লিখিব নোৱাৰে। কোনো কালেই আপুনি নাটক লিখি সম্পূৰ্ণ কৰিব নোৱাৰে।

নাট্যকাৰ : যাৰ জীৱনত নাটকীয়তা নাই, সেইবোৰ মানুহক লৈ নাটক লিখিব নোৱাৰি।

ববী : সেইবোৰ জীৱনক লৈয়েইতো নাটক হয়। নাট্যকাৰে নাটকীয়তাৰ সৃষ্টি কৰে।

নাট্যকাৰ : নহয়, তুমি মিছা কথা কৈছা। যিমান বাৰ সেই জীৱনক ঘটনাৰ মাজলৈ আনিবলৈ চেষ্টা কৰিছো, সিমানেই তেনে জীৱন ঘটনাৰ উৰ্দ্ধলৈ গুছি গৈছে। কয় - এই ঘটনা হেনো আচল ঘটনা নহয়। যিমানবাৰ জীৱনক লৈ কথা পাতিব খুজিছো - তিমানবাৰ কথাৰ বাহিৰলৈ গুছি গৈছে সেই জীৱন। কয় - সেই কথা আচল কথা নহয়। সেই জীৱন যদি আচল নহয়, সেই কথা যদি জীৱনৰ কথা নহয় - তেন্তে আচল জীৱন, আচল কথা কি?

ববী : ইয়াৰ বাহিৰে জানো অন্য কথা নাই?

নাট্যকাৰ : বোধহয় আছে। নিশ্চয় আছে।
(দুখোজমান আগলৈ আহি দৰ্শকক)
ইয়াৰ বাহিৰে জানো অন্য কথা নাই? (দৰ্শক নীৰৱ) নাই? (তথাপি নীৰৱ) তেনেহলে মই কি লৈ নাটক লিখিম? এইবোৰ কথা লৈ? কোনে সেই নাটকত অভিনয় কৰিব? কোন দৰ্শকে এই নাটক চাব? নাচায়। কোনেও নাচায়। সকলো দৰ্শক ভ্ৰাম্যমানৰ নাটকৰ ফালে ধাবমান হব।
(মুৰ ঘুৰায়। মঞ্চৰ এটা কোণৰ আন্ধাৰ জ'নত থিয় হৈ থকা ববীৰ অট্টহাস্য শুনি নাট্যকাৰ সঁচকিত হৈ উঠে।)

নাট্যকাৰ : তুমি আকৌ হাঁহিছা?

ববী : আপোনাৰ কথাবোৰ শুনি মোৰ আকৌ হাঁহি উঠিছে। হাঁহিটো কেনেকৈ বন্ধ কৰি ৰাখো - কওক?

নাট্যকাৰ : (উত্ৰাৱল হৈ) কিয় হাঁহিছা? কিয় হাঁহিছা?

ৰবী : মই আপোনাৰ পৰা এইবোৰ কথা মুঠেই শুনিবলৈ বিচৰা নাই।

নাট্যকাৰ : তেনেহলে কি শুনিবলৈ বিচাৰিছা?

ৰবী : কথা।

নাট্যকাৰ : কথা। কাৰ কথা?

ৰবী : আমাৰ কথা। আমাৰ পৰিয়ালটোৰ কথা। আমাৰ সংসাৰৰ কথা।

নাট্যকাৰ : তোমালোকৰ কথা? তোমালোকৰ কথা মই জানিম কেনেকৈ?

ৰবী : আমাৰ কথা আপুনি জানিব। কাৰণ আপুনি নাট্যকাৰ।

নাট্যকাৰ : কি শুনিবলৈ বিচাৰিছা?

ৰবী : আমাৰ সংসাৰৰ কথা। ভবদেব কাকতি আৰু দেৱযানী কাকতিৰ -

নাট্যকাৰ : নাপায়। তেওঁলোকৰ নাম উচ্চাৰণ কৰিব নাপায়। তেওঁলোকৰ জীৱনধাৰা সম্পৰ্কে বিৰূপ মন্তব্য কৰাটো মোৰ পক্ষে সম্ভৱ নহব। বাৰু তুমিয়েই কোৱাছোন?

ৰবী : মই আকৌ কি কব লাগে?

নাট্যকাৰ : তোমাৰ জীৱনৰ কথা।

ৰবী : মোৰ জীৱনৰ কথা? মই যেন এটা উদভ্ৰান্তৰ দৰে ৰেলৰ আলিয়েদি খোজকাঢ়ি আছো। উভতি চাই দেখিছো - দুটা লোহাৰ ৰেল লাইন বহুত দূৰত গৈ এটা বিন্দুত মিলি গৈছে। সন্মুখলৈ চাই দেখিছো - সেই দুটা লাইন বহুত দূৰত গৈ এটা বিন্দুত মিলি-গৈছে। যিমানে আগুৱাই যাও - বিন্দুটো দূৰলৈ গৈ আছে। যিমানে পিছলৈ ঘূৰি চাও সিমানেই বিন্দুটো বহু দূৰলৈ গৈছে। অৰ্থাৎ আগলৈ যি, পিছৰ ফালেও একেই। বুজি পালো - আগৰ ফালে বা পিছৰ ফালে ৰেল লাইন দুটাই সৃষ্টি কৰা বিন্দুটো ক'তো লগা লগি হোৱাৰ আশা একেবাৰেই নাই। মোৰ জীৱনটোও ঠিক তেনেই। ক'তো মিলি নেযোৱা ৰেল লাইন দুটাৰ দৰেই। যোৱা কালি যি আছিলো, অহা কালিলৈকো একেই থাকিম। কোনো পৰিবৰ্ত্তন নাই। এক মেকানিকেল লাইফ। ভূত ভবিষ্যৎ বৰ্ত্তমানহীন জীৱন। কোনো

নতুনত্ব নাই। কোনো চমতকাৰিত্ব নাই। সেইহে ভাবিছো -

নাট্যকাৰ : কি ভাবিছা?

ববী : ভাবিছো, আৰু খোজ নাকাঢ়ো। খোজকাঢ়ি লাভ নাই।

নাট্যকাৰ : সেইটো কেনেকৈ হব? পথ যেতিয়া খোলা আছে খোজ কাঢ়িবই লাগিব।

ববী : বহুতো কাঢ়িলো। আৰু নোৱাৰো।

নাট্যকাৰ : তুমি আৰু খোজ কাঢ়িব লাগিব।

ববী : মই বৰ ক্লান্ত, ভাগৰুৱা।

নাট্যকাৰ : তথাপি খোজ কাঢ়িবই লাগিব। এই বস্তুটো তুমি পাহৰি নাযাবা। খোজকঢ়াৰ পৰা তোমাৰ নিষ্কিতি নাই।

ববী : ঠিক আছে। মই খোজকাঢ়ি থাকিম। মই গৈ থাকিম নাট্যকাৰ। বহুত দূৰত মিলি যোৱা লোহাৰ লাইন দুটাৰ শেষ বিন্দুটোত উপনীত নোহোৱা পৰ্য্যন্ত মই গৈ থাকিম। দিক বলয়ৰ সিপাৰলৈ। জীয়াই থকাৰ অৰ্থ বিচাৰি বিচাৰি।

নাট্যকাৰ : জীৱনটো আছে যেতিয়া অৰ্থ বিচাৰিবা। পাবা। মোৰ লিখিবলৈ একো নাই, তথাপি লিখিম। আমাৰ আশা নাই। ভবিষ্যৎ সৰ্ম্পকেও আমাৰ জনা আছে। আমাৰ অতীত বৰ্ত্তমান ভবিষ্যৎ একেকাৰ হৈ গৈছে। আমি বুজি পাইছো পিছত যি এৰি থৈ আহিছো- আমাৰ কাৰণে আগতো সেয়ে ৰৈ আছে।

ববী : তথাপি জীয়াই থাকিব লাগিব?

নাট্যকাৰ : নিশ্চয়। তথাপি আমি জীয়াই থাকিব লাগিব। আমাৰ লক্ষ্য আছে, কিন্তু লক্ষ্যস্থান নাই। আমিবোৰ পথভ্ৰষ্ট।

(যন্ত্ৰ সঙ্গীতৰ প্ৰচণ্ড মূৰ্চ্ছনাৰ সৈতে মঞ্চলৈ অন্ধকাৰ নামি আহে। কিছুসময়লৈ তাৰ অনুৰণনে দৰ্শকৰ মন সিক্ত কৰি তোলে। হঠাৎ এটা লাইট ক্ষীণভাবে জ্বলি উঠি মঞ্চ পোহৰাই তোলে। ববীক আদালতৰ কাঠগড়াত থিয় হৈ থকা দৰ্শকে দেখিবলৈ পালে। ক্ৰমে লাইটৰ পোহৰত উজ্বলি উঠিল ববী আৰু উকীলৰ সাজ

পোছাকত নাট্যকাৰ। তেওঁৰ চকুত চশমা। আদালতৰ পৰিবেশ। কিন্তু জজ আৰু জুৰিৰ সদস্য সকল অদৃশ্য।)

নাট্যকাৰ : নাম?

ববী : (নিৰুত্তৰ)

নাট্যকাৰ : শুনা নাই? তোমাৰ নাম?

ববী : ববী -

নাট্যকাৰ : পুৰা নাম?

ববী : ববী কাকতি।

নাট্যকাৰ : পিতাৰ নাম?

ববী : ভৱদেব কাকতি।

নাট্যকাৰ : বয়স?

ববী : কাৰ বয়স?

নাট্যকাৰ : আচামীৰ অৰ্থাৎ তোমাৰ?

ববী : পচিশ।

নাট্যকাৰ : ব্যৱসায়?

ববী : নাই, বেকাৰ।

নাট্যকাৰ : তুমি এই জঘন্যতম তথা ঘৃণনীয় অপৰাধটো কৰা সঁচা?

ববী : (নিৰুত্তৰ)

নাট্যকাৰ : (গৰজি উঠি) উত্তৰ নিদিয়া কিয় - সঁচানে মিছা?

ববী : মিছা। মোৰ হাতত মাৰ মৃত্যু হোৱা নাই। মায়ে হাৰ্টফেল কৰিছে।

নাট্যকাৰ : হাৰ্টফেল? (অট্টহাস্য) তুমি বেছ হুহুৱালা। (কথাৰ সুৰ পৰিবৰ্ত্তন কৰি) বাৰু কোৱাছোন তুমি নিচা কৰা?

ববী : আপোনাক কিয় লাগে?

নাট্যকাৰ : মোক নালাগে। কৰ্টক লাগে। তুমি কৰ্টৰ আগত কথা লুকুৱাব নোৱাৰিবা। লাগিলে সি ব্যক্তিগতেই হওক বা ৰাজহুৱাই হওক।

ববী : (নিৰুত্তৰ)

নাট্যকাৰ : মোৰ কথাৰ উত্তৰ দিয়া। তুমি নিচা কৰা - মানে মদ, ভাং ড্ৰাগছ

ইত্যাদি।

ববী : (কও নকওকৈ) মাজে সময়ে কেতিয়াবা কৰো?

নাট্যকাৰ : কিহৰ নিচা কৰা -মদ নে ড্ৰাগছৰ?

ববী : মদ।

নাট্যকাৰ : কি মদ?

ববী : কি মদ। মদ মদেই।

নাট্যকাৰ : মই সুধিছো - দেশীনে বিদেশী নে চুলাই?

ববী : আগতে দেশী মদেই খাইছিলো। আজি কিছু দিনৰ পৰাহে চুলাই খাবলৈ লৈছো।

নাট্যকাৰ : চুলাই মদ কেনেকৈ বনাই তুমি জানা?

ববী : নাজানো। জনাৰ দৰকাৰো নাই।

নাট্যকাৰ : কিন্তু জনাৰ দৰকাৰ কৰ্টৰ আছে। মি লৰ্ড পঁচা চাউল, ইউৰীয়া সাৰ, নিচা জাতীয় টেবলেট আৰু আন দ্ৰব্য মিশ্ৰণ কৰি তৈয়াৰ কৰা এই মদবোৰ অতি বিষাক্ত আৰু ড্ৰাগছৰ সমানেই ভয়াবহ। The Court may take note of it. তুমি পূৰ্ব্বৰ পৰাই এই মদ খাই আছানে?

ববী : তাৰ উত্তৰ মই আগেয়ে দি গৈছো।

নাট্যকাৰ : তথাপি তুমি নিৰ্দিষ্ট কৰি কোৱা তুমি কিমান দিনৰ পৰা এই মদ খাবলৈ লৈছা?

ববী : দুই তিনি মাহতো হৈছেই।

নাট্যকাৰ : কিয়?

ববী : কাৰণ এই মদ সস্তাত পোৱা যায়। ইপিনে ইয়াৰ চোকো বেছি। এই মদৰ নিচাত সোনকালেই মাতাল হৈ পৰিব পৰা যায়।

নাট্যকাৰ : মি লৰ্ড, অসমৰ প্ৰায়বোৰ ঠাইতে গঢ়ি উঠা বহু লক্ষ চুলাই মদৰ ঘাটিত তৈয়াৰী সুৰাৰ নিচাত আজি মাতাল হৈ পৰিছে অসমৰ বিপথগামী যুব-প্ৰজন্ম।

ববী : এই মদ খাই মই কোনো অ-সামাজিক কাম কৰা নাই।

নাট্যকাৰ ঃ তুমি স্বীকাৰ নকৰিলে কি হ'ব? এই মদ সেৱনে সুৰাপায়ীৰ জীৱন অতি সোনকালে নষ্ট কৰে আৰু মস্তিষ্কৰ বিকাৰ হয় বুলি এজন সাধাৰণ মানুহেও জানে। অথচ তোমাৰ নিচিনা এজন বুদ্ধিমান যুৱকে নাজানো।

ববী ঃ নজনাটো মোৰ দোষ হ'ব নোৱাৰে।

নাট্যকাৰ ঃ পাৰে। এশবাৰ পাৰে, হাজাৰ বাৰ পাৰে। অকল দোষেই নহয়, ঘোৰ অপৰাধো। এনে মদ সেৱন কৰি মানুহে অতি ঘৃণনীয় অপাৰাধ কৰিবলৈকো কুণ্ঠাবোধ নকৰে। বাৰু কোৱাছোন সেই দিনা ৰাতি তুমি নিচা সিক্ত হৈ ঘৰলৈ আহিছিলা?

ববী ঃ মই মদ খাই আহিছিলো। কিন্তু হিতাহিত জ্ঞান হেৰুওৱা নাছিলো।

নাট্যকাৰ ঃ কেইপেগ খাইছিলা?

ববী ঃ সেই কথাও কব লাগিবনে কি?

নাট্যকাৰ ঃ নিশ্চয় লাগিব। কাৰণ কি মদৰ কিমান পেগ খাই তুমি সেই ৰাতি মতলীয়া হৈ ঘৰলৈ আহিছিলো - সেই কথা কৰ্টক জনাব লাগে।

ববী ঃ এবটল।

নাট্যকাৰ ঃ এটা ফুল বটল?

ববী ঃ হয়।

নাট্যকাৰ ঃ (আচৰিত হৈ) সৰ্ব্বনাশ। চুলাই মদৰ এটা ফুল বটল। দেখিছো তুমি দেখোন দুৰ্ঘোৰ মদাহী। মি' লৰ্ড, চুলাই মদৰ এটা ফুল বটল খাই কোনো সুস্থিৰ হৈ থাকিব নোৱাৰে। বাৰু তুমি সদাই এনেদৰে খাই আহানে কি?

ববী ঃ নাহো। সাধাৰণতে বেছিকৈ নাখাও। কেতিয়াবা লগ সঙ্গৰ লগত পৰিলে অলপ বেছি হয়। মনৰ চিন্তা ভাবনা বেছি হলেও খোৱাটো বেছি হয়।

নাট্যকাৰ ঃ সেই ৰাতি কিহৰ বেজাৰত এটা ফুল বটল শেষ কৰিলা?

ববী ঃ প্ৰিয়ংকাৰ কথাই মোৰ অন্তৰত দুখ দিছিল।

নাট্যকাৰ ঃ প্ৰিয়ংকা? প্ৰিয়ংকা কোন?

ববী : প্ৰিয়ংকা কোনো নহয়। তেওঁ মোৰ গাৰ্ল ফ্ৰেণ্ড।

নাট্যকাৰ : কি কৈছিল প্ৰিয়ংকাই?

ববী : আপোনাক কিয় লাগে? সেইবোৰ মোৰ পাৰ্চনেল লাইফৰ কথা।

নাট্যকাৰ : কৰ্টৰ কাঠগড়াত থি হৈ পাৰ্চনেল লাইফৰ দোহাই দি কোনো কথাই লুকুৱাব নোৱাৰিবা। কোৱা, প্ৰিয়ংকাই কি কৈছিল?

ববী : এক লাখ টকা দি সহায় কৰাৰ পিছতো যদি মই 'এনফৰ্চমেণ্ট ইন্সপেক্টৰ'ৰ পদটো লব নোৱাৰো - তেতিয়া তেওঁ মোৰ লগত সকলো সম্পৰ্ক ছেদ কৰিম বুলি ভাবুকি দিছিল।

নাট্যকাৰ : মি লৰ্ড, আবেগিক কাৰণৰ বশবৰ্ত্তী হৈ সেই নিশা আচামীয়ে জোখতকৈ বেছি চুলাই মদ গিলি ঘোৰ নিচাত ঘৰলৈ আহিছিল। সজহ ভাষাত কবলৈ গলে চুলাই মদৰ অকটা নিচাত তেওঁ হিতাহিত জ্ঞান হেৰুৱাই পেলোৱাটোৱেই স্বাভাৱিক।

ববী : আই অৱজেক্ট মি' লৰ্ড। খাব পাৰো চুলাই মদ, সেই বুলি মই Sense হেৰুওৱা নাছিলো।

নাট্যকাৰ : 'অবজেক্টচন অভাৰ ৰুলড'ৰ কাৰণে 'থেংক ইউ' মি' লৰ্ড। চুলাই মদৰ দুৰন্ত নিচাই আচামীক মনুষ্যত্বহীন কৰি পশুৰ শাৰীলৈ নমাই নিছিল আৰু তাৰেই পৰিণতি স্বৰূপে তেওঁ জন্মদাত্ৰী মাতৃক নিজ হাতেৰে ডিঙি চেপি হত্যা কৰিছিল। ইয়াৰ পৰা এই কথাই স্পষ্ট ৰূপত প্ৰমাণিত হৈছে যে আচামীৰ অৱচেতন মনত মাতৃ দেৱযানী কাকতিক হত্যা কৰাৰ প্ৰবণতাই বহুত দিনৰ আগৰ পৰাই ক্ৰিয়া কৰি আছিল। সেই দিনা ৰাতি হঠাতে তুঁহ জুইৰ দৰে আচামীৰ অন্তৰত জ্বলি থকা প্ৰবণতাই প্ৰচণ্ড ৰূপ ধাৰণ কৰি এগৰাকী মহীয়ষী নাৰীক মৃত্যুৰ শেষ প্ৰান্তলৈ থেলি লৈ গৈছিল। মি লৰ্ড, মাতৃহত্যা এনে অপৰাধীক ত্ৰেতা যুগৰ মহৰ্ষি পৰশুৰামৰ লগত তুলনা কৰিব পাৰি।

(কিবা চিন্তা কৰি ববীলৈ আঙুলি টোৱাই) তুমি কৈছা দেৱযানী কাকতিয়ে হাৰ্টফেল কৰিছে। কিন্তু পোষ্টমৰ্টেম ৰিপৰ্ট মতে দেৱযানী

কাকতিক শ্বাসৰুদ্ধ কৰি অৰ্থাৎ ডিঙিত কাপোৰ মেৰিয়াই হত্যা কৰা হৈছে। সঁচানে মিছা?

ববী ঃ (চিঞৰি) মিছা। মিছা। (এটাতকৈ আনটো মাত ক্ৰমান্বয়ে ডাঙৰ হয়।)

নাট্যকাৰ ঃ ফাঁকি দি কৰ্টক 'মিচলীড' নকৰিবা। স্বীকাৰ কৰা সঁচানে মিছা?

ববী ঃ মই ববী কাকতি। উত্তৰ দিছো। মা-তোমাক, দেউতা তোমালোকলৈ সশ্ৰদ্ধ প্ৰণাম, তোমালোকে মোৰ অপৰাধ ক্ষমা কৰিবা - মহাপাপৰ ভাগী কৰি মোৰ আত্মাক ৰৌ ৰৌ নৰকলৈ ঠেলি নপঠাবা, দাদা তোমাক, বৌ তোমাক - তোমালোকলৈ মোৰ শ্ৰদ্ধা, তোমালোকে মোৰ অনিচ্ছাকৃত অপৰাধ - মাৰ্জ্জনা কৰিবা, জুমি তোমাক - তোমালৈ মোৰ অসীম মৰম, তুমিও মোক মাফ কৰি দিবা। তোমালোকে মোক ভুল নুবুজিবা। মাক মই হত্যা কৰা নাই। মোক বিশ্বাস কৰা।

নাট্যকাৰ ঃ উত্তৰ দিয়া।

ববী ঃ উত্তৰ আছে, উত্তৰ জুকিয়াই লৈছো, উত্তৰ দিছো সকলোৰে উদ্দেশ্য।

নাট্যকাৰ ঃ কৰ্টৰ মূল্যবান সময় পাগলামি বকি নষ্ট নকৰিবা। উত্তৰ ক'ত?

ববী ঃ মাক মই হত্যা কৰা নাই।

(অন্ধকাৰৰ মাজত নাট্যকাৰৰ অটহাস্য।)

নাট্যকাৰ ঃ তেনেহলে দেৱযানী কাকতি - আই মিন তোমাৰ মাক হত্যা কৰিলে কোনে? (ওপৰলৈ আঙুলি টোৱাই) ওপৰুৱালাই?

ববী ঃ মাক হত্যা কৰিছে আজিৰ সমাজ ব্যৱস্থাই, আজিৰ জীৱনে, যিকোনো উপায়েৰে নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে হাবাথুৰি খাই ফুৰা এটা উদভ্ৰান্ত বেকাৰে। পৰিশ্ৰম, সততা, আদৰ্শ আদি মানৱ জীৱনৰ শাশ্বত গুণ সমূহৰ ওপৰত আস্থা হেৰুওৱা হিতাহিত জ্ঞানশূন্য মানসিক অৱসাদগ্ৰস্ত যুৱ-প্ৰজন্মৰ এজন প্ৰতিনিধিয়ে।

মি লৰ্ড, জীৱনৰ অৰ্থ পচিশ বছৰত অৰ্থহীনতাত বিলুপ্ত।

একুৰি পাঁচ বছৰ। একুৰি পাঁচ শতাব্দী। পচিশ হাজাৰ বছৰৰ ইতিহাস। পচিশ বছৰীয়া জীৱনৰ এক বলে নোৱাৰা শিলৰ বোজা। পচিশ হাজাৰ বছৰৰ ইতিহাসৰ এক অন্ধকাৰ অধ্যায়। অৰ্থহীনতাৰ অধ্যায়। জজ চাহাব (অদৃশ্য জজক উদ্দেশ্য কৰি), পৃথিবীখনৰ কাৰণে আপোনালোকে একো কৰিব নোৱাৰিলে। ময়ো নোৱাৰিলো। তথাপি আমি সকলোবোৰ মানুহ। আপোনালোকৰ দৰে। মোৰ দৰে। এওলোক সকলোৱেই জীৱনৰ একো একোটা অৰ্থ বিচাৰি জীয়াই থকাৰ চেষ্টা কৰিছে। মই কিন্তু আজি জীয়াই থাকিবলৈ বিচৰা নাই। কাৰণ মই জীৱনৰ একো অৰ্থ বিচাৰি নেপালো। মই খুনী, মই হত্যাকাৰী, এক জঘন্যতম অপৰাধৰ অপৰাধী। মোৰ নিচিনা অপৰাধীৰ পৰা যুৱ-প্ৰজন্মই একো আশা কৰিব নোৱাৰে। মই সমাজত সন্মানেৰে নিজৰ ভৰিৰ লপৰত ভৰদি জীয়াই থাকিবলৈ বিচৰাটোৱেই মোৰ একমাত্ৰ অপৰাধ জজ চাহাব। মি লৰ্ড, মোক জীয়াই ৰাখি নৱ-প্ৰজন্মক কলঙ্কিত নকৰিব। মোক কঠোৰ শাস্তি দিয়ক। I should be hanged till death - till death.

(অদৃশ্য জজ আৰু জুৰি সদস্যসকলক সম্বোধন কৰি নাট্যকাৰে চিঞৰি কলে।)

নাট্যকাৰ ঃ মি লৰ্ড, জেণ্টেলমেন অব দ্য জুৰি। আচামীয়ে এক জঘন্য তথা ঘৃননীয় অপৰাধ কৰিছে। তাৰ কাৰণেই তেওঁক বিচাৰৰ কাঠগড়াত থিয় কৰোৱা হৈছে। তেওঁ, নিজৰ দোষ মুক্ত কণ্ঠে স্বীকাৰ কৰিছে। এই কেচত সাক্ষী বুলিবলৈ কোনো নাই। কেৱল আচামীৰ বৃদ্ধ পিতৃ ভৱদেব কাকতিক একজামিন কৰিবৰ বাবে সাক্ষী হিচাপে থিয় কৰোৱা হওক।

থেংক ইউ মি লৰ্ড। ভৱদেব কাকতি হাজিৰ।

(ভৱদেব কাকতি কাঠগড়াত থিয় হয়। ববী নাই।)

কওক যি কম সঁচা কম - সঁচাৰ বাহিৰে মিছা নকও -

নাট্যকাৰ : নাম?

ভৱদেব : ভৱদেৱ কাকতি।

নাট্যকাৰ : বয়স?

ভৱদেব : সত্তৰৰ দেওনা পাৰ হৈ এসত্তৰত ভৰি দিছো।

নাট্যকাৰ : পেশা?

ভৱদেব : অৰ্থাৎ?

নাট্যকাৰ : ব্যৱসায়?

ভৱদেব : ব্যৱসায়ী মই নহয়। পেঞ্চন ভোগীহে।

নাট্যকাৰ : পেঞ্চনাৰ মি লৰ্ড। (কাকতিলৈ কেৰাকৈ চাই) আপুনি চৰকাৰী অফিছতো কাম কৰিছিল নেকি?

ভৱদেব : হয়। স্কুলত জইন কৰাৰ আগেয়ে মই চৰকাৰী অফিছতেই কাম কৰিছিলো।

নাট্যকাৰ : কি অফিছত?

ভৱদেব : State PWD অৰ্থাৎ ৰাজ্যিক গড়কাপ্তানী বিভাগত।

নাট্যকাৰ : কি চাকৰি?

ভৱদেব : হেড ক্লাৰ্ক।

নাট্যকাৰ : চাকৰিটো কিয় এৰি দিলে?

ভৱদেব : ৰিজাইন কৰিলো।

নাট্যকাৰ : কিয়?

ভৱদেব : চাকৰিৰ নেচাৰটো ভাল নেপালো।

নাট্যকাৰ : কিমান দিন চাকৰি কৰিছিল PWD ত?

ভৱদেব : এবছৰ ছমাহ।

নাট্যকাৰ : আপুনি চাকৰিৰ নেচাৰটো কিয় বেয়া পালে?

ভৱদেব : সেইটো মই আপোনাক কেনেকৈ বুজাম। মানে ফাকি ফুকা, ভেটি লোৱা ইত্যাদিবোৰ কথা মই ভাল নাপাও।

নাট্যকাৰ : আই-চি। বাৰু চাকৰিটো ৰিজাইন দি আপুনি কি কৰিলে?

ভৱদেব : ৰিজাইন দিয়াৰ পিছত চৰকাৰী হাইস্কুলৰ সহকাৰী শিক্ষকৰ পদৰ

বাবে ইণ্টাৰভিউ দিলো। বৰ্ডে মোক চিলেক্ট কৰিলে।

নাট্যকাৰ ঃ তেতিয়াৰ পৰাই আপুনি স্কুলত চাকৰি কৰি আছে?

ভৱদেব ঃ হয়। আছিলো। এতিয়া নাই।

নাট্যকাৰ ঃ আচামীক আপুনি ভালদৰে জানে?

ভৱদেব ঃ (জিকাৰ খাই উঠি) কি প্ৰশ্ন কৰিছে আপুনি? নিজৰ লৰাক মই চিনি নাপাম - ভালদৰে নাজানিম?

নাট্যকাৰ ঃ চিধা চিধি উত্তৰ দিয়ক, ইমান কথা কোৱাৰ দৰকাৰ নাই। ইয়াত আচামী হাজিৰ আছে।

ভৱদেব ঃ হয় আছে।

নাট্যকাৰ ঃ তেওঁক আপুনি ভালদৰে চিনি পায়?

ভৱদেব ঃ কি আচৰিত উকীল আপুনি। ঘুৰি পকি আপুনি আকৌ একে প্ৰশ্নই কৰিছে।

নাট্যকাৰ ঃ এবাৰ নহয়। এশবাৰ কৰিম। কৰাৰ অৰ্থ আছে। অধিকাৰ আছে। আপোনাৰ আপত্তিৰ কাৰণ কি? উকীল আপুনিনে মই। মই যি সোধো তাৰ পোনপটীয়া উত্তৰ দি যাব। চালে বাৰে কোবোৱা কথা নকব। আদালতৰ সেইবোৰ শুনাৰ ধৈৰ্য্য আৰু সময় নাই।

ভৱদেব ঃ ঠিক আছে। হব বাৰু। আপোনাৰ কি প্ৰশ্নৰ উত্তৰ দিব লাগে?

নাট্যকাৰ ঃ এতিয়া কওক - আপুনি আচামীক লৰালি কালৰ পৰাই মানুহ কৰিছে।

ভৱদেব ঃ জন্মদাতা পিতৃ হৈ মই নকৰিলে কোনে কৰিব? কিন্তু দুখ এইখিনিতেই যে তাক মই মানুহ কৰিব নোৱাৰিলো।

নাট্যকাৰ ঃ আচামীৰ প্ৰকৃতি আপুনি ভালদৰে বুজি পায়?

ভৱদেব ঃ আপুনি কি প্ৰশ্ন সুধিছে মই কিন্তু মাঠামুণ্ড একো বুজি পোৱা নাই। আৰু বেলেগ প্ৰশ্ন নাইনে কি?

নাট্যকাৰ ঃ আহ। আপুনি আকৌ হষ্টাইল হৈছে। আপুনি শান্ত নহলে আপোনাক জেৰা কৰাটো মোৰ পক্ষে সম্ভৱ নহব। প্ৰশ্নৰ অৰ্থ বুজি নেপালে মই বুজাই দিম।

ভৱদেব ঃ বুজাই দিয়ক।

নাট্যকাৰ ঃ আচামীৰ কি ভাল লাগে কি বেয়া লাগে আপুনিতো ভালদৰে বুজি পাইছিল।

ভৱদেব ঃ পাইছিলো। কিন্তু তাৰ ভাল লগা বেয়া লগাৰ কথা মাকেহে বেছি ভালদৰে বুজি পাইছিল।

নাট্যকাৰ ঃ কি বুজিছিল?

ভৱদেব ঃ তেওঁ সততে ভাল পোৱা কথাৰ ওপৰত চকু ৰাখি তাক চম্ভালিবলৈ চেষ্টা কৰিছিল। সিতো একোৱেই বুজি নাপাইছিল।

নাট্যকাৰ ঃ তাৰ মানে আচামীৰ কাৰণে আপুনি একোৱেই কৰা নাছিল?

ভৱদেব ঃ নাই। মই একো কৰা নাছিলো। সকলো মাকেই কৰিছিল।

নাট্যকাৰ ঃ (কটাক্ষ কৰি) আপুনি কি কয় ডাঙৰীয়া? আপুনি আচামীৰ দেউতাক অথচ তেওঁৰ কাৰণে একো কৰা নাছিল - এনে কথা কোনে বিশ্বাস কৰিব?

ভৱদেব ঃ নকৰিলে নাই। সেই বুলি মই মিছা কথা কমনে?

নাট্যকাৰ ঃ মি লৰ্ড। সাক্ষী পুনৰ হষ্টাইল হোৱা দেখা গৈছে।

ভৱদেব ঃ মাই লৰ্ড - চৰি মাই লৰ্ড।

নাট্যকাৰ ঃ বাৰু আচামীয়ে যে অপৰাধ কৰিছে সেইটো আপুনি স্বীকাৰ কৰে?

ভৱদেব ঃ মাই লৰ্ড, লীডিং কোৱেশ্যন - বুদ্ধি কৰি উকীলে মোৰ মুখৰ পৰা কথা উলিয়াব খুজিছে।

নাট্যকাৰ ঃ আপোনাৰ মুণ্ডটো - আই বেগ ইয়ৰ লৰ্ড শ্বিপ, পাৰ্ডন, অন্য প্ৰশ্ন কৰিছো। (ভৱদেবলৈ চাই) আচামীয়ে জানো সকলো কাম উচিত বিবেচনাৰে কৰিছিল?

ভৱদেব ঃ সেইটো মইনাজানো, কিন্তু এইটো মই ভালদৰে জানো যে কামবোৰ মোৰ আশা অনুযায়ী হোৱা নাছিল।

নাট্যকাৰ ঃ আপুনি কি আশা কৰিছিল?

ভৱদেব ঃ ছাত্ৰ হিচাপে সি ভালেই আছিল। ডিছটিংছন লৈ বি এ পাছ কৰাৰ পিছত সি এটা ভাল চাকৰিত সোমাব - ঘৰখনৰো এটা সহায় হব।

মাক-দেউতাক হিচাপে আমি তাৰ পৰা সেইটো আশা কৰিছিলো।

নাট্যকাৰ ঃ চাকৰি কিয় নকৰিলে? চেষ্টা কৰা নাছিল?

ভৱদেব ঃ চেষ্টা কিয় নকৰিব? কৰিছিল। চাকৰিৰ কাৰণে কেইবাৰো ইন্টাৰভিউও দিছিল। কিন্তু চাকৰি হলে কপালত নুজুটিল। তাৰ স্বপ্ন ভঙ্গ হ'ল।

নাট্যকাৰ ঃ হয়তো যোগ্যতা নাছিল।

ভৱদেব ঃ কিয় নাথকিব? আপুনি সেই কথা কলে মই উচ্চস্বৰে এই কথা কবলৈ দ্বিধাবোধ নকৰিম যে আজিৰ চাকৰিৰ বজাৰত সি এজন যোগ্যবান প্ৰাৰ্থী আছিল।

নাট্যকাৰ ঃ তেনেহলে আচামীয়ে নিজকে কিয় কোৱালিফাই কৰিব নোৱাৰিলে?

ভৱদেব ঃ সেইটোৱেই তাৰ দুৰ্ভাগ্য। ইচ্ছা কৰাহেতেন সি জীৱনত বহুত কিবা কিবি কৰিব পাৰিলেহেতেন। ইচ্ছা কৰিয়েই সি এ চি এচ পৰীক্ষা নিদিলে। তাৰ নিচিনা চোকা ল'ৰা এটাই এনে কৰাৰ কোনো অধিকাৰ নাছিল।

নাট্যকাৰ ঃ আপোনাৰ লৰাই এ চি এচ পৰীক্ষা দি হাকিম হোৱা হলে পৃথিবী খনৰ কি উপকাৰ হ'লহেতেন?

ভৱদেব ঃ পৃথিবীখনৰ উপকাৰ নহলেও ভৱদেব কাকতিৰ নিচিনা মানুহৰ সংসাৰখনৰ কিছু উপকাৰ হ'লহেতেন।

নাট্যকাৰ ঃ তেওঁৰতো পৰীক্ষাৰ ৰিজাল্ট খুব এটা ভাল নহয়।

ভৱদেব ঃ (গৰ্জ্জি উঠি) মিছা কথা। আই অবজেক্ট মাই লৰ্ড। মোৰ লৰাই ডিছটিংছন লৈ বি এ পাছ কৰাৰ কথা মই আগেয়েই উল্লেখ কৰি গৈছো।

নাট্যকাৰ ঃ চৰি - মি লৰ্ড। তেনেহলে চাকৰি এটা নাপালে কিয়?

ভৱদেব ঃ পৰীক্ষাত ভাল কৰিলেও বৰ্ত্তমান ভাল চাকৰি এটা পোৱাৰ কোনো গেৰাণ্টী নাই।

নাট্যকাৰ ঃ সেই কাৰণে আপুনি কব খুজিছে যে এ চি এচ পৰীক্ষা নিদি আচামীয়ে মাৰাত্মক ভুল কৰিলে।

ভৱদেব ঃ হয়, মোৰ সেয়ে বিশ্বাস।

নাট্যকাৰ ঃ সেই বিশ্বাস ভঙ্গ হোৱাত আপোনাৰ অন্তৰত কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা নাছিলনে কি?

ভৱদেব ঃ হৈছিল। সেই কথা ভাবি মাজে সময়ে তাৰ ওপৰত খঙো উঠিছিল।

নাট্যকাৰ ঃ মনে মনে থাওক, এইবোৰ কথাৰ দৰকাৰ নাই। পাহৰি নাযাব - আপুনি প্ৰচিকিউচনৰ উইটনেচ।

ভৱদেব ঃ হলো, তাত কি অপৰাধ হ'ল?

নাট্যকাৰ ঃ আহ - আপুনি কথাটো বুজিবলৈ চেষ্টা নকৰে কিয়? আপুনি আবেগিক হৈ আবোল তাবোল বকিবলৈ আৰম্ভ কৰিলে - কেচটো দুৰ্ব্বল হৈ যাব পাৰে।

ভৱদেব ঃ সবল দুৰ্ব্বলৰ কথা মই নাজানো, মোৰ আত্মাৰ ঐকান্তিক কামনা - সত্য প্ৰতিষ্ঠা। দেৱযানীৰ আত্মাৰ প্ৰতি মই অন্যায় কৰিব নোৱাৰো।

নাট্যকাৰ ঃ হৈছে - হৈছে। বুজা গৈছে - আচামী আপোনাৰ পুত্ৰ হলেও তাক আপুনি --

ভৱদেব ঃ মই কি?

নাট্যকাৰ ঃ আপুনি মানে - আপোনাৰ কনিষ্ঠ পুত্ৰৰ প্ৰতি তিমান মৰম নাই - যিমান মৰম -

ভৱদেব ঃ হব হব। কটা ঘাঁত নিমখ নচটিয়াব। আপোনাৰ কথাৰ অৰ্থ মই বুজি পাইছো।

নাট্যকাৰ ঃ বাৰু কওকছোন - আপোনাৰ পত্নীতকৈ আপুনি আচামীৰ জীৱন বেছি মূল্যবান বুলি ভাবেনে?

ভৱদেব ঃ নাভাবো। ভাবিলে - সত্যক অৱবাননা কৰা হব। সত্যক নেওচি কেতিয়াও মই অসত্যৰ আশ্ৰয় নলও।

নাট্যকাৰ ঃ (পাগলৰ দৰে চিঞৰি) দেয়াৰ ইউ আৰ। এতিয়া কওক ডাঙৰীয়া সত্য কি?

ভৱদেব ঃ সত্য? সৰ্ব্ব সত্য। শুনক।

(মঞ্চৰ লাইট হঠাৎ নুমাই যায়।)

ৰাতি তেতিয়া প্ৰায় এক মান বাজিবৰ হৈছে। কিবা এটাৰ আঘাতত হঠাৎ টোপনি ভাগি গ'ল। গম ললো। আন দিনাৰ দৰে সেই দিনাও মধ্য ৰাতি মোৰ পুত্ৰ ববী ঘৰলৈ উভতি আহিছে।
(এটা লাইটৰ ক্ষীণ পোহৰত মঞ্চ পোহৰ হৈ উঠিছে।)
ড্ৰয়িং ৰুমত কিবা এটা যেন গোলমান হৈছে। দেৱযানী আৰু ববীৰ মাত। কথা কটাকটি। ৰাতিৰ নিস্তব্ধ পৰিবেশত তেওঁলোকৰ কথাবোৰ মোৰ কাণত স্পষ্টকৈ পৰিছিল।
(ভৱদেৱৰ মাত অস্পষ্ট হ'ল। এটা লাইটৰ ক্ষীণ পোহৰত ববীয়ে দেৱযানী কাকতিক আক্ৰমণ কৰি চিঞৰি উঠা দৰ্শকৰ চকুত পৰি-দৃশ্যমান হ'ল।)

ববী : কাইলৈ ৰাতিপুৱাই মোক তুমি ডেৰ লাখ টকা দিবানে নিদিয়া কোৱা মা?

দেৱযানী : তোৰ কথা মতে দেউতাৰক মই সুধিছিলো। তেখেতে টকা দিবলৈ মানা কৰিছে। কাৰণ দালালক টকা খুৱাই চাকৰি লোৱাৰ পক্ষপাতী দেউতাৰ নহয়। দালালে হেনো চাকৰি বিচৰা প্ৰাৰ্থীক প্ৰায়ে প্ৰতাৰণা কৰে।

ববী : তেনেহলে কাইলৈ মোৰ অৱস্থা কি হব? কাইলৈ দহ বজাৰ লগে লগে দালালক টকা দিব নোৱাৰিলে, লিষ্টৰ পৰা মোৰ যে নাম কাটি পেলাব। তেতিয়া মই কি কৰিম?

দেৱযানী : সেইবোৰ কথা দেউতাৰক কবি। মোক কৈ লাভ নাই।

ববী : (ক্ষুব্ধ হৈ উচ্চস্বৰে) দেউতাক মই নকও। কাৰণ দেউতাই মোৰ কথা বুজিবলৈ চেষ্টা নকৰে।

দেৱযানী : তই এইদৰে কথা নকবি। দেউতাৰৰ কথা তেনেকৈ কব পায় জানো?

ববী : নকও বাৰু। কাইলৈ ৰাতিপুৱাই কিন্তু মোক ডেৰ লাখ টকা লাগিবই। মইতো তোমালোকৰ পৰা দুই লাখ টকা বিচৰা নাই। মাত্ৰ ডেৰ লাখ। বাকী ৫০,০০০ হাজাৰ মই মেনেজ কৰিম।

পিংকীয়ে ১ লাখ দিয়াটো খাটাং।

দেৱযানী : তই বুজিও নুবুজাৰ ভাও ধৰিছ কিয় ববী? মই নোৱাৰো বুলি কৈছো নহয়।

ববী : (আক্ৰমনাত্মক সুৰেৰে মাকৰ পিনে খেদি গৈ) কিয় নোৱাৰিবা? গাঁৱৰ মাটি বাৰী বেচি পোৱা চাৰে তিনি লাখ টকাৰ ডেৰ লাখ টকা কেনেকৈ দাদাক দিব পাৰিলা?

দেৱযানী : সেইখিনি টকা ধাৰ ঋণ কৰি দাদাৰে ঘৰৰ কামত খৰচ কৰিছিল। সেই খিনি টকাতো আমি তাক ঘূৰাই দিবই লাগিব।

ববী : (বলিয়া কুকুৰে গেঙেৰি মৰাৰ নিচিনাকৈ) বেছি কথা নকবা মা? সেই খিনি টকা দাদাক কিয় ঘূৰাই দিব লাগে? তোমালোকে তাক ঘৰৰ কামত সেই টকা খৰচ কৰিবলৈ কৈছিলানে কি? তোমালোকৰ এনেবোৰ তালি বাজি মই ভালদৰে বুজি পাও। ময়োতো তোমালোকৰেই লৰা। মাটি বেচি পোৱা টকাৰ ভাগ ময়ো পাব লাগে। পৰিকল্পিত ভাবে তোমালোকে মোক ঘৰুৱা সা-সম্পত্তিৰ পৰা বঞ্চিত কৰিবলৈ বিচাৰিছা।

দেৱযানী : (চিঞৰি, ধম্‌কি দি) ববী, মনে মনে থাক। কিহৰ নিচাত তই এইবোৰ পাগলামী বকিবলৈ আৰম্ভ কৰিছ?

ববী : (কঠোৰ হৈ) মই পগলা হোৱা নাই। পগলা হৈছা তোমালোক। কালিলৈ মোৰ জীৱন মৰণ সমস্যা। চাকৰিটো অকল মোৰ কাৰণেই বিচৰা নাই। চাকৰিটো পালে তোমালোকোতো উপকৃত হবা। ময়েই ঘৰখন চলাম। তেনেস্থলত তোমালোকে সকলোবোৰ কথা বুজি পায়ো মোৰ ৰাস্তাত বিধি পথালি দিয়াৰ চেষ্টা কৰিছা কিয়?

ববী : তই আমাক ভুল বুজিছ কিয়? আমি আকৌ বিধি পথালি দিম কিয়? তোৰ ভালৰ কাৰণেহে -

ববী : (গৰ্জ্জি উঠি) মাৰা গুলি - মোৰ প্ৰতি তোমালোকৰ মৰম। তুমি মোক আজি মাহী মাকৰ দৰে আচৰণ কৰিছা -

দেৱযানী ঃ ববী । তেনেকৈ নকবি। মাক-বাপেকক শত্ৰু বুলি ভাবিব নাপায়।

ববী ঃ কিয় নাপায় ? তোমালোকৰ দৰে মা-দেউতা মোৰ শত্ৰু নহয় আৰু কি ?

দেৱযানী ঃ (ধম্‌কি দি) চুপ থাক ববী। মুখেৰে তেনে পাপ কথা উচ্চাৰণ কৰিব নাপায়।

ববী ঃ (পাগলৰ দৰে আচৰণ কৰি চিঞৰে) তুমিও চুপ থাকা। পাপ-পুণ্যৰ শিক্ষা দিবলৈ আহিছা। আৰু মই সহ্য নকৰো।

দেৱযানী ঃ কি কলি তই ? কাক সহ্য নকৰ ?

ববী ঃ (চিঞৰি) তোমাক, দেউতাক আৰু ঘৰখনৰ সকলোকে। আজি মই কাকো স্পেয়াৰ নকৰো।

(ক্ষিপ্ৰ গতিৰে ববী মাকৰ ওচৰলৈ চোঁচা মাৰি যায়। আৰু মাকক দুয়োখন হাতেৰে গবা মাৰি ধৰে। ববীৰ আচহুৱা আচৰণত মাক আচৰিত হৈ তাক পাৰ্য্যমানে বাধা দি তাৰ মুঠিৰ পৰা ওলাই আহিবলৈ চেষ্টা কৰে। ইতিমধ্যে পোহৰ নাইকিয়া হয়। সম্পূৰ্ণ অন্ধকাৰ। আন্ধাৰৰ মাজত দেৱযানীৰ মাত।)

দেৱযানী ঃ (চিঞৰি) ববী, তই মোৰ গাটো ইমান জোৰেৰে চেপি ধৰিছ কিয় ? হাত দুখন এৰুৱাই নে বুলি কৈছো নহয় -

ববী ঃ হাত দুখন যদি এৰুৱাই নিব লাগে, কোৱা ৰাতিপুৱাই তুমি মোক ডেৰ লাখ টকা দিবানে নিদিয়া -

দেৱযানী ঃ কি একেটা কথাকে পেঘেনিয়াই আছ ? মই দিব নোৱাৰো। দেউতাৰে যদি কয় দিম।

ববী ঃ কোৱা - দিবানে - নিদিয়া ?

দেৱযানী ঃ জোৰ দি দুইখন হাতেৰে মোৰ ডিঙিটো চেপিছ কিয় ? মুঠিটো ঢিলাই দে।

ববী ঃ তোমাৰ পৰা এটা খাটাং জবাব নোপোৱালৈকে ঢিলাই নিদিও - কি কৰিবা ?

দেৱযানী ঃ যদি নিদিয় - মই দেউতাৰক মাতিম -

ববী : কি ক'লা? দেউতাক মাতিবা? মাতা -। আজি মই দেউতালৈকো ভয় নকৰো -
(এই বুলি ববীয়ে মাকৰ চাদৰৰ আচলেৰে দেৱযানীৰ ডিঙিটো প্ৰচণ্ড ভাবে টানি কয়।)

দেৱযানী : (উশাহ লোৱাত কষ্ট পোৱা মানুহৰ দৰে চটফটাই) এ - ৰি - দে- এ - ৰি - দে।

ববী : দিম। এৰি দিম। প্ৰথমে কোৱা টকা দিবানে - নিদিয়া?

দেৱযানী : (শ্বাসৰুদ্ধ মানুহৰ দৰে প্ৰচণ্ড ভাবে হাত ভৰি জোকাৰে, কিন্তু উত্তৰ দিব নোৱাৰে। কিবা যেন লেব লেবায়।)

ববী : দিবানে?

দেৱযানী : (নিৰুত্তৰ)

ববী : দিবানে?

দেৱযানী : (নিৰুত্তৰ)

ববী : কোৱা, মনে মনে আছা কিয়?

দেৱযানী : (নিৰুত্তৰ)

ববী : (সৰ্ব্বশক্তি প্ৰয়োগ কৰি টানে) দিবানে?

দেৱযানী : (নিৰুত্তৰ)

ববী : মই জানো তুমি দিবা। নহলে নিদিও বুলি ক'লাহেতেন। (মুঠিটো ঢিলাই দি) এয়া মুঠিটো ঢিলাই দিছো - এতিয়া কোৱা দিবানে?
(ক্ষীণ পোহৰৰ মাজেৰে ববীয়ে মাকক নি উইংচৰ ওচৰৰ এখন খালী চকীত বহুৱাই দিয়ে। লগে লগে ভৱদেব কাকতিৰ আতঙ্কিত মাতে প্ৰেক্ষাগৃহ কঁপাই তোলে।)

ভৱদেব : ববী - তই এয়া কি কৰিলি?
(মঞ্চত পূৰ্ব্বৰ লাইট জ্বলি উঠে।)

নাট্যকাৰ : হব। ডেটচ্ অল। মি লৰ্ড - জেণ্টলমেণ্ট অব দ্য জুৰি। আচামীৰ পিতৃ ভৱদেব কাকতিৰ ক্ৰচ এক্সামিনেছন সম্পূৰ্ণ হ'ল। কাকতিৰ সাক্ষাৎ দানৰ পৰা এইটো সুস্পষ্ট ৰূপত প্ৰমাণিত হৈছে যে আচামী

ৰবী কাকতিয়েই তেওঁৰ মাতৃ দেৱযানী কাকতিক ডিঙি চেপি হত্যা কৰিছে। এনে লোমহৰ্ষক আৰু অবিশ্বাস্য ঘটনা অপৰাধৰ ইতিহাসত খুব বিৰল। কোনো পুত্ৰই তেওঁৰ জন্মদাত্ৰী মাতৃক হত্যা কৰি এনে নিৰ্ম্মম আৰু হৃদয় বিচাৰক ঘৃণনীয় কাৰ্য্যৰ দৃষ্টান্ত দাঙি ধৰিব নোৱাৰে। সেই ফালৰ পৰা বিচাৰ কৰিলে ৰবী কাকতি এক ব্যতিক্ৰম। এনে যুৱ-প্ৰজন্মৰ প্ৰতিনিধিৰ পৰা আমাৰ এই সুন্দৰ পৃথিবীখনত কাহানিও সুখ আৰু শান্তি বিৰাজ নকৰে। এনে বিপথগামী শক্তিক সামাজিক প্ৰগতিৰ প্ৰধান অন্তৰায় বুলি গণ্য কৰি দৃষ্টান্ত মূলক শাস্তি বিহিবলৈ ন্যায়ালয়ৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনালো। এনে ঘৃণনীয় অপৰাধৰ লিপ্ত অপৰাধীক ভাৰতীয় দণ্ড বিধি আইনৰ ৩০২ নং ধাৰা অনুসৰি মৃত্যু দণ্ডৰ আদেশ দিব লাগে। চৰি - মি' লৰ্ড, অধিবক্তা হিচাপে মই মোৰ সীমা সম্বন্ধে সদা সৰ্বদা সচেতন। আই উইল নে'ভাৰ ক্ৰছ মাই লিমিট।

(পোহৰ সলনি হয়। ক্ষীণৰ পৰা ক্ষীণতৰলৈ। এক কৰুণ পৰিৱেশ। নাট্যকাৰে অদৃশ্য জজ আৰু জুৰিৰ সদস্য সকললৈ চাই সন্তোষজনক ৰায়ৰ বাবে অপেক্ষা কৰে। জজৰ পৰা ৰায়দান নোহোৱাত নাট্যকাৰে উৎকণ্ঠাত ছটফট কৰি লৰচৰ কৰে। তাৰ পিছত ধৈৰ্য্যচ্যুতি হৈ কৈ উঠে।)

নাট্যকাৰ ঃ জেণ্টোল মেণ্ট অব দ্য জুৰি। মিলৰ্ড। আপোনালোকৰ ৰায়? আচামী দোষী নে নিৰ্দ্দোষ?

(উত্তৰ নাই)

আপোনালোক নিৰুত্তৰ কিয়? আচামী দোষী নে নিৰ্দ্দোষ? আপোনালোকৰ ঐতিহাসিক ৰায়ৰ বাবে পূৰ্ণ প্ৰেক্ষাগৃহৰ দৰ্শকবৃন্দ উৎকণ্ঠাৰে বাট চাই আছে?

ভৱদেব ঃ (কাঠ গড়াৰ পৰা অদ্ভুত ধৰণে চিঞৰি)

কিহৰ ৰায়?

নাট্যকাৰ ঃ সেইটো মোক সুধিছে? আপুনি নাজানে?

ভৱদেব ঃ কিহৰ ৰায় - কোনেও নাজানে, ময়ো নাজানো।

নাট্যকাৰ ঃ নাজানিলে কেনেকৈ হ'ব? ৰামায়ন পঢ়ি শেষ কৰিলে। এতিয়া সুধিছে সীতা মতানে মাইকী?

ভৱদেব ঃ মোৰ কথা বিশ্বাস নকৰে কিয়? কিহৰ ৰায় - কোনেও নাজানে।

নাট্যকাৰ ঃ তেনেহলে কি হ'ব? বিচাৰতো শেষ।

ভৱদেব ঃ (প্ৰতিবাদী কণ্ঠৰে) নাই। বিচাৰ এতিয়াও শেষ হ'বলৈ বাকী। কোনে কৈছে বিচাৰ শেষ হ'ল বুলি। বিচাৰ এতিয়াও শেষ হোৱা নাই। বিচাৰ চলি আছে। চলি থাকিব। অনাগত দিনলৈও চলি থাকিব। এই বিচাৰৰ শেষ নাই। এই বিচাৰ বহু দিনলৈ চলি থাকিব। কিমান দিনলৈকে চলিব - কোনেও নাজান। দেৱযানীৰ হত্যাৰ বিচাৰ আৰু বহু দিনলৈ চলিব। এই বিচাৰৰ শেষ নাই। এই বিচাৰৰ ৰায় নাই। জজ নাই। জুৰি নাই। যুগ যুগান্তৰলৈ এই বিচাৰ চলি থাকিব। ই এক অন্তহীন বিচাৰ। পৰিসমাপ্তি নোহোৱা বিচাৰ। অনন্ত কালৰ বিচাৰ। দেৱযানীৰ হত্যাৰ বিচাৰ। দেৱযানীৰ হত্যাৰ সত্য উদ্‌ঘাটনৰ বিচাৰ। এক অন্তহীন সীমাহীন বিচাৰ।

(ভৱদেব কাকতিৰ মুখৰ পৰা পোহৰ আতৰি গল। লগে লগে মঞ্চ অন্ধকাৰ হৈ পৰিল। সম্পূৰ্ণ আন্ধাৰ। ক্ৰমান্বয়ে নাটকৰ যৱনিকা নামি আহিল।)

হেমাঙ্গিনী চেতিয়াৰ জীৱনৰ গুপুত কাহিনী

মূল নাটক ঃ জৰ্জ্জ বাৰ্নাড শ্ব'
ৰূপান্তৰ ঃ বসন্ত শইকীয়া

।। চৰিত্ৰ ।।

প্ৰশান্ত	পম্পী
সত্যেন্দ্ৰ প্ৰসাদ	হেমাঙ্গিনী চেতিয়া
ৰাজীৱ	
তৰ্কশাস্ত্ৰী গোপাল কৃষ্ণ দেৱ	
গোস্বামী	আৰু
	কেইজন মান সম্ভ্ৰান্ত
	ভদ্ৰলোক আৰু ভদ্ৰমহিলা,
	বেয়েৰা, চাপ্ৰাছী আদি

(চহৰখনৰ উপকণ্ঠৰ ফুলৰ বাগিচাৰে আবৃত এটা ঘৰৰ বাৰান্দাৰ এখন বেতৰ চৌখিন চকীত বহি কোনোবা এজনী গাভৰুৱে গভীৰ মনোযোগেৰে এখন কিতাপ পঢ়ি থকা দেখা গৈছে। এজন প্ৰাপ্তবয়স্ক ভদ্ৰলোকে গেটৰ সিটো পাৰত থিয় হৈ গাভৰুক উদ্দেশ্য কৰি কয় -)

প্ৰশান্ত ঃ ক্ষমা কৰিব, চাহাব টিলালৈ কোন পিনে যাম?

পম্পী ঃ (কিতাপৰ পৰা চকু তুলি) এয়ে চাহাব টিলা।

প্ৰশান্ত ঃ মই হেমাঙ্গিনী চেতিয়াৰ ঘৰটো বিচাৰিছিলো।

পম্পী ঃ (পূৰ্ব্বৰ দৰেই) এইটোৱেই।

প্ৰশান্ত ঃ ও। তেনেহলে - মানে - যদি বেয়া নাপায় - আপুনিয়েই পম্পী চেতিয়া নহয় জানো?

পম্পী ঃ (চকু তুলি এক প্ৰচণ্ড দৃষ্টিৰে ভদ্ৰলোকলৈ চাই) হয়। আপুনি?

প্ৰশান্ত ঃ মানে, মানে - মোৰ - মোৰ নাম প্ৰশান্ত দুৱৰা।
(পম্পীয়ে কিতাপখন চকীখনত থৈ থিয় হয়)
আপুনি পঢ়িছিল - আপোনাক আমনি কৰিলো।

পম্পী ঃ (গেট খন খুলি) ভিতৰলৈ আহক আংকোল। (প্ৰশান্ত ওচৰলৈ আহে) মাৰ মুখত আপোনাৰ নাম বহুত শুনিছো। (প্ৰশান্তই কৰমৰ্দ্দন কৰিবলৈ উদ্যত হৈছিল, কিন্তু পম্পীয়ে নিঃসঙ্কোচে কৰমৰ্দ্দন বাবে হাতখন আগবঢ়াই দিয়াত তেওঁক কিছু পৰিমাণে দ্বিধাবোধ কৰা দেখা গ'ল। তথাপি কাঠ হাঁহি এটা মাৰি তেওঁ পম্পীৰ হাতত খামুচি ধৰি কৰমৰ্দ্দন কৰিলে)।

প্ৰশান্ত ঃ হাউ ডু ইউ ডু?
(ইংৰাজী সম্ভাষণ শুনি পম্পীৰ মুখত বিদ্ৰূপাত্মক হাঁহি বিৰিঙি উঠিল। তাৰ পিছত জোৰকৈ গেটখন বন্ধ কৰি নিজ স্থানলৈ গ'ল। আনহাতে প্ৰশান্তই হাত দুখন মোহাৰি মোহাৰি নিজকে সান্ত্বনা দি এইদৰে ভাবিবলৈ ধৰে - কৰমৰ্দ্দনৰ ফল ভাল নহল)
আপোনাৰ মা এতিয়াও আহি পোৱা নাই?

পম্পী ঃ মা? ক'তা - নাইতো। অহাৰ কথা আছেনে কি?

প্ৰশান্ত : (অবাক হৈ) নাজানে? মিছেছ চেতিয়াই অকল মোকে নহয় ৰত্নপুৰ বাগিচাৰ ডেকা মালিক সত্যেন্দ্ৰ প্ৰসাদ চলিহাক ইয়ালৈ নিমন্ত্ৰণ কৰিছে। আপোনাক খবৰ দিয়া নাই?

পম্পী : ক'তা? নাইতো।

প্ৰশান্ত : (খেহো দেহো কৰি) তেনেহলে মই দিন বাৰেই ভুল কৰিলো নেকি? আগেয়েও মোৰ কপালত দুই এবাৰ এনে ঘটিছিল। (হঁাহে, কিন্তু পম্পীয়ে যোগ নিদিয়াত আধা বাটতেই বৈ দিবলগীয়া হয়।) মানে মোৰ - মানে গুৱাহাটীৰ নিকতবৰ্ত্তী চহৰ সোণাপুৰত দুই তিনটা মান ইণ্ডাষ্ট্ৰী। সোণাপুৰত বুজিয়েইতো পাইছে - লাইফ বুলিবলৈ একো নাই - সেই কাৰণে প্ৰতি শনিবাৰেই গুৱাহাটীলৈ গুচি আহো। দেওবাৰটো গুৱাহাটীত কটাই সোমবাৰে পুৱাই উভতি যাওঁ। আৰু আপোনাৰ মাক গুৱাহাটীত লগ পালে কি ধৰণৰ যে আদৰ-সাদৰ কৰে তাক মুখেৰে কৈ বুজাব নোৱাৰি। সেয়ে যোৱা শনিবাৰে তেওঁ হঠাতে মোক আৰু ৰত্নপুৰ চাহ বাগিচাৰ মালিক সতেন্দ্ৰ প্ৰসাদ চলিহাক মানে - মানে মিছেছ হেমাঙ্গিনী চেতিয়াৰ বাসগৃহলৈ নিমন্ত্ৰণ কৰিছে। অহাৰ উদ্দেশ্যও সেয়ে!

পম্পী : মাৰ দায়িত্ব নিমন্ত্ৰণ কৰাতেই শেষ। এই অকণমানি ঘৰটোত এতিয়া তিনি চাৰিজন মানুহৰ শোৱাৰ যোগাৰ কেনেকৈ কৰো?

প্ৰশান্ত : (কিবা এটা কবলৈ গৈ বৈ গ'ল) নাই - নাই, আপুনি - মানে কোনো tension নলব।

পম্পী : (মৃদু হঁাহিৰে) এইবোৰ মৌখিক ভদ্ৰতা - শুনি ভাল লাগে। কাৰ্য্যক্ষেত্ৰত কেৱল ব্যস্ত হোৱাইনহয়, সমস্যা সমাধান নোহোৱালৈকে হাবাথুৰি খাই ফুৰিব লগা হয় - ফলত টেনচন বাঢ়িবই। সঁচা কথা কবলৈ গলে খা-খবৰ নিদিয়াকৈ হঠাৎ অহাটো মাৰ এটা বদ্ অভ্যাসত পৰিণত হৈছে। কলেজ হোষ্টেলত যেতিয়া আছিলো, তেতিয়াও মা হঠাতে আহি আবিৰ্ভাব হয়হি। মোৰ অনুমান হয় মাৰ অনুপস্থিতিত

মই কি কৰো - সেইটো চোৱাই মাৰ উদ্দেশ্য। অৰ্থাৎ চোৰাংচোৱা-গিৰি। আৰুনো কি কম? মা এতিয়াও আহি নেপালে।

প্ৰশান্ত : কি যে মস্কিল - কওকছোন বাৰু?

পম্পী : (হাঁহি) আপুনি উচপিচাই আছে কিয়? আপুনি অথাই সমুদ্ৰত পৰিছেনে কি? ইয়াৰ বাহিৰেও মাৰ মুখত অসংখ্য গুণমুগ্ধ বন্ধু বান্ধবৰ কথা শুনি কেৱল মাত্ৰ আপোনাকেই লগ পোৱাৰ ইচ্ছা জন্মিছিল।

প্ৰশান্ত : হয় নেকি? মোৰ কি যে সৌভাগ্য ....

পম্পী : ভিতৰলৈ নাযায় নেকি - নে ইয়াতেই বহিব?

প্ৰশান্ত : বাহিৰতেই ভাল, কি কয়? মিঠা ৰ'দ।

(পৰ্টিকৰ পৰা পম্পীয়ে এখন চকী টানি আনে)

প্ৰশান্ত : কি কৰে, কি কৰে? মোক দিয়ক। কি আচৰিত।

(প্ৰশান্তই পম্পীৰ হাতৰ পৰা চকীখন দাঙি এঠাইত থৈ পম্পীক কয়)

প্ৰশান্ত : এতিয়া বহক।

পম্পী : মই বহিম। আগেয়ে বাৰু আপুনি বহকছোন।

প্ৰশান্ত : (অলপ বিব্ৰত হৈ) ভাল কথা, ৯-২৫ মিনিটৰ ৰেলত মিছেছ চেতিয়া আহি পাব পাৰে। ষ্টেচনলৈ যোৱাটো উচিত হব নেকি?

পম্পী : কিয়? মায়ে জানো এই ঘৰটো চিনি নাপায়?

প্ৰশান্ত : ঘৰটো চিনি নাপাব কিয়? সেই অৰ্থত মই কথাটো কোৱা নাছিলো।

(প্ৰশান্তৰ উত্তেজনা বৃদ্ধি পোৱাটো লক্ষ্য কৰি পম্পীয়ে দৰদ সনা মাতেৰে কয়)

পম্পী : আহক, অলপ আড্ডা মাৰো।

(প্ৰশান্তই পম্পীৰ আন্তৰিকতাৰ আভাস পাই - উৎফুল্লিত হৈ উঠে।)

প্ৰশান্ত : জানে - মোৰ ধাৰণা আছিল - আপুনি যেন টিপিকেল ধনী ঘৰৰ অ'ভাৰ স্মাৰ্ট ছোৱালী। ক'তা, প্ৰকৃততে আপুনিতো তেনে নহয়। শিক্ষাই দিছে।

পম্পী ঃ অৰ্থাৎ?

প্ৰশান্ত ঃ মানে আপোনাক গতানুগতিক চোচাইটি গাৰ্ল হিচাপে তৈয়াৰী কৰা নাই। জানে, (এমোকোৰা হাঁহিৰে) মই আজন্ম বিপ্লৱী। সকলো ধৰণৰ অত্যাচাৰ মোৰ সহ্য নহয়। মই বিশ্বাস কৰো ছোৱালী আৰু মাকৰ সম্পৰ্কৰ মাজতো বিৰাজ কৰক এক গভীৰ সৌহাৰ্দ্য। মাকে যদি কতৃৰ্ত্বৰ দাবী কৰি ছোৱালীক শাসন কৰিবলৈ বিচাৰে, তেতিয়া এই মধুৰ সম্পৰ্কতো ঘূণে ধৰিবলৈ বাধ্য। (আকৌ হাঁহি) এতিয়া হয়তো আপুনি গমেই পাইছে যে সামাজিক অনুশাসনৰ মাজত মই নাই। লগ পাই সুখী হলো আপোনাৰ মায়েও আপোনাৰ সামাজিক কু-সংস্কাৰৰ শিকলিৰে বান্ধি পেলোৱা নাই।

(প্ৰশান্তৰ বক্তৃতাই পম্পীৰ ওপৰত আশানুৰূপ প্ৰভাব পেলাব পৰা নাই। তাইৰ মুখত হাঁহি দেখিবলৈ পোৱা যায়।)

পম্পী ঃ তেনেহলে মই অসামাজিক কিবা কৰি পেলাইছো নেকি?

প্ৰশান্ত ঃ নাই - নাই - মিছ চেতিয়া, অসামাজিক কিবা কৰিব কিয়? মানে সামাজিক হিচাপে কিবা অসামাজিক, অৰ্থাৎ - মানে অসামাজিক ধ্যান ধাৰণাত যিখিনি সামাজিক .... মানে -। কি আবোল তাবোল বকিবলৈ ধৰিছো বেয়া নেপাব। যি কি নহওক - মোৰ এটা সুধিব লগীয়া আছে।

পম্পী ঃ কওক।

প্ৰশান্ত ঃ অলপ আগেয়ে আপুনি কৈছিল - মোক আপোনাক চাবলৈ ইচ্ছা হৈছিল বুলি। কিয়?

পম্পী ঃ সেইটোতো মনত নাই। মোৰ ধাৰণা মতে মাৰ অন্য বন্ধু কেইজন একো একোজন মতলবি হয়। বোধকৰো আপুনি ছবি আঁকে, নহয় জানো?

প্ৰশান্ত ঃ (হাঁহি) মাকেতো কৈছেই। তাক ঠিক অঁকা বুলি কব নোৱাৰি, আজৰি সময়ৰ অলপ সৎ ব্যৱহাৰ মানে, আপোনালোক মৰ্ডান ছোৱালীবোৰ এক কথাত অপূৰ্ব্ব।

পম্পী : দেখিবলৈ?

প্ৰশান্ত : (হাঁহি) দেখাতো, চাল চলন ব্যৱহাৰতো।

পম্পী : মানে?

প্ৰশান্ত : মানে মই যেতিয়া আপোনাৰ বয়সৰ আছিলো, অৰ্থাৎ যেতিয়া মই গুৱাহাটীৰ কলেজত নাম ভৰ্ত্তি কৰিলোগৈ - তেতিয়াতো ছোৱালীবোৰক প্ৰায় অসূৰ্যস্পশ্যা বুলি কলে ভুল কৈছো বুলি কব নোৱাৰি।

পম্পী : কি বুলি কলে ভুল কোৱা বুলি কব নোৱাৰি?

প্ৰশান্ত : (অলপ থতমত খাই) অসূৰ্যস্পশ্যা। .... মানে সূৰ্যৰ পোহৰেও স্পষ্ঠ নকৰা বুলি কব পাৰে। ঘৰৰ কোণত অন্ধকুপত তেওঁলোকে জীৱন কটায়। এতেকে লৰা ছোৱালীৰ মাজত যি বলিষ্ঠ অন্তৰঙ্গতা গঢ়ি উঠা উচিত সেই যুগত তেনে হোৱাৰ সুবিধা ক'ত আছিল? কোনোবা মহৎ লোকৰ জীৱন বৃত্তান্ত পঢ়িছে নে?

পম্পী : নাই।

প্ৰশান্ত : (পুনৰ থতমত খাই) কি আচৰিত - কাৰো পঢ়া নাই? মহৎ লোকৰ জীৱন স্মৃতি পঢ়িলে সেই সময়ৰ নিখুত সমাজ চিত্ৰৰ আভাস পোৱা যায়। আপুনি হয়তো নাজানে, তেতিয়াৰ দিনতো ডাঙৰ মানুহৰ ছোৱালীক দোলাত তুলি স্বামী গৃহলৈ পঠোৱা হৈছিল। দীঘলকৈ ওৰণি টানি বোৱাৰীয়ে তেনে দৰে চলা ফিৰা কৰিছিল। জ্যেষ্ঠ জনৰ ছাঁটো দেখিলেই ওৰণিখন দীঘলকৈ টানি মুখ-ঢাকি লৈছিল। তেতিয়া নাৰীৰ আবুৰ ৰক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছিল। এয়ে আছিল অসমীয়া সমাজত নাৰীৰ জীৱন। পুৰুষ শাসিত সমাজৰ নগ্ন ছবি। খং উঠা নাইতো?

পম্পী : নাই, হাঁহি উঠিছে।

প্ৰশান্ত : কি? (হাঁহি) মই আজন্ম বিপ্লবী, সেই কাৰণে মোৰ খং উঠে। আপোনালোক মডাৰ্ণ ছোৱালী - আপোনালোকৰ সৌভাগ্য,

সেইবোৰ একোৱেই আপোনালোকে দেখা নাই। হিন্দু ক'ড বিল পৰ্য্যন্ত পাছ হৈ গৈছে। অন্ততঃ চহৰ অঞ্চলত নাৰী প্ৰগতি যিভাবে স্পষ্ট হৈ উঠিছে - তাৰ প্ৰতি চকু মুদি নাথাকিলে - আজি চমকিত হবই লাগিব। সেই কাৰণে কৈছো, আপোনালোক অপূৰ্ব্ব। পৰপুৰুষৰ ফালে চোৱাৰ অধিকাৰ যাৰ নাছিল, তেওঁলোকে আজি কিমান সহজ ভাৱে এজনক আপোন কৰি লব পাৰে, তাক দেখিয়েই মই মুগ্ধ হৈছো - মিছ চেতিয়া। শিক্ষা দীক্ষাৰে পুৰুষৰ লগত সমানে ফেৰ মাৰিব পাৰিছে কাৰণেইতো আজি ছোৱালীবোৰ ইমান আগুৱাই যাব পাৰিছে। নিজলৈকে নাচাই কিয়, ১৬।১৭ বছৰ বয়স আপোনাৰ –

পম্পী ঃ উনৈশ।

প্ৰশান্ত ঃ উনৈশয়েই নহওক কিয়, ইতিমধ্যে আপুনি নাম জ্বলা ছাত্ৰী - ফাৰ্ষ্ট ক্লাছ - ফাৰ্ষ্ট হৈছে, ভৱিষ্যতে -

পম্পী ঃ চাওক - পৰীক্ষাৰ ফাৰ্ষ্ট হোৱা নোহোৱাটোৱেই আচল কথা নহয়। বাজী ধৰিও ঠগ খাইছো।

প্ৰশান্ত ঃ বাজী ধৰি?

পম্পী ঃ হয়, মাত্ৰ দুশ টকা।

প্ৰশান্ত ঃ (হতভম্ব আৰু ব্যথিত) দুশ টকাৰ বাজী?

পম্পী ঃ হয়। যোৱা বছৰৰ মে মাহত মা আহিছিল হোষ্টেললৈ। আৰু তেতিয়া কাগজবোৰে হেমাঙ্গিনী চেতিয়াৰ ছবি টবি ছপাই মেলি হৈ চৈ লগাই দিছিল। মনত আছেনে আপোনাৰ?

প্ৰশান্ত ঃ (বিস্ময়, মুখৰ পৰা কথা নোলাল, মূৰ জোকাৰি) ওহো নাই।

পম্পী ঃ নয়না কাকতি যোৱা বছৰ ফাৰ্ষ্ট ক্লাছ চেকেণ্ড হৈছিল। মই তেওঁৰ ছবি কাগজত দেখি কেৱল ভাবিছিলো - ভাবি চাবলৈ গলে ছোৱালীজনী কি বেঙী। বেচেৰীৰ যি চেহেৰা হৈছিল লৰাই দেখি মুখ নোকোচাব কিয়? এতেকে চশমাৰ পাৱাৰ বঢ়াই জানো কিবা লাভ আছে?

(প্ৰশান্তৰ মানসিক ক্ষোভ আৰু অস্থিৰতা অভিনেতাৰ কল্পনাৰ ওপৰতেই ন্যস্ত হ'ল।)

কিন্তু মোৰ মাতৃ দেৱীকতো ভালদৰে চিনি পায়। নয়না কাকতিৰ ছবি যদি কাগজত ওলায় পম্পী চেতিয়াৰ ছবি কাগজত নোলাব কিয়? ফাৰ্ষ্ট ক্লাছ তেওঁ নাপাব কিয়? মই স্পষ্টকৈ কৈছিলো - নয়না কাকতিৰ চেহেৰা আছে মোৰ নাই, কাগজত মোৰ ছবি ওলালে লাজ লাগিব। সেইকাৰণে মোক সেইবিলাক কৈ ভয় দেখুৱালে নহব। কিন্তু এটা কথা, দুশ টকাৰ বাজী মাৰ, ফাৰ্ষ্ট ক্লাছ লবলৈ এটা চেষ্টা কৰি চাব পাৰো। বাজী মাৰিলে মায়ে। জিকিলো মই, কিন্তু দেখিলো বাজীৰ টকা তেনেই নগন্য, হাজাৰ বা তাৰ ওপৰত হোৱাহেতেন কথা অন্য ধৰণৰ আছিল।

প্ৰশান্ত ঃ হায় মোৰ ঈশ্বৰ। আপুনি কেৱল বস্তুটোৰ ৰূঢ় বাস্তৱৰ দিশটোৱেই দেখিছে।

পম্পী ঃ ইয়াৰ কিবা আধ্যাত্মিক দিশ আছেনে কি?

প্ৰশান্ত ঃ আধ্যাত্মিক নহলেও উচ্চ শিক্ষাৰ এটা দিশ আছে। কালচাৰ বুলি এটা কথা আছে - স্বীকাৰ কৰেতো?

পম্পী ঃ কালচাৰ। মোৰ ডিগ্ৰী ইকনমিক্সৰ। শ্বেলীৰ কবিতা বা বৈষ্ণৱ পৰম্পৰাৰ ওপৰততো থেচিচ্ লিখিবলৈ চেষ্টা কৰা নাই।

প্ৰশান্ত ঃ নাই - নাই কালচাৰ বুলি কলে মনৰ প্ৰসাৰতা, ৰুচিবোধ, সৌন্দৰ্য্যবোধ মানে - এইবোৰেই বুজায়, মিছ চেতিয়া।

পম্পী ঃ কিন্তু ইকনমিক্স মেজৰ হলেও সৌন্দৰ্য্য, ৰুচি - এইবোৰ জেপত ভৰাই দৈনিক দহঘণ্টা, বাৰঘণ্টা গাধৰ খাটনি খাটিব লগীয়া হয় - নাজানে জানো? আৰু মনৰ প্ৰসাৰতাৰ কথা কি কম? ভাৰতৰ মুদ্ৰাস্ফীতিৰ কাৰণ বিশ্লেষণ কৰি দিব পাৰো, কিন্তু এদিন বেঙ্কৰ পৰা এখন চেক ভঙাই আনিবলৈ হলে মূৰত সৰগ ভাঙি পৰে। ভাৰতৰ কৃষি সমস্যাৰ কথা সল্ সলিয়াকৈ কৈ যাব পাৰো। শুদ্ধ ইংৰাজীত, কিন্তু সঁচা সচিকৈ গাঁৱলৈ গৈ দুৰ্ভিক্ষৰ অৰ্থনৈতিক

কাৰণ বা মূল্যবৃদ্ধিৰ গূঢ় তাৎপৰ্য্য সকলো নখ দৰ্পনত; কিন্তু পটলৰ কিলো কিমান বুলি সুধিলে হা কৰি মুখ মেলি থাকো। মনৰ এনে ধৰণৰ প্ৰসাৰতাৰে কি কৰিম কওক? খোৱা, শোৱা আৰু আড্ডা মৰাৰ বাহিৰে জানো প্ৰশান্ত মনৰ পৰিচয় দিব পাৰিছো? বি এত ফাৰ্ষ্ট ক্লাছ ফাৰ্ষ্ট হৈতো কিবা এটা অদ্ভুত কৰিব পৰা নাই, দীঘলকৈ ওৰণি লোৱা আঢ্যৱন্ত পৰিয়ালৰ বোৱাৰী বেছি কালচাৰড্ হৈছে বুলি ধাৰণা নহয়।

প্ৰশান্ত : কথাটো এফালৰ পৰা সত্য। এই সমাজ ব্যৱস্থাৰ মাজেদি প্ৰকৃত শিক্ষা পোৱাটো প্ৰায় অসম্ভৱ। নাৰীত্বৰ যি কণ মহান, যি কণ সুন্দৰ তাকেই এওঁলোকে চেপি খুচি মাৰিবলৈ চেষ্টা কৰে।

পম্পী : তাত মোৰ বিন্দু মাত্ৰও আপত্তি নাই। নাৰীত্বৰ যিকণ মহান সেই কণ খামুচি কি ডাঙৰ কাম কৰিম? তাত জানো মন ভৰিব? তাতকৈ এই অৰ্থনীতিৰ আতি গুৰি নেপোৱা অংকবোৰ শিকি অন্ততঃ এটা চাকৰি যোগাৰ কৰিব পাৰিম, মাহটো পাৰ হলে পইচা পাম।

প্ৰশান্ত : চাকৰি, আপুনি। আপুনি চাকৰি কৰিব কি দুখত?

পম্পী : দুখত নহয়। সুখত। এম-এ টো দি 'প্ৰাগজ্যোতিষ' কলেজত ছাত্ৰক পঢ়াম। প্ৰিন্সিপালে নিজে মোক কথা দিছে। আৰু তাৰ লগত দুই তিনিটা টিউচন। সেইবোৰ কৰা মেলাৰ পিছত অলপ পইচা গোট খালে চেয়াৰ মাৰ্কেটতো মূৰ সুমোৱাব পাৰো। মোৰ প্লেন একেবাৰে পকা। এই চাহাব টিলালৈ কিয় আহিছো জানে? কমাৰছিয়েল ল আৰু ৰেটু এৰিয়েল কেলকুলেচনটো এই নিৰিবিলিত অলপ হৃদয়ঙ্গম কৰি লও, কাৰণ এক্সচেঞ্জত সোমাবলৈ হলে কামত লাগিব।

প্ৰশান্ত : আপোনাৰ মা - মানে মিছেছ হেমাঙ্গিনী চেতিয়াই এই প্লেনত মত দিছে?

পম্পী : মাৰ মত অমতলৈ মই আশা নকৰো। তেওঁৰ মততো নহবই। তেওঁ ভাবিছে তেওঁৰ মাজনীয়ে পৰীক্ষা দি ক্লান্ত হৈ পৰিছে, ছুটীৰ

দিন কেইটা চাহাব টিলাত কটাই আহক, স্বাস্থ্য ভাল হব। ছুটীটো মোৰ সহ্য হোৱা নাই।

প্ৰশান্ত ঃ আপোনাৰ কথা শুনি মোৰ গা শিঁহৰি উঠে? জীৱনত অকণমান হাঁহি তামাছা, অকণমান ল'ৰা ছোৱালীৰ ধেমালী ধুমুলাৰ মাজত নিজকে বিলীন কৰি নিদিও বুলি থিৰাং কৰিছেনে কি? ৰোমান্সৰো প্ৰয়োজন নাই?

পম্পী ঃ নিশ্চয় নাই।

প্ৰশান্ত ঃ কি কৈছে, মিছ চেতিয়া? গোটেই জীৱনটো অফুৰন্ত কাম কাজৰ মাজত কোনোবা মানুহ জীয়াই থাকিব পাৰিব? জিৰণিৰতো প্ৰয়োজন একাধিক।

পম্পী ঃ সেইটোতো প্ৰয়োজনেই। তাৰ লগতে ক্লাবলৈ গৈ এজন immatured লৰাৰ লগত ৰোমান্স কৰাৰ কিবা প্ৰয়োজন আছে? মোৰ জিৰণিৰ দৰকাৰ হলে মই একাপ কফি বনাই লও, তাৰ পিছত এটা চিগাৰেট জ্বলাও, তাৰ পিছত বিস্ময়ৰ নিচিনা এখন গাঁজাখুৰি আলোচনী লৈ বহি পৰো। বচ্।

প্ৰশান্ত ঃ (উঠি) মই বিশ্বাস নকৰো। মই শিল্পী, আপোনাৰ কথা মই বিশ্বাসেই কৰিব নোৱাৰো। আপোনাৰ শিক্ষা এক তৰপীয়া পুথিগত হৈছে কাৰণে আপুনি হয়তো নেজানে শিল্পজগতৰ কি আচল সৌন্দৰ্য্য। ননী বৰপূজাৰীৰ এখন ছবিৰ মাজত, অথবা -

পম্পী ঃ হয়, সেইবোৰ মোৰ জনা আছে। গুৱাহাটীত যোৱা এপ্ৰিল মাহত আপোনাৰ দৰেই এজন উগ্ৰ শিল্প প্ৰচাৰকৰ লগত মোৰ পৰিচয় হৈছিল। তেওঁৰ পাল্লাত পৰি আৰ্টিষ্ট গীল্ডৰ এখন একজিবিছনলৈ গৈছিলো।

(প্ৰশান্ত কিছু পৰিমাণে উৎফুল্লিত হৈ উঠে।)

প্ৰশান্ত ঃ গৈছিল?

পম্পী ঃ হয়। ওলাই আহি দুটা এচপিৰিণ খাব লগীয়া হ'ল। তাৰ পিছত আন এদিন সেই হতভগীয়া বন্ধুৰ প্ৰৰোচনাত পৰি উচ্চাঙ্গ সংগীতৰ

বৈঠকীত গৈ বহিলোগৈ, নগদ ২৫ টকা ভৰি টিকট কিনি। ৰবিশংকৰ, বিলায়েৎ খা, গোলাম আলি, আমজাদ আলি খাঁ সকলো আছিল, থাকিলে কি হব শেষত কোনে কি বজালে, কোনে কি গালে গমেই নাপালো, কাৰণ মোৰ এঘাৰ মান বজাত টোপনি গৈছিল, ৰাতিপুৱা উঠি ব্ৰেদ মাখন কিনি হোষ্টেললৈ উভতি গলো। তাৰ পিছত সেইফালে আৰু মুখ কৰা নাই।

প্ৰশান্ত ঃ কিন্তু মই আপোনাক কৈছো নহয়, মিছ চেতিয়া কলা-সঙ্গীত এদিনতে বুজি পোৱা বস্তু নহয়।

পম্পী ঃ চাওক দুৱৰা আংকোল, মই অৰ্থনীতিৰ ছাত্ৰী। শিল্প মানে মোৰ বাবে আৰ্ট নহয়, শিল্প মানে ইণ্ডাষ্ট্ৰী, হেভী অৰ আদাৰওৱাইজ। দেখাতো পাইছেই ভাল কৰিবলৈ গৈ মায়ে মোক কেনেকৈ বান্দৰীৰ নিচিনা কৰিছে। আমি হেনো ডাঙৰ মানুহ কিন্তু ডাঙৰ ডাঙৰ মানুহ যলৈ যায় - তালৈ গলে মোৰ বমি আহে - গুৱাহাটী ক্লাবৰ কথাই কওক বা জিম খানা ক্লাবৰ কথাই কওক বা থ্ৰি - হান - ড্ৰেড, - মই দেখিবলৈ ধুনীয়া নহও, দেখাত কুৎচিত অথচ ৰ'জ লিপষ্টিকেৰে মুখখন চুণকাম কৰিবলৈ মই ঘিন্ কৰো। ঈশ্বৰ প্ৰদণ্ড চুলি কোছা বেছ দীঘল চিধা হৈয়ে থাকে, চুলি কোছা মেৰিয়াই টুপিৰ আকাৰত বান্ধিবলৈ সময় উলিয়াব নোৱাৰো - কি কৰো কওক? ইয়াৰ বাবে মাৰ লগত মোৰ বুজা পৰা হোৱাটো সম্ভৱ নহয়। আপোনাৰ কি ধাৰণা হয়?

প্ৰশান্ত ঃ (চমক খাই) নাই - মানে - মই আশা কৰো, মিছ -

পম্পী ঃ কি আশা কৰে সেইটো জানিবলৈ বিচৰা নাই, কি ধাৰণা কৰে তাকহে জানিবলৈ বিচাৰিছিলো।

প্ৰশান্ত ঃ অভয় যেতিয়া দিলে, কও - আপোনাৰ মাক অকণমান হতাশ হব বুলিয়েই মোৰ ধাৰণা হয়। তেওঁ সম্পূৰ্ণ বেলেগ এটা আদৰ্শ বুকুত বান্ধি জীয়াই আছে - তেওঁৰ লগত কথা পাতি বুজিব পাৰিছো।

পম্পী ঃ তেওঁৰ আদৰ্শৰ অৰ্থ হৈছে মোক আদৰ্শ ছোৱালী হিচাপে গঢ়ি

তোলা। (হাঁহি) মোক ৰক্ষা কৰক। বাৰু, তেওঁৰ আদৰ্শৰ কোটা পূৰণ কৰিবলৈ মই কি কৰিব লাগিব? একো নকৰিলে নাইট ক্লাবলৈ গৈ কলঙ্ক মাতি আনিলে ভাল হ'ব জানো?

প্ৰশান্ত : মিছ পম্পী, জীৱনত যি সকলে প্ৰকৃত শিক্ষা লাভ কৰিছে অথচ সুযোগ পোৱা নাই, তেওঁলোকে সকলো সময়তেই ভাবে, মোৰ পিছত যি সকল আহিব তেওঁলোকে যেন এই অভিশাপ শিৰ পাতি লব লগীয়া নহয়। আপোনাৰ মাকো দাৰিদ্ৰৰ সৈতে সংগ্ৰাম কৰি ওপৰলৈ উঠিছে, সেই কাৰণে আপোনাৰ বেলিকা তেওঁ .... মানে, কি আৰু কম? আপুনি .... সকলোতো জানেই।

পম্পী : কোনে কলে? মই একো নাজানো বুলি। সৰু কালৰ পৰাই হোষ্টেলত থাকি পঢ়িছো, দাৰ্জিলিঙত, ডেৰাদুনত। মায়ে এলাহাবাদ, লক্ষ্ণৌ, দিল্লী, মুম্বাই আদি চহৰত ফুৰিবলৈ গৈ দিন কটায়। বছৰত এবাৰ দুবাৰ দাৰ্জিলিঙলৈ আহিলে দুই এঘণ্টাৰ কাৰণে হোষ্টেললৈ আহে, দৈনন্দিন জীৱনৰ দৰকাৰী কথাবোৰ কওতে নকওতেই সময় পাৰহৈ যায়। জানে, ভেকেচনৰ পিছত সকলো ছোৱালী যেতিয়া ঘৰলৈ যায় তেতিয়া মই অকলেই হোষ্টেলতে কটাও। স্কুলৰ হোষ্টেলত অকলে থাকি বেয়া লাগে, নিৰ্জনতা অনুভৱ কৰো - পাৰে মানে কান্দো। মাক সোধো - তোমাৰ কি ইমান ডাঙৰ কাম? দেশ উদ্ধাৰ নকৰিলেই নহয়? মায়ে কিবোৰ যে কয় - উইমেনচ্ কনফাৰেন্স, নেচনেল উইমেন্স কাউন্সিল, বেনাৰচ হিন্দুনাৰী সহায়তা সমিতি - এইবোৰৰ মিটিং - এটেণ্ড নকৰিলেই নহয়। কলেজত নাম লগাই এইবোৰ কথা লৈ আৰু মূৰ নঘমাও। মাহৰ তিনি তাৰিখে মনিঅৰ্ডাৰ আহি পাব - বচ, মোক আৰু কি লাগে? এতিয়াতো দেখাই পাইছে মাৰ লগত মোৰ তেনে কথা বতৰা নাই। ধাৰণা হৈছে মোতকৈ আপুনিয়েই মাক ভালদৰে চিনি পায়।

প্ৰশান্ত : (কি কব একো ঠিক কৰিব নোৱাৰি) সেইটো কেনেকৈ হ'ব পাৰে?

আপুনি কি একোৱেই নাজানে? তথাপিতো ..... যাওক কি বাজে কথা বলকিছো। মাতৃস্নেহৰ আগত কোনো প্ৰভিবন্ধক থিয় হ'ব নোৱাৰে। আপুনি একো নেভাবিব - পম্পী দেৱী - কি সুন্দৰ ঘৰ নহয়? এইটো যোৱা বছৰ আপোনাৰ মাকে কিনিলে নহয়?

পম্পী : প্ৰসঙ্গ পৰিবৰ্ত্তনটো অলপ আকস্মিক হৈ গ'ল - দুৰ্বৰা চাহাব। কিয় - মোৰ মাৰ জীৱন কি ইমানেই ভয়ংকৰ যে সেই সম্বন্ধে কথা কবলৈও ভয়?

প্ৰশান্ত : নাই - নাই, কি কৈছে মিছ চেতিয়া। মা আৰু ছোৱালীৰ মাজত কোনো ধৰণৰ লুক ঢাক গোপনীয়তা থাকিব নোৱাৰে। আপোনাৰ মাকে আপোনাক কবই। মই বাহিৰৰ মানুহ, আপোনাৰ মাৰ ওচৰত বহুত কথাৰ বাবে কৃতজ্ঞ, মই কোন মুখেৰে -

পম্পী : মোৰ মাই মোক কোনো কথাই নকয়। তেওঁৰ সম্বন্ধে কোনো কথা ওলোৱাৰ সম্ভাৱনা দেখিলেই তেওঁ নিউজ ব্ৰেক আউট কৰিছে। ঠিক আছে, কোনো বিষয়ত মাক-জীয়েকৰ মাজত কাজিয়া লাগিবই। আমাৰ প্ৰাগজ্যোতিষ কলেজৰ প্ৰফেচাৰীৰ কথাটো শুনি তেওঁ খেপি উঠিব।

প্ৰশান্ত : হয়তো উঠিব।

পম্পী : খঙত তেওঁৰ নিজৰ চুলিয়েই চিঙিব লাগিব, মোৰ গাৰ নোম এদালো লৰাব নোৱাৰিব। সেই চাকৰি মই লমেই। বাৰু - ইয়াৰ বাহিৰে আৰু এটা পেঁচ দিলে কেনে হয়? যদি বেছি বাৰাবাৰি কৰে তেতিয়া তেওঁৰ বিগত জীৱনৰ কথা ফাদিল কৰি দিম। লুকা ভাকু খেলিছে তেওঁ, মোৰ কোনো চিক্ৰেটেই নাই। বচ-আৰু বাট চালগীয়া নহব, মানে মানে তেওঁ মত দি পেলাব।

প্ৰশান্ত : সেইটো কেনে কথা মিছ চেতিয়া। ছিঃ ছিঃ। এনে কথা ভাবিলেও পাপ হয়। গুৰু জনাৰ লগত এইবোৰ ব্লেক মেইলিং ..... আজি কালিৰ ছোৱালী .... মানে .... মোৰ অনুৰোধ পম্পী দেৱী - তেনেবোৰ কথা মনৰ পৰা দূৰ কৰি দিয়ক।

পম্পী : কিয় দূৰ কৰি দিম কওক ?

প্ৰশান্ত : ইমান আকোৰ গোঁজ নহব। মই হাতজোৰ কৰিছো, মিছ চেতিয়া। (প্ৰশান্তৰ আবেগৰ প্ৰকাশভঙ্গী দেখি পম্পীয়ে হাঁহি সম্বৰণ কৰিব পৰা নাই।)

ইয়াৰ বাহিৰেও আপোনাৰ মাকে এবাৰ ৰণচণ্ডী মূৰ্ত্তি ধাৰণ কৰিলে লঙ্কা কাণ্ড সংঘটিত কৰিবলৈ বেছি পৰ নালাগিব। তেওঁৰ খঙৰ কথাটো আপুনি নাজানে।

পম্পী : ভয় খুৱাইছে? স্মাৰ্ট মহিলা মোৰ বহুত দেখা আছে। (উচ্চ হাস্য। প্ৰশান্ত আড়ষ্ট।) মোক আৰু নকব, ঠিক আছে? কাজিয়া লাগিলে পিছত যদি কব নোৱাৰাকৈয়ে ওল্টা খৰ মাৰি বহো - তেতিয়া মোৰ গাত দোষ নাই। এতিয়া আহক প্ৰসঙ্গ পৰিবৰ্ত্তন কৰা যাওক, হয়, ঘৰটো মায়ে যোৱা বছৰ কিনিছে। তাৰ পিছত কলেজ বন্ধ হলে মই ইয়ালৈ আহি থাকোহি।

প্ৰশান্ত : (চিন্তিত ভাবে) শুনক পম্পী দেৱী, মানে মিছ চেতিয়া .... মই আপোনাৰ মাৰ বন্ধু আৰু তেওঁৰ হিতাকাঙ্খী। আপোনাৰ কথাত মই ভয় খাইছো। সেই বেদনাৰ ঘা আপুনি অনায়াসেই নিৰাময় কৰিব পাৰে - সেইটো মই জানো। সেই কাৰণে আপোনাক কৈয়ে পেলাও। শুনক - আপোনাৰ মা, বহুত দিনৰ আগেয়ে - (মিছেছ হেমাঙ্গিনী চেতিয়া আৰু ৰত্নপুৰৰ ডেকা ৰায়বাহাদুৰ সত্যন্দ্ৰ প্ৰসাদ চলিহা গেটত উপস্থিত হল। মিছেছ চেতিয়া বিগত-যৌৱনা হলেও মুখৰ কমনীয়তা এতিয়াও ম্লান পৰা নাই, বৰঞ্চ চল্লিশৰ দেওনা পাৰ হোৱা মিছেছ চেতিয়াৰ মুখৰ সৌন্দৰ্য্য হ্ৰাস হোৱাৰ পৰিবৰ্ত্তে উগ্ৰতাহে বৃদ্ধি হৈছে। সত্যেন্দ্ৰ প্ৰসা দ আৰ্য্য পুৰুষ, তেওঁৰ পিন্ধনত ধুতি পাঞ্জাবী, দামী শ্বাল, বলিষ্ঠ দেহৰ পৰা যি ধৰণে কণ্ঠস্বৰ আশা কৰা যায়, প্ৰথম বাক্যোচ্চাৰণতেই সেই আশা ভঙ্গ হয়, কাৰণ নাকৰ পৰাই তেওঁৰ অধিকাংশ বাক্য নিঃসৃত হয়। ইয়াৰ বিপৰীতে একাধিক কুলিয়ে বাকচ আদি কঢ়িয়াই আনে,

আৰু আনে দুটা ডাঙৰ তানপুৰা। পম্পীৰ মাতত দুই তিনি জন বেহেৰা উধাতু খাই আহে, ঘৰৰ মালিকনীক চালাম দি তেওঁলোকে মাল-পত্ৰবোৰ ঘৰৰ ভিতৰলৈ সুমুৱাবলৈ ধৰে।)

পম্পী : আহা মা - প্ৰশান্ত আংকোলে বহুত সময়ৰ পৰাই অপেক্ষা কৰি আছে তোমাৰ বাবে। (পম্পীয়ে নিঃসকোচে মাকক প্ৰণাম কৰে। হেমাঙ্গিনীয়ে জীয়েকৰ প্ৰণাম গ্ৰহণ কৰি এক মুহূৰ্ত্তৰ বাবে ছোৱালী-জনীক আকোৱালি লয়।)

হেমাঙ্গিনী : তই কি যে আৰ্কৰী। প্ৰশান্ত আংকোলক তই অসমীয়াতে মামা বুলি মাতিব নোৱাৰিলি। এই দুটা বাকচ মোৰ শোৱা কোঠালিলৈ লৈ যা।

(পম্পীক) সেইয়া তুমিয়েইতো তীৰ্থলৈ যোৱা মানুহৰ দৰে কাপোৰ কানি পিন্ধি ৰাতিপুৱা পৰাই বহি থকা নাই জানো? ৯ বাজি ২৫ মনিট যোৱা ট্ৰেইনত আহিম বুলি জানাই। অ' তানপুৰা দুটা সাৱধানে। এই দুটা মাজৰ কোঠাটোত -

পম্পী : কিয়? এই বাৰুদ দুটা কিয় আনিছা?

হেমাঙ্গিনী : তোক গান শিকাম বুজিলি? ক্লাছিকেল।

পম্পী : তুমিতো বেসুৰা গোৱা।

হেমাঙ্গিনী : মনে মনে থাকা। মাতৃভক্তি নাই এক বিন্দুমানো (চাকৰক) সেই বাকচ দুটা মাজৰ কোঠাত থবি। কিমান প্ৰেজেন্ট আনিছো এতিয়া চাবা। ই, কি মাজনী, মাফলাৰ ক'ত? মাৰ্চ্চ মাহ পৰিলেও ইয়াত বেছ ঠাণ্ডা। পুনৰ তন্‌চিল ফুলাই বহি থাকিবি। অ'পাহৰিয়েই গৈছিলো, বুঢ়া - এই ফালে আহা।

(সত্যেন্দ্ৰ প্ৰসাদ চলিহা ওৰফে সঞ্জু ওচৰলৈ আহিল।) এই মোৰ ছোৱালী ; পম্পী, ইকনমিক্সত ফাৰ্ষ্টক্লাছ ফাৰ্ষ্ট। আৰু তোকযে কৈছিলো এওঁৰ কথা - নিকুঞ্জপুৰৰ মাজু কুমাৰ বাহাদুৰ সত্যেন্দ্ৰ প্ৰসাদ চলিহা, মোৰ বন্ধু, তোৰ মামা।

(পম্পীৰ সুঠাম ঋজু দেহ দেখি সত্যেন্দ্ৰ প্ৰসাদে চকুৰ পলক

নেপেলোৱাকৈ চাই থাকে।) মাজনী - তই কথাবোৰ পাহৰি গলি হবলা? নমস্কাৰ জনা আক'। আজি তোৰ লগত প্ৰথম দেখা দেখি। (পম্পীয়ে যেন একো শুনা নাই এনে অভিনয় কৰি লগুৱাক আদেশ দিয়ে।)

পম্পী : টেবুল ল গা। এতিয়াই চাহ দিয়া হব।
(হেমাঙ্গিনী ছোৱালীৰ অবাধ্যতাত অবাক হৈছিল, তাকে লক্ষ্য কৰি সত্যেনে হাঁহি পৰিস্থিতিটো সহজ কৰি পেলাবলৈ বিচাৰিছিল)

সত্যেন্দ্ৰ : হব হব - আজিকালি দিনৰ ছোৱালী। নমস্কাৰ তমস্কাৰৰ লগত ধৰা ধৰি নাই। মই কিন্তু তোমাৰ ছোৱালীক আপুনি বুলি নামাতো। আগতেই কৈ থলো।

পম্পী : (পম্পীয়ে প্ৰত্যাবৰ্ত্তন কৰি) আহা মা, এতিয়া হেণ্ডচেক কৰা যাওক তোমালোকৰ আধুনিক কায়দাত, কি কোৱা?
(পম্পীয়ে হাত আগবঢ়াই দিয়ে। লোলুপ ভঙ্গীত সত্যেনে তাইৰ হাতত খাচুচি ধৰে, কিন্তু পম্পীয়ে এনে এটা জোকাৰ দিয়ে যে তেওঁলোকৰ চকু স্থিৰ হৈ যায়।)

পম্পী : অ' ক্ষন্তেক ৰব, কেইখন মান চকী অনাও।
(পম্পী ভিতৰলৈ যায়।)

হেমাঙ্গিনী : পম্পীজনী দিনে দিনে কিমান ধুনীয়া হৈ উঠিছে, নহয়নে বাৰু? ফৰিং আছিল, সুগন্ধী পখিলা হৈছে।

সত্যেন : কুস্তি খেলত পাকৈত হৈছে বুলি নোকোৱা কিয়? সেয়াতো হাত নহয়, লৌহ মুঠি। প্ৰশান্ত, তেওঁৰ লগত হেণ্ডচেক কৰি চাইছানে?

প্ৰশান্ত : চাইছো। চেপি বহি থাকিব, কিছু সময়ৰ মূৰত খোল খাই যাব।

হেমাঙ্গিনী : (খিল খিলাই হাঁহি) স্পৰ্টত ফাৰ্ষ্ট হোৱা ছোৱালীতো।
(ভৃতৰ হতুৱাই চকী লৈ পম্পীৰ প্ৰৱেশ।)

হেমাঙ্গিনী : সঞ্জু মামাক বহিবলৈ দে পম্পী।
(শব্দ কৰি পম্পীয়ে ভৃত্যৰ হাতৰ পৰা চকী এখন লৈ নিৰ্দিষ্ট ঠাইত থয়।)

পম্পী ঃ এইখনতে বহক। (মাকক) ট্ৰেইনত ব্ৰেকফাষ্ট খাইছা?

হেমাঙ্গিনী ঃ কেতিয়া খাম? ৰাতি পুৱাওতে নৌপুৱাওতেই দেখোন ট্ৰেইনখন ষ্টেচন পালেই। সময় ক'ত?

পম্পী ঃ আনিছিল ছাগৈ? বাৰু জোগাৰ কৰো।
(পুনৰ প্ৰস্থান।)

হেমাঙ্গিনী ঃ (প্ৰশান্তক সত্যেন্দ্ৰ সম্বন্ধে) চাওক - মানুহটোৰ মুখখনলৈ এবাৰ চাওকছোন। তিনি বছৰ ধৰি মোক জ্বলাই মাৰিছে -, পম্পীক চাব। এতিয়া পম্পীৰ লগত দেখা হৈছেতো - মুখখনলৈ কিনো নাচাব - একেবাৰে পোৰা বেঙেনাটোৰ নিচিনা হৈছে।
(সত্যেন বিৰস বদনে চকী এখনত বহি পৰিল।)

প্ৰশান্ত ঃ পম্পীটো মতা নাম হব পাৰে কিন্তু বাস্তৱিকতে আপোনাৰ ছোৱালী এতিয়া আৰু পম্পী হৈ থকা নাই, মোৰ কথাৰ অৰ্থ ভুল বুলি নলব মিছেছ চেতিয়া।

হেমাঙ্গিনী ঃ শুনা সঞ্জু, এতিয়া এখেতৰ কথা শুনা। পম্পী বোলে অৰ্থডক্স হৈছে। বুঢ়া মানুহৰ নিচিনাকৈ কি জানো উপদেশ টুপদেশ দিছে আপোনাক? পম্পীয়ে সঁচাই কথা বতৰা, ব্যৱহাৰ পাতিত গোড়ামি দেখুৱাইছেনে কি?

প্ৰশান্ত ঃ আপুনি নাজানে মিছেছ চেতিয়া আজি কালিৰ লৰা ছোৱালী বিলাক এই বিষয়ে ইমান সচেতন যে আমাৰ অজ্ঞাতেই সিহঁতক যেন আমি মৰ্ম্মান্তিক আঘাত দি থাকো।

হেমাঙ্গিনী ঃ সিহঁতে অলপ আঘাত পোৱা উচিত, নহলে সিহঁতে সুবিধা পালেই মূৰৰ ওপৰত উঠি বহে। শুনক দুৱৰা চাহাব, ডাঙৰ ডাঙৰ কথা কোৱাটো আপোনাৰ অভ্যাসত পৰিণত হৈছে। মোৰ ছোৱালীক মই কণমানি বুলি ভাবি আঘাত কৰো বা নকৰো তাক লৈ আপুনি বক্তৃতাৰ ফুলজাৰি ফুটাব নালাগে, বুজিলে?
(প্ৰশান্তই চিন্তান্বিত হৈ উঠি যায়। হেমাঙ্গিনীয়ে এবাৰ ইহঁাৰ প্ৰয়াস কৰে, তাৰ পিছত প্ৰশান্তৰ ফালে উদ্বিগ্ন দৃষ্টিৰে চাই কয়।)

কথাটো কি? তেওঁ এনে কৰিছে কিয়?

সত্যেন : (বিষণ্ণ বদনে) তুমি প্ৰশান্তলৈ ভয় কৰা।

হেমাঙ্গিনী : মই? ভয় কৰো? প্ৰশান্তক? কি যে কোৱা সঞ্জু (হাঁহি) তেওঁৰ চাহ বাগিচাৰ কুলি মালি পৰ্য্যন্তয়ো তেওঁলৈ ভয় নকৰে।

সত্যেন : তুমি কৰা।

হেমাঙ্গিনী : তাতেই বা তোমাৰ চকু পৰিছে কিয়? চোৱা সত্যেন, তোমাৰ সেই হাঁহি মুখখন লৈ যদি তুমি ভাবা যে মই কেৱল তোমাৰেই তোষামোদ কৰি আছো, তেনেহলে ভুল কৰিবা। ইয়ালৈ আহিছো দুটা দিন হৈ হাল্লা কৰি আনন্দত কটাবলৈ। যদি সেইটো কৰিব নোৱাৰা, তেনেহলে দীঘল দিয়া, বুজিলা? দুৰৰা চাহাব, খং কৰিছে? (তাই উঠি প্ৰশান্তৰ ওচৰলৈ আহে)

প্ৰশান্ত : নাই, নাই খং কৰিম কিয়, মিছেছ চেতিয়া, মই মাথোন কৈছিলো - আপুনি মোক আগেয়েও দেখিছে - কোনো খুতিনাতি মোৰ চকুৰ পৰা সাৰি যাব নোৱাৰে। সেইকাৰণে আপোনাক বুজিবলৈ চেষ্টা কৰিছিলো। আপোনাৰ ছোৱালীক আপুনি কেনেকৈ বিহেব কৰে।

হেমাঙ্গিনী : এইবাৰ পুনৰ কি খুঁটি নাটি অপোনাৰ চকুত পৰিছে?

প্ৰশান্ত : কথাটো সামান্য। বীজ সামান্য, কিন্তু সেই বীজ যেতিয়া ফাট মেলি বাহিৰ ওলায় তেতিয়া আৰু পৰিতাপৰো সময় নাথাকে। পম্পীক এতিয়া পূৰ্ণ বয়স্ক নাৰীৰ সম্পূৰ্ণ মৰ্যাদা আমি দিয়া উচিত।

হেমাঙ্গিনী : (স্তম্ভিত হৈ) মৰ্যাদা? নিজৰ ছোৱালীক মৰ্যাদা? যাক দহ মাহ দহ দিন পেটত ধাৰণ কৰিছিলো। মৰ্যাদা! কয় কি?
(দুৱাৰৰ সমুখত পম্পীক দেখা যায়)।

পম্পী : মা ব্ৰেক ফাষ্ট ৰেডি হয় মানে এবাৰ মোৰ ৰুমলৈ আহাছোন। কথা আছে।

হেমাঙ্গিনী : গৈছো যোৱা। (প্ৰশান্তক হাঁহি) খং নকৰিব প্লিজ?
(হেমাঙ্গিনী আৰু পম্পীৰ প্ৰস্থান।)

সত্যেন : দুৰৰা।

প্ৰশান্ত : কি?

সত্যেন : ওচৰলৈ আহি বহক। কথা আছে।
(প্ৰশান্তই সেইদৰে কৰে)
ছোৱালীজনীৰ বাপেক কোন? হেমাঙ্গিনীয়ে আপোনাক কিবা কৈছেনে?

প্ৰশান্ত : নাইতো।

সত্যেন : আপোনাৰ কাক সন্দেহ হয়?

প্ৰশান্ত : সন্দেহ হয় মানে?

সত্যেন : সন্দেহ হয় মানে সন্দেহ হয় যে 'অমুকেই' পম্পীৰ দেউতাক। কাক সন্দেহ হয়?

প্ৰশান্ত : নাজানো।

সত্যেন : (বিশ্বাস নকৰি) বুজি পাইছো, হেমাঙ্গিনীয়ে আপোনাক কলেও, আপুনি বাৰু কিদৰে সেই কথা ফাদিল কৰে? তথাপি মোক কলে আপোনাৰ কোনো ক্ষতি নহলহেতেন। কাৰণ এনে এক সন্দেহৰ মাজত থকাটোতো ভাল কথা নহব। বিশেষকৈ কেইদিন মান ইয়াত থাকিম যেতিয়া ছোৱালীজনীৰ লগত দেখা সাক্ষাৎ হব। আপোনাৰ কি অসুবিধা আছে, কওকছোন?

প্ৰশান্ত : কিয়, অসুবিধা কি আছে? পম্পীৰ লগত দেখা হব। পম্পীক দেউতাক কোন সেইটো জানি আপোনাৰ কি লাভ হব?

সত্যেন : তাৰ মানে আপুনি জানে কোন তাইৰ দেউতাক?

প্ৰশান্ত : (অকণমান ৰুঢ় হৈ) কলো নহয়, নাজানো বুলি। কাণেৰে কম শুনেনে কি?

সত্যেন : চাওক দুৱৰা, মোৰ বিশেষ অনুৰোধ - যদি আপুনি জানে কৈ পেলাওক। কথাটো মই জানিবই লাগিব, কাৰণ ধুনীয়া ছোৱালী জনীক দেখি মোৰ মনটো অকস্মাতে কিয় জানো চঞ্চল হৈ উঠিছে।

প্ৰশান্ত : (কঢ়া সুৰত) অৰ্থাৎ?

সত্যেন : ভয় নাখাব। ইয়াৰ বাহিৰে অন্য একো নাই। তাতেইতো খেলি

মেলি খন হৈছে, বুজিলেতো ? (নিম্ন স্বৰত) মানুহৰতো সীমা সংখ্যা নাই, কাকনো বুলিবা ককা - আটাইৰে দাড়ি চুলি পকা। এটা অন্য কথা। বিমোৰত পৰিলো। কোনে জানে - শেষ পৰ্য্যন্ত হয়তো ওলাই পৰিব ছোৱালীক বাপেক কোন The cat will be out of the bag. তেতিয়া ?

সত্যেন : আপুনিতো ভালদৰে জানে, মই তাইৰ দেউতাক নহয়।

প্ৰশান্ত : মই - মই কেনেকৈ জানিম ? মই একো নেজানো আৰু আপোনাকো কও চলিহা চাহাব। চাহ বাগিচাৰ মালিকৰ মেজাজ জানো অকণো কম নকৰিব ? মালিকৰ বঙলাৰ কালচাৰ ইয়াতো চলাই থাকিব ? আৰু আপুনি পম্পীৰ নিচিনা ছোৱালীৰ পিতৃ হবই নোৱাৰে, কাৰণ ধৰ্ম বৰ্হিভুত কথা হব। ইয়াৰ বাহিৰেও আপুনি ধুনীয়া নহয়, তাই কিন্তু সুন্দৰী।

সত্যেন : চেহেৰাৰ কথা হলে কব পাৰে। জন্ম, মৃত্যু, বিয়াত বিধতাৰেই হাত। আপুনি জানো মন কৰা নাই। মাকৰ লগতো জীয়েকৰ চেহেৰাটো তেনে কোনো মিল নাই। কিন্তু আপুনি ইমান ক্ষেপি উঠিছে কিয় ? তাই আপোনাৰ ছোৱালীনে কি - মোৰ ওচৰত কথা নুলুকাৱাব কিন্তু ?

প্ৰশান্ত : চলিহা চাহাব, বয়োজ্যেষ্ঠ কাৰণে আপোনাক সন্মান কৰো, কিন্তু মাত্ৰা চেৰাই গৈছো।

সত্যেন : আহা - খং উঠিছে কিয় ? পুৰুষ মানুহ। দুটা মনৰ কথা ব্যক্ত কৰাৰ অধিকাৰ নাই? একেবাৰে লাজুকী লতাৰ নিচিনা হৈ গ'ল যে ?

প্ৰশান্ত : শুনক সঞ্জু, মিছেছ চেতিয়াৰ লগত মোৰ যি সম্পৰ্ক সেইটো আপোনাৰ মগজে ঢুকি নাপাব। তথাপি কৈছো, হেমাঙ্গিনী চেতিয়াৰ জীৱনত সেই দিশটোৰ লগত মোৰ কোনো সংশ্ৰৱ নাই। আপুনি হয়তো নাজানে, পৃথিবীত এনে লোকো আছে যি ছোৱালী দেখিলেই তাইক সহজে শৰ্য্যাশায়িনী কৰাৰ কথা নাভাবে। বিশেষকৈ হেমাঙ্গিনী চেতিয়াৰ। সেই ধৰণৰ এজন বন্ধুৰ দৰকাৰ

আছিল, নহলে আপোনালোকৰ নিচিনা কামাতুৰ বন্ধুবৰ্গৰ কবলৰ পৰা মাজে মাজে পলোৱাৰ কোনো দৰকাৰেই নাছিল। গৰ্ব্ব সহকাৰে কব পাৰো গুৱাহাটীলৈ আহিয়েই হেমাঙ্গিনী চেতিয়াই মোক মাতি পঠায় আৰু মোৰ লগত অলপ সময় কথাপাতি স্বস্তিৰ উশাহ লয়। সেই কাৰণে পম্পীৰ পিতৃ কোন, এই প্ৰশ্ন আপুনিয়েই পোনপটীয়াকৈ হেমাঙ্গিনী চেতিয়াক কৰিব পাৰে, যিটো কাম মোৰ কাৰণে সম্ভৱ নহয়।

সত্যেন : প্ৰশ্ন নকৰাকৈ থকা নাই। তেওঁ নকয়। ছোৱালীজনীৰ কথা ওলালেই অস্বাভাৱিক ধৰণে ফালৰি কাটি যায়। কোনো পধ্যেই নকয়। এৰাব নোৱাৰিলে কেতিয়াবা কয় ছোৱালীজনীৰ বাপেকৰ দৰকাৰেই হোৱা নাই - তাইৰ জন্ম এনেয়ে হৈছে। (উঠি) কথাটো মোৰ মুঠেই ভাল লগা নাই দুৰৰা।

প্ৰশান্ত : বেয়া লাগিলেও সহ্য কৰাৰ বাহিৰে উপায় কি? তাৰ উপৰিও আপুনি পম্পীৰ দেউতাক হওক বা নহওক, তাইৰ বাপেকৰ সমবয়সীয়াতো। এতেকে পিতৃগুৰুৰ কথা মনতে চিন্তা কৰি ইয়াত থকা দিন কেইটা পাৰ কৰি দিয়ক।

সত্যেন : (ক্ষুব্ধ হৈ) মোক ইমান বয়সীয়াল বুলি ভাবিছেনে? আপোনাতকৈ মই কিমান বছৰৰ ডাঙৰ। আপোনাকতো মই মোৰ কন্টেম্পৰেৰি বুলিয়েই জ্ঞান কৰো।

প্ৰশান্ত : পাগল হৈছে কিয়? আপুনিতো জন্মৰ পৰাই বুঢ়া, ভূমিস্থ হৈয়ে বুঢ়া। আৰু মই আজি পৰ্য্যন্ত বুঢ়া হৈছো বুলি মনলৈ এক ধনিষ্ঠ মানো ভাব অহা নাই। মনটো মোৰ এজন ২৬ বছৰীয়া যুৱকতকৈ কম জোৰি নহয়।

সত্যেন : হৈছে হৈছে - উদ্যোগপতি বুলি জাহিৰ কৰিলেও কয়লা বেচিয়েই আপোনাৰ টকা - সেয়ে জোৱান হৈ থকাই ভাল, বুঢ়া হৈ কি হব? আপোনাৰ বিজনেচতো নচলিব।

প্ৰশান্ত : আপোনাৰ দৰে চাব ষ্টেৰ্ণ্ডাদ চাহপাত বেচি প্ৰখ্যাত চাহ বাগিচাৰ

মালিক বুলি নিজকে জাহিৰ কৰাৰ মোৰ বাসনা নাই, কাৰণ আজিৰ এই কম্‌পিটিচনৰ যুগত আপুনি প্ৰডিউচ্ কৰা চাহপাতৰ মূল্য তেনেই নগন্য।

(ভিতৰৰ পৰা হেমাঙ্গিনী চেতিয়া)

হেমাঙ্গিনী ঃ সঞ্জু, দুৰৰা দা। চাহ ঠাণ্ডা হৈ গ'ল। ভিতৰ সোমাই আহক।

সত্যেন ঃ (প্ৰশান্তক) মাতিছে।

(দ্ৰুত বেগেৰে প্ৰস্থান। প্ৰশান্ত কিছু সময় আসন্ন দুঃ সময়ৰ চিন্তাত মগ্ন হৈ পৰিল। তাৰ পিছত ভিতৰলৈ যাবলৈ অগ্ৰসৰ হৈছেহে মাত্ৰ, এনে সময়তে ৰাজীৱে প্ৰৱেশ কৰিলেঁ। পিন্ধনত পায়জামা, চাৰ্ট আৰু সাধাৰণ শ্লিপাৰ।)

ৰাজীৱ ঃ প্ৰশান্তদা।

প্ৰশান্ত ঃ আৰে ৰাজীৱ দেখোন। ইয়ালৈ ক'ৰ পৰা?

ৰাজীৱ ঃ মই আকৌ ক'ৰপৰা। মইতো ইয়াৰেই আদি বাসিন্দা। সাত পুৰুষৰ পৰা বৰ্ত্তমান পুৰুষলৈকে ইয়াতে। আপুনি ইয়াত কিয়? ইয়াৰ কাৰোবাক চিনি পাইনে কি?

প্ৰশান্ত ঃ অ' - চিনো। মিছেছ চেতিয়াৰ লগত বিশেষ পৰিচয় আছে। সেই সুত্ৰেই পম্পী চেতিয়াৰ লগতো পৰিচয় হলো।

ৰাজীৱ ঃ পম্পীৰ সৈতে পৰিচয় হ'ল? বাঃ। তেনেহলে পম্পীৰ মাকো আহিছেনে কি?

প্ৰশান্ত ঃ আহিছে।

হেমাঙ্গিনী ঃ (নেপথ্যত) দুৰৰা দা। কি হ'ল আপোনাৰ? আহক।

প্ৰশান্ত ঃ গৈছো, মিছেছ চেতিয়া, এক মিনিট। এজন বন্ধুৰ লগত কথা পাতিছো।

হেমাঙ্গিনী ঃ কাৰ লগত?

প্ৰশান্ত ঃ বন্ধু।

হেমাঙ্গিনী ঃ তেনেহলে বন্ধুকো লৈ আহক। চাহ খাব।

ৰাজীৱ ঃ সেয়ে পম্পীৰ মাক?

প্ৰশান্ত : সেয়ে।

ৰাজীৱ : মোৰ বুকুখন দুৰু দুৰু কঁপিছে। 'মেৰী হিয়া তড়পাতে হায়।' কি ধাৰণা হয়? বহিলাই মোক দুই চকু পাৰি দেখিব নোৱাৰিলেও, এটা চকুৰে দেখিব পাৰিবতো?

প্ৰশান্ত : তোমাক নেদেখি থাকিম কেনেকৈ? বলা।

ৰাজীৱ : ৰ'ব প্ৰশান্তদা, কথা আছে। মোৰ এটা গোপন কথা আপুনি আজি শুনিব লাগিব।

প্ৰশান্ত : সেইটো আকৌ কি? এইবাৰৰ ৰাধাজনী কোন? জয়ন্তীৰ লগত পুনৰ কৃষ্ণলীলাৰ আখৰা কৰিছানে কি?

ৰাজীৱ : নাই - নাই, জয়ন্তী আকৌ ৰাধা হ'ব কিয়? এইবাৰ সঁচাই ৰাধাৰ লীলা খেলা কৰিছো।

প্ৰশান্ত : অভাগিনী কোন?

ৰাজীৱ : পম্পী চেতিয়া। কি কম তোমাক প্ৰশান্তদা, এনে ছোৱালী পাবলৈ টান। তাইক দেখিলে - মোৰ গা ৰিমঝিমাই যায় - আৰু তাইৰো কি কম, মোৰ প্ৰতি বেছ মানে 'হেৰি' আছে, সেইটো কৈ আৰু নিজকে সৰু কৰো কিয়?

সত্যেন : (পৰ্টিকত দেখা দিয়ে) দুৰৰা, কৰিছে কি? চাহযে তেনেই ঠাণ্ডা হৈ গ'ল।
(পুনৰ অদৃশ্য হ'ল)

ৰাজীৱ : এই আৰ্য্য পুৰুষজন কোন? প্ৰশান্তদা?

প্ৰশান্ত : ৰতনপুৰ বাগিচাৰ মালিক সত্যেন্দ্ৰ প্ৰসাদ চলিহা, মিছেছ চেতিয়াৰ বিশেষ বন্ধু। বলা ৰাজীৱ, এইবাৰ ভিতৰলৈ যোৱা যাওক।
(পিছৰ গেটৰ পৰাই গোপাল কৃষ্ণ দেৱ গোস্বামীয়ে ৰাজীৱৰ দৃষ্টি আকৰ্ষণ কৰে। গেৰুৱা পাঞ্জাৱী আৰু দাড়ি গোফে ভোবোকাৰ মুখখন দেখি মানুহে গোস্বামী দেৱক সন্ন্যাসী বুলি ভাবিবৰ থল আছে।)

প্ৰশান্ত : অ' আই। সেইজন আকৌ কোন?

ৰাজীৱ : আপুনিতো চিনি নাপায় প্ৰশান্ত দা। চিনিনো পাব কেনেকৈ? সেইজন মোৰ পিতৃদেৱ শ্ৰীল শ্ৰীযুক্ত গোপাল কৃষ্ণ দেৱ গোস্বামী, তৰ্ক শাস্ত্ৰী। আপুনি চাহ খাওক গৈ প্ৰশান্ত দা। পিতৃগুৰুক মেনেজ কৰি মই তৎক্ষণাত আহিছো।

(প্ৰশান্তৰ প্ৰস্থান। ৰাজীৱো অগ্ৰসৰ হোৱাৰ পথত)

গোপালকৃষ্ণ : ইয়ালৈ অহাৰ তোৰ কি প্ৰয়োজন আছে কছোন?

ৰাজীৱ : নিৰ্ভয়ে পদাপৰ্ণ কৰক পিতৃ দেৱতা। ভিতৰলৈ আহক।

গোপালকৃষ্ণ : সেইটো নহব। তই কিয় এই ঘৰটোৰ চাৰিওফালে ঘূৰি থাক? ইয়াত কোন থাকে?

ৰাজীৱ : ঘৰটোৰ স্থায়ী বাসিন্দা পম্পী চেতিয়া। এতিয়া আলহীৰে ঘৰটো উদুলি মুদুলি হৈ আছে।

গোপালকৃষ্ণ : পম্পী চেতিয়া। কোনো দিনেই আমাৰ সমিতিৰ বৈঠকত মহিলাক দেখা নাই। চাহাব টিলাৰ যি বাসিন্দা তেওঁলোক সকলোৱেই হিন্দু পুণৰভ্যুত্থান সমিতিৰ পৃষ্ঠপোষক সদস্য। ক'তা পম্পী চেতিয়া নামৰ কোনো মহিলা সমিতিৰ বৈঠকত দেখা নাই।

ৰাজীৱ : কিয় থাকিব? পম্পী বি.এত ফাৰ্ষ্ট ক্লাছ ফাৰ্ষ্ট। আপোনাতকৈ বহুত বেছি পঢ়া শুনা। আপোনাৰ বক্তৃতা শুনিবলৈ সমিতিলৈ যাব কিয়?

গোপালকৃষ্ণ : পিতৃভক্তিৰ একান্তই অভাৱ।

ৰাজীৱ : সেইটো কি কথা। আপুনি আমাৰ সাক্ষাৎ পূৰ্ব্ব পুৰুষ। তাৰ বাহিৰেও ইয়াততো কোনেও কাণ পাতি শুনা নাই, ক্ষতি কি?

(গেট খুলি দেউতাকক বলপূৰ্বক প্ৰৱেশ কৰালে।)

পম্পীক চাই যাওক, বুঢ়া বয়সতো চকু শাত পৰিব।

গোপালকৃষ্ণ : ভদ্ৰভাৱে কথা ক।

ৰাজীৱ : ঠিক আছে, হব। দেউতা, যোৱা জুলাই মাহত আপোনাৰ মুখৰ পৰা এটি বাণী উচ্চাৰিত হৈছিল - মনত আছে?

গোপালকৃষ্ণ : অৰণ্যাৰোদন বুলি জানিও গোটেই বছৰেই তোক এটা মাত্ৰ উপদেশ দি আহিছো - সেইটো হ'ল - তই মানুহ হ। বাপেৰৰ

হোষ্টেল এৰি চাকৰি বাকৰিৰ সন্ধান কৰ।

ৰাজীৱ : পিতাহি পৰম ধৰ্ম্মং। ৰাতিপুৱাতে কিহৰ গুল মাৰিছে দেউতা ঈশ্বৰ। জুলাই মাহত আপুনি চিঞৰি গোটেই চহৰখনতে তাল ফাল লগাইছিল - যিহেতু মোৰ টকা নাই - বুদ্ধিও নাই, সেই হেতুকে মোৰ উচিত হব এনে এজনী পত্নী যোগাৰ কৰা যাৰ টকাও থাকিব, বুদ্ধিৰতো কথাই নাই। সেই কাৰণে মই আজি কৃত-সংকল্প, আপোনাৰ আজ্ঞা পালন কৰিম, আপোনাৰ কান্ধৰ পৰা নামিম। বোৱাৰী মই বিচাৰি পাইছো। পম্পীৰ বুদ্ধি প্ৰখৰ।

গোপালকৃষ্ণ : তোৰ ছোৱালী ঠিক কৰিম মই। গোসাইৰ ঘৰত যি হৈ আহিছে সেয়ে হব। আৰু প্ৰখৰ বুদ্ধি থাকিলে কি হব? বুদ্ধিয়েই সকলো নহয়।

ৰাজীৱ : নাই - সেইটো নহয়। পম্পীৰ টকাও আছে।

গোপালকৃষ্ণ : তুচ্ছ টকাৰ কথা মই কোৱা নাই। তাতকৈও ডাঙৰ বস্তু আছে। বংশ, কুল, গোত্ৰ, সামাজিক প্ৰতিষ্ঠা সকলোবোৰেই বিবেচনা কৰিব লাগিব।

ৰাজীৱ : সেইবোৰ মই কেয়াৰ নকৰো।

গোপালকৃষ্ণ : কিন্তু মই কৰো।

ৰাজীৱ : আপোনাকতো কোনেও বিয়া কৰোৱাৰ কথা কোৱা নাই।

গোপালকৃষ্ণ : কিন্তু তোৰ বিয়া ঠিক কৰিম মই। তোৰ দেউতাৰ জীয়াই থাকোতে তই চহৰখন ঘূৰি পকি কন্যা বিচাৰিব নালাগে, বুজিলি? গোসাই ঘৰৰ লৰাই এনেকৈ যি কোনো ছোৱালীকে বিয়া নকৰায়।

ৰাজীৱ : যাকে তাকে মানে ? পম্পীৰ অজস্ৰ টকা। আপোনাক দাড়ি সহ গোট মানুহটোক কিনি লব পাৰে , জানে?

গোপালকৃষ্ণ : তোৰ হাত খৰচৰ টকা জোগাৰ কৰোতেই মোৰ দাড়ি সহ মানুহটো বিক্ৰী যোৱাৰ অৱস্থা হৈছে। তোৰ কইনাৰ অজস্ৰ টকাৰে বা কেইদিন চলিব?

ৰাজীৱ : দেউতা, আপুনি কুবেৰৰ বংশধৰ। সাঁচতীয়া টকা আপোনাৰ

যোগ্য বংশধৰক কিঞ্চিত পৰিমাণে দিলেইবা, তাতনো কি ক্ষতি হ'ল। কবলৈ গলে ময়ো ধনীৰ দুলাল, আপোনাৰ আদৰৰ লৰা। তাৰ বাহিৰেও গোস্বামী ঘৰৰ ময়েই প্ৰথম সন্তান যি মাছ নাখায়, তাচ-পাশা নেখেলে। মোৰ বয়সত আপুনি যি পাগলামি কৰিছিল তাৰ চাৰিভাগৰ এভাগো মই কৰা নাই।

গোপালকৃষ্ণ ঃ (চিঞৰি) মনে মনে থাক।

ৰাজীব ঃ বাঃ এতিয়া মনে মনে থাকিব লাগে। এনে গেৰুৱা পোছাক পিন্ধি আৰু দাড়ি ৰাখিয়েই আপুনি জানো সিদিনাৰ ইতিহাস চেপি ৰাখিব পাৰিব ? আপুনি নিজমুখে গদ গদ চিত্তে, চলচলীয়া চকুৰে মোৰ আগত স্বীকাৰ কৰিছে যে - মোৰ স্বৰ্গীয় পিতামহৰ পদাঙ্ক অনুকৰণ কৰি আপুনি ৰীতিমতেই ৰাধাক বিচাৰি যমুনা পাইছিল গৈ।

গোপালকৃষ্ণ ঃ খবৰদাৰ।

ৰাজীৱ ঃ দাঁড়িত হাত থৈ কওকচোন - মিছা কৈছো বুলি। মই যেতিয়া জয়ন্তীৰ প্ৰেমত লেবজান হৈ পাৰিছিলো, তেতিয়া আপুনি মোক নিজেই কৈছিল, এজনী ছোৱালীক ৰাখিবলৈ গৈ আপুনি কিদৰে ভীষণ অসুবিধাত পৰিছিল, তাৰপিছত মোৰ মাতৃদেৱী গৰ্ভধাৰিণী হৈ - হৈ ছে কৰাত কেনেকৈ তেওঁক ভগ্নহৃদয়েৰে বিদায় দি পঠাইছিল।

গোপালকৃষ্ণ ঃ ৰাজু, তই এইবোৰ কি বলকিছ।

ৰাজীৱ ঃ আৰু মনত পৰা নাই আপোনাৰ ? যাক আপুনি মুকুতা মালা পিন্ধাইছিল -

গোপালকৃষ্ণ ঃ মনত আছে, মনত আছে, লাহে লাহে। (বহি) চা - ৰাজু, তোৰ ভালৰ কাৰণেই তোক সকলো কথা খোলাখুলিকৈ কৈছিলো। নাৰীজনিত কেলেঙ্কাৰিত তয়ো যাতে সাঙোৰ খাই নপৰ সেই ভাবিয়েই। মোৰ অভিশপ্ত যৌৱনৰ পৰা শিক্ষালাভ কৰ ৰাজু, পুনৰ গোস্বামী পৰিয়ালৰ নামত কালিমা নেসানিবি।

ৰাজীৱ ঃ আপোনালোকৰ তথা মোৰ কেইজনমান পূৰ্বপুৰুষে যি কালিমা

সানি থৈ গৈছে, মোৰ কৃতকৰ্ম্মই আৰু কি ক'লা কৰিব?

গোপালকৃষ্ণ : ৰাজু, তইতো নাজান, উচ্ছৃঙ্খল জীৱন যাপনৰ পিছত কিযে অৰ্ন্তদহন। বুকুৰ বেদনা।

ৰাজীৱ : সেই দহন আৰু বেদনাৰ মাজলৈ মোক অৰ্থাৎ ৰাজীৱ ৰতন গোস্বামীক নেটানিব। সেইবোৰৰ বহুত উৰ্দ্ধত মই। হব পাৰো মই - গোপালকৃষ্ণ দেৱগোস্বামীৰ তেজ্যপুত্ৰ - চৰী - অযোগ্য পুত্ৰ।

গোপালকৃষ্ণ : তই মোক এনেকৈ অপদস্থ কৰিছ কিয় ৰাজু?

ৰাজীৱ : কি আশ্চৰ্য্য - আপোনাৰ বেলিকা এটা আৰু মোৰ বেলিকা অন্তদৰ্হন, বেদনা। খং নুঠিব নেকি? যি টনা আজোৰাখন কৰি পেলাইছিল, এতিয়া অকণমান অৰ্ন্তদহনত আপোনাৰ আত্মা পুৰি ছাঁই হৈ নাযায়। টনা-আজোৰাৰ কোবত মোৰ মাতৃদেৱী বেচেৰী মৰিও বাচিলে। তেওঁতো আৰু গোস্বামী পৰিয়ালৰ এলাগী বোৱাৰী নাছিল। তেওঁলোক কটকী পুখুৰীৰ শৰ্মা, দুৰ্ব্বল শক্তিহীন। ঘৰৰ নোহোৱাৰ বাবেই বাচিলে। নহলে গোস্বামী পৰিয়ালৰ তুষাৰশুভ্ৰ আত্ম গৰিমাত কলা ছাঁই লাগিলহেতেন!

গোপালকৃষ্ণ : (শিহৰি) হৈছে, হৈছে আৰু নকবি। তই মোক ক্ষমা কৰিব পৰা নাই ৰাজু? সেই পাপৰ প্ৰায়শ্চিত্ততো মই কৰিছো।

ৰাজীৱ : এনে গেৰুৱা ভেশচন ময়ো ধৰিম দেউতা, এতিয়া অলপ ফুৰ্ত্তি কৰি লওঁ, কি কয়?

(গোপালকৃষ্ণ থিয় হ'ল।)

কি হ'ল, হঠাতে চিৰিয়াচ হৈ পৰিল যে। কিয়? কি আচৰিত! অকণমান ধেমালীও কৰিব নোৱাৰো।

গোপালকৃষ্ণ : তই নিষ্ঠুৰ। যি মন যায় কৰ, মই আৰু কোনো দিনেই একো নকওঁ।

ৰাজীৱ : ৰঘুকাইক কৈ দিব, দুপৰীয়া মই ঘৰলৈ নাযাওঁ। নেপাহৰিব আক'।

(গোপালকৃষ্ণই প্ৰস্থান কৰাৰ আগেয়েই পম্পী আৰু প্ৰশান্তই প্ৰৱেশ কৰে।)

পম্পী : ৰাজীৱ, তোমাৰ দেউতাৰা?

ৰাজীৱ : ঠিকেই ধৰিছা, অভগাৰেই পিতৃদেৱ।

পম্পী : চাহ নোখোৱাকৈ যাবলৈ ওলাইছেযে?

ৰাজীৱ : দেউতা। চাহ খাই যোৱাৰ হুকুম হৈছে। কি চাইছে? হয়, এৱেঁই সেই তিলোত্তমা - পম্পী চেতিয়া।

পম্পী : (নমস্কাৰ কৰি) আপোনাৰ কথা বহুত শুনিছো ৰাজীৱৰ পৰা। আপোনাক তেওঁ সঁচাকৈয়ে ভাল পায়।

গোপালকৃষ্ণ : তোমাৰ কথাও মই শুনিছো - মাজনী, ৰাজীৱৰ মুখৰ পৰা।

পম্পী : এক মিনিট ৰওক। (দুৱাৰৰ ওচৰলৈ গৈ) মা, সোনকালে আহা। (হেমাঙ্গিনী বাহিৰলৈ আহিয়েই থমকি ৰয়। গোপাল কৃষ্ণক তেওঁ যেন চিনি পাইছে।)
মা, এখেতেই হল এই ঠাইৰ সকলোতকৈ জ্যেষ্ঠ বাসিন্দা আৰু ইয়াৰ উন্নয়ন সমিতিৰ প্ৰতিষ্ঠাতা - ৰাজীৱৰ

হেমাঙ্গিনী : কৃষ্ণদা। (ক্ষিপ্ৰগতিৰে হেমাঙ্গিনী গোপালকৃষ্ণৰ ওচৰ পাইহি আৰু বলিষ্ঠ হাতেৰে তেওঁৰ হাত চেপি ধৰিলে।)
দাড়ি ৰাখি গেৰুৱা বৰণ পৰিধান কৰি - এইবোৰ কি কৰিছা - কৃষ্ণদা? চিনি পোৱা নাই? সেই যে তেজপুৰৰ পদুম পুখুৰীৰ ওচৰৰ ঘৰটোত আছিলো। এয়া সত্যেন - সঞ্জু - মনত পৰা নাই?

গোপালকৃষ্ণ : নাই, ক'তা, মানে, আৰু ....

হেমাঙ্গিনী : আচৰিত। তেজপুৰৰ ধনীৰাম মিঠাইৱালাৰ ঘৰত তোমাক যে গান শুনাইছিলো। "ইমান ধুনীয়া মুকুতাৰ মালা"। তুমি দিয়া মুকুতাৰ মালা দাল কিন্তু এতিয়াও সযত্নে ৰাখিছো বাকচৰ ভিতৰত।

গোপালকৃষ্ণ : (চকু দুটা মুদি মনত পেলাবলৈ চেষ্টা কৰি) কোন? মানে - নয়নতৰা।

হেমাঙ্গিনী : (ইঙ্গিত দি চেপা মাতেৰে) চুপ। নয়নতৰা নহয় হেমাঙ্গিনী চেতিয়া। মোৰ ছোৱালী এজনী আছে নহয়?
(পোহৰৰ পৰিবৰ্ত্তন। সময় সন্ধ্যা একেই দৃশ্য। বেতৰ টেবুলত চাহৰ সৰঞ্জাম দেখা গৈছে। হেমাঙ্গিনীয়ে কিবা এটা লিখিছিল। ৰাজীৱে পৰিশ্ৰান্ত হৈ টেবুলৰ কাষত গা ঘেলাই বোধকৰো হেমাঙ্গিনী

চেতিয়াৰ দেহ সৌষ্ঠৱ লক্ষ্য কৰি আছে।)

হেমাঙ্গিনী ঃ আৰু কাক কোৱা যায়?

ৰাজীৱ ঃ আৰুতো বাকী থাকিল মোৰ দেউতাৰ পিতা।।

হেমাঙ্গিনী ঃ মানে?

ৰাজীৱ ঃ মানে মোৰ দেউতা।

হেমাঙ্গিনী ঃ কৃষ্ণদাকতো কমেই। আৰু কোন?

ৰাজীৱ ঃ আৰু কাৰো নামতো মনত পৰা নাই।

হেমাঙ্গিনী ঃ সেইতো কেনে কথা? ভদ্ৰলোক বুলিবলৈ গোটেই চহৰৰ মাত্ৰ এই চাৰিজন লোক?

ৰাজীৱ ঃ হয়। তাকো ভদ্ৰলোক বুলিলে যি বুজায় - সেই অৰ্থৰ ভিতৰত এওঁলোক নপৰে।

হেমাঙ্গিনী ঃ ঠাট্টা মস্কৰা এৰা। পম্পীজনী আকৌ কলৈ যে গ'ল! আন্ধাৰ হলেই দেখোন।

ৰাজীৱ ঃ তেনেহলে - অন্ধকাৰ নহলে ওলাই যোৱাৰ আমেজ ক'ত?

হেমাঙ্গিনী ঃ ফুৰা-চকা কৰাত যে কিমান আমেজ আছে - সেইটো বুজি নাপালো। পম্পীয়ে ইয়াত সময় কটায় কেনেকৈ?

(এই বুলি কৈ হেমাঙ্গিনী লাইটটো জ্বলায় দিলে। ফিৰি আহি তেওঁ পুনৰ নিমন্ত্ৰণৰ তালিকাত মনোনিবেশ কৰে।)

ৰাজীৱ ঃ (কাহি, তাৰ পিছত হাঁহি) আপুনি ভুল কৰিছে মিছেছ চেতিয়া মোৰ কোৱাৰ অভিপ্ৰায় অন্য আছিল।

হেমাঙ্গিনী ঃ (মুখ তুলি) কি আছিল?

ৰাজীৱ ঃ আপোনাক অপমান কৰাৰ ইচ্ছা মোৰ নাছিল। মানে মই সুধিব খুজিছিলো - মানে ইয়াকেই সমাজৰ ৰীতি বুলি কয় - মানে পম্পীৰ ভবিষ্যৎ - অৰ্থাৎ পম্পীক মই বিয়া কৰাব খোজো।

হেমাঙ্গিনী ঃ (কিছু সময় স্তম্ভিত হৈ) তোমাৰ স্পৰ্দ্ধাও দেখিছো কম নহয়। মোৰ ছোৱালীক বিয়া কৰাবা? নিৰ্লজ্জ - পিতৃ মাতৃৰ দ্বাৰা পৰিত্যক্ত, বিতাৰিত - বেকাৰ। কৈ দিছো তোমাক - মোৰ ছোৱালীক

কোনোবা দিনা এইবোৰ কথা কোৱা বুলি শুনিলে তোমাৰ কাণ চিঙি পেলাম। মনত ৰাখিবা।

(কথা কৈ কৈ সত্যেন আৰু গোপালকৃষ্ণৰ প্ৰৱেশ কৰে।)

গোপালকৃষ্ণ ঃ আগৰ সেই চহৰ আৰু নাই বুজিলেতো। টকাই সকলোৰে মূল হৈ উঠিছে।

হেমাঙ্গিনী ঃ কলৈ গৈছিলা তোমালোক? প্ৰশান্তদা আৰু পম্পীয়েই বা ক'ত?

সত্যেন ঃ ওলাই গৈছে। আমি উভতি আহিলো, ভাগৰ লাগি গল। পাহাৰীয়া ৰাস্তাতো।

হেমাঙ্গিনী ঃ ৰাতি হৈছে, মোক নোকোৱাকৈ এইদৰে যেনিয়েই পাইছা-তেনিয়েই ঘূৰি ফুৰিছা ... পম্পীজনী বৰ অবাধ্য। দেউতাৰা থিয় হৈ আছে, চকীখন এৰি দিয়া ৰাজীব। একেবাৰেই ভদ্ৰতা শিকা নাই দেখিছো।

(ৰাজীৱ বহাৰ পৰা উঠি আৰু এখন চকী সংগ্ৰহ কৰি দি বহে, কিবা যেন উদাস লাগিছে, ক'ৰবাত আঘাত পোৱা যেন বোধ হয়, হেমাঙ্গিনীয়ে সেইটো লক্ষ্য কৰে।)

ইয়াত আহি বহাহি না। (ৰাজীৱে মূৰ লৰায়।) সঞ্জু ৰাতি ক'ত থাকিবা? ইয়াত ঠাই নাই। প্ৰশান্তদাই বা কি কৰিব ভাবি পোৱা নাই।

সত্যেন ঃ হৈছে হৈছে। নিমন্ত্ৰণ কৰি আনি এতিয়া মোকেই প্ৰশ্ন কৰিছা - ক'ত শুম?

হেমাঙ্গিনী ঃ ঘৰটো যে ইমান সৰু জনাই নাছিলো। দুটা মাত্ৰ বেডৰুম - এটা মোৰ এটা পম্পীৰ।

সত্যেন ঃ ড্ৰয়িং ৰুমতে শুম তেনেহলে।

হেমাঙ্গিনী ঃ সেইটো কেনেকৈ হব? মানে - তুমি আলহী .... তাতে দুজন ...... মই অকলশৰীয়া .... অৰ্থাৎ

সত্যেন ঃ বুজিছো। নাভাবিবা। গোপালকৃষ্ণৰ ঘৰলৈকে যাম।

হেমাঙ্গিনী ঃ আহিয়েই ঠিক কৰি ৰাখিছা? তেনেহলে ইমান সময় বৈ আছা কিয় - যোৱা নাই কিয়? আৰু প্ৰশান্তদাই কাৰ চকুৰ জুতি লব?

সত্যেন ঃ কোনে জানে? বাগিচাতেই পৰি থাকিব পাৰে। কি কয় - ঘৰটো মোৰ ডাঙৰেই ....

গোপালকৃষ্ণ ঃ হলেও গোসাই মহন্তৰ ঘৰৰ এটা সামাজিক প্ৰতিষ্ঠা আছে, তাৰ উপৰিও "হিন্দু পুনঃ অভ্যুত্থান সমিতি"ৰ মই সভাপতি। যি মন যায় তাকে কৰিব নোৱাৰো নহয় -। হেৰি নহয় - প্ৰশান্ত দুৰৰাৰ কাৰণে কি ব্যৱস্থা কৰা যায়?

হেমাঙ্গিনী ঃ তেওঁৰ কাৰণে চিন্তা নাই - ডাঙৰ ইণ্ডাষ্ট্ৰিয়েলিষ্ট .... তাৰ উপৰিও কয়লাৰ বিজনেচ আছে। কি যে এইবোৰ তোমালোকৰ ঢং বুজি নাপাওঁ।

ৰাজীৱ ঃ হয়, তেখেত বৰ ওপৰ খাপৰ মানুহ - দেউতা। দৈনিক এবাৰ হলেও দিছপুৰলৈ গৈ জনতা ভৱনত মন্ত্ৰীবৰ্গক দেখা কৰে আৰু বেলতলাৰ ৰজাৰ পুতেক মৃদুপৱন চৌধুৰী হেনো তেখেতৰ শালপতি হয়।

(তৎপৰতাৰে চকুৰ ইঙ্গিত দি হেমাঙ্গিনী চেতিয়াই কৰিবলৈ বিচৰা প্ৰতিবাদে স্তব্ধ কৰি দিয়ে, হেমাই বুজিপায় ; মুখত হাঁহি বিৰিঙি উঠে।)

গোপালকৃষ্ণ ঃ তেখেতে মোৰ আতিথ্য গ্ৰহণ কৰিলে মই বাধিত হম। ৰাজৰ লগত তেখেতৰ ঘনিষ্ঠতা নিশ্চয় আছে।

ৰাজীৱ ঃ ঘনিষ্ঠতা মানে? হৰিহৰ আত্মা। মাৰ ডাঙৰ ৰুমটো তেনেহলে প্ৰশান্তদাক এৰি দিয়ক।

হেমাঙ্গিনী ঃ ৰক্ষা পৰিলো। এতিয়া পম্পীহত সোনকালে আহিলেই খাই লব পাৰি, কাৰণ সোনকালে খোৱাটো মোৰ অভ্যাস। (ঘড়ীটোলৈ চাই) ইমান সময় কৰিছে কি? আঁকৰী, ছোৱালীজনীক আৰু চম্ভলাটো টান হৈ পৰিছে।

সত্যেন ঃ তোমাৰ কি হল? তেওঁলোকে কি এনে কাম কৰিছে?

(সত্যেনৰ কথাৰ অৰ্থ বুজি হেমাঙ্গিনী অধিক বিৰক্ত হৈ সজোৰে কয়।)

হেমাঙ্গিনী : মোৰ এইবোৰ ভাল নালাগে।

ৰাজীৱ : সোনকালে খোৱাৰ অভ্যাস থাকিলে অপেক্ষা নকৰিব। এৰ্বাল ছিঙা গৰু সোনকালেই গোহালিলৈ উভতি নাহে। পম্পীৰ লগত জ্যোৎস্না প্লাৱিত উপত্যকাৰ ভ্ৰমণত যে কি অনিৰ্বচনীয় আনন্দ সেইটো মইহে জানো।

(এটা মুহূৰ্ত্ত সকলো মৌন হৈ ৰল। তাৰ পিছত সকলোৱেই কিবা কবলৈ আৰম্ভ কৰে। সকলোকে স্তব্ধ কৰি সত্যেনে শঙ্কিত কণ্ঠৰে কৈ উঠে।)

সত্যেন : এৰাল ছিঙা গৰু বুলি কাক কৈছা?

গোপলকৃষ্ণ : (থিয় হৈ, অপমানত তেওঁৰ শিষ্টাচাৰ আদি অৱনমিত হৈ পৰিছে, উদ্বিগ্ন কণ্ঠৰে ৰাজীৱক) তোৰ কাৰণে মই লোক সমাজত মুখ উলিয়াব নোৱাৰিম নেকি?

ৰাজীৱ : আড্ডাত যেনেকৈ মছগুল হৈছিল, এনে ধৰণৰ বাক্যবাণ নেৰিলে - মোৰ কথাটো দেখোন তল পৰিয়েই ৰ'লহেতেন।

গোপালকৃষ্ণ : মনে মনে থাক, নিৰ্বোধ অবাধ্য পাষণ্ড।

(ৰাজীৱে মিছিকিয়াই হাঁহে, হেমাঙ্গিনী চেতিয়া থিয় হয়।)

হেমাঙ্গিনী : কি কথা? কি কথা তল পৰাৰ কথা কৈছা?

গোপালকৃষ্ণ : একো নহয় - মিছেহু চেতিয়া! আজি গোটেই দিনটো সি মোক জ্বলাই মাৰিছে আপোনাৰ ছোৱালীৰ লগত তাৰ বিয়াৰ প্ৰস্তাৱটো আপোনালোকৰ আগত উত্থাপন কৰিব লাগে। আপুনি নিজৰ মুখৰেই এই বান্দৰটোক কৈ দিয়ক এই বিয়া অসম্ভৱ।

সত্যেন : অসম্ভৱেইতো। এনে কথা ভাবিবই নোৱাৰি। (হেমাঙ্গিনীয়ে ইমান সময় ৰাজীৱৰ ম্লান মুখৰ প্ৰতি লক্ষ্য কৰি আছিল।)

ৰাজীৱ : (হেমাঙ্গিনী) কওক, হুকুম হৈছে, নিজ মুখেৰেই কওক।

হেমাঙ্গিনী : কৃষ্ণদা, কি কম ভাবি পোৱা নাই। পম্পীকতো এদিন বিয়া দি উলিয়াই দিবই লাগিব, গোটেই জীৱনটো ঘৰ বুঢ়ী কৰি ৰাখিলে নচলিব, নহয় জানো? সেয়ে .....

গোপালকৃষ্ণ ঃ কি কৈছে আপুনি? আপোনাৰ ছোৱালীৰ লগত মোৰ লৰাৰ বিয়া। অসম্ভৱ। মই মত নিদিও।

সত্যেন ঃ কিয় দিব মত? বুৰ্ব্বকামী নকৰিবা হেমা।

হেমাঙ্গিনী ঃ বুৰ্ব্বকামী মানে? মোৰ ছোৱালী আপোনাৰ লৰাৰ পত্নী হব নোৱাৰে। কিহত কম তাই?

গোপালকৃষ্ণ ঃ সেই বিলাক আপুনি ভালদৰেই জানে।

হেমাঙ্গিনী ঃ মই একো নাজানো। নিজে সকলো জনা হৈ বহি আছে, কওক লৰাক, কিয় এই বিয়া হব নোৱাৰে। বংশ টংশৰতো কথা হব নোৱাৰে, মোৰ ছোৱালীক পালে আপোনালোকে স্বৰ্গ ঢুকি পাব। আপোনাৰ লৰাক যদি বুজাব নোৱাৰে, তেনেহলে আপোনাৰ সেই সমিতিৰ ওচৰলৈ গৈ কওক।

গোপালকৃষ্ণ ঃ (হতাশ হৈ চকীত বহি) আপুনি খুব ভালদৰে জানা যে এইবোৰ কথা কাকোকে কব নোৱাৰি। কিন্তু এই বিয়া মই হবলৈ নিদিও। এইখিনি কলেই মোৰ সুপুত্ৰই বুজা উচিত। মোৰ কথাৰ নিশ্চয় যুক্তি আছে।

ৰাজীৱ ঃ নিশ্চয় আছে। কিন্তু আপোনাৰ যুক্তি শুনি আজি পৰ্য্যন্ত আপোনাৰ সুপুত্ৰই কি কামটো কৰিছে?

সত্যেন ঃ (উঠি, বাগানৰ ফালে গতি কৰে) এই বিয়া আমি হবলৈ নিদিও, বচ্।

হেমাঙ্গিনী ঃ (উচ্চস্বৰে) তুমি ইমান লম্ফ জম্ফ কৰিছা কিয়? তোমাৰ কি আহে যায়?

ৰাজীৱ ঃ সেই প্ৰশ্নটো ময়ো কৰিব খুজিছিলো - আপুনি বাজিছে কিয়?

সত্যেন ঃ (হেমাক) বিয়া এনেকৈ নহয় - অন্ততঃ ভদ্ৰ সমাজত। বয়সৰ পাৰ্থক্য মাথোন ছমাহ। তাৰোপৰি পাত্ৰৰ কাম কাজ একো নাই, টকা পইচাৰ ঘৰতো শূন্য। দেউতাক ইয়াতেই বহি আছে, সুধি লোৱা, গোস্বামীদেৱৰ সম্পত্তি তেওঁ পাবনে নাপায়। কোৱানা গোসাই -

গোপালকৃষ্ণ ঃ এটা পইচাও নাপায়। তাৰ নামত বেঙ্কত যি টকা পইচা ৰাখিছিলো, সি সকলো উৰুৱাইছে। এটা ফুটা কড়ি আৰু নিদিও। মাটি বাৰী যি আছিল সকলোবোৰ "হিন্দু পুণৰভ্যুত্থান সমিতি"ৰ নামত লিখা পঢ়া কৰি দিছো।

(হেমাঙ্গিনী চেতিয়াৰ চুন পৰা মুখৰ অভিব্যক্তি দেখি - সত্যেন সুখী হয় আৰু ৰাজীৱ উদ্বিগ্ন হৈ উঠে।)

সত্যেন ঃ (বহি বহি) শুনিলাতো? মই নকৈছিলো?

ৰাজীৱ ঃ (আবেদন কৰি) চাওক, আপোনাৰ ছোৱালী চেয়াৰ মাৰ্কেটৰ দলিল নহয়। টকা লৈ বেচা কিনাৰ কথা কিয় উঠিছে? যদি আমাৰ মাজত ভালপোৱা গঢ়ি উঠে -

সত্যেন ঃ (মুখ বিকৃত কৰি) ভালপোৱা। সেইবোৰ আমাৰ সমাজত নচলে, ভালপোৱাক লৈ লগৰীয়াৰ মাজত আড্ডা জমাব পাৰা, কিন্তু নিজৰ বিয়াৰ ঘটকালি কৰটো এতিয়াও এই দেশত অচল, বুজিলা?

ৰাজীৱ ঃ ঘটকালিতো দেউতাই কৰিছে।

গোপালকৃষ্ণ ঃ নাই, মই কৰা নাই।

ৰাজীৱ ঃ (হাত জোৰ কৰি) চাওক মিছেছ চেতিয়া, মই আপোনাৰ অনুমতি বিচাৰিছো। মই পম্পীক ভালপাওঁ -

হেমাঙ্গিনী ঃ মিছা কথা। ভালপোৱা কি এনে সস্তা বস্তু - যেতিয়াই মন যায় - কিনি নিজৰ কৰি লব পাৰি। খোৱা বোৱাৰেই যাৰ সংস্থান নাই সি বিয়াৰ কথা কয় কোন খন মুখেৰে?

ৰাজীৱ ঃ আপুনি কি কয়, দেউতা?

গোপালকৃষ্ণ ঃ বিয়া নহব।

ৰাজীৱ ঃ বিশিষ্ট চাহ মালিকেতো তেখেতৰ মতামত আগতেই দি বহি আছে।

সত্যেন ঃ (খঙৰে) চোৱা ডেকা লৰা, পাগলামী কৰিলে বিপদত পৰিবা।

ৰাজীৱ ঃ হায়ৰাণ হৈছে, চলিহা ডাঙৰীয়া? অলপ আগেয়ে আপুনি হঠাৎ মোৰ বোপাই সাজি অযাচিত ভাবে উপদেশ দিছিল। এজন বোপাইকে পৰা নাই আৰু দুজন বোপাইক কেনেকৈ চম্ভালো?

সত্যেন : (এনেভাবে ক্ষুব্ধ হয় যে, অলপ সময় মুখৰ পৰা কথা বাহিৰ হোৱা নাছিল তাৰপিছত চিঞৰি) আজিকালিৰ ল'ৰা বোৰ ইমান উদণ্ড হৈছে। শিক্ষা, ভদ্ৰতা সকলো লোপ পাইছে, সুহুৰি বজাই ছোৱালীৰ পিছে পিছে ঘুৰে। দেশখনক সেইচাম ডেকাই লণ্ডন বুলি ভাবিছে।

ৰাজীৱ : (মুখৰ বিষাদপূৰ্ণ হাঁহি) ইংলণ্ডত জানো হাতযোৰ কৰি অনুমতি বিচাৰি অপমানিত হম - চলিহা ডাঙৰীয়া? পম্পীক হাতত ধৰি নিমিষতে অদৃশ্য হৈ গলোহেতেন। সি যিকি নহওক আপোনালোক পাঁচজন আছে, ভাবিছিলো মোৰ বক্তব্যটো বুজিবলৈ অন্ততঃ আপোনালোকে চেষ্টা কৰিব। আপোনালোকেতো চিৰিয়াচলি নুশুনিলেই।

(তেওঁলোকৰ চকুৰ কোণত চকুপানী বিৰিঙি উঠে। সি আবৃত্তি কৰে-) '...... মই ক'ত আছো, কিমান দূৰত দীপহীন/ জীৰ্ণসিন্ন অৱসাদ পুৰত/ ভগ্নগৃহত, সহস্ৰৰ ভ্ৰূকুটিৰ তলত কুব্জপৃষ্ঠীত নতশিৰত/ সহস্ত্ৰৰ পিছত/ চলি আছো প্ৰভুত্বৰ তৰ্জনী সংকেতত/ কটাক্ষত কঁপনি/ লৈছো শিৰ পাতি/ সহস্ৰ শাসন শাস্ত্ৰ ....', হেমাঙ্গিনীয়ে মুখ টিপি হাঁহিলে। ম্লান মুখেৰে ৰাজীৱ গৈ এটা কোণত মনে মনে বহি পৰিল।

গোপালকৃষ্ণ : তাৰ মুৰ গৰম। মাজে মাজে কিবোৰ যে পাগলামি বকে বুজিলা সঞ্জু।

সত্যেন : চিকিৎসা নকৰোৱা কিয়?

(পম্পী আৰু প্ৰশান্ত কথা কৈ কৈ সোমাই আহে।)

হেমাঙ্গিনী : কলৈ গৈছিলি পম্পী?

পম্পী : ফুৰিবলৈ।

হেমাঙ্গিনী : এনেকৈ নোকোৱাকৈ গলি কিয়? ইয়াত আমি চিন্তাত মৰিছো। সন্ধ্যা লাগি কেতিয়াবাই পাৰ হ'ল।

পম্পী : (মাকৰ কথাৰ প্ৰতি ভ্ৰূক্ষেপ নকৰি দুৱাৰৰ ওচৰলৈ গৈ) এতিয়া ডিনাৰৰ পৰ্ব্বটো সমাপ্ত কৰিব লাগিব। টেবুলখন বৰ সৰু।

হেমাঙ্গিনী ঃ কি কৈছিলো কাণত সোমাল?

পম্পী ঃ ভালদৰে সোমাইছে মা। আমি কেইজন? এক, দুই, তিনি, চাৰি, পাচ, ছয়। চুৰি কাটাৰে চাৰিজনে খাব পাৰিব। গতিকে দুজনে পিছত খাব লাগিব।

প্ৰশান্ত ঃ মই অপেক্ষা কৰিব পাৰো, মোৰ -

পম্পী ঃ নাই, আপুনি অপেক্ষা কৰিলে নচলিব, ইমান খোজ কাঢ়ি আপোনাৰ ভোক লাগিছে নিশ্চয়। অপেক্ষা কৰিম মই আৰু এজন লাগে। ৰাজীৱ তোমাৰ ভোক লাগিছে?

ৰাজীৱ ঃ (মূৰ লৰাই) নাই।

হেমাঙ্গিনী ঃ সঞ্জু, তোমাৰ ভোক তোক লগা নাই নিশ্চয়। তুমি বহা।

সত্যেন ঃ চৰী, সেই চাৰি বজাতেই যি চাহ খোৱা। পেটত জুই জ্বলিছে।

গোপালকৃষ্ণ ঃ বহকনা।

ৰাজীৱ ঃ হতভগা পিতৃক লঘোনে ভোকে ৰাখিব নোৱাৰো।

গোপালকৃষ্ণ ঃ তোক মোৰ হৈ ওকালতি কৰিবলৈ কোনে কৈছে। সঞ্জুদা, মোৰ বহাত আপত্তি নাই। তাৰ বাহিৰেও —

পম্পী ঃ (মৃদু সুৰত) তাৰ আৱশ্যক নহব। মই আৰু ৰাজীৱে পিছত খাম। আপোনালোক ভিতৰলৈ যাওক। আব্দুল -
(আলধৰা আহি ওচৰত থিয় হয়হি। পম্পীয়ে তাক নৈশ ভোজন সম্পৰ্কে নানা নিৰ্দ্দেশ দিয়ে। সকলো উঠিছিলেই, হেমাঙ্গিনীয়ে সকলোৰে মুখৰ ফালে এবাৰ অসহায় দৃষ্টি নিক্ষেপ কৰি বুজাবলৈ চেষ্টা কৰে যে পম্পী আৰু ৰাজীৱ যে একেলগে থাকিব সেইটো তেওঁৰ ভাল লগা নাই।)
যাওক ভিতৰলৈ। (সকলোৱে প্ৰস্থান কৰে। আব্দুলে - চুপ লৈ আছে। আব্দুল গুচি যোৱাত পম্পী আহি ৰাজীৱৰ ওচৰত বহে।)

পম্পী ঃ তুমি সকলো সময়তে দেউতাৰাৰ লগত কিয় কাজিয়া কৰা?

ৰাজীৱ ঃ (ম্লান হাঁহি) কাজিয়া কৰিলেও মানুহজনক মোৰ ভাল লাগে। বাহিৰত যিয়েই নহওক লাগিলে অন্তৰখন কিন্তু ভাল। (অলপ

নীৰৱে থাকে) শহুৰ হিচাপে বেয়া নহব।

পম্পী ঃ (গম্ভীৰ হৈ) বোৱাৰী ঠিক নকৰাকৈ যে শহুৰৰ চাৰ্টিফিকেট দিলা? মায়ে তেওঁৰ বিচিত্ৰ বন্ধু বান্ধবৰ লগত কোনো ধৰণৰ আত্মীয়তা গঢ়ি তোলাৰ মই কিন্তু পক্ষপাতী নহয়।
(ৰাজীৱে ম্লান হাঁহি মাৰি নীৰৱ হৈ ৰয়। পম্পীয়ে সেইটো লক্ষ্য কৰে।) মোৰ মাক পছন্দ হৈছে?

ৰাজীৱ ঃ খুব। কিন্তু সেই চাহমালিক চলিহাজন! উঃ!

পম্পী ঃ সঁচাই ৰাজীৱ, কি যে এসোপা জোঁটাই লৈছে মায়ে।

ৰাজীৱ ঃ এপাল গৰু।

পম্পী ঃ জৰদগবৰ নিচিনাকৈ খাই উঠিছে আৰু খাবলৈ বহিছে, ইয়াৰ বাহিৰে আৰু কাম নাই। এনে হলে ডিণ্ডিত কলহ বান্ধি মই কিন্তু পুখুৰীত জাপ দিম।

ৰাজীৱ ঃ কামতো নায়েই। সেইটো তেনে একো নহয়, ডাঙৰ মানুহে কদাচিতহে কাম কৰে? মোৰ খং উঠে পেট দেখিলে। ঢোলৰ নিচিনা পেট দেখিলেই এটা ঘোঁচা মাৰিবৰ ইচ্ছা হয়।

পম্পী ঃ কাম নকৰে কাৰণেতো পেটুৱা হয়। তুমিয়ো কামকাজৰ ওচৰ সীমালৈ নেযোৱা। দেখিবা কিন্তু অলপ বয়স হলেই সত্যেন চলিহাৰ নিচিনাকৈ তোমাৰো দীঘল পেট ওলমি পৰিব।

ৰাজীৱ ঃ ভয় নেখাবা। খোলা তৰোৱালৰ নিচিনা চেহেৰা হৈ থাকিব চিৰদিন। (বিষাদৰ হাঁহি মাৰি পম্পীৰ হাতত ধৰিবলৈ চেষ্টা কৰে।) মোক নকবা ৰাধা। হৃদয়ত মোৰ ঝুনুক ঝুনুক পায়ল বাজে।

পম্পী ঃ (চৰ মাৰি হাত এৰুৱাই দি) সকলো সময়ত এইবোৰ ভাল নালাগে।

ৰাজীৱ ঃ দয়া কৰি নেৰিবা মোক।

পম্পী ঃ বি চিৰিয়াচ্। সকলো সময়তে ভেঙুচালি নকৰিবা।

ৰাজীৱ ঃ ঠিক আছে সেয়ে হওক। চিৰিয়াচেই হোৱা যাওক। আপুনি জানে জানো মিছ্ চেতিয়া, পৃথিবীৰ শ্ৰেষ্ঠ মনস্তাত্ত্বিক সকল আজি এই বিষয়ত একমত হৈছে যে অতৃপ্ত যৌন ক্ষুধাই সভ্যতাৰ সংকটৰ

একমাত্র কাৰণ। অৱচেতন মনৰ খিড়িকি খুলি, বিকাৰহীন সুস্থ মানুহ সৃষ্টি কৰিবলৈ হলে লাগিব সৰুকালতেই অন্তৰৰ ক্ষুধা তৃপ্ত কৰাৰ সুযোগ।

পম্পী : তুমি খুব বাজে কথা কোৱা। (দুৱাৰৰ ওচৰলৈ গৈ) তাত ৰাজীৱৰ কাৰণে ঠাই হব? তেওঁ ভোকৰ কথা কৈছে।

হেমাঙ্গিনী : (কটাক্ষ দৃষ্টিৰে) হবতো, বহুতো জেগা আছে, আহিবলৈ ক না।

পম্পী : ঘোৱা। হৃদয়ৰ ক্ষুধা পূৰণ কৰাগৈ।

ৰাজীৱ : (যোৱাৰ পথত) এদিন ইয়াৰ পোতক তুলিমেই।

হেমাঙ্গিনী : (ভিতৰৰ পৰা) আমাৰ হৈ গৈছে, পম্পী তয়ো আহ।

(পম্পীৰ প্ৰস্থান। পিছমুহূৰ্ত্ততে হেমাঙ্গিনী চেতিয়া আৰু সত্যেন বাহিৰলৈ আহে।)

হেমাঙ্গিনী : ই কি সঞ্জু, তুমি দেখোন একো নেখালাই।

সত্যেন : (গোমোঠা মনৰে) খাইছো।

হেমাঙ্গিনী : সঁচাই আব্দুলটোৱে ৰন্ধা বঢ়া পাহৰি গৈছে। মাংসৰ টেষ্টোৱেই বা কি কৰি পেলালে। আহা ইয়াতেই বহা যাওক। বেছ ঠাণ্ডা পৰিছে।

সত্যেন : শুন, সেই লৰাটোক লিফ্‌ট দিছা কিয়? ডিঙিত ধৰি বাহিৰ কৰি দিয়া উচিত।

হেমাঙ্গিনী : (লগে লগেই সত্যেনক আক্ৰমণ কৰিলে) চোৱা সঞ্জু, এইবোৰ কৈ লুকুৱাব নোৱাৰিবা। পম্পীৰ ফালে গোটেই দিনটো এনেকৈ চাই আছিলা কিয়? তোমাক মই চিনি নেপাও? আৰু তোমাৰ চাৱনিটোৰ অৰ্থও মই ভালদৰে বুজি পাও। কি উদ্দেশ্য তোমাৰ?

সত্যেন : কি আচৰিত। তাই ফালে চাবও নোৱাৰিম!

হেমাঙ্গিনী : কোনো ধৰণে যদি বদমাইচি কৰিছা সঞ্জু তেনেহলে সঁচাই কৈছো ডিঙিত ধৰি তোমাকেই এই ঘৰৰ পৰা বাহিৰ কৰি দিম। মোৰ ছোৱালীৰ কেঞা আঙুলিৰ যোগ্যও তুমি নোহোৱা। ৰাজীৱৰ পা-পইচা নাথাকিব পাৰে, কিন্তু তোমাৰতো চৰিত্ৰই নাই।

সত্যেন : এজনী ছোৱালীক দেখি মোৰ লোভ লাগিব নোৱাৰেনে কি?

হেমাঙ্গিনী ঃ নাই, নোৱাৰে। তোমাৰ ভাল লগা মানে ছোৱালীজনীৰ সৰ্ব্বনাশ কৰি বজাৰত এৰি দিয়া।

সত্যেন ঃ পম্পীৰ বয়স কিমান?

হেমাঙ্গিনী ঃ নকও।

সত্যেন ঃ তাইৰ দেউতাক কোন?

হেমাঙ্গিনী ঃ নকও।

সত্যেন ঃ এইবোৰ লুকাচুৰি খেলিছা কিয়?

হেমাঙ্গিনী ঃ ভাল কৰিছো।

সত্যেন ঃ চোৱা, মোৰ এতিয়াও পঞ্চাশ পাৰ হোৱা নাই। মাটিবাৰী বহু খিনি হাত চাৰা হলেও, এক শকত পৰিমাণৰ নগদ ধন কিন্তু জমাব পাৰিছো।

হেমাঙ্গিনী ঃ নগদ ধন নজমিবনে? কুবেৰৰ বৰপুত্ৰ।

সত্যেন ঃ টকা পইচা জমিলেও সমাজত ৰত্নপুৰৰ চাহবাগিচাৰ মালিকৰ লৰাৰ ছোৱালীক বেঙ্ক বেলেঞ্চৰ প্ৰমাণ পত্ৰ দিয়াৰ কোনোদিনেই দৰকাৰ হোৱা নাছিল। এনে পাত্ৰ ৰাস্তায় ঘাটে মূৰ আফালি ফুৰিলেও নাপাবা। তোমাক শাহু বুলি কোন ভদ্ৰলোকে স্বীকাৰ কৰিব পাৰিব বুলি ভাবিছা?

হেমাঙ্গিনী ঃ তোমাৰ নিচিনা ভদ্ৰলোকক জোঁৱাই বুলি মই স্বীকাৰ কৰিম বুলি ভাবিছানে কি?

সত্যেন ঃ ইমান গৰম হৈ উঠিছা কিয়? ঠাণ্ডা মগজেৰে ভাবি চোৱা, তিনিওজনে আমি বেছ সুখেৰেই বাকী দিনবোৰ কটাই দিম। আমাৰ আৰু কিমান দিন? তাৰ পিছত টকা পইচা, মান ইজ্জত চব তোমাৰ ছোৱালীৰেই হব। কৃষ্ণ গোসাইৰ লগত ফুৰি ফুৰি মই এই কথাই ভাবিছিলো।

হেমাঙ্গিনী ঃ (তীব্ৰ ঘৃণা সহকাৰে) আৰু কি ভাবিবা? আৰু কি কথা চিন্তা কৰিব পাৰা তুমি?

(সত্যেন থমকি থিয় হৈ ৰল। কিছু সময় দুয়োজনে স্থিৰ দৃষ্টিৰে পৰস্পৰক নিৰীক্ষণ কৰে, সত্যেনৰ মুখত কামুক হাঁহি।)

সত্যেন ঃ (হঠাৎ গহীন হৈ কথাত অত্যন্ত গুৰুত্ব দি) শুনা হেমাঙ্গিনী। মোৰ ওচৰত সেইবোৰ সতী সাবিত্ৰী সাজি লাভ নাই, তুমিও জানা, ময়ো জানো - তুমি কি বস্তু। ভালকৈ ভাবি চোৱা, মোৰ এটা কথাত সকলো ওলট পালট হৈ যাব পাৰে জানা। ছোৱালীজনীক যে এইদৰে দূৰে দূৰে ৰাখিছা, এই চহৰত এবাৰ তোমাৰ কীৰ্ত্তিকলাপ যদি ফাদিল কৰি দিও, তাইৰ অৱস্থা কি হ'ব? তেতিয়া পাত্ৰ চাই বাচ বিচাৰ কৰাতো দূৰৰ কথা, ছোৱালীজনীৰ গোটেই জীৱনটো বিষময় হৈ উঠিব। অনুমান কৰিব পাৰিছা - মোৰ কাৰণেই জানো ছোৱালীজনীৰ সৰ্ব্বনাশ নঘটিব।

(অৰ্দ্ধ শঙ্কা, অৰ্দ্ধঘৃণাত জৰ্জ্জৰিত হেমাঙ্গিনী চেতিয়াৰ মুখৰ পৰা কথা ওলাই নাহিল।)

মূৰ্খামি নকৰিবা। যদি ইচ্ছা কৰা বিয়াৰ দিনা এখন শকত পৰিমাণৰ ধনৰ চেকো পাই যাব পাৰা।

হেমাঙ্গিনী ঃ (অলপ সময় নীৰৱে থাকি) শেষত শনিৰ পাল্লাতেই পৰিলো। কিমান ছোৱালীৰ জীৱন ধ্বংস কৰিলা হিচাব নাই, এতিয়া টকাৰ জোৰত মোৰ ছোৱালীকো হাত কৰিব খুজিছা? সপোনতো নাভাবিবা। যি মন যায় তাকে কৰিব পাৰিম বুলি, পম্পীক মই তোমাৰ নিচিনা লম্পট বুঢ়াৰ হাতত সপি নিদিও।

সত্যেন ঃ (উন্মত্ত কণ্ঠৰে) তেন্তে চাই থাকা খেলাটো। চুঙা চাই কি সোপা সমুৱাব লাগে তাক মই ভালদৰে জানো।

(হেমাঙ্গিনীয়েও ততোধিক উচ্চস্বৰে কিবা কবলৈ বিচাৰিছিল, কাৰোবাৰ ভৰিৰ শব্দ শুনি থমকি ৰল। সত্যেন ক্ষীপ্ৰ গতিৰে বাহিৰ ওলাই যায়। গোপালকৃষ্ণ গোস্বামীয়ে প্ৰৱেশ কৰে।)

গোপালকৃষ্ণ ঃ সঞ্জু কলৈ গল?

হেমাঙ্গিনী ঃ খোৱাৰ পিছত তিনিশ খোজ নাকাঢ়িলে হেনো হজম নহয়।

(পম্পীৰ আৰু ৰাজীৱে প্ৰৱেশ কৰে। ক্লান্তভাৱে ৰাজীৱ বহে।)

তই পেটভৰাই খাইছাতো?

পম্পী : নাই, আব্দুলৰ ৰন্ধাত কোনোবাই পেটভৰাই খাব পাৰেনে? ৰাজীৱ তুমি?

ৰাজীৱ : ভোক মোৰ বাঢ়িছেহে।
(প্ৰশান্তই প্ৰবেশ কৰে, ৰুমালেৰে মুখ মচি মচি পম্পীয়ে সকলোকে তামোল আৰু মছলা বিতৰণ কৰে।)

গোপালকৃষ্ণ : ৰাজু বল। দুজন আলহী ঘৰত।

প্ৰশান্ত : আপোনাক কষ্ট দিছো।

গোপালকৃষ্ণ : একো নহয়। আমাৰেই সৌভাগ্য বুলি ধৰিছো। কি কৰ ৰাজু? যি কি নহওক, প্ৰশান্ত দাক লৈ তই আগবাঢ়। ৰাস্তাত ষাড়ঁ গৰুৰ দৰে গুজৰি গুমৰি থকা কিবা দেখিলে মাতি নিবি - কাৰণ সেইজনেই চাহবাগানৰ মালিক সত্যেন্দ্ৰ নাথ ওৰফে সঞ্জু চলিহা।

প্ৰশান্ত : তুমি গাটো লৰচৰ কৰা ৰাজু, মিছেছ চেতিয়া আৰু পম্পীৰ মাজত বহুতো কথাই আলোচনা কৰিবলগীয়া থাকিব পাৰে। গোটেই দিনটোতো তেওঁলোকক আমি জ্বলাই পুৰি মাৰিছো। এনেকৈ থাকিলে আৰু নচলিব নহয় - এতিয়া উঠা।

ৰাজীৱ : সেয়েতো - একেবাৰেই পাহৰি গৈছিলো। প্ৰশান্তদা আপুনি আচল অৰ্থত এজন পাৰফেক্ট জেনন্টেলমেন। আপুনি আমাৰ জীৱনৰ আদৰ্শ। (প্ৰশান্তৰ কান্ধত হাত থৈ) হায় - হায় - কি মোৰ কপাল। আপুনি নহৈ কেনেকৈ এই দাঁড়িয়া বুঢ়া মোৰ দেউতা হ'ল।

গোপালকৃষ্ণ : (চিঞৰি) মনে মনে থাক। তই সঁচা সঁচিকৈ এটা 'হেৰি' মানে গুৰু গোসাই নমনা উদণ্ড হৈ উঠিছ।
(ৰাজীৱৰ লগে লগে হেমাঙ্গিনী চেতিয়ায়ো হাঁহে, প্ৰশান্তই হাঁহি চেপি ৰাখিবলৈ চেষ্টা কৰে।)

হেমাঙ্গিনী : সঁচাই, লৰাটো একেবাৰে নষ্ট হৈ গৈছে। কাইলৈ দেখা হ'ব, কৃষ্ণদা। বক্তৃতাটো ভালদৰে তৈয়াৰ কৰি আনিবা।

পম্পী : কিহৰ বক্তৃতা?

হেমাঙ্গিনী : তই ক'ত আছ পম্পী? ককটেল পাৰ্টি বাদ দিলো, বুজিছ? চহৰত

মানুহেই নাই। কলে, কাইলৈ ৰাতিপুৱা ইয়াত কৃষ্ণদাৰ সভা এখন অনুষ্ঠিত হ'ব।

(তেতিয়া মানে ৰাজীৱ, গোপাল কৃষ্ণ আৰু প্ৰশান্তই প্ৰস্থান কৰিছিল।)

পম্পী : উঃ আকৌ জ্বলাবলৈ আছেই?

(পম্পীয়ে পোহৰত হিচাব মিলাবলৈ আৰম্ভ কৰো।)

হেমাঙ্গিনী : মিলিব লাগিব, নিমিলিলে কেনেকৈ হ'ব? হেৰি নহয়, সেই ৰাজীৱ লৰাটো কি যে ধুৰন্ধৰ। তই ভুলতো তাক আসৈ নিদিবি মা, বেয়া লৰা। কাম কাজ একোৱেই নকৰে।

পম্পী : এৰা, তাৰ গুণ নেগালেই নহয়, বেচেৰা লৰা হিচাপে ভাল, তাৰ কাৰণে দুখ লাগে। দুখ লাগিলেও উপায় নাই। কিন্তু সেই বুলি তোমাৰ সেই চাহ বাগানৰ মালিক সঞ্জু বোলাজনো তিমান সুবিধাজনক লোক নহয়, কাম-কাজেই বাৰু তেওঁ কি কৰে?

হেমাঙ্গিনী : (ছোৱালীৰ উদাসীন মন্তব্য শুনি বিৰক্ত হৈ)

সঞ্জুক তই কিমানদূৰ চিনি পাৱ পম্পী? জীৱনত পুৰুষ মানুহেই বা দেখিছ কেইজন? সঞ্জু যেনে লোকেই নহওক কিয়, তই মানি লবই লাগিব, কাৰণ তেওঁ মোৰ বিশেষ বন্ধু তেওঁৰ লগত আৰু ঘনাই ঘনাই দেখা সাক্ষাৎ হৈ থাকিব।

পম্পী : কিয়? তোমাৰ বন্ধুৰ কথা পিছত হ'ব। তোমাৰ আৰু মোৰ দেখা হ'বতো?

হেমাঙ্গিনী : কিয় নহ'ব? তোৰ বিয়া নোহোৱা পৰ্য্যন্ত তই মোৰ লগতেই থাকিবি দেখোন। আৰুতো কলেজ নাই।

পম্পী : সেইটো হয়তো সম্ভৱ নহ'ব। কাৰণ মোৰ ৰীতি-নিয়ম তোমাৰ সহ্য নহ'ব।

হেমাঙ্গিনী : ৰীতি নিয়ম মানে?

পম্পী : মই যি ভাবে থাকিবলৈ অভ্যস্ত, তেনেকৈ জীয়াই থকাতো অভ্যস্ত

হেমাঙ্গিনী : অৰ্থাৎ?

পম্পী : (পাত লুতিয়াই) চোৱা মা, তুমি কেতিয়াবা ভাবি চাইছানে, যে মোৰো এটা পৃথক জীৱন আছে —

হেমাঙ্গিনী : নিজৰ খুচিমতে বাচি থকাৰ অধিকাৰ আছে জানো? কিবোৰ প্ৰলাপ বলকিছ পম্পী? পৰীক্ষা পাছ কৰিলি বুলি স্বাধীন হৈ গলিনে কি? কি যে পাগলামি !

পম্পী : ইয়াৰ বাহিৰে আৰু তোমাৰ কবলৈ নাই?

হেমাঙ্গিনী : (প্ৰথমে হতভম্ব, তাৰ পিছত খঙত) কথাবোৰ যেন আখৈ ফুটাদি ফুটিছে। (জোৰেৰে) মনে মনে থাক তই। (পম্পীয়ে কলমটো খুলি কিবা কিবি লিখি থাকে) বেলেগ জীৱন। (উত্তৰ নাই) মই যি ঠিক কৰি দিম, তাক লৈয়ে তোৰ জীৱন, বুজিলি? (ৰৈ) পৰীক্ষা ভাল কৰাৰ পিছৰ পৰাই দেখিছো তোৰ সাহসো খুব বেছি ধৰণে বাঢ়ি গৈছে। মোৰ লগত সেইবোৰ ঢং আৰু নামাৰিবি। (কোমল মাতেৰে) ইয়াৰ বাহিৰে মোৰ আৰু কবলৈ একো নাই। (লেনিয়াই) কাৰ লগত কথা হৈছিলি মনত আছে?

পম্পী : (মূৰ নোতোলাকৈ) নাই। কোন তুমি? কি তুমি?

হেমাঙ্গিনী : (অসহ্য বিস্ময়েৰে থিয় দি) হতশ্ৰী জাতি।

পম্পী : সকলোয়ে জানে মই কোন, মোৰ পঢ়া শুনা কিমান দুৰ, কি চাকৰিৰ উপযুক্ত। তোমাৰ সম্বন্ধে মই একো নাজানো। অথচ তোমাৰ হুকুমত মই বুঢ়া চলিহাক ঘনে ঘনে দেখা কৰিব লাগিব। কিয়? কোন তেওঁ?

হেমাঙ্গিনী : খবৰদাৰ। ভাল নহব বুলি কৈছো, পম্পী।

পম্পী : (অত্যন্ত শান্তভাৱে হিচাবৰ বহী বন্ধ কৰি) ঠিক আছে, সেই কথা এতিয়া থাওক, তোমাৰ মগজৰ এতিয়া ঠিক নাই। (মাকৰ প্ৰতি স্থিৰ দৃষ্টি নিক্ষেপ কৰি) তুমি শকত হৈ গৈছা মা, কিমান দিন কৈছো টেনিচটো শিকি লোৱা। টেনিচ যদি টান পোৱা বেডমিণ্টন টোকে শিকিব পাৰা। আজি খোজ কাঢ়িবলৈ গৈ ইমান সোনকালে ফোপাবলৈ আৰম্ভ কৰিলা। ব্লাডপ্ৰেচাৰ বেছি হৈ যাব যে।

(হেমাঙ্গিনীয়ে কিছুসময় ছোৱালীৰ মুখৰ ফালে চাই থাকে, তাৰ পিছত কান্দিবলৈ আৰম্ভ কৰে)

হেমাঙ্গিনী ঃ পম্পী।

পম্পী ঃ (উঠি) চাবা কিন্তু নেকান্দিবা। যি মন যায় তাকে কৰা, ক্ৰন্দন পৰ্ব্ব আৰম্ভ নকৰিবা। সেইবোৰ ক্ৰন্দা ক্ৰন্দি দেখিলে মোৰ গা গৰম হয় - অৰ্থাৎ জ্বৰ উঠে। নহলে এটা কাম কৰা- মই মোৰ ৰুমলৈ যাওঁ, তুমি ইয়াত দুই নয়নেদি অশ্ৰুজলৰ ঢল বোৱাই এক অভূতপূৰ্ব বান পৰিস্থিতিৰ সৃষ্টি কৰা।

হেমাঙ্গিনী ঃ পম্পী, তোৰ দয়া ময়া নাই। মই তোৰ মা, মোক এনেদৰে কবলৈ তোৰ অকণো বেয়া নেলাগিল?

পম্পী ঃ মা। তুমি সঁচাকৈয়ে মোৰ মা যে!

হেমাঙ্গিনী ঃ মই সঁচাকৈয়ে তোৰ মাৰ মানে? পম্পী!

পম্পী ঃ তেতিয়াহলে মোৰ দেউতা ক'ত? আত্মীয়স্বজন ক'ত? তোমাৰ ঘৰ সংসাৰ ক'ত? মাৰ অধিকাৰ খটুৱাবলৈ আহিছা, হতশ্ৰী জাতি, জহনী জাতি, যি মুখত আহিছে তাকে কৈ শাসন কৰিবলৈ বিচাৰিছা। কলেজৰ কোনো প্ৰফেছাৰে কোনো দিনেই মোক এই লেতেৰা ভাষাত গালি পাৰিবলৈ সাহস কৰা নাই। কেনেকৈ থিয় হম, খোজ কাঢ়িম, ফুৰিম, জীয়াই থাকিম, সকলো তুমি থিক কৰি দিছা, ইয়াৰ উপৰিও আজি পুৱাই এজন দুঃশ্চৰিত্ৰ ডাঙৰ মানুহক মাতি আনি কৈছিলা প্ৰণাম কৰিবলৈ। এতিয়া আকৌ হুকুম দিছা গোটেই জীৱনটো তেওঁক সমীহ কৰি চলিবলৈ। তোমাৰ এইবোৰ আদেশ মানিম নে নামানিম সেইটো ঠিক কৰাৰ আগেয়ে মই জানিব লাগিব যে এই আদেশ দিয়াৰ কিবা অধিকাৰ তোমাৰ আছেনে নাই।

হেমাঙ্গিনী ঃ (ব্যাকুল হৈ পম্পীৰ ভৰিৰ ওচৰত বহি পৰি) মনে মনে থাক - কৈছো নহয় মনে মনে থাক। মই কৈছো, মই তোৰ মাৰ বিশ্বাস কৰ পম্পী। তোক মই গৰ্ভত লালন কৰিছো মা- এই বিষয়ত কোনোবা মাকে মিছা কথা কব পাৰে? মাৰৰ কথা বিশ্বাস কৰিবলৈ

টান পাইছ?

পম্পী : (শান্ত ভাৱে) মোৰ দেউতা কোন?

হেমাঙ্গিনী : কি কৈছ তই নিজেই নাজান। সেই কথা মই কব নোৱাৰিম।

পম্পী : 'নোৱাৰিম' মানে? কাৰ ঔৰসত তোমাৰ গৰ্ভত নিজ সন্তানৰ জন্ম হৈছিল সেই কথা কব নোৱাৰা?

হেমাঙ্গিনী : সেইটো কথা নহয়। উঃ তোৰ লগত কথাত কোনে পাৰিব পম্পী? মই কৈছো ....

পম্পী : কব নোৱাৰা নহয়, নোকোৱা। শুনা মা, মই কৈছো, তুমি মোক কবই লাগিব নহলে কাইলৈ ৰাতি পুৱাই সকলো চিঙাকটা কৰি গুচি যাম।

হেমাঙ্গিনী : এনে কথা কব পাৰিলি? মোক এৰি গুচি যাবলৈ অকণো দ্বিধাবোধ সংকোচ নকৰিবি?

পম্পী : অকণমানো নকৰো। মোৰ পৰিচয় মই জনাৰ অধিকাৰ আছে। সেই অধিকাৰ নিদিলে তোমাকেই বা মই স্বীকাৰ কৰো কেনেকৈ? (হঠাৎ ঘৃণাত শিহৰি উঠি) সেই চাহ মালিক সত্যেন্দ্ৰ চলিহাৰ বিষাক্ত তেজেই যে মোৰ দেহত প্ৰবাহিত হোৱা নাই তাক কোনে জানে?

হেমাঙ্গিনী : নাই নাই - তেওঁ নহয় - সঁচাই কৈছো - তেওঁ নহয়। অন্ততঃ এইটো মই ভালদৰে জানো।

(হেমাঙ্গিনীয়ে কিছু সময় তাইৰ ফালে অদ্ভুত দৃষ্টিৰে চাই ৰল।)

পম্পী : (লাহে লাহে) অন্ততঃ ইমান কণেই তুমি জানা। তুমি হয়তো কবলৈ বিচাৰিছা যে ইমান কণেই জানা, ইয়াতকৈ বেছি নহয়। (চিন্তান্বিত হৈ) তেন্তে এই অৱস্থা? (হেমাঙ্গিনীয়ে দুই হাতেৰে মুখ ঢাকিলে) ঢং কিয় কৰিছা মা? এটোপাল চকুৰ পানীও ওলোৱা নাই তোমাৰ।

(সচকিত হৈ হেমাঙ্গিনীয়ে মুখ তুলিলে। পম্পীয়ে দেৱালত আৰি থোৱা ঘড়ীটোলৈ চালে, দেখিলে।)

সি যি কি নহওক, আজি ৰাতিটোৰ কাৰণে যথেষ্ট হৈছে। তাৰ বাহিৰেও ঠাণ্ডা পৰিছে, বাহিৰত থকা উচিত নহয়। ৰাতিপুৱা কেই বজাত ব্ৰেকফাষ্ট খাবা? চাৰে আঠটাত?

হেমাঙ্গিনী : (উদভ্ৰান্তভাৱে) পম্পী, আজি তোক চিনি নেপালো।

পম্পী : চিনিবলৈ চেষ্টা কৰিলে হয়তো চিনি পালাহেতেন। আৰু সকলো ছোৱালীৰ দৰে মোৰো হয়তো মাক ভালপোৱা ইচ্ছা তিচ্ছা হ'লহেতেন। বাদ দিয়া, এতিয়া উঠা।

(জোৰেৰে মাকক ধৰি থিয় কৰালে।) এনেদৰে ভাগি পৰিছা কিয়? ডাঠ হোৱা, বুজিছা।

হেমাঙ্গিনী : মোৰ মনটোক তই অকণমান বুজিবলৈ চেষ্টা নকৰিলি?

পম্পী : কাইলৈ কৰিম, এতিয়া নটা বাজিছে। শুবলৈ বলা। হিচাবটো শেষ নহল।

হেমাঙ্গিনী : শুয়েই বা কি কৰিম? দুই চকুৰ পতা জপাব পাৰিম বুলি ভাবিছ নেকি?

পম্পী : কিয়? মোৰতো শুলেই টোপনি আহিব।

হেমাঙ্গিনী : তই! তোৰতো মন বোলা এটা বস্তু নাই।

(হঠাতে মাৰ্জ্জিত উচ্চাৰণ বাদ দি কোনো এক বিশেষ শ্ৰেণীৰ নাৰীৰ বিকৃত বচনভঙ্গী অনুকৰণ কৰে।)

অই - তই মোক কি বুলি ভাবিছ? মই আৰু সহ্য নকৰো কৈ দিছো। তোৰ এই মুখৰ অকোৱা পকোৱা কথাবোৰ মোৰ ইজ্জতত লাগিছে। মই চাফ চাফ কৈ দিছো বুজিছ। মোক তই ভুল বুজিছ। বুজ। তালৈ হেমাঙ্গিনী চেতিয়াই Care নকৰে। এটা কথা মনত ৰাখিবি - যেতিয়া অমুকী ভৰ যৌৱনা আছিল, তেতিয়া মোৰ চাৰিওফালে অলেখ কামাতুৰ মানুহৰ ভীৰ। কাৰ ঔৰসত তই মোৰ গৰ্ভত থিতি ললি, মই কেনেকৈ জানিম? সেই কথাটোকে পেটৰ পোৱালী হৈ বুজি নেপালি - মই কি কৰিম? মই ডিঙিত ভৰা কলহ বান্ধি লুইতত জাপ দি মৰিলেহে হব। গোপাল শাস্ত্ৰীৰ

বেকাৰ লৰাৰ লগত ৰাধিকা সাজি মোৰ ওপৰত চৰ্দ্দাৰী খটোৱাৰ সাহস তোক কোনে দিলে? তোক এইদৰে চৰ্দ্দাৰণী সজাইছে কোন পৈয়েৰে? চোৰেই গিৰিহঁতক বান্ধি কিলাব খুজিছ? বোলো যাৰ জহত শাখা সেন্দুৰ তাক পাত ভোকোন্দা এন্দুৰ। যাৰ উপাৰ্জ্জনৰ খাই বৈ মানুহ হৈছ তাক ৰঙা চকু দেখুৱাবলৈ তোৰ অকণো ভয় নেলাগিল নাতেসৰী? পৈয়েৰৰ মুৰ খাতি - জহনীত জাতি।

(মাকৰ এই অভিনৱ ভৎৰ্সনাত পম্পী প্ৰথমে বিস্মিত, তাৰ পিছত ক্ৰমান্বয়ে কৌতুহলী হৈ উঠিল। ইতিমধ্যে হেমাঙ্গিনী চেতিয়া বহুখিনি প্ৰকৃতিস্থ হৈ উঠিল।)

পম্পী : ভুল কৰিছা, চকু ৰঙা কৰিব লগীয়া কাম একোৱেই কৰা নাই। লোকাচাৰৰ ভয় দেখুৱাই তুমি মোৰ মা সাজি বহিবলৈ বিচাৰিছিলা, সেয়ে লোকাচাৰৰ নীতি অনুযায়ী মই আত্মৰক্ষা কৰিছিলো। লোকাচাৰৰ দোহাই দিলে তুমি মোৰ চকুত বেশ্যা মাত্ৰ। এতিয়া তুমি নিজৰ ভাষাৰে নিজৰ মনৰ কথা খুলি কৈছা। সেয়ে আমাৰ মাজত থকা সামাজিক আচাৰৰ অন্তৰায় দুৰ হৈছে। এতিয়া খোলাখুলি ভাবে কথা বতৰা হব পাৰি। এতিয়া তোমাক চিনিব পাৰিছো, বুজিব পাৰিছো, কলে হয়তো বিশ্বাসো নকৰিবা যে জীৱনত প্ৰথম বাৰৰ বাবে মোৰ অন্তৰত তোমাৰ প্ৰতি অকণমান শ্ৰদ্ধাও জাগি উঠিছে।

হেমাঙ্গিনী : (আত্ম সম্বৰণ কৰি পুনৰ তথাকথিত ভদ্ৰ সমাজৰ ভাষাৰে শান্ত কণ্ঠৰে কয়) চিনি পাইছ, বুজি পাইছ। অকণমানো বুজি পোৱা নাই। কেনেকৈ তই বুজিবি মই কিয় এই পথ বাছি লবলৈ বাধ্য হৈছিলো, কোনো চখত মই এই পথ বাছি লোৱা নাছিলো। তোৰ ধাৰণা মই ইচ্ছা কৰিয়েই লিখা পঢ়া শিকা নাই, ইচ্ছা কৰিয়েই ডাঙৰ মানুহৰ পত্নী হোৱা নাই। তই কি বুজিবি মোৰ মা-জনী।

পম্পী : ইচ্ছা কৰা নকৰাৰো এক পৰিসীমা আছে। দুখীয়া ঘৰৰ ছোৱালীয়ে ৰাণী হোৱাৰ স্বপ্ন দেখিলে তাক কি বুলি কবা? কিন্তু ইচ্ছা কৰিলে

তায়ো লোকৰ ঘৰত চাকৰণী কৰি পেট প্ৰবৰ্ত্তাৰ পাৰে আৰু যি সেইটো কৰিবলৈ নিবিচাৰে, তাই সমাজৰ নানা বাধাৰ অজুহাত দেখুৱাই অপকৰ্ম্মত লিপ্ত হয়, কয় বাধ্য হৈ কৰিব লগাত পৰিছো, তেনে কোনো বাধাৰ অস্তিত্ব মই স্বীকাৰ নকৰো, বাধা অতিক্ৰম কৰি উঠাৰ শকতি প্ৰত্যেক মানুহৰ আছে।

হেমাঙ্গিনী ঃ কৈ আছ, কৈ থাক। নিজৰ কথা - তোৰ নিজৰেই শুনি ভাল লাগিছে, গতিকে বাধা নিদিও। শক্তিৰ কথা কৈছ, মোৰ শক্তি নাছিল? যিটো ভাষা এতিয়া শুনিলি, সেই ভাষা ত্যাগ কৰিব পৰা সামৰ্থ্য মই অৰ্জ্জন কৰা নাই। তাৰ কাৰণে শক্তিৰ আৱশ্যক হোৱা নাছিল। ভাব চলন ফুৰণত ওচৰ পাজৰৰ ভদ্ৰ মহিলা সকলৰ পৰা মোক বেলেগ কৈ চিনি পাইছ? তেওঁলোকৰ স্বামী দেৱতা সকলৰ বিবেক কিনিব পৰাকৈ প্ৰচুৰ টকা মই উপাৰ্জ্জন কৰা নাই। যি কৰিছো তাক মই সতী সাধ্বী সাজি অপকৰ্ম্ম কৰা বুলি নকও। বাধা মই অতিক্ৰম কৰিছো,সেইটো সামাজিক বাধা, নিজকে নিঃশেষ কৰাৰ বাধা শুনিবি? সেই বাধা কেনেকুৱা?

পম্পী ঃ ঠিক আছে, শুনিম। তুমি বহা।

হেমাঙ্গিনী ঃ বহিম বাৰু, তই মন দি শুন।
(তেওঁ বহিল, তেওঁৰ প্ৰশান্তি আৰু আত্মবিশ্বাস দেখি পম্পী অবাক হয়।) জান তোৰ আইতাৰা কি আছিল?

পম্পী ঃ নাজানো।

হেমাঙ্গিনী ঃ তেওঁ আৰু এক ধৰণৰ বেশ্যা, বাল বিধবা। ন বছৰ বয়সত বিয়া হৈছিল, পোন্ধৰ বছৰত বিধবা হল। কোলাত দুজনী ছোৱালী, কপালত শাহুৰ খেচ্ খেচ্নি। তাৰ পিছত এদিন মনৰ দুখত ছোৱালী দুজনীক বুকুত বান্ধি দেউতাকৰ ঘৰ পালেগৈ, তাতো স্থান নোহোৱা দেখি ঠিক কৰিলে নিজেই সংসাৰ চলাব। ঠিক কৰা সহজ, কিন্তু কামটো কঠিন। তথাপি কাপোৰ চিলাই কৰাৰ কাম কৰি দিনটো কাটি যায়। লাহে লাহে ছোৱালী দুজনী ডাঙৰ হৈ আহিল। ডাঙৰ

মই হেমা, সৰু চন্দ্ৰমিতা। আমাৰ চেহেৰাৰ চমক আছিল, পাৰাৰ মানুহৰ লোলুপ দৃষ্টি দেখিলেই বুজি পাওঁ মানুহ পাগল কৰিব পৰা সৌন্দৰ্য্য আমাৰ আছিল। সেয়ে মা ব্যস্ত হৈ উঠিল পাত্ৰ বিচাৰি। কিন্তু আমি দুই বাইভনীয়ে তেতিয়া স্কুলত পঢ়ো, দুই চাৰিখন কিতাপৰ গল্প পঢ়ি মনতে কিবা কিবি ভাব বোৰে লুকাভাকু খেলে। যেনে - চৈধ্য বছৰ বয়সত চিনি জানি নোপোৱা এটা অচিনাকী লৰাৰ লগত হোমৰ অগ্নিক সাক্ষী কৰি বৰ বৰণ কৰাৰ কথা চিন্তা কৰিলেই গাত জ্বৰ উঠে। সি যি কি নহওক মই ভয়তে একো নকও, চন্দ্ৰমিতাই কিন্তু সমানে মাৰ লগত কাজিয়া কৰে। তাৰ পিছত যেতিয়া, পাৰাৰ উদণ্ড লৰাবোৰে আমাৰ পিছ ললে মই কিন্তু লাজতে নিলাজী লতা হৈ পৰো, ভন্টিৰ কিন্তু খুব ভাল লাগে। এনে এটা লৰাৰ লগত তাইৰ ভালপোৱা হৈছিল। স্কুললৈ অহা যোৱা কৰোতে সিহঁত দুয়োৰেদেখা হয়।সেয়ে কোনোবা ছোৱালী চাবলৈ আহিলেই চন্দ্ৰমিতাই হিয়া ভুকুৱাই কান্দিছিল। আৰু মই গা-পা ধুই, তামোল খাই ওঠ ৰঙা কৰি সন্মুখত গৈ থিয় হও,চুলি কিমান দীঘল, ভৰি পোন হয়নে নহয়, কথা কব পাৰে নে বোবা - এইবোৰৰ পৰীক্ষা দিও। তাৰ পিছত গান গাই শুনাও। তেওঁলোকে চকু কপালত তুলি চাব, জিভা কামুৰিব, তাৰ পিছত চাহ মিঠাই খাই গুচি যাব। সেই সময়ত ছোৱালীৰ চেহেৰা দেখিয়েই মধ্য বিত্ত পৰিয়ালে বিয়া নেপাতে বুলি কলেও বেছি কোৱা নহয়। তাৰ পিছত চন্দ্ৰমিতা এদিন পলাই গ'ল।

পম্পী : পলাই গল? কিয়? কলৈ?

হেমাঙ্গিনী : কলৈ কোনে জানে। সেই লৰাটোৰ লগত তাই পলাই গল। তাৰ দুদিনৰ আগেয়ে পাৰাৰ এজনী বোৱাৰীয়ে ডিঙিত ফাঁচ লগাইছিল। সাবিত্ৰী তাইৰ নাম। চকু তুলি কথা কব নাজানে। তাইৰ গিৰীয়েকে মদ খাবলৈ ধৰিছিল। ভদ্ৰলোকৰ ছোৱালীৰ ভদ্ৰ

ঘটনা দেখি শুনি চন্দ্ৰমিতাই বোধ কৰো ঠিক কৰিলে যে এনে ভদ্ৰলোকৰ মুখা পিন্ধি লাভ নাই।

পম্পী : আৰু তুমি?

হেমাঙ্গিনী : মোৰ বিয়া হৈ গল।

পম্পী : বিয়া হ'ল - কাৰ লগত?

হেমাঙ্গিনী : সেই কথা শুনি তোৰ লাভ নাই। তই তেওঁৰ ফালৰ ছোৱালী নহৱ। তেওঁ দেখাত ধৰিব নোৱাৰিলেও ভিতৰি ভিতৰি বেমাৰে খুলি খুলি খোৱা বুঢ়া আছিল, স্ত্ৰীক ভোগ কৰাৰ ক্ষমতাই নাছিল। ডাঙৰ মানুহ, যৌতুকত কোনো বস্তুৰেই দিব লগীয়া হোৱা নাছিল। চকুৰ ক্ষুধা পূৰণৰ বাবেই মোক বিয়া কৰাই নিলে। ময়ো ডাঙৰ মানুহৰ ঘৰলৈ বোৱাৰী হৈ গলো। পম্পী, তয়েই কছোন এজন চিৰৰুগীয়া বুঢ়া স্বামীৰ পৰিচৰ্য্যা কৰি এজনী পত্নীয়ে কি গোটেই জীৱন কটাব পাৰে? মাতৃ হোৱাৰ ইচ্ছা মোৰ জানো নাই? তই মনে মনে আছ কিয় - উত্তৰ দে।

পম্পী : তুমি কৈ যোৱা মা, মই শুনি আছো।

হেমাঙ্গিনী : মাজে মাজে মোক মাৰধৰ কৰে। মোৰ ইচ্ছাবোৰ পূৰণ কৰিব নোৱাৰি নিজৰ ওপৰত খং উঠে, আৰু মোৰ ওপৰত মাৰধৰ কৰি সেই ৰাগ শাম কটায়। তাৰ পিছত এদিন দেখা হ'ল চন্দ্ৰমিতাৰ লগত। প্ৰথমে চিনি পোৱা নাছিলো। দামী শাৰী, আ-অলঙ্কাৰ, বিলাতী ৰং, তাৰ উপৰিও এখন দীঘল গাড়ীৰ ভিতৰত। তাই ওলাই আহি মোক সাবতি ধৰিলে। আমি দুয়ো বহুত কথা পাতিলো। সেই লৰাটোৱে তাইক এৰি থৈ পলাই যায়। কিন্তু জীয়াই থকাৰ ৰাস্তাৰ সন্ধান তেতিয়ালৈ তাই পাই গৈছে। ডাঙৰ মানুহে হেনো গাভৰু ছোৱালী ৰাখে। তাই গাব পাৰে, নাচিব জানে, আৰু এনে চেহেৰা লৈ ডাঙৰ মানুহ সকলৰ হাতত ধৰা ধৰিকৈ ঘুৰি চন্দ্ৰমিতাৰ এতিয়া টকা, ঘৰ, গাড়ী সকলো হৈছে। ইয়াৰ উপৰিও তাই স্বাধীন। কামৰ সময়কণ পাৰ হৈ গলে কোনো ৰায়বাহাদুৰ, চাহ বাগানৰ মালিক,

কোনো টকাৰ কুবেৰ একমিনিতো তাইৰ ঘৰত থাকিব নোৱাৰে। সেই দিনাৰ পৰাই মনৰ ভিতৰত অগনি জ্বলি উঠিল। তাৰ সাত দিনৰ পিছত ময়ো ঘৰ এৰি পলাই গলো।

পম্পী : তাৰ পিছত?

হেমাঙ্গিনী : ব্যৱসায়ত নামিলো। স্বামীৰ এজন পত্নীহাৰা বন্ধুৰ ঘৰত উঠিলো। নামটো বদলাই নয়নতৰা হ'লো। ভদ্ৰলোকৰ ঘৰত ৰাতি দুপৰলৈকে মদ আৰু জুৱাৰ আড্ডা বহে। অতি কম দিনৰ ভিতৰতে আৰু কেইবাজনো মোৰ সৌন্দৰ্য্যৰ ভক্ত জোঁটিল। বছৰটো পূৰ নৌহওতেই ঘৰ, গাড়ী, আদি কিনি গজগজীয়া হৈ উঠিলো। তাৰ পিছতেই এজন অসমীয়া চাহাব মোৰ প্ৰেমত একেবাৰেই গদগদ হৈ উঠিল। তেওঁৰ পাল্লাত পৰিয়েই নতুন ৰূপত নিজকে সজালো, গধুৰ গহনা পাতি বাদ দি শেহতীয়া ডিজাইনত চৌখিন গহনা পিন্ধিলো, পেট খোলা ব্লাউজ পিন্ধি পুৰুষ সমাজক লাহি ককাল দেখুৱাই মন আকৰ্ষণ কৰিলো, ওঠত লিপষ্টিক সানিলো, খোঁপা খুলি চুলিত হেনা লগাই মেলি ললো, ক্লাবলৈ গৈ মদ খালো। সময়ৰ লগত তাল মিলাই চলাটো আমাৰ ব্যৱসায়ত খুব দৰকাৰী কথা। তাৰ পিছত এই ৰত্নপুৰৰ বুঢ়া চৌধুৰীক হাত কৰি নিজৰ দেহৰ ব্যৱসায় এৰি দি মেচেজ ক্লিনিকৰ স্বাধীন ব্যৱসায় খুলিলো। বহুতো ধুনীয়া ছোৱালীক ঘৰৰ কটকটীয় বান্ধোনৰ চৌহদ আৰু ৰান্ধনি ঘৰৰ জেলখানাৰ পৰা বাহিৰ কৰি আনি চাকৰি দিলো। তেওঁলোকে খাই বই পিছত সাঁচিবও পাৰিছিল। হিচাব কৰি চলাৰ কাৰণে ব্যৱসায়ৰ পৰা শকত পৰিমাণৰ লাভেই হৈছিল।

পম্পী : এইবোৰৰ কাৰণে তোমাৰ অন্তৰত কোনো গ্লানি নাই, অনুতাপ নাই?

হেমাঙ্গিনী : অকণো নাই। সেইবোৰ ভদ্ৰলোকৰ ছোৱালীয়ে কি কৰে জান? কোনো মতে এজন টকাৱালা লোকৰ কান্ধত উঠিব পৰাতো সিহঁতৰ ধৰ্ম্ম। ময়েই বা তাতকৈ বেছি কি কৰিছো? এবাৰ হোমৰ গুৰিত বহিব পাৰিলেই কি সকলো অধৰ্ম্ম ধৰ্ম্ম হৈ যায়? ব্যৱসায়

সিহঁতেও কৰিছে কিন্তু লুকাই, স্বামীক ঠগি, ওৰণিৰে মুখ ঢাকি। সেই ওৰণিখন কেৱল ময়েই খুলি পেলাইছো, কাৰণ মোৰ সাহস আছে, চৰিত্ৰও আছে। ব্যৱসায় কৰিব লাগিলে অকল ব্যৱসায়েই কৰিম, খোলা-খুলিকে কৰিম। সিহঁতৰ সেই সাহস নাই, সেই কাৰণে সিহঁতক ৰখা গ্ৰাহকক স্বামী বুলি কয়। লুকাই চুৰকৈ কৰা বেশ্যবৃত্তিৰ নাম হ'ল ঘৰ পতা।

(পম্পীয়ে এই বিষয়ত আৰু জ্ঞান লাভ কৰাৰ বাবে ব্যগ্ৰ কণ্ঠৰে প্ৰশ্ন কৰিলে।)

পম্পী : ঠিক আছে, সেইটো নহবওতো পাৰে। হয়তো তেওঁলোকে বেশ্যাবৃত্তিক অন্তৰৰ পৰা ঘৃণা কৰে বাবেই স্বামীৰ ঘৰ পাতে।

হেমাঙ্গিনী : কাম কোনে ঘৃণা নকৰে? কাম কৰিবলৈ কাৰ ভাল লাগে? কেৰাণীৰ কলম ঘহিবলৈ জানো ভাল লাগে? গৃহস্থই ঘৈণীয়েকৰ মেখেলা ধুবলৈ জানো ভাল পায়? তথাপি কৰিব লগীয়া হয়। এইটোও তেনেকুৱা। মোৰো বেয়া লাগিছিল। মোৰ মেছেজ ক্লিনিকৰো দুই এজনী ছোৱালীয়ে কন্দা দেখিছিলো। সিহঁতৰ ইচ্ছাৰ বিৰুদ্ধে হয়তো কোনো মাতাল বদমাছে সিহঁতৰ ওপৰত জোৰ জুলুম কৰিছিল। কিন্তু উপায় কি? সকলো কামতে এইবোৰ সহ্য কৰি যাব লগীয়া হয়, নহলে সমাজ টিকি নাথাকিব।

পম্পী : মোৰ কিতাপত পঢ়া কথাবোৰ যে সম্পূৰ্ণ ওল্টা হৈ গৈছে মা। এদিন জানিছিলো অবাধ গণিকা-বৃত্তিত সমাজ টিকি নাথাকিব - গোটেই সমাজেই ৰুগ্ন হৈ উঠিব।

হেমাঙ্গিনী : বাজে কথা। দড়িয়া সাধুসন্তৰ নীতি কথা। অনুসন্ধান কৰি চা, এই কথাযাৰ কোৱাৰ পাঁচ মিনিটৰ আগেয়ে কোনো হতভগীয়া প্ৰেমিক হাতত ফুলৰ মালা লৈ পাৰুৰ কোঠাৰ পৰা ওলাই আহিছে। বেশ্যাই সমাজৰ সৰ্ব্বনাশ কৰিছে - মাৰ গুলী। তলৰ জুপুৰী তথা সাধাৰণ ঘৰত বাস কৰা ছোৱালীৰ বাবে এওলোকে কি পথ খোলা ৰাখিছে - সন্মান বচাই সমাজৰ সেৱা কৰিব? ওপৰ তলাত বাস কৰা

ছোৱালীৰ কথানো কি কম - বোলো কাকনো বুলিবা কৰা আতাইৰে দাঁড়ি চুলি পকা ! তোক আৰু কি কম ? তই দেখাই পাইছ। পাৰ্টিত মদ খাই ইহঁতে যি মাতলামি কৰে তাত সমাজৰ ক্ষতি নহয় ? আৰু ঠাণ্ডা মগজেৰে পেটৰ দায়ত আগত কোনো পথ খোলা থকা নেদেখিলে কেইজনীমান দুখীয়া ঘৰৰ ছোৱালীয়ে দিনৰ কেই ঘণ্টামান ব্যৱসায় কৰিলেই সমাজৰ চকু থিয় হয়।

পম্পী : পথ খোলা থকা মানে কি কবলৈ বিচাৰিছা ?

হেমাঙ্গিনী : শিক্ষাৰ পথ, টকাৰ পথ, স্বামীৰ আগত মূৰ উচ্চ কৰি ৰখাৰ পথ। স্বামীয়ে তেতিয়া স্ত্ৰীক টকাৰ বলত বা গাৰ বলত চাকৰণী কৰি ৰাখিব নোৱাৰিব। যেনে ধৰিল, তোৰ ক্ষেত্ৰত পথ খুলি গৈছে, তই এতিয়া ৰাস্তাত নামিলে বুৰ্বকামী কৰিবি। কিন্তু মোৰ আগত পথ নাছিল, মই ৰাস্তাত ননমাহেতেনেই বুৰ্ব্বকামী কৰিলোহেতেন।

পম্পী : শুনা মা, কথা এটা শোধো।

(সিহঁতৰ কণ্ঠত ক্ৰমশঃ নাৰী সুলভ কোমলতা ফুটি উঠিছে।)

ধৰিলোৱা, তুমি যদি এতিয়াও দুখীয়া হৈয়েই থাকিলাহেতেন আৰু বহুত দিনৰ আগৰ সেই নয়নতৰাৰ নিচিনাকৈ ধৰা ময়ো মোহময়ী হৈ উঠিছো, তুমি জানো মোক নিজৰ মুখেৰে ডাঙৰ মানুহৰ ৰক্ষিতা হৈ থাকিবলৈ উপদেশ দিব পাৰিলাহেতেন ?

হেমাঙ্গিনী : পাৰিলোহেতেন। তোক সেই উপদেশেই দিলোহেতেন।

পম্পী : সঁচাই কৈছানে ? নিজৰ ছোৱালীক ? শৌৰ্য্য বীৰ্য্যহীন এক ষাঠি বছৰীয়া বৃদ্ধক বিচাৰি উলিয়াই কন্যা দান কৰি মুক্তি পোৱাৰ বাবে ?

হেমাঙ্গিনী : (জোৰেৰে) কেতিয়াও নহয়। নিজৰ ছোৱালী বুলিয়েই তাইক বিয়া দি কবৰস্থ কৰিব নোৱাৰিম। তই মোক এনে এজনী মা বুলি ভাবিছ নেকি ? নিজৰ হাতেৰে তোক মধ্যবিত্ত সংসাৰৰ ঘানিত জোঁটি দি স্বস্তিৰ নিশ্বাস পেলাম ?

পম্পী : কিন্তু ঘানিৰ ৰছদ সম্ভাৰ নহলেই যে বেশ্যা হবলগীয়া হব তাৰ কিবা মানে আছে? আৰু অন্যপথ এটাও নাইনে ?

হেমাঙ্গিনী ঃ নাই। কিমানবাৰ কম পম্পী, খবৰ কাগজৰ দুই চাৰিটা ছোৱালীৰ কাম খালীৰ বিজ্ঞাপন দেখিয়েই পাহৰি গলি? তেওঁলোকে যে সমাজখনক কি কৰি ৰাখিছে নহয় - এদাল চাবুকেৰে - নীতি বাগীশ সকল আৰু লম্পট ডাঙৰ মানুহৰ দলক খেদি নিদিলে এশ বছৰতো একো নহব। ফেনৰ তলত ঠাণ্ডা কোঠাত বহি এওলোকে সমাজৰ নীতি তৈয়াৰ কৰিছে - গণিকা বৃত্তি সমাজৰ কলঙ্ক, নাৰীত্বৰ অপমান। তেওঁলোক মিছলীয়া, সমাজৰ কলঙ্ক হল দাৰিদ্র্য, বেশ্যাবৃত্তি নহয়। বাল্টিয়ে বাল্টিয়ে পানী তুলি ঘৰবাৰী শুদ্ধ কৰিলে নাৰী!ত্বৰ অপমান নহয়? নিৰক্ষৰ কৰি ৰাখিলে নাৰীৰ অপমান নহয়? গোটেই দিন ৰান্ধনি ঘৰত সোমাই দাইল চব্জি বনালে অপমান নহয়? সত্তৰ টকাৰে এমাহৰ সংসাৰ খৰচ চলাবলৈ কলে অপমান নহয়? ধৰ্ষণ কৰি কৰি স্বাস্থ্য ভাঙি প্ৰতি বছৰে এটাকৈ কেচুৱা কোলাত তুলি দিলে অপমান নহয়? চব ভণ্ডামি। অভাবৰ মাজত মান-অপমান কি, পম্পী? এইবোৰ নুশুনিবি। নাৰীত্ব, কলঙ্ক সকলো বাজে কথা। আচল নাৰীত্ব হ'ল এই পুৰুষ নিয়ন্ত্ৰিত সমাজত চল চাতুৰী কৰি টকা উপাৰ্জ্জন কৰা, তাৰ পিছত সেই নগদ টকাৰ বলত তেওঁলোকৰ ভক্তি শ্ৰদ্ধা নগদ দামত কিনি লোৱা। জান, চন্দ্ৰামিত্ৰাই এতিয়া দিল্লীত ঘৰ কৰিছে আৰু কথায় কথায় এনেকৈ ভাৱে টকা সিঁচি দিয়ে যে গেৰুৱা বস্ত্ৰধাৰী বাবাজীৰ পৰা আৰম্ভ কৰি সমাজৰ প্ৰত্যেকজন পাগুই হাতজোৰ কৰি থিয় দি থাকে। মই অৱশ্যে ইমান খিনি নোৱাৰিম, কাৰণ এই ব্যৱসায়ত মই তাইৰ নিচিনা পৈণত নহয়। কিন্তু মই তোৰ বাবে ৰাখি গৈছো, তোক কলেজত পঢ়ুৱাবৰ বাবে দৰকাৰ হোৱা যি খিনি ৰাখি গৈছো সেয়েই যথেষ্ট - তাতকৈ বেছি কেলৈ? প্ৰতি গৰাকী মাকেই ইয়াকে বিচাৰে, তেওঁলোকৰ এইটোৱেই মাত্ৰ একমাত্ৰ সপোন। সোধ পোছ কৰি চা— সকলো ডাঙৰ ডাঙৰ ভদ্ৰ ঘৰৰ মাক সকলক। তেওঁলোকে এইটো কথাই

কব। ছোৱালীক টোপ হিচাপে ব্যৱহাৰ কৰি ডাঙৰ মানুহৰ ঘৰৰ লৰাক বৰশীত লগাই জোঁৱাই কৰি লোৱাটোৱেই তেওঁলোকৰ ধৰ্ম্ম। অৱশ্যে তেওঁলোকে চিঞৰ বাখৰ কৰি নানা নীতি নিয়মৰ কথা সজাই পৰাই কৈ ফুৰে।

পম্পী : (মাকৰ প্ৰতি তাইৰ আন্তৰিক শ্ৰদ্ধা প্ৰকাশ পায়।)
সঁচা কথা কোৱাছোন - যি কৰিছা তাৰ কাৰণে কেতিয়াও অকণো কুণ্ঠাবোধ কৰা নাই ? নানা কামৰ মাজত হঠাতে নিজৰ ওচৰত নিজকে সৰু বুলি ধাৰণা নহয় ?

হেমাঙ্গিনী : (মৃদু হাঁহি মাৰি) লাজ পাম কিয় ? মোৰতো গৰ্ব্ব হয় যে মই দেহহে বেচিছো, মন বেচা নাই। আৰু এই কথা মই সগৰ্ব্বে কব পাৰো যে মোৰ দেহ যি কিনিছে - তেওঁৰ কাণত ধৰি উচিত দাম আদায় কৰি লৈছো। ঘৰৰ গৃহিনী সকলে তেওঁলোকৰ মন বেচে, আত্মসন্মান বেচে, কেৱল মাত্ৰ খোৱা-পিন্ধাৰ সংস্থানৰ বাৰে। কেৰাণী সকলে বুদ্ধি বেচে, ডাক্তৰ সকলে প্ৰেছক্ৰিপচন বেচে, ডাঙৰ মানুহেতো মনুষ্যত্ব ই বেচি দিয়ে, সকলোৱে টকাৰ কাৰণেই বেচে। আৰু মইতো কেৱল দেহ বেচিছো, মন বেচা নাই। আৰু তোৰ সেই সাধু পুৰুষ সকলেই কয় - দেহটো তুচ্ছ, আত্মাই আচল। এতেকে লাজ পাম কিয় ? এওঁলোক সকলো কেইজনতকৈ মইতো সৰু নহয়, এফালৰ পৰা এওঁলোকতকৈ মই বহুত ডাঙৰ। সেই কাৰণে এই বয়সত এই বিষয় লৈ টনা টনি নকৰো। কি দৰকাৰ, এতিয়া শান্তি বিচাৰো, অকণমান কলেইতো গোটেই চহৰতে কুৰুক্ষেত্ৰ আৰম্ভ হব। (হামিয়াই) নাই - টোপনিয়ে চকু দুটা মুদাই নিছে দেখিছো।

পম্পী : ইপিনে মইযে দুই চকুৰ পতা একে লগ কৰিব নোৱাৰিম।
(দুয়োজনী উঠে, পম্পীয়ে লাইটটো নুমাই দিয়ে। চন্দ্ৰৰ পোহৰত দুয়োকো অস্পষ্ট দেখা যায়)
কি সুন্দৰ জ্যোৎস্না!

হেমাঙ্গিনী ঃ সেই বোৰ থ - আৰু ঠাণ্ডা নলগাবি, টনচিল ফুলিলে কষ্ট পাবি।

পম্পী ঃ ধেৎ।

হেমাঙ্গিনী ঃ তেনেহলে মই যি কম সেই সকলোবোৰতেই — । ধেৎ।
(খপ কৰে যাবলৈ উদ্যত হোৱা মাকৰ পথ ৰুদ্ধ কৰি)

পম্পী ঃ নহয় মা। ইমান দিন মই য'ত আছিলো তাতেই সন্তুষ্ট আছিলো, কিন্তু আজি নিশা মোক মাটিৰ লগত মিলাই দিলা। এতিয়া কৈছো, মোক তুমি আদেশ দিব পাৰা।

হেমাঙ্গিনী ঃ (অতি দুখেৰে মূৰ লৰাই) কৈছ ঠিকেই, পম্পী, কিন্তু সেইটো জানো সেম্ভৱ? দুদিন হব, দুমাহ হব ; তাৰ পিছত? মোক আঘাত দিয়া যে কিমান সহজ সেইটো তই উপলব্ধি কৰা নাই?
(এক মুহূৰ্ত্ত নীৰৱতা। তাৰ পিছত অকস্মাতে পম্পীয়ে মাকক প্ৰণাম কৰে। হেমাঙ্গিনীয়ে তাইৰ মূৰত হাত থৈ আশীৰ্ব্বাদ কৰে।)
ভালে থাকা মা। ভালে থাকা।
(অন্ধকাৰ মঞ্চ পোহৰ হৈ উঠাৰ লগে লগে একেই দৃশ্য দৰ্শকৰ চকুত পৰে। মঞ্চৰ মাজ ভাগত কিবা এটা নলগা কামত ৰাজীৱক ব্যস্ত থকা দেখা গৈছে। গোপালকৃষ্ণৰ প্ৰৱেশ। দেউতাকক দেখি হাতৰ কামত এক মুহূৰ্ত্তও বিৰতি নিদি ৰাজীৱে কবলৈ আৰম্ভ কৰে।)

ৰাজীৱ ঃ এতিয়া নটা বাজিছে। গেৰুৱা বস্ত্ৰ পৰিধান কৰিছে। ইমান পলমকৈ শোৱাৰ পৰা উঠিবলৈ লাজ লগা নাই?

গোপালকৃষ্ণ ঃ ঠাট্টা নকৰিবি ৰাজু, ঠাট্টা কৰাৰ স্থান কাল পাত্ৰ আছে। মোৰ - কিয় জানো -

ৰাজীৱ ঃ মূৰ কামুৰিছে?

গোপালকৃষ্ণ ঃ নাই — মানে মই অসুস্থ।

ৰাজীৱ ঃ অসুস্থ নহব? যোৱা ৰাতি পুৱা পৰ্য্যন্ত সঞ্জু চলিহা আৰু আপোনাৰ মাজত যি থকা খুন্দাখুন্দ লাগিছিল !

গোপালকৃষ্ণ ঃ অৰ্থাৎ -

ৰাজীৱ : মদ খোৱাৰ ইচ্ছা হৈছিল যদি খোৱা, ইমানবোৰ আদি ৰসাত্মক গল্প কোৱাৰ কি দৰকাৰ আছিল?

গোপালকৃষ্ণ : আদি ৰসাত্মক গল্প? মই? মোৰতো মনতেই পৰা নাই, কেতিয়া?

ৰাজীৱ : মনত পৰাৰতো কথা নহয়। যিমান গিলিছিল নহয় - মোৰ ককা দেউতাৰ নামো অতি সহজে পাহৰি গলোহেতেন।

গোপালকৃষ্ণ : মনে মনে থাক। এওঁলোক দুয়ো ক'ত?

ৰাজীৱ : আছে কেনিবা। এতিয়াই আহি পাব। সঞ্জু চলিহা য'তে মৰে মৰকগৈ - প্ৰশান্ত বৰুৱা আহিলেই ক্ষমা খুজিব। সকলো ঠিক হৈ যাব।

গোপালকৃষ্ণ : কিহৰ ক্ষমা?

ৰাজীৱ : বাঃ - আলহী শোৱাৰ পৰা উঠি চাহ খাই গা -পা ধুই ফুৰিবলৈ ওলাই গ'ল, অথচ মোৰ অতিথি বৎসল পিতৃ পুৰুষৰ নাক ডকাতেই থাকিল - এইটোতো ভাল কথা নহল।

(প্ৰশান্ত বৰুৱাই বাহিৰৰ পৰা প্ৰৱেশ কৰিলে।)

গোপালকৃষ্ণ : আপোনাৰ পৰা ক্ষমা বিচাৰিছো ডাঙৰীয়া, মই ৰাতিপুৱাই শোৱাৰ পৰা উঠা উচিত আছিল। কিন্তু, মই - মানে - অসুস্থ -

ৰাজীৱ : সমিতিত হাৰি বক্তৃতা দিবলৈ গৈ ডিঙি বহি গৈছে - প্ৰশান্তদা। দুখৰ বিষয় সোনকালেই পুনৰ জোৰা লাগি যাব।

প্ৰশান্ত : নাই নাই, আপুনি একো চিন্তা নকৰিব। আপোনাৰ ঘৰটো ধুনীয়া।

গোপালকৃষ্ণ : ৰাজু, তই ডাঙৰীয়াৰ লগত গল্প কৰ। যদি অনুমতি দিয়ে - মই আজিৰ বক্তৃতাটো লিখি পেলাও।

প্ৰশান্ত : নিশ্চয়।

(গোপালকৃষ্ণ ঘৰৰ ভিতৰলৈ যায়।)

সপ্তাহত দুটাকৈ বক্তৃতা লিখি পেলোৱাটো - সহজ কথা নহয়।

ৰাজীৱ : খুবেই টান, যদি সঁচা লিখিবলৈ বিচাৰে। তেখেতে সেইটো নকৰি- কিনি লয়। এতিয়া গৈছে এচ্‌প্ৰো খাবলৈ।

প্ৰশান্ত : কিনি লয় মানে?

ৰাজীৱ : হয়। দুজন দুষ্ট লিখকে এই চহৰত থিতাপি লৈছে। দুয়োজনেই

কৃষ্ণগুৰুৰ শিষ্য। তেওঁলোকেই লিখি দিয়ে। সেইটো নকৰিলে কেইখন কিতাপৰ পাত লুটিয়াই ইলুটি সিলুটি কৰি কিবা এটা নকলী বস্তু হাতত তুলি দি আভুৱা ভাৰে।

প্ৰশান্ত : খালা - খালা - নিজৰ জন্মদাতা পিতৃ সম্বন্ধে অলপ সমীহ কৰি কথাবোৰ কলে ভাল নহয়নে বাৰু? ইচ্ছা কৰিলেই তুমি গোপালকৃষ্ণ দেৱ গোস্বামীৰ যোগ্য আৰু ভদ্ৰ সন্তানৰ অভিনয় কৰি দেখুৱাব পাৰিলাহেতেন। মইতো তোমাৰ সেই ৰূপটো দেখিছো।

ৰাজীৱ : এটা ৰাতিৰ বাবে দেউতাৰ আলহী হৈ বা দুঘণ্টা আড্ডা মাৰি ভদ্ৰতা, বিনয় প্ৰভৃতি প্ৰদৰ্শন কৰা খুব সহজ। কিন্তু মোৰ পিতৃ পুৰুষৰ লগত বাস কৰিবলগীয়া হোৱা হলে বুজিলেহেতেন - প্ৰশান্ত দা। মোৰ জীৱনত ৩৭ টা বসন্ত পাৰ হৈ গৈছে তেওঁৰ শ্ৰীমুখ চাই, তাৰ পিছত আৰু কি ঠিক থাকে?

প্ৰশান্ত : হব, হব। বন্ধ কৰা। আফ্‌টাৰ্ অল, তেখেত তোমাৰ দেউতাৰা।

ৰাজীৱ : তেখেতে এটাই মাথোন কাম কৰিছে - মোক জন্ম দিছে। (গোপালকৃষ্ণৰ প্ৰৱেশ) কি হ'ল? নিলিখিলো?

গোপালকৃষ্ণ : নাই, মানে - ইয়াৰ পৰিৱেশটো বৰ অনুকূল নহয়। লিখা মেলাৰ বাবেতো মুঠেই উপযোগী নহয়। মই ঘৰলৈ যাও। (প্ৰস্থান কৰিবলৈ উদ্যত হয়।)

ৰাজীৱ : দেখিলেতো? ক'তো এক মিনিতো ধৈৰ্য্যৰে কটাব নোৱাৰে। (বাহিৰৰ পৰা সত্যেন্দ্ৰ প্ৰসাদ চলিহাৰ আগমনত গোপালকৃষ্ণ থিয় হৈবলৈ বাধ্য হয়। ইয়াৰ লগে লগেই হেমাঙ্গিনী আৰু পম্পীৰ প্ৰৱেশ) আহক মিছেছ চেতিয়া, এই নিষ্পাপ ফুলৰ সমাৰোহৰ মাজতেই আপোনাক ভালদৰে সুৱায়।

হেমাঙ্গিনী : (অকণমান ভাল পাইছিল বুলিয়েই কব পাৰি) কথা শুনা — কৃষ্ণদা, লৰাৰ লেকাম কচা দৰকাৰ।

গোপালকৃষ্ণ : ঠিকেই কৈছে - মিছেছ চেতিয়া।

ৰাজীৱ : চাবাচ - পিতাজী। কি কথা নুশুনালে। আহক, এটা কাম কৰা যাওক। বালাজী মন্দিৰটো চাই আহক আপোনালোকে, ওচৰতে আছে, আধা ঘণ্টাও নালাগিব।

গোপালকৃষ্ণ : যা ৰাজু, দেখুৱাই আন আৰু হিন্দু ধৰ্ম্মৰ প্ৰাচীনত্ব সম্বন্ধে বিতৰ্কৰো এক সুবিধা পাব।

হেমাঙ্গিনী : কিহৰ মন্দিৰ?

গোপালকৃষ্ণ : বালাজী মন্দিৰৰ কথা কৈছো। এক বৃহৎ এলেকা। তাৰ মাজত সুপৰিকল্পিত ভাৱে নিৰ্ম্মিত দক্ষিণৰ হিন্দু ধৰ্ম্মৰ প্ৰাচীন ধ্বজা বাহক সুবিখ্যাত বালাজী মন্দিৰ।

হেমাঙ্গিনী : তেতিয়াহলে বলা কৃষ্ণদা, প্ৰাচীন মন্দিৰৰ "বালাজী" ঈশ্বৰৰ দৰ্শন কৰি আহো।

সত্যেন : মোৰো আপত্তি নাই।

(ৰাজীৱ আৰু পম্পীৰ বাহিৰে সকলোৰেই প্ৰস্থান।)

ৰাজীৱ : উঃ ৰক্ষা পৰিছো কোনো মতে। শুনা, পম্পী –

পম্পী : আৰু তুমিও শুনা ৰাজীৱ, তোমাক সাৱধান কৰি দিছো। মোৰ মাক লৈ ঠাট্টা কৰিলে কথা ভাল নহব।

ৰাজীৱ : ঠাট্টা মানে?

পম্পী : সেইযে নিষ্পাপ ফুলৰ উপমা - তোমাৰ ঠাট্টা মায়ে বুজি নেপালেও মই বুজি পাও। সাৱধান কৰি দিছো।

ৰাজীৱ : এয়া কি? হঠাৎ এই ৰণচণ্ডী মূৰ্ত্তি কিয়? যোৱা কালিওতো দুয়োজনে তোমাৰ মাতৃদেৱীৰ শ্ৰাদ্ধ কৰিছিলো, আজি হঠাতে তোমাৰ হিয়া মাতৃভক্তিত গদগদ কিয়?

পম্পী : কালি বহুত কথাই জনা নাছিলো, আজি জানিছো।

ৰাজীৱ : ও, বুজিছো, তোমাৰ মাৰাৰ লেকচাৰ বোধকৰো বাঢ়িছে। চোৱা পম্পী, তুমি আধুনিকা, ৰাজকীয় ঢং তোমাৰ মগজে ঢুকি নাপাব। মই কিন্তু এইবোৰ বিষয়ত পাকা ওস্তাদ, সেইবোৰ লেকচাৰ যে এক প্ৰকাৰ এক্টিং - মই লিখি দিব পাৰো।

পম্পী ঃ নাই - মায়ে অভিনয় কৰা নাই।

ৰাজীৱ ঃ (হঠাৎ ক্ষুব্ধ হৈ) কৰিছে। আৰু কেতিয়াবা যদি মাৰাৰ হৈ ওকালতি কৰা তেন্তে সঁচাকৈ কৈছো, - মই ইয়াতেই আত্মহত্যা কৰিম। (ডাঙৰ ছুৰি এখন লৈ বৈদ্যুতিক তাঁৰ কাটিবলৈ ধৰিলে, সভাস্থলীত বোধকৰো ফেন লগোৱা হব।)

পম্পী ঃ তুমি মৰিবা বুলি মই মাৰ লগত কথা পাতিমনে?

ৰাজীৱ ঃ (কাম কৰি কৰি) খুব সাৱধান - মইনাজান্। ভুল কৰিলে গোটেই জীৱনেই পস্তাবা। সেইবোৰ মহিলাক তুমি চিনি নেপোৱা। তেনে মহিলা ভাল হব পাৰে, কিন্তু চেষ্টা কৰিলেও তথা ইচ্ছা থাকিলেও চৰিত্ৰ আৰু শুধৰাব নোৱাৰে।

পম্পী ঃ (খঙত) ৰাজীৱ।

(ৰাজীৱে কৰ্ণপাত নকৰি কাম কৰি থাকে। পম্পীয়ে পৰাজয় স্বীকাৰৰ সম্ভাৱনা দেখি কিছুদূৰ আতৰি যায়।)

সেই বুলি তেওঁলোক ক্ষমাৰ যোগ্য নহয়? অকলে, নীৰৱে জীৱন কটাই যোৱাই তেওঁলোকৰ একমাত্ৰ অধিকাৰ? কাৰো পৰা স্নেহ ভালপোৱা তেওঁলোক পাব নোৱাৰে?

ৰাজীৱ ঃ (ওচৰলৈ আহি, হাতৰ সেই ছুৰি খন জোকাৰি জোকাৰি) ভালপোৱা বা সঙ্গীৰ অভাৱ তেওঁলোকৰ কেতিয়াও নহয়। সেইকাৰণে তুমি মূৰত হাত দি ভাবিব লগীয়া নহব।

পম্পী ঃ অৰ্থাৎ মই মাক ভাল পাব নোৱাৰিম? এয়েতো?

ৰাজীৱ ঃ ঠিক - সেয়ে। তুমি নোৱাৰিবা। কাৰণ তুমি মোৰ। বহুতো সহ্য কৰিছো, হাতজোৰ কৰি এওঁলোকৰ অনুমতি বিচাৰিছো। তেওঁলোকে হাঁহি উৰুৱাই দিছে, মোক অপমান কৰিছে। এতিয়া তোমাক মই বল প্ৰয়োগ কৰি নিম। বলা পম্পী, পলাই যাওঁ।

পম্পী ঃ কলৈ যাম?

(ৰাজীৱৰ দৃঢ়তাত পম্পীৰ চকু মুখ আবেগত উদ্বেলিত হৈ উঠে।)

ৰাজীৱ ঃ যলৈ গলে আমাক কোনেও বিচাৰি উলিয়াব নোৱাৰিব।

পম্পী : কেৱল তুমি আৰু মই -

ৰাজীৱ : আৰু কোনেও নাজানিবও

পম্পী : পাহৰৰ নামনিত পাহাৰীয়া জুৰিটিৰ দাঁতিত সৰু এটা ঘৰত -

ৰাজীৱ : য'ত মা-দেউতাৰ ধম্‌কি, চশমা পিন্ধা ভ্ৰূকুটি নাই -

পম্পী : সেই কথা নকবা। মা-দেউতাৰ কথা নকবা ৰাজীৱ, তেওঁলোকৰ কথা একেবাৰেই পাহৰিবলৈ দিয়া। (কিছু নীৰৱতা) আমি কি বুৰ্ব্বক। বয়স হল অথচ লৰাৰ ধেমালিবোৰ ন'গল।

ৰাজীৱ : লৰাৰ ধেমালিয়েই ভাল, লৰাৰ ধেমালি কৰিবলৈ দিয়া।
(সত্যেন আহি থিয় হলহি।)
ধুৰ্ত্ত।

পম্পী : কি হ'ল?

ৰাজীৱ : (অনুচ্চস্বৰে) ষাঁড়টো আহি উপস্থিত।
(কিছু দূৰ আতৰি যায়।)

সত্যেন : তোমাৰ লগত অলপ কথা আছিল, মিছ চেতিয়া।

পম্পী : কওক।

সত্যেন : (ৰাজীৱক) তোমাক দেউতাৰাই মাতিছে।

ৰাজীৱ : গৈছো। পম্পী, আৱশ্যক হলে গগনভেদী চিঞৰিবা।
(ছুৰিখন নচুৱাই নচুৱাই ৰাজীৱৰ প্ৰস্থান।)

সত্যেন : (ৰাজীৱৰ ফালে চাই) লৰাটো তিমান বেয়া নহয়। যদি হাতত অলপ ধন্ বিত থাকিলহেতেন -।

পম্পী : সেই কাৰণেই তেওঁৰ ভাগ্যত ছোৱালী এজনীও নুজুটিব, কিয়?

সত্যেন : (পম্পীয়ে যে তেওঁৰ কথাৰ আচল উদ্দেশ্য ধৰি পেলাইছে সেই কথাত কিছু অপ্ৰস্তুত হৈ) নাই, ছোৱালী হয়তো পাব পাৰে। কবলৈ বিচাৰিছিলো যে সংসাৰত টকা লাগে - টকা টকাই। (পম্পী নিৰুত্তৰ) মেঘ আছে, অথচ বৰষুণ নাই - এই পৰিৱেশ মোৰ ভাল লাগে।

পম্পী : (উচ্চস্বৰে) সেই বিষয়ত সন্দেহ ক'ত?

সত্যেন : (অকণমান হাঁহি) ঠিক ধৰিছা। পৰিৱেশ আলোচনা কৰিবলৈ মই অহা নাই। (বহি) শুনা - মিছ চেতিয়া, কমবয়সীয়া ধুনীয়া ছোৱালীক ভাল পোৱাৰ বাবে মোৰ একোৱেই নাই - সেইটো মই জানো।

পম্পী : নিশ্চয় জানে ?

সত্যেন : জানোতো। মই সেইবোৰ পছন্দো নকৰো। মই যেতিয়া কিবা কথা কওঁ, খুব বিচাৰ বিবেচনা কৰিয়েই কওঁ। যদি মোৰ কিবা ভাল লাগে তাক মই গভীৰভাৱেই ভাল পাওঁ। (পম্পীয়ে অলপ হাঁহে) আৰু নগদ দাম নিদিয়াকৈ একোৱেই মই অধিকাৰ কৰিবলৈ নিবিচাৰো।

পম্পী : এইবোৰ অত্যন্ত উচ্চ আদৰ্শ, চলিহা চাহাব।

সত্যেন : নাই। আত্মপ্ৰচাৰ কৰিবলৈ বিচৰা নাই। মোৰ দোষ আছে, প্ৰচুৰ আছে। কিন্তু সেই দোষ ধৰা পেলোৱা আৰু সংশোধনৰ ক্ষমতাও মোৰ আছে। মধ্য বয়স্ক লোকৰ এই এক সুবিধা, যৌৱনৰ উতলা বতাহত নিজৰ দোষ নিজৰ ওচৰত কেতিয়াও ধৰা নপৰে। মোৰ বিগত যৌৱন। বয়সৰ লগে লগে সৰলতা আহিছে - নম্ৰতা, ধৈৰ্য্য সকলোবোৰেই আহিছে।

পম্পী : অমৃতৰ পুত্ৰৰ মৰণ নাই।

সত্যেন : সঁচা কথা, ইয়াৰ কাৰণেই মানুহ অমৰ হৈ উঠে। সকলোবোৰতো বুজিয়েই পাইছা আৰু নীৰস টকা পইচাৰ কথা যদি কোৱা -তেনেহলে কব পাৰো - টকা উৰুৱা বুলিলে যি বুজায় তেনে কাম মই কেতিয়াও কৰা নাই। বোপাইৰ টকা চন্দুকত নাৰাখি নানা ব্যৱসায়ত খটুৱাইছো। আৰু এতিয়া মানুহে মোক ধনী বুলি কয়। টকাৰ ফালৰ পৰা চাবলৈ গলে এইটো কথা কব পৰা যায় যে টকা পইচাৰ ক্ষেত্ৰত মই বিশেষ ভাৱে নিৰ্ভৰযোগ্য ব্যক্তি।

পম্পী : মোক এইবোৰ কথা কোৱাটো কোনো প্ৰয়োজন নাছিল।

সত্যেন : ৰবা - ৰবা - মিছ চেতিয়া। মই কি কবলৈ বিচাৰিছো সেইটো তুমি খুব ভালদৰেই জানা। ৰত্নপুৰ চহৰৰ উদ্যোগপতি তথা চাহ বাগিচাৰ মাজু মালিক সত্যেন্দ্ৰ প্ৰসাদ চলিহাৰ এগৰাকী সুন্দৰী পত্নী নথকাটো

হাঁহিয়াতৰ কথা হৈছে। সুন্দৰী পত্নীৰ লগত মই সুখেৰে ঘৰ পাতিবলৈ বিচাৰো। তেওঁক মই পাটৰাণীৰ মৰ্যাদা দিম — অভদ্ৰামি কৰা নাইতো?

পম্পী ঃ নাই, নাই, চলিহা চাহাব, মোৰ দৰে সাধাৰণ ছোৱালীক আপুনি পছন্দ কৰিছে - টকা, পাটৰাণীৰ খিতাপ সকলো দিবলৈ বিচাৰিছে তাৰ কাৰণে মই কৃতজ্ঞ। (উঠি) কিন্তু মোক ভুল নুবুজিব - মই এই প্ৰস্তাৱ প্ৰত্যাখান কৰিছো।

সত্যেন ঃ (অকণো নিৰুৎসাহ নহৈ) নাই, কোনো খৰখেদাৰ প্ৰয়োজন নাই। চিন্তা কৰা। মই কিন্তু কিবা এটা আশঙ্কা কৰিহে খৰ খেদা কৰিছো,কাৰণ সেই ৰাজু গোস্বামীয়ে কিবা কৰি পেলোৱাৰ আগেয়েই মই সাহস বুকুত বান্ধি প্ৰস্তাৱটো দাঙি ধৰিছো। ভাবি চোৱা।

পম্পী ঃ মই কৈছো নহয় চলিহা চাহাব। আৰু ভাবিবৰ দৰকাৰ নাই। (সত্যেনৰ ভাবৰ পৰিবৰ্ত্তন নহয়, পম্পীৰ কথাত নীৰৱে হাঁহে, পম্পীৰ দেহ মন যেন জ্বলি যায়।)

সত্যেন ঃ চোৱা, বয়সত মই তোমাতকৈ ত্ৰিশ বছৰৰ ডাঙৰ। আৰু কিমান দিনেই বা জীয়াই থাকিম? মোৰ টকা পইচা, স্থাৱৰ-অস্থাৱৰ সকলো সম্পত্তিয়েই তোমাৰ।

পম্পী ঃ ইমান প্ৰলোভনেও মোক ট লাব নোৱাৰে চলিহা চাহাব। উত্তৰটো পায়েই গৈছে - এতিয়া যাওক। চলিহা চাহাব।

সত্যেন ঃ (থিয় হৈ ওচৰলৈ আহি) এনে কিছুমান কথা কব পাৰো, যাতে তোমাৰ উত্তৰটো তৎক্ষনাৎ ওলোটা হৈ যাব পাৰে। কিন্তু মই সেই কথা কবলৈ নিবিচাৰো। সৰল মনেৰে ভালপোৱা যাচিয়েই তোমাৰ মন জয় কৰিবলৈ বিচাৰো। তোমাৰ মাক সুধি চোৱা, কেনেকৈ আমি তেওঁক বছৰৰ পিছৰ বছৰ সহায় কৰি আহিছো। তোমাৰ শিক্ষা-দীক্ষা, সকলোবোৰেই যে ব্যৱসায়ৰ টকাৰে সম্পূৰ্ণ কৰা হৈছে আৰু সেই ব্যৱসায় যে মোৰ টকাৰেই গঢ়ি উঠিছিল - সেই কথা তুমি জানো জানা? আজি পৰ্য্যন্ত তোমাৰ মাৰ ব্যৱসায়ত

মই লাখ টকা খৰচ কৰিছো।

পম্পী ঃ জানো।

সত্যেন ঃ এতিয়া বুজি পাইছা, কথাটো চুপে চাপে মীমাংসা কৰি লোৱাই উচিত। ধৰি লোৱা মোৰ মুখৰ পৰা বাহিৰ হৈ যোৱা কথাৰ পম খেদি কোনোবা মানুহে যদি প্ৰশ্ন কৰে কিহৰ ব্যৱসায় আপোনাৰ? কি উত্তৰ দিব তেওঁ?

পম্পী ঃ তাত কিবা সৰ্ব্বনাশ হব বুলিতো ধাৰণা নহয়, চলিহা চাহাব। কেতিয়াই সেই ব্যৱসায়ৰ খাটা বন্ধ হৈ গৈছে, ইমান বছৰৰ পিছত-

সত্যেন ঃ ব্যৱসায় বন্ধ হৈ গৈছে? কোনে কলে তোমাক? শতকৰা ৩৫ পৰা ৪০ টকা যি ব্যৱসায়ত লাভ হয়, সেই ব্যৱসায় বন্ধ হৈ যাব? ব্যঙ্গ কৰা নাইতো?

পম্পী ঃ (বিবৰ্ণ মুখেৰে) তাৰ মানে? সেই ব্যৱসায় কি এতিয়াও .....

সত্যেন ঃ ঠিক চলি আছে। অৱশ্যে সেই ব্যৱসায়টো আচল অৰ্থত - ঠিক তেনে নহয়। অৰ্থাৎ ৰত্নপুৰৰ মাজু মালিকৰ পক্ষে এনে বিষয়ত জড়িত হৈ পৰাটো ঠিক সন্মানজনক কথা নহয়।

পম্পী ঃ আৰু ৰত্নপুৰৰ মাজুৰাণী হৈ মোক সেই ব্যৱসায়ত জড়িত হোৱাৰ কথা কৈছে?

সত্যেন ঃ নাই, নাই - পত্নীক ব্যৱসায় - ব্যৱসায়ত জড়িত কৰাটো মোৰ মানে - মতলব নহয়। অৱশ্যে তুমি কিছু পৰিমাণে জড়িত থকাটো অস্বীকাৰ কৰিব নোৱাৰি। অৱশ্যে তাৰ পৰা আতৰত থকাটো সম্ভৱ নহয়।

পম্পী ঃ অৰ্থাৎ?

সত্যেন ঃ সেই ব্যৱসায়ৰ টকাতেইতো ইমান দিনে খাইছা, পঢ়িছা। সেই ব্যৱসায়ক তুমি অবজ্ঞা কৰাটো শোভা নাপায়, পম্পী। আনকি ইউনিভাৰ্চিটিৰ ডিগ্ৰী আৰু শিক্ষাৰ দম্ভ, এই সকলোবোৰ যে সেই ব্যৱসায়ৰ অনুগ্ৰহত। এতিয়া ব্যৱসায়টো কি কৈয়েই পেলাও -

পম্পী ঃ দৰকাৰ নাই, মই জানো।

সত্যেন ঃ জানা? কোনে কলে?

পম্পী : আপোনাৰ বিজনেচ পাৰ্টনাৰ। মা। (সত্যেনে নিজকে চম্ভালি লয়। বুজি পালে কোমল মাতেৰে কথা কোৱাই এতিয়া প্ৰয়োজন।)

সত্যেন : তেওঁ কোৱা উচিত হোৱা নাই। তুমি যে কিমান ডাঙৰ আঘাত পাব পাৰা - এই কথা তেওঁ বুজি পোৱা উচিত আছিল। তেওঁৰ ঠাইত মই হোৱাহেতেন নকলোহেতেন।

পম্পী : কলেহেতেন। বিয়াৰ পিছত কলেহেতেন। সেই ইতিহাস কৈয়েই মোক পদ দলিত কৰি ৰাখিলেহেতেন।

সত্যেন : বিশ্বাস কৰা - কেতিয়াও নকলোহেতেন।

পম্পী : (সত্যেনক মূৰৰ পৰা ভৰিলৈকে নিৰীক্ষণ কৰি) যাবলৈ দিয়ক। সেইবোৰ কথা কৈ লাভ নাই। কাৰণ আজিৰ পিছত আমাৰ আৰু দেখা দেখিও নহব।

সত্যেন : কি কৈছা? কিয় দেখা দেখি নহব? আজীবন তোমাৰ মাৰ কাষত ছাঁটোৰ দৰে থাকি তেওঁক সহায় কৰিছো, সেই কাৰণেই এই পুৰস্কাৰ দিবলৈ বিচাৰিছা?

পম্পী : মাক সহায় কৰা নাই। লাভৰ বাবে টকা ঢালিছে। মোৰ মা দুখীয়া ঘৰৰ ছোৱালী আছিল, সেই ব্যৱসায়ত নামিছিল দুবেলা দুমুঠি খাই লৈ থাকিবৰ বাবে। আপুনি ডাঙৰ মানুহ, আপুনিও নামিছিল শতকৰা ৩৫ টকা মুনাফাৰ বাবে। এক কথাত আপুনি এটা মস্ত স্কাউনড্ৰেল।

সত্যেন : (হাঁহি হাঁহি) কোৱা, কোৱা পম্পী আৰু কোৱা, কৈ যোৱা। মোৰ কথা হৈছে - মোৰ ইচ্ছা অনুযায়ী টকা খটোৱাৰ জানো অধিকাৰ নাই? টকা ঢালিছো কাৰণে সেই পাপে জানো মোক নুচুব? সেইবোৰ লেতেৰামিৰ মাজত মই নিজকে কেতিয়াও জড়িত কৰা নাই, সেয়া তোমাৰ মাৰাৰ ডিপাৰ্টমেণ্ট। মই কেৱল কল্পতৰু আৰু টকাৰ কুম্ভীৰ। সমাজৰ যি কোনো এটা কোনো এটা দিশকে নধৰা কিয়? চালি জাৰি চোৱা। দেখিবা, সমাজৰ বিত্তবান লোকৰ মাজত দুই এখন মেচেজ ক্লিনিক আছেই। তাৰ কাৰণে কি তেওঁলোক সমাজত

মুধা ফুটা নহৈ, ভৰিৰ ধুলি কণা হৈ বহি থাকিব? মোৰ দাদা ধীৰেন্দ্ৰ কুমাৰ চলিহাই তেওঁৰ কয়লা খনিৰ পৰা শতকৰা ২২ টকা মুনাফা কৰে, আৰু সেই খনিত ৬০০ জনী ছোৱালীয়ে দৈনিক এটকা হাজিৰাত কাম কৰি আছে। কেনেকৈ সিহঁতে পেট প্ৰবৰ্ত্তাব? সেই কাৰণে বীৰেন্দ্ৰ কুমাৰ চলিহা স্কাউনড্ৰেল হৈ গ'ল? সেইবোৰ ইয়াৰ্কি মৰা কথা কৈ কিবা লাভ আছে? সকলোৰে টকা কৰিছে, ময়ো কৰিছো। ইমান সাধু সাজি ব্যৱসায় কৰিব নোৱাৰি, সমাজত বাস কৰাও সম্ভৱ নহয়।

পম্পী ঃ আৰু কব পাৰে, কিয় মই ইমানদিনে এই টকা কৰ পৰা আহিছে সেই প্ৰশ্ন কৰা নাই। মইতো বিনাবাক্যব্যয়ৰে সেই টকা ভোগ কৰি গৈছো। হয়, এফালৰ পৰা ময়ো আপোনাৰ দৰেই স্কাউনড্ৰেল।

সত্যেন ঃ (আশ্বস্ত হৈ) সেই কাৰণেইতো কৈছো। আমি সকলো সমানে অপৰাধী। সেইহে প্ৰশ্ন জাগিছে, এই চোচাইটিৰ কিবা অৰ্থ আছে?

পম্পী ঃ নাই, কিবা অৰ্থ আছে বুলি মই নাভাবো।

সত্যেন ঃ সেই কাৰণে ভাবি চাবা। মই খুব বেয়া মানুহ নহয়, প্ৰমাণ পাই গৈ থাকিবা। ইয়াৰ উপৰিও মোৰ আভিজাত্য আছে, বংশ গৌৰৱ আছে। যিখন সমাজৰ ব্যক্তি বিশেষৰ লগত মোৰ মিলা মিছা - তেওঁলোক সকলোৱেই সম্ভ্ৰান্ত পৰিয়ালৰ লোক। তোমাৰ মাৰাৰ ব্যৱসায় সম্বন্ধে কোনো প্ৰশ্ন তেওঁলোকে কোনো দিনেই নকৰিব, জানিলেও নকৰিব। সেইবোৰ আমাৰ সমাজৰ ৰুচি বিগৰ্হিত কথা। নিশ্চয় বুজি পাইছা মোক বিয়া কৰালে - সেই বিষয়ত নিশ্চিন্ত থাকিব পাৰিবা।

পম্পী ঃ আপোনাৰ ধাৰণা- নিশ্চয় আপোনাৰ কথাই আপোনাৰ প্ৰতি মোক আকৰ্ষিত কৰিছে অথবা আপোনাৰ প্ৰস্তাৱত মই প্ৰায়েই ৰাজী হৈছো, নহয় জানো?

সত্যেন ঃ তোমাৰ অনুমান মই মিছা বুলি নকও। মই যে স্কাউনড্ৰেল নহয় সেই কথাটো এতিয়া পানীৰ দৰে ফটফটীয়া হৈ উঠিছে - সেইটো

নিজেই বুজি পাইছা। তাৰ পিছত যে কিবা আপত্তি থাকিব পাৰে - সেইটো কথা ভাবিবই নোৱাৰি।

পম্পী : চাওক চলিহা চাহাব, আপত্তি কৰিবলৈও মোৰ ইচ্ছা যোৱা নাই, কাৰণ আপোনাক মই সহ্য কৰিব পৰা নাই। যিখন সমাজে আপোনাৰ নিচিনা মানুহৰ হাতত আইন তুলি দিছে, বাহু বল দিছে, অৰ্থ বল দিছে, জীয়াই ৰাখিছে — সেই সমাজখনক অসহ্য লাগিছে। মোৰ মাৰ নিচিনা এজনী দুশ্চৰিত্ৰা মহিলাৰ হাতত আৰু আপোনাৰ দৰে অৰ্থ পিপাসু পিশাচৰ হাতত যিমান ছোৱালীৰ জীৱন ধ্বংস হৈছে আৰু বৰ্ত্তমানেও হৈ আছে সিহঁতৰ কথা মনলৈ আহিলে আপোনালোকৰ নিচিনা মানুহক হত্যা কৰাৰ ইচ্ছা হয়।

সত্যেন : খবৰদাৰ।

পম্পী : বাঃ, চমৎকাৰ। হাতত লাঠী আছে, কণাৰ সাৰথি নাই। ছোৱালীক প্ৰহাৰ কৰিবলৈ ভয় ক'ত? ওলোতাইতো সিহঁতে মাৰিব নোৱাৰে।

সত্যেন : মই আৰু সহ্য নকৰো। গোটেই চহৰখন বৌজাল ৰৌজাল কৰি দিম। তোমালোক ইয়াত থকাটো দুৰ্ব্বহ কৰি দিম।

পম্পী : মনে মনে থাওক। ব্লেকমেইল কৰি মোক হাত কৰিব নোৱাৰিব। (খণ্ডত অগ্নিশৰ্মা হৈ যাবলৈ উদ্যত হোৱা পম্পীক সত্যেনে বাধা দিয়ে। পম্পী অকণমানো বিচলিত নহৈ হঠাৎ উচ্চস্বৰে কৈ উঠে।) ৰাজীৱ।

ৰাজীৱ : (প্ৰৱেশ কৰি বিস্মিত মুখেৰে) পেটত মাৰিম নে পম্পী, নে বুকুত?

পম্পী : কাণ পাতি শুনি আছিলা?

ৰাজীৱ : নাইতো। মাত্ৰ - দৰকাৰ হয় বুলি সেইখিনিতেই ৰেডী হৈ ৰৈ আছিলো। আৰু এটা শিলত ঘঁহি এইখনত ধাৰ দিছিলো।

সত্যেন : ইচ্ছা কৰিলে এইখন কাঢ়ি লৈ তোৰ ডিঙিত বহুৱাই দিব পাৰিম, বুজিছ?

ৰাজীৱ : চেষ্টা কৰি চোৱাছোন।

পম্পী : লৰাৰ ধেমালি নকৰিবা ৰাজীৱ, সেইখন পেলাই দিয়া।

ৰাজীৱ ঃ সেইটো হয়। পিছে সুযোগ এবাৰ হাত ছাড়া হলে দুনাই ঘূৰি নাহে।

(সত্যেন আক্রমনাত্মক ভঙ্গীত এখোজ অগ্রসৰ হওতেই ৰাজীৱে ছুৰিৰ তীক্ষ্ণ ফালটো অংশ তেওঁৰ পেটৰ নিচেই ওচৰত ৰাখি - চিঞৰি উঠে।)

তল পেটটো তোমাৰ মাখনৰ দৰে কোমল, অনায়াসে হুচ কৰি সোমাই যাব।

(পিছলৈ গৈ, ৰাজীৱো অকণমান আগুৱাই আহি) একো নকৰো। ভয় নাই।

সত্যেন ঃ পেটত ধাৰ থকা ছুৰিয়ে খুচি মোক দিছে অভয়। বাঃ কি চমৎকাৰ ৰণ নীতি।

পম্পী ঃ বাদ দিয়া ৰাজীৱ।

(ৰাজীৱক এক প্রকাৰ বাধা দি আতৰাই আনে। সত্যেনৰ মুখত অবজ্ঞাৰ হাঁহি পুনৰ ফুটি উঠে। মাটিৰ পৰা ছুৰিখন তুলি লৈ তেওঁ কয়।)

সত্যেন ঃ পম্পী। এনেকৈ মোৰ প্ৰাণ ৰক্ষা কৰি ভুল কৰিলা. মোৰ মুখ বন্ধ কৰি দিয়াই উচিত। এতিয়া যে অঘটন ঘটিব।

(যাবলৈ উদ্যত। পম্পীৰ মুখত অৱজ্ঞাৰ হাঁহি। গেটৰ ওচৰৰ পৰা সত্যেন ঘূৰি আহে।)

শুনা - পম্পী, ডেকা লৰা ৰাজুৰ লগত যেতিয়া তোমাৰ ইমান হেৰি মানে ভাব, তেতিয়া হলে তুমি তোমালোকক জানি ৰখা ভাল। ৰাজীৱ বোপা, পৰিচয় কৰি দিও, তোমাৰ মাহী মাৰাৰ ছোৱালী পম্পী চেতিয়া হ'ল তোমাৰ ভনী - পম্পী চেতিয়া। গোপালকৃষ্ণ দেৱ গোস্বামীৰ কনিষ্ঠা কন্যা। পম্পী - এই ৰাজু ভাইটি তোমাৰ মৰমৰ দাদা। তোমালোক এজন পিতৃৰেই দুজন সন্তান, দুটা চকুৰ মণি, একেডাল মালাৰে দুটা ফুল।

(ৰাজীৱ আৰু পম্পী হতবুদ্ধি হৈ সৰগ পৰা, মানুহৰ দৰে থিয় হৈ

থাকে, মৃদু হাঁহি মুখত লৈ সত্যেনে প্ৰস্থান কৰে। হঠাৎ ৰাজীৱে ছুৰিখন তুমি তেওঁৰ পিছ লবলৈ উদ্যত হয়। পম্পী আহি বাধা দিয়ে।)

ৰাজীৱ : আতৰি যোৱা, তাক মই হত্যা কৰিম।

পম্পী : তেওঁক মৰাতকৈ মোক মাৰা ৰাজীৱ। সেইখন মোৰ বুকুত বহুৱাই দিয়া। অলপ মাংস চিঙি নিয়া, অকণমান শান্তি পাম।

(ৰাজীৱ বহি পৰে, পম্পীও নীৰৱ।)

ৰাজীৱ : ভদ্ৰলোকে নিশ্চয় মিছা কথা কৈছে। আৰু সঁচা কলেই বা ক্ষতি কি? দাদা ভনীৰ নিচিনাকৈ থাকিম আমি। বলা, পম্পী - বলা যাও নীল সাগৰৰ অচিন পুৰীলৈ।

পম্পী : সেইবোৰ আৰু মোৰ পৰা নাপাবা আৰু নহবও। কাঁইটে বিন্ধা দি শৰীৰত বিন্ধিছে।

ৰাজীৱ : ভাগি পৰিছা কিয়?

পম্পী : (চকুত পানী) সঁচা কথা, সঁচা কথাই কৈছে ভদ্ৰলোকে।

ৰাজীৱ : জানো। কালি ৰাতি দুটা বজালৈকে বুঢ়াৰ লগত বহি মদ খাইছে। মোক বুঢ়াই কৈছে। এই কাৰণেই তোমাৰ লগত বিয়াৰ কথা শুনিলেই বুঢ়া খঙত জ্বলি যায়। (বিষাদৰ মাজত হাঁহি) ভদ্ৰলোক বৰ ৰসিক। ঠিক সময়ত এনে ৰসিকতা কৰিছে।

(পম্পীয়ে মূৰ তুলি স্থিৰ হৈ থিয় হ'ল।)

ক'লৈ যাবা?

পম্পী : বিদায় দিয়া, ৰাজীৱ আৰু দুখ নিদিবা।

(প্ৰশান্তই এক প্ৰকাৰ তৰা নৰা চিঙি প্ৰৱেশ কৰে। ৰাজীৱৰ প্ৰস্থান)

প্ৰশান্ত : কি হ'ল? কথাটো কি?

(পম্পী প্ৰকৃতিস্থ হৈ স্থিৰ হৈ থিয় দি থাকে)

পম্পী : কি হ'ল মানে? একো হোৱা নাই।

প্ৰশান্ত : নাই? সত্যেনৰ সৈতে ৰাস্তাত মোৰ হঠাৎ দেখা দেখি হল। তেৱেঁই মোক তৎক্ষণাৎ আহিবলৈ কলে, কাৰণ পম্পীয়ে হেনো আত্মহত্যা

কৰিছে।

(পম্পীয়ে ম্লান হাঁহি মাৰিলে।)

পম্পী : নাই, আত্মহত্যা কৰা নাই। ঠাই পৰিত্যাগ কৰিম।

প্ৰশান্ত : কিয় ?

পম্পী : বহু কথা। আপুনিতো সকলো জানে। যোৱা কালিয়েই মোক কোৱা উচিত আছিল। কিয় নকলে ? আপোনাৰ মুখৰ পৰা শুনাহেতেন আঘাতটো কম পালোহেতেন।

প্ৰশান্ত : ভুল কৰিছিলো। সেই সত্যেন চলিহা - তেওঁ এটা দয়ামযাহীন পশু। কলৈ যাব পম্পী ?

পম্পী : কৈছো নহয়, কলেজত চাকৰি কৰিম।

প্ৰশান্ত : গোটেই জীৱন চাকৰি কৰি কটাব ? জানে বছৰৰ পিছত বছৰ ঘড়ীৰ টিকনীত ধৰি কাম কৰি যোৱাটো কিমান কঠিন ? সেই জেলখানাত আপোনাৰ জীৱন অসহ্য হৈ নুঠিব ?

পম্পী : নুঠে।

প্ৰশান্ত : পম্পী, মই আপোনাতকৈ বয়সত বহুত ডাঙৰ, তথাপি কৈছো, মোৰ লগত বিয়া হ'ব ?

পম্পী : আপোনাৰ অশেষ দয়া মিষ্টাৰ দুৱৰা। তথাপি ক্ষমা কৰিব। আপোনাৰ কৰুণা মই সহ্য কৰিব নোৱাৰিম। চাকৰিৰ জেলখানাৰ পৰা এনেকৈ মুক্তি লাভ কৰাৰ মোৰ বাসনা নাই।

প্ৰশান্ত : বেছ তেনেহলে। কিন্তু ইয়াত থাকিবলৈ আপত্তি কিয় ? মাকক ক্ষমা কৰিব পৰা নাই ?

পম্পী : নাই।

প্ৰশান্ত : কিয় ? যৌৱনত এটা ভুল কৰিছিল মিছেছ চেতিয়াই। অবিবাহিত আৱহাৱাত সন্তানৰ জন্ম দিছিল। সেইটো কি ইমানেই অক্ষমনীয় ভুলনে ?

পম্পী : তাৰ মানে ? আপুনি তেনেহলে অকল এই কথেই জানে ? মই জাৰজ সন্তান।

প্ৰশান্ত ঃ ও, এই কণেইতো। আৰু কি জানিব লাগে?

(পম্পীৰ হাঁহি উঠে।)

পম্পী ঃ আপুনি একোৱেই নেজানে, দুৰ্বৰা ডাঙৰীয়া। ই যৌৱনৰ এক কলঙ্কই নহয়, মোৰ মা পেশাদাৰী বেশ্যা আছিল। সঞ্জু চলিহাৰ লগত তেওঁ মেছেজ ক্লিনিকৰ ব্যৱসায় কৰিছিল। মোক তেওঁ যোৱা কালি সকলো কৈছিল। মাত্ৰ এই কথাটোকে তেওঁ গোপনে ৰাখিছিল যে সেই ব্যৱসায় এতিয়াও চলাই আছে। যদিও এতিয়া তেওঁৰ কোনো অভাৱ নাই, তথাপি শতকৰা ৩.৫ টকা মুনাফা এৰি দিয়াৰ মন তেওঁৰ মুঠেই নাই। সেয়ে এতিয়াও মোৰ বয়সীয়া বহুতো ছোৱালীৰ জীৱন তেওঁ ধ্বংস কৰি আছে। আচল অৰ্থত খাটি ব্যৱসায়ী-- কি কয়? এইবোৰ সত্বেও মই এটা সুযোগ পাইছিলো। ৰাজীৱক মই ভাল পাইছিলো, তেওঁৰ লগত পলাই যোৱাৰ প্লেনো কৰিছিলো। এনে সময়তে অৱগত হৈ পৰিলো যে মোৰ মাই ক'ত কেতিয়া কাৰ লগত ৰাতি উদ্‌যাপন কৰিছে - সেই কথা সঠিক ভাৱে নজনাকৈ ৰাজীৱৰ প্ৰেমত পৰাটো মোৰ পক্ষে বৰ অন্যায় হৈছিল। ৰাজীৱৰ লগত মোৰ তেজৰ সম্বন্ধ আছে - তেওঁ মোৰ তেজ মঙহৰ দাদা, কাৰণ তৰ্ক শাস্ত্ৰী শ্ৰীগোপাল কৃষ্ণ দেৱ গোস্বামীৰ ঔৰসত হেমাঙ্গিনী চেতিয়াৰ গৰ্ভত মোৰ জন্ম হৈছিল। এতিয়া বুজিব পাৰিছে - ঘটনা কিমান জটিল, কিমান গুৰুত্বপূৰ্ণ। সেয়ে এই ঘৰ এৰি গুচি যাবলৈ ওলাইছো। (অলপ ৰৈ) ৰাজীৱক দাদা বুলি মতাটো মোৰ কাৰণে বিশেষ টান কথা নহব, কিন্তু মাৰ ছত্ৰছাঁয়াত জীৱনৰ বাকী দিন অতিবাহিত কৰিবলৈ ঘৃণা জন্মিছে।

(প্ৰশান্ত চকীত বহি পৰিল, পম্পী ওচৰলৈ গৈ উভতি আহিল, এক মুহুৰ্ত্ত প্ৰশান্তলৈ লক্ষ্য কৰে, তাৰ পিছত আগবাঢ়ি গৈ কয়।)

প্ৰশান্ত ঃ আপোনাৰ কথাই সত্য। আপোনাক বিয়া কৰাই সুখী হোৱাই

শ্রেয়। মোক বিয়া কৰাব?

(প্রশান্ত ভীষণ অস্বস্তি আৰু শংকিত হৈ থিয় দি সেমেনা সেমেনি কৰে। পম্পীয়ে তেওঁলৈ লক্ষ্য কৰি হাঁহে।)

পম্পী ঃ ভয় নাখাব। ধেমালি কৰিছিলো।আপুনি নিজস্ব ধ্যান ধাৰণাৰে এজন শিল্পী সুলভ ব্যক্তি। আপোনাৰ ডিঙিত ওলমি পৰাৰ মোৰ বাসনা নাই। ঠিক আছে-যাও। যোৱাৰ আগেয়ে মোৰ এটা অনুৰোধ আপুনি ৰাখিব। মই কৈ যোৱা কথাখিনি যেন মাক নকয়। মোক বিচাৰি মাক হাবাথুৰি খাবলৈ মানা কৰিব। মই কলৈ যাও, কি কৰো তাৰ কোনো ঠিকনা নাই। মোৰ বিদ্যা আছে, বুদ্ধি আছে, যৌৱন আছে, সৌন্দৰ্য্য আছে। মোৰ কাৰণে হয়তো কিবা এটা চাকৰি যোগাৰ কৰি লোৱাটো কঠিন নহব। কোনোবা ডেকাই হয়তো ভাল পাই বিয়া কৰাবলৈও আগবাঢ়ি আহিব, ময়ো যদি কাৰোবাক দ্বিতীয় বাৰৰ কাৰণে ভাল পাই পেলাও, তেন্তে বিয়াৰ প্রশ্ন উঠাৰ আগেয়েই এইটো নিশ্চিত কৰি লম যে সেই লৰাজনৰ পিতৃৰ লগত মোৰ মাতৃৰ অতীত সম্পৰ্ক একো নাছিল। বেয়া নাপাব। বহুত কলো। Bye -

(পম্পীৰ প্ৰস্থান। ৰাজীৱ বহি থাকে। কেইজনমান ভদ্ৰলোকৰ লগত কথা পাতি পাতি গোপাল কৃষ্ণ শাস্ত্ৰীৰ প্ৰৱেশ। সকলো কথোপকথনত ব্যস্ত। হেমাঙ্গিনী চেতিয়া বাহিৰলৈ আহি অভ্যাগত সকলক অপ্যায়িত কৰে। আৰু কেইজনমান ভদ্ৰলোক আহে লগত সত্যেন্দ্ৰ চলিহা। হেমাঙ্গিনী আদৰিবলৈ আগবাঢ়ি আহে, কিন্তু ভদ্ৰলোক আৰু ভদ্ৰ মহিলা সকলৰ মাজত কিবা এটাৰ গুঞ্জন উঠাত সেই আচৰণলৈ লক্ষ্য কৰি বিচলিত হৈ এগৰাকী মহিলাই আঙুলিৰে নিৰ্দ্দেশ দি হেমাঙ্গিনী সম্পৰ্কে কিবা গুপুত কথা পাতে। সত্যেনে এফালে বহি দৃশ্যটো বেছ উপভোগ কৰে।)

জনৈক ভদ্ৰলোক ঃ তেনেহলে সভাৰ কাম আৰম্ভ কৰা হওক। শ্ৰদ্ধেয় তৰ্কশাস্ত্ৰী শ্ৰীযুত গোপাল কৃষ্ণ গোস্বামীদেৱে 'পৰিবৰ্ত্তিত হিন্দু সমাজত নাৰীৰ নতুন ৰূপ' সম্বন্ধে আলোচনা কৰিব।

(গোপাল কৃষ্ণ গোস্বামী কিছু সময় বেদীত বহি চকু মুদি ধ্যানস্থ হ'ল; মানুহৰ ফুচ ফুচনি ক্ৰমান্বয়ে বেছি হয়। এনে-সময়ত চুটকেচ হাতত লৈ পম্পী বাহিৰ হয়, ক্ষন্তেকৰ বাবে সকলো বু-বা গুণগুণনি বন্ধ হয়। সকলোৰে দৃষ্টিয়ে যেন পম্পীক বিদ্ধ কৰি ৰাখে। মুহূৰ্ত্তৰ পিছতেই তাই দ্ৰুত গতিৰে বাহিৰ হৈ যায়। পুনৰ ফুচ ফুচনি কথা বতৰাৰ গুণগুণনি আৰম্ভ হয়। হেমাঙ্গিনীয়ে উদ্বিগ্ন দৃষ্টিৰে ছোৱালীৰ গৃহত্যাগ দৃশ্যলৈ লক্ষ্য কৰে, কিন্তু কিবা কোৱাৰ আগেয়েই গোপাল কৃষ্ণ গোস্বামীৰ বক্তৃতা আৰম্ভ হয়।)

গোপালকৃষ্ণ ঃ হিন্দু সমাজত নাৰীৰ স্থান ঘৰৰ শুচিতাৰ মাজত, সতীত্বৰ মহাগৌৰৱৰ চৰম শিখৰত। হিন্দু সমাজে নাৰীক চিৰকাল গৃহলক্ষ্মীৰ মৰ্যাদা দি আহিছে - দেৱী জ্ঞান কৰি দেৱীৰ পূজা আগবঢ়াই আহিছে। ইয়াৰ বিপৰীতে নাৰীৰ কৰ্ত্তব্য পতিৰ সেৱা, পতিক দেৱজ্ঞান কৰা। স্বামীয়েই সাক্ষাৎ ঈশ্বৰ। এই দ্বৈত শ্ৰদ্ধাৰ ভিত্তিত গঢ়ি উঠিছে হিন্দু সমাজৰ সুখী পৰিয়াল। কিন্তু সেয়ে হলেও আজিৰ যুগ আগতকৈ সকলো দিশতে ক্ষিপ্ৰ গতিৰে আগবাঢ়ি আহিছে। আজি আমি পৰিবৰ্ত্তিত হিন্দু সমাজৰ প্ৰেক্ষাপটত 'নাৰীৰ নতুন ৰূপ' সম্বন্ধে আলোচনা কৰিবলৈ অগ্ৰসৰ হৈছো।

(হেমাঙ্গিনীয়ে কান্দোন সম্বৰণ কৰিব পৰা নাই। কোনোমতে সভাৰ মাজৰ পৰা ওলাই আহি এখন খালী চকীত বহি কিবা এক প্ৰচণ্ড আঘাতত দুই চকুয়েদি কান্দোনৰ বন্যা বোৱাই হিয়া ভুকুৱাই কান্দি থাকে। সান্ত্বনা দিবলৈ কাষত কোনো নাই। কেৱল হেমাঙ্গিনীৰ জীৱনৰ অকথিত কাহিনী জানিবৰ বাবে সমবেত লোক সকলৰ অনুসন্ধিৎসু দৃষ্টি নিবন্ধ হৈছে হেমাঙ্গিনী চেতিয়াৰ চকুলোৰ বন্যা বৈ যোৱা মুখ মণ্ডলৰ ওপৰত। লগে লগে যৱনিকা নামি আহে।)

মেৰ

মূল নাটক ঃ বাৰ্টোল্ট ব্ৰেখ্‌ট

ৰূপান্তৰ ঃ বসন্ত শইকীয়া

।। চৰিত্ৰ ।।

মৃদুপৱন মজিন্দাৰ বৰুৱা	চুবাদাৰণী
তুলাৰাম ঠেঙাল চুবাদাৰ	হেমী
পুতুল	মাহী
হাবিলদাৰ	বুঢ়ী
কীৰ্ত্তিচন্দ্ৰ নিয়মকৰা বৰা	
মহাৰাজ	
ভগীৰথ	
ভতিজা	
মহাজন	
জগৰু	
গেঠেলা	
গোবৰ্দ্ধন	
ৰতন	
উকিল	
ৰাজবিষয়া	

আৰু

ওজা আৰু পালি সকল, ঘোষক, ভিখাৰিণী ১,২,৩, দৰিদ্ৰ কৃষক, দৰিদ্ৰ কৃষক, পত্নী, বৈদ্য ১,২, বিষয়া, স্থপতিবিদ ১,২, দাস ১,২,৩, দাসী, ধাই, ৰান্ধনি, বৃদ্ধ কৃষক, চিপাহী সকল, কৃষক পত্নী, বেপাৰী ১,২, ককায়েক, নবৌ, গঞা-১,২,৩, পুৰোহিত, তিৰোতা- ১,২, দৰা, লৰা, বৃদ্ধ, বৃদ্ধা।

পূৰ্বৰাগ

(ওজা আৰু পালিসকলে গাব)

ওজা আৰু পালি ঃ পুৰণি কালত ৰক্তাক্ত সময়ত ৰত্নপুৰত ৰজাৰ এক চুবাদাৰে শাসন চলাইছিল। আছিল তেওঁৰ নাম তুলাৰাম ঠেঙাল। আহৰণ কৰিছিল তেওঁ অজস্ৰ ধন সম্পতি। ধন কুবেৰৰ দৰে আছিল তেওঁ ধনী । স্বৰ্গৰ অপেশ্বৰীৰ দৰে আছিল তেওঁৰ এগৰাকী ৰূপৱতী পত্নী আ ৰু এটি পুত্ৰ সন্তান।

তেওঁৰ দৰে কোনো চুবাদাৰৰ অষ্টাবলত ইমান বোৰ ঘোঁৰা নাছিল। ইমান বোৰ চিপাহী দেশৰ সেৱাত নিয়োজিত নহৈছিল। বিচাৰ সভাত ইমানবোৰ গোচৰীয়াৰ সমাগম নহৈছিল।

সেই মহান আত্মাই উৎসৱ পৰবত মন্দিৰলৈ গৈছিল ...এভাগ পূজা আগবঢ়াই সৰ্ব শক্তিমান ভগৱানৰ ওচৰত আৰ্শীবাদ বিচাৰিছিল।

কিন্তু সময় সদায় সমানে নেযায়। কালৰো কাল বিপৰীত কাল হৰিণাই চেলেকে বাঘৰ গাল। ৰাজধানীৰ চতুৰ্দিশে নগৰে- চহৰে উমি উমি জ্বলি থকা তুহঁ জুইকুৰা হঠাতে এদিন ভমককৈ জ্বলি উঠিল। চিপাহীয়ে বিদ্ৰোহ আৰম্ভ কৰিলে। পৰোক্ষভাৱে এই বিদ্ৰোহত ইন্ধন যোগালে ধনপতি অৰ্থাৎ জমিদাৰ সকলে .....আৰু ..... আৰু এক তুমুল সংঘৰ্ষত তুলাৰাম ঠেঙাল চুবাদাৰে প্ৰাণ হেৰুৱালে।

কাহিনী তাতেই শেষ নহ'ল .....কাহিনীৰ সূত্ৰ পাতহে হ'ল।

ঘোষকৰ ঘোষণাঃ

বিশ্বত বিশ্ৰুত জাৰ্মান নাট্যকাৰ বাৰ্টোল্ট ব্ৰেখ্‌টৰ অন্যতম শ্ৰেষ্ঠ মহাকাব্যিক নাটক "ককোচিয়ান চক চাৰ্কোলৰ

অসমীয়া অভিযোজনা...'মেৰ'। এটা ঘূৰণীয়া এপকীয়া মেৰ। চক্ মাটিৰে আঁকা এটি বৃত্ত।

(দুজন ওজা আহিল। এটা কোণত দুজন চিপাহীয়ে চুবাদাৰৰ প্ৰাসাদৰ দুৱাৰত পহৰা দি আছে। আনটো কোণত জুম বান্ধিছে উপান্ত কৃষক আৰু ভিক্ষাৰীৰ দল।)

ওজা : ৰাজ্যৰ ৰাজধানীত ৰাজ সিংহাসনত মহাৰাজ।

পালি ২ : পুৱাই মহাৰাজৰ শাসনকৰ্ত্তা তুলাৰাম চুবাদাৰ।

ওজা : শাসন চলায়

পালি ১ : ৰেপি ৰেপি ডিঙি কাটে

পালি ২ : এই কামত তুলাৰাম চুবাদাৰক কোনেও চেৰ পেলাব নোৱাৰে।

ওজা : ৰত্নপুৰ নগৰ এলেকাত তুলাৰাম চুবাদাৰ (নেপথ্যত মুখেৰে ঘোঁৰাৰ মাতৰ নকল)

পালি ১ : ৰাজ্যখনত কোনো চুবেদাৰৰ দিনত ঘোঁৰা শালত ইমান বোৰ ঘোঁৰা নাছিল।

(ঘোঁৰাৰ চিঁহি চিঁহি শব্দ)

ওজা : দৰবাৰতো ইমানবোৰ দৰিদ্ৰ কৃষক গোট নাখাইছিল।

(দৰিদ্ৰ কৃষক, ভিক্ষাৰীসকল মাজলৈ আগুৱাই আহিল সমস্বৰে আবেদন জনাবলৈ। প্ৰাসাদৰ ভিতৰৰ পৰা এজন উচ্চপদস্থ বিষয়া আহি থিয় হ'লহি। হেই হেই শব্দৰে দুজন চিপাহীৰ প্ৰবেশ)

ওজা : দুৱাৰত ইমান ভিক্ষাৰী গোট খোৱা নাছিল।

ভিক্ষাৰিণী : মোৰ লৰাটো মৰিল। — দেউতা ঈশ্বৰ দুটামান চাউল —

১নং দৰিদ্ৰ কৃষক : ধৰ্ম্ম অৱতাৰ, মোৰ ভাই নিৰ্দ্দোষি, দুষ্ট মানুহে মিছা কথা লগাই-

২নং দৰিদ্ৰ কৃষক : প্ৰভু, আমাৰ গাৱঁত পানীৰ বৰ কষ্ট। এটা কুঁৱা যদি —

৩নং দৰিদ্ৰ কৃষক : প্ৰভু খাজানা দিনে দিনে বাঢ়িবই লাগিছে। ভাল দৰে খাবলৈ নেপাই যাতনাত ভুগিছো।

দৰিদ্ৰ কৃষক পত্নী : প্ৰভু, মোৰ ল'ৰাটোক ফৌজৰ পৰা এৰি দিয়াৰ হুকুম হওক।

সেই এটা লৰাই বাকী ৰৈছেগৈ।
(বিষয়াই আবেদন গ্ৰহন কৰিছে। ভিক্ষা ছুটিয়াই দিছে। তেওঁৰ নিৰ্দ্দেশত চিপাহীয়ে দৰিদ্ৰ কৃষক, ভিক্ষাৰীবোৰক খেদি নি এটা কোণত আটক কৰি ৰাখিছে। ওজা আৰু পালি জন ভীৰৰ কোবত দৰিদ্ৰ কৃষকৰ দলটোৰ মাজত সোমাই পৰিছিল। এতিয়াহে ভিৰ ভাঙি বাহিৰ ওলাই আহিছে।

ওজা : তুলাৰাম চুবাদাৰ

পালি : তেওঁৰ সুন্দৰী ঘৈনী

ওজা : তেওঁৰ সুন্দৰ কণমানি ল'ৰা

পালি : মন্দিৰলৈ গৈছে পূজা দিবলৈ।
(চুবাদাৰ , চুবাদাৰণী, কোলাত কেচুৱাটো লৈ ধাই আৰু বৈদ্য আহিল মহা সমাৰোহলৈ।
পিন্ধনত শিশুৰ গাত পাট সদৃশ কাপোৰৰ এটা সাজ আৰু ডিঙিত সোণৰ হাড় ওলমি আছে।)

দৰিদ্ৰ কৃষক : চাও চাও সেইটো ল'ৰা নহয় জানো ?

ভিক্ষাৰিণী : মৰ এতিয়া । ঠেলিছে কিয় ঔ সংৰাম?

১নং দৰিদ্ৰ কৃষক : ল'ৰাটো কিমান বগা দেখিছ?

২নং দৰিদ্ৰ কৃষক : ৰজা মহাৰজাৰ লৰা বগা নহৈ কি তোৰ মোৰ নিচিনা ক'লা হবনে?

ওজা : চুবাদাৰৰ উত্তৰাধিকাৰী এয়েই প্ৰথম ওলাল বাহিৰলৈ-

পালি : তাকো ধাইৰ কোলাত

ওজা : দুয়ো কাষত দুজন বৈদ্য আছেই

পালি : আনকি অসীম পৰাক্ৰমী ধনপতি মৃদুপৱন মজিন্দাৰ বৰুৱাও ওলাইছে

ওজা : তেঁৱো আগুৱাই আহিছে অভিনন্দন জনাবলৈ
(মৃদুপৱনৰ প্ৰৱেশ)

মৃদু : চুবাদাৰৰ জয় হওক। নমস্কাৰ। নমস্কাৰ বাইদেউ। আহা -

এইটোহে আচল কুল ৰক্ষক। মুৰৰ পৰা ভৰিলৈকে সাইলাখ চুবাদাৰ ডাঙৰীয়া। আপোনালোকৰ খবৰ ভালতো?

চুবাদাৰণী : এটা ভাল খবৰ আছে। তোমাৰ দাদাৰ শেষত গৈ ৰাজী হৈছে।

মৃদু : হবইতো - নহে কলৈ যাব। পিছে কিহত ৰাজী হ'লবা?

চুবাদাৰণী : তোমাৰ নিশ্চয় মনত আছে, দক্ষিনৰ মহলটোৰ কথা- কেতিয়াবাৰপৰাই কৈ থকা নাছিলোনে ? সেই ফালৰ লেতেৰা বস্তিবোৰ ভাঙি তাৰ ঠাইত এখন ধুনীয়া উদ্যান বনোৱা হব।

মৃদু : বাঃ বাঃ, ইটোৰ পিছত সিটো বেয়া খবৰৰ পিছত সচাঁই ই এটা ভাল খবৰ। পিছে বেয়া –

চুবাদাৰ : কি বেয়া খবৰ?

মৃদু : কোৱা শুনিছো- যুদ্ধৰ খবৰ হেনো ভাল নহয়।

চুবাদাৰ : (অবজ্ঞাৰে) হুঃ যুদ্ধ।

মৃদু : শুনিছো আমাৰ সৈন্যই গৌৰবেৰে পিছ হুহকিছে। যুদ্ধত এনে হয়েই, ইয়াৰ দ্বাৰা কিবা প্ৰমানিত হৈছে বুলি মোৰ মনে নধৰে।

চুবাদাৰণী : ই কি! ভানুৱে কাহিছে যে ! (বৈদ্যৰ ফালে খঙৰ চকুৰে চাই) ভানুৱে কাহিছে তোমালোকে শুনা নাই?

বৈদ্য-১ : মই কৈছিলো- কুহুমীয়া পানীত গা ধোওৱাটো ঠিক নহব।

বৈদ্য-২ : কিন্তু গুৰু ত্ৰিলোকেশ্বৰ বৈদ্যৰাজৰ নিৰ্দিষ্ট বিধান হ'ল নাতিশীতোষ্ণ। আচলতে পশ্চিম ফালৰ খিৰিকি খন খুলি ৰখাটো ঠিক হোৱা নাই, মই আগেয়েই অনুমান কৰিছিলো।

চুবাদাৰণী : সেয়ে তোমালোকে অলপ যত্ন লোৱা। জ্বৰ উঠিছে বুলি অনুমান হৈছে।

বৈদ্য - ১ : ভয়ৰ কোনো কাৰণ নাই, গা ধোৱাৰ পানী এই বাৰৰ পৰা গৰম হব।

(দ্বিতীয় বৈদ্যৰ ফালে চোকা দৃষ্টিৰে চালে ।)

বৈদ্য -২ : ভয়ৰ কোনো কাৰণ নাই, পশ্চিমৰ খিৰিকি খন এই বাৰৰ পৰা বন্ধ থাকিব।

ধৈৰ্য্য ধৰি থাকিম।

পুতুল ঃ মই যাও। গাড়ীৰ ব্যৱস্থা কৰিব লাগিবতো।

হেমী ঃ ময়ো যাও - ভিতৰত কাম দ'ম হৈ আছে।

(অলপ সময় চাই থাকি পুতুল বাহিৰ ওলাই গ'ল। হেমী ভিতৰ সোমাল। বিষয়া আহিল।)

বিষয়া ঃ হা কৰি ভেবা লাগি মুখলৈ কি চাই আছ বুৰ্ব্বক? গাড়ী লগা তুৰন্তে?

(পুতুল ক্ষিপ্ৰ গতিৰে ওলাই গল। লগত দাস দাসী, লগুৱা লিকচৌ।

চুবাদাৰণী ঃ মোৰ মুৰটো নষ্ট হৈ যাব, মোৰ মুৰটো নষ্ট হৈ যাব। এই বাকচবোৰ গাড়ীত উঠা, ভানু ক'ত? লৈ আহ। চুবাদাৰৰ পৰা কিবা খবৰ পাইছে?

বিষয়া ঃ নাই, কিন্তু ইমান পলম কৰিলে কেনেকৈ হব? ইমানবোৰ বাকচ - গাড়ীত নাযাব। যিবোৰ নিয়াৰ দৰকাৰ অৰ্থাৎ নহলেই নহয় - সেইবোৰহে -

চুবাদাৰণী ঃ অকল সেইবোৰহেনে কি? সৰ্ব্বনাশ। এই নমা - নমা - বাকচবোৰ খোল সোনকালেই। সেই জামু ৰঙৰখন নে, আৰু গোলাপী ৰঙৰ বুতা বছাখন - যমুনা কলৈ গল? এই - এই ফাটিব ভালকৈ -

দাসী ঃ নেফাটে - নেফাটে - ফাটিব কিয়?

চুবাদাৰণী ঃ ফাটিব কিয়? তাকেইতো কলো, নহলে এতিয়াই ফাটিলহেতেন। হেমীজনী কলৈ গল - এই, ভানুক সাৱধানে ধৰ।

বিষয়া ঃ আপোনাক হাতযোৰ কৰিছো। খৰ ধৰ কৰক। চহৰখনত মৰামৰি, কটাকটি আৰম্ভ হৈ গৈছে।

চুবাদাৰণী ঃ সৰ্ব্বনাশ। সিহঁতে আমাৰো কিবা অনিষ্ট কৰিবনে কি? কি কৰিব? এই চাৰু জনী, তাই শুই গ'ল?

ধাই ঃ হয় আইদেউ -

চুবাদাৰণী ঃ ভানুক অকণমান নমাই থৈ, দৌৰ মাৰি যানা, শোৱা ঘৰত মোৰ ৰঙা মখমলৰ চটি জোতাযোৰ আছে - চা-চা-কেনেকৈ খুচি মেলি ভৰাইছে। অকণো দয়া মমতা নাই।

(ইতিমধ্যে ধায়ে কেচুৱাটোক মাটিত নমাই ভিতৰলৈ গল।)

আহক যমুনা আজি, চৰিয়াই তাইৰ দাঁত ভাঙি দিম। এই বনকৰা চাকৰ চাকৰণী বোৰযে আজি কালি এনে হৈছে। খালি ডিঙিলৈকে খাব আৰু কামৰ বেলিকা তথৈবচ।

বিষয়া ঃ এতিয়াই নগলে - পিছত মহা বিপদত পৰিব লাগিব।

চুবাদাৰণী ঃ কিন্তু গোপালী ৰঙৰ বুতা বছা পাটৰ মেখেলা চাদৰ যোৰযে বিচাৰি পোৱা নাই। হাজাৰ টকা দাম সেই সাজ-কাপোৰৰ।

বিষয়া ঃ নাই, আৰু গাড়ীৰ যোগাৰ নহল। যি দেখিছো ঘোঁৰাৰ চেপা খায়েই যাব লাগিব -

চুবাদাৰণী ঃ হ'ল। এতিয়াই যাম - এই কাপোৰ যোৰ বেগা বেগিকৈ আন চাৰু ক'ত, লৈ আহ - আৰে সেইবোৰ গাড়ীত নুঠাৰ কেলৈ? ভেবা লাগি কি চাই আছ?

(বাহিৰত হুলস্থূল। মাৰ ধৰৰ শব্দ)

আই ঐ দেউতা ঈশ্বৰ এইবোৰ কি হৈছে।

(বিষয়াই এক প্ৰকাৰ চুবাদাৰণীক ঠেলি লৈ গল। ধাইজনী আহিল।)

ধাই ঃ চা -। কেচুৱাটো এৰি থৈ গল। এওঁলোক মানুহনে পশু? (কেচুৱাটো তুলি লৈ অলপ ইতঃস্তত কৰি হেমীৰ ওচৰলৈ গল।)

এই অকণমান ধৰছোন কেচুৱাটোক।

(হেমীৰ কোলাত কেচুৱাটো দি ধাই পলাল। ৰান্ধনি আহিছে।)

ৰান্ধনি ঃ ই কি মানুহবোৰ গুচি গল। খোৱা-বোৱাৰ সকলোবোৰ দেখোন পৰি ৰল।

দাস - ৩ ঃ দেউতা ঈশ্বৰ। ইমান বস্তু বাহানি।

দাস - ২ : ইয়াত থাকিলেই মৰিবি। যিমান পাৰ বুতলি লৈ পলা।
(এজনী বুঢ়ী কাম কৰা বাই আহিল।)

বুঢ়ী : দেউতা ঈশ্বৰ, দেউতা ঈশ্বৰ, আমাৰ কি হ'ব দেউতা?

হেমী : চুবাদাৰ ডাঙৰীয়াক কি কৰিছে সিহঁতে?

দাস - ১ : মাৰিলে।

বুঢ়ী : কি? কি কৈছ হো? মই এতিয়া কলৈ যাম ঐ। ৰাতিপুৱাতে মাতে কথাই তকতকাই থকা মদ্‌গজ মানুহটো - আই ঐ দেহি - আমাৰ এতিয়া কি হ'ব?

দাস - ২ : নিচএৱৰিবা বাই, তোমাৰ কিটো হ'ব?

দাস - ১ : তোমাৰ একো নহ'ব। এনেয়ে ভয় খাইছা।

ৰান্ধনি : আইদেউতকৈ এতিয়া বাহিৰ বেজাৰহে বেছি হ'ল। তইৰ ৰাউচিয়ে আমাৰ চকুত পানী বিৰিঙাইছে।

দাস - ৩ : যা - যা।

দাস - ১ : হেৰা, পূবফালে জুই লাগিছে।

ৰান্ধনি : এয়া কি অ'? কেচুৱাটো লৈ তই কি কৰিছ?

হেমী : ইয়াক পেলাই থৈ গৈছে।

দাস - ১ : নমাই থ। তোৰ কোলাত কেছুৱাটো দেখিলে তোৰ আৰু ৰক্ষা নহ'ব।

দাস - ৩ : এৰা বংশ উছন্ন নকৰাকৈ সিহঁতে নেৰিব। বল - বল।

ৰান্ধনি : শুনিলি নহয়? এতিয়া নমাই থ সেইটো।

হেমী : ধায়ে কৈ গ'ল অকণমান ধৰিবলৈ -

দাস - ১ : তাই এতিয়া চহৰৰ বাহিৰত। বেটীৰ বুদ্ধি হ'বলা কম।

ৰান্ধনি : শুন হেমী, তোৰ মনটো কোমল, কিন্তু বুদ্ধিত তই কেঁচা। আহ - আমাৰ মীনাৰামৰ গৰুৰ গাড়ী আছে, তাতে তোকো লৈ যাম। ব'ল, কেচুৱাটো নমা।
(হেমীয়ে কেচুৱাটো নমালে। বাহিৰত কোলাহল।)

দাস - ১ : হেৰী - চিপীহ চন্তৰী অহা যেন লাগিছে। খৰধৰ কৰ - বল বল।

(সকলো পলাল। হেমীয়ে কেচুৱাটো লৈ দিশহাৰা। ধনপতি মৃদুপৱন মজিন্দাৰ বৰুৱা আহিছে, লগত চিপাহীয়ে চুবাদাৰৰ লাচ লৈ আহিছে। হেমী লুকাল। কেচুৱাটো একাষৰীয়া কৰি মাটিত নমাই থলে।)

মৃদু : ঠিক মাজতে লাচটো ওলোমাই দে। নহয় নহয় আৰু অকণমান বাওফালে - এতিয়া হৈছে। ঠিক আছে।

(লাচ অৰ্থাৎ চুবাদাৰৰ চোলাটো ওলোমোৱা হল।)

ঘৈনীয়েকে কেচুৱাটো লৈ পলাল - মাত্ৰ দুখ এই খিনিতেই। কুল ৰক্ষক বৈ গল। বিচাৰি বাহিৰ কৰিবই লাগিব - পলাই ক'ত সাৰিব। এতিয়া বল।

(সিহঁতবোৰ গুচি গ'ল। হেমী ওলাই কেচুৱাটোক পুনৰ কোলাত তুলি ললে। দ্বিধাগ্ৰস্তা। তাৰ পিছত চুবাদাৰৰ লাচটো দেখা পালে।)

হেমী : উঃ দেউতা ঈশ্বৰ।

(খৰধৰকৈ কেচুৱাটো নমাই থৈ ওলাই গল। বাহিৰ ওলাই ৰাস্তাত পুনৰ বৈ গল। ওজা পালি সকলে যেন তাইক আগুৰি ধৰিছে। ওজা আৰু পালি সকল সিচৰিত হৈ পৰিল চাৰিওফালে। এজনে কথা কৈছে। অন্য সকলে মৃদু কণ্ঠৰে পুণৰাবৃত্তি কৰিছে বাক্যৰ শেষাংশ, প্ৰতিধ্বনিৰ নিচিনাকৈ। ওজাৰ কথা অনুযায়ী হেমীৰ গতি বিধি। ওজাৰ কথাৰ পিছৰ খিনি পালি সকলে ধৰি যাব।)

ওজা : দুৱাৰৰ ভিতৰত এখন ভৰি, বাহিৰত আন খন ভৰি
দুৱাৰৰ ভিতৰত এখন ভৰি, বাহিৰত আনখন ভৰি।
কেচুৱাটোৱে মাতিছে। কন্দা নাই, কথা কৈছে।
কৈছে - মোক বচোৱা - মোক বচোৱা।
কান্দি কোৱা নাই, কৈছে বুদ্ধিমানৰ দৰে।
কৈছে বিপদৰ সংকেত শুনি যি নবচায় -

ওজা ঃ যিমানেই ক্ষমতা, তিমানেই দৃষ্টিৰহীনতা।
পালি ঃ কুঁজা পিঠিৰে আঠুকাঢ়ি খোজ কঢ়াতকৈ
ওজা ঃ ⎤
পালি ঃ ⎦ থিয় হৈ খোজ কাঢ়ি মৃত্যু বৰণ কৰাই শ্ৰেয়।
(থিয় হৈ খোজ কাঢ়িছে।)

ওজা ঃ ভেৰোণীয়া শক্তিৰ মুঠিত শাসন।
ওজা ঃ ⎤
পালি ঃ ⎦ ভেৰোণীয়া শক্তিৰ মুঠি - ভেৰোণীয়া শক্তিৰ মুঠি —

কেইজনমান চিপাহী 'এক দুই '- 'এক দুই' কৈ কৈ ক্ষিপ্ৰগতিৰে প্ৰাসাদৰ ভিতৰলৈ সোমাই যায়। দ্বাৰস্থ চিপাহীয়েও সিহঁতৰ লগত যোগ দিলে। পালি সকলে ওজাক এবাৰ বেৰি বিশিষ্ট ভঙ্গীৰে সকলো ভিতৰ সোমাই যায়।)

ওজা ঃ ⎤
পালি ঃ ⎦ দীৰ্ঘ দিনৰ ক্ষমতাত অটল বিশ্বাস।
ওজা ঃ কিন্তু দীৰ্ঘ দিনে কাহানিও চিৰ দিন নুবুজায়।
পালি ঃ সলনি হয়, ক্ষমতাৰ সলনি হয়।
ওজা ঃ ⎤
পালি ঃ ⎦ তাতেই হয়তো জনতাৰ অটল বিশ্বাস।
ওজা ঃ ⎤ হয়, হয়। সেয়াই বিশ্বাস, জনতাৰ অটল বিশ্বাস।
পালি ঃ ⎦ (কৈ কৈ প্ৰথম দুজনৰ বাহিৰে অন্য পালি সকল গুচি গল। ভিতৰৰ পৰা চিপাহী সকলে চুবাদাৰক বান্ধি আনিলে। খোজ কঢ়াই লৈ গৈছে এক অজান ঠাইলৈ।)
পালি ঃ সেয়া গৈছে তুলাৰাম চুৰাদাৰ।
ওজা ঃ দক্ষিণ ফালৰ মহল সজাৰ পৰিকল্পনাৰ আৰু প্ৰয়োজন নাই।
পালি ঃ লক্ষ্য এতিয়া যমৰ দক্ষিণ দ্বাৰ।
(চুবাদাৰক লৈ চিপাহীবোৰ গুচি গ'ল)

ওজা ঃ শক্তিমানৰ প্ৰাসাদৰ ভাঙোন যেতিয়া আৰম্ভ হয় -

পালি ঃ বহুতো হোজা নিৰপৰাধী লোকৰ হেঁচা খাই মৃত্যু ঘটে।

(বিভ্ৰান্ত শঙ্কিত দাস দাসীবোৰে চিঞৰ বাখৰ কৰি ওলাই পুনৰ প্ৰাসাদৰ ভিতৰ ফালে সোমাই গ'ল।)

ওজা ঃ শক্তিমানৰ সৌভাগ্যৰ অংশীদাৰ সিহঁত নহয়।

পালি ঃ সিহঁততো সদায়েই দুৰ্ভাগ্যৰে অংশীদাৰ।

(দাস দাসীবোৰ পুনৰ তৰা নৰা চিঙি সোমাল। সিহঁতৰ মাজতে হেমীও আছে।)

দাস ঃ বাকচবোৰ ক'ত ৰাখিম?

দাসী ঃ ইয়াত - ইয়াতেই।

ৰান্ধনি ঃ পাঁচ দিনৰ খোৱা বস্তু ভৰাব লাগিব।

(ৰান্ধনি পুনৰ গুচি গ'ল।)

হেমী ঃ চুবাদাৰণী আইদেউ মূৰ্চ্ছা গৈছে। তেওঁক দাঙি আনিব লাগিব।

দাসী ঃ তুলসীৰ লগত কলপতুৱাৰ মৃত্যু - আমাৰ ক্ষেত্ৰত সেই অৱস্থা নহলেই হ'ল। সাধাৰণতে কিন্তু সেইটোৱেই ঘটে।

দাস ঃ চহৰখনত কিন্তু ভীষণ মৰামৰি কটা কটি আৰম্ভ হৈছে।

দাস ঃ কোনে কলে? চুবাদাৰক ধনপতি সকলে বোলে নিমন্ত্ৰণ কৰি নিছে। এইটোৱেই আচল খবৰ।

(কৈ কৈ লগুৱা দুয়োজন ভিতৰলৈ গ'ল। ভিতৰৰ পৰা দ্ৰুত গতিৰে ওলাই আহিল দুয়োজন বৈদ্য।)

বৈদ্য-১ ঃ চুবাদাৰণী আইদেউক আজি তুমি চোৱা চিতা কৰাৰ কথা।

বৈদ্য-২ ঃ মুঠেই নহয়, আজি তোমাৰ পাল।

বৈদ্য-১ ঃ লৰাটোক কালি কোনে চোৱা চিতা কৰিলে? তুমিনে মই ?

বৈদ্য-২ ঃ সেই বুলি তোমাৰ কথাতে নিজকে বলি দিবলৈ ইয়াত পৰি থাকিমনে?

বৈদ্য-১ ঃ তুমিতো ফাঁকি মাৰি মূৰ পোলোকা মাৰিলা?

বৈদ্য-২ ঃ তুমি ইয়াত চৈধ্য পুৰুষৰ পিণ্ড দিবলৈ পৰি থাকা।

বৈদ্য-১ ঃ চালা।

বৈদ্য-২ ঃ গালি পাৰিলা? তেন্তে মই কিয় নেপাৰো? চুৱৰ।

(কাজিয়া পেচাল কৰি দুয়ো পলাল। ইয়াৰ মাজতে পুতুলক দেখা গ'ল। দাস দাসী কোনোৱেই নাই, গুচি গৈছে। পুতুল হেমীৰ ওচৰলৈ গল।)

পুতুল ঃ এতিয়া কি হব?

হেমী ঃ কি আৰু কৰিম? যদি ক'ৰবাত একো নহয় তেনেহলে পাহাৰত এজন ককাই আছে - তেওঁৰ ওচৰলৈকে যাম।

পুতুল ঃ মই? চুবাদাৰণীৰ লগত পহৰাদাৰ হৈ যাম।

হেমী ঃ কিন্তু শুনিছো, প্ৰাসাদৰ চিপাহীয়ে হেনো বিদ্ৰোহ কৰিছে?

পুতুল ঃ খবৰ সঁচা।

হেমী ঃ সেয়ে চুবাদৰণীৰ লগত গলে বিদপ নহবনে?

পুতুল ঃ ছুৰি মাৰিলে ছুৰিখনৰ বিপদ জানো হয়? ছুৰি মৰা মানুহ জনৰহে বিপদ।

হেমী ঃ তুমিতো ছুৰি নোহোৱা, তুমি মানুহ। সেই ছোৱালীজনীৰ লগত তোমাৰ সম্পৰ্ক কি?

পুতুল ঃ (হাঁহি) সম্পৰ্ক? ছোৱালীজনীৰ লগত? মই কৈছোৱেই নহয় - একো নাই। হুকুম হৈছে আহিলো।

হেমী ঃ লাজ লগা নাই তেনেকৈ কবলৈ। বুৰ্ব্বকটো কৰবাৰ।

(পুতুলে তেতিয়াও হাঁহিছে।)

মই - মই এতিয়াই ভিতৰলৈ যাব লাগিব।

(হেমী ঘূৰোতেই পুতুলে বাধা দিয়ে।)

পুতুল ঃ দুজনৰেই যেতিয়া সময় নাই, কাজিয়া কৰি লাভ নাই। ভালদৰে কাজিয়া কৰিবলৈকো সময় লাগে। তাৰ বাহিৰেও মাক দেউতাক, জীয়াই আছেনে নাই - তাকো জানিব লাগিব নহয়?

হেমী ঃ নাই, কোনো নাই, অকল এজন ককাই।

পুতুল ঃ দ্বিতীয় প্ৰশ্ন। বাহিৰৰ পৰা স্বাস্থ্য পাতি ভালেই দেখিছো -

ভিতৰি বা কেনেকুৱা?

হেমী ঃ কান্ধৰ বিষটো মাজে মাজে উক নিদিলে বাকী ভালেই। কাম-কাজৰ ক্ষেত্ৰত আজিলৈকে কোনেও আপত্তি কৰা নাই।

পুতুল ঃ হৈছে - হৈছে। মোৰ তৃতীয় প্ৰশ্ন - ধৈৰ্য্য বোলা বস্তুটো ঠিকমতে আছেতো? লাগ বোলা বস্তুটো তপকৰে নাপালে গাটো চাটি ফুটি কৰেণে কি?

হেমী ঃ নাই, পিছে কোনোবা বিনা কাৰণত যুদ্ধলৈ গ'ল আৰু কোনো খা-খবৰ নাহিল - তেতিয়াতো মনটো বেয়া লাগিবই, গাটোও চাটি ফুটি কৰিব।

পুতুল ঃ খবৰ পাবা, খবৰ পাবা। মানে মোৰ শেষ প্ৰশ্ন হৈছে - মানে -

হেমী ঃ মোৰ উত্তৰ দিয়া হৈ গল। সেইটো থাওক। মই এতিয়াই ভিতৰলৈ যাব লাগিব।

পুতুল ঃ (লাজ পাই) কথাতে কয় ধীৰে সুস্থিৰে কৰিবা কাম, হুৰমুৰকৈ কৰিলে কাম সানিব লাগিব মূৰত বাম। পিছে হেৰি - মোৰ ঘৰ ক'ত জানি থোৱা ভাল -

হেমী ঃ জানো - জানো। লেতেকু পুখুৰীত।

পুতুল ঃ (হাঁহি) মোৰ সম্বন্ধে দেখিছো - ইতিমধ্যে খা-খবৰ লৈ থোৱাই হৈছে। তথাপি কও মোৰ বয়স পচিশ। পৰিয়ালত কোনো নাই। দৰমহা এতিয়া তিৰিশ টকা, হাৱিলদাৰ হলে পাম পঞ্চাশ টকা। মই সেই হেৰি, কি কয় -

হেমী ঃ কৈছোতো - হয়।

পুতুল ঃ এই তাবিজটো আয়ে দিছিল, যদি ডিঙিত পিন্ধ।

হেমী ঃ পিন্ধিমতো আকৌ। দিয়া।

পুতুল ঃ মই কিন্তু চুবাদাৰণীৰ লগত গড়গাঁৱলৈ যাম। তাত চুবাদাৰৰ কিছু সংখ্যক বিশ্বাসী ফৌজ আছে। যুদ্ধ শেষ হলে উভতি আহিম। দুমাহ, খুব বেছি তিনি মাহ। ধৈৰ্য্য ধৰি থাকিব পাৰিবিতো?

হেমী ঃ পাৰিম। কিয় নোৱাৰিম? যিমান দিন লাগে তিমান দিনলৈকে

(প্ৰথম বৈদ্যৰ ফালে চোকা দৃষ্টিৰে চালে।)

মৃদু : হব, হব । সকলো ঠিক হৈ যাব। বিশেষ চিন্তা কৰিব নালাগে।

চুবাদাৰণী : বলা, মন্দিৰলৈ যাও। ইয়াৰ ঠাণ্ডা বতাহে বিশেষ ক্ষতি কৰিব পাৰে।

মৃদু : হয় হয় - বলক-

(মৃদু আগুৱাই গল। তাৰ পিছত চুবাদাৰণী, ধাই, দুয়োজন বৈদ্য বাহিৰ ওলাই গ'ল। বিষয়া চুবাদাৰৰ ওচৰলৈ আহিল। কিছু দূৰত পত্ৰ বাহক থিয় হৈ থাকে।)

বিষয়া : ৰাজধানীৰ পৰা জৰুৰী চিঠি লৈ এজন পত্ৰবাহক আহিছে। তেওঁক মাতি দিম?

চুবাদাৰ : পূজা দিয়াৰ আগেয়ে ? ই অসমম্ভৱ ।

বিষয়া : তেনেহলে আপোনালোক উভতিলে -

চুবাদাৰ : ওভোতাৰ পিছততো মধ্যাহ্ন ভোজনৰ সময়, - তাৰ আগতে কোনো পধ্যেই নহব।

বিষয়া : দক্ষিণ ফালৰ মহলটোৰ নক্সা লৈ দুজন স্থপতিবিদ অহাৰ কথা আছিল-

চুবাদাৰ : তেওঁলোকে আমাৰ লগতে ভোজন কৰিব।

(চুবাদাৰ গুচি গ'ল। পত্ৰ বাহক আগুৱাই আহিল।)

বিষয়া : পূজাৰ পিছত মধ্যাহ্ন ভোজন। ভোজনৰ আগেয়ে চুবাদাৰে কাকো সাক্ষাৎ কৰিবলৈ নিবিচাৰে। বিশেষকৈ অশুভ খবৰ অনা লোকক । ধৰি লৈছো তুমি বেয়া খবৰ আনিছা। এতিয়া ৰান্ধনি ঘৰলৈ গৈ খোৱা বোৱা পৰ্ব শেষ কৰাগৈ।

পত্ৰবাহক : খোৱাৰ পিছত?

বিষয়া : জিৰণিৰ সময়। তাৰ পিছত দক্ষিণ ফালৰ মহল সৰ্ম্পকে স্থপতিবিদ সকলৰ লগত আলোচনা। তাৰ পিছতহে দেখা হব।

পত্ৰবাহক : চিঠি খন বৰ জৰুৰী বুলি মোক কৈ পঠোৱা হৈছিল।

বিষয়া : তোমাৰ চিঠিতকৈ দক্ষিণ ফালৰ মহলাটো আৰু বেছি জৰুৰী।

পত্ৰবাহক : বিশ্বাস নকৰিব ঘোঁৰাটো দম বন্ধহৈ বাটতে মৰি থাকিল। উপায় নেপাই বাকী থকা পাঁচ ক্ৰোশ পথ অকল দৌৰি দৌৰিয়েই আহিছো।

বিষয়া : ঠিক কামেই কৰিছা। ৰজা ঘৰীয়া কামত এনে কৰাটো প্ৰয়োজন। ঘোঁৰাটোৰ পৰা শিক্ষা লব লাগে।

(বিষয়াজন প্ৰাসাদৰ ভিতৰলৈ গ'ল। পত্ৰ বাহকো। চিপাহী দুজন প্ৰাসাদৰ দুৱাৰেদি নিজৰ ঠাইলৈ উভতি আহিল। দৰিদ্ৰ কৃষক আৰু ভিক্ষাৰীৰ দলটো মুখেৰে বক বক কৰি অন্য ফালে গুচি গ'ল। ওজা আৰু পালিজনো সিহঁতৰ লগত অৰ্ন্তদ্ধান হ'ল। আন দুজন আহিল ওজাপালি হৈ।)

ওজা : শান্ত পুৰা - শান্ত চহৰ ।

পালি : মন্দিৰৰ চালত পাৰ চৰাইৰ কুৰুলি।

ওজা : ৰাজপ্ৰাসাদৰ সিংহ দ্বাৰত এজন চিপাহী , নাম পুতুল-

(প্ৰাসাদৰ ভিতৰৰ পৰা পুতুল আহিল। বাহিৰলৈ চাই যেন কাৰোবাৰ অপেক্ষাত আছে ।)

পালি : ৰান্ধনি ঘৰৰ বান্দী হেমীৰ লগত-

ওজা : এক দম প্ৰেমালাপত মগ্ন।

পালি : (হেমীৰ প্ৰবেশ)

পুতুল : ই কি, মন্দিৰলৈ এতিয়াও যোৱা নাই? এয়া কি অৰ্ধম ?

হেমী : যাম বুলি সাজু হৈছিলো। পিছে নিমন্ত্ৰণৰ হাঁহ কম পৰিল। আকৌ হাঁহ কিনিবলৈ গাঁৱলৈ যাব লগাত পৰিলো।

পুতুল : গাঁৱলৈ? অ - গাঁৱলৈ।

হেমী : গাঁৱলৈ নগৈনো চহৰলৈ যামনে?

পুতুল : গাঁৱৰ সিপাৰৰ জুৰিটোৰ পাৰলৈ যোৱা নাইতো?

হেমী : তালৈ আকৌ কিয় যাম?

পুতুল : আজি নহ'ল নাইবাৰু, কিন্তু আন কোনোবা দিনা যোৱা হয় যদি?

হেমী : কেলৈ হব। তালৈ মই কাপোৰ ধুবলৈহে যাও।

পুতুল : হয় হয় কাপোৰ ধোৱাই হয়। আন একো কৰিবলৈ নহয়?

হেমী : কি কৰবলৈ বিচাৰিছা?

পুতুল : জুৰিটোৰ সিপাৰে হাছুনাহানা এজোপা নাই জানো?

হেমী : আছে। পিছে কি হ'ল?

পুতুল : সেই জোপাৰ আঁৰত বহি বহুত কিবা কিবি চাব পৰা যায়।

হেমী : বহুত কিবা কিবি মানে?

পুতুল : কাপোৰ খচা আৰু বহুত কিবা কিবি।

হেমী : বহুত কিবা কিবি মানে কি? গৰমৰ দিনত পানীত হয়তো অকণমান ভৰি দুখন ডুবাই বহিছো।
(কাপোৰ খন অকণমান টানি দেখুৱালে।)

পুতুল : অকণমান নহয়। আৰু অকণমান-

হেমী : (আৰু অকণমান টানি) ইমান খিনি নহয় জানো?

পুতুল : হৈছে আৰু অকণমান।

হেমী : ছিঃ ছিঃ লাজ নাইকিয়া কৰবাৰ! জোপোহাৰ আঁৰৰ পৰা লুকাই চুৰকৈ এজনী গাভৰু ছোৱালীৰ পানীত ডুবাই থোৱা বগা কলাফুল চাবলৈ নাকত লাজ লাগিব লাগে। বোধ হয় লগত বন্ধু বান্ধবকো লৈ যোৱা হৈছিল?
(ততাতৈয়াকৈ প্ৰাসাদৰ ভিতৰ সোমাল।)

পুতুল : (ক্ষুদ্ধ হৈ) মুঠেই নহয়। বন্ধু বান্ধবক লৈ মই কেতিয়াও - (কৈ কৈ সিও সোমাইগ'ল। মৃদুপৱন মজিন্দাৰ বৰুৱা আহিল লগত কেইজন মান চিপাহী লৈ। প্ৰাসাদৰ দাৰস্থ দুজন চিপাহীয়ে সিহঁতৰ কাণত ফুচ ফুচাই কিবা কিবি কৈ গুচি গ'ল। লগতে চিপাহীবোৰো প্ৰাসাদৰ ভিতৰ সোমাল।)

ওজা : শান্ত ৰাতিপুৱা , শান্ত চহৰ।

পালি : কিন্তু ইমান সৈন্য সামন্ত কিয়?

ওজা : চুবাদাৰৰ শান্ত প্ৰাসাদ। চুবাদাৰ উভতিল প্ৰাসাদলৈ।

পালি : প্ৰাসাদলৈ? নে মৰণ ফান্দলৈ?
(চুবাদাৰ, চুবাদাৰণী, শিশুসহ ধাই, দুয়োজন বৈদ্য উভতিল। বিষয়া ভিতৰৰ পৰা আহিল।)

চুবাদাৰণী : দক্ষিণ ফালৰ বাৰান্দাৰ পৰা যেন বাগিচাৰ বাহিৰে আন একো দেখিবলৈ পোৱা নাযায়। সেই লেতেৰা বস্তি বোৰ যেন কোনো ফালৰ পৰাই দৃষ্টি গোচৰ -
(কৈ কৈ প্ৰাসাদৰ ভিতৰ সোমাল। ওজা পালি সকল গুচি গৈছে। স্থপতিবিদ আহিছে।)

স্থপতিবিদ - ১ : আমি ৰাজধানীৰ পৰা আহিছো।

স্থপতিবিদ - ২ : দক্ষিণ ফালৰ মহলৰ নাক্সা লৈ-

বিষয়া : আহক, আহক - ভোজ সভালৈ বলক। চুবাদাৰে আবেলি নাক্সা চাব।
(প্ৰাসাদলৈ সোমাবলৈ ধৰোতেইদ্বাৰস্থ চিপাহী দুজনে তেওঁলোকক বাধা দিলে।)
ইয়াৰ মানে কি? যাবলৈ দিয়া।
(স্থপতিবিদ দুজন আতৰি গ'ল।)

স্থপতিবিদ - ১ : মানে বুজি পোৱা নাই? ধনপতি সকল তেনেহলে এই কাৰণেই ৰাজধানীত গোট খাইছিল।

স্থপতিবিদ - ২ : তাৰ মানে মহাৰাজৰ দিন উকলিল।

স্থপতিবিদ - ১ : তাৰ লগতে ৰাজ্যখনত যিমান কেইজন চুবাদাৰ আছে -

স্থপতিবিদ - ২ : বৰ্ত্তমানে ঠাই খন বিপদ মুক্ত বুলি ভাবিব নোৱাৰি।

স্থপতিবিদ - ১ : তেনেহলে ব'লা। বিপৰীত মুখে আগুৱাই যাও।
(তেওঁলোকদুয়োজন পলাল।)

বিষয়া : বাট এৰি দিবানে নিদিয়া স্পষ্ট উত্তৰ দিয়া
(চিপাহী নীৰব, নিশ্চল)
(ভীতিগ্ৰস্ত হৈ পিছুৱাই) তোমা লোক- তোমালোক তেনেহ'লে বিদ্ৰোহী?
(কেইজন মান আহিল ওজা আৰু পালি হৈ। বিষয়া লুকাল এটা কোণত।

সি আদৰৰ মাতো নাপায় শুনিবলৈ কোনো দিনে।
আৰু নাপায় শুনিবলৈ পুৱতি নিশাৰ চৰাইৰ মাত।
জুৰিৰ মিঠা হাঁহি।
কথা শুনি .... কথা শুনি ঘূৰি আহিল হেমী
জুৰিৰ মিঠা হাঁহি।

পালি সকল ঃ অ .. অ .. (গাই যাব) কথা শুনি....কথা শুনি ঘূৰি আহিল হেমী
জুৰিৰ মিঠা হাঁহি।

ওজা ঃ অলপ সময় বহিম বুলি বহিল। অলপ সময় বহিব। ....যিমান সময়লৈ শিশুটোৰ মাক উভতি নাহে .... নতুবা ধাই মাক.... নতুবা আন কোনো....হয় সিমান সময়লৈ।

পালি সকল ঃ (ওজাৰ উক্ত কথা খিনিও তেওঁলোকে ধৰি গাব।)

ওজা ঃ ডাঙৰ বিপদ চাৰিওফালে। চহৰত যুদ্ধ। হত্যা। জুই। অলপ সময় বহিব। কিমান সময়। ভাল হোৱাৰ আকৰ্ষণ বেছি ভয়ঙ্কৰ। অলপ সময় ..... বহু সময় .... গোটেই সন্ধিয়া .... গোটেই ৰাতি। ..... বহু সময় দেখিলো - ঘূমন্ত শান্ত মুখখন। কণমান মুঠিৰ দুখন হাত। শুনিলো পাতল নিশ্বাস বহু সময়লৈ। ..... ৰাতিপুৱাল .... আকৰ্ষণ জিকিল .... নিশ্বাস পেলালে .... আৰু .... আৰু তাৰ পাছত .... তুলি নিলে ঘূমন্ত শিশুক।

পালি সকল ঃ (গাই যাব) যেন চোৰে তুলি ল'লে চুৰি বস্তু চুপে চাপে।
হাতত সাৰে, ভৰিত সাৰে ...... (নিৰ্দ্দেশনা)

ওজা ঃ হাতত সাৰে ভৰিত সাৰে যেন গুচি গ'ল চোৰ।
(হেমী গুচি যায়)
গুচি গ'ল চহৰৰ বাহিৰ হৈ উত্তৰৰ পাহাৰৰ পথ অতিক্ৰমী।
(হেমী আহিছে আনফালৰ পৰা। কোলাত শিশুটো। আহিছে দুজন ওজা আৰু পালি।)

ওজা ঃ ক'ত পলাব সেই মানৱ শিশু?

পালি ঃ চাৰিওফালে ফান্দ পাতি থৈছে।

ওজা : চিকাৰী কুকুৰ।

পালি : গাখীৰ নাই।

ওজা : গাখীৰ কিনিব হেমীয়ে কৃষকৰ ঘৰত।

(ওজা পালি দুজন দুৱাৰ হৈ থিয় দিলে। এজন বৃদ্ধ কৃষক দুৱাৰ ঠেলি যেন ভিতৰ সোমাল। হেমীয়ে তেওঁক দেখে।)

হেমী : ইয়াতেই অলপ বহো মই। ঘাঁহৰ ওপৰতে বহো। হেমী যাব গাখীৰ আনিবলৈ।

(কেঁচুৱাটোক নমাই থৈ দুৱাৰত হেঁচা দিলে।) ককা - অ' ককা।

(দুৱাৰ খুলি বৃদ্ধ কৃষক ওলাই আহিল।)

গাখীৰ হবনে অকণমান? আৰু দুটামান পইতা ভাত, যদি আছে?

বৃদ্ধ কৃষক : গাখীৰ তাখিৰ নাই। চিপাহীয়ে গৰু কাঢ়ি লৈ গৈছে। সিহঁতৰ ওচৰলৈ গৈ গাখীৰ খোজগৈ।

হেমী : অকণমানো নাইনে?

বৃদ্ধ কৃষক : অকণমান দিলে নকবি জানো "ভগবানে তোমাৰ ভাল কৰিব ককা?"

হেমী : "ভগবানে ভাল কৰিব" বুলি কেলৈ কম? মইতো ভিখাৰী নহয়। নগদ পইচা দি কিনি লম।

(বৃদ্ধই গাখীৰ আনিলে)

কিমান লবা?

বৃদ্ধ কৃষক : তিনি অনা। একদম খাতিৰ গাখীৰ। এই মাত্ৰ খীৰাইছো। এটোপা পানীও মিহলোৱা নাই।

হেমী : তিনি অনা? এই ছটাক গাখীৰৰ দাম?

(বৃদ্ধই দুৱাৰ জপাই দিলে।)

শুনিলি ভানু? তিনি অনা? ক'ৰ পৰা দিও?

(কেচুৱাটো শান্ত কৰিবলৈ চেষ্টা কৰিলে। তাৰ পিছত নমাই থৈ দুৱাৰৰ ওচৰলৈ গ'ল।)

হেৰি ককা - শুনক। দুৱাৰখন খোলক - দাম দিম নহয়?

(অস্পষ্ট কণ্ঠৰে) বুঢ়াৰ খকো কম নহয়। বেছিকৈ মুখ মেলিলে কোবাৰি ফাটিব। গম পোৱা নাই বুঢ়া।
(বৃদ্ধই দুৱাৰ খুলিলে।)
দুপইচা হয় এইকণ গাখীৰৰ দাম। এক অনা লওক।

বৃদ্ধ কৃষক : দু অনা লাগিব।

হেমী : ৰব - ৰব দুৱাৰ বন্ধ নকৰিব। দু অনা? কি কৰিম? কেঁচুৱাটোকতো খুৱাবই লাগিব। দিয়ক।
(পইচা দি গাখীৰ ল'লে)
গাখীৰ ভেজাল হ'ব নালাগিব। এতিয়াও বহুদূৰ যাব লাগিব। কেনে ধৰণৰ বেপাৰ কৰিছে ককা?

বৃদ্ধ কৃষক : সস্তা দামত খাটি গাখীৰ যাব খুজিলে চিপাহী বোৰৰে ডিঙি কাটিব লাগিব প্ৰথমতে।

হেমী : সেই বোৰ ঠাট্টা মস্কৰা মই ভাল নেপাওঁ। ক'তা? পইতা ভাত এমুঠি নিদিলা দেখোন?
(বৃদ্ধই পইতা ভাত কেইটামান আনি দি দুৱাৰ বন্ধ কৰিলে।)
দাম লওক ককা। এসপ্তাহৰ মুজৰি গল। ভানু ঐ, তোক লৈ যে কপালত আৰু যে কি ক'ত আছে?
(ওজা পালি দুজনে দুৱাৰ এৰি আহিল। বৃদ্ধ কৃষক গুচি গ'ল। হেমীয়ে কেঁচুৱাটো লৈ খোজকাঢ়ি আছে।)

ওজা : উত্তৰে উত্তৰে - পাহাৰ অতিক্ৰমী

পালি : উত্তৰে উত্তৰে - পাহাৰ অতিক্ৰমী

ওজা : পিছত ধনপতিৰ চিপাহী

পালি : চিকাৰী কুকুৰ।

ওজা : কছাইৰ দল।
(এজন হাবিলদাৰ আহিছে, পিছত দুজন চিপাহী।)

পালি : দিন নাই - ৰাতি নাই

ওজা : হত্যাকাৰীবোৰ ক্লান্ত নহয়

পালি : চকুত নাই ঘুমটি।

(ওজা পালি গুচি গ'ল। হেমীয়ে একাষত খোজ কঢ়াৰ ভঙ্গীত থিয় হৈ থাকে। হাবিলদাৰ আৰু চিপাহীয়ে খোজকাঢ়ি আছে।)

হাবিলদাৰ ঃ একো নহব। তইঁতৰ একো নহব। কামত তইঁতৰ মন ক'ত? অন্তৰ ক'ত? সিদিনা যেতিয়া মই সেই কৃষকৰ মাইকীজনী ধৰিছিলো অ' ঠিক আছে তইঁতে কৃষকটোক ধৰি ৰাখিছিলি। পেটত লঠিয়াইছিলোও, মানি ললো। কিন্তু সেইবোৰতো হুকুম দিয়াতহে কৰিছিলি। সঁচা সচিকৈ কামত আনন্দ পালি জানো? কৰিব লাগে, কৰিলি।

এই খোৱাইছ কিয়? খোৰোৱা মানা। ঘোঁৰাবোৰ বেচি দিলো কাৰণে ইচ্ছা কৰি খোৰাই দেখুৱাইছ - নহয় জানো? চালা, ঘোঁৰা নেবেচি কি কৰিম? সেই দাম কোনে দিব- ক'ত পাম?

চিপাহী সঁকল ঃ (গান) ঘোঁৰাই মাতে চিঁহি চিঁহি, চাবুকৰ কোব খাই।

হাবিলদাৰ ঃ তইঁতবোৰৰ দম নাই। জোৰেৰে গা। গা- চালাহঁত, গান গা- কি চাই আছ?

চিপাহী সকল ঃ ব'ল, ব'ল, ব'ল যুদ্ধলৈ ব'ল, হুকুম আহিছে। ঘৰৰ পিৰালিত আই - ঘৈণী কান্ধত ধৰা ধৰি কৰি কন্দাত বহিছে। অলপমান ধৈৰ্য্য ধৰ; যুদ্ধ হ'লে শেষ হলেহে উভতিম ঘৰলৈ, তেতিয়া পুনৰ বান্ধিবি মূৰৰ কেশ।

(চিপাহীৰ কণ্ঠত গানটো অখাদ্য লাগিছে, কিন্তু সেই গানটোৱেই অধিক ধীৰ লয়ত নাৰী কণ্ঠত বাহিৰৰ পৰা ভাঁহি অহাত সেইটো ভৰিৰে লয় দি গোৱা সাধাৰণ গান হৈ থকা নাই। অৰ্থবহ হৈ উঠিছে।)

হাবিলদাৰ ঃ তইঁতবোৰৰ দম নাই। জোৰেৰে গা।

চিপাহী সকল ঃ (গান) ঘোঁৰাই মাতে চিঁহি চিঁহি,
চাবুকৰ কোব খাই।
তেজ পৰে য'তে ত'তে, দুবৰি খৰিকা জাই।
তেজেৰে ৰঙা দুবৰিবন আৰু পৰিছে
খৰমাহ জেঠৰে।

মাংস খালে শগুনবোৰে আৰু কুকুৰে
চোবালে হাড় বোৰকে।
(খোজ কাঢ়ি কাঢ়ি হাবিলদাৰ চিপাহীবোৰ গুচি গ'ল। নেপথ্যৰ পৰা ভাঁহি অহা গীতটোৰ তালে তালে হেমীয়ে এতিয়া খোজ কাঢ়ি আছে। ওজা আৰু পালি আহে।)

ওজা ঃ বাট কুৰি বাই পলাই পলাই
বাট কুৰি বাই পলাই পলাই
পাগলাদিয়া নদীৰ ধাৰ,
বেছি গধুৰ।
অসহায় শিশুৰ ওজন
আৰু নোৱাৰে হেমীয়ে।
ধানৰ খেতিত কুঁৰলীয়ে ঢকা পুৱা,
কেৱল শীতৰ কষ্ট।
গাঁৱত ঢেকীৰ শব্দ, গৰু গাড়ীৰ চকাৰ
কেৰ কেৰ শব্দ
কেৱল ভয়, কেৱল ভয় পলাতক মনত।
আহ- গধুৰ, বেছি ওজন। হেমীয়ে আৰু নোৱাৰে।
(ওজা পালি সকল ঘৰৰ দেৱাল-চাল হ'ল। কৃষকৰ ঘৈনীয়েকে পানী আনিছে। কৃষক ঘৰৰ ভিতৰত।)

হেমী ঃ আৰু নোৱাৰো। ভানু, তোৰ লগত মোৰ ইয়াতেই এৰা এৰি। চহৰৰ পৰা বহু দূৰ আহি পাই ছোহি, ইমান দূৰলৈ তোক আমনি কৰিবলৈ সিহঁত নাহে। তই ইমান দামী হোৱা নাই। সেই যে কৃষকৰ ঘৈনীয়েকজনী— দেখাততো ভাল মানুহ যেনেই লাগে। আৰু সেইযে গাখীৰৰ গোন্ধ পোৱা নাই? (কেঁচুৱাটো লবলৈ গৈ উভতি আহিল।) কোলাত শুই পেটত মৰা লাঠিবোৰৰ কথা মই পাহৰি যাম? তোক যে ভালকৈ খাবলৈ দিব পৰা নাই- তয়ো পাহৰি যা সেইবোৰ কথা। তোক - তোৰ নাকটো

জানো খৰা ! - মই -
(বুকুত চেপি)
নাই - নহব জানোটো। পুতুল উভতিব, মোক নেপালে বাৰু কি হব কছোন? সেইটো জানো ভাল হব - কছোন?
(জুপুৰি ঘৰৰ দুৱাৰৰ দাং লগাই দিলে। ওলাই যাবলৈ ধৰি ৰৈ গ'ল। কৃষকৰ পত্নী ঘৰলৈ সোমাবলৈ ধৰি শিশুটোক দেখি ৰৈ যায়।)

কৃষক পত্নী ঃ আই ঐ দেহি। এইটো কি? হেৰি শুনিছেনে?

কৃষক ঃ কি হ'ল আকৌ? কোমল চাউল কেইটাকো যাবলৈ নিদিলা? (বাহিৰ ওলাই আহিল।)

কৃষক পত্নী ঃ এইটো কি চাওকছোন। ইয়াৰ মাক ক'ত? মাক নায়েই নেকি? চাওকছোন চাওক - চোলাটো পাটৰ। কোনোবা ডা-ডাঙৰীয়াৰ ল'ৰা যেন লাগিছে। আই ঐ দেহি - কোনে এনেকৈ তাক পেলাই থৈ গ'ল? হায় কি দিন কাল পৰিল।

কৃষক ঃ যিয়েই পেলাই থৈ গৈছে - যাওক, কিন্তু এটা কথা মনত ৰাখিবি আমাৰ সংসাৰত আৰু এটাও খাবৰীয়াৰ বোজা মই বব নোৱাৰো। বল, ইয়াক মন্দিৰৰ পূজাৰীক গতাই থৈ আহো।

কৃষক পত্নী ঃ আপুনিও যে নভবা নিচিন্তাকৈ কথাবোৰ কয়? দেউৰে এইটো কি কৰিব? তাক লাগে মাথোন মাকক। এয়া চাওক সি চকু মেলি চাইছে - সি সাৰ পাইছে। সি আমাৰ ইয়াতেই থাওক বুজিছেনে- আপুনি ইমুখ সিমুখ খন নকৰিব।

কৃষক ঃ (সৈমান নহৈ) নাই- নোৱাৰে।

কৃষক পত্নী ঃ চাওকছোন - চাওক -সি কেনেকৈ হাঁহিছে!

কৃষক ঃ (নাৰাজ হৈ) হাঁহক! তাত মোৰ কি আহে যায়।

কৃষক পত্নী ঃ শুনক, মূৰটো গুজিবলৈ আমাৰ অকণমান ঠাই আছে - তাৰ কি আছে কওক? আপুনি ইমান নিষ্ঠুৰ নহবছোন। (ঘৰৰ ভিতৰলৈ গ'ল। কৃষক নিৰুপায়। হেমী ওলাই আহিল চুকৰ পৰা। ঘৰ ভাঙি

ওজা আৰু পালি তাইৰ ওচৰলৈ গ'ল। কৃষক আৰু কৃষকৰ পত্নী কেঁচুৰাটো লৈ গুচি গ'ল। হেমী সুখী। ওজা আৰু পালিৰ প্ৰৱেশ।)

ওজা : ইমান সুখী কিয়?

পালি : কেঁচুৰাটোৱে মাকক পালে বুলি।

ওজা : মুৰ গুজিবলৈ এখন চালি পালে বুলি।

পালি : অ নহয়। গাৰ পৰা এটা বোজা খহিল বুলি।
(হেমী এতিয়া গম্ভীৰ।)

ওজা : মুখ ক'লা হৈছে কিয়?

পালি : হয়তো পুনৰ অকলশৰীয়া হোৱা বাবে।
(হেমী দৃঢ় পদক্ষেপেৰে অহা বাটেৰে উভতিল। সেই হাবিলদাৰ জন আৰু লগত দুজন চিপাহী আহিছে। ওজা আৰু পালিৰ প্ৰস্থান।)

হাবিলদাৰ : আহা - আহা - ইমান তৰা নৰা চিঙি কলৈ ঢাপলি মেলিছ? শত্ৰু পক্ষৰ লোকৰ লগত কিবা ভাব চাব হৈছেনে কি? মহাৰাজৰ লোকৰ লগত? ক'ত আছে সিহঁত? কোনটো পাহাৰত? কোন জঙঘলত? কোন জোপা ঝাউ বনৰ আঁৰত? আহ - ভয় কৰিছ কিয়? কলৈ ঢাপলি মেলিছ - ক?

হেমী : ৰত্নপুৰলৈ।

হাবিলদাৰ : ৰত্নপুৰ? তাত কোন আছে?

হেমী : নাই, আহিব।

হাবিলদাৰ : কোন?

হেমীৰ : মোৰ গিৰীহঁত।

হাবিলদাৰ : তোৰ গিৰীহঁত?

হেমী : যুদ্ধলৈ গৈছে -

হাবিলদাৰ : যুদ্ধ?

হেমী : নাম তাৰ পুতুল -

হাবিলদাৰ ঃ বুজিছো, বুজিছো। পুতুল, পুতুলক মই চিনি পাওঁ। মোক কৈ গৈছে তোৰ দেখা শুনা কৰিবলৈ। তোৰ লগত মোৰ দৰকাৰ একো নাই। কিন্তু নেথাকিও আছে, এটা মস্ত - ডাঙৰ দৰকাৰ এটা কেঁচুবাৰ।

(হেমী জিকাৰ খাই উঠি আতৰি গ'ল।)

হাঃ হাঃ হাঃ। এই ঠিকেই বুজিছে। বুদ্ধিমতী গাভৰু। বাৰু সেইবোৰ বাদ দে। আমি যিটো কেঁচুৱাক বিচাৰিছো - সেইটো ৰত্নপুৰৰেই কেঁচুৱা। ডা-ডাঙৰীয়াৰ লৰা, গাত পাটৰ চোলা। দেখিছনে তাক? শুনিছনে তাৰ কথা?

হেমী ঃ মই - মই একো দেখা নাই। মই একো শুনাও নাই। মই - (ভয়ত পেপুৱা লাগি - হেমী দৌৰ মাৰিলে। যি ফালেৰে আহিছিল সেই ফালেদিয়েই।)

হাবিলদাৰ ঃ (হুকুম দিলে) এই দৌৰ।

(অনুসৰণ কৰিলে। ওজা আৰু পালি আহিল। হেমী, হাবিলদাৰ আৰু চিপাহীবোৰ দৌৰৰ ভঙ্গীত বৈ।)

ওজা ঃ দৌৰ। দৌৰ। হত্যাকাৰীহঁত আহি পালে।

পালি ঃ অসহায় শিশু, অসহায় তুমি, দৌৰা। দৌৰা।

ওজা ঃ ইমান তেজৰ মাজত ইমান মায়া কিয়?

পালি ঃ ক'ৰ পৰা আহে?

(সিহঁত পুনৰ কৃষকৰ ঘৰ হল। কৃষকৰ ঘৈণীয়েকে কেচুৱাটোক আনি ঘৰতে শুৱাই ৰাখিছে। ঘৰলৈ দৌৰি আহিল।)

হেমী ঃ তুৰন্তে তাক লুকোৱা। চিপাহীবোৰ আহিছে।

কৃষক পত্নী ঃ কোন, কোন তুমি?

হেমী ঃ ময়েই তাক থৈ গৈছো। সি কিন্তু মোৰ ল'ৰা নহয়। বৰ ডাঙৰ মানুহৰ লৰা। লুকুওৱা তাক। চিপাহীবোৰ আহি পায়হিহে লাগে।

কৃষক পত্নী ঃ কোন চিপাহী? কাৰ ঘৰৰ লৰা?

হেমী ঃ সময় তেনেই কম, পিছত কম। পাটৰ চোলাটো খুলি পেলোৱা।

কৃষক পত্নী ঃ তোৰ হুকুম মতে কাম কৰিমনে? বোলো এইটো কাৰ ঘৰ? তোৰনে মোৰ?

হেমী ঃ উঃহ সেইবোৰ এৰা। খৰধৰ কৰা।

কৃষক পত্নী ঃ কেঁচুৱাটো এনেকৈ আলৈ আথানি কৰি এনেকৈ পেলাই থৈ গলি কিয়? তাত তই পাপ আৰ্জ্জি নললিনে?

হেমী ঃ ইছ - সিহঁতবোৰ যে আহি পালেই। কলৈ যাও? এতিয়া ক'ত পলাও।

কৃষক পত্নী ঃ হায় মোৰ কপাল। এইবোৰ চিপাহী দেখোন।

হেমীক ঃ ইয়াক বিচাৰিছে আকৌ?

কৃষক পত্নী ঃ যদি ঘৰৰ ভিতৰ সোমায়?

হেমী ঃ তোমাৰ ল'ৰা বুলি কবা আকৌ?

কৃষক পত্নী ঃ যদি বিশ্বাস নকৰে?

হেমী ঃ খুব জোৰ দি সিহঁত পতিয়ন যোৱাকৈ কবা।

কৃষক পত্নী ঃ যদি ঘৰটোত জুই লগাই দিয়ে?

হেমী ঃ ইমান কঁপিছা কিয়। ধৰা পৰি মৰিব খুজিছা। থিয় হৈ থাকা। (কিন্তু কৃষক পত্নীৰ থিয় হৈ থকাৰ ক্ষমতা নাই।) তোমাৰ লৰা ছোৱালী নাই।

কৃষক পত্নী ঃ এটাই লৰা। যুদ্ধলৈ গৈছে।

হেমী ঃ তাৰ মানে সিও চিপাহী? সি যদি কেঁচুৱা এটাক মাৰিব খোজে, তেনেহলে তুমি তাক বাধা নিদিবা জানো? এইদৰে তাক সাবধান কৰি নিদিবা জানো, খবৰদাৰ - তই এই পাপ কাম কৰিব নোৱাৰ। তোক মই শিশু বধৰ শিক্ষা দিয়া নাছিলো। ধৰি লোৱা এইটোও তোমাৰেই কেঁচুৱা।

কৃষক পত্নী ঃ হয় দে, তই ঠিক কথাই কৈছ। সি পাপ কাম কৰিলে মই পাপৰ ভাগী হব নালাগিব জানো?

হেমী ঃ তুমি দেখোন কথাবিলাক বুজিয়েই পাইছা।

কৃষক পত্নী ঃ তই চিন্তা নকৰিবি। কম দে।

হেমী : এয়া সিহঁতবোৰ আহি পালেই।

(হাবিলদাৰ আৰু চিপাহী দুজন আগুৱাই আহিল। হাবিলদাৰ ঘৰৰ ভিতৰ সোমাল।)

হাবিলদাৰ : হেৰি নহয়, কি কৈছিলো তোৰ কথা? মই কিন্তু সোনকালেই গোন্ধ পাও। এইদৰে হাবাথুৰি খাই দৌৰা দৌৰি খন কিয় কৰিছা মইনা? কিবা নহয় - কিবা এটা কথা আছে নিশ্চয়। কৈ পেলা - মাজনী। ভয় নকৰিবা।

হেমী : কথাটো হ'ল চৌকাৰ ওপৰত যে মই গাখীৰ উঠাই আহিছিলো, পাহৰিয়েই গলো। হঠাতে মনত পৰিল। সেইহে -

হাবিলদাৰ : চৌকাৰ গাখীৰ? বিছ্নাত দেখোন কোনো, নাছিল? (চিপাহীক) অই, বুৰ্ব্বকহঁত - হাঁহ। ৰসিকতা কি বস্তু বুজি নাপাব? (কৃষক পত্নীক) অই বুঢ়ী, তই ইয়াত কি কৰিছ? যা- গৰাললৈ গৈ মুৰ্গীক খানা দেগৈ। যা।

(চিপাহীক দেখি কৃষক পত্নী ইমান সময় থৰথৰকৈ কঁপি আছিল।)

কৃষক পত্নী : মই একো নেজানো বোপাইহঁত। ঘৰটো জ্বলাই নিদিবা - তোমালোকৰ হাতে ভৰিয়ে ধৰিছো।

হাবিলদাৰ : কি কৈছ?

কৃষক পত্নী : মইচিনি নেপাও বোপাইহঁত। সেই- সেই ডুলিটোতে ৰাখি গৈছে।

হাবিলদাৰ : কি ৰাখি গৈছে?

(হেমীক ঠেলা মাৰি আতৰাই ডুলিটোত লুকুৱাই ৰখা কেঁচুৱাটোক দেখা পালে।) এই বুৰ্ব্বকৰ দল, বুঢ়ী জনীক বাহিৰলৈ নি ধৰি ৰাখ। মই এই ৰূপহীক অকণমান সোধ পোছ কৰো।

(চিপাহীয়ে কৃষক পত্নীক বাহিৰলৈ লৈ গ'ল।)

আমি তেনেহলে যিটো কেঁচুৱা বিচাৰি ফুৰিছো, সেইটো তোৰ লগতেই আছে?

হেমী : কেলৈ হব? সি মোৰ লৰা। তোমালোকে যাক বিচাৰিছা, ই সি নহয়। (কেচুৱাটো লবলৈ যাওঁতেই হাবিলদাৰে ঠেলা মাৰি

পেলাই দিলে।)

হাবিলদাৰ ঃ বাঃ পাটৰ চোলা। ফটা চিটা হলেও, ই পাটৰেই চোলা! নিশ্চয় ই কোনোবা ভূঞাৰ পোৱালি হবই।

(হেমী উঠি কাটি হৈ কিবা অস্ত্র বিচাৰিছে।)

হেমী ঃ মোৰ লৰা। সি মোৰ লৰা।

হাবিলদাৰ ঃ বাঃ। হাজাৰ টকা।

(হেমীয়ে এদাল লাঠি বিচাৰি পাইছে। তাৰে সৈতে হাবিলদাৰৰ মূৰত সৰ্ব্বশক্তি প্ৰয়োগ কৰি টাঙোন সোধালে। হাবিলদাৰ পৰি গল। কেঁচুৱাটোক বুকুত বান্ধি হেমী তীব্ৰ বেগেৰে ওলাই গ'ল। ওজা পালিসকল আহিল। যি কেইজন ঘৰ হৈ আছিল, সেই কেইজনেও যোগ দিলে।)

ওজা ঃ দৌৰ দৌৰ দৌৰ। দৌৰ দৌৰ দৌৰ। চিপাহী পিছত। হাবিলদাৰ পিছত। কুকুৰ পিছত।

পালি ঃ দৌৰ দৌৰ দৌৰ। দৌৰ দৌৰ দৌৰ।

ওজা ঃ পাহাৰী নদীৰ ওপৰত ভগা দলং, এশহাত তলেদি
পাহাৰী নদী জীয়াঢল হুৰ মূৰকৈ বৈছে
উৰণীয়া দলং ৰচি চিঙি ওলমিছে
হাঁকুটি লগাই টানি আনিবলৈ চেষ্টা কৰিছে
উলৰ দুজন বেপাৰীয়ে।

পালি ঃ দৌৰ দৌৰ দৌৰ। দৌৰ দৌৰ দৌৰ।

(ইতিমধে হাবিলদাৰ উঠি চিপাহী সমন্বিতে হেমীৰ পিছে পিছে খেদি গৈছে। ওজা আৰু পালি সকলে নদীৰ ওপৰৰ ভগা দলং মেৰামতি কৰিছে - শুই, বহি, থিয় হৈ। দুজন উলৰ বেপাৰী এটা কাষত। কাল্পনিক হাঁকুটিৰে যেন ৰচি ধৰিবৰ চেষ্টা কৰিছে। হেমী দৌৰি দলঙত উঠাৰ চেষ্টা কৰোতেই তাইক বেপাৰী দুজনে বাধা দিলে।)

বেপাৰী- ১ ঃ আহা - কি কৰ, কি কৰ। দেখা নাই দলংখন ভগা?

বেপাৰী- ২ : হাঁকুটিৰে ৰচিদাল ধৰিবলৈ চেষ্টা কৰি থকাও চকুত পৰা নাইনে? ৰচিদাল ধৰিব পাৰিলেও বাৰু যেন তেন -

হেমী : মোৰ ককাইৰ ঘৰ সিপাৰে, মই যেনে তেনে দলংখন পাৰ হ'বই লাগিব।

বেপাৰী- ১ : পাৰ হব লাগিব বুলি কলেই পাৰ হব পাৰিবানে? দেখা নাই দলঙৰ কি অৱস্থা। আমিয়োতো সিটো পাৰলৈ যাব লাগিব। সিপাৰত গাঁৱত উলৰ কম্বল বেচিবই লাগিব।

(হেমীয়ে ইতিমধ্যে কেঁচুৱাটো পিঠিত কাপোৰেৰে বান্ধি লৈছে।)

বেপাৰী- ২ : কোনোবা অহা যেন লাগিছে।

হেমী : (খৰ খেদাকৈ) একেবাৰেই ভাগি পৰা নাই, চাও এবাৰ চেষ্টা কৰি। (দলঙত উঠিবলৈ যায়।)

বেপৰীদ্বয় : অই - চাবি - চাবি - খুব সাৱধানে -

হেমী : মুখ বন্ধ কৰি থাকা। চিঞৰ-বাখৰ নকৰিবা।

বেপাৰী- ২ : কিয় চিঞৰ-বাখৰ নকৰিম হো?

বেপাৰী- ১ : কোনোবাই তোক ধৰিবলৈ খেদি আহিছেনে কি?

হেমী : তোমালোকক লুকুৱাই লাভ নাই। সেইবোৰ চিপাহী। মোক ধৰিবলৈ আহিছে। সিহঁতৰ হাবিলদাৰৰ মূৰত মই টাঙোনেৰে মাৰ সোধাইছিলো।

বেপাৰী- ১ : সিহঁত চিপাহী। বিশ্বাস নাই। বস্তু বাহানিবোৰ আতৰাই ৰাখ।

হেমী : আতৰি যোৱা, মই পাৰ হমেই।

বেপাৰী- ১ : (বাধা দি) খং উঠিছে। নদীৰ পানী কিন্তু এশহাত তলত। মৰসাহ নকৰিবি।

হেমী : চাও বাট এৰি দিয়া। অযথা বিধি পথালি দি আছা কিয়?

(বেপাৰীক থেলা মাৰি সৰকি হেমী দলঙত উঠিল।)

বেপাৰী- ২ : কেঁচুৱাটো ৰাখি থৈ যা। নহলে দুয়োটাই মৰিবি।

হেমী : মৰিলে দুয়োটাই মৰিম, বাচিলে দুয়োটাই বাচিম। হাঁকুটি দাল পেলাই দিয়া, নহলে ৰচিদাল তুলি আনিব সিহঁতে।

বেপাৰীদ্বয় ঃ জয় শংকৰ। জয় শংকৰ। জয় শংকৰ।

(জীৱন মৰণৰ বাজি লগাই হেমী দলংখন পাৰ হৈ গল।)

বেপাৰী- ১ ঃ পাৰিলে।

বেপাৰী- ২ ঃ গ্ৰহ গতি ভাল আছিল বুলি একো অঘটন নঘটিল। তথাপি কম কামটো ভাল নকৰিলে।

(হাবিলদাৰ আৰু দুজন চিপাহী আহি উপস্থিত হ'ল।)

হাবিলদাৰ ঃ অই - বেপাৰী, ছোৱালী এজনী দেখিছিলি? কোলাত এটা কেচুৱা।

বেপাৰী- ১ ঃ অ - সেইয়া সিপাৰত। কিন্তু দলংখনৰ অৱস্থা একেবাৰে শোচনীয়। এনে স্থলত মৰসাহ নকৰাই ভালনে কি?

(১ নং বেপাৰীৰ ইঙ্গিতত অন্যজন বেপাৰীয়ে হাঁকুটিদাল পানীত পেলাই দিলে।)

হাবিলদাৰ ঃ চালা, হাজাৰ টকা। চকুৰ পচাৰতে হাজাৰ টকাৰ লোকচান।

(হাবিলদাৰ, চিপাহী আৰু বেপাৰী দুজন গুচি গ'ল। ওজা আৰু পালিসকল দলং এৰি জুৰিলৈ ৰূপান্তৰিত হৈছে। হেমীয়ে বোকোচাত কেঁচুৱাটো লৈ খোজকাঢ়ি আছে।)

ওজা আৰু পালি সকল ঃ দৌৰ দৌৰ দৌৰ। দৌৰ দৌৰ দৌৰ। ধান খেতি পাৰ হৈ। ঝাও গছৰ সিপাৰে। পাহাৰী ৰাস্তা। শিলাময় পথ। শিলে শিলে খোজৰ তেজ, শীত ঠৰঙা হাত। হিম চেঁচা জুৰিৰ পাৰত হেমী অৱশেষত মাক হ'ল।

(খোজ কাঢ়ি কাঢ়ি ক্লান্ত হেমী জুৰিৰ পাৰত।)

হেমী ঃ তোক আন কোনেও নিনিয়ে। সেয়ে তোক মই আনিলো। তোক আন কোনেও নিদিয়ে, সেয়ে তই মোকেই ল। ভৰি আৰু নচলে। বাট বৰ দীঘল। গাখীৰৰ চৰা দাম। তথাপি তোক মই নেৰো, কাহানিও নেৰো। তোৰ পাটৰ চোলা মই দলিয়াহ

পেলাম। ফটাকানি পিন্ধি থাক তই। তই মোৰ লৰা। মোৰ লৰা তই। মই তোৰ মা -

(জুৰি পাৰ হৈ গুচি গ'ল হেমী। ওজা আৰু পালি সকল এতিয়া পাহাৰীয়া পথ, শিল, গছ, উঠা নমা ৰাস্তাইদি অগ্ৰসৰ হ্য়। ওজা আৰু পালিৰ কণ্ঠত এটা সুৰৰ গুণগুণনি তেওঁলোকৰ কথাৰ শেষত প্ৰতিধ্বনিৰ আভাস। হেমীয়ে খোজকাঢ়ি আছে পাহাৰীয়া পথ অতিক্ৰমী। এতিয়া আৰু শিশুটোৰ গাত পাটৰ চোলা নাই, এটা ফটা চিটা পোছাক পিন্ধাই তাক লৈ গৈছে।)

ওজা ঃ সাতদিন। সাতৰাতি। ওখ, চাপৰ আৰু ওখ। পাহাৰ। জুৰি আৰু বৰফ। দেৱদাৰু গছ। সাতোটা শীতৰ ৰাতি। হেমীয়ে ভাবিছে। ..... ভাবিছে।

(ওজা আৰু পালি সকল খেতি পথাৰলৈ পৰিণত হ'ল। হেমীৰ ককায়েক নবৌয়েকে যেন তাইক সাদৰ সম্ভাখষ জনাইছে, হিয়া উবুৰিয়াই মৰম যাচিছে।)

হেমীয়ে ভাবিছে- খেতিয়ক ককায়েকৰ ঘৰ পাব, ককায়েক অবাক হৈ যাব। ক'ব - তই আহিছ - হেমী? কিমান দিন ভাবিছো- তই কেতিয়া আহিবি? কব - এয়া মোৰ পত্নী অৰ্থাৎ তোৰ নবৌয়েৰ আৰু মোৰ এই মাটি, পথাৰ, খেতি তাইৰবাপেকে দিছে। সৌটো হাঁহৰ গৰাল, সৌটো মুগীৰ গৰাল। ভেৰাৰ গৰাল, ত্ৰিশটা ভেৰা ... সেইটো গোহালি - ছটা গৰু। আহ বহি খা। গৰম ভাত, হাঁহৰ মাংস, গাখীৰ,কণীৰ জোল ... হেমীয়ে ভাবিছে। তাই মাথো ভাবিছে।

(হেমী আচ্ছন্ন হৈ পৰি আছে। এজনী কাম কৰা মাইকী মানুহে তাইক ককায়েক আৰু নবৌয়েকৰ ওচৰলৈ তুলি লৈ যায়। নবৌয়েকৰ মুখত অসন্তুষ্টি, ককায়েক সন্তুষ্ট।)

ককায়েক ঃ ই কি, হেমী তই? ক'ৰ পৰা আহিলি?

হেমী ঃ চহৰৰ পৰা। মথাউৰি পাৰ হৈ, পাহাৰ পাৰ হৈ -

বাই : নঙলাৰ মুখত পৰি আছিল মৰা মানুহৰ নিচিনাকৈ। লগত সেই কেচুৱাটোও।

নবৌ : তই যা, গৰুক দানা দেগৈ। কথা শুনি থাকিব নালাগে।
(বাই গুচি গ'ল।)

ককায়েক : এই তোৰ - হেৰি, মানে নবৌয়েৰ।

নবৌ : শুনিছিলো ৰত্ন পুৰত কাম কৰা বোলে?

হেমী : কৰিছিলো।

নবৌ : শুনিছিলো- কামটো ভালেই হেনো। চুবাদাৰৰ ঘৰৰ। পিছে কামটো এৰি আহিলা কিয়?

হেমী : চুবাদাৰক মাৰি পেলাইছে।

ককায়েক : কথাটো ময়ো শুনিছো। কিবোৰ হেৰি মানে কটা মৰা - গোটেই খাস্তাং। মানে যুদ্ধ হৈছিল হেনো তাত। (ঘৈণীয়েকক) তই শুনা নাই?

নবৌ : (মুখ জোকাৰি) মই শুনিম ক'ৰ পৰা? কলেহে। আমাৰ ইয়াত কিন্তু কোনো গোলমাল নাই। চহৰৰ মানুহ বিলাক ক'ৰবাত কিবা এটা হ'লেই সকলো সময়তে জাণ্ডুৰ খাই উঠে। (চিএৰি) অ - জেতুকীৰ মাক - পায়স খিনি লৰাই দে, নহলে তলত লাগি যাব। মাত বোল নাই দেখোন- অ জেতুকীৰ মাক - ক'ত মৰিলগৈবা এই জনী।
(গুচি যায়।)

ককায়েক : অ - হেৰি নহয় - মানে পোনাকণ?
(হেমীয়ে মূৰ লৰালে)
যি ভয় কৰিছিলো - সেয়ে। ভয় নাখাবি আক'
কিবা এটা বনাই মেলি কব লাগিব। তোৰ নবৌয়েৰ এইবোৰ ক্ষেত্ৰত মানে - হেৰি -
(নবৌৰ প্ৰৱেশ)

নবৌ : এইচাকৰ নাকৰ, কাম কৰা বাইবোৰ এনে হৈছে যে কোনো পধ্যেই

কাকো বিশ্বাস কৰিব নোৱাৰি। লগত এটা কেঁচুৱাও দেখিছো।

হেমী : সেইটো মোৰহে ল'ৰা।
(সৰগ ভাগি পৰা মানুহৰ দৰে)

নবৌ : (কপালত হাত থৈ) সৰ্বনাশ ! কি বিপাঙত পৰিলো। এতিয়া কি হব?

ককায়েক : বহ - ইয়াতে বহ। তাই এনেয়ে কাহিল হৈ পৰিছে।

নবৌ : আই সকল নহয়তো? দেউতা ঈশ্বৰ এতিয়া কি হব?

ককায়েক : ধেৎ এইজনী ! এনেয়ে আপদ চোচোৰাই নলবি। আই সকলৰ কিবা চিন মুখ আৰু দেহত পাইছ জানো? তাই এনেয়ে ইমান দূৰ খোজ কাঢ়ি -

নবৌ : কেঁচুৱাটো তাইৰতো?

হেমী : অ - মোৰ।

ককায়েক : (ঘৈণীয়েকৰ মনোযোগ আতৰাবলৈ চেষ্টা কৰি) তাই হেৰি লৈ গৈছিল- মানে- শহুৰেকৰ ঘৰলৈ।

নবৌ : অ - আপুনি যাওক, খাবলৈ বহকগৈ। নহলে চেঁচা হৈ যাব। শহুৰেকৰ ঘৰনো ক'তবা?

ককায়েক : সেই পাহাৰটোৰ সিটো পাৰে।

নবৌ : গিৰীয়েক তাতেই আছে?

হেমী : নাই। যুদ্ধলৈ গৈছে —

নবৌ : অ' - চিপাহী?

ককায়েক : সি পিছে বাপেকৰ খেতিৰ মাটি পাইছে। অলপীয়া মাটি ; কিন্তু বেচ হেৰি -

নবৌ : পাইছে মানে? বাপেক নাই তেনেহ'লে? মাক?

ককায়েক : মাকো নাই। সি অকলশৰীয়া-

নবো : তেনেহ'লে শহুৰেকৰ ঘৰলৈ যাব কাৰ মুখ চাবলৈ?

ককায়েক : মানে-হেৰি- গিৰীয়েক আহিবৰ হৈছে- যুদ্ধখন শাম কাটিবৰে হ'ল নহয়? (হেমীক)

নবৌ : অ' কথা বহুত। লেঠা পেঠাও অনেক। (কিছু চিন্তা কৰি)

চাওছোন বাৰু, ক'ৰ পানী কলৈ যায়।
(প্ৰস্থান।)

ককায়েক ঃ তই অকমান বহ। মই সাউত কৰে তোৰ শোৱাৰ দিহা কৰি দিও। (চিন্তা কৰি) নবৌয়েৰ কথাত নেলাগিব - মানুহজনী একেবাৰে ভলভলীয়া। মুখতো যি পেটতো সি। মানুহজনীৰ অন্তৰখন বৰ ভাল বুজিলি ? কিন্তু হেৰি -পোনাকণৰ খোৱাটো আগেয়ে চৌকাত তই বনাই ল-

হেমী ঃ ইয়াক ধৰ তেনেহলে।
(কেঁচুৱাটোক ককায়েকৰ কোলাত দিয়ে।)

ককায়েক ঃ কথাটো মানে- হেৰি- বেছি দিন থাকিলে কিছু অসুবিধা - বুজিলি। মানে কেঁচুৱাটো তাই আকৌ এইবোৰ বিষয়ত অলপ হেৰি - মানে -
(হেমী একেবাৰে ভাগৰি পৰিল। ককায়েক নিৰুপায় হৈ থিয়দি থাকিল। ওজা আৰু পালি সকল আহিল। সিচৰিত হৈ দৰ্শক সকলক ফুচফুচাই আনৰ কথাবোৰ কবলৈ ধৰিলে। ককায়েকে কেঁচুৱাক নমাই থৈ গুচি গ'ল। এইবাৰ ওজা আৰু পালি সকলে কথাবোৰ ডাঙৰকৈ কৈছে। ওজাই কৈ যোৱা কথাংশৰ পিছৰ খিনি পালি সকলে ধৰি গাব।)

ওজা ঃ একেবাৰেই বহি গ'ল হেমী। ভীষণ অসুখ।
ককায়েকে ৰাখিব লগীয়া হ'ল ঘৰত। ভয়ে ভয়ে।
শিশুটোৰ কথা আনে নেজানে। নবৌয়েকো
ক্ষেপা নাই। ৰাখিব লগীয়া হ'ল পুৰণি
গোহালি ঘৰটোত।

পালি ঃ পুৰণি গোহালি ঘৰটোত।
(ওজা আৰু পালি সকল গোহালি ঘৰৰ বেৰ হৈ হেমীক তিনিও ফালৰ পৰা ঘেৰি আঠু পেলাই বহিল। হেমীৰ কোলাত কেঁচুৱাটো।)

হেমী ঃ বুজিলি ভানু, আমিবোৰ বেছ চালাক হ'ব লাগিব। এই গোহালি ঘৰতে গৰু দামুৰি হৈ লুকাই থাকিব লাগিব, যাতে তই মামীয়েৰৰ কোপ দৃষ্টিত পৰিব লগীয়া নহ'ব। তেনেহলে বোধ কৰো ঠাণ্ডা নাতৰালৈকে ইয়াতেই থাকিব লাগিব। তিমান দিনলৈ যুদ্ধ শেষ হৈ যাব। কি কৱ, হব নহয়?

ককায়েক ঃ কি হ'ল? এই দৰে কুঁচি মুচি বহিছ যে? গোহালি ঘৰটো সেমেকা - সেই কাৰণেই বোধহয় ঠাণ্ডাটো বেছি।

হেমী ঃ ঠাণ্ডা? ক'তা, তিমান বেছি নহয়তো?

ককায়েক ঃ নাই, নাই, ঠাণ্ডাত তইঁতে কষ্ট পালে নবৌয়েৰৰ কিন্তু বেয়া লাগিব।

হেমী ঃ সেইটো হয়। কিন্তু মই হলে বিশেষ ঠাণ্ডা পোৱা নাই।

ককায়েক ঃ নাই পোৱা যদি বাৰু ঠিক আছে। হেৰি নহয় সেই গাওঁবুঢ়া জন যে আহিছিল কেঁচুৱাটোৰ বিষয়ে কিবা শোধ পোছ কৰা নাইতো?

হেমী ঃ কৰিছিল। পিছে মই একো কোৱা নাই।

ককায়েৰ ঃ খুব ভাল কৰিলি, খুব ভাল কৰিলি। মানে তোৰ নবৌয়েৰৰ বুজিলি মনটো খুব ভাল। তথাপি সেইবোৰ লুকাই চুৰকৈ কৰা কামত অলপমানে- হেৰি আৰু কি। আৰু হেৰি নহয় - এন্দুৰ চিকা ইয়াত ওলোৱা নাইতো?

হেমী ঃ ক'তা, দেখা পোৱাতো নাই।

ককায়েক ঃ নাই - নাই, থাকিবও পাৰে- গতিকে আমি থকা ঘৰটোতেই তইঁতক বিছনা এখন পাৰি দিও- তাতেই পোনাকণক লৈ কোনো মতে শুই থাক। নহলে তোৰ নবৌয়েৰে -

হেমী ঃ নাই, নাই, চিকাও নাই- এন্দুৰো নাই, ইয়াতেই ভাল পাইছো।

ককায়েক ঃ ভাল পাইছ যদি হব। হেৰি- কি কব খুজিছিলো? অ' - তোৰ নবৌয়েৰে- হেৰি মানে তোৰ চিপাহী গিৰীয়েৰৰ কথা কব

খুজিছিল-মানে কৈছিল, সি উভতি আহি যদি তোক নাপায়। তেতিয়া মই কলো- ঠাণ্ডাৰ দিন কেইটাততো আৰু নাহে - ঠাণ্ডাৰ পিছতহে আহিব- তোৰ মনে বাৰু কি কয়? ঠাণ্ডা গলেই আহিব নহয় জানো?

(হেমী নিৰুত্তৰ। তললৈ মুখ কৰি কিবা চিন্তাত মগ্ন।)

কি হ'ল মনে মনে থাকিলি দেখোন? উভতি নাহে বুলি সন্দেহ হৈছে নেকি? কিন্তু ঠাণ্ডাৰ পিছত - সেইহেৰি নহয়- সি নিশ্চয় হাজিৰ হব। আৰু ইয়াতো কেঁচুৱাটোৰ কথালৈ বেছ এটা মানে- হেমী; দক্ষিণ ফালৰ পৰা বতাহ বলা নাই। তেনেহলে ঠাণ্ডা শেষেই দেখোন?

হেমী ঃ (ক্লান্ত মাত) অ - শেষ।

ককায়েক ঃ কও শুন, এটা বুদ্ধি পাঙিছো। মানে- তোৰ কেঁচুৱাটোৰ খাতিৰত- বুজিলি, তোৰ এটা -মানে হেৰিৰ দৰকাৰ- মানে- মতা।

(হেমী চক খাই উঠিল।)

তেতিয়া আৰু মানুহে হেৰি নকৰিব- মানে বু বু বা বা। সেইহে মই লুকাই চুৰকৈ খবৰ কৰিছিলো, কপাল ভাল খবৰ পাই গলো। এজনী খেতিয়েক বুঢ়ীৰ ভনীয়েকৰ ল'ৰা, এই পাহাৰৰ সিটো পাৰে থাকে- মানে তাৰ ঘৰ। সৰু এখন খেতিৰ পথাৰ আছে, মানে আমি মিলি কাহিনী থিয় কৰাব খুজিছো তাৰ লগত সোল অনাই খাপ খাই যাব। বুঢ়ীৰ লগত হেৰি মানে- কথা বতৰা পতা হৈ গৈছে- বুঢ়ী ৰাজি।

হেমী ঃ বিয়া কেনেকৈ কৰিম ককাইদেউ? যুদ্ধলৈ যোৱাৰ সময়ত পুতুলে সোনকালেই উভতি আহিম বুলি কথা দি থৈ গৈছে।

ককায়েক ঃ আহ- কি আৰু ভাবিব লগীয়া আছে? এইখনতো আচল বিয়া নহয়, পোছাকী বিয়াহে হব, মানে মানুহৰ মুখ বন্ধ কৰিবলৈ। সি বেচেৰা বেমাৰত শয্যাগত- একেবাৰে যোবা থোবা অবস্থা।

মৰিবই। নিৰ্ঘাত মৰিব। এতিয়া বিয়াৰ ৰাতিয়ে সিপুৰিলৈ নগলেই ৰক্ষা। তেতিয়া তই - হেৰি- মানে বিধবা। সেই ক্ষেত্ৰত তোৰ দৰে গাভৰু বিধবাক বিয়া কৰাবলৈ তোৰ - হেৰিৰ - মানে পুতুলৰ কোনো আপত্তি নেথাকিব।

হেমী : হয়তো আপত্তি নেথাকিব।

ককায়েক : আৰে তাকেইতো কৈছো। আচলতে সাক্ষী- মানে হেৰি প্ৰমাণৰ দৰকাৰ। সাক্ষী পৰমাণ নাথাকিলে ৰজায়ো প্ৰমাণ কৰিব নোৱাৰে যে তেওঁ ৰজা।

হেমী : বুঢ়ী আয়ে কিমান বিচাৰিছে?

ককায়েক : হেৰি - মানে চল্লিশ টকা।

হেমী : মোৰ হাততো নাই।

ককায়েক : সেইটো হব। তোৰ নবৌয়েৰক লুকাই সেই টকা মই -

হেমী : ঠিক আছে, তেনেহলে মই ৰাজি।

ককায়েক : মানে - মই আয়োজন কৰো।

(প্ৰস্থান)

হেমী : ভানু অ', কি খন যে হৈছে। সিদিনা তোক মই পেলাই থৈ নাহিলো কিয়? মই যে কি বুৰ্বকামী কৰিলো।

(প্ৰস্থান। ওজা আৰু পালি সকলৰ প্ৰৱেশ। দৰা একাষত কোনো সাৰ সুৰ নোহোৱাকৈ শুই আছে।)

ওজা আৰু পালিসকল : দৰা আছে মৃত্যু শয্যাত শুই
কইনা আহিল কেঁচুৱা কোলাত লৈ।
দৰাৰ মাহীয়েকে হেঁচা দিয়ে কইনাৰ
দাদাকক।
দৰা যে নমৰে বিয়াৰ আগেয়ে ঐ।।

(চৰিত্ৰবোৰ শুচি গ'ল। মাহীয়েক আহিছে, লগত ককায়েক আৰু হেমী।)

মাহী : আহ আহ পলম নকৰিবি। পিছে এইখন বিয়া কেনেকৈ হব?

কইনাৰ কোলাত কেঁচুৱা দেখোন ! এই কথাটোতো আগেয়ে শুনি কোৱা নাছিলি ?

ককায়েক : দৰাৰ যিহে অৱস্থা! আগতে কলো বা নকলো- তাতনো কি আহে যায় ?

মাহী : তাৰ যি হয় হওক, মই জানো মৰিছো ? হায় দেউতা ঈশ্বৰ - কি নাক কটাযোৱা কথা! কোলাত কেঁচুৱা লৈ বিয়াৰ কইনা সাজি হোমৰ গুৰিত বহিবলৈ সাজু হৈছে। মোৰ বাইৰ ল'ৰাই গৈ থৈ শেষত কোলাত কেঁচুৱা থকা বাটলু মাইকীকহে বিয়া কৰাব লগীয়া হ'লনে ?

(কৃত্রিম কান্দোন মাহীৰ)

ককায়েক : ঠিক আছে, তোমাক বাৰু আৰু দহ টকা বঢ়াই দিছো। খেতি বাতিৰ গৰাকীও তুমিয়েই- আমাৰ কোনো দাবী নজৰিব। পিছে এটা কথা - দুই এবছৰ কিন্তু ইহঁতক ইয়াত থাকিবলৈ দিব লাগিব।

মাহী : শ্মশানৰ খৰচ আৰু কাজ কৰ্ম্মততো আধা টকা ওলায়েই যাব। পুৰোহিতটোৰ কি হ'ল, এতিয়ালৈকে দেখোন তাৰ দেখা দেখি নাই। মাউৰত যোৱাক আধা টকা আগতে দিয়েই মই হাতৰ কুঠাৰ ভৰিত মাৰি ললো। সি পোনচাতেই গৈ তাৰিৰ ঘাটিত সোমালগৈ যেন পাওঁ ?

(প্রস্থান)

হেমী : পুতুলে খবৰ কৰিলে তাক ইয়ালৈ পঠাই দিবি।

ককায়েক : দিম- দিম- সেইটো আৰু কব লাগেনে ? কি হ'ল অ' - এইবাৰ দৰা নেচাবি জানো ?

হেমী : নেচাওঁ।

ককায়েক : (দৰাৰ ওচৰলৈ গৈ) ই দেখোন লৰ চৰেই কৰা নাই। পলম হৈ গ'ল নেকি ?

(কেইজন মান গঞা ৰাইজ আহিল।)

গঞা-১ : এবছৰ মানতো হৰই।

গঞা-২ : নাই- নাই, ইমান হোৱা নাই।

গঞা-১ : হোৱা নাই মানে? যোৱা বছৰ যেতিয়া-

গঞা-৩ : এই ৰোগ এবাৰ দেখা দিলে আৰু লগ নেৰে।

গঞা-২ : আচলতে বেমাৰটো কি?

গঞা-১ : যি ৰোগেই নহওক কিয়; আজি ৰাতিতে পাৰ হৈ গলেই ৰক্ষা।
(হেমী আহিল পুৰোহিতক লৈ। পুৰোহিত থৰক বৰক।)

গঞা-৩ : এওঁ কথাই নকয় - দেখোন -?

মাহী : তই কি ভাবিছ?

গঞা : আমি শ্মশানলৈ যাম বুলিয়ে আহিছো।

মাহী : অলপ ধৈৰ্য্য ধৰ বাছাহঁত, আগেয়ে বিয়াখন হৈ যাওক।

গঞা-২ : আৰু বিয়াও হবলৈ আছেনে কি? হওক- হওক- হৈ যাওক।
(মাহী হেমীহঁতৰ ওচৰলৈ যায়।)

মাহী : মাউৰত যোৱা পুৰোহিতে ছাঁগে তাৰিৰ খোলাত চব ফাদিল কৰি দিছে। খৰ ধৰকৈ কেঁচুৰাটো লুকাই থ। সেই ফালে- সেই ফালে যাছোন।
(ককায়েকে কেঁচুৱাটো লৈ এটা কোণত লুকাল। সি বহিল।)
কত এই? সময় নাই- খৰ পোচকৈ আহ।
(হেমীক ধৰি দৰাৰ ওচৰত বহুৱালে।পুৰোহিতো আহি বহিছে। মাহীয়েক আঠু কাঢ়ি বহিছে। গঞা ৰাইজেও অনুষ্ঠানটো উৎকণ্ঠাৰে চাইছে।)

পুৰোহিত : ওং ঝটং পটং কট্ বিবাহং স্বাহা। পাত্ৰং প্ৰাত্ৰীং ঝটং পটঃ বিবাহং স্বাহা। ওং সম্প্ৰদানং বলিদানং মুণ্ডুপাতং হিং টিং ছটং। কোন ক'ত আছে - উৰুলি দে, বিয়া নাম গা-
(গঞা তিৰোতাই উৰুলি দিলে, বিয়া নাম দুফাকিমান গালে।)
এতিয়া বটাৰ ওপৰত পাচ সিকি পইচা ৰাখ।

মাহী : এই দৰে বাৰে পতি পইচা টইচাৰ কথা কৈ নাথাকিবি। যি দিব লগীয়া আছে কামটো সম্পূর্ণ হোৱাৰ পিছত একে লগেই দিম।

পুৰোহিত : ৰীতি নিয়ম নেমান যদি বিয়াও তেনেহলে তেনেকৈয়ে হব। ইয়াৰ পিছত কইনা যদি বিধবা হয়, মোৰ ওপৰত কিন্তু দোষ জাপি দিব নোৱাৰিবি।

মাহী : (ধমকদি) কি বকিছ এইবোৰ। আগেয়ে বিয়াৰ কাম পূৰা কৰ।

পুৰোহিত : অ - অ কৰিছো। কৈ যা মা-জনী, আমিং

হেমী : আমিং-

পুৰোহিত : বিবাহং

হেমী : বিবাহং

পুৰোহিত : কৰিছন্তি।

হেমী : কৰিছন্তি।

পুৰোহিত : কোৱা ডেকা, কৈ যোৱা- আমিং। কোৱা? (কিছু বৈ) ক'তা- দৰাই মুখেৰে মন্ত্ৰ তন্ত্ৰ একো মতা নাই দেখোন?

মাহী : (গেঙেৰি মাৰি) কলেই হলনে? দৰাই মন্ত্ৰ মাতিয়েই আছে দেখোন। সেইয়া দেখোন আমিং বুলি কোৱা মই নিজ কাণেৰে শুনিছো। তই কিবা কাণত কুহিলাৰ থাৰি সুমুৱাই থৈছ নেকি?

পুৰোহিত : (হয় ভৰ দি) হয়, হয় কৈছে। আকৌ ক বিবাহং? হুঁ। কৰিছন্তি- অ হৈছে। ওং ঝটং পটঃ বিবাহং বিল্ কুলং স্বাহা- হ'ল দে-শেষ।

(গএগা তিৰোতাই উৰুলি দিয়ে। হেমী ককায়েকৰ ওচৰলৈ গৈ কেঁচুৱাটো ল'লে। মাহীও তাত উপস্থিত হ'ল। পুৰোহিত উঠি চিএগ্ৰৰিব লাগিছে।)

মাহী : মুঠ কিমান টকা হ'লনো?

পুৰোহিত : মিছা কিয় কম? মুঠ ৭০ টকা দিলেই হব।

ককায়েক : সত্তৰ টকা কিয় বিচাৰিছে? ষাঠি টকা লবলৈ ক –

(ককায়েকে টকা দিলে।)

মাহী : আৰু ইমানবোৰ মানুহ আহি যে গোট খাইছেহি, তেওঁলোকক ভাল দৰে শোধ পোচ নকৰিলে কেঁচুৰাটোৰ বিষয়ে নানা কথা উলিয়াই ফুৰিব।

ককায়েক : ইমানবোৰ মানুহ আমাক কেলৈ? পঠোৱাৰ দিহা কৰা আকৌ।

মাহী : যাব কিয়? এফালে বিয়া আৰু আনফালে শ্মশান যাত্ৰা। তুমি যা বুলি কলেই যাবনে?

ককায়েক : ঠিক আছে, এই লোৱা আৰু পাঁচ টকা। আৰু এক পইচাও নহব।

মই এতিয়া যাও হেমী, এই গাঁৱত বেছি মানুহৰ লগত চা-চিনাকী হৈ লাভ নাই। যদি কেতিয়াবা ফুৰিবলৈ আহ - আহিবি-তোৰ নবৌয়েৰ খুব হেৰি হব- মানে সুখী।

(প্ৰস্থান। মাহীয়েকে খিচিৰিৰ থাল হাততলৈ গৈছে।)

পুৰোহিত : এটা কেঁচুৰাৰ মাত শুনা হেন পাইছো।

মাহী : ক'ত কেঁচুৰাৰ মাত শুনিলি? মইতো একো শুনা নাই। তয়ো শুনা নাই। আৰু যদি শুন, তেনেহলে ময়ো তোৰ তাৰিৰ খোলাৰ বহুতা কৰ্ম্ম কাণ্ড ফাদিল কৰি পেলাম। বুজি পাইছ ! (গঞা ৰাইজক) এতিয়া তোমালোকৰ ভাগবোৰ লৈ যোৱাগৈ।

গঞা - ১ : শুনিবলৈ পাইছো মহাৰাজ হেনো উভতি হাহিছে?

গঞা - ২ : উভতিলে ধনপতিয়ে এনেয়ে এৰি দিবনে? সেই বোৰ বাজে গুজব।

গঞা - ১ : নহয় অ',- শুনিছো ওচৰৰ ৰাজ্যৰ ৰজাই আমাৰ ৰজাক বহুতো চিপাহী চন্তৰী ধাৰে দিছে।

গঞা - ৩ : সেইটো অসম্ভব। কাৰৰ ৰাজ্যখন শত্ৰু বুলিয়েই জানো। আৰু যুদ্ধ খনো ,লাগিছে সেই ৰাজ্যৰ লগতেই।

গঞা - ১ : হেৰৌ শত্ৰু হলগৈ এই ৰাজ্যৰ। তাৰ মানে ধনপতি সকলৰ। তেনেহলে মহাৰাজৰ মিত্ৰ নহল জানো?

গএগ্ৰা তিৰোতা : যাই হওক, যুদ্ধ শেষ হ'ল বোলে। চিপাহী বিলাক হেনো গাঁৱলৈ ঘূৰি আহিছে।
(মাহীৰ নিৰ্দ্দেশ অনুসৰি হেমী আহি ওচৰত থিয় হৈছিলহি। হাতত খিচিৰিৰ থাল। গএগ্ৰা তিৰোতাৰ কথা শুনি চমকি উঠিল।)

হেমী : কি? - কি ক'লা?
(মূৰ ঘূৰাই বহি পৰিল।)

গএগ্ৰা তিৰোতা : কি হ'ল, মূৰ ঘূৰাইছেনে কি?

গএগ্ৰা তিৰোতা১ : মৃগী বেমাৰ নাইতো?

হেমী : নাই, নাই - একো নাই। চিপাহীবোৰ ঘূৰি অহা কথাটো সঁচানে?

গএগ্ৰা তিৰোতা১ : নহয়নো কি? আই আলোৱাল খন দেখুৱাছোন?

গএগ্ৰা তিৰোতা২ : এইখন চা। চিপাহী এটাৰ পৰা কিনিছো।

গএগ্ৰা তিৰোতা১ : সেই ৰাজ্যৰ বস্তু এতিয়া চিপাহীবোৰে সস্তাতে গ্ৰাহকক বিক্ৰী কৰি ফুৰিছে।

গএগ্ৰা ১ : যুদ্ধ হলে, বুজিলি - এখন ৰাজ্যৰ ৰজা জিকিবই। চিপাহী আৰু আমাৰ নিচিনা মানুহৰ কাৰণে কিন্তু দুয়োখন ৰাজ্যৰেই পৰাজয়।

গএগ্ৰা ২ : ক'ত অ - খিচিৰি আৰু নাই হবলা?

মাহী : কিয় নহব? এয়া দেখোন ল।

গএগ্ৰা - ২ : এইবাৰ বৰষুণ কেনে হব বুলি ভাবিছ?
(ইয়াৰ ভিতৰতে দৰা উঠি বহিব। খিচিৰি দি উভতি আহি দৰাক এই অৱস্থাত দেখি মাহীৰ চকু থিয় হৈ গ'ল।)

দৰা : টেটু ফালি চিএগ্ৰৰি মানুহক খিচিৰি খুৱাই পুণ্য আৰ্জ্জিছ বোলো। (নিজকে দেখুৱাই) এই দাল জানো টকাৰ গছ?
(মাহী নিৰুত্তৰ। দৰা উঠি থিয় হ'ল।)
মুখ মেলি থিয় হৈ কি চাইছ? যিজনী ছোৱালীক মোৰ ডিঙিৰ আৰি দিলি, তাই এতিয়া ক'ত?
(মাহীক তাতেই এৰি সি আগুৱাই গ'ল। হেমী এটা কোণত

লুকাল।)

এই যে গাহৰিৰ পাল। খাবলৈ আহিছ ইয়ালৈ? মোৰ শ্ৰাদ্ধ খাবলৈ নহয় জানো? দূৰ হ তুৰন্তে ইয়াৰ পৰা। আতৰি গলি নে নাই?

(সকলো পলাল। পুৰোহিতে এবাৰ শেষ চেষ্টা কৰিলে।)

পুৰোহিত : ভগবানং -

দৰা : কুকুৰৰ পোৱালিহঁত -

(পুৰোহিত পলাল। ওজা অকলে আহিল। দৰা ইতিমধ্যে উভতি গৈছে নিজ ঠাইলৈ।)

া : হেমীৰ মূৰত বজ্ৰাঘাত।

মতা নাছিল, ল'ৰা পালে।

মতা নাছিল, মতা পালে।

ইপিনে পুতুল ওভোতাৰ পথত।

দিন চমু চাপিছে। আৰু চমু চাপি আহিছে। আৰু চমু।

(প্ৰস্থান। ইতিমধ্যে দৰা বহিছে।)

দৰা : ক'ত? সেই হাৰামজাদী ক'ত?

মাহী : মই মাতি দিছো। (হেমীক) তোক মাতিছে অ' -।

হেমী দৰাৰ কাষলৈ গল।)

দৰা : নে। তেল খিনি ভৰিত মালিছ কৰ।

(হেমী মালিছ কৰিবলৈ বহিল)

নটী। চালা - জহৰা লৰা কোলাত লৈ মোৰ ঘৈণীৰ বিয়া হৈছে। বুজিলি, তোৰ সেই চিপাহী পৈয়েৰ ঘূৰি আহিলেও একো লাভ নহব। তই মোৰ বিয়া কৰোৱা মাইকী।

হেমী : (নিৰ্জীব কণ্ঠৰে) হয়।

দৰা : সেইবাবে মোক এৰি পলাই যোৱাৰ কথা সপোনতো নেভাবিবি।

হেমী : নেভাবো।

দৰা : ঘৈণী। চালা, তই অহাৰ পৰা মোৰ কি লাভ হৈছে? মইতো

আগৰ দৰেই ঠিক সময়তে নটী পাৰ্বালৈ গৈয়েই আছো। মাত্ৰ তিনি টকাৰ খৰচত মজাও মাৰিলি, খোজো কাঢ়িলি। কিন্তু ইমান দূৰ বাট খোজ কাঢ়ি অহা যোৱা কৰাটোহে এটা সমস্যা। অই ভালদৰে মালিচ কৰ, তাৰ বাহিৰে তোৰ লগততো মোৰ কোনো সম্পৰ্ক নাই।

(ওজা আৰু পালিসকলে শাৰী পাতি বহি নদী হ'ল। সিহঁতৰ প্ৰসাৰিত বাহুবোৰ উঠা নমা কৰিছে ঢৌৰ নিচিনাকৈ। দৰা আৰু মাহী গুচি গৈছে অথবা নদীৰ অংশলৈ ওজা পালিৰ লগত মিলি গৈছে। গুণ গুণ কৰি এটা সুৰ ভাঁহি আহিছে। হেমীয়ে নদীৰ এটা পাৰত বহি কাপোৰ ধুইছে।)

ওজা : জুৰিৰ পাৰলৈ এতিয়াও যায় হেমী, ধুবলৈ কাপোৰ
এইটো অন্য জুৰি .... পাহাৰী জুৰি ....
পানীত পুতুলৰ মুখৰ ছায়া .... ভাঙি যায়।
গুড়ি হৈ যায় ...... দিন পাৰ হয়।
কাপোৰ ধোৱে হেমীয়ে, দেৱদাৰুৰ পাতত
বতাহত গান শুনে।
ডিঙি বহি যায়। দিন পাৰ হৈ যায়।
চকুৰ পানী আৰু ঘাম জুৰিৰ পানীত পৰে,
দিন পাৰ হয়, ল'ৰা ডাঙৰ হয়।

(জুৰিৰ আনটো পাৰত পুতুল। হেমীয়ে তাক চিনি পাইছে।)

হেমী : পুতুল।

পুতুল : ৰত্নপুৰৰ ওচৰৰ গাঁৱত জুৰিৰ সিটো পাৰত যাক দেখিছিলো, ভাব হৈছে তেওঁ।

হেমী : পুতুল উভতি আহিছা।

পুতুল : যুদ্ধত বৌ বৰালিৰহে মৰণ, পুঠি খলিহনা বোৰ বাচি যায়।

হেমী : পুতুল ! পুতুল।

পুতুল : এতিয়াও জানো জুৰিৰ পানীত ভৰি ডুবোৱা অভ্যাসটো এৰা নাই।

হেমী : ওহো। যদি জোপোহাৰ আঁৰত কোনোবা চিপাহীয়ে জোপ লৈ থাকে ?

পুতুল : এইবাৰ কিন্তু চিপাহীয়ে জোপ নলয়। ললে হাবিলদাৰেহে লব।

হেমী : যাৰ দৰমহা পঞ্চাশ টকা - নহয় জানো ?

পুতুল : পাহৰি যোৱা নাই - তেনেহলে ?

হেমী : একোৱেই পাহৰা নাই। সকলো মনত আছে।

পুতুল : সকলো তেনেহলে আগৰ দৰেই আছে?
(হেমীৰ উত্তৰ নাই। তলমূৰ কৰিলে।) আগৰ দৰে নাই ?

হেমী : পুতুল মই আৰু ৰত্নপুৰলৈ উভতি যাব নোৱাৰিম।

পুতুল : কিয় ?

হেমী : মোৰ উপাধি সলনি হৈছে।

পুতুল : বুজি পোৱা নাই।

হেমী : ছোৱালীৰ উপাধি সলনি হয় কেতিয়া ?
(পুতুলে আন ফালে মুখ ঘূৰালে। কটাৰীখনৰে সি যেন এদাল গছৰ দাল কাটিছে।) পুতুল, সকলো আগৰ দৰেই আছে। তোমাৰ মোৰ মাজত সকলো আগৰ দৰেই আছে। মাত্ৰ -

পুতুল : সকলো ঠিক আছে, অথচ একো ঠিক নাই।

হেমী : তুমি এইটো পাৰলৈ আহা, মই তোমাক সকলো খুলি কম।

পুতুল : মই সকলো ধৰিব পাৰিছো। কোনো কথাই খুলি কোৱাৰ প্ৰয়োজন নাই।

হেমী : আছে, প্ৰয়োজন আছে। তুমি মাথোন এইটো পাৰলৈ আহা।

পুতুল : এনে ভাব হৈছে, মই যেন উভতি অহাত পলম কৰিলো।
(হেমীয়ে একো কব নোৱাৰিলে। মাথোন চাই ৰল। ওজা আৰু পালি যি কেইজন নদীত আছিল, তেওঁলোক উঠি আহিল পুতুলৰ কাষলৈ।)

ওজা : কত কথা কোৱা হয়, কিমান নোকোৱাকৈ ৰৈ যায়।

চিপাহী উভতিছে। ক'ৰ পৰা ওভটিছে কব পাৰে, নকয়।
(পুতুল আৰু সিহঁতবোৰ যে সৈন্য বাহিনীৰ অংশ। কুচকাওৱাজৰ পদক্ষেপ আৰু ধ্বনি।)

পুতুল : যুদ্ধ আৰম্ভ হ'ল। পুৰা ধুসৰ যুদ্ধ, দুপৰীয়া ৰক্তাক্ত হ'ল। মোৰ আগত পৰিছে এজন। পিছত এজন। কাষত এজন পেটত যাঠিৰ খোচ লৈ।
(প্ৰত্যেকেই আৰ্ত্তনাদ কৰি পৰি গৈছে।)
মোৰ মুখত জুইৰ আচোৰ, হাতত বৰফ বতাহ, পেটত ভোক আৰু পুখুৰী লেতেৰা পানী।
(পুতুল পৰি আছে, ওজা আৰু পালি সকলে তাক ঘেৰি লৈ এনেভাৱে অঙ্গ সঞ্চালন কৰিছে যেন সিহঁতেই জুইৰ আঁচোৰ, বৰফ,বতাহ ভোক।)

পুতুল]
ওজা] : মই শুইছো পাথৰৰ ওপৰত, ঘাঁহত, বোকা পানীৰ বিছনাত। কব পাৰি অথচ কোৱা হোৱা নাই। কব পাৰি অথচ কোৱা হোৱা নাই।
(ওজা আৰু পালি সকল, পুনৰ নদী হৈছে। পুতুল উঠিছে।)

পুতুল : ল'ৰা ছোৱালী?

হেমী : ল'ৰা এটা আছে, কিন্তু সি মোৰ নহয়।

পুতুল : আৰু একোৱেই জানিব লগীয়া নাই।
(নদীৰ পৰা ছোৱালীবোৰ উঠি হেমীক আগুৰি ললে। এতিয়া সিহঁতৰ ভিতৰৰ এজনীয়ে ওজাৰ দৰে কথা কৈছে।)

ওজা : প্ৰতিজ্ঞা ভঙ্গ হৈছে? আৰুনো কি কবলৈ আছে? কিমান কথা কবলগীয়া আছে, অথচ কোৱা হোৱা নাই।
কব পাৰাতো -
(সিহঁতে হেমীক ঘেৰি অঙ্গ সঞ্চালন কৰিছে পূৰ্ব্বৰ ওজা আৰু পালি সকলে কৰাৰ দৰে। হেমীয়ে কথা কৈছে।)

হেমী : তুমি যেতিয়া যুঁজিছা চিপাহী -

মই তেতিয়া এক অসহায় শিশুক লৈ ফুৰিছো।
মই কামনা কৰা নাছিলো তাৰ মৃত্যুৰ।
মই খুজি মাগি খাইছো, খুৱাইছো তাকো।
মই নিজকে ভাঙি চিঙি গুড়ি কৰি পেলাইছো।

ওজা
পালি ঃ কাৰ বাবে?

হেমী ঃ যি মোৰ তেজৰ নহয়, আনৰ, তাৰ বাবে।
কোনে বচাব তাৰ প্ৰাণ, তাকে নকৰিলে?
(ওজা আৰু পালি সকল নদীলৈ ওভতিছে।)

ওজা ঃ কব পাৰি, অথচ কোৱা হোৱা নাই।

পালিসকল ঃ কব পাৰি, অথচ কোৱা হোৱা নাই। কব পাৰি, অথচ কোৱা হোৱা নাই।

পুতুল ঃ তাবিজটো ওভোতাই দিয়াই ভাল হবনে কি? নাই থাওক। জুৰিৰ পানীতেই পেলাই দিয়া যাওক তেনেহলে।

হেমী ঃ পুতুল, নাযাবা। তোমাৰ দুখ মই বুজিছো। কিন্তু সেই লৰাটো মোৰ নহয় পুতুল।
(চুবাদাৰৰ বিষয়া আহিছে। লগত দুজন চিপাহী। চিপাহী কেইজনৰ লগত ভানু।)

বিষয়া ঃ এইয়া - ইয়াত।
(পুতুল যাবলৈ ধৰি ৰৈ গল।)

হেমী ঃ কি হৈছে? ভানু।
(ভানুক লবলৈ গৈ বাধা পালে।)

বিষয়া ঃ তোমাৰ নাম হেমী।

হেমী ঃ হয়।

বিষয়া ঃ এই লৰাটো তোমাৰ?
(হেমীয়ে কি কব, কি নকব চিন্তা কৰি দোধোৰ মোধোৰত পৰিছে। পুতুলে উৎকণ্ঠিত হৈ শুনিছে।)

এই ল'ৰাটো তোমাৰ?

হেমী : হয়।

(পুতুল গুচি যাব খুজিছে। তাক বাধা দি)

পুতুল।

বিষয়া : এই লৰাটোক ৰত্নপুৰলৈ লৈ যোৱা হব।

(পুতুল ইতিমধ্যে গুচি গৈছে।)

সন্দেহ কৰা হৈছে এইটো তুলাৰাম চুবাদাৰৰ ল'ৰা। আৰু তেওঁৰ উত্তৰাধিকাৰী ভানু প্ৰতাপ সিংহ। এয়া চৰকাৰী পৰোৱানা।

(ভানুক লৈ গল। হেমী পিছে পিছে গল।)

হেমী : নহয়। সি মোৰ লৰা। তাক তহঁতে কলৈ লৈ গৈছ? সি মোৰ ল'ৰা? মোৰ লৰা।

(সিহঁতবোৰ গুচি গ'ল। ওজা আৰু পালি সকল নদীৰ পৰা উঠি আহিল। পিছৰ কথাখিনি ওজা আৰু পালিসকলৰ সুবিধা অনুযায়ী কোৱা হৈছে।)

ওজা আৰু পালিসকল : নিজৰ ল'ৰা, পৰৰ ল'ৰা। চিপাহীয়ে লৈ গ'ল তাক।
পিছে পিছে হাবাথুৰি খাই দৌৰিছে এজনী দুৰ্ভগীয়া ছোৱালী।
গৈছে চহৰলৈ। এখন মাৰাত্মক চহৰ।
তাত বিচাৰ হব। কোন মাক, কোন তেওঁৰ
লৰা, তাৰ বিচাৰ হব। বিচাৰক কোন?
সেই বিচাৰক কেনেকুৱা?
চহৰখনত জ্বলিছে জুই। আৰু বিচাৰকৰ
আসনত বহিছে কীৰ্ত্তিচন্দ্ৰ নিয়ম কৰা বৰা। বিচাৰকৰ কাহিনী
শুনক। কেনেকৈ তেওঁ কেনে বিচাৰক হ'ল,
কেনে বিচাৰক, কেনেকৈ তেওঁ কৰে বিচাৰ
শুনক, তেওঁৰ কাহিনী শুনক।
যিদিনা চুবাদাৰ গাদীচ্যুত হ'ল।
ৰাজধানীৰ চুৰ্তুদ্দিশে, নগৰে চহৰে জুই জ্বলিল

চুবাদাৰ তুলাৰাম ঠেঙালৰ প্ৰাণ নাশ হ'ল।
......আৰু আৰু তাৰ দুদিনৰ পাছত চহৰৰ বাহিৰত,
কোনো এক গাঁৱৰ সীমাত কীৰ্ত্তিচন্দ্ৰই দেখা
পালে বাটেৰে খেদি নিয়া এটা ভিক্ষাৰীক।
.... তাক লৈ আহিল নিজ ঘৰলৈ
আৰু গৰীব লোক সকলৰ মাজত দুবছৰৰ
বাবে মিলি গ'ল বিচাৰপতি কীৰ্ত্তিচন্দ্ৰ।
দুবছৰ ধৰি চিকাৰী কুকুৰ হৈ চোৰ
দগাবাজৰ দলৰ লগত যুদ্ধ কৰি গ'ল
বিচাৰক কীৰ্ত্তিচন্দ্ৰই।

(দুজন পালি দুৱাৰ হৈছে, বাকীবোৰ গল। কীৰ্ত্তিচন্দ্ৰ দুৱাৰ ঠেলি সোমাইছে, লগত ভিক্ষাৰী বেশী মহাৰাজ। কীৰ্ত্তিচন্দ্ৰই দুৱাৰৰ খিলি মাৰিলে।)

কীৰ্ত্তিচন্দ্ৰ ঃ পোন হৈ খোজ কাঢ়, চালা বুঢ়া বান্দৰ। আৰু নাকটো মচ। চিপাহীয়ে তোৰ নাকৰ পৰা ফেন ওলোৱা দেখিলে গৰম হৈ যাব। - যা - তাত বহগৈ। ভোক লাগিছেনে কি?
(মহাৰাজে মূৰ দুপিয়ালে।)
ৰহ - চাও কি আছে। এই ল - দুখন ৰুটি আছে। নে - খা।
(হুৰমুৰকৈ খাবলৈ লৈ চৰচৰণি খালে মহাৰাজে।)
দেখি ধাৰণা হৈছে কেইবা দিনো খাবলৈ পোৱা নাই।
(মহাৰাজে মূৰ দুপিয়ালে।)
তই এইদৰে দৌৰিলি কিয়? নদৌৰাহেতেনতো চিপাহী বিলাকে তোক দেখাই নেপালেহেতেন।

মহাৰাজ ঃ নিৰুপায়! নিৰুপায়!

কীৰ্ত্তিচন্দ্ৰ ঃ হাত ভৰি পেটতে লুকাল।
(এই ভাষা মহাৰাজে বুজি নাপায়। থৰ লাগি চাই থাকিল।)

কীৰ্ত্তিচন্দ্ৰ ঃ আৰে কি হৈছিল - হৈছিল কি? কাপোৰে চাপোৰে? চিধা

চিধি ভাষা বুজি নাপাৱনে কি? বোলো ভয় পাইছিলি হবলা? কেনেকৈ ওঠ চেলেকিছে চোৰা বুঢ়া গাহৰিটোৰ দৰে - যেন সাইলাখ মহাৰাজ।

(মহাৰাজ চমকি উঠিল, কিন্তু কীৰ্ত্তিচন্দ্ৰই সেইফালে ভ্ৰূক্ষেপ কৰা নাই।)

বুজিলি ভদ্ৰ চোৰ হলে বাৰু আমি মানি ললো, কিন্তু তোৰ নিচিনা চোৰ হলে কি কৰা ভাল হব - কছোন? অই - চাও - তোৰ হাত চাও। ও বগা আৰু বেছি নিমজ। ভিক্ষাৰী নহয়। খেতিয়কো নহয়। তাৰ মানে জুৱা চোৰ আৰু চালা তোক চিপাহীহঁতৰ হাতৰ পৰা বচালো, এতিয়া দেখিছো ই এটা পকা চোৰ। অই - তই কোন হয়? হোঁ? ধনপতি? হয় নিৰ্ঘাত সেয়ে। চালা জাতত কছাই। যা বাহিৰ হ। বাহিৰ হ - ইয়াৰ পৰা। এতিয়াই।

মহাৰাজ ঃ (পিছুৱাই) অনুসৰণ। আশ্ৰয়ৰ প্ৰয়োজন। এটা প্ৰস্তাৱ —

কীৰ্ত্তিচন্দ্ৰ ঃ চালা - সি এতিয়া মোক প্ৰস্তাৱৰ কথা কৈছে। বাহিৰ হ বুলিছো নহয়।

মহাৰাজ ঃ ধৈৰ্য্য। অলপ সহানুভূতি। এক লাখ টকা পুৰস্কাৰ। সন্মত?

কীৰ্ত্তিচন্দ্ৰ ঃ কি ভাবিছ, মোক এক লাখ টকাত কিনিব পাৰিম বুলি ভাবিছনে কি? সঁচাকৈয়ে কৈছনে কি? চালা - সংখ্যাটো বঢ়াই ডেৰ লাখ কৰ। ক'ত টকা - ক'ত?

মহাৰাজ ঃ লগত নাই, ব্যৱস্থা হব। অতি শীঘ্ৰেই। সন্দেহ নকৰিব।

কীৰ্ত্তিচন্দ্ৰ ঃ সন্দেহৰ যথেষ্ট থল আছে। বাহিৰ হ বুলিছো নহয়।
(দুৱাৰৰ বাহিৰত ভগীৰথৰ মাত)

ভগীৰথ ঃ কীৰ্ত্তিচন্দ্ৰ।

কীৰ্ত্তিচন্দ্ৰ ঃ মই ঘৰত নাই।
(মহাৰাজ শহা পহু পলোৱাৰ দৰে তৎক্ষণাৎ এটা কোণত লুকাল। কীৰ্ত্তিয়ে দুৱাৰ খুলি দিলে।)

ভগীৰথ চকীদাৰ। পুনৰ তই আহিছ্ বং চাবলৈ।

ভগীৰথ : কীৰ্ত্তিচন্দ্ৰ, তুমি পুনৰ ফান্দ পাতি শহা পহু ধৰিছা নে কি? তুমিতো কথা দিছিলা - সেই কাম আৰু নকৰো বুলি।

কীৰ্ত্তিচন্দ্ৰ : যিটো কথা বুজি নাপাব, তাৰ বিষয়ে চ চৰ্চা কৰ কিয় ভগীৰথ? খৰগোছ অৰ্থাৎ শহা পহু অত্যন্ত অনিষ্টকাৰী প্ৰাণী। গছৰ পাত খাই নষ্ট কৰে। বিশেষকৈ অগছা নামৰ অতি প্ৰয়োজনীয় এবিধ উদ্ভিদ খায়। সেই কাৰণে শহা পহু মৰা অত্যন্ত দৰকাৰ।

ভগীৰথ : কীৰ্ত্তি, মোক এইদৰে বিপদত নেপেলাবা। তোমাক এবাৰ ফাটেকলৈ পঠাব নোৱাৰিলে মোৰ চাকৰি যাব। মই জানো, তোমাৰ অন্তৰখন ভাল -

কীৰ্ত্তিচন্দ্ৰ : ভালতো। বহুবাৰ কৈছো - মই বুদ্ধিজীৱী।

ভগীৰথ : ঠিকেইতো। তোমাৰ বুদ্ধি সকলোতকৈ বেছি - তুমি নিজেই এই কথা কিমান বাৰ কৈছা। মই ভাই একদম চাধা চিধা মানুহ, মোক এটা কথা বুজাই দিয়াছোন। মই ধনপতিৰ জঙ্ঘলৰ চকীদাৰ। জঙ্ঘলৰ পৰা যদি ধনপতিৰ শহা পহু চুৰি হয়, তেনেহলে অপৰাধীক ধৰি মই কি কৰাটো ভাল হব?

কীৰ্ত্তিচন্দ্ৰ : ছিঃ ছিঃ ভগীৰথ, এই ধৰণৰ কেঁচা প্ৰশ্ন তোমাৰ পৰা শুনিম বুলি মই ভবা নাছিলো। এইটোতো বৰ সহজ কথা। মই শহা পহু ধৰো, তুমি মানুহ ধৰা। মানুহৰ আত্মা আছে, শহা পহুৰ নাই। আশাকৰো অকনমান শাস্ত্ৰজ্ঞান তোমাৰ আছে? মই শহা পহু খাও, তুমি মানুহ খোৱা, যি মানুহৰ আত্মা আছে, যি আত্মা ভগৱানৰ দান। এতেকে এই সিদ্ধান্তত উপনীত হব পাৰি যে তুমি ভগবানকেই খোৱা। ইয়াৰ বাবে ভগবানে তোমাৰ বিচাৰ কৰিব, যোৱা ঘৰলৈ গৈ মন শুদ্ধ কৰি প্ৰায়শ্চিত হোৱা। (হত বুদ্ধি ভগীৰথক দুৱাৰৰ বাহিৰ কৰি দুৱাৰ বন্ধ কৰিবলৈ গৈ থমকি ৰ'ল।)

নাই, নাই - অলপ ৰোৱা।

(এবাৰ লুকাই থকা মহাৰাজৰ ফালে চালে আৰু ভাবিলে।)
নাই - ঠিক আছে। যোৱা প্ৰায়শ্চিত কৰাগৈ।
(দুৱাৰ বন্ধ কৰি খিলিটো লগালে। ভগীৰথ গুচি গ'ল। মহাৰাজ কোণটোৰ পৰা বাহিৰ ওলাই আহিল।)
কি - অ, ধৰাই নিদিলো বুলি অবাক হৈ গলি নহয় ? কি কৰিম, সেই জন্তুটোৰ হাতত এটা উই চিৰিঙা পোককো ধৰাই দিবলৈ ইচ্ছা নকৰো। আঃ গল যা - ইয়াৰ কঁপনি দেখোন নথমাই হ'ল। চকীদাৰ এটা দেখিয়েই হাত ভৰি ঠাণ্ডা হৈ গৈছে - একেবাৰে। নে খা। আৰে দুখীয়া মানুহে খোৱাৰ নিচিনাকৈ খা, নহলে ধৰিব। কি, দুখীয়া মানুহে কেনেকৈ খাই দেখুৱাই দিব লাগিবনে কি ? - আহ - বহ ইয়াত। উবুৰি খাই বহ। ৰুটিখন দুয়োটা হাতেৰে খামোচি ধৰ যেন সেইখন এতিয়া তোৰ হাতৰ পৰা কাঢ়ি নিবলৈহে আহিছে। ইমান নিশ্চিন্তে খোৱাৰ অধিকাৰ কৰ পৰা পালি হু ? সিহঁতে যেতিয়া তোৰ পিছ লৈছেই, তেতিয়া তই অলপ সাৱধান হোৱাৰেই কথা। চিপাহীয়ে তোক খেদি ফুৰক বা নুফুৰক - মই কিন্তু তোক অকনো বিশ্বাস নকৰো বুজিছিল ?
(দুজন ওজা পালি আহিল। লগত হেন্দেল থকা এখন ডাঙৰ চকী আৰু ফাঁচীৰ ৰচিত ওলোমোৱা বিচাৰকৰ পোছাক। এওঁলোকৰ কথাৰ আৰম্ভণিতেই কীৰ্ত্তিচন্দ্ৰই দুৱাৰ খুলি মহাৰাজক বাহিৰ হৈ যাবলৈ নিৰ্দ্দেশ দিলে। তাৰ পিছত নিজেও ওলাই গল। পালি দুজনে কথা কৈ কৈ চকীখন যথাস্থানত ৰাখিলে, পোছাক এফালে ওলোমালে, যেন বিচাৰক স্বয়ং ফাঁচি কাঠত ওলমিছে।)

ওজা ঃ বুদ্ধিজীৱী কীৰ্ত্তিচন্দ্ৰই এটা বুঢ়া ভিক্ষাৰীক আশ্ৰয় দিলে ?

পালি ঃ দিলে।

ওজা ঃ খাবলৈ দিলে, শুবলৈ দিলে, ওলাই যাবলৈকো দিলে।

পালি : তাৰ পিছত?

ওজা : তাৰ পিছত জানিব পাৰিলে -- সেই বুঢ়া ভিক্ষাৰীটো আছিল দেশৰ সকলোতকৈ ডাঙৰ কছাই।

পালি : কোন?

ওজা : পূৰ্ণিমাৰ জোন।

পালি : অৰ্থাৎ।

ওজা : অৰ্থাৎ স্বয়ং মহাৰাজ।

পালি : হয়নে কি?

ওজা : লাজত নাক কটা গ'ল কীৰ্ত্তিচন্দ্ৰৰ।

পালি : নহয়নো কি।

ওজা : তেতিয়া চকীদাৰ ভগীৰথক মাতি হুকুম দিলে -

পালি : কি হুকুম?

ওজা : তেওঁক বান্ধি ৰত্নপুৰলৈ লৈ যাবলৈ।

পালি : কিয়?

ওজা : আদালতত হাজিৰ কৰিবলৈ বিচাৰৰ বাবে।

পালি : হয় নেকি?

(প্ৰস্থান। ইয়াৰ ভিতৰতে তিনিজন চিপাহী আহি এটা দাঁতিত বহিছে। মদ খাইছে। বাহিৰত কীৰ্ত্তিচন্দ্ৰৰ চিঞৰ।)

কীৰ্ত্তিচন্দ্ৰ : মহাৰাজ। মহাৰাজ। মহাৰাজ।

(কীৰ্ত্তিচন্দ্ৰ আহিল। হাত দুখন ৰচিৰে বন্ধা। ৰচিৰ আনটো মূৰ ভগীৰথৰ হাতত, কিন্তু কীৰ্ত্তিচন্দ্ৰই টানি লৈ আহিছে ভগীৰথক। মহাৰাজ - মহাচোৰ - মহাঘাতক, হত্যাকাৰী। মই তাক পলোৱাত সহায় কৰিছো। মোৰ বিচাৰ হব লাগে। প্ৰকাশ্যে আদালতত মোৰ বিচাৰ হওক।

চিপাহী : কোন দেশৰ চৰাই এইটো?

ভগীৰথ : ওচৰৰ গাঁৱৰ মানুহ - নাম কীৰ্ত্তিচন্দ্ৰ। আগেয়ে কেচাৰীত কেৰাণী আছিল।

কীৰ্ত্তিচন্দ্ৰ ঃ মই নৰকৰ কীট। মই বিশ্বাসঘাতক। অই - ভগীৰথ ক এওঁলোকক মই কোৱা নাছিলোনে তোক মোক বান্ধি আনিবলৈ ? কিয় ? কাৰণ মই ভুল কৰি মহাৰাজক - আশ্রয় দিছিলো। সেই ভুল পিছত বুজি পাই, তোক শেষৰাতি শোৱাৰ পৰা জগাই খোজ কঢ়াই লৈ আহিছো, যাতে চহৰৰ আদালতত মোৰ বিচাৰ হয়। ক - এওঁলোকক। মই কোৱা কথাখিনি সঁচানে মিছা ?

ভগীৰথ ঃ (ক্লান্ত, বিৰক্ত) কি কম ? কেঁচা টোপনি ভাঙি জোৰ কৰি মোক - কামটো হলে মুঠেই ভাল কৰা নাই।

কীৰ্ত্তিচন্দ্ৰ ঃ চুপ কৰ। তই একোৱেই বুজি পোৱা নাই। এটা নতুন যুগ আহিছে। আহিছে মানে আহিলেই। সকলোবোৰ বানপানীত উটুৱাই নিব। তোকো। যিমান অপৰাধী, - সকলোৰে বিচাৰ হব। কিয় ? কাৰণ জনতাৰ ৰোষৰ পৰা কোনো অপৰাধীৰ নিষ্ঠাৰ নাই। সকলোৰে বিচাৰ হব। ময়েই প্রথম আচামী হম। বন্ধুসকল - মোক বিচাৰ লাগে। বিচাৰক কত ?

চিপাহী- ১ ঃ সেইয়া বিচাৰক।
(ফাঁচিত ওলমি থকা দেহটো দেখুৱাই দিলে)

চিপাহী- ২ ঃ হে 'বন্ধুসকল' বুলি আৰু আমাক নকবা।

কীৰ্ত্তিচন্দ্ৰ ঃ সেই যে বিচাৰক। শুনিছ ভগীৰথ ? এই দেশত এনে উত্তৰ ইয়াৰ আগেয়ে কাহানিও শুনা নাই। বিচাৰক ক'ত ? সেইয়া যে ওলমি আছে। ৰজা ক'ত ? সেইযে পুৰিছে। মন্ত্রী কত ? সেইযে শিয়ালে খাইছে। কিয় ? কাৰণ নতুন যুগৰ সূচনা হৈছে, জনতা জাগিছে।

চিপাহী- ১ ঃ জনতা ?
(সিহঁতবোৰ উঠি আহি)

চিপাহী- ২ ঃ (কীৰ্ত্তিচন্দ্ৰৰ কান্ধত হাত থৈ) হেৰা - ৰসিক চন্দ্ৰ, সেইফালৰ আকাশখন যে ৰঙা হৈ উঠিছে, চকুত পৰিছে?

কীৰ্ত্তিচন্দ্ৰ ঃ হয়, কিয় ?

চিপাহী- ১ ঃ কমাৰ সকলৰ বস্তিখন জ্বলিছে। তোমাৰ 'জনতাৰ' ঘৰবাৰী। সিহঁতে প্ৰশ্ন কৰিছে - ধনপতি মৃদুপৰম মজ্জিন্দাৰ বৰুৱাৰ তল পেটটো ওলমিছে - বোলো কাৰ মুখৰ ভাত কাঢ়ি খাই এনে হৈছে?

চিপাহী- ২ ঃ আজি ৰাতিপুৱা কমাৰবোৰে বিচাৰকটোক ফাঁচি কাঠত ওলোমাই দিছে। আৰু আমি সিহঁতক ভালদৰে এসেকা দিয়াৰ বাবে মাৰ ধৰেৰে ঠাণ্ডা কৰি ঘৰবোৰত জুই লগাই দিছো।

চিপাহী- ১ ঃ গাই প্ৰতি এশটাকৈ মুদ্ৰা পাইছো ধনপতি মৃদুপৰন মজিন্দাৰ বৰুৱাৰ পৰা। বুজি পাইছ?

কীৰ্ত্তিচন্দ্ৰ ঃ (নম্ৰসুৰত) পাইছো। তুমিতো অসমীয়াতে কৈছা।

চিপাহী- ২ ঃ 'বন্ধুসকল'।

চিপাহী- ৩ ঃ সি চালা গণ্ডগোল লগোৱাৰ তালত আছে - দেই।

চিপাহী- ১ ঃ ময়ো তাকেই ভাবিছো।

ভগীৰথ ঃ নাই - নাই - মানুহটো বেয়া নহয়। মাজে সময়ে মাথোন দুই এটা মূৰ্গী চৰাইহে চুৰি কৰে। খুব বেছি যদি এটা শহা পহু।

চিপাহী- ১ ঃ কি কোৱাহে - বেটা মূৰ্গী চোৰ? গণ্ডগোল লগোৱাৰ তালতেই আহিছিল নিশ্চয়।

কীৰ্ত্তিচন্দ্ৰ ঃ কিয় আহিছো - নিজেই নাজানো।

চিপাহী- ২ ঃ সেই কমাৰবোৰৰ বন্ধু নহয়তো?

চিপাহী- ৩ ঃ 'বন্ধুসকল' আৰু 'জনতা' বুলি খুবকৈ চিঞৰিছিল?

কীৰ্ত্তিচন্দ্ৰ ঃ কথাৰ কথা বুলি এফাকি কথা আছে নহয়?

চিপাহী- ১ ঃ আৰু সেই মহাৰাজৰ কথাটো? কিয় এৰি দিলি তাক কছোন?

কীৰ্ত্তিচন্দ্ৰ ঃ মইতো সৈ কাঢ়িছোৱেই - চালাক মই ভুলতে পলাবলৈ সুবিধা কৰি দিলো।

ভগীৰথ ঃ হয় - এইটো সঁচা কথা - মই সাক্ষী আছো।

(চিপাহীবোৰে ঘেৰি আছে, যেন মাৰিব। কীৰ্ত্তিচন্দ্ৰই হাঁহিৰে পৰিস্থিতি চম্ভলাৰ চেষ্টা কৰে। হঠাৎ হাঃ হাঃ কৈ হাঁহি উঠিল

সিহঁতৰ, বান্ধ খুলি দিলে কীৰ্ত্তিৰ পিঠিত চাপৰ মাৰিলে। কীৰ্ত্তিচন্দ্ৰই সকলোকে চমক লগাই বেছি জোৰেৰে হাঁহিলে। সকলো বহিল মদ খাবলৈ। ধনপতি মৃদুপাৱন মজিন্দাৰ বৰুৱা আহিল ভতিজাকক লগত লৈ।)

মৃদুপৱন : বন্ধুসকল।

চিপাহী- ১ : এয়া - তোৰ 'নতুন যুগ'।

(সকলোৱে জোৰেৰে হাঁহিলে।)

মৃদুপৱন : ইমানকৈ হাঁহিবৰ কি হ'ল? মইতো হাঁহিৰ কোনো অৰ্থ বুজি পোৱা নাই। তাতকৈ বন্ধুসকল যদি শুনা তেনেহলে এটা কামৰ কথা কও। পৰহি দিনা ধনপতি সকলৰ মিলিত শক্তিয়ে এই ৰাজ্যৰ যুদ্ধ পিপাসু মহাৰাজ আৰু তেওঁৰ অত্যাচাৰী চুবাদাৰ সকলৰ কুখ্যাত শাসন শেষ কৰি পেলালে। দুৰ্ভাগ্যবশতঃ মহাৰাজক ধৰিব পৰা হোৱা নাই। এই সংকটপূৰ্ণ মুহূৰ্ত্তত এই চহৰৰ কমাৰ গাঁৱৰ বাসিন্দা কমাৰবোৰে গণ্ডগোল লগোৱাৰ চেষ্টাত আছে। সেইবোৰ সমাজ বিৰোধীয় আমাৰ সন্মানিত বিচাৰকক হত্যা কৰিছে। সি যি কি নহওক, এতিয়া ৰাজ্যত শান্তিপ্ৰতিষ্ঠা কৰাৰ দৰকাৰ, ন্যায় বিচাৰৰ দৰকাৰ। সেই কাৰণে মোৰ ভতিজাক লগত লৈ আহিছো। ইমান কম বয়সত এওঁৰ নিচিনা আইনত বিদগ্ধ পণ্ডিত খুব কমেইহে আছে। সেয়ে এও আমাৰ নতুন বিচাৰক হওক, কি কোৱা? অৱশ্যে তোমালোকে যদি মত দিয়া। মানে জনতাৰ মতেই আচল।

চিপাহী- ১ : তাৰ মানে? বিচাৰক কোন হব - সেইটো আমি ঠিক কৰিম?

চিপাহী- ২ : আমি?

মৃদুপৱন : ঠিকেইতো। নতুন যুগ আহিছে, সকলোবোৰ জনতাই ঠিক কৰিব। তোমালোকে তেনেহলে নিজৰ ভিতৰতে আলোচনা কৰি লোৱা।

(চিপাহী সকল এটা ফালেদি ওলাই গল। মৃদুপৱনে ভতিজাকক

লগত লৈ অন্যফালে ওলাই গ'ল।)

চিন্তা নকৰিবি। বিচাৰক তোকেই পাতিম। মহাৰাজক ধৰিব নোৱাৰো পৰ্য্যন্ত ইহঁতবোৰক অলপ খাটিৰ কৰিবই লাগিব।

চিপাহী- ১ : খেল চাই থাক। মহাৰাজক ধৰিব নোৱাৰি বেটা এতিয়া আমাৰ কাষ চাপিছে। 'বন্ধুসকল' আৰু 'জনতাৰ মত' এইশব্দৰ ফুলজাৰি ফুটাইছে।

চিপাহী- ৩ : 'ন্যায় বিচাৰ'? সেইটো আকৌ কি বিচাৰ অ?

চিপাহী- ১ : ঠিক আছে, বেটাই যিমান সময়লৈকে শুকান জেওৰাৰ ৰস উলিয়াব পাৰে উলিয়াই লওক দে।

চিপাহী- ২ : তাৰ পিছততো আৰু নোৱাৰ।

(সিহঁতবোৰ উভতি আহিল।)

চিপাহী- ১ : এই মানুহটোৱে বিচাৰৰ ক্ষেত্ৰত কিন্তু সকলো খা-খবৰ ৰাখে। ই বেটা বৰ ধূৰ্ত্ত। তয়েই কছোন বাৰু - এই ভতিজা মোকেলটোক বিচাৰক কৰিব পাৰি জানো?

কীৰ্ত্তিচন্দ্ৰ : মোক কৈছা? মানে মই কব লাগে?

চিপাহী- ২ : অ' অ' তোকেই কৈছো। কছোন ভতিজাটোক জানো বিচাৰক পাতিব পাৰি? তোৰ পৰা শুনি অকনমান ৰগৰেই কৰো।

কীৰ্ত্তিচন্দ্ৰ : কি ৰগৰ কৰিবি? (নুশুনাকৈ) তহঁত দালে দালে - মই পাতে পাতে। (সুৰ সলাই) তেওঁক ৰঙা দলিছা পাৰি আদৰি আনিব লাগিব এয়োতে? ভাল কথা। হেৰি মানে - তৎক্ষানাৎ ধৰি আনিব পৰা কোনোবা আচামী আছে জানো? জনাত মানে - কোনো পাপী? তেতিয়াহলে তাৰ বিচাৰৰ দৌৰটো অনুমান কৰিব পৰা গ'লহেতেন।

চিপাহী- ১ : জনা আচামী? এইটো বিপাঙত পৰা কথা।

চিপাহী- ২ : মই জনাত কিন্তু দাঁতিকাষৰীয়া এখন গাঁৱত দুটা উকিল আছে।

কীৰ্ত্তিচন্দ্ৰ : ওহো, সঁচা সঁচি আচামীৰে এই কাম নহব। বিচাৰক নিযুক্ত নহলে সঁচা সঁচি অপৰাধী সকলৰ বিচাৰ হব নোৱাৰে। হ'লে

বেআইনী হ'ব। অৱশ্যে এতিয়া উকিল দুটাক আনি ফাঁচি কাঠত ওলোমাই দিব পৰা যায়, কাৰণ এতিয়া বিচাৰক নাই - বিচাৰক ওলমি আছে, এতেকে বিচাৰো হ'ল - আইনো ভঙ্গ নহ'ল।

চিপাহী- ২ : বেটা, ন্যায় ৰত্ন ওলাইছে -

চিপাহী- ১ : তেনেহ'লে কি কৰা যায়?

কীৰ্ত্তিচন্দ্ৰ : একো উপায় নাই যদি - ময়েই আচামী হওঁ।

চিপাহী- ১ : তই?

(আটায়ে হাঁহিলে।)

চিপাহী- ২ : ঠিক আছে - হ - তয়েই হ। ক্ষতি কি?

মৃদুপবন : তেনেহলে কি সিদ্ধান্ত ল'লা?

চিপাহী- ১ : পৰীক্ষা হব। ই আচামী হব, ভতিজাকে বিচাৰ কৰক।

মৃদুপৱন : এনে নিয়ম হলে নাই, তথাপি তোমালোকে বিচাৰিছা যেতিযা কৰক। (ভতিজাকক) চিন্তা নকৰিবি, বিচাৰক তয়েই হবি। (কীৰ্ত্তিচন্দ্ৰ মহাৰাজৰ ভঙ্গীৰে থিয় হ'লহি। মহাৰাজৰ বচন ভঙ্গী অনুকৰণ কৰি কয়)

কীৰ্ত্তিচন্দ্ৰ : আশাকৰো মই সকলোৰে পৰিচিত। মই স্বয়ং মহাৰাজ। এই ৰাজ্যৰ।

চিপাহী- ৩ : কি - কি কলে অ'।

চিপাহী- ২ : সি হেনো মহাৰাজ! চালা খেলখন এতিয়া বেছ জমিব দেই!

কীৰ্ত্তিচন্দ্ৰ : শুনক ৰাইজ, অভিযোগ যুদ্ধ কৰিবলৈ হুমিয়াই ফুৰা ৰজা। হাস্যকৰ অভিযোগ। মই কৈছো হাস্যকৰ। যথেষ্ট প্ৰমান মজুত আছে। অভিযোগ যদি প্ৰমাণিত নহয়? উকীল সকল উপস্থিত। সংখ্যাত সম্ভৱতঃ পাঁচশ মানেই হব। এওঁলোকবহিবৰ কাৰণে আসনৰ দিহা কৰিব লাগে।

(চিপাহীসকলৰ অট্টহাস্য।)

ভতিজা : এই বোৰ ল'ৰাৰ ধেমালীৰ কোনো মানেই নহয়। মাথোন বদ

ৰসিকতা -

চিপাহী : (তিনিও জন চিপাহীয়ে একেলগে) অই - অই - ধেমালী? কৰক - কৰিবলৈ দে।

মৃদুপৱন : হওক দে - হবলৈ দে।

ভতিজা : ঠিক আছে। বাদী - ৰাজ্যৰ জনতা, পদকীয়া - মহাৰাজপদকীয়াৰ কিবা বক্তব্য আছে?

কীৰ্ত্তিচন্দ্ৰ : বক্তব্য? প্ৰচুৰ ! অভিযোগ উত্থাপিত হৈছে -যুদ্ধত পৰাজয়। যুদ্ধ আৰম্ভ ধনপতি সকলৰ প্ৰৰোচনাত - যেনে ধৰক মৃদুপৱন মজিন্দাৰ বৰুৱাৰ নিচিনা লোকৰ উচটনিত। এওৰ সাক্ষ্য লোৱা হওক। অৱশ্যে এটা চাউল পিতিকিলেই প্ৰমান পোৱা যাব ধনপতি সকল ষড়যন্ত্ৰত লিপ্ত আছিলনে নাই? (চিপাহী সকলৰ অট্টাহাস্য।)

ভতিজা : আবেদন অগ্ৰাহ্য কৰা হ'ল। যুদ্ধ আৰম্ভ কৰা অন্যায় হোৱা নাই, সকলো ৰজাই এনে কৰিব লগীয়া হয়। অন্যায় হ'ল - যুদ্ধ কৰি পৰাস্ত বৰণ কৰা।

কীৰ্ত্তিচন্দ্ৰ : হাস্যকৰ অভিযোগ। যুদ্ধ 'কৰা' হোৱা নাই, কৰিবলৈ বাধ্য কৰোৱা হৈছে। ধনপতি সকলৰ প্ৰৰোচনাত - যাৰ ফলত তেওঁলোক নিজেতো ডুবিছেই - আনকো ডুবাইছে।

ভতিজা : আচামী, যি সৈন্য বাহিনীৰ সৰ্বাধিনায়ক আছিল, সেই কথা কিন্তু তেওঁ অস্বীকাৰ কৰিছে।

কীৰ্ত্তিচন্দ্ৰ : নাই কৰা। সৰ্বাধিনায়কৰ কাম আদেশ দিয়া। চিৰকাল আদেশেই দিছে। শৈশৱক ধাইক। কৈশোৰত লগুৱা লিকচৌক। আদেশ দিয়াত অভ্যস্ত। মোৰ আদেশত ৰাজ বিষয়া সকলে চুৰ কৰিছে। ধনপতি সকলে কৃষকৰ পত্নীক ধৰ্ষণ কৰিছে - আদেশত। হাবিলদাৰ সকলে চিপাহীক চাবুকেৰে কোবাইছে - আদেশত। এই ধনপতি সকলৰ তলপেট ওলমিছে - মোৰ বিশেষ আদেশত। (চিপাহী বিলাকৰ অট্টহাস্য।)

মৃদুপবন ঃ উত্তৰ দে, উত্তৰ দে। ভয় কিহৰ? মই আছো।

ভতিজা ঃ মোৰ উত্তৰ - আদালতৰ মৰ্যাদা ৰক্ষাৰ প্ৰশ্ন। আচামীয়ে যেন আদালতৰ মৰ্যাদা ৰক্ষা কৰে।

কীৰ্ত্তিচন্দ্ৰ ঃ একমত। মোৰ আদেশ - বিচাৰকে বিচাৰ চলাই যাওক।

ভতিজা ঃ বিচাৰকক আদেশ দিয়াৰ কোনো অধিকাৰ নাই আচামীৰ। আচামীয়ে কৈছে - ধনপতি সকলে তেওঁক যুদ্ধত প্ৰবৃত্ত হবলৈ পৰামৰ্শ দিছিল। কিন্তু তেওঁলোক যে ডুবিছে - এই কথা কিহৰ ওপৰত ভিত্তি কৰি কোৱা হৈছে?

কীৰ্ত্তিচন্দ্ৰ ঃ ভিত্তি দৃঢ়। যথেষ্ট সংখ্যক সৈন্য পঠোৱা নাছিল। ভীষণ খেলি মেলি কৰি ৰাজ্যৰ তহবিল একপ্ৰকাৰ উদং কৰি থোৱা হৈছে। যুদ্ধ ক্ষেত্ৰলৈ অকৰ্ম্মণ্য ঘোঁৰা প্ৰেৰণ কৰিছিল। যুদ্ধৰ সময়ত মদৰ ঘাটিত পৰি ৰৈছিল। গাভৰু লগত লৈ ফুৰ্ত্তিত মছগুল হৈ আছিল। ককা মৃদুপৱন অথবা পেহাই সাক্ষ্য দিয়ক।

ভতিজা ঃ আচামীয়ে কি কবলৈ বিচাৰিছে - ধনপতি সকলে যুদ্ধ কৰা নাছিল?

কীৰ্ত্তিচন্দ্ৰ ঃ কৰিছিল - ৰচদ পাতি যোগানৰ ঠিকা ঠুকুলিৰে সহযোগ কৰি বিপুল পৰিমাণৰ ধন ৰাশি উপাৰ্জ্জন কৰিছিল।
(চিপাহী সকলৰ অট্টহাস্য।)

মৃদুপৱন ঃ সত্যৰ অপলাপ হৈছে। এই মানুহটোৱে মজুৰি কৰি খোৱা মানুহৰ দৰে মিছা কথা কৈছে।

কীৰ্ত্তিচন্দ্ৰ ঃ সঁচাৰ বাহিৰে মিছা কোৱা নাই।

মৃদুপৱন ঃ ইয়াক ফাঁচি দিয়া হওক।

চিপাহী- ১ ঃ খং উঠিছে কিয় ডাঙৰীয়া?

চিপাহী- ২ ঃ মহাৰাজে নিজৰ কাম কৰি যাওক।
(ভতিজা উত্তেজিত হৈ জপিয়াই উঠিল। উত্তেজনাত এওঁৰ বচনভঙ্গী কীৰ্ত্তিচন্দ্ৰৰ অৰ্থাৎ মহাৰাজৰ নিচিনা হৈ গৈছে।)

ভতিজা ঃ নিস্তব্ধ। এতিয়া ৰায় দিয়া হব। সাক্ষ্য গৃহীত। অপৰাধ - যুদ্ধত

পৰাজয় প্ৰমাণিত। শাস্তি আচামীক ফাঁচি - অবিলম্বে।

কীৰ্ত্তিচন্দ্ৰ : সজ উপদেশ - জনতাৰ আগত উক্ত ভঙ্গীত কথা নকবলৈ। জনতাই যদি ধৰিব পাৰে যে মহাৰাজ আৰু ধনপতিৰ বচন ভঙ্গী একেই - তেতিয়া হয়তো ফাঁচি কাঠত ওলমিব লাগিব - মহাৰাজবেশী ধনপতি স্বয়ং।

মৃদুপৱন : তাক ফাঁচি দিয়া হওক।

কীৰ্ত্তিচন্দ্ৰ : এই ৰায় নাকচ কৰিবলৈ বাধ্য। যুক্তি যুদ্ধত পৰাজয়, কিন্তু ধনপতিৰ জয়। প্ৰমাণ - তিনি লক্ষ বিৰাশী হাজাৰ টকা লুণ্ঠন ঘোঁৰাৰ মূল্যৰ বাবদ, যি ঘোঁৰা কাহানিও প্ৰেৰণ কৰা নহল।

মৃদুপৱন : তাক ফাঁচি দিয়া হওক।

কীৰ্ত্তিচন্দ্ৰ : আঠ লক্ষ চাপান্ন হাজাৰ টকা লাভ খাদ্য ৰচদৰ বাবদ, যি খাদ্য খেতিতেই বৈ গ'ল আৰু ইপিনে দামো নিয়ন্ত্ৰণ কৰিব পৰা নহ'ল।

মৃদুপৱন : ইয়াক ফাঁচি দিয়া হওক।

কীৰ্ত্তিচন্দ্ৰ : পৰোক্ষ জয়। পৰাজয় - দেশৰ। দেশ আদালতত অনুপস্থিত।

মৃদুপৱন : তাক -

(চিপাহীৰ অট্টহাস্য। মৃদুপৱন মজিন্দাৰ বৰুৱাই কথা বুজি পালে।)

ঠিক আছে, ঠিক আছে। হেৰা - ৰসিক প্ৰবৰ, তুমি এতিয়া যাব পাৰা। তেনেহলে বন্ধু সকল, নতুন বিচাৰকৰ চাকৰিটো পকা কৰা যাওক।

(কীৰ্ত্তিচন্দ্ৰ উভতি গৈ বহিল ভগীৰথৰ কাষত।)

চিপাহী : অ' পকা কৰা যাওক। অই বিচাৰকৰ পোছাকটো খুলি আনছোন।

(অন্য এজন চিপাহীয়ে পোছাকটো খুলি আনিলে।)

(ভতিজাকক) চাও উঠাছোন ডেকা জোৱান। নতুন বিচাৰকক বহিবলৈ আসন খালি কৰি দিয়া। (কীৰ্ত্তিক) অই চালা - দগাবাজ। ব'ল তালৈ। বহ - সেই তাতে বহ।

(কীৰ্ত্তিচন্দ্ৰ নিয়ম কৰা বৰাক জজৰ পোছাক পিন্ধাই বিচাৰকৰ

আসনত বহুৱাই দিয়া হ'ল। হতভম্ব মৃদুপৱন মজিন্দাৰ বৰুৱা আৰু ভতিজাক ক্ৰমে পিছু হুহকিছে।) চালা, বিচাৰক দেখ দেখকৈ সি এটা দগাবাজ আছিল। এতিয়া আন এটা দগাবাজ বিচাৰক হলহি।

চিপাহী- ২ ঃ বেজৰ নাকত খৰে খোৱা বুলি ইয়াকে কয়।

চিপাহী- ৩ ঃ চালা লাখৰ ভিতৰত এক মনৰ মতন বিচাৰক।
(চিপাহীৰ অট্টহাস্য। মৃদুপৱন আৰু ভতিজাক ওলাই গল। ওজা আৰু এজন পালি আহিল।)

ওজা ঃ দেশত গৃহযুদ্ধ। ধনপতিৰ লগত যুঁজ মহাৰাজৰ।

পালি ঃ চিপাহী বিলাক এই পক্ষে - সেই পক্ষে, বেছি ভাগ নিজ পক্ষে।
(চিপাহীৰ অট্টহাস্য। কীৰ্ত্তিচন্দ্ৰ উঠি গভীৰ ভাৱে পাইচাৰী কৰি আছে।)

ওজা ঃ কীৰ্ত্তিচন্দ্ৰ চিপাহীৰ দ্বাৰা নিৰ্ব্বাচিত বিচাৰপতি, তেওঁক গুচাই কোনে? সাহ কাৰ?

পালি ঃ দুবছৰৰ কাৰণে বিচাৰপতি হৈ ৰল কীৰ্ত্তিচন্দ্ৰ।
(চিপাহীৰ অট্টহাস্য।)

ওজা ঃ যেতিয়া চহৰত জুই, গাঁৱত লুণ্ঠন -
(হো ও-ও শব্দ কৰি চিপাহীবোৰ তীব বেগে বাহিৰলৈ গ'ল।)

চিপাহী- ১ ঃ যেতিয়া দেশখনত ষড়যন্ত্ৰ, কটা মৰা,

চিপাহী- ২ ঃ ধৰ্ষণ, অপহৰণ, ৰজা ভঙা-পতা -

চিপাহী- ১ ঃ তেতিয়া বিচাৰপতিৰ আসনত কীৰ্ত্তিচন্দ্ৰ নিয়মকৰা বৰা।

ওজা আৰ পালি ঃ (ওজা আৰু পালি সকল গুচি গ'ল। ভগীৰথে ঘৰ মচিছে। মহাজন, বৈদ্য, খোৰা আৰু লৰা সোমাই আহি বিভিন্ন স্থানত বহিব আৰু কিছু সংখ্যক থিয় হৈ থাকিব।)

কীৰ্ত্তিচন্দ্ৰ ঃ আইনৰ শকত কিতাপখন ইয়াত মেলি দিয়াছোন। কিবা এটা চাওঁ।
(ভগীৰথে চকীত অদৃশ্য কিতাপখন মুকলি কৰি দিয়ে।

কীৰ্ত্তিচন্দ্ৰ বহিল।)
মামলা মোকৰ্দ্দমাৰ সংখ্যা বহুত বাঢ়ি গৈছে, দুটাকৈ বিচাৰ একেলগে কৰিব লাগিব। আদালতত কাম আৰম্ভ কৰাৰ আগেয়ে এটা বিশেষ ঘোষণা আছে - মই অৰ্থাৎ কীৰ্ত্তিচন্দ্ৰ নিয়মকৰা বৰাই এই মুহূৰ্ত্তৰ পৰা বিচাৰপতিৰ আসন গ্ৰহণ কৰিছো।
(একমাত্ৰ ল'ৰাটোৱে কীৰ্ত্তিচন্দ্ৰৰ প্ৰসাৰিত হাতত কিবা দিলে। কীৰ্ত্তিচন্দ্ৰই -মহাজনৰ ফালে চালে। তেওঁৰ দৃষ্টিৰ পৰা মহাজন এতিয়া আতৰি গৈছে।)
আদালতক অবমাননা কৰা অপৰাধত কোনো লোকৰ শাস্তি হব পাৰে। আপুনি গাঁৱৰ মহাজন, বৈদ্যও গাঁৱৰে মানুহ এই বৈদ্যৰ নামত জাননী জাৰি হৈছে। কিহৰ জাননী?

মহাজন : হজুৰ - এই মানুটোৰ কাৰণে মই হৃদ ৰোগত ভূগিছো।

কীৰ্ত্তিচন্দ্ৰ : তাৰমানে চিকিৎসাৰ ভুল?

মহাজন : তাতকৈয়ো বেয়া হজুৰ। তাৰ ডাক্তৰী পঢ়াৰ খৰচ - মই ধাৰে দিছো। এতিয়াও সুদে মূলে বহুত টকা দিবলৈ বাকী। অথচ সৌ সিদিনা এজন ৰোগীৰ চিকিৎসা বিনামূল্যে কৰিছে। সেইবোৰ শুনিয়েই মোৰ হৃদৰোগ আৰম্ভ হৈছে।

কীৰ্ত্তিচন্দ্ৰ : হোৱাৰেই কথা। (খোৰাজনক) আপোনাৰ কি আছে?

খোৰা : (আগুৱাই আহি) ময়েই সেই হতভগীয়া ৰোগীজন হজুৰ।

কীৰ্ত্তিচন্দ্ৰ : আপোনাৰ ভৰিৰ চিকিৎসা বিনামূল্যে কৰিছিলনে কি?

খোৰা : ভুল ভৰিৰ চিকিৎসা বিনামূল্যে নকৰি আৰু কিহেৰে কৰিব হজুৰ। আচলতে মোৰ সোঁ ভৰিত বিষ, কিন্তু অস্ত্ৰোপচাৰ কৰিছে, বাওভৰিত। সেইকাৰণে খোৰাই হলেও কথাটো আপোনাক জনাবলৈ আহিলো।

মহাজন : অস্ত্ৰোপচৰা হুজুৰ। পাচশ টকা দক্ষিণা। বিনামূল্যে অস্ত্ৰোপচাৰ কৰিছে?

বৈদ্য : হজুৰ - অস্ত্ৰোপচাৰৰ আগেয়েই দক্ষিণা লোৱাৰ নিয়ম। এই ক্ষেত্ৰত মই কেনেকৈ ধাৰণা কৰিব পাৰো যে মোৰ সহকাৰীয়ে দক্ষিণা লোৱা নাই। তাতেই মোৰ ভুল হৈছে হুজুৰ।

মহাজন : ভুল কিয় হৈছিল? ভাল বৈদ্যৰ তেনে ভুল কিয় হ'ব?

কীৰ্ত্তিচন্দ্ৰ : কথাটো অৱশ্যে ঠিকেই। এই ক্ষেত্ৰত চৰকাৰী উকীলে কি কয়?

ভগীৰথ : হজুৰ।

কীৰ্ত্তিচন্দ্ৰ : অন্য আৰু কি মামলা আছে?

ভগীৰথ : (লৰাটোক দেখুৱাই) হেঁচা প্ৰয়োগ কৰি ধন আদায়।

লৰা : ধৰ্ম্ম অৱতাৰ, মই নিৰ্দ্দোষ। মই ধনপতিৰ পৰা জানিবলৈ বিচাৰিছিলো যে তেওঁ সঁচা সচিকৈ তেওঁৰ ভতিজা ছোৱালী জনীক ধৰ্ষণ কৰিছিল নে নাই। তেওঁ খোলা খুলিকৈ কৈছিল - কথাটো সঁচা নহয়, আৰু মোৰ সৰুভাইটোৰ লিখা পঢ়াৰ বাবদ মোক কিছু টকা দিছিল।

কীৰ্ত্তিচন্দ্ৰ : (বৈদ্যক) এনে ধৰণৰ কোনো যুক্তি আপুনি প্ৰদৰ্শন কৰিব পৰা নাই?

বৈদ্য : হুজুৰ, সকলো মানুহৰে ভুল হয় - এয়েই মোৰ যুক্তি।

কীৰ্ত্তিচন্দ্ৰ : হয়, সেইটো অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু দক্ষিণাৰ ক্ষেত্ৰত ভুল বৈদ্যৰ পক্ষে অমাৰ্জ্জনীয় অপৰাধ। শুনিবলৈ পোৱা গৈছে - ব্যৱসায়ীয়ে আজিকালি ল'ৰাহতঁক চিকিৎসা শাস্ত্ৰ শিকাইছে, যাতে লৰাইতে ব্যৱসায়টো ভালকৈ শিকে। (লৰাটোক) হেৰা বাপু, ধনপতিজনৰ নামটো কি?

লৰা : তেওঁ নিজৰ পৰিচয় দিবলৈ বিচৰা নাই।

কীৰ্ত্তিচন্দ্ৰ : সেই ক্ষেত্ৰত আদালতে ৰায় দিব। হেঁচা দি ধন আদায়ৰ অপৰাধ প্ৰমাণিত আৰু (মহাজনক) আপোনাৰ জৰিমনা হ'ল হাজাৰ টকা। পিছৰবাৰ হৃদ ৰোগত আক্ৰান্ত হলে এই বৈদ্যই বিনামূল্যে আপোনাৰ চিকিৎসা কৰিব, দৰকাৰ হলে অস্ত্ৰপচাৰো।

(খোৰা মানুহটোক) আপুনি ভৰিত মালিচ কৰিবৰ বাবে এটেমা বিষহৰি মলম পাব। (ল'ৰাটোক) তই যিহেতুকে নামটো-উল্লেখ নকৰ - ধনপতিৰ পৰা টকাৰ অৰ্দ্ধেক চৰকাৰী উকীলৰ হাতত জমা দিবি। ইয়াৰ উপৰিও আদালতে তোক চিকিৎসা শাস্ত্ৰ পঢ়াৰ উপদেশ দিছে সেই বিষয়ত তোৰ ধাউতি আৰু মগজু আছে। (বৈদ্যক) আপুনি অমাৰ্জনীয় অপৰাধ কৰিছে, গতিকে খালাচ। পৰবৰ্ত্তী বিচাৰ।

(মহাজন, বৈদ্য, খোৰা আৰু লৰাটো এজন এজনকৈ ওলাই গ'ল। দুজন পালি আহিল। তিনিজন মহাজন আৰু এজনী বুঢ়ী আহিছে।)

পালি - ১ ঃ যেতিয়া বৰালিয়ে বৰালি খায় -

পালি - ২ ঃ তেতিয়া মাজে মাজে পুথি মাছৰ দিন আহে।

পালি - ১ ঃ সেইবোৰ পুঠি খলিহনাৰ পক্ষে ৰায় যায়।

পালি - ২ ঃ তেওঁৰ নাম কীৰ্ত্তিচন্দ্ৰ নিয়মকৰা বৰা - যি বিচাৰ কৰে।

(পালি সকল গুচি যায়।)

কীৰ্ত্তিচন্দ্ৰ ঃ চৰকাৰী উকিল।

ভগীৰথ ঃ হজুৰ।

কীৰ্ত্তিচন্দ্ৰ ঃ আদালতৰ কাম আৰম্ভ কৰা।

ভগীৰথ ঃ হজুৰ - এটা গৰুৰ মোকৰ্দ্দমা। (বুঢ়ীক দেখুৱাই) আচামীৰ গোহালিত যোৱা এমাহ ধৰি গৰুটো আছে। গৰুটোৰ মালিক আছিল জগৰু মহাজন। ইয়াৰ উপৰিও আচামীৰ ঘৰত পোৱা গৈছে এটা চোৰাং ভকুৱা মাছ - যাৰ মালিক হৈছে - গেঠেলা মহলদাৰ। মহাজন গোবৰ্দ্ধনৰ এদৰা মাটিত আচামীয়ে ভাগি চুক্তিত খেতি বাতি কৰে। ভাগ আদায় দিবলৈ সকীয়াই দিয়াৰ পিছদিনাই গোবৰ্দ্ধন মহাজনৰ পাঁচটা ছাগলি মৃত অৱস্থাত পোৱা গৈছে।

জগৰু ঃ মোৰ গৰু হুজুৰ।

গেঠেলা ঃ মোৰ ভকুৱা মাছ হুজুৰ।

গোবৰ্দ্ধন ঃ মোৰ ছাগলি হুজুৰ।

কীৰ্ত্তিচন্দ্ৰ ঃ আৰু তোমাৰ বাই? কিবা কবলগীয়া আছে?

বুঢ়ী ঃ হুজুৰ বোপাই, কথাটো অলপ বেলেগ ধৰণৰহে। শুনক, এমাহ মানৰ আগেয়ে পুৱতি নিশা মোৰ থকা ঘৰৰ সমুখৰ দুৱাৰত কাৰোবাৰ ঢকাত দুৱাৰ খুলি দেখো - এজন সন্ন্যাসী, লগত এটা গৰু। সন্ন্যাসী বাবাই কলে - 'মই সন্ত ৰত্নাকৰ, মোৰ দৈৱ শক্তি আছে। তোমাৰ দুটা ল'ৰা যুদ্ধত মৰিছে,সেয়ে এই গৰুটো তোমাক দি গলো - যত্ন কৰি পালিবা।

জগৰু ঃ সি ৰতন ডকাইত হুজুৰ।

গেঠেলা ঃ সি বুঢ়ীৰ ভনীয়েকৰ লৰা হয়।

গোবৰ্দ্ধন ঃ দুৰ্দ্দান্ত ডকাইত হুজুৰ, তাক ফাঁচি দিয়ক।

(বাহিৰত কোলাহল। তাল ফাল কৰি ৰতনৰ প্ৰৱেশ।)

ৰতন ঃ বোম, বোম, ভোলানাথ -

মহাজন কেইজন ঃ ইয়েই ৰতন।

ৰতন ঃ ধৰ্ম্ম্য অৱতাৰৰ জয় হওক। এক পাত্ৰ মদিৰা দিবলৈ হুকুম হওক।

কীৰ্ত্তিচন্দ্ৰ ঃ চৰকাৰী উকীল, অতিথিৰ বাবে এক পাত্ৰ মদিৰা।

(ভগীৰথে মদ দিলে, ৰতনে একেসোহাতে পাত্ৰ খালী কৰিলে।)

আপুনি কোন?

ৰতন ঃ মই সন্ন্যাসী। আৰু একপাত্ৰৰ হুকুম হওক ধৰ্ম্মাৱতাৰ।

(কীৰ্ত্তিচন্দ্ৰৰ ইঙ্গিতত ভগীৰথে ৰতনক আৰু এক পাত্ৰ মদিৰা দিলে।)

কীৰ্ত্তিচন্দ্ৰ ঃ আদালতে সন্ন্যাসীক স্বাগতম জনাইছে। আসন গ্ৰহণ কৰক।

(বুঢ়ীলৈ চাই) কোৱা বাই, তোমাৰ কথাখিনি কৈ শেষ কৰা।

বুঢ়ী ঃ হুজুৰ দেউতা ঈশ্বৰ, এওঁৰ যি দৈৱ শক্তি আছে - তাক এই পোন্ধ মৰা মতা কেইটাই বুজা নাই।

কীৰ্ত্তিচন্দ্ৰ : বুজা কঠিন।

বুঢ়ী : তেতিয়া গৰুটোক দানা পানী খুৱাই তজবজীয়া কৰিলো। পিছে সেইদিনা ৰাতিয়েই মহাজনৰ লগুৱা কেইটা আহিল গৰুটো কাঢ়ি নিবলৈ। আহিল হয় - সিহঁত পুনৰ গুচি গল। সিহঁতৰ মুখ আৰু মূৰত ডাঙৰ ডাঙৰ ক'লা ফোহা উঠিল। তেতিয়া বুজিলো সন্ত ৰত্নাকৰে সিহঁতৰ মতিগতি ভাল কৰি পেলাইছে।

জগৰু : (ৰতনৰ অট্টহাস্য।)
মতি গতি কিহে বদলালে মই জানো হুজুৰ।

কীৰ্ত্তিচন্দ্ৰ : উত্তম, পিছত কব। তাৰ পিছত বাই?

বুঢ়ী : ইয়াৰ পিছত মতিগতি ভাল হ'ল গোবৰ্দ্ধন মহাজনৰ। সন্তৰ কৃপাত তেওঁ মাটিদৰাৰ ভাগ-বতৰা কৰি দিলে।

গোবৰ্দ্ধন : হুজুৰ, মোৰ পাচ - পাচোটাকৈ ছাগলি -
(ৰতনৰ অট্টহাস্য।)

কীৰ্ত্তিচন্দ্ৰ : কৈ যোৱা বাই।

বুঢ়ী : তাৰ পিছত আজি ৰাতিপুৱা, এটা ভকুৱা মাছ উৰি আহিল খিড়িকিয়েদি। পৰিল - ঠিক মোৰ এই - এই কমৰটোৰ ওপৰত। চাওক - হুজুৰ - দেউতাঈশ্বৰ, এতিয়াও মই খোৰাই খোৰাই খোজকাঢ়ি আছো।
(বুঢ়ীয়ে খোৰাই দেখুৱালে।)

কীৰ্ত্তিচন্দ্ৰ : হয়, সঁচাইতো।

বুঢ়ী : এতিয়া বিচাৰ কৰক হুজুৰ দেউতা। মোৰ দৰে গৰীব দুখুনীয়ে দৈৱশক্তি নোহোৱাকৈ দহ সেৰীয়া ওজনৰ ভকুৱা মাছ এটা কৰপৰা পাম?
(ৰতনে সমবেদনাত ফোঁপালে।)

কীৰ্ত্তিচন্দ্ৰ : বাই, তোমাৰ এই শেষ কথাকেইটাই আদালতৰ পৰিবেশ মৰ্ম্মস্পৰ্শী কৰি তুলিছে। তুমি ইয়ালৈ আহি বহাহি।

(বুঢ়ীক নিজৰ আসনত বহুৱালে।)

সকলোৱে চোৱা - এই বাই হল গোটেই ৰাজ্যৰে বাইদেউ। গতিকে এওক ৰাজহুৱা বাই বুলিয়েই ধৰিব পাৰি। দুখুনী মাকৰ লৰা কেইটা মৰিছে - যুদ্ধত, এটা গৰু পালেও পোৱাৰ আনন্দত বায়ে কান্দি পেলায়। আঘাত পালেও তেওঁ আশাবোৰ বুকুত বান্ধি জীয়াই থাকিবলৈ বিচাৰে, আঘাত নাপালে অবাক হৈ চাই ৰয়। বাই, আমি অভিশপ্তবোৰৰ ওপৰত তোমাৰ কৃপা-দৃষ্টি যেন সদায়েই থাকে। (মহাজন আৰু মহলদাৰ কেইজনক) নাস্তিকৰ দল। তোমালোকে দৈৱশক্তিক বিশ্বাস নকৰা। নাস্তিকতাৰ অপৰাধত তোমালোকৰ প্ৰত্যেকৰে জৰিমনা হ'ল দুশ টকাকৈ। যোৱা বিদায় লোৱা।

(মহাজন আৰু মহলদাৰৰ প্ৰস্থান।)

তুমি বাই, ভালকৈ মাছৰ জোলখন টেঙা দি বনোৱা। আৰু তুমি সন্ত ৰত্নাকৰ, চৰকাৰী উকীল আৰু মোৰ লগত এক পাত্ৰ হৈ যাওক।

(বুঢ়ী গুচি গ'ল। কীৰ্ত্তিচন্দ্ৰ, ভগীৰথ আৰু ৰতন ভিতৰ সোমাল। দুজন অৰ্থাৎ ওজা আৰু পালি আহিল।)

ওজা ঃ আইন ভাঙি আইনৰ টুকুৰা ৰুটিৰ টুকুৰাৰ দৰে,
গৰীব দুখীয়াৰ মাজত দুবছৰৰ বাবে মিলি গ'ল।
বিচাৰপতি কীৰ্ত্তিচন্দ্ৰ।
দুবছৰ ধৰি চিকাৰী কুকুৰ হৈ
চোৰ দগাবাজৰ লগত যুঁজ কৰি গ'ল বিচাৰক
কীৰ্ত্তিচন্দ্ৰই।

পালি ঃ কিন্তু দিন পাৰ হয়।

(মৃদুপৱন মজিন্দাৰ বৰুৱা আৰু দুজন চিপাহী যেন যুদ্ধ কৰি পলাইছে, তৰা নৰা চিঙি আহিছে অন্য চিপাহী। সিহঁতবোৰৰ পিছত ভাল সাজ পাৰ পিন্ধি মহাৰাজ। তাৰ পিছত চুবাদাৰণী

আৰু বিষয়া। শোভাযাত্ৰাৰ দৰে এফালেদি সোমাই আন ফালেদি ওলাই যাব সিহঁতবোৰ।)

অৰাজকতাৰ দিন শেষ হয়। মহাৰাজ উভতি আহিছে প্ৰতিবেশী ৰজাৰ সাহায্যত, উভতি আহিছে চুবাদাৰৰ পাল।

ওজা : উভতি আহিছে আমাৰ তুলাৰাম চুবাদাৰৰ পলাতকা পত্নী। (বাহিৰত চিপাহী বিলাকৰ গৰ্জ্জন, মৃদুপৱনৰ আৰ্ত্তনাদ। মৃদুপৱনক বান্ধিবলৈ আনি চিপাহী বিলাক পুনৰ গুচি গল।) হেৰাই যায়, মৃত্যু সাবটি লয় ধনপতিৰ দল।

পালি : মৃত্যু বৰণ কৰে অনেক চিপাহীয়ে, অনেক নিৰীহ লোকে। দুখীয়াৰ ঘৰ দুৱাৰ জুইত ভস্মীভূত হয়।

ওজা : কীৰ্ত্তিচন্দ্ৰৰ মনত বাহ লয় ভয়ে। (কীৰ্ত্তিচন্দ্ৰই বিচাৰ পতিৰ পোছাক খুলিলে। ভগীৰথ বহি আছে।)

কীৰ্ত্তিচন্দ্ৰ : চৰকাৰী উকিল ভগীৰথ কাকতি চকীদাৰ, তোমাৰ দাসত্বৰ দিন শেষ হৈ আহিল। বহুত দিন ধৰি অকাট্য যুক্তিৰ শিকলিৰে তোমাক বান্ধি ৰাখিছো। মোৰ সূক্ষ্ম বিশ্লেষণে তোমাক চাবুকৰ দৰে কোবাইছে। চৰিত্ৰগতভাৱে তুমি দুৰ্ব্বল, উচ্চস্তৰৰ কোনো মানুহে হাত আগ নবঢ়ালে তুমি চলিব নোৱাৰা। কিন্তু উচ্চস্তৰত নানা ধৰণৰ মানুহ আছে। এইবাৰ, মোৰ কবলৰ পৰা মুক্তি পোৱাৰ পিছত, তোমাৰ স্বভাৱগত নীচ প্ৰবৃত্তিয়ে তোমাক চলাব। সেই প্ৰবৃত্তি হ'ল - দুৰ্ব্বল মানুহৰ মুখৰ ওপৰত তোমাৰ ভৰিৰ হেঁচা। দুৰ্ব্বল মানুহে কিছুদিনৰ বাবে সকাহ পাইছিল - অৰাজকতা বিৰাজ কৰাৰ ফলত। অৰাজকতা মানে - কিছুদিনৰ বাবে দেশত ৰজাৰ শাসন নাছিল। সেই কেইটা দিনৰ ভিতৰত ডাঙৰ মানুহৰ মুখবোৰ শুকাইছিল, হৃদয় কঁপিছিল। দুখীয়া মানুহৰ ওচৰলৈ গৈ হাতযোৰ কৰিব লগীয়া হৈছিল - তেওঁলোকে আৰ্তকণ্ঠৰে চিঞৰি কৈছিল - ৰজা - আহক শৃঙ্খলা ঘূৰাই আনক.

অৰাজকতাৰ অন্ত হওক।

ভগীৰথ, আইনৰ সেই শকত কিতাপখন আনাছোন, তাৰ ওপৰত অকনমান বহোঁ। চাও সিহঁতে মোৰ আৰু কি কি কৰে। ইয়াতে পাতা,

(ভগীৰথে কিতাপখন মাটিত পাতিলে। কীৰ্ত্তিচন্দ্ৰ কিতাপখনৰ ওপৰত বহিল।)

হু, দুখীয়াই হত্যা কৰিলে তাক মই এৰি দিছো, তাৰ বাবে মোৰ জৰিমনা হ'ব। আইনৰ বাৰটা বাজিছে, তাৰ বাবে ফাটেক। ডাঙৰ মানুহৰ জেপ লুকুকিছো মই, তাৰ বাবে ফাঁচি। লুকাবৰ উপায় নাই, সকলোৱে চিনি পাইছে মোক।

(কথা কৈ কৈ কিতাপখন চকীৰ তলত থলে।)

ভগীৰথ ঃ কোনোবা যেন আহিছে।

কীৰ্ত্তিচন্দ্ৰ ঃ (সভয়ে) আহিছে? আহি পাইছে? তেনেহলে এয়েই শেষ। এক মহান বিচাৰকৰ দৰ্শন লাভ কৰাৰ আশাৰে আহিছে তেওঁলোক। মই তেওঁলোকৰ সেই আশা পূৰ্ণ নকৰো। মই আঠুকাঢ়ি ভিক্ষা মাগিম, গোটেই শৰীৰ থৰথৰ কৰি কঁপিব, প্ৰাণৰ ভয়ত মুখৰ পৰা ফেন ওলাব।

(চুবাদাৰণী আৰু বিষয়াবৰ্গ আহিল। কীৰ্ত্তিচন্দ্ৰ আনফালে ঘূৰি নতজানু অৱস্থাত।)

চুবাদাৰণী ঃ সেইটো কি জন্তু?

(জাপ মাৰি উঠি আহিল কীৰ্ত্তিচন্দ্ৰ)

কীৰ্ত্তিচন্দ্ৰ ঃ হাতৰ পুতলা হুজুৰণী - মোৰ হতুৱাই সকলো কৰাব পাৰিব।

বিষয়া ঃ প্ৰয়াত তুলাৰাম ঠেঙাল চুবাদাৰৰ ধৰ্ম্মপত্নী উভতি আহিছে। তেওঁৰ দুবছৰীয়া লৰা ভানু প্ৰতাপক লৈ এজনী পুৰণি বান্দী উত্তৰ পাহাৰৰ ফালে পলাই গৈছে।

কীৰ্ত্তিচন্দ্ৰ ঃ তাইক ধৰি অনা হ'ব হুজুৰণী - মই আপোনাৰ নিকিনা গোলাম।

বিষয়া ঃ শুনিবলৈ পোৱা মতে বান্দী জনীয়ে হেনো তাক নিজৰ লৰা

বুলি দাবী কৰিছে।

কীৰ্ত্তিচন্দ্ৰ : বান্দীৰ ডিঙি কটা যাব হুজুৰণী - মই আপোনাৰ নিকিনা গোলাম।

বিষয়া : ঠিক আছে, আমি এতিয়া যাওঁ।

চুবাদাৰণী : মানুহটোক যেন মোৰ ভাল লগা নাই।

কীৰ্ত্তিচন্দ্ৰ : মই আপোনাৰ নিকিনা গোলাম হুজুৰণী - সকলো ব্যৱস্থা হ'ব। (তেওঁলোক গুচি গল। কীৰ্ত্তিচন্দ্ৰ আৰু ভগীৰথ ভিতৰ সোমাল। ওজা আহিল।)

ওজা : এবাৰ শুনক বিচাৰৰ কাহিনী।
চুবাদাৰ পুত্ৰৰ কোন আচল মাক, তাৰ বিচাৰ। বিখ্যাত চক মাটিৰ মেৰৰ বিচাৰ।
(দুজন চিপাহীয়ে ইতিমধ্যে ভানু প্ৰতাপক লৈ আহি ভিতৰলৈ গুছি গল।) হেমী আৰু ৰান্ধনি আহিল। ওজা গুছি গল।)

হেমী : সি এতিয়া নিজে নিজেই গা ধুব পাৰে।

ৰান্ধনি : তোৰ কপাল ভাল - মানুহটো সঁচাকৈয়ে বিচাৰক নহয়। এও হ'ল সেই মাতাল কীৰ্ত্তিচন্দ্ৰ। বিচাৰৰ 'ব' টোকে নেজানে, সকলোবোৰ সানি পোতকি পেলায়। চোৰ, ডকাইতে খালাচ পাই যায়, ডাঙৰ মানুহে ঘোঁচ দিয়ো পাৰ নাপায়। বৰং দুখীয়া নিছলা লোকেই মোকৰ্দ্দমাত সততে জিকি যায়।

হেমী : আহ - মোৰ কি ভাগ্য। মোৰ ক্ষেত্ৰতো যেন সেয়ে হয়।

ৰান্ধনি : ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰা যাতে 'ভদ্ৰলোক' আজি মাতাল হৈ আহে। কিন্তু এটা কথা সি যিহেতুকে তোৰ নিজৰ লৰা নহয়, তাক লৈ তই ইমান জেদ কৰিছ কিয়? দেখিছতো দিন কাল ভাল নহয়।

হেমী : সি মোৰ, সি মোৰেই। তাক মই লগে লগে ৰাখি মানুহ কৰিছো।

ৰান্ধনি : তাৰ মাক উভতি আহিলে কি হব, ভাবি চাইছনে কেতিয়াবা?

হেমী : প্ৰথমে ভাবিছিলো - আহিলে দি দিম। এতিয়া ভাবিছো উভতি নাহে আৰু আহিলেও তাক গতাই নিদিও।

ৰান্ধনি : ঠিক আছে। যি হ'ব লগা আছে হ'ব। মই তোৰ হৈ যি সাক্ষী দিব লাগে দিম। পুতুলৰ লগত কথা হৈছিলো সিদিনা। সি লৰাটো তোৰ নহয় বুলি গম পাইছে, কিন্তু তই বিয়া কৰালি কিয় - তাৰ অৰ্থহে হেনো আজিও বুজি পোৱা নাই।

হেমী : পুতুলৰ কথা ভাবি মই এতিয়া মূৰ ঘমাব নোৱাৰা হৈছো।
(ইয়াৰ ভিতৰতে পুতুল আহি থিয় হৈছিলহি, হেমীয়ে দেখা নাই, ৰান্ধনিয়ে তাৰ গাত চিকুত মাৰি সতৰ্ক কৰি দিলে।)

পুতুল : এটা কথা মই হেমীক জনাই থবলৈ বিচাৰো। আৱশ্যক হলে মই কবলৈ ৰাজি আছো যে ময়েই লৰাটোৰ বাপেক।
(হেমীয়ে নীৰৱে মূৰ দুপিয়ালে।)
আৰু এটা কথা। মই এতিয়া স্বাধীন।

ৰান্ধনি : সেই কথা কৈ কি হ'ব? তাইৰতো বিয়া হৈ গৈছে।

পুতুল : সেই কথা মনত পেলাই দিয়াৰ দৰকাৰ নাই।)
(বহিল। দুজন চিপাহী ভিতৰৰ পৰা আহিল।)

চিপাহী - ১ : কলৈ গ'ল কছোন?

চিপাহী - ২ : কোনে জানে?
(হাবিলদাৰ আহিল বাহিৰৰ পৰা। তাক দেখি হেমীয়ে ৰান্ধনিৰ গাৰ আৰত লুকুৱাৰ চেষ্টা কৰিলে।)

হাবিলদাৰ : অই, বিচাৰক ক'ত আছে জান?

চিপাহী - ২ : ইয়াততো নাই।

চিপাহী - ১ : গোটেই ঘৰ চলাথ কৰিলো - এখন ভগা বিছনা আৰু এটা খালি মদৰ বটল বহু।

হাবিলদাৰ : বাৰু, আহ - তহঁত দুটা মোৰ লগত।
(হেমীক দেখি হাবিলদাৰ ৰৈ গ'ল।)

চিপাহী ১ : কি হ'ল?

হাবিলদাৰ : নাই, একো হোৱা নাই। বল।
(সিহঁত কেইটা গুচি গ'ল।)

ৰান্ধনি : কি হ'ল অ'। কীৰ্ত্তিচন্দ্ৰৰ কিবা হলনে কি? অন্য কোনো বিচাৰক হলে তই কিন্তু মুঠেই আশা নকৰিবি দেই।
(হেমীৰ প্ৰকাশ ভঙ্গী লক্ষ্য কৰি)
কি হ'ল?

হেমী : ৰান্ধনি ককাই, সেই হাবিলদাৰটোৰ মূৰতেই মই লাঠিৰ কোব সোধাইছিলো।

ৰান্ধনি : সেই মানুহটো !

হেমী : অ' - সেইটোৱেই।

ৰান্ধনি : চিন্তা নকৰিবি। তাৰ মুখ আপোনা আপুনি বন্ধ হৈ যাব। নহলে সি যে ধনপতিৰ হৈ কেঁচুৱাটোক বিচাৰি ফুৰিছিল, সেইটো ফাদিল হৈ নাযাব জানো?

হেমী : তাৰ কথা মই পাহৰিয়েই গৈছিলো।
(চুবাদাৰণী, বিষয়া আৰু উকীল আহিছে।)

উকিল : ক'তা, মানুহ দুনুহ এটাও নাই দেখোন।

বিষয়া : বিপদত পৰাৰ ভয়ত সকলোৱে দুৱাৰ বন্ধ কৰি ঘৰৰ ভিতৰত বহি আছে।

চুবাদাৰণী : ভালেই হৈছে। সিহঁতৰ গাৰ গোন্ধত মোৰ মূৰ কামোৰণি হয়।

উকিল : অলপ সাৱধানে কথা কব। এই বিচাৰকটোক আতৰ নকৰা পৰ্য্যন্ত -

চুবাদাৰণী : ক'তা, একো বেয়া কোৱা নাইতো? জনতাক মোৰ খুব ভাল লাগে, কি সৰল মন তেওঁলোকৰ। কেৱল তেওঁলোকৰ গাৰ গোন্ধত মোৰ মূৰ কামোৰণি হয় - তাকেই কৈছিলো।

উকিল : আঃ লাহে লাহে।

চুবাদাৰণী : (হেমীক দেখি) সেই ডাইনীজনী?

উকিল : অনুগ্ৰহ কৰি ভাষা অলপ সংযত কৰক। মহাৰাজে নতুন বিচাৰক নিয়োগ কৰিছে বুলি এতিয়াও কোনো খবৰ অহা নাই।

বিষয়া : কিন্তু বিচাৰক গ'ল কলৈ?

উকিল : অকনমান ৰব। খবৰ কৰো।
(গুচি গ'ল।)

ৰান্ধনি : বিচাৰক কীৰ্ত্তিচন্দ্ৰ নহৈ অন্য কোনোবা হোৱা হলে চুবাদাৰণীয়ে ইমান সময়ত তোৰ চকু দুটা কাঢ়ি নিলেহেতেন। কেনেকৈ ট ট কৈ তোৰ ফালে চাই আছে - দেখা নাই?
(কীৰ্ত্তিচন্দ্ৰৰ কান্ধত ভৰ দি হাবিলদাৰ আহিল। পিছত দুজন চিপাহীয়ে ভগীৰথক বান্ধি লৈ আহিছে।)

হাবিলদাৰ : পলাইছিলি, হু? পলাইছিলি? চালা। চোৰৰ বাচ্ছা।
(কীৰ্ত্তিচন্দ্ৰ ঠেলা মাৰি ইহঁতৰ এজনৰ ওচৰলৈ আৰু সেইজনে আন এজনৰ ওচৰলৈ পঠালে, যেন সিহঁতৰ ভিতৰত হেতা ওপৰা লাগিছে।)
বিচাৰ। বিচাৰ কৰিবি? চালা - এতিয়া কৰ বিচাৰ। বিচাৰক ওলাইছ?

চুবাদাৰণী : (হাত তালি মাৰি) মানুহটোক পূৰ্ব্বৰ পৰাই মোৰ কিবা লাগি আছিল।
(কীৰ্ত্তিচন্দ্ৰ পৰি যায়। দুজন চিপাহীয়ে তেওঁক দুয়োখন হাতত ধৰি টানি উঠায়।)

কীৰ্ত্তিচন্দ্ৰ : মই - মই একো দেখা নাই - তেজখিনি মচিবলৈ দে।

হাবিলদাৰ : আৰু দেখিবলৈ কি বাকী আছে - চালা - কুকুৰৰ পোৱালি?
(মুখত এটা ঘোচা মাৰ, কীৰ্ত্তিচন্দ্ৰ পৰি যায়।)

কীৰ্ত্তিচন্দ্ৰ : বাকী আছে, নিশ্চয় আছে। কুকুৰৰ পৃথিৱীখন কেনে চলিছে - তাক চাবলৈ এতিয়াও বাকী আছে। পৃথিৱীখনৰ অকটা গোন্ধ নাকত লাগিছে। গোন্ধত নাক কোঁচ খাই গৈছে। কুকুৰৰ ভিতৰতে কামোৰা কামুৰি আৰম্ভ হৈছেই। চালা - কুকুৰৰ পোৱালিহঁত।
(কৈ কৈ কোনোমতে কীৰ্ত্তিচন্দ্ৰ উঠি থিয় হয়। চিপাহীবোৰে

ইমান সময় স্তম্ভিত হৈ শুনিছিল।)

হাবিলদাৰ ঃ দে - চালাক ওলোমাই দে।

(তাৰ ঘোচাত চিটিকি পৰিল কীৰ্ত্তিচন্দ্ৰ। চিপাহীয়ে ৰচিৰ ফাঁচ লগাই দিলে কীৰ্ত্তিচন্দ্ৰৰ ডিঙিত।)

চিপাহীসকল ঃ আহ, আহ - লৈ আহ ৰচি। দে চালাক ওলোমাই। চালা, ই আকৌ বিচাৰ কৰিব?

(ৰাজ বিষয়া সকল আহিল। লগত ৰাজ সৈন্যৰ এজন বিশেষ কৰ্ত্তব্যৰত ৰজাঘৰীয়া হাবিলদাৰো আহিছে।)

ৰাজ বিষয়া ঃ এইবোৰ কি হৈছে ইয়াত?

ৰাজ হাবিলদাৰ ঃ খবৰদাৰ।

ৰাজ বিষয়া ঃ সকলোৱে মনোযোগেৰে শুনক। মই ৰাজধানীৰ পৰা আহিছো মহাৰাজৰ হুকুম নামা লৈ। নতুন নিয়োগ পত্ৰ। এয়া মহাৰাজৰ চীল মোহৰ।

ৰাজ হাবিলদাৰ ঃ খবৰদাৰ।

(সকলো হতভম্ব)

ৰাজ বিষয়া ঃ (দলিল পঢ়ি) মহাৰাজৰ মহামূল্য জীৱন যি ব্যক্তিয়ে ৰক্ষা কৰিছিল, এই হুকুমনামাত তেওঁক ৰত্নপুৰ চুবাৰ বিচাৰপতি পদত নিযুক্ত কৰা হল। উক্ত ব্যক্তিৰ নাম - কীৰ্ত্তিচন্দ্ৰ নিয়ম কৰা বৰা। ক'ত, তেওঁ ইয়াত উপস্থিত আছেনে নাই?

ভগীৰথ ঃ আছে হুজুৰ। ইয়াত -

(কীৰ্ত্তিচন্দ্ৰৰ মূৰ্চ্ছিত দেহ দেখুৱাই দিলে।)

ৰাজ বিষয়া ঃ (আচৰিত হৈ) ই কি?

ৰাজ হাবিলদাৰ ঃ (গৰ্জ্জি উঠি) এইবোৰ কি চলিছে ইয়াত? ৰজা নাইকিয়া বুলি ভাবিছনে কি তহঁতে? ইমান অমানুষিক অত্যাচাৰ কৰিবলৈ সাহ পালি ক'ৰ পৰা? তহঁত সকলোকে এটা এটাকৈ হাত ভৰি বান্ধি চোচোৰাই লৈ গৈ ৰজাৰ আগত হাজিৰ কৰাম -

(ৰাজ-হাবিলদাৰে ততাতৈয়াকৈ কীৰ্ত্তিচন্দ্ৰৰ ডিঙিৰ পৰা

ৰচিডাল খুলি তেওঁক তুলিলে। দুজন চিপাহীয়ে বিচাৰকৰ পোছাক আনি পিন্ধাই দিলে।)

হাবিলদাৰ : হুজুৰ, বিনীত নিবেদন। বিচাৰক কীৰ্ত্তিচন্দ্ৰ আগেয়েও বিচাৰক আছিল। স্থানীয় তিনিজন মহাজনৰ অভিযোগ - কীৰ্ত্তিচন্দ্ৰ মহাৰাজৰ পৰম শত্ৰু। সেয়ে তেওঁক -

ৰাজ বিষয়া : সিহঁত কোন? কি নাম সিহঁতৰ?

হাবিলদাৰ : হুজুৰ জগৰু, গেঠেলা আৰু গোবৰ্দ্ধন মহাজন।

ৰাজ বিষয়া : কি চাই আছ? ভৰাই দে সিহঁতক।

ৰাজ হাবিলদাৰ : তুৰন্তে।

হাবিলদাৰ : ফাটেক - তুৰন্তে।

(দুজন চিপাহী দৌৰিল। হাবিলদাৰে আথে বেথে কীৰ্ত্তিচন্দ্ৰক চকীত বহুৱালে।)

ৰাজ বিষয়া : বিচাৰক কীৰ্ত্তিচন্দ্ৰৰ গাত কোনেও হাত লগাব নোৱাৰিব। যদি কোনোবাই অপচেষ্টা কৰে তেনেহলে সেই অপৰাধীক কঠোৰ শাস্তি বিহা হব।

(ৰাজ বিষয়া আৰু ৰাজ হাবিলদাৰ গুচি গ'ল।)

বিষয়া : (চুবাদাৰনীক) সৰ্ব্বনাশ হ'ল। আমাৰ উকিল গ'ল কলৈ? উকিলৰ ছাঁ টোকে দেখিবলৈ নাই।

ৰান্ধনি : (হেমীক) হাত চাপৰি মাৰি হাঁহিছিলি? কীৰ্ত্তিচন্দ্ৰই যদি সেই দৃশ্য দেখিছে, তেন্তে তাতকৈ ভাল কথা আৰু কি আছে? (কীৰ্ত্তিচন্দ্ৰ উঠি হাবিলদাৰৰ ফালে গ'ল। হাবিলদাৰে ধৰণি কঁপাই চালাম থুকিলে।)

হাবিলদাৰ : কি হুকুম হুজুৰ?

কীৰ্ত্তিচন্দ্ৰ : একো নাই চোঁৰৰ বাচ্ছা, কুকুৰৰ পোৱালি। তহঁতৰ এই কুকুৰৰ পোৱালিটোক মাজে সময়ে জোতাৰে উত্তম মধ্যম দি থাকিবি - বছ। ভগীৰথ কাকতি - তোমাক মাফ কৰা হ'ল - খালাচ। (হাবিলদাৰ দৌৰি গ'ল ভগীৰথৰ বান্ধ খুলি দিবলৈ)

যোৱা শিষ্য, এক পাত্ৰ 'দাৰু' লৈ আহা।
(ভগীৰথ ভিতৰলৈ গ'ল।)
(হাবিলদাৰক) আৰু ভাই - সোনকালে বিদায় লোৱা, এটা মামলাৰ বিচাৰ কৰিব লাগে।
(হাবিলদাৰ গুচি গ'ল। ভগীৰথে মদ আনি দিলে। উকিল ফিৰি আহিছে।) আইনৰ শকত পুথি খন পাৰি দিয়া, বহো।
(ভগীৰথে চকীৰ তলৰ পৰা কিতাপ খন আনি চকীত মেলি দিলে। কীৰ্ত্তিচন্দ্ৰই মদ্য পান কৰি উঠি বহিল। এহাল অতি বৃদ্ধ দম্পতি আহি বহিছে।)
এটা বিশেষ ঘোষণা - মই বিচাৰপতি হিচাপে আসন গ্ৰহণ কৰিছো।

ৰান্ধনি : (হেমীক) সৰ্ব্বনাশ।
(উকিলৰ ইঙ্গিতত বিষয়াই কীৰ্ত্তিচন্দ্ৰৰ হাতত টকা গুজি গ'ল।)

কীৰ্ত্তিচন্দ্ৰ : আদালতৰ কাম আৰম্ভ হওক।

উকিল : গোচৰটো খুব সাধাৰণ হুজুৰ। আচামীয়ে এখেতৰ লৰাটো লৈ পলাইছিল। এতিয়া মাকৰ হাতত গতাই দিবলৈ অস্বীকাৰ কৰিছে।

কীৰ্ত্তিচন্দ্ৰ : (হেমীক দেখি) বাঃ বেছ দেখনিয়াৰ গাভৰু। মই আচল সঁচা কাহিনীটো শুনিবলৈ বিচাৰো। বিশেষকৈ (হেমীক) তোমাৰ পৰা?

উকিল : মাননীয় বিচাৰপতি। তেজৰ সম্পৰ্কই পৃথিবীৰ ভিতৰত আটাইতকৈ ডাঙৰ সম্পৰ্ক। শাস্ত্ৰত কৈছে -

কীৰ্ত্তিচন্দ্ৰ : আদালতে জানিবলৈ বিচাৰে - উকিল মহোদয়ৰ মাচুল কিমান?

উকিল : হুজুৰ?

কীৰ্ত্তিচন্দ্ৰ : মাচুল - দক্ষিনা - অৰ্থাৎ মোকৰ্দ্দমাৰ পাৰিশ্ৰমিক।

উকিল : হেৰি - পাঁচশ টকা।

কীৰ্ত্তিচন্দ্ৰ : ঠিক আছে, ঠিক আছে। প্ৰশ্নটো কৰিলো কাৰণ উকিলৰ মাননিৰ পৰিমাণ জানি লৈ মই গোচৰটোত কিমান মনোনিৱেশ কৰিম সেইটো ঠিক কৰো। সি যি কি নহওক আপোনাৰ মাননি ভালেই।

উকিল : ধন্যবাদ ধৰ্ম্মঅৱতাৰ। কি কৈছিলো - তেজৰ সম্পৰ্ক। আটাইতকৈ গভীৰ - আটাইতকৈ পবিত্ৰ। তেজৰ সম্পৰ্ক হ'ল - মাক আৰু তেওঁৰ সন্তানৰ সম্পৰ্ক। মাননীয় বিচাৰ পতি, এখেতে দহ মাহ দহ দিন সন্তানক গৰ্ভত ধাৰণ কৰিছে, অসহ্য কষ্টত জন্ম দিছে, নিজৰ স্তনপান কৰাই পুষ্ট কৰিছে। এই পবিত্ৰ ঘনিষ্ট তেজৰ সম্পৰ্ক কোনেও নষ্ট কৰি দিব নোৱাৰে।
মাকৰ কোলাৰ পৰা সন্তানক কোনেও কাঢ়ি নিব নোৱাৰে। আনকি বনৰ বাঘিনী, তায়ো সন্তানহাৰা হলে উন্মাদিনী হৈ উঠে-

কীৰ্ত্তিচন্দ্ৰ : (হেমীক) এওঁ যি যি কৈছে আৰু যি যি কব পাৰে, তাৰ উত্তৰত তোমাৰ কি কব লগীয়া আছে?

হেমী : ল'ৰাটো মোৰ।

কীৰ্ত্তিচন্দ্ৰ : বছ। প্ৰমান কি দিবা? উপযুক্ত প্ৰমান নেপালে কিয় মই তোমাক লৰাটো গতাই দিম?

হেমী : ধৰ্ম্মাৱতাৰ, মোৰ সাধ্য অনুসৰি তাক মই ডাঙৰ দীঘল কৰিছো। প্ৰায় প্ৰতি দিনেই, কিবা নহয় কিবা এটা ভাল বস্তু মই নিজে নাখায়ো তাক খুৱাইছো। থাকিবৰ বাবে তাৰ এটুকুৰা থকা ঠাই যোগাৰ কৰিছো। আৰু - আৰু বহুতো ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিছো তাৰ কাৰণে। নিজৰ সুখৰ কথা মই কাহানিও ভবা নাই। তাক সকলোৰে লগত মিলামিছা কৰিবলৈ শিকাইছো, ভাল পাবলৈ শিকাইছো। আৰু বহুতো কাম শিকাইছো। মানে - যিমান খিনি পাৰো - খুব সৰুতো এতিয়াও।

উকিল : মাননীয় বিচাৰপতি, লক্ষ্য কৰক - আচামীয়ে কোনো তেজৰ সম্পৰ্ক দাবী কৰা নাই -। আৰু দাবী কৰাৰ অধিকাৰো নাই।

কীৰ্ত্তিচন্দ্ৰ : আদালতে সেইটো অনুধাৱন কৰিছে।

উকিল : ধন্যবাদ। এই ফালে চাওক - অভাগিনী মাতৃ, স্বামীহাৰা, সন্তানহাৰা হোৱাৰ ভয়ত ভীত - এওৰ কথা অকণমান শুনক।

চুবাদাৰনী : (হুক হুকাই কান্দি) মাননীয় বিচাৰপতি, মোৰ দুৰ্ভাগ্যই কুলাই পাচিয়ে নধৰা হৈছে। যোৱা বছৰত কিমান বিনিদ্ৰ ৰাতি -

বিষয়া : (হঠাৎ উত্তেজিত হৈ) ধৰ্ম্মাৱতাৰ, এই গৰাকী মহিলাৰ প্ৰতি অত্যন্ত অবিচাৰ কৰা হৈছে। এওক স্বামীৰ প্ৰাসাদ দখল কৰিবলৈ দিয়া হোৱা নাই কাৰণ হৈছে সম্পত্তি আছে ল'ৰাৰ নামত। ল'ৰাটোক ঘূৰাই নেপালে উকিলৰ ওকালতিৰ মাচুল পৰ্য্যন্ত এও দিব -

উকিল : (তেওঁক ঠেলি আতৰাই) আঃ এইবোৰ কথা ইয়াত এতিয়া উলিয়াইছে কিয়? মাননীয় বিচাৰপতি! এইটো কথা অৱশ্যে ঠিক যে সন্তানক ঘূৰাই পালে সম্পত্তিৰ মালিকানাৰো নিষ্পত্তি হ'ব, কিন্তু সেইটোৱেই আচল কথা নহয়। আচল কথা হ'ল মানৱতাৰ। আচল প্ৰশ্ন - মাতৃহাৰা সন্তান আৰু সন্তানহাৰা মাতৃৰ দুঃসহ বেদনা। ভানুপ্ৰতাপ সম্পত্তিৰ উত্তৰাধিকাৰী নহলে এই গভীৰ মানৱিক প্ৰশ্ন বৈয়ে যাব। এতেকে মাননীয় -

কীৰ্ত্তিচন্দ্ৰ : ৰওক। সম্পত্তিৰ উল্লেখে আদালতৰ মৰ্ম্ম স্পৰ্শ কৰিছে। এইটো মানৱিক অনুভূতিৰ প্ৰমান।

উকিল : ধন্যবাদ ধৰ্ম্মাৱতাৰ। মই প্ৰমান কৰিব পাৰো - যি জনী ছোৱালীয়ে ল'ৰাটো লৈ পলাই গৈছিল, তাই তাৰ আচল মাক নহয়। যদি অনুমতি দিলে তথ্য সমুহ আদালতত পেছ কৰো। দুবছৰৰ আগেয়ে, এক দুৰ্যোৰ মুহূৰ্ত্তত, প্ৰয়াত চুবাদাৰৰ ধৰ্ম্ম পত্নীয়ে যেতিয়া প্ৰাসাদ এৰি গুচি যাব লগা হৈছিল, তেতিয়া দুৰ্ভাগ্যবশতঃ, ভুল ক্ৰমে তেওঁৰ শিশু সন্তানটিক এৰি থৈ যায়। তাৰ পিছত তাক এই ছোৱালী জনীৰ জিম্মাত দেখা পোৱা গৈছে।

ৰান্ধনি : (জপিয়াই উঠি) হজুৰণী তেতিয়া কোন সাজ পাটৰ কাপোৰ

লগত নিব, কোন সাজ থৈ যাব - সেইবোৰ চোৰা চিতা কৰাতেই ব্যস্ত আছিল।

উকিল : (বাধা দি) দুবছৰৰ মূৰত তাক পোৱা গ'ল - উত্তৰৰ পাহাৰৰ এখন গাঁৱত। সেই ঠাইত তাই বিয়া কৰাইছে স্থানীয় এক -

কীৰ্ত্তিচন্দ্ৰ : (হেমীক) উত্তৰৰ পাহাৰলৈ কেনেকৈ গ'লা?

হেমী : খোজকাঢ়ি ধৰ্ম্মাৱতাৰ ঈশ্বৰ।

পুতুল : (হঠাৎ) ধৰ্ম্মাৱতাৰ - ময়েই সেই লৰাটোৰ বাপেক।

ৰান্ধনি : (লগে লগে) হয়, ধৰ্ম্মাৱতাৰ ঈশ্বৰ, তেওঁ মোক লৰাটোক দেখা শুনা কৰিবলৈ কৈছিল, তাৰ বাবদ মাহিলি পাঁচ টকাকৈ দিয়াৰ বন্দবস্ত।

কীৰ্ত্তিচন্দ্ৰ : (হেমীক) উত্তৰৰ পাহাৰত এওঁৰ লগত তোমাৰ বিয়া হৈছিল?

পুতুল : নহয় - ধৰ্ম্মাৱতাৰ, তেওঁৰ বিয়া হৈছিল সেই গাঁৱৰ এজন খেতিয়কৰ লগত।

কীৰ্ত্তিচন্দ্ৰ : (হেমীক) কিয়? এওক তুমি অপছন্দ কৰিলা কিয়? সঁচা কথা কবা।

হেমী : মই বিয়া কৰাইছিলো - ভানুক এক আশ্ৰয় দিবৰ বাবে। তেওঁ তেতিয়া যুদ্ধলৈ গৈছিল।

কীৰ্ত্তিচন্দ্ৰ : এতিয়া উভতি আহি তোমাক বিচাৰিছে?

পুতুল : মই কব খুজিছো -

হেমী : মোৰ এতিয়া হাত ভৰি বন্ধা।

কীৰ্ত্তিচন্দ্ৰ : কেঁচুৱাটো তেনেহলে কাৰ, ই জহৰা নে কি? যদি নহয় - কোনো ভিক্ষাৰীৰ নে কোনোবা ডা-ডাঙৰীয়াৰ?

হেমী : (খঙত) কেঁচুৱাটো - কেঁচুৱাই।

কীৰ্ত্তিচন্দ্ৰ : হব। মই জানিব খুজিছো - কেঁচুৱাৰ মুখ চকু, নাক কাণ অৰ্থাৎ চেহেৰা পাতি কেনে?

হেমী : তাৰ নাকটো সুন্দৰ ধৰ্ম্মাৱতাৰ।

কীৰ্ত্তিচন্দ্ৰ : খুব ভাল উত্তৰ। ময়ো বিচাৰ পতিৰ আসন অলংকৃত কৰাৰ

আগেয়ে মাজে মাজে মোৰ সুন্দৰ নাকটোৰ স্পৰ্শই গোলাপফুলো শুকুৱাই পেলাই বুলি এক জনশ্ৰুতি আছে। যাবলৈ দিয়ক - এইবাৰ সংক্ষেপ কৰা যাওক। আৰু মিছা কথা শুনি লাভ নাই, (হেমীক) বিশেষকৈ তোমাৰ মুখৰ পৰা। তোমালোক সকলোকে মই ভালদৰে চিনি পাওঁ - সকলো জুৱা চোৰৰ দল।

হেমী : (ধৈৰ্য্য হেৰুৱাই) আপোনাৰ বিচাৰ কি হব মোৰ জনা আছে। আপুনি হাত পাতি কিবা এটা বস্তু গ্ৰহণ কৰা মোৰ চকুত পৰিছে।

কীৰ্ত্তিচন্দ্ৰ : খবৰদাৰ। তেনে কথা উচ্চাৰণ নকৰিবা। তোমাৰ ফালৰ পৰা মই কিবা গ্ৰহণ কৰিছো? মোক কিবা ঘোঁচ দিছা?

হেমী : দিবলৈ মোৰ একো নাই প্ৰভু।

কীৰ্ত্তিচন্দ্ৰ : যদি নাই - মনে মনে থাকা। হৈ চৈ নকৰিবা। যাৰ একো নাই, তাৰ পৰা মই একো গ্ৰহণ নকৰো। তোমাক বিচাৰ লাগে, তাৰ বাবে তুমি কোনো দিনা কিবা দিছা? বস্তু কিনিবলৈ বজাৰলৈ গলে তাত পইচা দিব নালাগিব জানো? আৰু আদালতলৈ আহিছা, যেন শ্ৰাদ্ধৰ নিমন্ত্ৰণ খাবলৈহে আহিছা। দিবলৈ একো নাই। ধেৎ।

পুতুল : (হঠাৎ উচ্চ কণ্ঠে) বুঢ়া লোকে কয় - ৰাওতে চিনিব পাৰি শিয়াল পখৰা বুলি।

কীৰ্ত্তিচন্দ্ৰ : কথাতে কয় - নাই মোমাইতকৈ কনা মোমায়েই ভাল।

পুতুল : ৰজাই প্ৰজাক কৈছে - তইঁত মোৰ লৰাৰ নিচিনা, তেনেকৈ কৈ 'ৰাজপুত্ৰ'ৰ শিৰচ্ছেদ কৰিছে।

কীৰ্ত্তিচন্দ্ৰ : মুৰ্খৰ আটাইতকৈ ডাঙৰ শত্ৰু হৈছে সি নিজে।

পুতুল : সি যি কি নহওক - কাৰোবাৰ কপালত ৰাজভোগ, - কাৰোবাৰ পোকৰত গৰম হুল।

কীৰ্ত্তিচন্দ্ৰ : আদালতত অশ্লীল শব্দ প্ৰয়োগৰ বাবে তোমাক দহ টকা জৰিমনা কৰা হ'ল। এবাৰ বুজি লোৱা বিচাৰ কাক কয়, বিচাৰ বোলা বস্তুটো কি? আৰু বিচাৰক? ভালত ভাল, বেয়াত জম

কাল - বুজিলা?

(বিজয়ী বীৰৰ দৰে বুকু ফিন্দাই বহিল কীৰ্ত্তিচন্দ্ৰ)

হেমী : বিচাৰকৰ ৰায়। আমি সেই লিখা পঢ়া জনা উকিলৰ দৰে মিছাক সঁচা বুলি সজাই পৰাই কথা কব নোৱাৰো কাৰণে -

কীৰ্ত্তিচন্দ্ৰ : ঠিক কথা, তোমালোক বৰ বুৰ্ব্বক। তোমালোকৰ মূৰত টাঙোনৰ কোব পৰাই উচিত।

হেমী : লৰাটো তেওঁলোকক দিব - কাপোৰত শৌচ প্ৰসাব কৰিলে সেইবোৰ বদলাব পাৰিব? আপুনি যি কণ বিচাৰ বিদ্যাৰ অধিকাৰী - ঈশ্বৰৰ কৃপাত সেই কণ আমাৰো আছে বুজিছে?

কীৰ্ত্তিচন্দ্ৰ : লাখৰ ভিতৰত এটা ভাল কথা কৈছা। এই বিদ্যাটো মোৰ একেবাৰেই নাই - যেনেকৈ মোৰ টকা পইচাও নহল। এই বিচাৰপতিৰ পোছাকৰ তলত দেখিবা - ফটাচিটা কাপোৰ কানি। যিমান পাও সকলো খাওঁতে আৰু দাৰুত উৰি যায়, সাজ পোছাক লবলৈ হাতত একো নেথাকেই। ভাল কথা, আদালতক অৱমাননা কৰাৰ বাবে তোমাৰো জৰিমনা হ'ল দহ টকা। আৰু তুমি এজনী অতি মুৰ্খ গাভৰু ছোৱালী। ক'তা ইমান চলাহি মৰা কথাকৈ মোৰ মন ভুলাব নোৱাৰিলা দেখোন? তুমি কোৱাবোৰ আবোল তাবোল কথা বুলি একেবাৰেই উৰুৱাই দিছো। মূৰ্খামিৰ বাবে জৰিমনা আৰু দহ টকা - এতিয়া মুঠতে কুৰি টকা হ'ল।

(হেমীয়ে খঙত হিতাহিত জ্ঞান হেৰুৱাই পেলাইছে। ৰান্ধনি আৰু পুতুলে তাইৰ খং থমাব পৰা নাই।)

হেমী : একুৰি দহ টকা জৰিমনা হলেও কম। বিচাৰ কৰিবলৈ আহিছে - মাতাল, লম্পট এটা কৰবাৰ। লাজ নেলাগে? সিহঁতৰ ঘৰবাৰী, টকা কড়ি, সা-সম্পত্তি সুৰক্ষাৰ বাবে পহৰাদাৰৰ দৰে কাম কৰি কৰি মৰিছা তুমি। ডাঙৰ মানুহৰ পহৰাদাৰী। কুকুৰ তুমি - হাত ভৰি বন্ধা চাকৰ। তোমালোকৰ দৰে এনে

বিচাৰক গাদীত আছে কাৰণেই বুকুৰ ধন পুতেকহঁতক ধৰি যুদ্ধলৈ পঠাই দিয়া হৈছে মৰণ বুকু পাতি লবলৈ। জানো, জানো - তুমি মোৰ লৰাক কাঢ়ি নি তাইক দি দিবা, কিন্তু তথাপি মই কম - এই বিচাৰকৰ গাদীত যি বহে, সিহঁত সকলো চোৰ, জুৱাচোৰ, গুণ্ডাৰ চৰ্দ্দাৰ, লুৎসা, দগাবাজ। তোমাৰ নিচিনা বিচাৰকক মই লাঠি মাৰো - অই। অই। অই।

(মাটিত তিনিটা গোৰ মাৰিলে। কীৰ্ত্তিচন্দ্ৰই তাইক প্ৰকৃতিস্থ কৰিবলৈ নিৰ্দ্দেশ দিছে, কিন্তু আচলতে পৰম আনন্দত হাত সঞ্চালন কৰি তাল দিছে হেমীৰ গালি শপনিৰ লগত, কাৰণ বিচাৰকৰ ভূমিকা সম্পৰ্কে হেমীৰ লগত তেওঁ সম্পূৰ্ণ এক মত।)

কীৰ্ত্তিচন্দ্ৰ : নাই - তিৰিশ টকাতেই হৈ গল। আৰু দৰাদৰি নকৰো, মাছৰ বজাৰতো নহয় এইখন। মোৰ বিচাৰকৰ মৰ্যাদা ৰাখিব লাগিবতো। সি যি কি নহওক, তোমালোকৰ গোচৰটো মোৰ আৰু ভাল লগা নাই। হেৰা চৰকাৰী উকিল।

ভগীৰথ : হুজুৰ?

কীৰ্ত্তিচন্দ্ৰ : সেইযে স্বামী স্ত্ৰী হালে বিবাহ বিচ্ছেদ বিছাৰিছে, তেওঁলোকক মাতা। তোমালোকৰ গোচৰটো সদ্যহতে স্থগিত ৰল।

উকিল : (চুবাদাৰণীক) নিশ্চিন্ত হব পাৰে, মোকৰ্দ্দমাত জয় আমাৰেই।

ৰান্ধনি : (হেমীক) সকলো মাটি কৰি দিলি বেঙীজনী ক'ৰবাৰ। এতিয়া লৰাটোক কোনে দিব?

চুবাদাৰণী : উঃ মূৰটো বৰকৈ ঘূৰাইছে।

(ইতিমধ্যে) ভগীৰথৰ নিৰ্দ্দেশত বৃদ্ধ আৰু বৃদ্ধা আগুৱাই আহিল।)

কীৰ্ত্তিচন্দ্ৰ : হেৰী - মই আপোনালোকৰ মামলা গ্ৰহণ কৰিছো।

(তেওঁলোকে একোৱেই বুজি নাপালে।)

বৃদ্ধ-বৃদ্ধা : কি ক'লে?

কীৰ্ত্তিচন্দ্ৰ : আবেদনত পাইছো - আপোনালোকে সচাকৈয়ে বিবাহ বিচ্ছেদ

বিচাৰিছে?

(তেওঁলোকে মূৰ দুপিয়ালে।)

কিমান দিন একে লগে ঘৰ সংসাৰ কৰিলে?

বৃদ্ধা : পঞ্চাশ বছৰ প্ৰভু।

কীৰ্ত্তিচন্দ্ৰ : তেনেহলে বিবাহ বিচ্ছেদ বিচাৰিছে কিয়?

বৃদ্ধ : আমাৰ মাজত পাৰস্পৰিক বুজা বুজিৰ অভাব প্ৰভু।

কীৰ্ত্তিচন্দ্ৰ : কেতিয়াৰ পৰা বুজা বুজি নাই?

বৃদ্ধ-বৃদ্ধা : সেই ফুলশয্যাৰ ৰাতিৰ পৰাই।

কীৰ্ত্তিচন্দ্ৰ : (আচৰিত হৈ) ই কেনেকৈ সম্ভৱ? দেখিছো - এক গম্ভীৰ মামলা। ভাবি চিন্তি বিচাৰ কৰিব লাগিব। ইয়াতে বহক হেৰা ভগীৰথ, শীঘ্ৰে কেঁচুৰাটো লৈ আহা।

(দুজন চিপাহী অলপ আগেয়ে আহি ৰৈছিলহি। সিহঁত ভিতৰলৈ গল।)

(হেমীক) মই যি ধাৰণা কৰিছো - বিচাৰ সম্বন্ধে তোমাৰ বেচ এক উচ্চ ধাৰণা আছে। সেই লৰাটো তোমাৰ বুলি বিশ্বাস হোৱা নাই। কিন্তু তোমাৰ যদি হয়ো, তুমি জানো এইটো নিবিচাৰা যে সি ৰজাৰ তত্ত্বাৱধানত থাওক? তোমাৰ লৰা নহয় বুলি কৈ দিয়া - সি ৰাজ প্ৰাসাদত থাকিব। ঘোঁৰাশালত অনেক ঘোৰা থাকিব, দৰবাৰত বহুতো ডা-ডাঙৰীয়া, দুৰ্গত অনেক চিপাহী, দুৱাৰত অসংখ্য ভিক্ষাৰী। কোৱা, সেইবোৰ তুমি নিবিচাৰা?

(হেমী আৰু কীৰ্ত্তিচন্দ্ৰৰ বাহিৰে সকলো লাহে লাহে ওপৰলৈ মুখ কৰি শুই পৰিল। তেওঁলোক আটায়েই এতিয়া ওজা আৰু পালি। তেওঁলোকৰ এজনৰ কণ্ঠস্বৰ প্ৰথমে, পিছত বাকী সকলে পুনৰাবৃত্তি কৰিছে-প্ৰতিটো পংক্তি। হেমীৰ মুখত কেৱল অভিব্যক্তি। কীৰ্ত্তিচন্দ্ৰৰ চকু হেমীৰ ফালে।)

ওজা : শুনক, এই ছোৱালীজনীয়ে যি ভাবিলে, কিন্তু মুখ ...

একোকে নকলে - সেয়া শুনক।
ভাবিলে, লৰাটোয়ে যদি সোণৰ জোতা পিন্ধে,
তেন্তে সি হ'ব হিংস্ৰ জন্তুৰ দৰে নিষ্ঠুৰ,
তাৰ মন হ'ব ক'লা।
মোৰ মুখৰ আগতেই হাঁহিব সি।
তাৰ যিমান ক্ষমতা হ'ব, হৃদয় হ'ব সিমান পাহাৰৰ দৰে কঠিন।
তাতকৈ ক্ষুধা তাৰ শত্ৰু হওঁক, ক্ষুধাৰ্ত মানুহ হওঁক তাৰ বন্ধু।
আন্ধাৰ ৰাতিলৈ সি ভয় কৰক,
কিন্তু বিচাৰি ফুৰক দিনৰ পোহৰ।

কীৰ্ত্তিচন্দ্ৰ : (অলপ ৰৈ) ভাব হৈছে - তুমি যি কব খুজিছা, সেইটো যেন মই বুজিছো।

(লাহে লাহে সকলো উঠি যাৰ যি চৰিত্ৰ তালৈ উভতি গ'ল।)

হেমী : তাক মই নেৰো। মই তাক ডাঙৰ কৰিছো, সি কেৱল মোকেই জানে। আন কাকো নেজানে।

(চিপাহীয়ে ভানুপ্ৰতাপক লৈ আহি উপস্থিত হৈছে।)

চুবাদাৰণী : ইছ, ফটা চিটা কাপোৰ ! দেখিলেই দুখ লাগি যায়।

হেমী : কেনৈ হব? ভাল চোলাটো পিন্ধাবলৈ এওলোকে সময়েই নিদিলে দেখোন -।

চুবাদাৰণী : গাহৰিৰ গৰালত ৰাখিছিল তাক।

হেমী : (খঙত) গাহৰি কোন সেইটো বুজিয়েই পোৱা গৈছে। তাক ক'ত পেলাই গৈছিল আপুনি?

চুবাদাৰণী : (গৰ্জ্জি) কি, ইমান স্পৰ্দ্ধা তোৰ? নীচ, হাৰামজাদী, লৰা চুৰুণী, বজৰুৱা মাইকী। তোৰ নিচিনা মাইকীক চাবুকেৰে কোবাব লাগে।

(উকিল আৰু বিষয়াই চুবাদাৰণীক টানি আতৰাই নিলে। ৰান্ধনিয়ে হেমীক চম্ভালিলে।)

বিষয়া : আপুনি কথা দিছিল -

উকিল : ধৰ্ম্মাৱতাৰ, মোৰ মক্কেলৰ মানসিক অৱস্থাৰ কথা বিবেচনা কৰি -

কীৰ্ত্তিচন্দ্ৰ : ফৰিয়াদী আৰু আচামী। আদালতে আপোনালোকৰ বক্তব্য শুনিছে। শুনি কোনো সিদ্ধান্তত উপনীত হ'ব পৰা নাই। আনহাতে বিচাৰক হিচাপে ময়েই লৰাটোৰ বাবে এজনী মাক নিৰ্ব্বাচন কৰি দিব লাগিব। চৰকাৰী উকিল, এটুকুৰা চক মাটি লৈ আহা। ইয়াত মজিয়াৰ ওপৰত এটা ঘূৰণীয়া এপকীয়া মেৰ অংকন কৰা।
(ভগীৰথে বিচাৰকৰ নিৰ্দ্দেশমতে চক মাটিৰে এটা ঘূৰণীয়া এপকীয়া মেৰ আঁকিলে।)
এতিয়া লৰাটোক আনি এই মেৰৰ মাজভাগত থিয় কৰোৱা। আপোনালোক আহক, দুফালে থিয় হওক, মেৰৰ বাহিৰত। (চুবাদাৰণীক) আপুনি এইখন হাত ধৰক, (হেমীক) তুমি সিখন হাতত ধৰা।
(এওঁলোকক লৰাটো ধৰিবলৈ দি চিপাহী সকল আতৰি গ'ল।)
এতিয়া লৰাটো টানি যি মেৰৰ পৰা বাহিৰ কৰি লৈ আহিব পাৰিব, তেঁৱেই প্ৰকৃত মা নিৰ্দ্ধাৰিত হ'ব।

বিষয়া : ধৰ্ম্মৱতাৰ, আপত্তি। শিশুটোৰ লগত জড়িত গুৰুত্বপূৰ্ণ বিষয়াবোৰ বিবেচনা কৰি এই বুলি আপত্তি দৰ্শাব পাৰি যে প্ৰয়াত তুলাৰাম ঠেঙাল চুবাদাৰৰ বিশাল সম্পত্তিৰ উত্তৰাধিকাৰীক এই ধৰণৰ উদ্ভট পৰীক্ষাৰ দ্বাৰা বিচাৰ কৰা ঠিক নহ'ব।

উকিল : ইয়াৰ বাহিৰেও মোৰ মক্কেলৰ গাত জোৰ কম, তেওঁ সেই বনকৰা ছোৱালী জনীৰ দৰে শাৰীৰিক পৰিশ্ৰমত অভ্যস্ত নহয়।

কীৰ্ত্তিচন্দ্ৰ : তেওঁকতো বেছ হৃষ্টপুষ্ট বুলি মোৰ ধাৰণা হৈছে। পাৰিব। ধৰক, টানক। (চুবাদাৰণীয়ে শিশুটোক টানি লৈ আহিল। হেমীয়ে ভেবা লাগি চাই থাকিল।)

হেমী : মই ধৰাই নাছিলো।

উকিল : মইতো কৈছিলোৱেই? তেজৰ সম্পৰ্ক। ধুলেও নাযায়। আতৰ কৰিব নোৱাৰে।

হেমী : ধৰ্ম্মাৱতাৰ, মই যি কৈছিলো সকলোবোৰ উঠাই লৈছো। ক্ষমা প্ৰাৰ্থনা কৰিছো, দয়া কৰি মোক ক্ষমা কৰক। তাক আৰু কিছুদিন মোৰ লগত থাকিবলৈ দিয়ক। সি বহুত কথা কব পৰা হৈছে আৰু কিছু নতুন কথা শিকাবলৈ বাকী আছে।

কীৰ্ত্তিচন্দ্ৰ : আদালতক ভুল পথে - পৰিচালিত কৰিবলৈ চেষ্টা নকৰিবা। মই বাজি ৰাখি কব পাৰো - তুমি নিজেই কেইটামান শব্দতকৈ বেছি নাজানা, তাক কি শিকাবা? সেইবোৰ বাদ দিয়া, নিশ্চিত সিদ্ধান্তত উপনীত হবৰ বাবে পৰীক্ষাটো আৰু এবাৰ কৰো। (চুবাদাৰণীৰ কবলৰ পৰা নি ভানু প্ৰতাপক পুনৰবাৰ মেৰৰ ভিতৰত থিয় কৰোৱা হ'ল।)
নিয়ক, ধৰক। এতিয়া টানক।
(এইবাৰো হেমীয়ে লৰাটোৰ হাতত ধৰি থাকোতেই থাকিল। নেটানিলে। চুবাদাৰণীয়ে টানি কেঁচুৱাটো লৈ গ'ল।)

হেমী : (আচ্ছন্নভাবে) মই তাক বহু ত্যাগ স্বীকাৰ কৰি ডাঙৰ কৰিছো। মই তাক নিৰ্দ্দয় ভাবে টনাটনি কৰি তাৰ হাতখন চিঙি ভাঙি পেলাব নোৱাৰো। (দৃঢ়ভাৱে) মই নোৱাৰো এবাৰ নহয়, দুবাৰ নহয় - এশবাৰ টানিবলৈ ক'লেও মই নোৱাৰো।

কীৰ্ত্তিচন্দ্ৰ : (চু বাদাৰণীৰ পৰা ভানু প্ৰতাপক আনি) আৰু এই বাৰৰ পৰীক্ষাত আদালতে কোন প্ৰকৃত মাক - সেইটো নিৰ্দ্ধাৰণ কৰিব পাৰিলে।
(চুবাদাৰণী উদ্ভাসিত বদনেৰে আগুৱাই আহিল, কিন্তু কীৰ্ত্তিচন্দ্ৰই ভানু প্ৰতাপক দিলে হেমীৰ কোলাত।)
লৰাটো লৈ গুচি যোৱা। মোৰ উপদেশ - এই চহৰত আৰু নেথাকিবা। আৰু আপোনালোকো ঘৰা-ঘৰি যাওক, নহলে মিছা সাক্ষ্যৰ অপৰাধত ভয়ঙ্কৰ জৰিমনা ভৰিব লাগিব। সম্পত্তিৰ

মালিকানা চৰকাৰে নিৰ্দ্ধাৰণ কৰিলে। তাৰ পৰা কমাৰ বস্তিৰ ভস্মীভূতঘৰ নিৰ্ম্মান কৰা হ'ব। আৰু লৰা-ছোৱালীহঁতৰ খেলাৰ উদ্যান তৈয়াৰ কৰা হ'ব। সেই উদ্যানখনৰ নাম হ'ব - কীৰ্ত্তিচন্দ্ৰ উদ্যান। (মুৰ্চ্ছিত প্ৰায় চুবাদাৰণীক লৈ উকিল আৰু বিষয়া ওলাই গল। চিপাহী সকলো গল। পুতুল আহিল হেমীৰ ওচৰলৈ। কীৰ্ত্তিচন্দ্ৰই বিচাৰকৰ সাজ খুলিলে।)

বৰ গৰম লাগিছে। এইবোৰ কাম মোৰ কাৰণে নহয়। এই কামে মোক নুশুয়ায়। ইছ্ - সেই বিবাহ বিচ্ছেদৰ মোকৰ্দ্দমাটো। ভগীৰথ কাকতি এখিলা কাগজ দিয়াছোন।

(চকীত কাগজখন থৈ কীৰ্ত্তিচন্দ্ৰই লিখিলে। তাৰ পিছত কাগজখন ভগীৰথক দিলে।)

বলা, এতিয়া অকণমান মদ্যপান কৰা যাওঁক।

ভগীৰথ : (কাগজ পঢ়ি) এয়া কি হ'ল। বুঢ়া-বুঢ়ীৰ কথাতো একোৱেই নাই। এইখনতো হেমী আৰু তাইৰ স্বামীৰ বিবাহ বিচ্ছেদৰ হুকুম নানা।

কীৰ্ত্তিচন্দ্ৰ : হয়নে কি? ভুলতে বেলেগ মানুহৰ নাম লিখি পেলাইছো। ছিঃ। ছিঃ। সেইটো এতিয়া কি কৰা যাব? আদালতৰ ৰায়তো বদলাব পৰা নাযায়। তেনেহলে আইন কেনেকৈ বাহাল থাকিল? (বৃদ্ধ-বৃদ্ধাক) ঠিক আছে, বলক, আপোনালোকেও আমাৰ লগত খোৱা বোৱা কৰিব বলক।

(বুঢ়া-বুঢ়ী, ভগীৰথ গল। ৰান্ধনিও আগবাঢ়িল। কীৰ্ত্তিচন্দ্ৰই যোৱাৰ পথত হেমী আৰু পুতুলক লগ পালে।)

তোমালোকৰ পৰা দহ আৰু ত্ৰিশ - মুঠতে চল্লিশ টকা এতিয়াও পাবলৈ আছে।

(পুতুলে হাঁহি মুখে টকা কেইটা দিলে।)

পুতুল : লওক হুজুৰ - কামটো পিছে সস্তাতেই হ'ল।

কীৰ্ত্তিচন্দ্ৰ : দিয়া - এই কেইটা মোৰ কামত লাগিব।

(টকা কেইটা লৈ কীৰ্ত্তিচন্দ্ৰ আগবাঢ়িল।)

পুতুল : কথাতে কয় - সকলো ভাল যাৰ - শেষ ভাল তাৰ।

কীৰ্ত্তিচন্দ্ৰ : (উভতি আহি) ডাক বুৰাই কৈছে - নাও উঠোতে বুৰে - নামোতে বুৰে। যাও দিয়া।

(প্ৰস্থান। হেমী আৰু পুতুল আগবাঢ়িল।)

হেমী : ভানুক তোমাৰ কেনে লাগিছে?

পুতুল : সেইটো ভাবি চিন্তি কব লাগিব - ভালেই।

(গুচি গল। অন্য ফালৰ পৰা ওজা আৰু পালি সকল সোমাইছে। সকলোৰেই ওজা এতিয়া, কথাবোৰ সকলোৰে ভগাই মেলি কৈছে।)

ওজা : আৰু তাৰ পিছৰ পৰা কীৰ্ত্তিচন্দ্ৰ নিয়মকৰা বৰাক আন কোনেও দেখা নাই। কৰ্পূৰৰ দৰে উৰি গ'ল কীৰ্ত্তিচন্দ্ৰ। দেশৰ মানুহে এওঁক মনত ৰাখিছিল বহু দিনলৈ। মনত ৰাখিছিল এওঁৰ উদ্ভট বিচাৰ। কিছুদিনৰ বাবে দেশত যেন সঁচাকৈয়ে বিৰাজ কৰিছিল সঁচা বিচাৰ। কিন্তু আমি যি সকলে আপোনাসৱৰ আগত নাচি-বাগি গীত গালো, শুনালো, আমাৰ মনৰ নিভৃত কোণত এটা কথা সদায় ৰাখিব লাগিব - এটা চিৰ সত্য কথা, জ্ঞানৰ কথা -

পালি সকল : কি কথা?

ওজা : যি ভাল, সি যাব, যি তাৰ মৰম বুজে, তাৰ ওচৰলৈ।
যি মাকে ভাল পায়, তেওঁৰ ওচৰলৈ যাব ল'ৰা।
যি গাৰোৱানে গাড়ী চলায়, তাৰ ওচৰলৈ যাব গাড়ী।
যি কৃষকে মাটি চহায়, তেওঁৰ ওচৰলৈ যাব মাটি।
আৰু এইটোৰেই সঁচা বিচাৰ -
চক মাটিৰ বৃত্তৰ বিচাৰ।

পালি সকল : এইটোৰেই সঁচা বিচাৰ।
চক মাটিৰ বৃত্তৰ বিচাৰ।

(লাহে লাহে মঞ্চৰ পোহৰ নিষ্প্ৰভ হৈ পৰিল। নাটকৰ যৱনিকা নামি আহিল।)